

১৯৫১ – ১৯৬০

অসম

অসম





অসম

(১৯৫১-১৯৬০)

গৱেষণা সহযোগী

কৃষ্ণ কান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়, অসম

নন্দ তালুকদাৰ ফাউণ্ডেচন

পাতনি

অসমীয়া ভাষাত ইতিহাস প্ৰণয়নৰ যি গৌৰৱোজ্জ্বল ধাৰা প্ৰৱৰ্তিত তাৰ মাজত বিশেষকৈ স্বৰাজোত্তৰ অসমৰ ইতিহাস প্ৰণয়ন এক কঠিন কাম বুলি আমি বিবেচনা কৰোঁ। আহোম শাসন কালত ৰচিত লিখিত বুৰঞ্জী, বৃটিছ শাসনকালৰ বিভিন্ন চৰকাৰী নথি, প্ৰতিবেদন, চৰকাৰী ৰাজপত্ৰ, বিভিন্ন পণ্ডিত, পৰিব্ৰাজকৰ লেখা আদি ইতিমধ্যে থকা উৎসৰ বাবে মধ্যযুগ আৰু বৃটিছ শাসন কালৰ ভালেমান বুৰঞ্জী গ্ৰন্থ প্ৰণয়ন সম্ভৱ হৈ উঠিছিল। পৰৱৰ্তী সময়ত, বিশেষতঃ স্বৰাজোত্তৰ সময়ৰ ইতিহাস ৰচনাৰ কামৰ বিষয়ে চিন্তা-চৰ্চা কৰা বা যথাযথ ৰূপত এই বিষয়ত

আগবঢ়াটো এক প্ৰত্যাহ্বানমূলক কাম। বুৰঞ্জী ৰচনাৰ প্ৰণালীবদ্ধ শিক্ষণ নথকাকৈ এনে ইতিহাস প্ৰণয়নত ভালেমান আসোঁৱাহ ৰৈ যোৱাৰ সম্ভাৱনা থাকে। এই সময়ছোৱাত চৰকাৰী অভিলেখাগাৰ, বিভিন্ন পুথিভঁৰাল, গৱেষণামূলক গ্ৰন্থ, বাতৰি কাকত আদি পৰ্যাপ্ত হোৱাৰ বাবে প্ৰয়োজন দীৰ্ঘদিনীয়া অধ্যয়ন, অধ্যৱসায় আৰু যথাসম্ভৱ বিকৃত নোহোৱাকৈ নথিবোৰ লিপিবদ্ধ কৰা।

সেই অৰ্থত আমাৰ এই প্ৰচেষ্টা এক দুঃসাহসিক অভিযান। কাৰণ আমি দুয়ো বুৰঞ্জীৰ ছাত্ৰ নহয় আৰু প্ৰণালীবদ্ধ বুৰঞ্জী অধ্যয়ন বিষয়তো আমাৰ জ্ঞান সীমিত। তৎসত্ত্বেও ২০১১ চনৰ জানুৱাৰী মাহৰ কোনোবা এটা শীতৰ সেমেকা ৰাতি অংকুৰণ ঘটিছিল ইতিহাস ৰচনাৰ এক বীজৰ। সেই বীজৰে ফচল হৈছে 'অসম'।

আমাৰ উপলব্ধি হৈছিল যে অসমীয়া ভাষাত ৰচিত ইতিহাস বিষয়ক বিভিন্ন গ্ৰন্থ, প্ৰবন্ধ আদিত স্বৰাজোত্তৰ অসমৰ বিশেষকৈ ১৯৫০ ৰ দশকৰ পৰা আৰম্ভ কৰি পৰৱৰ্তী দশকসমূহৰ সামাজিক আৰু ৰাজনৈতিক ভালেমান ঘটনাক্ৰম বা ঘটনাপ্ৰৱাহ অনুপস্থিত। স্বাধীনতাৰ সময়লৈকে অসমৰ সামাজিক-ৰাজনৈতিক ঘটনাপ্ৰৱাহক শৃংখলিত-প্ৰণালীবদ্ধভাৱে নথিকৰণ কৰাৰ এক প্ৰচেষ্টা চলিছিল যদিও কিবা এক অজান কাৰণত স্বাধীনতাৰ পাছৰ সময়ছোৱাৰ বিভিন্ন গুৰুত্বপূৰ্ণ সামাজিক, ৰাজনৈতিক, আৰ্থিক, সাংস্কৃতিক সংঘটন, ঘটনা বা প্ৰক্ৰিয়াৰ বিষয়ে অসমীয়া ভাষাত লিখিত সমলৰ অভাৱ বাৰুকৈয়ে পৰিলক্ষিত হয়। গৱেষণামূলক গ্ৰন্থ, গৱেষণা পত্ৰিকা আদিয়ে এনে বিষয়বোৰ সামৰিছে বা সামৰাৰ যৎসামান্য প্ৰয়াস কৰিছে যদিও সাধাৰণ পাঠকৰ বাবে বহু ঐতিহাসিক ঘটনা-পৰিক্ৰমা আদিৰ বিষয়ে লিখিত বিৱৰণ আজিও দুষ্প্ৰাপ্য বুলি ক'ব পাৰি।

আমি অকপটে স্বীকাৰ কৰো যে ১৯৪৫ চনৰ আগৰ সময়খিনিৰ বিষয়ে লেখত ল'বলগীয়া অসংখ্য অধ্যয়ন হৈছে যদিও তাৰ পাছৰ সময়খিনিৰ ক্ষেত্ৰত তেনে অধ্যয়ন অসমীয়া ভাষাত হোৱা নাই আৰু হৈছে যদিও তেনে অধ্যয়ন আহি সাধাৰণ পাঠকৰ হাতত পৰা নাই। অসংখ্য ঘটনাৰ সাময়িক বিশ্লেষণ তদানীন্তন আলোচনী-বাতৰি কাকত আদিত প্ৰকাশ পাইছিল যদিও তাৰ সামগ্ৰিক নথিভুক্তকৰণ যথাযথভাৱে কৰা নহ'ল।

পাতনি

সমসাময়িক ঘটনাক্ৰমক নথিকৰণ কৰা, তাৰ বিশ্লেষণ কৰাক এক প্ৰত্যাহ্বানমূলক কাৰ্য বুলি বিবেচনা কৰা হয় বাবেই হয়তো স্বৰাজোত্তৰ অসমৰ এই কাহিনী, ঘটনা, ঐতিহাসিক দৃষ্টিকোণৰ পৰা অতি সংবেদনশীল বুলি বিবেচিত বহু বিষয়ৰ লিখিত বিৱৰণ আজি আমাৰ মাজত সহজতে পাব পৰা অৱস্থাত নাই।

সেয়েহে মূলতঃ এই সময়খিনিৰ বিভিন্ন ঘটনা, ৰাজনৈতিক-সামাজিক-আৰ্থিক পৰিঘটনা আদিক নথিভুক্তকৰণ কৰাৰ উদ্দেশ্যেৰে আমি 'অসম' প্ৰকাশৰ কাম হাতত লৈছিলো। আমি জানো যে যোৱা দশককেইটাত আনে কৰিবলৈ সাহ নকৰা এই কাম আমি কৰিবলৈ ওলাইছো। আমাৰ এই কামত হয়তো অসংখ্য ভুল-ত্ৰুটি ৰৈ যাব পাৰে। কিন্তু আমি বিশ্বাস কৰিছিলো যে নথিভুক্তকৰণৰ প্ৰাথমিক কামখিনিও স্বৰাজোত্তৰ অসমৰ বুৰঞ্জী প্ৰণয়নৰ ক্ষেত্ৰত হৈ উঠা নাই। ইতিমধ্যে বহু গুৰুত্বপূৰ্ণ ঐতিহাসিক সমল, নথি, অসমৰ আটাইতকৈ পুৰণি বাতৰি কাকত, আলোচনী আদি সংৰক্ষণৰ অভাৱত জহি-খহি গৈছে। চল্লিশ-পঞ্চাশৰ দশকৰ এনে বহু কাকত-আলোচনীৰ অৱস্থা ইমানেই বেছি বেয়া যে সেইবোৰৰ পুনঃসংৰক্ষণ হয়তো আৰু সম্ভৱপৰ নহ'ব। তেনে কাকত-আলোচনী আদি কোন কাহানিবাই যথাযথ আৰু বৈজ্ঞানিক উপায়েৰে সংৰক্ষণ কৰিব লাগিছিল যদিও তেনে প্ৰচেষ্টা লোৱা দেখা নগ'ল।

তথ্য বিচৰাৰ কামটো আছিল আমাৰ বাবে অতি কঠিন। সংবাদপত্ৰৰ পৰা আৰম্ভ কৰি বিভিন্ন স্থান, প্ৰান্তত সিঁচৰতি হৈ থকা ঐতিহাসক তথ্যসমূহ গোটাই লোৱাটো আছিল এক ডাঙৰ প্ৰত্যাহ্বান। সি যি কি নহওক, তেনে তথ্য সংগ্ৰহৰ কামত আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল কৃষ্ণা তালুকদাৰ আৰু উদ্দীপ্ত হাজৰিকাই। সম্পূৰ্ণ ২৫ টা মাহ তেওঁলোকে কটাইছে অসমৰ বিভিন্ন পুথিভঁৰালত। ১৯৪৫ চনৰ পৰা ২০২০ লৈ প্ৰায় প্ৰতিখন বাতৰি কাকত, আলোচনীৰ পাত লুটিয়াই চোৱা হৈছে আৰু তাৰপৰাই প্ৰস্তুত কৰা হৈছে সুদীৰ্ঘ প্ৰায় ৭৫ বছৰৰ সময়ানুক্ৰম। তেওঁলোকৰ এই পৰিশ্ৰম আৰু কষ্ট অবিহনে হয়তো এই খণ্ডকেইটাৰ প্ৰণয়ন সম্ভৱ হৈ নুঠিলেহেঁতেন।

প্ৰথম খণ্ড ঃ 'অসম'ৰ প্ৰথম খণ্ডটোত (১৯৪৫-৫০) যদিও মাথোঁ পাঁচটা

সূচীপত্ৰ

অসমত কমিউনিষ্ট আন্দোলনৰ উত্থান

ভাৰতবৰ্ষত কমিউনিষ্ট দল প্ৰতিষ্ঠাক লৈ দুই ধৰণৰ মতবিৰোধ দেখা যায়। ভাৰতৰ কমিউনিষ্ট পাৰ্টী(CPI)ৰ মতে ভাৰতবৰ্ষত কমিউনিষ্ট দল ১৯২৫ চনৰ ছেপ্টেম্বৰ মাহত কাণপুৰত প্ৰতিষ্ঠা হৈছিল। ইয়াৰ বিপৰীতে ভাৰতৰ মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টীৰ (CPIM) মতানুসৰি ১৯২০ চনৰ অক্টোবৰ মাহত তাছখণ্ডত দলৰ প্ৰতিষ্ঠা হৈছিল। এই মতবিৰোধৰ উৰ্দ্ধত প্ৰকৃত সত্য কথাটো হৈছে তাছখণ্ড বা কাণপুৰত প্ৰতিষ্ঠা হোৱা কোনো এটা দলৰে দলীয় কাৰ্যসূচী নাছিল যিটো এটা কমিউনিষ্ট পাৰ্টীৰ বাবে অপৰিহাৰ্য।

১৯৫১

১৯ জানুৱাৰী ঃ শিলচৰত অনুষ্ঠিত অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ দুদিনীয়া অধিৱেশন সমাপ্ত হয়। এই অধিৱেশনত চাৰিটা আনুষ্ঠানিক প্ৰস্তাৱ সৰ্বসন্মতি ক্ৰমে গৃহীত হয়।

ৰিজাৰ্ভ হাবি মুকলি কৰা, চাহ বাগিচাৰ গ্ৰাণ্টৰ মাটি অধিগ্ৰহণ কৰা আৰু অন্যান্য পতিত মাটি মাটিহীন খেতিয়কক নিৰ্দিষ্ট সময়ৰ ভিতৰত বিলাই দিবলৈ আৰু কাছাৰ জিলাত ভগনীয়াক সাহায্য আৰু পুনৰ সংস্থাপনৰ কাম উপযুক্তভাৱে কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক দাবী জনোৱাৰ লগতে কংগ্ৰেছৰ খচৰা নিয়মাৱলীত কিছু সংশোধনৰ পৰামৰ্শ দাঙি ধৰা হয়। অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীয়ে বিশেষকৈ কাছাৰ জিলাৰ খাদ্য পৰিস্থিতি সম্পৰ্কে এক প্ৰস্তাৱ গ্ৰহণ কৰে। মাটি বিতৰণৰ প্ৰস্তাৱত খেতিয়কে যাতে পিচৰ বছৰৰ পৰা ধান খেতি কৰিব পৰাকৈ মাটি পায় সেই কথাত অধিক গুৰুত্ব প্ৰদান কৰা হয়।

২৩ জানুৱাৰী ঃ ১৯৫০ চনৰ ২৭ আৰু ২৯ জুলাইত গুৱাহাটীত বহা অসম শিক্ষা সন্মিলনীৰ অসমীয়া লিপি গুচাই দেৱনাগৰী লিপি গ্ৰহণ কৰা সম্পৰ্কীয় প্ৰস্তাৱ অনুসৰি অসম চৰকাৰে সাহিত্য সমাজ, প্ৰেছ, সাহিত্যিক আৰু এই বিষয়ে ৰাপ থকা অন্য সকলো ব্যক্তিৰ পৰা জনমত গ্ৰহণ কৰিবলৈ স্থিৰ কৰে।

২৯ জানুৱাৰী ঃ অসমৰ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে গুৱাহাটীত আনন্দবাজাৰ পত্ৰিকা আৰু হিন্দুস্থান ষ্টেণ্ডাৰ্ড বাতৰিকাকতৰ অফিচ উদ্বোধন কৰে।

- কেন্দ্ৰীয় খাদ্য মন্ত্ৰীয়ে শতকৰা ২৫ শতাংশ ৰেচন কৰ্তন সম্পৰ্কে কৰা ঘোষণাত অসমৰ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে অসমৰ ক্ষেত্ৰতো এই সিদ্ধান্ত প্ৰযোজ্য হোৱাৰ কথা ব্যক্ত কৰে আৰু সকলো অসমবাসীক খাদ্য সামগ্ৰী নষ্ট নকৰিবলৈ গোহাৰি জনায়।

৩০ জানুৱাৰী ঃ ভাৰত চৰকাৰৰ ভূতত্ত্ববিদ পি চি পোদ্দাৰে অসমত কেনেকুৱা ধৰণৰ ঘৰ সাজিব লাগে সেই বিষয়ে উপযুক্ত পৰামৰ্শ দিবৰ কাৰণে 'অসম ঘৰ সজা কমিছন' গঠন

তদুপৰি এই দুয়োটা দলেই আন্তৰ্জাতিক কমিউনিষ্ট সংগঠনৰ দ্বাৰা স্বীকৃত নাছিল। কমিউনিষ্ট আন্তৰ্জাতিকৰ নিয়মত যিকোনো দলকে কমিউনিষ্ট দল হিচাপে স্বীকৃতি দিবলৈ হ'লে সি কমিউনিষ্ট আন্তৰ্জাতিকৰ দ্বাৰা স্বীকৃত হ'ব লাগিব আৰু দলৰ নিৰ্দিষ্ট এক কাৰ্যসূচী থাকিব। ভাৰতবৰ্ষত কমিউনিষ্ট দল এটাৰ আত্মপ্ৰকাশ ঘটিল ১৯৩০ চনৰ পিচতহে। মীৰাট ষড়যন্ত্ৰ গোচৰ আৰম্ভ হোৱাৰ পিচত কমিউনিষ্টসকলে প্ৰথমে ১৯৩০ চনত The Draft Platform of Action নামৰ এখন কৰ্মসূচীগত দলিল প্ৰস্তুত কৰি উলিয়ায়। মীৰাট ষড়যন্ত্ৰত (ব্ৰিটিছৰাজ উচ্ছেদৰ বিৰুদ্ধে ষড়যন্ত্ৰত লিপ্ত থকাৰ অভিযোগ তুলি ব্ৰিটিছ চৰকাৰে ১৯২৯ চনৰ ২০ মাৰ্চত ৩১ জন কমিউনিষ্ট নেতাক গ্ৰেপ্তাৰ কৰিছিল। এই গোচৰ প্ৰায় চাৰি বছৰ চলিছিল) অভিযুক্ত বন্দীসকল মুক্ত হোৱাৰ পিচত ১৯৩৩ চনৰ ডিচেম্বৰত পাৰ্টীৰ কেন্দ্ৰীয় তদৰ্থ কমিটীয়ে The Draft Political Statute শীৰ্ষক দ্বিতীয় দলিল এখন গ্ৰহণ কৰে। ১৯৩৩ চনত মুক্তিপ্ৰাপ্ত বন্দীসকলে এটা কেন্দ্ৰীভূত কমিউনিষ্ট দল গঠন কৰে তথা দেশৰ বিভিন্ন ৰাজ্যত প্ৰাদেশিক গোটসমূহ গঠন কৰাত মনোনিবেশ কৰে। Draft Political Thesis নামৰ তৃতীয়খন কৰ্মসূচীগত দলিল গ্ৰহণ কৰা হয় ১৯৩৫ চনত। ষষ্ঠ কমিউনিষ্ট আন্তৰ্জাতিক সিদ্ধান্তৱলীৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা প্ৰথম দলিল দুখনক সংশোধন কৰা হৈছিল আৰু সেইবাবে তৃতীয়খন দলিল গ্ৰহণ কৰা হৈছিল। তৃতীয় দলিলখন প্ৰকাশ হোৱাৰ আগতে ১৯৩৫ চনত কমিউনিষ্ট আন্তৰ্জাতিকৰ সপ্তম কংগ্ৰেছ অনুষ্ঠিত হয় আৰু ইয়াত পৃথিৱীৰ বিভিন্ন দেশত কমিউনিষ্ট দলবোৰে গ্ৰহণ কৰা কৰ্মপদ্ধতিৰ সংশোধন ঘটোৱা হয়। উল্লেখ্য যে Draft Political Thesis ক ভিত্তি কৰিয়েই কমিউনিষ্ট আন্তৰ্জাতিকে ভাৰতৰ কমিউনিষ্ট পাৰ্টীক স্বীকৃতি প্ৰদান কৰে। কমিউনিষ্ট আন্তৰ্জাতিকৰ সপ্তম কংগ্ৰেছত সাম্ৰাজ্যবাদৰ বিৰুদ্ধে তথা জাতীয় মুক্তি সংগ্ৰামত শ্ৰমিক শ্ৰেণীয়ে বুৰ্জোৱাৰ লগত ঐক্যবদ্ধ হৈ সংগ্ৰাম কৰাৰ পথ নিৰ্দেশনা দিয়া হয়। এই

কৰিবলৈ ভাৰত চৰকাৰক পৰামৰ্শ দিয়ে। অসমৰ ভূমিকম্পত বিধ্বস্ত হোৱা অঞ্চলত ভূতাত্ত্বিক গৱেষণা কৰিবলৈ পোৱা অন্যান্য চাৰিজন গৱেষকৰ ভিতৰত পি চি পোদ্দাৰো অন্যতম।

৬ ফেব্ৰুৱাৰী ঃ অসমৰ ভিতৰৰ ৩৩ বৰ্গমাইল অঞ্চলৰ দায়িত্ব ভূটানলৈ হস্তান্তৰ কৰা সম্পৰ্কীয় এখন বিল সংসদত উত্থাপন কৰা হয়। এই বিলখনক অসম সীমান্ত বিল নামে অভিহিত কৰা হয়। বিলখন ১৯৪৮ চনত ভূটানৰ লগত ভাৰতে কৰা চুক্তিৰ এক পৰিশিষ্ট অংশ। এই চুক্তি মতে ভাৰতে অসমৰ ভিতৰৰ পৰা দেৱানগিৰি অঞ্চলটো ভূটানক হস্তান্তৰ কৰি দিবলৈ মান্তি হৈছিল। কিন্তু এই পৰ্যন্ত ভাৰত চৰকাৰে এই অঞ্চলটো ভূটানক হস্তান্তৰ কৰা নাই। নতুন সংবিধান মতে সংসদৰ পৰা আইন আকাৰে দিয়া অনুমতি নাপালে চৰকাৰে কোনো ৰাজ্য হস্তান্তৰ নাইবা পৰিত্যাগ কৰিব নোৱাৰে।

৭ ফেব্ৰুৱাৰী ঃ গুৱাহাটীৰ পৰা প্ৰায় চাৰিমাইল দূৰত চুড়া পাহাৰৰ ওচৰত বিখ্যাত কমিউনিষ্ট নেতা নীলমণি বৰঠাকুৰক পুলিচে গ্ৰেপ্তাৰ কৰে। উল্লেখযোগ্য যে সেই সময়ছোৱাত অসম চৰকাৰে তেওঁৰ গ্ৰেপ্তাৰ প্ৰসংগত ৫০০ টকাৰ পুৰস্কাৰ ঘোষণা কৰিছিল।

১১ ফেব্ৰুৱাৰী ঃ অসমত চাকৰিত আছুতীয়া আসনৰ ব্যৱস্থা ঃ সংবিধানৰ ৩৩৫ অনুচ্ছেদ আৰু ১৬ অনুচ্ছেদৰ ৪ খণ্ড মতে প্ৰশাসনীয় যোগ্যতা ৰক্ষাৰ্থে অনুসূচিত জাতিৰ কাৰণে শতকৰা ৫খন, ভৈয়ামৰ অনুসূচিত জনজাতিৰ কাৰণে শতকৰা ১০খন, পৰ্বতীয়া অনুসূচিত জনজাতিৰ কাৰণে শতকৰা ১২খন আসন অসমৰ চাকৰিত আছুতীয়াকৈ ৰাজ্যপালে ৰাখিব। কোনো বছৰ যদি নিৰ্ধাৰিত আছুতীয়া আসন ভৈয়াম বা পৰ্বতীয়া অনুসূচিত জনজাতীয় লোকৰ দ্বাৰা পূৰণ কৰিব পৰা নাযায়, তেনেহ'লে পিচৰ বছৰত সেই খালী আসন পূৰণ কৰিব পৰা হ'ব।

১৪ ফেব্ৰুৱাৰী ঃ অসমৰ ৰাজ্যপাল জয়ৰামদাস দৌলতৰামে শ্বিলঙৰ পৰা ১৪ মাইল আঁতৰত মওফওলঙত

নির্দেশৰ আধাৰত ভাৰতৰ কমিউনিষ্ট পার্টীয়ে ১৯৩৫ চনৰ পৰা ভাৰতৰ জাতীয় কংগ্ৰেছৰ লগত লগ হৈ স্বাধীনতা সংগ্ৰামৰ পথ গ্ৰহণ কৰে। কমিউনিষ্ট পার্টীক ব্ৰিটিছে অবৈধ বুলি ঘোষণা কৰাৰ পিচত পার্টীৰ সদস্যসকলে ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভ্যপদ গ্ৰহণ কৰি স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰিবলৈ আৰম্ভ কৰে।

অসমৰ বাতৰিকাকত, আলোচনী আদিত অক্টোবৰ বিপ্লৱ, সমাজতন্ত্ৰবাদ, সাম্যবাদ আদিৰ বিষয়ে সামান্য পৰিমাণে চিন্তা-চৰ্চা আৰম্ভ হৈছিল যদিও বংগ অথবা কেৰালাৰ তুলনাত সেইবোৰ আছিল তেনেই প্ৰভাৱহীন। অসমত কমিউনিষ্ট আন্দোলনৰ প্ৰথম বীজ অংকুৰিত হয় সুৰমা উপত্যকাত। সুৰমা উপত্যকাত ভাৰতীয় জাতীয় কংগ্ৰেছ, কংগ্ৰেছ সমাজতান্ত্ৰিক দল আদিৰ গঠন তথা বিকাশ ব্ৰহ্মপুত্ৰ উপত্যকাতকৈ বহু আগতে আৰম্ভ হৈছিল আৰু ইয়াৰ মূল কাৰণ আছিল উপত্যকাত থকা বংগীয় প্ৰভাৱ। বিপ্লৱী জাতীয়তাবাদী আন্দোলনত চিলেট জিলাৰ অসংখ্য যুৱকে অংশগ্ৰহণ কৰিছিল আৰু কলিকতাত আত্মগোপন কৰি থকা অৱস্থাতে এই বিপ্লৱী যুৱকসকলৰ বংগৰ কমিউনিষ্ট দলৰ সৈতে সংস্পৰ্শ ঘটে। বিপ্লৱীসকলে মাৰ্ক্সবাদী মতাদৰ্শ গ্ৰহণ কৰি বংগৰ পার্টীৰ অধীনত চিলেট জিলা কমিউনিষ্ট পার্টীৰ সাংগঠনিক কমিটী গঠন কৰে। ১৯৩৫ চনত বেংগল কমিউনিষ্ট পার্টীৰ নেতা ফণী দত্তৰ জৰিয়তে ছজনীয়া এখন কমিটী গঠন কৰা হয়। এই কমিটীৰ সদস্যসকল আছিল ক্ৰমে লালা শৰদিন্দু দে', দ্বিগেন দাশগুপ্ত, দিনেশ চৌধুৰী, অমৰেন্দ্ৰ পাল, চিত্ত দাস আৰু চঞ্চল শৰ্মা। কমিটীৰ সম্পাদক আছিল চিত্ত দাস। চিলেটত কমিউনিষ্ট পার্টী গঠন হোৱাৰ পিচত কংগ্ৰেছ সমাজতান্ত্ৰিক দলৰ বেছিভাগ সদস্যই কমিউনিষ্ট পার্টীত যোগদান কৰে। চিলেটৰ লেখীয়াকৈ কাছাৰ জিলাতো কমিউনিষ্ট দল গঠন হোৱাৰ আগৰ পৰাই কংগ্ৰেছ দলৰ উপস্থিতি শক্তিশালী ৰূপত আছিল আৰু কাছাৰ জিলা কংগ্ৰেছৰ নেতৃত্ব আছিল কমিউনিষ্টসকলৰ

বিমানকোঠ এটা সজাৰ কাম উদ্বোধন কৰে। এই বিমানবন্দৰটো পাচিঘাট, শদিয়া আদি অসমৰ পৰ্বতীয়া অঞ্চলৰ ঠাইত পাতিব লগা বিমানকোঠৰ ভিতৰত শ্বিলঙতে প্ৰথম আৰম্ভ হয়।

১৬ ফেব্ৰুৱাৰী ঃ অসম চৰকাৰে হাইস্কুল আৰু মজলীয়া ইংৰাজী স্কুলৰ নিম্ন শ্ৰেণীত (অৰ্থাৎ তৃতীয় শ্ৰেণীত) ইংৰাজী শিক্ষা দিয়াটো বাধ্যতামূলক হ'ব নলগাৰ কথা উল্লেখ কৰি ১৯৫০-৫১ চনৰ পৰা তৃতীয় শ্ৰেণীত ইংৰাজী বিষয়টো উঠাই লয়। পৰৱৰ্তী সময়ত এম ভি স্কুলৰ চতুৰ্থ শ্ৰেণীৰ দৰে হাইস্কুল আৰু এম ই স্কুলত চতুৰ্থ শ্ৰেণীক একে পৰ্যায়ৰ পাঠ্যপুথিৰে পঢ়োৱাৰ ব্যৱস্থা কৰাৰ কথা প্ৰেছ নোটত প্ৰকাশ পায়।

২১ ফেব্ৰুৱাৰী ঃ অসমৰ উপদ্ৰুত অঞ্চলত অশান্তি দমন, ৰাজহুৱা শান্তি-শৃংখলা ৰক্ষা আৰু পুনৰ প্ৰতিষ্ঠা কৰা সম্পৰ্কে অসমৰ ৰাজ্যপাল জয়ৰামদাস দৌলতৰামে এখন অধ্যাদেশ জাৰি কৰে। 'অসম উপদ্ৰুত অঞ্চল অধ্যাদেশ ১৯৫১ চন' নামৰ এই অধ্যাদেশ অসম চৰকাৰে গেজেটত প্ৰকাশ কৰাৰ লগতে ৰাজ্যখনত বলৱৎ কৰে।

- ১৯৫০ চনত বিধানসভাই গ্ৰহণ কৰা অসম জমিদাৰী অধিগ্ৰহণ বিল ১৯৪৮, ৰাষ্ট্ৰপতিৰ অনুমোদনৰ কাৰণে পঠোৱা হয় যদিও সেই বিল ৰাষ্ট্ৰপতি ৰাজেন্দ্ৰ প্ৰসাদে ৰাজ্যপালৰ জৰিয়তে বিধানসভালৈ ঘূৰাই পঠায়।

২২ ফেব্ৰুৱাৰী ঃ কামৰূপ, গোৱালপাৰা আৰু দৰং জিলাৰ একাংশক অসম চৰকাৰে বসন্ত প্ৰপীড়িত অঞ্চল হিচাপে ঘোষণা কৰে।

- ৰাজ্যখনত চলোৱা কমিউনিষ্টবিৰোধী অভিযানত পুলিচে গোৱালপাৰা জিলাৰ দুধনৈৰ জনজাতীয় অঞ্চলত এটা দেশীয় বন্দুক তৈয়াৰ কৰা কাৰখানা আৱিষ্কাৰ কৰাৰ লগতে কমিউনিষ্ট পাৰ্টীৰ বহুতো কাগজ-পত্ৰও জব্দ কৰে।

২৩ ফেব্ৰুৱাৰী ঃ অসমৰ ৰাজ্যপাল জয়ৰামদাস দৌলতৰামে পূৰ্ণানন্দ চেতিয়া, মহেন্দ্ৰমোহন চৌধুৰী আৰু হৰেশ্বৰ দাসক অসম মন্ত্ৰীসভাৰ উপ-মন্ত্ৰী হিচাপে নিয়োগ কৰি পুনৰ নিৰ্দেশ নিদিয়াপৰ্যন্ত তেওঁলোকক

দখলত। চিলেট জিলাৰ কমিউনিষ্টসকলৰ উদ্যোগত কাছাৰ জিলাতো কমিউনিষ্ট পাৰ্টী গঢ় লৈ উঠে আৰু দ্বিগেন দাসগুপ্তৰ নেতৃত্বত অজয় ভট্টাচাৰ্য, ফণী ভট্টাচাৰ্য, তাৰাপদ ভট্টাচাৰ্য আৰু মহিতোষ পুৰকায়স্থক লৈ প্ৰথম এটি শাখা গঠন কৰা হয়। পিচলৈ গোপেন ৰায়, প্ৰীতিৰঞ্জন দাস, অচিন্ত্য ভট্টাচাৰ্য, মণি ৰায়, মতিলাল জাইগিৰদাৰ আৰু দ্বিজেন দাশগুপ্তই যোগদান কৰে। কাছাৰ জিলা কমিটীৰ সংগঠনিক সম্পাদক আছিল সুৰথ পাল চৌধুৰী। উল্লেখ্য যে চিলেট জিলা কমিটীয়ে 'নয়া দুনীয়া' নামৰ এখন সংবাদপত্ৰ প্ৰকাশ কৰিছিল আৰু অবিভক্ত অসমত এইখনেই আছিল পাৰ্টীৰ প্ৰথম মুখপত্ৰ।

অসম উপত্যকাত কমিউনিষ্ট পাৰ্টী গঠন আৰু তাৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰত ছাত্ৰ ফেডাৰেচনৰ ভূমিকা আছিল তাৎপৰ্যপূৰ্ণ। ১৯৪০ চনত শ্বিলঙত সুৰমা তথা ব্ৰহ্মপুত্ৰ উপত্যকাৰ ছাত্ৰ সন্মিলনৰ যিখন সন্মিলন অনুষ্ঠিত হৈছিল সেইখন সন্মিলনত (এই সন্মিলনৰ সভাপতিত্ব কৰিছিল হুমায়ুন কবিৰে) গৌৰীশংকৰ ভট্টাচাৰ্যক সভাপতি আৰু প্ৰাণেশ বিশ্বাসক সম্পাদক হিচাপে লৈ এখন কমিটী গঠন কৰা হয়। এই সন্মিলনত অঞ্জলি দাসক সভানেত্ৰী হিচাপে লৈ এখন ছাত্ৰ কমিটীও গঠন কৰা হয়। এই সন্মিলনৰ সিদ্ধান্ত অনুযায়ী প্ৰাণেশ বিশ্বাস আৰু অঞ্জলি দাসে অসমৰ বিভিন্ন ঠাইলৈ গৈ ছাত্ৰ ফেডাৰেচন গঢ়ি তোলাৰ দায়িত্ব লয়। অসমত কমিউনিষ্ট পাৰ্টী, ছাত্ৰ সংগঠন আৰু কৃষক সংগঠন গঢ়ি তোলাৰ ক্ষেত্ৰত প্ৰাণেশ বিশ্বাসৰ অৱদান আছিল অনবদ্য।

অসমত কমিউনিষ্ট পাৰ্টী গঠন হোৱাৰ ক্ষেত্ৰত অসমৰ বাহিৰলৈ শিক্ষা গ্ৰহণ কৰিবলৈ যোৱা ছাত্ৰসকলেই প্ৰধান ভূমিকা গ্ৰহণ কৰিছিল। অসমৰ বাহিৰত বেনাৰছ, কলিকতা আদিলৈ পঢ়িবলৈ যোৱা কেইবাজনো অসমীয়া ছাত্ৰই সেইবোৰ ঠাইৰ কমিউনিষ্ট পাৰ্টীৰ সংস্পৰ্শলৈ আহে আৰু কমিউনিষ্ট মতাদৰ্শ গ্ৰহণ কৰি অসমলৈ উভতি আহে। এইসকল লোকৰ

সংসদীয় সচিব হিচাপে দায়িত্বভাৰ অৰ্পণ কৰে।

● অসম ভগনীয়া সম্পত্তি অধ্যাদেশ, ১৯৫১ৰ ব্যৱস্থা অনুযায়ী ৰাজ্যখনৰ বাবে অসম চৰকাৰে ভগনীয়া সম্পত্তি পৰিচালনা কমিটী এখন গঠন কৰে। অসম চৰকাৰৰ স্বৰাজ্য বিভাগৰ সহকাৰী সচিব জে কে দত্ত (সভাপতি), আতাউৰ ৰহমান, মহিবুদ্দিন আহমেদ, গিয়াছুদ্দিন আহমেদক লৈ এই কমিটীখন গঠন কৰা হয়।

২৫ ফেব্ৰুৱাৰী ঃ শিৱসাগৰত সদৌ অসম স্বায়ত্তশাসিত সংঘৰ প্ৰথমখন অধিৱেশন অনুষ্ঠিত হয়। তিনিচুকীয়া, উত্তৰ লক্ষীমপুৰ, মঙলদৈ আৰু শ্বিলঙৰ বাহিৰে অসমৰ সকলো ঠাইৰ লোকেল ব'ৰ্ড, মিউনিচিপালিটী, টাউন সমিতি আৰু পঞ্চায়তৰ প্ৰতিনিধি আদিয়ে যোগদান কৰে।

৬ মাৰ্চ ঃ অসম-পাকিস্তান সীমান্তত চিলেটৰ গোৱানিঘাট অঞ্চলত পাঁচ মাইলজুৰি ১৪৪ ধাৰা জাৰি কৰা হয়। ইয়াৰ দ্বাৰা সেই অঞ্চলত ধান-চাউলৰ চোৰাং বেপাৰ বন্ধ কৰাৰ কাৰণে বজাৰত ধান-চাউলৰ কিনা-বেচা বন্ধ কৰি দিয়া হয়। এই নিষেধাজ্ঞা মতে কোনো লোকে সেই অঞ্চলেদি অহা-যোৱা কৰিব নোৱাৰে।

৮ মাৰ্চ ঃ অসমৰ প্ৰথম মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ মৃত্যুত খালী হোৱা কামৰূপ সদৰ (দক্ষিণ) সমষ্টিটোত ৫মাৰ্চত শতকৰা ৫০জনতকৈও কম ভোটদানেৰে উপ-নিৰ্বাচন অনুষ্ঠিত হয়। এই নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থী নলিনী কুমাৰ চৌধুৰীয়ে ৮৬টা ভোটত জয়লাভ কৰে। চৌধুৰীয়ে সৰ্বমুঠ ৭৪৬৭, ছচিয়েলিষ্ট প্ৰাৰ্থী হৰেশ্বৰ গোস্বামীয়ে ৭৩৮১ আৰু স্বতন্ত্ৰ প্ৰাৰ্থী নগেন্দ্ৰ দাসে ৩৭১টা ভোট লাভ কৰে।

৯ মাৰ্চ ঃ অসমৰ বিত্ত মন্ত্ৰী মতিৰাম বৰাই অসম বিধানসভাত ১৯৫১-৫২ চনৰ বাবে ৯৭ লাখ ৮৪ হাজাৰ টকাৰ এখন ঘাটি বাজেট দাখিল কৰে।

১৭ মাৰ্চ ঃ অসম বিধানসভাত কানি নিবাৰণ সংশোধনী আৰু প্ৰেক্ষাগাৰত ধূমপান নিষেধ বিল উত্থাপন কৰা হয়। এই কানি নিবাৰণী (তৃতীয় সংশোধনী) বিলখন দাঙি ধৰে অবৈতনিক প্ৰহিবিচন কমিছনাৰ দণ্ডেশ্বৰ হাজৰিকাই।

ভিতৰত জগন্নাথ ভট্টাচাৰ্য, যদু শইকীয়া, গৌৰীশংকৰ ভট্টাচাৰ্য, নীলমণি বৰঠাকুৰ আৰু দধি মহন্তই ছাত্ৰাৱস্থাতে কমিউনিষ্ট আন্দোলনৰ সংস্পৰ্শলৈ আহে। পিচলৈ ছাত্ৰ আন্দোলনৰ জৰিয়তে কমিউনিষ্ট পাৰ্টীলৈ অহা লোকসকলৰ ভিতৰত অন্যতম আছিল ধীৰেশ্বৰ কলিতা আৰু নন্দেশ্বৰ তালুকদাৰ। গুৱাহাটীৰ প্ৰগ্ৰেছিভ ইউনিয়ন আৰু ৰেডিকেল ক্লাবত মাৰ্ক্সীয় মতাদৰ্শৰ আলোচনা হৈছিল আৰু এনে আলোচনাত ভাগ লোৱা ব্যক্তিসকলৰ ভিতৰত অন্যতম আছিল প্ৰফুল্ল গোস্বামী, গৌৰীশংকৰ ভট্টাচাৰ্য, উত্তম তহবিলদাৰ, মাধৱ ডেকা, ধীৰেশ্বৰ কলিতা, নন্দেশ্বৰ তালুকদাৰ, লোহিত লহকৰ, অমলেন্দু গুহ, ভূধৰ বৰুৱা আদি।

অসম উপত্যকাত কমিউনিষ্ট পাৰ্টী গঠনৰ প্ৰথম পৰ্ব আৰম্ভ হয় ১৯৩৮-৩৯ চনৰ সময়ছোৱাত। উক্ত সময়ছোৱাৰ ভিতৰত গুৱাহাটী, যোৰহাট, ডিব্ৰুগড়, শিৱসাগৰ, নগাঁও আৰু অবিভক্ত গোৱালপাৰা জিলাত কমিউনিষ্ট পাৰ্টী গঠন কৰে। অসমত কংগ্ৰেছ সমাজতান্ত্ৰিক দল গঠন কৰাৰ ক্ষেত্ৰতো কমিউনিষ্টসকলে প্ৰধান ভূমিকা লৈছিল। কমিউনিষ্ট পাৰ্টীক ভাৰতৰ ঔপনিবেশিক চৰকাৰখনে বে-আইনী বুলি ঘোষণা কৰাৰ পিচত কমিউনিষ্টসকলে কংগ্ৰেছ সমাজতান্ত্ৰিক দলত থাকিয়েই মাৰ্ক্সবাদী আদৰ্শৰ প্ৰচাৰ চলাই গৈছিল।

দ্বিতীয় বিশ্বযুদ্ধৰ সময়ছোৱাত অসমৰ কমিউনিষ্টসকলে দলৰ সৰ্বভাৰতীয় আদৰ্শৰ সৈতে সংগতি ৰাখি যুদ্ধবিৰোধী স্থিতি গ্ৰহণ কৰে। ১৯৪১ চনৰ ডিচেম্বৰ মাহত যুদ্ধৰ বাবে পুঁজি সংগ্ৰহ কৰিবলৈ কটন কলেজত এখন বিজ্ঞান প্ৰদৰ্শনী আয়োজন কৰা হৈছিল। অসম প্ৰাদেশিক ছাত্ৰ ফেডাৰেচন আৰু কটন মহাবিদ্যালয়ৰ ছাত্ৰসকলে যুদ্ধৰ বিৰোধিতা কৰি সমদল বাহিৰ কৰে। এই বৃহৎ সমদলৰ ওপৰত কামৰূপৰ উপায়ুক্তৰ নিৰ্দেশত পুলিচে লাঠীচালনা কৰে আৰু ভালেকেইজন ছাত্ৰ আহত হয়। ১৯৪১ চনৰ ডিচেম্বৰ মাহৰ শেষৰ ফালে ছাত্ৰ ফেডাৰেচনে জাৰ্মানীৰ

২৪ মাৰ্চ ঃ অসম বিধানসভাত ৯১,৯৭,১৮৮ টকাৰ অনুদান গৃহীত ঃ

মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে বালিপৰা সীমান্ত অঞ্চল, টিৰাপ সীমান্ত অঞ্চল, আবৰ পাহাৰ আৰু মিচিমি পাহাৰৰ সমতল অঞ্চলসমূহ দৰং আৰু লখিমপুৰ জিলাৰ লগত চামিল কৰাৰ উদ্দেশ্যে এখন বিল দাঙি ধৰে। বিভিন্ন ২৬টা বিষয়ৰ অনুদানৰ ভিতৰত অসম-তিব্বত সীমান্তত এটা পুলিচ বাহিনী ৰখাৰ খৰচ, লোকপ্ৰিয় বৰদলৈৰ পত্নীক ১০ হাজাৰ টকাৰ এটা মঞ্জুৰি দিয়া আৰু তেওঁৰ চাৰিটা ল'ৰা-ছোৱালীক প্ৰত্যেককে মাহে ২০ টকাকৈ বৃত্তি দিয়া ইত্যাদি অন্যতম।

২৫ মাৰ্চ ঃ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিৰ সভাপতিত্বত বহা লোকপ্ৰিয় বৰদলৈ স্মাৰক কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক কমিটীয়ে লোকপ্ৰিয় বৰদলৈ স্মাৰক নিধি সংগ্ৰহৰ কাম চলাবলৈ ১৯৫১ চনৰ ৬ এপ্ৰিলৰ পৰা ১০ এপ্ৰিললৈ অসমত সংগ্ৰহ সপ্তাহ পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

২৬ মাৰ্চ ঃ অসম বিধানসভাত ৯খন চৰকাৰী বিল গৃহীত ঃ

অসম বিধানসভাই সৰ্বসন্মতিক্ৰমে ১৯৪৮ চনৰ অসম জমিদাৰী অধিকাৰ বিলৰ সংশোধনীকল্পে দিয়া ৰাষ্ট্ৰপতিৰ পৰামৰ্শ গ্ৰহণ কৰে আৰু বিলখন সংশোধিত আকাৰে গৃহীত কৰে। বিধানসভাই সৰ্বমুঠ ৯খন বিল গৃহীত কৰে। মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে ১৯৪৯ চনৰ আগষ্ট মাহৰ চুক্তি অনুসৰি ভূটান চৰকাৰক দেৱানগিৰি অঞ্চলৰ প্ৰায় ৩২ বৰ্গ মাইলজোৰা অঞ্চলডোখৰ হস্তান্তৰ কৰিবৰ কাৰণে ৰাষ্ট্ৰপতিলৈ অনুমোদন কৰিবৰ কাৰণে সভাৰ অনুমতি বিচাৰি প্ৰস্তাৱ উত্থাপন কৰে আৰু সভাই এই প্ৰস্তাৱক অনুমোদন কৰি ৰাষ্ট্ৰপতিলৈ প্ৰেৰণ কৰে। সভাই ৪২-৪ ভোটত ধুবুৰীৰ মুছলমান সদস্য আব্দুল মজিদৰ সদস্যপদ নাকচ কৰে। সদস্যজনে দেশ বিভাজনৰে পৰা বিধানসভাত অনুপস্থিত থকাত সভাই এই সিদ্ধান্ত লয়। সভাই গৃহীত কৰা আন বিলসমূহ হৈছে—

পশু সংৰক্ষণ বিল (১৯৫০), বিত্ত বিল (১৯৫১), মটৰ স্পিৰিট

নেতৃত্বত চলা ফেচীবাদৰ বিৰুদ্ধে 'জনযুদ্ধ'ৰ নীতি ঘোষণা কৰে আৰু ইয়াৰ ফলত জয়প্ৰকাশ নাৰায়ণ পৰিচালিত সমাজতান্ত্ৰিক দলৰ সদস্যসকলে কমিউনিষ্টসকলক 'ব্ৰিটিছ দালাল' তথা স্বাধীনতা আন্দোলনৰ বিশ্বাসঘাতক বুলি আখ্যা দি তীব্ৰ কমিউনিষ্টবিৰোধী প্ৰচাৰ চলাইছিল। উল্লেখ্য যে ভাৰতীয় জাতীয় কংগ্ৰেছ দলটোত ফেচীবাদী যুদ্ধৰ বিৰোধিতা কৰা বিষয়টোক লৈ মতবিৰোধ দেখা দিছিল। জৱাহৰলাল নেহৰু, মৌলানা আব্দুল কালাম আজাদ আদি নেতা ফেচীবাদী যুদ্ধৰ পৰিণতি সম্পৰ্কত সজাগ আছিল আৰু তেওঁলোকে কংগ্ৰেছ ৱৰ্কিং কমিটীক ফেচীবাদবিৰোধী স্থিতি ল'বলৈ চেষ্টা কৰাইছিল। অৱশ্যে এনে এক মুহূৰ্ততে মহাত্মা গান্ধীয়ে তেওঁলোকক সমৰ্থন নকৰি ৱৰ্কিং কমিটীৰ গৰিষ্ঠসংখ্যক সদস্যৰ সমৰ্থনত 'ভাৰত ত্যাগ' আন্দোলনৰ প্ৰস্তাৱ গ্ৰহণ কৰে।

তেতিয়ালৈকে অসম উপত্যকাত কমিউনিষ্ট পাৰ্টীৰ কোনো সংগঠন গঢ়ি উঠা নাছিল। কমিউনিষ্ট ভাবাদৰ্শৰ প্ৰচাৰ চলাইছিল ছাত্ৰ ফেডাৰেচনেহে। ১৯৪৩ চনৰ জানুৱাৰী মাহত গোলাঘাটত ৰাজ্যখনৰ আটাইকেইটা কমিউনিষ্ট গ্ৰুপক আহ্বান কৰি এখন সভা পতা হয়। এই সভা বা অভিৱৰ্তনতে যদু শইকীয়াক সম্পাদক হিচাপে লৈ অসম উপত্যকা সাংগঠনিক জিলা কমিটী গঠন কৰা হয় আৰু কমিটীৰ কাৰ্যালয় স্থাপন কৰা হয় গোলাঘাটত। সভাই গঠন কৰি দিয়া ৯জনীয়া কমিটীখনৰ সদস্যসকল আছিল— যদু শইকীয়া, ধীৰেন দত্ত, দধি মহন্ত, প্ৰাণেশ বিশ্বাস, কীৰ্তি বৰদলৈ, বিষ্ণু বৰা, ফণী বৰা, চিদা শইকীয়া আৰু নন্দেশ্বৰ তালুকদাৰ। দুয়োটা উপত্যকাৰ পাৰ্টী দুটা লগ লগাই অসম ৰাজ্যিক কমিটী গঠন কৰা হৈছিল। পাৰ্টীৰ কেন্দ্ৰ গোলাঘাটৰ পৰা গুৱাহাটীলৈ স্থানান্তৰ কৰা হয় আৰু ভাৰতৰ কমিউনিষ্ট পাৰ্টীৰ অসম ৰাজ্যিক সাংগঠনিক কমিটীৰ সম্পাদকৰ পদ গ্ৰহণ কৰে বীৰেশ মিশ্ৰই। তেওঁৰ নেতৃত্বতে পিচলৈ অসমত কৃষক তথা ছাত্ৰ আন্দোলন শক্তিশালী ৰূপত গঢ় লৈ উঠে।

আৰু লুব্ৰিকেণ্ট বিক্ৰী কৰ সংশোধনী বিল (১৯৫১), উপদ্ৰুত অঞ্চল বিল (১৯৫১), ভগনীয়া সম্পত্তি বিল (১৯৫১), ভগনীয়া সংস্থাপন বিল (১৯৫১) আৰু জন নিৰাপত্তা (সংশোধনী) বিল।

● মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে বিধানসভাত প্ৰস্তাৱিত মিকিৰ পাহাৰ আৰু উত্তৰ কাছাৰ পাহাৰ জিলাৰ সীমা আয়োগৰ প্ৰতিবেদন দাখিল কৰে ঃ

মুখ্যমন্ত্ৰীয়ে ব্যাখ্যা কৰে যে আয়োগৰ পৰামৰ্শৰ লক্ষ্য হৈছে মিকিৰসকলৰ জনবসতি থকা সমূহ ঠাই অন্তৰ্ভুক্ত কৰি এখন মিকিৰ পাহাৰ গঠন কৰা আৰু তাৰ পৰা অ-মিকিৰৰ ঘন বসতি থকা ঠাইবোৰ বাদ দিয়া। মুখ্যমন্ত্ৰীগৰাকীয়ে স্বায়ত্তশাসিত মিকিৰ পাহাৰৰ পৰা বাদ পৰা মিকিৰ আৰু আন পিচপৰা জনজাতীয় লোকসকলৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ চৰকাৰে তেনে অঞ্চলসমূহ ট্ৰাইবেল বেল্ট কৰি সংগঠন কৰিবলৈ সিদ্ধান্ত লোৱাৰ কথা ব্যক্ত কৰাৰ লগতে সংযুক্ত মিকিৰ পাহাৰ আৰু উত্তৰ কাছাৰ পাহাৰ নামেৰে প্ৰশাসনীয় জিলা গঠন কৰিবলৈও প্ৰস্তাৱ লোৱাৰ কথা জানিবলৈ দিয়ে।

২৭ মাৰ্চ ঃ (ক) অসম বিধানসভাত তিনিখন চৰকাৰী বিল গৃহীত ঃ গৃহীত হোৱা বিলকেইখন হৈছে— প্ৰসূতি মংগল সংশোধনী বিল (১৯৫১), অসম যান-অধিগ্ৰহণ আৰু নিয়ন্ত্ৰণ বিল (১৯৫১) আৰু অসম স্বায়ত্ত শাসন সংশোধনী বিল (১৯৫১)। শিক্ষামন্ত্ৰী অমিয় কুমাৰ দাসে ভূমিকম্পত বিধ্বস্ত অঞ্চলৰ ছাত্ৰসমূহৰ বাবে চৰকাৰে লোৱা ব্যৱস্থাৰ কথা জনায়। সভাই চৰকাৰৰ মিকিৰ আৰু উত্তৰ কাছাৰ পাৰ্বত্য অঞ্চলক পৃথক স্বায়ত্তশাসিত অঞ্চল কৰা সম্পৰ্কীয় প্ৰস্তাৱত অনুমোদন জনায়।

● ডিব্ৰুগড়ৰ ষ্টেচন ৰোড, ৰিহাবাৰী আৰু ডাকঘৰৰ সন্মুখত ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয়। এই অগ্নিকাণ্ডত প্ৰায় তিনি লাখ টকাৰ সম্পত্তিৰ অনিষ্ট সাধন হয়।

২৮ মাৰ্চ ঃ ৰাজ্যিক চৰকাৰৰ বিভিন্ন উন্নয়নমূলক পৰিকল্পনাৰ সাহায্যাৰ্থে কেন্দ্ৰীয় চৰকাৰে ১৯৫০-৫১ চনত

অসমত কমিউনিষ্ট আন্দোলন

দ্বিতীয় বিশ্বযুদ্ধৰ অৱসানৰ পিচতে পৃথিৱীৰ প্ৰায় সকলো উপনিবেশতে স্বাধীনতা আন্দোলনৰ প্ৰাবল্য তীব্ৰ হৈ উঠিছিল। ১৯৪৫ চনত আজাদ হিন্দ ফৌজৰ বন্দী হৈ থকা জোৱানসকলৰ মুক্তিৰ দাবীত ভাৰতবৰ্ষত প্ৰচণ্ড বিক্ষোভৰ সূত্ৰপাত ঘটে। কমিউনিষ্ট পাৰ্টীয়ে সাম্ৰাজ্যবাদী ব্ৰিটিছৰ বিৰুদ্ধে শেষ আক্ৰমণ চলাবলৈ সংঘবদ্ধ হয় আৰু স্বাধীনতা আন্দোলনত অগ্ৰণী ভূমিকা ল'বলৈ ধৰে। কৃষক আৰু শ্ৰমিকসকলক লৈ কৰা এনে আন্দোলনৰ ফলতে তেভাগা, মহাৰাষ্ট্ৰৰ ৱৰ্লি জনজাতীয় লোকসকলৰ সংগ্ৰাম, পঞ্জাবৰ আধিয়াৰসকলৰ সংগ্ৰাম, তেলেংগানা আৰু ট্ৰিবাংকোৰৰ সংগ্ৰামে ভাৰতবৰ্ষৰ জাতীয় সংগ্ৰামক আন এক দিশেৰে সমৃদ্ধ কৰি তুলিছিল। ত্ৰিপুৰা তথা অসমৰ সুৰমা উপত্যকাত এনে আন্দোলনে হিংসাত্মক ৰূপ গ্ৰহণ কৰিছিল।

১৯৪৩ চনত অসম প্ৰাদেশিক সাংগঠনিক কমিটী গঠনৰ সময়ত ৰাজ্যখনত মাত্ৰ দুখন জিলা— শ্ৰীহট্ট আৰু কাছাৰত কমিউনিষ্ট পাৰ্টীৰ জিলা কমিটী থকাৰ কথা ইতিমধ্যে উল্লেখ কৰা হৈছে। প্ৰাদেশিক কমিটীয়ে অসমৰ ভৈয়ামৰ সকলো জিলাত জিলা কমিটী, আঞ্চলিক কমিটী, শাখা কমিটী গঠন আদি কাম কৰিব লগা হৈছিল। প্ৰাদেশিক সাংগঠনিক কমিটীৰ সদস্যসকলৰ ভিতৰত বিষ্ণু বৰা, প্ৰাণেশ বিশ্বাস আৰু নন্দেশ্বৰ তালুকদাৰে কৃষক সভা গঠন, গৌৰীশংকৰ ভট্টাচাৰ্য, বাৰীন চৌধুৰীয়ে ৰে'ল আৰু ডাক-তাঁৰ বিভাগত শ্ৰমিক ইউনিয়ন গঢ়ি তোলা, নীলমণি বৰঠাকুৰে উজনি অসমত চাহ শ্ৰমিক ইউনিয়ন গঢ়া, ছাত্ৰ ফ্ৰণ্টৰ দায়িত্বত ফণী বৰা আৰু সাংস্কৃতিক ফ্ৰণ্টৰ দায়িত্বত আছিল হেমাংগ বিশ্বাস।

অসম প্ৰাদেশিক সাংগঠনিক কমিটী জন্ম হোৱাৰ সময়ৰে পৰা প্ৰদেশখনত কৃষক আন্দোলনে সংগঠিত ৰূপ লয় আৰু কৃষক সভা গঠন হয়। ১৯৪৬ চনত ঠেকেৰাগুৰিত অনুষ্ঠিত সন্মিলনত অসমৰ দুয়োটা

১৪.৫২ কোটি টকাৰ ধাৰ মঞ্জুৰ কৰাৰ কথা কেন্দ্ৰীয় বিত্ত মন্ত্ৰী চি ডি দেশমুখে সংসদত উল্লেখ কৰে। এনেধৰণৰ আঁচনিৰ অৰ্থে ৫০.১৯ লাখ টকাও উক্ত কালৰ ভিতৰত ৰাজ্যিক চৰকাৰসমূহলৈ মঞ্জুৰ কৰা হয়। ইয়াৰে ৰাজ্যিক চৰকাৰসমূহলৈ মঞ্জুৰ কৰা টকাৰ ২৪ লাখ টকা অসমৰ জনজাতীয় অঞ্চলৰ উন্নয়নমূলক আঁচনিৰ কাৰণে মঞ্জুৰ কৰা হয়।

২৯ মাৰ্চ ঃ অসম বিধানসভাত অবৈতনিক নিবাৰণী আয়ুক্ত দণ্ডেশ্বৰ হাজৰিকাই দাঙি ধৰা অসম কানি নিবাৰণী (৩য় সংশোধনী) বিল (১৯৫১) আৰু গৌৰীকান্ত তালুকদাৰে দাঙি ধৰা অসম প্ৰেক্ষাগাৰ ধূমপান নিষিদ্ধ বিল (১৯৫১) গৃহীত হয়। অসম প্ৰেক্ষাগাৰ ধূমপান নিষিদ্ধ বিল উত্থাপক তালুকদাৰে গাঁৱলীয়া অঞ্চলত সময়ে সময়ে হোৱা উৎসৱ, শোভাযাত্ৰা নাইবা প্ৰদৰ্শনী আদিৰ ক্ষেত্ৰত যাতে এই বিল প্ৰয়োগ নহয়, এই সংশোধনী মানি লয়।

- ৰাজ্যৰ আৰক্ষী (পুলিচ) বাহিনী গঠন ব্যৱস্থা পৰ্যালোচনা কৰি আৱশ্যকীয় সাল-সলনি আৰু সংস্কাৰৰ বিষয়ে পৰামৰ্শ দিবৰ বাবে অসম চৰকাৰে মুখ্য সচিব এ ডি পণ্ডিতক সভাপতি পাতি এখন পুনৰ গঠন কমিটী নিয়োগ কৰে। এই পুনৰ গঠন কমিটীৰ আন সদস্যসকল হৈছে, বিত্ত সচিব মেহতা, পুলিচ বিভাগৰ ডি আই জি কে আৰ চৌধুৰী, অসম পুলিচ বেটেলিয়নৰ অধিনায়ক হাইদৰ হুছেইন, কাছাৰ আৰু লখিমপুৰৰ অধীক্ষক যথাক্ৰমে ভবানীকান্ত বৰুৱা আৰু গোপালচন্দ্ৰ বৰদলৈ।

৩ এপ্ৰিল ঃ অসমৰ ভৌগোলিক পৰিস্থিতি আৰু নদ-নদীসমূহৰ গতিবিধি অধ্যয়নৰ কাৰণে অসম চৰকাৰে নিয়োজিত কৰা উপদেষ্টা কমিটীয়ে উজনি অসমৰ ভূঁইকঁপ আৰু বানপানী বিধ্বস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া বা নদীবিলাকৰ নিয়ন্ত্ৰণ আৰু সেই অঞ্চলৰ উন্নয়নমূলক কিছুমান পৰামৰ্শ আগবঢ়ায়।

৫ এপ্ৰিল ঃ ৰাজ্যখনত অনুষ্ঠিত নতুন লোকপিয়লৰ অস্থায়ী সংখ্যা চৰকাৰীভাৱে প্ৰকাশ ঃ নতুন পিয়লৰ

উপত্যকাৰ কৃষক সভা ঐক্যবদ্ধ হয় আৰু অসম ৰাজ্যিক কৃষক সভাৰ অন্তৰ্ভুক্ত হয়। স্বাধীনতাৰ পূৰ্বে অসম উপত্যকাৰ গোৱালপাৰা জিলাত কৃষকৰ সংগঠন গঢ় লৈ উঠিছিল আৰু জমিদাৰৰ বিৰুদ্ধে জংগী আন্দোলন হৈছিল। বিখ্যাত কুঠাৰী আন্দোলনত শ শ জনজাতীয় লোকে জমিদাৰী শোষণৰ বিৰুদ্ধে থিয় হৈছিলহি। মূল্যৱান গছ বিক্ৰী কৰি পোৱা ধনৰ ৬ ভাগৰ এভাগ ধন জমিদাৰক দিয়া এক প্ৰথা থকাৰ পিচতো ১৯৪৪ চনত জমিদাৰে প্ৰচলিত নীতি ত্যাগ কৰি কাঠৰ কূপ ডাক দিয়াৰ ব্যৱস্থা কৰে। কাঠৰ মহলদাৰে বাহিৰৰ মজদুৰ আনি গছ কাটিবলৈ ধৰাত স্থানীয় যিসকল লোকে গছ কাটি জীৱন নিৰ্বাহ কৰিছিল সেইসকল কৰ্মহীন হৈ পৰিল। জমিদাৰ আৰু তেওঁৰ নতুন ব্যৱস্থাটোৰ প্ৰতি গছ কটা মানুহে এক সংগঠিত আন্দোলন গঢ়ি তুলিব বিচাৰিলে আৰু এনে এক পটভূমিতে এইসকল লোকৰ মাজত কৃষক সভা গঢ়ি উঠিল। কুঠাৰ লৈ জীৱননিৰ্বাহ কৰিছিল বাবে এই আন্দোলনক কুঠাৰী আন্দোলন বোলা হয়। কুঠাৰী আন্দোলনৰ পিচতে ১৯৪৭ চনত টিপকাইত অসম ৰাজ্যিক কৃষক সভাৰ দ্বিতীয় সন্মিলন অনুষ্ঠিত হয়। সন্মিলনে বিযুও বৰাক সভাপতি আৰু প্ৰাণেশ বিশ্বাসক সম্পাদক নিৰ্বাচন কৰে। ১৯৪৬ চনত কাছাৰ জিলাত তেভাগা আন্দোলন আৰম্ভ হয়। এই আন্দোলনৰ সময়ছোৱাত আধিয়াৰ তথা কৃষকৰ ওপৰত অসমৰ কংগ্ৰেছশাসিত চৰকাৰখনে অবৰ্ণনীয় অত্যাচাৰ চলাইছিল। কৃষক নেতা মাধৱ নাথে জে'ল-হাজোততে মৃত্যুবৰণ কৰিছিল। ১৯৪৯ চনলৈ কাছাৰ জিলাত তেভাগা আন্দোলন চলে আৰু এই আন্দোলনত ৫জন কৃষক আৰু কৃষক ৰমণীয়ে মৃত্যুবৰণ কৰে।

স্বাধীনতাৰ পিচত গুৱাহাটীৰ বেলতলাত এক কৃষক আন্দোলন সংঘটিত হৈছিল। প্ৰথমে বিপ্লৱী কমিউনিষ্ট পাৰ্টী (ট্ৰট্স্কিপন্থী সৌমেন ঠাকুৰ নেতৃত্বাধীন কমিউনিষ্ট লীগৰ নেতৃত্বত ৰেডিকেল ক্লাব পৰিচালিত হৈছিল। ১৯৪৩ চনত কমিউনিষ্ট লীগে বিপ্লৱী কমিউনিষ্ট পাৰ্টীৰ নাম

মতে অসমৰ জনসংখ্যা ৯১,২৯,৪৪২ বুলি অস্থায়ীভাৱে প্ৰকাশ কৰা হয়। তাৰে পুৰুষৰ সংখ্যা ৪৮,৬৯৮,৭৮ আৰু মহিলাৰ সংখ্যা ৪২,৫৯,৫৬৪। এই সংখ্যা অসম, ত্ৰিপুৰা আৰু মণিপুৰৰ পিয়ল ছুপাৰিণ্টেণ্ডেণ্ট আৰ ডি ভাগাইৱালাই এখন সাংবাদিক মেলত চৰকাৰীভাৱে প্ৰকাশ কৰে। এই সংখ্যাৰ ভিতৰত ২,৭৬,৮২৪ ভগনীয়া— ইয়াৰে ১,৫১,৫৩১জন হৈছে পুৰুষ আৰু মহিলাৰ সংখ্যা হৈছে ১,২৫,২৯৩।

১০ এপ্ৰিল ঃ ব্ৰহ্মপুত্ৰৰ বুকুত ধুবুৰীত হোৱা এক নাও দুৰ্ঘটনাত ৩০জন লোকৰ মৃত্যু।

১১ এপ্ৰিল ঃ অসমলৈ কেন্দ্ৰীয় চৰকাৰৰ ২০০০ টন চাউল মঞ্জুৰ ঃ পূব বংগৰ পৰা অহা স্থানচ্যুত লোকক পুনৰ বসতি দিয়াৰ ব্যৱস্থাকল্পে পূব ভাৰতৰ অসম, পশ্চিম বংগ আৰু উৰিষ্যালৈ গড়ে ১ কোটি ৪১ লাখ টকাকৈ ঋণ প্ৰদান কৰা হয়।

১৯ এপ্ৰিল ঃ অসমলৈ দিয়া ঋণৰ পৰা ১৯ লাখ টকা কাছাৰত সাহায্য আৰু পুনৰ সংস্থাপন বিভাগীয় কেন্দ্ৰীয় চৰকাৰৰ কণ্ট্ৰ'লাৰৰ হাতত দিয়াৰ সিদ্ধান্ত লোৱা হয়। কেন্দ্ৰীয় চৰকাৰে এই নতুন ঋণৰ বেছিসংখ্যক ধন সাহায্যৰ কামত ব্যয় কৰিবলৈ নিৰ্দেশ দিয়ে আৰু শিলচৰত স্থানচ্যুত লোকৰ বাবে গৃহ নিৰ্মাণ কাৰ্যত অসম ৰে'লৱেক ব্যয় কৰিবলৈ ২৫ হাজাৰ ধন মুকলি কৰি দিয়া হয়।

২৬ এপ্ৰিল ঃ ১৯৫০ চনৰ বৰভুঁইকঁপৰ বিভিন্ন প্ৰতিষ্ঠানৰ যোগেদি জৰীপ আৰু অনুসন্ধান কৰি পোৱা সকলো তথ্যপাতি ভাৰত চৰকাৰে স্থাপন কৰি দিয়া কেন্দ্ৰীয় ভূতত্ত্ববিদ ব'ৰ্ডৰ ওচৰত দাখিল কৰা হয়। ভূঁইকঁপৰ বিভিন্ন উৎস সম্বন্ধে ব'ৰ্ডক এখন প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিয়া হয়। এই জৰীপত প্ৰকাশ পায় যে ভূঁইকঁপটোৱে উদ্ভৱ কৰা শক্তি কোনো এটা এটম বোমাই উদ্ভাৱন কৰা শক্তিতকৈ এক নিযুত গুণে বেছি আৰু পৃথিৱীৰ সৰ্ববৃহৎ ভূমিকম্প দুটাৰ ভিতৰত এই ভূমিকম্পটো এটা।

২৭ এপ্ৰিল ঃ অসম মন্ত্ৰীসভাৰ সদস্যৰ সংখ্যা ৮জনলৈ বৃদ্ধি ঃ অসম মন্ত্ৰীসভাৰ সদস্যৰ সংখ্যা বৃদ্ধি কৰি

লয়। ক্লাবৰ বেছিভাগ সদস্যই বিপ্লৱী কমিউনিষ্ট পাৰ্টীত যোগদান কৰে। বিষ্ণুপ্ৰসাদ ৰাভা, তৰুণ সেন ডেকা, গোবিন্দ কলিতা, কামিনী শৰ্মা, উমা শৰ্মা আদি ৰেডিকেল ক্লাবৰ পৰাই বিপ্লৱী কমিউনিষ্ট পাৰ্টীলৈ আহিছিল) আৰু ট্ৰাইবেল লীগে বেলতলা মৌজাত কৃষক আন্দোলন আৰম্ভ কৰিছিল। ট্ৰাইবেল লীগৰ নেতা দেবেন খাখলাৰীয়ে আধিয়াৰ কৃষকসকলৰ মাটি পট্টনৰ বাবে তথা মালিকৰ শোষণৰ বিৰুদ্ধে আন্দোলন গঢ়ি তোলে। খাখলাৰীৰ নেতৃত্বত কৃষকে মাটি মালিকৰ ঘৰত ধান দিবলৈ যোৱা প্ৰথা বন্ধ কৰাৰ আন্দোলন আৰম্ভ হয়। কনক নাথ, ধীৰেশ্বৰ কলিতা, লোহিত লহকৰ আদি ভাৰতৰ কমিউনিষ্ট পাৰ্টীৰ সদস্যকেইজনে কৃষক সংগ্ৰামত সহায় কৰিছিল। গুৱাহাটীৰ দাঁতিকাষৰীয়া আমবাৰী, ফটাশিল, ধীৰেনপাৰা, মানপাৰা, দাতালপাৰা, গণেশপাৰা, সাউকুছি, বেতকুছি, লখৰা, গড়চুক আদি গাঁৱত কমিউনিষ্ট পাৰ্টীৰ নেতৃত্বত কৃষক সভাৰ সংগঠন গঢ়ি উঠিছিল। এই আন্দোলনত অঞ্চলটোৰ কৃষক কৰ্মীসকলৰ ভিতৰত আগৰণুৱা আছিল কুল বসুমতাৰী। এওঁ কুলখুৰা নামৰে বিখ্যাত আছিল। কৃষক আন্দোলন দমন কৰিবৰ বাবে চৰকাৰে বেলতলা মৌজাক উপদ্ৰুত অঞ্চল হিচাপে ঘোষণা কৰিছিল তথা ৰাইজৰ ওপৰত সামূহিক জৰিমনা আৰোপ কৰা হৈছিল। কৃষকৰ সম্পত্তিও ক্ৰোক কৰা হৈছিল। নন্দেশ্বৰ তালুকদাৰ, প্ৰাণেশ বিশ্বাস, ধীৰেশ্বৰ কলিতাসহ আন নেতাসকলক পুলিচে গ্ৰেপ্তাৰ কৰাৰ পিচত এই আন্দোলনৰ চোক ক্ৰমান্বয়ে কমি আহিল। কাছাৰ জিলাৰ তেভাগা আন্দোলন আৰু বেলতলাৰ আধিয়াৰ আন্দোলন চলি থকাৰ সময়তে অসম চৰকাৰে আধিয়াৰ সংৰক্ষণী আৰু নিয়ন্ত্ৰণ আইন পাৰণ কৰে। এই আইন অনুযায়ী আধিয়াৰে উৎপাদিত ফচলৰ এক-পঞ্চমাংশ মাটিৰ মালিকক দিয়াটো নিশ্চিত কৰা হ'ল। এই আইনখন কাৰ্যকৰী কৰাৰ বিপৰীতে কমিউনিষ্ট পাৰ্টীয়ে পোনতে এই আইনখনৰ বিৰোধিতাহে কৰিছিল। অৱশ্যে পৰৱৰ্তী সময়ত পাৰ্টীয়ে পূৰ্বৰ এই সিদ্ধান্তৰ সংশোধনী ঘটায় আৰু আধিয়াৰ

মহেন্দ্ৰ মোহন চৌধুৰীক নতুন মন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰোৱা হয়। চৌধুৰীক গাঁও উন্নয়ন, যোগান, বস্ত্ৰ, কুটীৰ শিল্প, সমবায় আৰু প্ৰচাৰ বিভাগৰ ভাৰ প্ৰদান কৰা হয়।

৮ মে'ঃ সদনত অসম ৰাইফল্‌ছ বিল গৃহীত হয়ঃ বৈদেশিক উপমন্ত্ৰী ডাঃ কেশকৰে এই বিল অৱতাৰণা কৰি ব্যক্ত কৰে যে দ্বিতীয় মহাসমৰৰ পিচত অসম ৰাইফল্‌ছৰ নন-কমবেটেণ্ট (যুদ্ধত অলিপ্ত)সকলক কমবেটেণ্ট (যুদ্ধ লিপ্ত)সকলৰ পৰ্যায়ৰ নিয়মানুৱৰ্তিতাৰ অধীনলৈ আনিব পৰা হোৱা নাই আৰু ভৰ্তি, দৰমহা সম্পৰ্কীয় কমবেটেণ্টৰ নিয়মবোৰ প্ৰযোজ্য নোহোৱা কাৰণে ৰাইফল্‌ছৰ কাৰ্যক্ষমতা ৰক্ষাৰ কাৰণে পৰ্যাপ্তসংখ্যক নন-কমবেটেণ্ট ভৰ্তি কৰিব পৰা হোৱা নাই। অসমৰ সদস্য কুলধৰ চলিহাই অসম ৰাইফলছত অধিক পৰিমাণে অসমীয়া মানুহ ভৰ্তি কৰিবলৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়। আৰু শেষত বিলখন সৰ্বসন্মতিক্ৰমে গৃহীত হয়।

১২ মে'ঃ অসমৰ উন্নয়ন পৰিকল্পনা সম্বন্ধে নতুন দিল্লীত প্ৰধানমন্ত্ৰী নেহৰু আৰু মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিৰ মাজত এক বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত বিষ্ণুৰাম মেধিয়ে অসম চৰকাৰৰ হৈ এখন পাঁচ বছৰীয়া সৰ্বাংগীণ উন্নয়নমূলক পৰিকল্পনা দাঙি ধৰে আৰু এই পৰিকল্পনা কাৰ্যকৰী কৰিবৰ কাৰণে নেহৰুৰ ওচৰত ৩২ কোটি টকাৰ আৱেদন জনায়।

১৪ মে'ঃ অসম ৰাজ্যৰ ভিতৰত এখন জিলা, মহকুমা বা পলিটিকেল এলেকাৰ পৰা আন এখনলৈ ৰে'ল, ৰাস্তা, বিমান বা আভ্যন্তৰীণ নৌ-পথেদি বিক্ৰীৰ বাবে সৰবৰাহ কৰা কাপোৰ আৰু সূতা অসম চৰকাৰে বন্ধ কৰি দিয়ে। অসমৰ প্ৰাদেশিক বস্ত্ৰ আয়ুক্তৰ লিখিত পাৰ্মিট বিনে উক্ত কাপোৰ আৰু সূতাৰ চলাচল নিষিদ্ধ কৰা হয়।

- কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰসমূহলৈ মঞ্জুৰ কৰা বস্ত্ৰ কোটাসমূহৰ ক্ষেত্ৰত অসমলৈ চলিত বছৰৰ মে' মাহৰ কাৰণে ১৫শ গাঁথৰ অতিৰিক্ত বস্ত্ৰ কোটা মঞ্জুৰ কৰে। তদুপৰি কেন্দ্ৰীয় চৰকাৰে অসমলৈ ভগনীয়া সাহায্য আৰু পুনৰ সংস্থাপন

সংৰক্ষণী আইন প্ৰয়োগৰ দাবীত আন্দোলন গঢ়ি তোলে।

স্বাধীনতাৰ আগতেই ভাৰতৰ কমিউনিষ্ট পাৰ্টীয়ে ব্ৰহ্মপুত্ৰ আৰু সুৰমা দুয়ো উপত্যকাতে ৰে'ল, ডাক-তাঁৰ, জাহাজ আৰু জল পৰিবহণ, স্থল পৰিবহণ, চাহ বাগান, ছপাশাল আদিত শ্ৰমিক সংগঠন গঢ়ি তুলিছিল। ১৯৪৪ চনত শিলচৰত এ আই টি ইউ চিৰ (All India Trade Union Congress) অসম শাখা গঠিত হয়। সন্মিলনে অৰুণ কুমাৰ চন্দক সভাপতি আৰু সনৎ অহিৰক সম্পাদক নিৰ্বাচন কৰে। ইয়াৰ পিচৰ বছৰত গুৱাহাটীত হোৱা সন্মিলনত অৰুণ কুমাৰ চন্দক সভাপতি আৰু গৌৰীশংকৰ ভট্টাচাৰ্যক সম্পাদক পতা হয়। ১৯৪৬ চনত গৌৰীশংকৰ ভট্টাচাৰ্য আৰু মণি ভৌমিকৰ উদ্যোগত অসম চাহ বাগান মজদুৰ ইউনিয়ন গঠন কৰা হয়।

১৯৩৬ চনত সৰ্বভাৰতীয় প্ৰগতিশীল লেখক সংঘ গঠন হোৱাৰ পিচত ১৯৩৮ চনত অসমত 'প্ৰগতি সমিতি' শীৰ্ষক এক সাহিত্যচৰ্চা কেন্দ্ৰ গঢ় লৈ উঠিছিল। পিচলৈ 'প্ৰগতি সমিতি'ৰ লগত যুক্ত হোৱা ব্যক্তিসকলৰ ভিতৰত আছিল ড° প্ৰফুল্ল দত্তগোস্বামী, মহেশ চন্দ্ৰ দেৱগোস্বামী, চক্ৰেশ্বৰ ভট্টাচাৰ্য, গৌৰীশংকৰ ভট্টাচাৰ্য, চৈয়দ আব্দুল মালিক, দুলাল বৰপূজাৰী আদি। বিহগী কবি ৰঘুনাথ চৌধাৰী আৰু ভবানন্দ দত্তই এই সমিতিখনৰ গুৰিব'ঠা ধৰিছিল বুলি ক'ব পাৰি। এইসকল লোকৰ উদ্যোগতে দুখনকৈ প্ৰগতিশীল চিন্তা-চেতনাৰ আলোচনী প্ৰথমে 'জয়ন্তী' আৰু পিচলৈ 'প্ৰৱাহ' প্ৰকাশিত হৈছিল। ১৯৪২ চনৰ ১০ ছেপ্টেম্বৰত গুৱাহাটীত 'প্ৰগতিশীল লেখক আৰু শিল্পী সংঘ'ৰ উদ্দেশ্য আৰু লক্ষ্য ঘোষণা কৰা হৈছিল। অসমৰ প্ৰগতিশীল আন্দোলনৰ এগৰাকী পুৰোধা ভবানন্দ দত্তই এই ঘোষণা আগবঢ়াইছিল। গুৱাহাটীৰ দীঘলীপুখুৰীৰ পাৰৰ 'আমাৰ ঘৰ' নামৰ মেছটোৰ পৰাই প্ৰগতিশীল লেখক আৰু শিল্পী সংঘৰ কাম-কাজ পৰিচালনা কৰা হৈছিল। এই 'আমাৰ ঘৰ'ৰ পৰাই প্ৰকাশ পাইছিল 'জয়ন্তী' আৰু 'সুৰভি'ৰ দৰে দুখন ঐতিহাসিক আলোচনী। 'জয়ন্তী'

কাৰ্যৰ কাৰণে পাঁচ লাখ টকাৰ মঞ্জুৰ কৰে।

১৫ মে' ঃ অসমৰ কামৰূপ জিলাৰ সীমান্তৰ ৩২ দশমিক ৮২ বৰ্গমাইল আয়তনৰ দেৱানগিৰি অঞ্চল ভাৰতীয় ৰাজ্যক্ষেত্ৰৰ পৰা বিচ্ছিন্ন কৰি ভূটান চৰকাৰক দিয়াৰ ব্যৱস্থা থকা 'দেৱানগিৰি হস্তান্তৰ বিল' সংসদত বহিঃৰাজ্য পৰিক্ৰমাৰ উপমন্ত্ৰী ডাঃ বি ভি কেশকৰে উত্থাপন কৰে আৰু এই বিল উত্থাপন কৰাৰ লগে লগে অসমৰ সাংসদ সদস্য কুলধৰ চলিহাই দেৱানগিৰি অঞ্চলৰ জনসাধাৰণৰ মতামত নোলোৱাকৈ এনে সিদ্ধান্ত ল'ব বিচৰাৰ তীব্ৰ প্ৰতিবাদ কৰে।

২৪ মে' ঃ অসমৰ ভগনীয়া সংস্থাপনৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা এখন তদন্ত কমিটী গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

২৭ মে' ঃ শ্বিলঙত পূব বংগ আৰু অসমৰ মুখ্য সচিবসকলৰ মাজত হোৱা সন্মিলনৰ সামৰণি পৰে। এই সন্মিলনত পূব বংগৰ পৰা অসমলৈ নাইবা পশ্চিম বংগলৈ বা সেই পিচৰ দুখন প্ৰদেশৰ পৰা পূব বংগলৈ যাব খোজা কৰ্মচাৰীসকলৰ ভৱিষ্যনিধি, পেন্সন আৰু চাকৰি সম্পৰ্কীয় নথি-পত্ৰৰ বিষয়ে আলোচনা কৰা হয়। ৰাজহুৱা স্বাৰ্থজড়িত বিষয়সমূহৰ ভিতৰত পশ্চিম বংগক ত্ৰিপুৰাপৰ্যন্ত বিস্তাৰ কৰা, ভগনীয়াৰ সম্পত্তি চমজি লোৱাৰ সুবিধা দিয়া, ত্ৰিপুৰা ৰাজ্যত সম্পত্তি প্ৰত্যৰ্পণ কৰা বিষয়ক সুবিধা বিচাৰি আৱেদন কৰাৰ দিন ১৫ জুন ধাৰ্য (চলিত বছৰৰ) কৰা, সেইপৰ্যন্ত ত্ৰিপুৰা ৰাজ্যলৈ ঘূৰি নহা ভগনীয়াসকলক ৰাজ্যলৈ ঘূৰি আহি জিলা হাকিমৰ আগত ১৫ জুনৰ (১৯৫১) আগতে সম্পত্তি প্ৰত্যপৰ্ণৰ সুবিধা বিচাৰি আৱেদন কৰিবলৈ কোৱা হয়।

- পাণ্ডুত অসম ৰে'লৱেৰ চীফ এডমিনিষ্ট্ৰেটিভ অফিচাৰ বি অৰোৰাই অসম ৰে'লৱেৰ সদৰ কাৰ্যালয় গৃহৰ ভেটি স্থাপন কৰে।

২ জুন ঃ জিলা আৰু ছেছন জজ্ হলিৰাম ডেকাক অসম হাইকৰ্টৰ জজ হিচাপে নিযুক্ত কৰা হয়। উল্লেখযোগ্য যে হাইকৰ্টৰ জজ হিচাপে তেৱেঁই প্ৰথম অসমীয়া।

আলোচনীখনতে পোনপ্ৰথমবাৰৰ বাবে আধুনিক অসমীয়া প্ৰগতিশীল কবিতাৰ এক নতুন ধাৰাৰ সূচনা হৈছিল। এই ধাৰাটোৰ মূল ধাৰক-বাহক আছিল কমল নাৰায়ণ দেব, অমূল্য বৰুৱা আৰু ভবানন্দ দত্ত। 'জয়ন্তী' প্ৰকাশ হোৱাৰ পিচত পঞ্চাশৰ দশকত আন এখন প্ৰগতিশীল আলোচনী 'প্ৰবাহ' প্ৰকাশিত হয়। এই আলোচনীখনৰ নেপথ্যত আছিল হেমাংগ বিশ্বাস, দধি মহন্ত, হেমন্ত গাংগুলী, ড° অমলেন্দু গুহ আৰু ভবানন্দ দত্ত। আলোচনীখনৰ সম্পাদকদ্বয় আছিল কেশৱ মহন্ত আৰু দিলীপ শৰ্মা। পিচলৈ নৱকান্ত বৰুৱা, তিলক হাজৰিকা, যোগেশ দাস, ফণী তালুকদাৰ, কমল নাৰায়ণ চৌধুৰী, তীৰ্থ ফুকন আদি লোকসকলেও এই প্ৰগতিশীল লেখক সংঘৰ সৈতে জড়িত হৈ পৰে।

১৯৪৫-৪৬ চনৰ সময়ছোৱাত বংগৰ শিল্পী সৈনিক বিনয় ৰায়ৰ নেতৃত্বত ছাত্ৰ স্কোৱাড অসমলৈ আহে। একে সময়তে হেমাংগ বিশ্বাসৰ নেতৃত্বত ব্ৰহ্মপুত্ৰ উপত্যকালৈ আহিছিল 'সুৰমা ভেলী কালচাৰেল স্কোৱাড'। এই স্কোৱাডে ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিভিন্ন ঠাইত নৃত্য-গীত প্ৰদৰ্শনৰ লগতে 'ছায়ানাট' প্ৰদৰ্শন কৰিছিল। এই সুৰমা ভেলী কালচাৰেল স্কোৱাডৰ জৰিয়তেই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ সৈতে গণশিল্পী হেমাংগ বিশ্বাসৰ পৰিচয় ঘটে। অসমত গণনাট্য সংঘৰ প্ৰাদেশিক কমিটী গঠন হোৱাৰ আগতেই চিলেটত প্ৰথম শাখা গঠিত হয়। চিলেট শাখাৰ সভাপতি আছিল সত্যভূষণ চৌধুৰী আৰু প্ৰগতিশীল লেখক সংঘৰ সভাপতি আছিল বিনোদ চক্ৰৱৰ্তী। বিনোদ চক্ৰৱৰ্তীৰ 'ৰক্তেৰ লেখা' নামৰ নাটকখন চিলেটত গণনাট্য সংঘৰ দ্বাৰা মঞ্চস্থ হৈছিল আৰু নাটখনৰ সংগীত পৰিচালনা কৰিছিল হেমাংগ বিশ্বাসে। ১৯৪৭ চনৰ ৩-৪ মে'ত শিলচৰত ভাৰতীয় গণনাট্য সংঘৰ অসম শাখাৰ প্ৰথম সন্মিলন অনুষ্ঠিত হয় আৰু সন্মিলনত জ্যোতিপ্ৰসাদ আগৰৱালাক ভাৰতীয় গণনাট্য সংঘৰ অসম শাখাৰ সভাপতি নিৰ্বাচন কৰা হয়। সম্পাদক হিচাপে নিৰ্বাচিত হয় শিল্পী হেমাংগ বিশ্বাস।

৩ জুন ঃ কিষাণ মজদুৰ প্ৰজা পাৰ্টীৰ সভাপতি আচাৰ্য জে বি কৃপালানিৰ অসম ভ্ৰমণ। এই ভ্ৰমণসূচীত তেওঁ নগাঁৱত বহা অসম ৰাজনৈতিক অভিৱৰ্তনত সভাপতিত্ব কৰে। বিভিন্ন ৰাজহুৱা সভাত উপস্থিত থাকি এই নেতাগৰাকীয়ে কংগ্ৰেছ চৰকাৰৰ নীতি-আদৰ্শৰ কঠোৰভাৱে বিৰুদ্ধাচৰণ কৰে। নগাঁৱত অনুষ্ঠিত অসম ৰাজনৈতিক অভিৱৰ্তনত গৃহীত এটা প্ৰস্তাৱত অসম প্ৰাদেশিক কিষাণ মজদুৰ প্ৰজা পাৰ্টী গঠনৰ সিদ্ধান্ত লোৱা হয়। এই সভাত ৰাজ্যৰ বিভিন্ন জিলাৰ এশজনৰো অধিক প্ৰতিনিধিয়ে যোগদান কৰে।

১৩ জুলাই ঃ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিৰ পৰামৰ্শক্ৰমে অসমৰ ৰাজ্যপালে নিবাৰণ চন্দ্ৰ লস্কৰক উপমন্ত্ৰী হিচাপে নিয়োগ কৰে।

২২ জুলাই ঃ শ্বিলংস্থিত অসম ক্লাবত অসম প্ৰাদেশিক মহিলা সমিতিৰ ৱৰ্কিং কমিটীৰ বিশেষ অধিৱেশন অনুষ্ঠিত হয়। এই বৈঠকৰ সভানেত্ৰিত্ব কৰিছিল সমিতিৰ সভানেত্ৰী ৰাণী মঞ্জুলা দেৱীয়ে। এই সভাই লোৱা প্ৰস্তাৱসমূহ হৈছে— (ক) সাধাৰণ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা। সেয়েহে সভাই এখন মহিলা পাৰ্লিয়ামেণ্টৰী নিৰ্বাচন কমিটী গঠন কৰে। (খ) ভগনীয়াৰ সাহায্য, ভূমিকম্প পীড়িত আৰু খাদ্যাভাৱগ্ৰস্তসকলৰ সাহায্য, জনশিক্ষা, কাপোৰ-সূতাৰ অনাটন আদি বিষয়ৰ প্ৰস্তাৱ সভাত গৃহীত হয়।

২৮ জুলাই ঃ গোৱালপাৰা জিলাৰ দক্ষিণ শালমাৰা আৰু মানকাচৰৰ তিনিখন গাঁৱত পূব পাকিস্তানে অবৈধভাৱে দখল চলায়। সেয়েহে পাকিস্তান সীমান্তৰ ওচৰত থকা এই গাঁওকেইখনৰ মুছলমান বাসিন্দাসকলে পাকিস্তান কৰ্তৃপক্ষক কৰ-কাটল দিবলৈ আৰম্ভ কৰে আৰু এই গাঁওকেইখন ৰংপুৰ জিলাৰ অন্তৰ্ভুক্ত কৰা হয়।

● কনজিউমাৰ্ছ গুডছৰ ডিৰেক্টৰে ১৯৪৯ চনৰ অসম বিলাতী মাটি নিয়ন্ত্ৰণ আৰু অসম বিতৰণ আদেশৰ ৮ বিধিত দিয়া ক্ষমতা অনুসাৰে এনফৰ্চমেণ্ট শাখাৰ ছাব ইন্সপেক্টৰ আৰু তাৰ ওপৰৰ সকলো বিষয়াকে উক্ত বিধিভুক্ত অসম ৰাজ্যৰ সকলো ঠাইতে পৰিদৰ্শন, খানাতালাচ, আটক আদি কৰাৰ ক্ষমতা প্ৰদান কৰা হয়।

পৰৱৰ্তী সময়ত বিশেষকৈ অসমত ৰাজ্যভাষা আন্দোলনৰ সময়ত সাম্প্ৰদায়িক সম্প্ৰীতি অটুট ৰখাৰ ক্ষেত্ৰত অসম গণনাট্য সংঘই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। বিষ্ণুপ্ৰসাদ ৰাভা, ড° ভূপেন হাজৰিকা, খগেন মহন্ত, কেশৱ মহন্ত, ৰমেন বৰুৱা আদি দিগ্‌গজ শিল্পীসকলে গণনাট্য সংঘক সকলো দিশৰে পৰা সেই সময়ছোৱাত সমৃদ্ধ কৰি তুলিছিল। উল্লেখ্য যে ১৯৫৫ চনত গুৱাহাটীত অনুষ্ঠিত সন্মিলনত ভাৰতৰ বিভিন্ন ঠাইৰ শিল্পীৰ সমাবেশ ঘটিছিল। 'দেশেই আমাৰ নাটঘৰ, ৰাইজেই ভাৱৰীয়া' শীৰ্ষক ধ্বনিৰে বিষ্ণু ৰাভাৰ সভাপতিত্বত হোৱা এই সন্মিলনে এক নতুন সাংস্কৃতিক জাগৰণ আনিব পাৰিছিল।

১৯৫২ চনত স্বাধীন ভাৰতৰ প্ৰথম সাধাৰণ নিৰ্বাচনত অংশগ্ৰহণ কৰি ভাৰতৰ কমিউনিষ্ট পাৰ্টীয়ে লোকসভাত প্ৰধান বিৰোধী গোটৰ স্থান লাভ কৰে। অসমতো কমিউনিষ্ট পাৰ্টীয়ে বিভিন্ন প্ৰতিকূল অৱস্থাৰ মাজতো নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰে। গুৱাহাটীত কমিউনিষ্ট প্ৰাৰ্থী গৌৰীশংকৰ ভট্টাচাৰ্যৰ জয়লাভ আছিল এক গুৰুত্বপূৰ্ণ ঘটনা। এই জয়ৰ ফলত অসমৰ কেন্দ্ৰবিন্দু গুৱাহাটীত পাৰ্টীৰ কাম-কাজৰ সম্প্ৰসাৰণ ঘটিছিল আৰু সমাজৰ সকলো শ্ৰেণীৰ লোকৰ মাজত পাৰ্টীৰ জনপ্ৰিয়তা বাঢ়িছিল। এই সময়ছোৱাত সৰ্বভাৰতীয় পৰ্যায়ত জমিদাৰী বিলোপ আন্দোলনৰ লেখীয়াকৈ অসমতো জমিদাৰী বিলোপ আন্দোলন আৰম্ভ হয় আৰু এই আন্দোলনৰ নেতৃত্বত আছিল অসমৰ কমিউনিষ্ট পাৰ্টী। ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত হোৱা জমিদাৰী প্ৰথা বিলোপ আন্দোলনৰ পৰিপ্ৰেক্ষিতত স্বাধীন ভাৰতৰ চৰকাৰে বিখ্যাত অৰ্থনীতিবিদ জে চি কুমাৰাপ্পাক লৈ এখন আয়োগ গঠন কৰি দিছিল। ১৯৪৯ চনত দাখিল কৰা প্ৰতিবেদনত তেওঁ মধ্যস্বত্বভোগী (জমিদাৰী) প্ৰথা বিলোপৰ অনুমোদন জনাইছিল। ইয়াৰ পিচতে ভাৰত চৰকাৰে জমিদাৰী প্ৰথা বিলোপৰ সিদ্ধান্ত লৈ ৰাজ্য চৰকাৰসমূহক ভূমি সংস্কাৰ আইন প্ৰণয়ন কৰিবলৈ নিৰ্দেশ দিয়ে। ১৯৫৩ চনৰ ভিতৰত দেশৰ অন্যান্য ৰাজ্যৰ লগত

বচদ আৰু কাপোৰ-কানি নিয়ন্ত্ৰণ আদেশ ভংগ সম্বন্ধে ঘটা ঘটনাবোৰ বিচাৰ কৰিবলৈ ৰাজ্য চৰকাৰে গুৱাহাটীত সদৰ কাৰ্যালয় পাতি এটা পুলিচ এনফৰ্চমেণ্ট শাখা গঠন কৰে। বচদ আৰু কাপোৰ-কানি বিভাগত কাম কৰা চৰকাৰী বিষয়াসকলৰ দুৰ্নীতি বন্ধ কৰিবলৈ এই বাহিনীয়ে দুৰ্নীতি নিবাৰক শাখা হিচাপেও কাম কৰিব।

৪ আগষ্ট ঃ ড° সূৰ্য কুমাৰ ভূঞাক লণ্ডন বিশ্ববিদ্যালয়ে 'ডি লিট' উপাধি প্ৰদান কৰে। ড° ভূঞা এই উপাধি পোৱা প্ৰথমজন অসমীয়া। ১৯৩৮ চনত তেওঁ এই লণ্ডন বিশ্ববিদ্যালয়ৰ পৰা 'এংলো-আছামিজ ৰিলেচন' সম্পৰ্কে থেছিছ লিখি পি এইচ ডি উপাধি অৰ্জন কৰিছিল।

৮ আগষ্ট ঃ ভাৰতীয় সংসদে ভাৰত-ভূটান বন্ধুত্বৰ চুক্তিমতে ভাৰত আৰু ভূটানৰ সীমান্তৱৰ্তী অঞ্চলৰ ৩২ বৰ্গ মাইল আগুৰা দেৱানগিৰি অঞ্চল ভূটানক দিবলৈ মান্তি হয়। এই বিলখনৰ ক্ষেত্ৰত অসম বিধানসভাই সন্মতি জনায় যদিও অসমৰ ৰোহিণী চৌধুৰীয়ে তীব্ৰ বিৰোধিতা কৰে।

২০ আগষ্ট ঃ ধুবুৰীৰ মানকাচৰৰ ওচৰত ব্ৰহ্মপুত্ৰৰ বুকুত থকা ভাৰতীয় সৈন্যৰ ওপৰত পাকিস্তানী সৈন্যৰ গুলীবৰ্ষণ।

৪ ছেপ্টেম্বৰ ঃ নদিনীয়া কাৰ্যসূচীৰে অসম বিধানসভাৰ অধিৱেশনৰ সামৰণি ঃ এই অধিৱেশনত ৭খন চৰকাৰী বিল গৃহীত হয়। সেইসমূহ হৈছে— অসম লোক নিৰাপত্তা পক্ষৰ (দ্বিতীয় সংশোধনী) বিল ১৯৫১, অসম মটৰ যান-বাহন অধিগ্ৰহণ আৰু নিয়ন্ত্ৰণ (দ্বিতীয় সংশোধনী) বিল ১৯৫১, অসম প্ৰাথমিক শিক্ষা (সংশোধনী) বিল ১৯৫১, অসম স্থানীয় স্বায়ত্ত শাসন (দ্বিতীয় সংশোধনী) বিল ১৯৫১, অসম স্থানচ্যুত লোক পুনৰসংস্থাপন ঋণ (সংশোধনী) বিল ১৯৫১, অসম বিনিয়োগ (৩ নং) বিল ১৯৫১।

১০ ছেপ্টেম্বৰ ঃ গড়মূৰীয় গোস্বামীৰ সভাপতিত্বত গুৱাহাটী জিলা প্ৰজা পাৰ্টীৰ অফিচত অসম ৰাজ্য কিষাণ মজদুৰ প্ৰজা পাৰ্টীৰ ৰাজ্যিক কাউঞ্চিলৰ দুদিনীয়া অধিৱেশন অনুষ্ঠিত হয়। এই অধিৱেশনে গড়মূৰীয়

অসমতো জমিদাৰী আইন গ্ৰহণ কৰি প্ৰজাক মাটিৰ স্বত্ব দিয়াৰ কাম আৰম্ভ কৰা হয়। অসমত জমিদাৰী অধিগ্ৰহণ আইন গ্ৰহণ কৰা হয় ১৯৫১ চনত। যদিও এই আইনখনৰ মূল লক্ষ্য আছিল জমিদাৰৰ হাতৰ পৰা মাটি অধিগ্ৰহণ কৰি তেনে মাটি ৰায়তসকলৰ মাজত বিতৰণ কৰা। কিন্তু কাৰ্যতঃ এই ব্যৱস্থা ফলপ্ৰসূ নহ'লগৈ। জমিদাৰী অধিগ্ৰহণ আইনৰ অজস্ৰ সুৰুঙাৰ সুবিধা গ্ৰহণ কৰি জমিদাৰসকলে বৃহৎ মাটিত মালিকীস্বত্ব অব্যাহত ৰাখিলে। একে অৱস্থা ঘটিল ১৯৫৬ চনৰ ভূমিৰ সৰ্বোচ্চ আইন বা চিলিং আইনখনৰ ক্ষেত্ৰতো।

১৯৪৮ চনৰ আধিয়াৰ আন্দোলনৰ কথা ইতিমধ্যে উল্লেখ কৰা হৈছে। আধিয়াৰ আইনৰ পিচত যেতিয়া চিলিং আইনৰ প্ৰৱৰ্তন ঘটিল তেতিয়া মাটিৰ মালিক কিছুমানে আধিয়াৰ উচ্ছেদ অভিযান চলায়। কমিউনিষ্ট পাৰ্টীৰ কৃষক সভাই কৃষকৰ দখল ৰক্ষাৰ আন্দোলন চলায় আৰু বহু ঠাইত এই আন্দোলনে সফলতা লাভ কৰে। আধিয়াৰ আন্দোলনৰ সময়ত যেনেদৰে আধিয়াৰসকলে জমিদাৰসকলৰ পৃষ্ঠপোষকতাত পুলিচৰ অবৰ্ণনীয় অত্যাচাৰৰ মুখামুখি হ'ব লগা হৈছিল একেদৰে চিলিং আইন কাৰ্যকৰী কৰাৰ ক্ষেত্ৰতো কংগ্ৰেছী মাটিৰ মালিকসকলে বিভিন্ন প্ৰকাৰৰ ষড়যন্ত্ৰত লিপ্ত হৈছিল। চিলিং উদ্বৃত্ত মাটিৰ পট্টা, খাদ্যৰ যোগান আদি আন্দোলন কৰি থকাৰ সমান্তৰালভাৱে কৃষক সভাই অসমৰ বিভিন্ন অঞ্চলত অনাবাদী হৈ থকা চৰকাৰী পতিত মাটি তথা চাহ বাগিচাৰ উদ্বৃত্ত মাটি দখল কৰিবলৈ বৃহৎসংখ্যক কৃষকক সমবেত কৰিব পাৰিছিল। ১৯৫০ চনৰ পিচৰ সময়ছোৱাত কমিউনিষ্ট পাৰ্টীবোৰৰ পৃষ্ঠপোষকতাত তথা কৃষক সভাৰ নেতৃত্বত বহু ঠাইত চৰকাৰী পতিত মাটি কৃষক সভাই মাটিহীন কৃষকৰ মাজত বিতৰণ কৰিব পাৰিছিল আৰু ইয়াৰ বাবে কেইবাটাও বৃহৎ পৰ্যায়ৰ কৃষক আন্দোলন সংঘটিত হৈছিল।

প্ৰকৃতপক্ষে ১৯৫০ৰ পৰা ১৯৬০ চনলৈ এই দহোটা বছৰ আছিল

গোস্বামী আৰু হলধৰ ভূঞাক যথাক্ৰমে সভাপতি আৰু সহকাৰী সভাপতি, ৰবীন নবীশ আৰু যোগেন শইকীয়াক যুটীয়া সম্পাদক নিৰ্বাচিত কৰে। অহা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ পাৰ্টীয়ে সিদ্ধান্ত গ্ৰহণ কৰে আৰু বাওঁপন্থী দলসমূহৰ লগত নিৰ্বাচনী মিত্ৰতা কৰিবলৈ স্থিৰ কৰে।

৩০ ছেপ্টেম্বৰ ঃ গুৱাহাটীত অনুষ্ঠিত সদৌ অসম সাংবাদিক অভিৱৰ্তনৰ দুদিনীয়া অধিৱেশনৰ সামৰণি। এই অধিৱেশনত অসমৰ বিভিন্ন ঠাইৰ সাংবাদিকসকলে 'সদৌ অসম সাংবাদিক সন্মিলন' এখন গঠন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সাংবাদিকসকলে এখন প্ৰেছ বিল সম্বন্ধেও প্ৰস্তাৱ গ্ৰহণ কৰে। ১৯৫১-৫২ চনৰ বাবে অনুষ্ঠানৰ কাম-কাজ চলাবলৈ অভিৱৰ্তনে এখন কাৰ্যকৰী কমিটী গঠন কৰে। কমিটীৰ সদস্যসকল হৈছে— এল এন ফুকন (সভাপতি), কে এন হাজৰিকা আৰু জগদীশ ফুকন (উপ-সভাপতি) যোগেন শইকীয়া আৰু পুলিন বিহাৰী বৰঠাকুৰ (যুটীয়া সম্পাদক), পি ই শংকৰ (কোষাধ্যক্ষ), শক্তিনাথ বৰুৱা, কমল গগৈ, অখিল চন্দ্ৰ ভট্টাচাৰ্য, পৰেশ চৌধুৰী, পি কে ৰায়চৌধুৰী, কে স্নায়নিমা সিং, এন চি বৰদলৈ, শংকৰলাল শৰ্মা, এছ চি চৌধুৰী, কে চি চৌধুৰী, মহেশ চন্দ্ৰ গোস্বামী, ভদ্ৰকান্ত শৰ্মা, অমলেন্দু গুহ, নৃপেন্দ্ৰ নাথ ভট্টাচাৰ্য আৰু পবনাথ শৰ্মা।

৬ নৱেম্বৰ ঃ গুৱাহাটীৰ পৰা ৩৬৫ মাইল আঁতৰত অৱস্থিত বাৰছইক অসম ৰে'লৱেৰ ঘাই বাটৰ লগত সংযোগ কৰা আঢ়ৈ মাইলৰ বৰ্ধিত ৰে'লপথটো অসম ৰে'লৱেৰ মুখ্য প্ৰশাসনিক বিষয়া বি অৰোৰাই মুকলি কৰে। এই বৰ্ধিত ৰে'লপথটোৰ মুঠ খৰচ আছিল ৪,৬৩,০০০ টকা।

২৪ নৱেম্বৰ ঃ ১৯৫০ চনৰ ভূমিকম্পত বিধ্বস্ত হোৱা অসমৰ স্কুলঘৰবোৰ মেৰামতি আৰু নতুনকৈ সাজিবৰ কাৰণে অসম চৰকাৰে লোৱা আঁচনিৰ বাবে ১৯৫১-৫২ চনত ভাৰত চৰকাৰে ১০ লাখ টকাৰ মঞ্জুৰি দিয়ে।

১২ ডিচেম্বৰ ঃ ফিজোৰ নেতৃত্বত নগা জাতীয় পৰিষদৰ ২৭জনীয়া এটা প্ৰতিনিধি দলে অসমৰ ৰাজ্যপাল জয়ৰামদাস দৌলতৰামক সাক্ষাৎ

কমিউনিষ্ট পাৰ্টীৰ বিকাশ আৰু সম্প্ৰসাৰণৰ সময়। ১৯৫১ চনৰ পিচৰ সময়ছোৱাত অসমৰ গাঁও অঞ্চললৈ ছাত্ৰ ফেডাৰেচনৰ কাম-কাজ বিয়পি পৰে আৰু বহু মেধাৱী ছাত্ৰ-ছাত্ৰী মাৰ্ক্সবাদী আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ ছাত্ৰ ফেডাৰেচনৰ সদস্যভুক্ত হয়। অসমত কমিউনিষ্ট পাৰ্টী গঢ়ি উঠিছিল এই ছাত্ৰ ফেডাৰেচনৰ পৰাই। অসমৰ কমিউনিষ্টসকলে এই সময়ছোৱাত যে কেৱল কৃষকৰ আন্দোলনতে ব্যস্ত আছিল এনে নহয়। ১৯৫৫ চনৰ ৰাজ্য পুনৰ্গঠন আৰু ১৯৫৫ চনৰ তেল শোধনাগাৰ আন্দোলনতো কমিউনিষ্ট পাৰ্টীয়ে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। এই আন্দোলন দুটাত জড়িত হোৱাৰ সুযোগ লাভ কৰি পাৰ্টীয়ে সাংগঠনিক পৰিসৰ বৃদ্ধি কৰাৰ এক পৰিবেশ লাভ কৰে আৰু এনে এক পটভূমিতে যাঠিৰ দশকৰ পৰা অসমত কমিউনিষ্ট আন্দোলনে এক ন-ৰূপ গ্ৰহণ কৰে। এইক্ষেত্ৰত উল্লেখ কৰিব পাৰি যে পঞ্চাশৰ দশকৰ ৰাজ্য পুনৰ্গঠন আৰু তেল শোধনাগাৰ আন্দোলনত কমিউনিষ্ট পাৰ্টীয়ে গ্ৰহণ কৰা সক্ৰিয় ভূমিকাৰ বাবেই ১৯৫৭ চনৰ অসম বিধানসভা নিৰ্বাচনত পাৰ্টীৰ সদস্য সংখ্যা বৃদ্ধি পাইছিল।

১৯৫১ আৰু ১৯৫৭ চনৰ নিৰ্বাচনী ফলাফল আৰু ভোট বিন্যাস চালেই দেখা পোৱা যায় কিদৰে কমিউনিষ্টসকলে সমগ্ৰ অসমতে প্ৰভাৱ বিস্তাৰ কৰিছিল।

প্ৰথম নিৰ্বাচনত কমিউনিষ্টসকলৰ চাৰিটা দলে আন্দোলন কৰে। দলৰ নাম আৰু ভোটৰ অংশ এনেধৰণৰ — চি পি আই (২.৮৪%), ফৰৱাৰ্ড ব্লক (ৰুইকাৰ গ্ৰুপ ০.২০%), বিপ্লৱী কমিউনিষ্ট পাৰ্টী (০.০২%) বলছেভিক পাৰ্টী অব্ ইণ্ডিয়া (০.১৯%)।

মুঠ চাৰিটা দলৰ হৈ ২৫ জনে এই নিৰ্বাচনত যোগ দিছিল আৰু গৌৰীশংকৰ ভট্টাচাৰ্য একমাত্ৰ প্ৰাৰ্থী হিচাপে বিধানসভালৈ নিৰ্বাচিত হৈছিল। মুঠ ভোটাৰৰ ৩.২৫% ভোট কমিউনিষ্টসকলে লাভ কৰিছিল।

পাঁচ বছৰ পিচলৈ অৰ্থাৎ ১৯৫৭ চনৰ নিৰ্বাচনত কমিউনিষ্টসকলৰ

কৰে। প্ৰতিনিধি দলটোৱে নগা ৰাজ্যৰ দাবী সম্পৰ্কত নগা পৰ্বতত হোৱা গণভোটৰ ফলাফলৰ কথা ৰাজ্যপালক জনায়। সাক্ষাতৰ সময়ছোৱাত প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ হ'ব লগা অসম ভ্ৰমণত প্ৰতিনিধি দলটোৱে প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰাৰ দাবী কৰে। উল্লেখযোগ্য যে নগাসকলে ৰাজ্যখনত হ'ব লগা সাধাৰণ নিৰ্বাচনত সহযোগ নকৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছিল। এনেক্ষেত্ৰত তেওঁলোকে নিৰ্দিষ্ট তাৰিখমতে মনোনয়নপত্ৰ দাখিল নকৰাত মনোনয়নপত্ৰ দাখিল কৰাৰ দিন ৰাজ্যপালে বঢ়াই দিয়ে।

২০ ডিচেম্বৰ ঃ শ্বিলঙৰ ত্ৰিদলীয় শ্ৰম সন্মিলনত চাহ শ্ৰমিকৰ কল্যাণমূলক আঁচনি গৃহীত ঃ এই সন্মিলনখনত সভাপতিত্ব কৰে অসমৰ শ্ৰম মন্ত্ৰী অমিয় কুমাৰ দাসে। ত্ৰিদলীয় শ্ৰম সন্মিলনত চৰকাৰ, চাহ শ্ৰমিক আৰু চাহ খেতিয়কৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। সন্মিলনত গৃহীত হোৱা আঁচনিসমূহ হৈছে — (১) ঔদ্যোগিক ঘৰ নিৰ্মাণ আঁচনি, (২) চাহ শ্ৰমিকৰ বাধ্যতামূলক ছেভিংছ ফাণ্ড আঁচনি আৰু (৩) চাহ শ্ৰমিক শ্ৰেণীৰ কল্যাণমূলক ব্যৱস্থা। এই আঁচনিসমূহৰ বাবে চৰকাৰৰ পক্ষৰ পৰা একোখন প্ৰতিবেদন সন্মিলনত উত্থাপন কৰা হয়।

২২ ডিচেম্বৰ ঃ ছচিয়েলিষ্ট নেতা জয়প্ৰকাশ নাৰায়ণৰ অসম ভ্ৰমণ। এই ভ্ৰমণসূচীত নেতাগৰাকীয়ে ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, গোলাঘাট, দেৰগাঁও আৰু নগাঁও আদি ঠাইৰ বিভিন্ন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি জৱাহৰলাল নেহৰু আৰু তেওঁৰ নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰক কঠোৰ ভাষাৰে সমালোচনা কৰে।

২৯ ডিচেম্বৰ ঃ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ ৰাজ্যখনত হ'ব লগা নিৰ্বাচনৰ আগমুহূৰ্তত নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যে অসম ভ্ৰমণ।

চমকপ্ৰদ উত্থান হৈছিল। কমিউনিষ্ট পাৰ্টী অব্ ইণ্ডিয়াই সেইবাৰ ২২খন আসনত প্ৰতিদ্বন্দ্বিতা কৰি চাৰিখন আসন জিকিবলৈ সক্ষম হৈছিল।

সকলোতকৈ চমকপ্ৰদ জয় আছিল আমগুৰি বিধানসভা সমষ্টিত খগেন বৰবৰাৰ। খগেন বৰবৰাই প্ৰদেশ কংগ্ৰেছৰ সভাপতি আৰু নেতা বিমলা প্ৰসাদ চলিহাক ২৯৯৩টা ভোটত হৰুৱাইছিল। বৰবৰাই পাইছিল ১২,৪১০ ভোট আৰু চলিহাই পাইছিল ৯৪১৭ ভোট। চলিহা পিচত বিধানসভালৈ বদৰপুৰ সমষ্টিৰ পৰা নিৰ্বাচিত হৈ আহিব লগাত পৰিছিল।

১৯৫২

৬ ফেব্ৰুৱাৰী ঃ কটন মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদ্‌যাপন কৰা হয় আৰু নোবেল পুৰস্কাৰ লাভ কৰা বৈজ্ঞানিক চি ভি ৰমনে এই অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত অসমৰ কেবাগৰাকী বিশিষ্ট শিক্ষক আৰু জ্যেষ্ঠ নাগৰিক উপস্থিত থাকে।

৮ ফেব্ৰুৱাৰী ঃ অসমত প্ৰথম বিধানসভা নিৰ্বাচন। ফেব্ৰুৱাৰীৰ ৫ তাৰিখে অনুষ্ঠিত কৰা এই নিৰ্বাচনত। কংগ্ৰেছক প্ৰবল প্ৰত্যাহ্বান দিয়ে ছচিয়েলিষ্ট পাৰ্টীয়ে। মুঠ ১০৮ খন আসন আছিল অসম বিধানসভাত। ৪৫৮ জন প্ৰাৰ্থী এই নিৰ্বাচনত অৱতীৰ্ণ হৈছিল আৰু ৪৯.৪২% ভোটদান হৈছিল। মুঠ ভোটাৰৰ সংখ্যা আছিল ৪০,৩৪,৯২১ স্বাধীনতা লাভৰ পিচত অসমৰ ৰাইজে প্ৰথমবাৰলৈ ভোটৰ সোৱাদ লয়।

৭ ফেব্ৰুৱাৰীত ঘোষণা কৰা ফলাফল মতে—

কংগ্ৰেছ	৭৬
চি পি আই	১
কিষাণ পাৰ্টী	১
ছচিয়েলিষ্ট পাৰ্টী	৪
অল পিপলছ পাৰ্টী	১
গাৰো নেচনেল	৩
খাছি জয়ন্তীয়া দৰবাৰ	১
খাছি জয়ন্তীয়া নেচনেল ফেডাৰেচন	১
মিজো ইউনিয়ন	৩
নিৰ্দলীয়	১৪
মুঠ	১০৫

১৫ ফেব্ৰুৱাৰী ঃ অসম বিধানসভাৰ নৱনিৰ্বাচিত কংগ্ৰেছ সদস্যসকলৰ এখন সভাই পূৰ্বৰ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিক সৰ্বসন্মতিক্ৰমে অসম কংগ্ৰেছ সংসদী দলৰ দলপতি হিচাপে নিৰ্বাচিত কৰে।

২৩ ফেব্ৰুৱাৰী ঃ অসমৰ স্বায়ত্তশাসিত গাৰো আৰু খাছিয়া জয়ন্তীয়া পাহাৰ জিলাৰ পৰা নিৰ্বাচিত হোৱা তিনিজন জনজাতীয় সদস্য ক্ৰমে ইমান সিং ছেংমা (গাৰো পাহাৰৰ স্বতন্ত্ৰ সদস্য), অৰুণ আলী (খাছিয়া জয়ন্তীয়া নেচনল কনফাৰেঞ্চ) আৰু কিষ্টোবিন ৰিমবাই

জমিদাৰীৰ বিলোপ

মধ্যস্বত্বভোগী ব্যৱস্থা তথা সামন্তধৰ্মী শোষণ অসমৰ প্ৰায়বোৰ অঞ্চলতে এসময়ত প্ৰৱৰ্তিত আছিল যদিও অবিভক্ত গোৱালপাৰা জিলাৰ জমিদাৰী ব্যৱস্থাৰ লগত অসমৰ আনবোৰ অঞ্চলৰ জমিদাৰীৰ ভালেমান তফাৎ আছিল। প্ৰাক্ ব্ৰিটিছকালত প্ৰায় একেধৰণৰ জমিদাৰী ব্যৱস্থা বা মধ্যস্বত্বভোগী ব্যৱস্থা কামৰূপতো আছিল। ১৭৬৫ খ্ৰীষ্টাব্দত গোৱালপাৰা জিলাখন ব্ৰিটিছ ৰাজত্বৰ অন্তৰ্ভুক্ত হোৱাৰ পিচত ১৭৯৩ খ্ৰীষ্টাব্দত লৰ্ড কৰ্ণৱালিচৰ দ্বাৰা প্ৰৱৰ্তিত ভূমি ৰাজস্ব বা ভূমি নীতিত চিৰস্থায়ী বন্দৱস্তি বা জমিদাৰী ব্যৱস্থাই গোৱালপাৰা জিলাক সামৰে।

(খাছিয়া জয়ন্তীয়া পাহাৰৰ স্বতন্ত্ৰ সদস্য) কংগ্ৰেছত যোগদান কৰে।

২৫ ফেব্ৰুৱাৰী ঃ দহজন মন্ত্ৰী আৰু দুজন উপ-মন্ত্ৰীৰে অসমৰ নতুন মন্ত্ৰীসভাৰ শপত গ্ৰহণ। এই মন্ত্ৰীসভাৰ মুখ্যমন্ত্ৰী হিচাপে বিষ্ণুৰাম মেধিয়ে দায়িত্বভাৰ গ্ৰহণ কৰে আৰু তেওঁৰ লগতে মন্ত্ৰীসভাৰ আন সদস্যসকল ক্ৰমে মতিৰাম বৰা, সিদ্ধিনাথ শৰ্মা, বৈদ্যনাথ মুখাৰ্জী, ৰূপনাথ ব্ৰহ্ম, মহেন্দ্ৰ মোহন চৌধুৰী, অমিয় কুমাৰ দাস, ৰামনাথ দাস, ৰেভাৰেণ্ড জে জে এম নিকলছ্ ৰায় আৰু মৌলবী আব্দুল মতলিব মজুমদাৰক আৰু উপ-মন্ত্ৰী হিচাপে হৰেশ্বৰ দাস আৰু পূৰ্ণানন্দ চেতিয়াক ৰাজ্যপাল জয়ৰামদাস দৌলতৰামে গোপনীয়তাৰ শপত গ্ৰহণ কৰায়।

৫ মাৰ্চ ঃ কুলধৰ চলিহা বিনা প্ৰতিদ্বন্দ্বিতাৰে অসম বিধানসভাৰ অধ্যক্ষ নিৰ্বাচিত হয়।

৬ মাৰ্চ ঃ মহম্মদ ৰফিকৰ সভাপতিত্বত শ্বিলঙত বিধানসভাৰ ১৮জন অকংগ্ৰেছী সদস্যৰ মাজত হোৱা এখন সভাই 'সংযুক্ত বিৰোধী দল' নাম দি এটি বিৰোধী দল গঠন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই বিৰোধীদলৰ বিষয়ববীয়াসকল হ'ল— হৰেশ্বৰ গোস্বামী (ছচিয়েলিষ্ট) নেতা, আজ্ৰাসিং খং-পাই (খাছিয়া আৰু জয়ন্তীয়া দৰবাৰ) উপনেতা, গৌৰীশংকৰ ভট্টাচাৰ্য (কমিউনিষ্ট) আৰু মোহন সিং-যুটীয়া সম্পাদক আৰু ঘনকান্ত গগৈ (সৰ্বদল) মুখ্য হুইপ।

উক্ত বিৰোধী দলে কেৱল বিধানসভাৰ ভিতৰত নিম্ন সাধাৰণ কাৰ্যপন্থাত কাম কৰিব আৰু বিৰোধী দলত যোগ দিয়া পাৰ্টী বা ব্যক্তিসকলে পৰিষদৰ বাহিৰত নিজ কাৰ্যপন্থাত কাম কৰাত কোনো বাধা-বিঘিনি নথকাৰ কথা প্ৰস্তাৱত উল্লেখ থাকে।

১০ মাৰ্চ ঃ বিত্ত মন্ত্ৰী মতিৰাম বৰাই ১৯৫২-৫৩ চনৰ বাবে ২ কোটি ৪৫ লাখ ৬৫ হাজাৰ টকাৰ এক ঘাটি বাজেট বিধানসভাত দাঙি ধৰে।

২২ মাৰ্চ ঃ অসম বিধানসভাত চাৰিখন চৰকাৰী বিল গৃহীত হয়। সেই বিলসমূহ হৈছে— অসম ফাইনেঞ্চ বিল ১৯৫২, অসম অপিয়াম প্ৰহিবিশ্যন (সংশোধন) বিল ১৯৫২, অসম মেটাৰনিটী

১৮২৬ খ্ৰীষ্টাব্দত আহোম ৰাজ্যৰ এলেকা দখল কৰাৰ পিচত অসমৰ বাকী অংশৰ লগতে অবিভক্ত কামৰূপতো কিন্তু চিৰস্থায়ী বন্দৱস্ত তথা জমিদাৰী প্ৰচলন কৰা নহ'ল। বিগত শতিকাৰ ষাঠিৰ দশকলৈ একধৰণৰ জমিদাৰী তথা ৰায়তী ব্যৱস্থা অসমৰ বিভিন্ন প্ৰান্তত ছেগা-চোৰোকাকৈ চলি থাকিল। কুৰি শতিকাৰ পঞ্চম আৰু ষষ্ঠ দশকত সমগ্ৰ ভাৰতবৰ্ষতে জমিদাৰী তথা মধ্যস্বত্বভোগী প্ৰথা বিলোপ কৰাৰ বাবে প্ৰবল আন্দোলন হৈছিল আৰু এনেবোৰ আন্দোলন পৰিচালিত হৈছিল সমাজবাদী মতাদৰ্শৰ দ্বাৰা। ভাৰতবৰ্ষৰ নিচিনা দেশ এখনে সমাজবাদী ভাবাদৰ্শৰ প্ৰতি আকৃষ্ট হোৱাৰ অন্তৰালত আছিল সেই সময়ত কমিউনিষ্ট আন্দোলনৰ ব্যাপক প্ৰসাৰ তথা পুঁজিবাদী ৰাষ্ট্ৰসমূহৰ বিৰুদ্ধে ছোভিয়েট ৰাছিয়াৰ নেতৃত্বত বিশ্বজুৰি সংগঠিত হোৱা সমাজবাদী আন্দোলন। জমিদাৰী তথা মধ্যস্বত্বভোগী প্ৰথা বিলোপৰ দাবী প্ৰাক্-স্বাধীনতা কালৰে পৰা চলি আহিছিল। এনেধৰণৰ দাবীয়ে কেতিয়াবা কেতিয়াবা বিক্ষোভ, আন্দোলন তথা হিংসাত্মক ৰূপপৰ্যন্ত লৈছিলগৈ। ইয়াৰ ফলতে স্বাধীন ভাৰতবৰ্ষৰ গণতান্ত্ৰিক চৰকাৰখনে জমিদাৰী অধিগ্ৰহণৰ বাবে আইন প্ৰণয়ন কৰিলে আৰু এনে আইনে মধ্যস্বত্বভোগ প্ৰথাৰো আক্ষৰিক অৰ্থত বিলুপ্তি ঘটালে।

মোগল শাসিত পূৰ্ব ভাৰতত দুই শ্ৰেণীৰ জমিদাৰ আছিল। প্ৰথম শ্ৰেণীত আছিল স্বাধীনতা হেৰুওৱা ৰজাসকল। মোগলৰ হাতত নিজ ৰাজ্যৰ স্বতন্ত্ৰতা হেৰুওৱাৰ পিচত এইসকল ৰজাই নিজ ৰাজ্যতে বংশানুক্ৰমিকভাৱে জমিদাৰৰ স্বীকৃতি লাভ কৰিছিল। এওঁলোকে পেছকছ বা বাৰ্ষিক নজৰানা দি থাকি নিজৰ অঞ্চল নিজেই শাসন কৰিছিল। প্ৰজাৰ পৰা খাজনা উঠোৱাৰ অধিকাৰো এইসকল ৰজাই লাভ কৰিছিল। গোৱালপাৰাৰ বিজনীৰাজ আছিল এনেধৰণৰ প্ৰথম শ্ৰেণীৰ জমিদাৰ। দ্বিতীয় শ্ৰেণীভুক্ত জমিদাৰসকল আছিল পৰগণাৰ খাজনা তোলাৰ ভাৰ পোৱা চৌধুৰীসকল। মোগল যুগৰ শেষৰফালে এই শ্ৰেণীৰ জমিদাৰসকল বংশানুক্ৰমিক জমিদাৰলৈ ৰূপান্তৰিত

বেনিফিট (সংশোধন) বিল ১৯৫২, অসম টি প্লেণ্টেছনছ কম্পালছৰী ছেভিংছ ফাণ্ড স্কীম বিল ১৯৫২। ইয়াৰোপৰি বিধানসভাই সেইদিনা '১৮খ আৰু ৬৮খ — নেভিগেছন, এমেণ্ডমেণ্ট আৰু ড্ৰাইনেজ ৱাৰ্কছ' শিতানত ১,২৬,০০০ টকা, '৫০-চিভিল ৱাৰ্কছ (টুলছ, প্লেণ্টছ আৰু এষ্টাব্লিছমেণ্ট বাদে)' শিতানত ৩০,৩৫,১৮২ টকা, '৩৮ মেডিকেল-খ হাস্পতাল আৰু ডিচপেনছৰী' শিতানত ১২,০০০ টকা আৰু 'কি ভিলেইজ ফাৰ্ম স্কীম' কামত লগাবলৈ ৫২,৭০০ টকাৰ পৰিপূৰক দাবী মঞ্জুৰ কৰে।

১ এপ্ৰিল ঃ অসম বিধানসভাত 'অসম চাহ বনুৱা সঞ্চয় নিধি বিল ১৯৫২' গৃহীত হয়। উক্ত দিনা কেন্দ্ৰৰ পৰা অধিক বিত্তীয় সাহায্য বিচৰা বেচৰকাৰী প্ৰস্তাৱ আৰু অসম চৰকাৰে বিত্ত আয়োগলৈ প্ৰেৰণ কৰা স্মাৰকপত্ৰ সম্পৰ্কে বিধানসভাৰ সকলো সদস্যই সৰ্বসন্মতি জ্ঞাপন কৰে।

৬ এপ্ৰিল ঃ ৰঙিয়া অঞ্চলৰ ১১৩খন গাঁৱৰ ১৫০ বৰ্গমাইল বিস্তৃত এলেকাত ৫২ হাজাৰ অধিবাসীৰ মাজত অসম চৰকাৰৰ আৰ্হি সম্প্ৰসাৰণ পৰিকল্পনাৰ কামৰ পাতনি মেলি 'ৰাষ্ট্ৰীয় সপ্তাহ' আৰম্ভ কৰা হয়। সৰহ শস্য উৎপাদন কৰাই এই পৰিকল্পনাৰ মুখ্য উদ্দেশ্য। পাঁচ বছৰ ধৰি এই পৰিকল্পনাৰ কাম চলিব। পৰিকল্পনা অনযায়ী প্ৰথম কাম হ'ব সাত লাখ ফুট দীঘল মথাউৰি বন্ধা। এই মথাউৰিৰ বাবে পোনপ্ৰথমে ৰঙিয়াৰ ওচৰৰ জয়ৰীপুৰৰ দুনা নৈৰ পাৰৰ অঞ্চল নিৰ্ধাৰণ কৰা হয়। অসমৰ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধি আৰু গড়কাপ্তানি মন্ত্ৰী সিদ্ধিনাথ শৰ্মাই মথাউৰিত প্ৰথম মাটিৰ চপৰা দি কাম আৰম্ভ কৰে।

১১ এপ্ৰিল ঃ ভাৰত চৰকাৰৰ ৰে'ল সমষ্টিকৰণৰ নীতি অনুসৰি অসম ৰে'লৰ সদৰ কাৰ্যালয় পাণ্ডুৰ পৰা তুলি নিয়াৰ তীব্ৰ প্ৰতিবাদ জনাই গুৱাহাটীত অসম ৰে'লৰ সদৰ কাৰ্যালয় দিৱস উপলক্ষে পতা ৰাজহুৱা সভাত এটা প্ৰস্তাৱ গৃহীত কৰা হয়। অসমৰ গুৰুত্বপূৰ্ণ পৰিস্থিতি আৰু ইয়াৰ প্ৰাকৃতিক সম্পদৰাজিৰ উন্নয়নৰ কথালৈ লক্ষ্য ৰাখি অসম ৰে'লক

হৈছিল। এই জমিদাৰসকলৰ পৰা সম্রাটে পাবলগীয়া ৰাজহক পেছকছ বা নজৰানা নুবুলি 'জমা' বোলা হৈছিল। গৌৰীপুৰৰাজ বা গৌৰীপুৰৰ জমিদাৰ আছিল এই দ্বিতীয় শ্ৰেণীৰ জমিদাৰ। উল্লিখিত দুই ধৰণৰ জমিদাৰৰ বাহিৰেও খেতিয়কৰ দখলী মাটিত সীমিত পৰিমাণত স্বত্বভোগকাৰী কিছু কিছু লোকক জমিদাৰ বোলা হৈছিল। এওঁলোকক প্ৰাথমিক জমিদাৰ বুলি কোৱা গৈছিল।

প্ৰাক্-ব্ৰিটিছ কালত খেতিৰ মাটিৰ ওপৰত কাৰো নিৰ্দিষ্টকৈ অধিকাৰ নাছিল। খেতিয়কৰ দখলত থকা নিৰ্দিষ্ট মাটি এডোখৰত খেতিয়কৰ ওপৰৱালা জমিদাৰ আৰু ৰাষ্ট্ৰ— এই তিনিওটা পক্ষৰে স্বত্ব আছিল। জমিদাৰে খেতিয়কৰ পৰা নিজৰ ভাগ শস্যৰ জোখেৰে (যিহেতু সেই সময়ত বিনিময় প্ৰথাৰ প্ৰচলন আছিল। মোগল আমোলত নামনি অসমত মুদ্ৰাৰ প্ৰচলন থকাৰ বিপৰীতে সপ্তদশ শতিকাৰ মাজভাগতহে আহোম ৰজাঘৰে নিজা মুদ্ৰা উলিয়ায়) বা মুদ্ৰাৰ হিচাপত আদায় কৰি লৈছিল। চৌধুৰী পদাধিকাৰী জমিদাৰবোৰে নিজৰ ভাগটো খেতিয়কৰ পৰা লোৱাৰ লগতে ৰাষ্ট্ৰৰ প্ৰাপ্য ভাগটো চমজি লৈছিল। খেতিয়কৰ পৰা লাভ কৰা শস্য-মূল্যৰ বাদেও জমিদাৰসকলে বিভিন্ন আচবাব, পণ্য আদিত ধাৰ্য কৰা শুল্ক আদিৰ পৰা অতিৰিক্ত আয় কৰিছিল। চৰকাৰে নিৰ্ধাৰণ (নবাবৰ দ্বাৰা) কৰা খাজনাৰ মুঠ নিৰিখ অনুপাতে যিটো জমা জমিদাৰৰ পৰা প্ৰতিবছৰে লোৱা হৈছিল তাৰ পৰিমাণ জমিদাৰে আদায় কৰি লোৱা পৰিমাণতকৈ কম আছিল। ৰাহিখিনি আছিল জমিদাৰৰ লাভ। জমিদাৰ আৰু ৰাষ্ট্ৰৰ প্ৰাপ্য খাজনাখিনি জমিদাৰ বা চৌধুৰী পদাধিকাৰীৰ হাতত প্ৰদান কৰি খেতিয়কসকলে দখলত থকা মাটিডৰাত বংশানুক্ৰমিকভাৱে অবাধ খেতি কৰাৰ স্বাধীনতা লাভ কৰিছিল। ফচল উৎপাদনৰ জৰিয়তে যদিহে খেতিয়কৰ অধিক লাভ হোৱাটো পৰিলক্ষিত হয় তেন্তে নতুন বন্দৱস্তিৰ (New Settlement) সময়ত পৰগণাৰ 'জমা' বৃদ্ধি কৰা হৈছিল আৰু এই বৃদ্ধি হোৱা জমা অনুসৰি খেতিয়কেও বৰ্ধিত হাৰত জমিদাৰক খাজনা প্ৰদান কৰিব লগা হৈছিল। তৎসত্ত্বেও মোগল

স্বতন্ত্ৰ গোট হিচাপে ৰাখিবলৈ সভাই দাবী কৰে।

উপৰিউক্ত দাবী মানিব নোৱাৰিলে, উচ্চ ক্ষমতা বিশিষ্ট ছিনিয়ৰ ডেপুটী জেনেৰেল মেনেজাৰৰ অফিচটোকে পাণ্ডুত ৰাখিবলৈ ৰে'ল মন্ত্ৰী দপ্তৰলৈ সভাই অনুৰোধ জনায়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ৰে'ল স্বাৰ্থ ৰক্ষা কমিটীৰ সম্পাদক ধৰণীধৰ দাসে।

১৩ এপ্ৰিল ঃ বিশ্বনাথ চাৰিআলিত প্ৰায় পাঁচ হাজাৰ বনুৱাৰ দ্বাৰা অসমীয়া গাঁও আক্ৰমণ। বিশ্বনাথ চাৰিআলিৰ বজাৰত কেইটামান অসমীয়া ধান বেপাৰী আৰু ঘোপসাধাৰু আৰু নীলপুৰ চাহ বাগানৰ বনুৱাৰ মাজত হোৱা এখন কাজিয়াৰ ফলস্বৰূপে প্ৰায় পাঁচ হাজাৰ বনুৱাই দগাঁও, বামগাঁও আৰু লেহুগাঁও ইত্যাদি অসমীয়া গাঁৱত আক্ৰমণ কৰে। এই ঘটনাত কেইবাজনো লোক গুৰুতৰভাৱে আহত হয়।

১৪ এপ্ৰিল ঃ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে তুৰাত গাৰো পাহাৰ স্বায়ত্তশাসিত জিলা পৰিষদখন উদ্বোধন কৰে। গাৰো পাহাৰৰ জিলা পৰিষদখন অসমৰ পাঁচখন জিলা পৰিষদৰ ভিতৰত প্ৰথম। ইয়াৰ সদস্য সংখ্যা ২৪জন, ১৮জন নিৰ্বাচিত আৰু ৬ জন মনোনীত। ইয়াৰে নিৰ্বাচিতসকলৰ ভিতৰত এগৰাকী মহিলা। এই স্বায়ত্তশাসিত পৰিষদৰ নীতি-নিয়মমতে পৰিষদে জিলাৰ শাসন কাৰ্য পৰিচালনা কৰিব। এই কাৰ্যৰ বাবে সদস্যসকলৰ পৰা নিৰ্বাচিত তিনিজন সদস্যৰে বিশিষ্ট কাৰ্যপালিকা পৰিষদ গঠন কৰা হ'ব। তেওঁলোকৰ এজনক কাৰ্যপালিকা কৰ্মচাৰী বুলি কোৱা হ'ব আৰু বিভিন্ন দপ্তৰ এই তিনিজনৰ মাজত বণ্টন হ'ব।

১৬ এপ্ৰিল ঃ গুৱাহাটীৰ চাৰ্কিট হাউছত অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ এখন বিশেষ সভাত অসম ৰে'লৰেক স্বতন্ত্ৰ গোট হিচাপে ৰাখিবলৈ ভাৰত চৰকাৰক অনুৰোধ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই মন্ত্ৰীসভাই ভাৰতীয় ৰে'লৰে মন্ত্ৰী দপ্তৰৰ সন্মুখত অসমৰ কথা উত্থাপন কৰিবলৈ পৰিবহণ মন্ত্ৰী সিদ্ধিনাথ শৰ্মা আৰু বিত্ত মন্ত্ৰী মতিৰাম বৰাক কৰ্তৃত্ব প্ৰদান কৰে।

ব্যৱস্থাত খাজনা বৃদ্ধি জধে-মধে কৰিব পৰা নগৈছিল। জনসংখ্যা অতি তাকৰীয়া হোৱা বাবে খেতিয়কসকলে প্ৰায়েই এটা অঞ্চল ত্যাগ কৰি আন এটা অঞ্চলত গৈ বহিছিল। ফলত জমিদাৰীৰ অন্তৰ্ভুক্ত প্ৰজাৰ সংখ্যা হ্ৰাস পাইছিল। খেতিয়কৰ সংখ্যা কমিলে খাজনাৰ পৰিমাণো কমি যায় আৰু সেইবাবে নমনীয়তা প্ৰদৰ্শন কৰি হ'লেও জমিদাৰসকলে নিজৰ প্ৰজাবোৰ ধৰি ৰাখিবলৈ সততে প্ৰয়াস কৰিছিল। তদুপৰি শস্যহানি হ'লে খাজনা মাফ দিয়া বা কমাই দিয়াৰ প্ৰথা প্ৰচলন আছিল। জমিদাৰসকলে প্ৰজাক ধৰি ৰখাৰ স্বাৰ্থত কৃষিঋণ পৰ্যন্ত প্ৰদান কৰিছিল।

মধ্যশ্ৰেণীৰ সহায় অবিহনে দেশ শাসন কৰাৰ বাবে প্ৰয়োজনীয় ৰাজহ সংগ্ৰহ কৰাটো মধ্যযুগৰ সময়ছোৱাত এক কঠিন প্ৰক্ৰিয়া আছিল বাবে এই মধ্যশ্ৰেণী বা মধ্যস্বত্বভোগী জমিদাৰসকলৰ উত্থান ঘটিছিল। সাধাৰণতে ৰজাৰ পৰা ভূমিদান পোৱাসকলকহে জমিদাৰ বোলা হৈছিল। মোগল ব্যৱস্থাত এনে মুখিয়াল জমিদাৰৰ এজনক একোটা পৰগণাৰ 'চৌধুৰী' বাব দি খাজনা সংগ্ৰহৰ দায়িত্ব দিয়া হৈছিল। সংগৃহীত খাজনাৰ ধনৰ ওপৰত হিচাপ কৰি চৌধুৰীক এটা লাভাংশ বা কমিছন দিয়া হৈছিল। এই বাব তথা কমিছনক চৌধুৰাই বোলা হৈছিল। কমিছনৰ উপৰি চৌধুৰীসকলে অন্যান্য কিছুমান সুবিধা তথা আইন-শৃংখলা ৰক্ষাৰ স্বাৰ্থত কিছু শাসন বিচাৰ কৰাৰ অধিকাৰো লাভ কৰিছিল। মোগল শাসনৰ অধীনত গোৱালপাৰাৰ দৰে আহোম ৰাজত্বৰ সময়লৈ একে ব্যৱস্থা কামৰূপতো চলিছিল। আহোম ৰজাঘৰে চৌধুৰী, তালুকদাৰ আদিৰ দৰে বৰুৱা আদি আখ্যাৰে কিছুমান বিষয়ববীয়াৰ সৃষ্টি কৰিছিল আৰু এইবোৰৰ কাম আছিল ভূমি-ৰাজহ সম্পৰ্কীয়। কামৰূপৰ বুজৰবৰুৱাসকল আছিল একাধিক পৰগণা বা এলেকাৰ চৌধুৰীসকলৰ তদাৰক।

১৬৮২ চনত নামনি অসমৰ ধিঙৰ অংশ আহোম ৰাজত্বৰ অধীনলৈ অহাৰ পিচত আহোম ৰাজ প্ৰশাসনে পূৰ্বৰ মোগল ভূমি-ৰাজহ প্ৰশাসনিক

১৯ এপ্ৰিল ঃ ১৯৫২ চনৰ ৫ জানুৱাৰীত হোৱা ভাৰত-মাৰ্কিন কাৰিকৰী সমবায় চুক্তিসন্মত সামূহিক সম্প্ৰসাৰণ আঁচনিৰ (কমিউনিটী প্ৰজেক্ট) আশু কাৰ্যকাৰিতাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰীকে প্ৰমুখ্য কৰি অসম মন্ত্ৰীসভাৰ ৫জন সদস্যক লৈ অসমৰ ৰাজ্যপালে এখন ৰাজ্য উন্নয়ন সমিতি গঠন কৰে।

১২ মে' ঃ ১ এপ্ৰিলৰ পৰা ৰাজ্যখনত ন্যূনতম মজুৰি আইনখন বলৱৎ হোৱাৰ বাবে কাছাৰ জিলাৰ চাহ বাগিচাবোৰত এক অস্থিৰ পৰিস্থিতিয়ে দেখা দিয়ে। আৰ্থিক সংকটৰ কাৰণে ৮ এপ্ৰিলত ৰূপাবালি চাহ বাগিচা আৰু ১০ এপ্ৰিলত সৰস্বতী চাহ বাগিচা নিজ নিজ কৰ্তৃপক্ষই বন্ধ কৰে। বালাচেৰা, নোৱাৰবান্দ, বন্দুকমাৰা, কলীনগৰ, চিংগুৰ আৰু পাগলাচেৰা চাহ বাগিচাৰ পৰিচালকসকলে কৰ্মচাৰীসকলৰ সাপ্তাহিক কামৰ ম্যাদ প্ৰথমে ৬ দিনৰ পৰা কমাই ৫ দিন আৰু পিচলৈ ৪ দিনৰ পৰা ৩ দিন পৰ্যন্ত কমাই দিয়ে। দৰগাকোণা চাহ বাগিচাত 'ৱৰ্ক-পাছ' প্ৰথা প্ৰৱৰ্তন কৰাৰ বাবে বনুৱাই ৫ এপ্ৰিলৰ পৰা ধৰ্মঘট কৰে। পাগলাচেৰা চাহ বাগিচাত সাপ্তাহিক কামৰ ম্যাদ ৬ দিনৰ পৰা কমাই ৩ দিন কৰাৰ প্ৰতিবাদ কৰি বনুৱাই ২৪ এপ্ৰিলৰ পৰা ধৰ্মঘট কৰে।

২৩ মে' ঃ অসম চৰকাৰে কমিউনিষ্ট পাৰ্টীৰ আত্মগোপনকাৰী সদস্যৰ বিৰুদ্ধে থকা নিৰোধ আদেশ আৰু পৰোৱানা প্ৰত্যাহাৰ কৰে আৰু দুজন কমিউনিষ্ট কৰ্মী নীলমণি বৰঠাকুৰ আৰু বিষ্ণু বৰাৰ বিৰুদ্ধে থকা নিৰোধ আদেশ বাতিল কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

২৫ মে' ঃ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে লুছাই পাহাৰৰ আইজলত 'লুছাই স্বায়ত্তশাসিত জিলা পৰিষদ' উদ্বোধন কৰে।

২৯ মে' ঃ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে হাফলঙত 'স্বায়ত্তশাসিত উত্তৰ কাছাৰ জিলা পৰিষদ' উদ্বোধন কৰে।

● লোকসভাত কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীয়ে ৰে'ল বাজেটৰ তিনিদিনীয়া বিতৰ্কৰ সময়ছোৱাত ভাৰতৰ ভিতৰত ওপৰেদি দলং নসজাকৈ থকা একমাত্ৰ ডাঙৰ নদী

পদ্ধতিত বিশেষ সাল-সলনি নঘটালে। মোগল ৰাজস্ব পদ্ধতিত পূৰ্বতে থকাৰ দৰেই আহোম ৰাষ্ট্ৰই কামৰূপৰ পৰগণাবোৰক ৰাখিছিল। একোজন চৌধুৰীক এবছৰৰ পৰা পাঁচ বছৰলৈ প্ৰতিখন পৰগণা দিয়া হৈছিল। মাটিৰ ৰাজহৰ আধা নগদ ধনেৰে আৰু আধা বয়বস্তুৰে ৰজাঘৰক শোধোৱাৰ বন্দৱস্তি কৰা হৈছিল। এনেধৰণৰ বিষয়-বাববোৰ বংশানুক্ৰমিক নাছিল। যিবোৰ মাটি আহোম ৰাজপ্ৰশাসনৰ প্ৰতি সহায় আগবঢ়োৱাৰ বাবে পাইকৰ মাজত বিতৰণ কৰা হৈছিল তথা ধৰ্মীয় উদ্দেশ্যত দিয়া হৈছিল সিবোৰৰ বাহিৰে পৰগণাৰ বাকী মাটি ৰায়তক দিয়া হৈছিল। ৰজাঘৰক খাজনা দিয়াৰ পিচত যিখিনি ৰৈ গৈছিল সেয়াই আছিল চৌধুৰীসকলৰ লাভাংশ। আহোম প্ৰশাসনত এনে জমিদাৰ বা চৌধুৰীসকলে কেৱল ৰায়তৰ পৰাই নহয় পাইকবোৰৰ পৰাও ভাৰ-ভেটি লাভ কৰিছিল। চৌধুৰীয়ে শান্তিৰক্ষক আৰক্ষীৰ ভূমিকাও পালন কৰিছিল।

আইনগত অধিকাৰ চৌধুৰীসকলৰ নাছিল বা তেওঁলোকৰ হাতত কোনোধৰণৰ সশস্ত্ৰ বাহিনীও নাছিল। ৰজাৰ প্ৰতি চূড়ান্ত আনুগত্য দেখুৱাই এই চৌধুৰীসকলে সমাজত মান, আধিপত্য আৰু সম্পদ গোটাইছিল। চৌধুৰীসকলৰ বাহিৰেও আহোম ৰজাঘৰে ভূমি প্ৰশাসনৰ ক্ষেত্ৰত আৰু কিছুমান বিষয়-বাবৰ সৃষ্টি কৰিছিল আৰু তেনে এবিধ বিষয়া হ'ল বুজৰবৰুৱা। বুজৰবৰুৱাই পাইক আৰু ধৰ্মীয় কাৰণত দিয়া মাটিৰ বাহিৰে সমগ্ৰ ৰাজহৰ ধন জমা লৈছিল। বৰফুকনৰ তলতীয়া এইজনা বিষয়াক স্বৰ্গদেউৰ হুকুম নোহোৱাকৈ কোনেও কামৰ পৰা খেদিব নোৱাৰিছিল। গোৱালপাৰাৰ জমিদাৰসকলৰ ক্ষেত্ৰত বংগদেশৰ দৰে চিৰস্থায়ী বন্দৱস্তিৰ পদ্ধতি প্ৰচলিত হোৱাৰ আগলৈকে কামৰূপৰ জমিদাৰসকলৰ (চৌধুৰীসকলৰ) অৱস্থা একেধৰণৰ আছিল।

১৭৮৭-৮৮ চনত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে নগদ ধনেৰে খাজনা শোধোৱাৰ নিয়ম আৰম্ভ কৰে। তাৰ আগলৈ মোগল আমোলত পৰগণাবোৰত ৰাজহ বস্তুৰে অৰ্থাৎ কপাহেৰে ৰাজহ দিয়াৰ প্ৰথা প্ৰচলিত আছিল। নগদ

ব্ৰহ্মপুত্ৰৰ ওপৰত এখন দলং পাণ্ডু-আমিনগাঁৱত সজা হ'ব আৰু ইয়াৰ কাম ১৯৫৪ চনত আৰম্ভ কৰাৰ কথা ব্যক্ত কৰে।

৩০ মে' ঃ বিমলা প্ৰসাদ চলিহা বিনা প্ৰতিদ্বন্দ্বিতাৰে অসম কংগ্ৰেছৰ সভাপতি হিচাপে নিৰ্বাচিত হয়।

৭ জুন ঃ গুৱাহাটী মিউনিচিপাল ব'ৰ্ডৰ নিৰ্বাচন অনুষ্ঠিত হয় আৰু এই নিৰ্বাচনত মুঠ ২১খন আসনৰ ভিতৰত কংগ্ৰেছে ১২খন, প্ৰগতিশীল নাগৰিক সন্থাই ৬খন আৰু স্বতন্ত্ৰ প্ৰাৰ্থীয়ে আন ৩খন আসন অধিকাৰ কৰে।

৯ জুন ঃ অসমত হিন্দী প্ৰচাৰৰ উদ্যম বঢ়াবৰ নিমিত্তে ৰাজ্য চৰকাৰে ৰাজ্যখনৰ ১৪০খন স্কুলৰ ৪ৰ্থ শ্ৰেণীত হিন্দী বাধ্যতামূলক কৰে। ইয়াৰে ৯৫খন পাহাৰ আৰু ভৈয়ামৰ চৰকাৰী স্কুল আৰু বাকী ৬৫খন সাহায্যপ্ৰাপ্ত স্কুল। ১৯৫২ চনৰ শিক্ষাবৰ্ষত ৰাজ্য চৰকাৰে হিন্দী প্ৰৱৰ্তনৰ উদ্দেশ্য ১৬৫ হাজাৰ টকাৰ সাহায্য মঞ্জুৰি দিবলৈ স্থিৰ কৰে।

১২ জুন ঃ গুৱাহাটীৰ পৰা ৪২ মাইল উত্তৰে কামৰূপ জিলাৰ পূব বাস্কা আৰু কুমাৰীকাটা মৌজাৰ শালমাৰা, গলবিল, বৰবিল, হাঁহকটা আদি গাঁৱৰ ট্ৰাইবেল বেল্টৰ ভিতৰত থকা মাটিৰ বিবাদ সম্পৰ্কীয় গোচৰৰ ৰায় দানত সহ-উপায়ুক্ত জে কে দত্তই ট্ৰাইবেল বেল্টৰ মাটিত পমুৱাৰ একো অধিকাৰ নোহোৱাৰ সপক্ষে ৰায় প্ৰদান কৰে।

ঘটনাৰ বিৱৰণীত প্ৰকাশ যে ১৯৫০/৫১ চনত সাম্প্ৰদায়িক সংঘৰ্ষৰ সময়ত পাকিস্তানী পমুৱাসকলে উপৰিউক্ত ঠাইৰ পৰা গুচি যোৱাত সেই মাটিবিলাক অসম চৰকাৰে জব্দ কৰে। পমুৱাসকল উলটি অহাত ১৯৫১ চনত ৰাজ্যিক চৰকাৰে 'ইকনমিক হলডিং' কৰি পমুৱা তথা ট্ৰাইবেলসকলক পট্টা দিয়ে। মাটি দিয়াত বিভিন্ন বিভাগত সীমা নিৰ্ধাৰণ কৰি পমুৱা মুছলমান আৰু ট্ৰাইবেলসকলক পৃথকভাৱে সীমা নিৰ্ধাৰণ কৰি মাটি ভগাই দিয়ে। এইদৰে ভগাই দিয়া মাটিৰ পৰিমাণ হ'ল ৮৭৪০ বিঘা। তাৰে ভিতৰত ৫৭০০ বিঘা পমুৱাক আৰু ৩০৪০ বিঘা অসমীয়া মাটিহীন লোকক বিতৰণ কৰি দিয়ে। কিন্তু পমুৱাসকলে

ধনেৰে খাজনা আদায় দিব লগা হোৱাত জমিদাৰসকলৰ ইষ্ট ইণ্ডিয়া কোম্পানীৰ সৈতে ভালেমান বাদ-বিবাদ লগাৰো উদাহৰণ পোৱা যায়। ১৭৮৮ চনৰ ২২ নৱেম্বৰত ৰণাৰাম চৌধুৰী নামৰ জমিদাৰ এজনে ইষ্ট ইণ্ডিয়া কোম্পানীৰ পৰা নামকটা যোৱা চিপাহী আৰু এজন হাবিলদাৰৰ নেতৃত্বত এটা সশস্ত্ৰ দল লৈ গোৱালপাৰাত থকা ইষ্ট ইণ্ডিয়া কোম্পানীৰ এজেণ্ট বিষয়া বেইলী চাহাবৰ বাসগৃহ-গুদাম চৌহদত আক্ৰমণ কৰিছিল। এই সংঘৰ্ষত কোম্পানীৰ এজন বগা চাহাবকে ধৰি কেইবাজনো ভাড়াতীয়া ৰখীয়া আহত আৰু নিহত হৈছিল।

১৭৯৩ চনত লৰ্ড কৰ্ণৱালিচৰ আমোলত ব্ৰিটিছৰাজে চিৰস্থায়ী জমিদাৰী বন্দৱস্ত প্ৰৱৰ্তন কৰে। এই ব্যৱস্থা দেশ স্বাধীন হোৱাৰ পিচত ১৯৫৫ চনপৰ্যন্ত প্ৰচলিত আছিল। প্ৰথমতে গোৱালপাৰা আৰু চিলেট জিলাতহে এই বন্দৱস্তিৰ প্ৰচলন হৈছিল। আহোম ৰাজত্বৰ অসম আৰু আন ঠাইবোৰ ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ পিচতহে ব্ৰিটিছৰ হাতলৈ গৈছিল বাবে চিৰস্থায়ী ব্যৱস্থাই সেইবোৰ অঞ্চলৰ জমিদাৰীবোৰ ৩৩ বছৰ পিচতহে সামৰি লৈছিল।

'চিৰস্থায়ী বন্দৱস্তি' পদ্ধতিত একোটা নিৰ্দিষ্ট এলেকা (Estate) একোজন মানুহক দি দিয়া হয় আৰু সেই মানুহজনৰ সতি-সন্ততিয়ে বংশানুক্ৰমিকভাৱে তাক ভোগ কৰিব পাৰে। এলেকা বা ভূ-সম্পত্তিৰ বাবে ব্ৰিটিছ প্ৰশাসনক দিব লগা খাজনা প্ৰথমতেই নিৰ্দিষ্ট কৰা হয় আৰু পূৰ্ব-নিৰ্ধাৰিত এই খাজনা জমিদাৰে দিব লাগে। চিৰস্থায়ী বন্দৱস্তি পদ্ধতিতে ১৮৫৩ চনৰ তথ্যমতে গোৱালপাৰা জিলাৰ ৩,৫২৫ বৰ্গমাইল এলেকা সামৰি লৈছিল। ইয়াৰ লগত ৭ ঘৰ লাখেৰাজদাৰো আছিল। লাখেৰাজদাৰসকলকো এই বন্দৱস্তিত জমিদাৰ বুলিয়েই গণ্য কৰা হৈছিল। ১৯০৭ চনত গোৱালপাৰা জিলাত ৯টা জমিদাৰী, ১০টা সৰু জমিদাৰী আৰু ৪২টা লাখেৰাজ ভূ-সম্পত্তি আছিল বুলি জানিব পাৰি।

একোখন জমিদাৰীৰ খণ্ড খণ্ড সৰু অংশক জমিদাৰে জোটদাৰ

এই মীমাংসাত সন্মত নহৈ সকলোখিনি মাটি পাবৰ মনেৰে গোচৰ দাখিল কৰে।

১৫ জুন ঃ কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰলৈ ১ লাখ ৪৭ হাজাৰ টন খাদ্য সাহায্য প্ৰদান কৰে।

১৭ জুন ঃ অসমৰ ৰাজ্যপাল জয়ৰামদাস দৌলতৰামে শ্বিলঙত নতুনকৈ নিৰ্মাণ কৰা সচিবালয় ভৱন উদ্বোধন কৰে। মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে সচিবালয়ৰ সন্মুখত স্থাপন কৰা মহাত্মা গান্ধীৰ মাৰ্বলৰ প্ৰতিমূৰ্তি উন্মোচন কৰে।

২২ জুন ঃ ডিব্ৰুগড় আৰু শদিয়া এই নগৰ দুখনক বানপানীৰ গৰাহৰ পৰা ৰক্ষা কৰিবৰ কাৰণে কেন্দ্ৰীয় পৰিকল্পনা আয়োগৰ ওচৰত আয়োগৰ নিৰ্দেশমতে ২ কোটি টকাৰ এখন আঁচনি ৰাজ্য চৰকাৰে দাখিল কৰে।

২৫ জুন ঃ গুৱাহাটী জিলা ভূ-দান সহায় কমিটী গঠন। গুৱাহাটীৰ কামৰূপ একাডেমীত অম্বিকাগিৰী ৰায়চৌধুৰীৰ সভাপতিত্বত ভূ-দান আন্দোলনক ব্যাপক প্ৰচাৰ কৰাৰ উদ্দেশ্যে অনুষ্ঠিত এখন সভাত অসম ৰাষ্ট্ৰভাষা সমিতিৰ সঞ্চালক ৰজনীকান্ত চক্ৰৱৰ্তীক আহ্বায়ক মনোনীত কৰি ১৫জন সদস্যৰে গুৱাহাটী জিলা ভূ-দান সহায়ক কমিটী গঠন কৰা হয়।

২৭ জুন ঃ শ্বিলঙত অসমৰ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে সংযুক্ত খাছি জয়ন্তীয়া পাৰ্বত্য জিলা পৰিষদ উদ্বোধন কৰে আৰু ইয়াৰ লগে লগে সংবিধানৰ ষষ্ঠ অনুসূচী অনুযায়ী অসমৰ পাৰ্বত্য জিলাবোৰত স্বায়ত্ত শাসন সংস্থা স্থাপনৰ কাৰ্যক্ৰম সমাপ্ত হয়। এই সভাত পৌৰোহিত্য কৰে ৰাজ্যপাল জয়ৰামদাস দৌলতৰামে। এই জিলা পৰিষদৰ মুঠ সদস্য সংখ্যা ২৪জন। ইয়াৰে ১৮জন খাছি আৰু জয়ন্তীয়াসকলে নিৰ্বাচিত কৰি দিয়ে আৰু বাকী ৬জন ৰাজ্যপালৰ দ্বাৰা মনোনীত হয়।

সংবিধানৰ ষষ্ঠ অনুসূচীত মুঠ ৬খন পাৰ্বত্য জিলাত স্বায়ত্ত শাসনৰ বাবে জিলা পৰিষদ একোখনকৈ স্থাপন কৰাৰ উপবন্ধ দিয়া হৈছিল। ইয়াৰে ভিতৰত নগা পাহাৰে ষষ্ঠ অনুসূচীত দিয়া বিশেষাধিকাৰ গ্ৰহণ নকৰিলে। মিকিৰ

বোলা আন এক শ্ৰেণীৰ লগত বন্দৱস্তি কৰিছিল। জোটদাৰসকলৰ জৰিয়তে খাজনা সংগ্ৰহ সহজ কৰা হৈছিল। চিৰস্থায়ী বন্দৱস্তি পদ্ধতিত জমিদাৰে আবণ্টন কৰা এনে জোটদাৰ সৰহভাগেই আছিল ব্ৰাহ্মণ-কায়স্থ আদি বৰ্ণহিন্দু সম্প্ৰদায়ৰ তথা সম্ভ্ৰান্ত মুছলমান পৰিয়ালৰ। বহুতো জোটদাৰে জমিদাৰৰ সমকক্ষত থিয় দিছিলহি আৰু এওঁলোকে হাতীমহল, মীনমহল আদি ডাকত লৈছিল। ঊনবিংশ শতিকাৰ অসমৰ শিক্ষিত, চাকৰি-বাকৰি আদিত অগ্ৰাধিকাৰ লাভ কৰা শ্ৰেণীটো এই জমিদাৰ বা আহোম ৰাজত্বৰ সময়ত শীৰ্ষ পদবীত থকা লোকসকলৰ পৰাই উদ্ভৱ হৈছিল।

ইংৰাজে প্ৰচলন কৰা ভূমি ব্যৱস্থাৰ প্ৰধান লক্ষ্য আছিল সৰ্বোচ্চ পৰিমাণে খাজনা আদায় কৰা। ইংৰাজ শাসন ভাৰতবৰ্ষত প্ৰৱৰ্তন হোৱাৰ আগতে যিবোৰ মাধ্যম বা বিষয়াৰ জৰিয়তে কৃষকৰ পৰা খাজনা আদায় কৰা হৈছিল, তেনেদৰে খাজনা আদায় কৰাটো অসম্ভৱ হৈ পৰিল। অতিপাত দৰিদ্ৰতা, দুৰ্ভিক্ষ, কৃষিৰ উৎপাদন হ্ৰাস হোৱা আদি কাৰণবোৰৰ বাবে কৃষকসকলে খাজনা দিব নোৱৰা হ'ল। যিহেতু ইংৰাজ প্ৰশাসনে ভাৰত উপনিৱেশৰ পৰা সৰ্বোচ্চ পৰিমাণত ধন সংগ্ৰহ কৰিব বিচাৰিছিল সেইবাবে ভূমি ব্যৱস্থাৰ আমূল পৰিৱৰ্তন অতি প্ৰয়োজনীয় হৈ দেখা দিলে। মনত ৰখা ভাল যে এই পৰিৱৰ্তন প্ৰজা বা ভাৰতীয় কৃষকৰ স্বাৰ্থত কৰা হোৱা নাছিল। ইংৰাজে সূচনা কৰা পৰিৱৰ্তনবোৰৰ দ্বাৰা ব্ৰিটিছশাসিত ভাৰতৰ সমগ্ৰ অঞ্চলতে মূলতঃ তিনিৰকমৰ ভূমি ব্যৱস্থা কৰা হ'ল — (১) বংগদেশৰ বৃহত্তম অংশত (অসমৰ গোৱালপাৰা আৰু চিলেট সামৰি) মাদ্ৰাজ প্ৰদেশৰ কিছুমান অংশত চিৰস্থায়ীভাৱে নিৰ্দিষ্ট হাৰত খাজনা দিব লগাত পৰিল। চৰকাৰে খাজনা নিৰ্দিষ্ট কৰি দিয়াৰ ফলত জমিদাৰসকলে যিমান ইচ্ছা সিমান পৰিমাণত কৰ-কাটল আদায় কৰাৰ অধিকাৰ লাভ কৰিলে। ইংৰাজক দিবলগীয়া টকা সময়মতে দিব নোৱাৰিলে জমিদাৰসকলৰ জমিদাৰী নিলাম কৰি অন্য জমিদাৰক দিব পৰা আইন প্ৰণয়ন কৰা হ'ল। জমিদাৰ আৰু কৃষকৰ মাজত এনে এক

পাহাৰ জিলা আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলা একত্ৰিত হোৱাত প্ৰস্তাৱিত জিলা পৰিষদৰ সংখ্যা এখন কমে। উল্লেখযোগ্য যে সংযুক্ত খাছি জয়ন্তীয়া পাৰ্বত্য জিলা পৰিষদলৈ তিনিজন অখাছি প্ৰতিনিধি মনোনীত কৰাৰ প্ৰতিবাদত খাছি জয়ন্তীয়া ছাত্ৰ ইউনিয়নে উলিওৱা এটা সমদলৰ ওপৰত পুলিচে তিনিবাৰ কন্দুৱা গেছ প্ৰয়োগ কৰে।

২৮ জুন ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত হোৱা বিভিন্ন পৰীক্ষাসমূহত বেছিসংখ্যক ছাত্ৰ-ছাত্ৰী অকৃতকাৰ্য হোৱাৰ কাৰণ নিৰ্ণয় কৰিবলৈ বিশ্ববিদ্যালয়ে কলিকতাৰ বংগবাসী কলেজৰ অধ্যক্ষ আৰু কলিকতা বিশ্ববিদ্যালয় ছিণ্ডিকেটৰ সদস্য পি কে বসুক নিয়োগ কৰে।

৩০ জুন ঃ অসম প্ৰাদেশিক কংগ্ৰেছৰ সভাপতি বিমলাপ্ৰসাদ চলিহাৰ সভাপতিত্বত বহা ৱৰ্কিং কমিটীৰ দুদিনীয়া অধিৱেশনৰ সামৰণি। এই অধিৱেশনে কংগ্ৰেছৰ কাম টনকিয়াল কৰিবৰ কাৰণে কৃষক বিভাগ, মহিলা বিভাগ আৰু যুৱ বিভাগ— এই তিনিভাগত বিভক্ত কৰি প্ৰত্যেক বিভাগৰ তদৰ্থ কমিটীবিলাকৰ সম্পাদক আৰু সম্পাদিকা মনোনীত কৰে। দেবেন্দ্ৰনাথ শৰ্মা কৃষক বিভাগৰ সম্পাদক, কল্যাণী দত্ত মহিলা বিভাগৰ সম্পাদিকা আৰু যুৱ সংগঠন বিভাগৰ সম্পাদক হিচাপে শৰৎ চন্দ্ৰ গোস্বামীক মনোনীত কৰা হয়।

৫ জুলাই ঃ যাদৱ চলিহা অসম লোকসেৱা আয়োগৰ সভাপতি হিচাপে মনোনীত হয়।

● অসমৰ পাক-ভাৰত সীমান্তত গোৱালপাৰা আৰু ৰংপুৰ জিলাৰ (পাকিস্তানৰ) মাজত অস্থায়ীভাৱে এটা সীমাৰেখা নিৰ্ধাৰণ কৰিবৰ কাৰণে পূব বংগ আৰু অসমৰ স্কুল-কলেজৰ ছাত্ৰসকলে ধৰ্মঘট কৰে আৰু চহৰত শোভাযাত্ৰা কাৰ্যসূচী পালন কৰে।

● গুৱাহাটী মহকুমাত ভগনীয়াসকলক পুনৰবসতিৰ কাৰণে ৯,১৪,৭৮২ টকা উদ্যোগ আৰু বাণিজ্য ঋণ আৰু ২,৬৪,২৯৯ টকা কৃষি ঋণ দিয়া হয়। ইয়াৰ উপৰি ১৯৫০ চনত সাম্প্ৰদায়িক সংঘৰ্ষৰ সময়ত অসমৰ পৰা পাকিস্তানলৈ গৈ নেহৰু-লিয়াকৎ চুক্তিৰ পিচত উলটি অহা মুছলমানসকলৰ

পটভূমিতে বহু তৰপৰ মধ্যস্বত্বভোগী মানুহৰ সৃষ্টি হ'ল। সময়মতে খাজনা আদায় দিব নোৱৰা কৃষকসকলক উচ্ছেদ কৰি জমিদাৰে আন মানুহক নিজৰ অধীনত থকা মাটিত বহুৱাইছিল (এনেকুৱা নকৈ বহা সৰহভাগ খেতিয়কে আছিল বংগদেশৰ পৰা প্ৰব্ৰজিত পৰিশ্ৰমী পমুৱা মুছলমান)। খাজনাৰ অতিপাত বৃদ্ধিৰ ফলত তলৰ খাপত অধিক সংখ্যক কৃষকেই ভূমিহীন হৈ পৰিল। নিজৰ খেতি-বাতিৰ খাজনা দিয়াৰ বন্দৱস্ত কৰি মাটিত পট্টন লৈ এক শ্ৰেণী অ-খেতিয়ক মাটিৰ মালিকৰো সৃষ্টি হ'ল।

(২) চিৰস্থায়ী বন্দৱস্তিৰ ফলত জমিদাৰে ইংৰাজক দিব লগা খাজনাতকৈ বহু বেছি পৰিমাণে খাজনা আদায় কৰি লৈছিল। গতিকে ইংৰাজে উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশ, পঞ্জাব, বোম্বাই প্ৰদেশৰ কিছু কিছু অংশ, বংগদেশৰ বাকী অংশ তথা আন কিছুমান অঞ্চলত অস্থায়ী বন্দৱস্ত কৰিলে। এই বন্দৱস্ততো জমিদাৰসকলক মাটিৰ সম্পূৰ্ণ মালিক কৰি এলেকা ভগাই দিয়া হ'ল। প্ৰত্যেক ২০ বছৰ বা ৩০ বছৰৰ অন্তৰে অন্তৰে জমিদাৰসকলে ইংৰাজ চৰকাৰক দিবলগীয়া খাজনাৰ হাৰ বৃদ্ধি কৰাৰ অধিকাৰ চৰকাৰৰ নিজৰ হাতত পৰিল। এই ব্যৱস্থা প্ৰৱৰ্তনৰ ফলত উল্লিখিত এলেকাবোৰত কৃষকৰ ওপৰত শোষণ আৰু অত্যাচাৰ তীব্ৰ হৈ উঠিল। খেতিয়কৰ হাতৰ পৰা মাটিৰ হস্তান্তৰ দ্ৰুত হ'বলৈ ধৰিলে আৰু সৰ্বস্বান্ত হৈ পৰা খেতিয়কসকল বনুৱালৈ ৰূপান্তৰিত হ'ল।

(৩) অসম, সিন্ধু প্ৰদেশ, বেৰাৰ, বোম্বাইৰ বাকী অংশ আৰু মাদ্ৰাজৰ বৃহত্তম অংশত ইংৰাজে চিৰস্থায়ী বা অস্থায়ী বন্দৱস্তত জমিদাৰ সৃষ্টি নকৰি যিকোনো মানুহকে এটা নিৰ্দিষ্ট হাৰৰ খাজনাত মাটি পট্টন দিয়াৰ ব্যৱস্থা কৰিলে। এই ব্যৱস্থাৰ নাম আছিল ৰায়তাৰী বন্দৱস্ত। এই বন্দৱস্ত অনুসৰি মাটিৰ পট্টন লোৱা ৰায়তসকল মাটিৰ মালিক হৈ পৰিল আৰু তেওঁলোকে যিকোনো উপায়ে চৰকাৰক দিবলগীয়া খাজনাখিনি আদায় দিয়াটো বাধ্যতামূলক কৰা হ'ল। মালিকসকলে মাটিৰ ওপৰত নিজৰ খেয়ালখুচি অনুসাৰে যি ইচ্ছা

পুনৰবসতিৰ কাৰণে ১,৪১,২১৭ টকা কৃষি ঋণ দিয়া হয়। সেই সময়পৰ্যন্ত ভগনীয়াক ঋণ দিয়া মুঠ টকাৰ পৰিমাণ হৈছে ১৩,২০,২৯৮ টকা।

১০ জুলাই ঃ অসমৰ পৰিকল্পনা আৰু উন্নয়ন মন্ত্ৰী বৈদ্যনাথ মুখাৰ্জীয়ে এখন বাতৰি যোগনীয়া মেলত অসম চৰকাৰে দুখন ভৈয়ামত আৰু দুখন পাৰ্বত্য অঞ্চলত মুঠ চাৰিখন সমবায় উন্নয়ন পৰিকল্পনা কাৰ্যকৰী কৰিবলৈ লোৱা পদক্ষেপৰ কথা প্ৰকাশ কৰে।

১৮ জুলাই ঃ অসমৰ শিল্পী আৰু বিপ্লৱী কমিউনিষ্ট পাৰ্টীৰ আত্মগোপনকাৰী নেতা বিষ্ণু ৰাভাক গোৱালপাৰা জিলাৰ কোকৰাঝাৰৰ ওচৰৰ চিলামৰাত তেওঁৰ পৰিবাৰ কনকলতা আৰু দুজন সহচৰসহ পুলিচে গ্ৰেপ্তাৰ কৰে।

২৪ জুলাই ঃ অসমত মাধ্যমিক শিক্ষাৰ পুনৰ সংগঠনৰ অৰ্থে আগতীয়া ব্যৱস্থা ল'বলৈ অসম চৰকাৰে স্পেচিয়েল অফিচাৰৰ এটা পদ সৃষ্টি কৰি অসমৰ স্কুলসমূহৰ ইন্সপেক্টৰ সুৰেশচন্দ্ৰ ৰাজখোৱাক উক্ত পদত অধিষ্ঠিত কৰে।

১ আগষ্ট ঃ অসম বিধানসভাই ১৯৪৮ চনত গ্ৰহণ কৰা ইষ্টেট মেনেজমেণ্ট এক্টখন অবৈধ নহয় বুলি অসম হাইক'ৰ্টে ৰায় প্ৰদান কৰে। উল্লেখযোগ্য যে গোৱালপাৰা জিলাৰ জমিদাৰী কেইখনৰ ওপৰত ইষ্টেট মেনেজমেণ্ট এক্ট প্ৰয়োগ কৰি চৰকাৰৰ হাতলৈ আনিবলৈ লোৱাত জমিদাৰসকলে আপত্তি কৰি অসম হাইক'ৰ্টত আইনৰ বৈধতাৰ প্ৰশ্ন তুলি গোচৰ দাখিল কৰিছিল।

৪ ছেপ্টেম্বৰ ঃ অসম বিধানসভাত স্বায়ত্তশাসন মন্ত্ৰী আব্দুল মতলিব মজুমদাৰে উত্থাপন কৰা স্থানীয় স্বায়ত্ত শাসন বিল (১৯৫২) ৯জনীয়া সদস্যৰে গঠিত বাছনি কমিটীলৈ প্ৰেৰণ কৰা হয়। ৯জন সদস্যই বিতৰ্কত অংশগ্ৰহণ কৰে। বিলখন জনমতৰ কাৰণে প্ৰচাৰ কৰিব লাগে বুলি বিৰোধীদলৰ সদস্য ৰণেন্দ্ৰমোহন দাসে দাঙি ধৰা সংশোধনী প্ৰস্তাৱ ৬১-১২ ভোটত অগ্ৰাহ্য হয়।

৬ ছেপ্টেম্বৰ ঃ পাঁচ বছৰীয়া পৰিকল্পনাত অসমলৈ কেন্দ্ৰীয় চৰকাৰৰ ১১ কোটি টকা দিয়াৰ সিদ্ধান্ত গ্ৰহণ।

তাকে কৰাৰ অধিকাৰ লাভ কৰিলে। খাজনা দিব নোৱাৰিলে ৰায়তৰ মাটি কাঢ়ি অন্য ৰায়তক দি দিয়াৰ অধিকাৰ চৰকাৰে নিজৰ হাতত ৰাখি থ'লে।

জমিদাৰী প্ৰথাৰ বিৰুদ্ধে আন্দোলন

জমিদাৰ-ৰায়ত, জমিদাৰ-জোটদাৰ আৰু জোটদাৰ-ৰায়ত এইকলৰ মাজত সংঘাত প্ৰথমৰে পৰা আছিল। কিন্তু এই সম্পৰ্কবোৰৰ শীৰ্ষ স্তৰত প্ৰভুৰ মৰ্যাদা পাইছিল জমিদাৰসকলে আৰু এনে সামন্ত প্ৰভুসকলৰ কৃপাতহে জোটদাৰ বা ৰায়তৰ স্বত্ব বাহাল ৰৈছিলগৈ। জোটদাৰ আৰু ৰায়ত পক্ষৰ মূল দাবী আছিল আইনৰ যোগেদি চিৰাচৰিত ৰায়তী স্বত্বৰ সংৰক্ষণ আৰু সম্প্ৰসাৰণ, খাজনা বৃদ্ধিৰ সীমা বান্ধি দিয়া, অবৈধ কৰ আদায় বন্ধ কৰা ইত্যাদি। ১৯০৩ চনত বিজনীৰ প্ৰজা পক্ষৰ পৰা জমিদাৰৰ অত্যাচাৰৰ বিৰুদ্ধে চৰকাৰলৈ বহুকেইখন দৰখাস্ত প্ৰেৰণ কৰা হৈছিল। মেচপাৰাৰ প্ৰজাপক্ষৰ পৰা একে বছৰতে পঠোৱা দৰখাস্ত আছিল জমিদাৰে খাজনাৰ ৰচিদ নিদিয়া, অবৈধভাৱে কৰ আদায় কৰা আদিৰ বিৰুদ্ধে। মেচপাৰাৰ অধিবাসী ৰায়ত আৰু জোটদাৰ উভয়ে ১৮৮৫ বংগীয় প্ৰজাস্বত্ব আইনখন অসমলৈ সম্প্ৰসাৰণ কৰাৰ দাবী তুলিছিল। চাপৰৰ জমিদাৰে পূৰ্ব বংগৰ পৰা অহা লোকসকলৰ সৈতে সকলো অনাবাদী মাটিৰ বন্দৱস্ত কৰাৰ বাবে ইয়াৰ প্ৰজাসকলৰ মাজত অসন্তোষে দেখা দিছিল।

ভূমি সংস্কাৰৰ প্ৰশ্নটো অসম বিধান পৰিষদ বা ব্যৱস্থা পৰিষদৰ মজিয়াত ১৯২৫ চনত আবুয়াল মজিদ জিয়া-উচ-ছামাছে দাঙি ধৰিছিল। প্ৰজাৰ অনুকূল ভূমি সংস্কাৰৰ বাবে প্ৰয়োজনীয় পৰামৰ্শ দাঙি ধৰিবলৈ এখন কমিটী গঠন কৰাৰ তেওঁ প্ৰস্তাৱ দাঙি ধৰিছিল। তদুপৰি এককালীন খাজনা বৃদ্ধিৰ চুক্তি পঞ্জীয়ন যাতে বাধ্যতামূলক কৰা হয় তাৰ বাবে প্ৰচলিত আইনৰ সংশোধন কৰাটো তেওঁ বিচাৰিছিল। ১৯২৯ চনত গৃহীত গোৱালপাৰা প্ৰজাস্বত্ব আইনৰ কবলত ১২ বছৰ একাদিক্ৰমে মাটি দখল কৰি থকা ৰায়ত আৰু

১০ ছেপ্টেম্বৰ ঃ মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ ছিনেট ভৱনত ৬ আৰু ৭ ছেপ্টেম্বৰত অনুষ্ঠিত আন্তঃবিশ্ববিদ্যালয় ব'ৰ্ডৰ স্থায়ী কমিটীৰ বিশেষ সভাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য কৃষ্ণকান্ত সন্দিকৈয়ে সভাপতিত্ব কৰে।

- ভূমিকম্প বিধ্বস্ত উত্তৰ-পূব সীমান্ত এজেঞ্চিৰ মিচিমি পাৰ্বত্য জিলাৰ সদৰ কাৰ্যালয় শদিয়াৰ পৰা তেজুলৈ স্থানান্তৰ কৰাৰ চৰকাৰী ঘোষণা দিয়া হয়।

১২ ছেপ্টেম্বৰ ঃ অসম বিধানসভাত অসম বিক্ৰী কৰ (সংশোধনী) বিল ১৯৫২ সম্পৰ্কত সদস্যসকলৰ ভোটগ্ৰহণ কৰিব লগা হয়। বিত্ত মন্ত্ৰী মতিৰাম বৰাই এই বিলখন আলোচনাৰ কাৰণে অনুমোদন বিচাৰি প্ৰস্তাৱ উত্থাপন কৰে। বিৰোধী দলৰ কমিউনিষ্ট সদস্য গৌৰীশংকৰ ভট্টাচাৰ্যই বিলখন জনমতৰ কাৰণে প্ৰচাৰ কৰিব লাগে বুলি সংশোধনী প্ৰস্তাৱ উত্থাপন কৰে। তুমুল বিতৰ্কৰ পিচত প্ৰস্তাৱটো ভোটলৈ দিয়াত নাকচ হয়। সংশোধনী প্ৰস্তাৱটোৰ সপক্ষে ১৫জনে আৰু বিপক্ষে ৬৬জনে ভোট দিয়ে। সেয়েহে মূল প্ৰস্তাৱটো গৃহীত হয়।

- খাছিয়া জয়ন্তীয়া পাহাৰ, গাৰো পাহাৰ আৰু লুছাই পাহাৰৰ সীমান্ত এলেকাত বাস কৰা লোকসকলৰ দুখ-দুৰ্দশা উপশম কৰিবলৈ অসম চৰকাৰে লোৱা পদক্ষেপসমূহ এক প্ৰেছ বিজ্ঞপ্তিত প্ৰকাশ পায়।

১৩ ছেপ্টেম্বৰ ঃ অসম বিধানসভাত আবকাৰী মন্ত্ৰী ৰেভাৰেণ্ড জে জে নিকল্‌ছ ৰয়ে উত্থাপন কৰা অসম মদ নিবাৰণী বিল ১৯৫২ গৃহীত হয়। কামৰূপ জিলাৰ বৰপেটা মহকুমাত মদৰ উৎপাদন, আমদানি, বিক্ৰী, পৰিবহণ, ৰখা আৰু খোৱা নিষিদ্ধ কৰি অসমত প্ৰণয়ন কৰা এইখনেই প্ৰথম আইন।

১৮ ছেপ্টেম্বৰ ঃ কেন্দ্ৰীয় চৰকাৰে পঠোৱা বিশেষজ্ঞ দলৰ সকলো পৰামৰ্শ কাৰ্যকৰী কৰিবৰ বাবে অসম চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰাক লৈ এক প্ৰেছ বিজ্ঞপ্তি প্ৰকাশ পায়। এই পৰামৰ্শসমূহৰ ভিতৰত বিশেষকৈ বানপানীয়ে শস্য আৰু যাতায়াতৰ ক্ষতি কৰাৰ প্ৰতিৰোধৰ কাম হাতত

চুকানিদাৰৰ দখলস্বত্ব সুস্থিৰ হ'ল। ১৯৩৬ আৰু ১৯৪৩ চনৰ সংশোধনীৰ জৰিয়তে এই আইনখন প্ৰজাৰ অনুকূলে গঢ়ি তোলা হ'ল যদিও আধিয়াৰ, আধি হালোৱা, কৃষি-শ্ৰমিক আদিৰ অধিকাৰৰ প্ৰসংগটো বিধানমণ্ডলীৰ দৃষ্টিৰ বাহিৰতে থাকি গ'ল। জমিদাৰী প্ৰথাৰ উচ্ছেদৰ দাবীটোও ৰাজনৈতিক কাৰণত ১৯৪০ চনপৰ্যন্ত বিধানমণ্ডলীত উত্থাপন নহ'ল। সমগ্ৰ ভাৰতৰ কংগ্ৰেছ দলটিত জমিদাৰসকলে ব্যাপক আধিপত্য অব্যাহত ৰাখিছিল বাবে জমিদাৰবিৰোধী বা জমিদাৰী উচ্ছেদৰ দাবীটো কংগ্ৰেছৰ ভিতৰত সবলভাৱে উত্থাপিত হোৱা নাছিল। কমিউনিষ্ট দলৰ উত্থান আৰু কংগ্ৰেছ সমাজতান্ত্ৰিকসকলৰ তৎপৰতাতহে পৰৱৰ্তী সময়ত জমিদাৰবিৰোধী আন্দোলনে শক্তিশালী ৰূপ গ্ৰহণ কৰিব পাৰিছিল।

অসমত কৃষক সভা গঠন তথা কমিউনিষ্ট দলৰ সম্প্ৰসাৰণ হোৱাৰ পিচত জমিদাৰী উচ্ছেদৰ দাবীত আন্দোলন তীব্ৰ হৈ উঠে। ১৯৪৬ চনত অন্ধ্ৰ প্ৰদেশ, বেংগল, কেৰালা, পঞ্জাবৰ পেপচু ৰাজ্যৰ কৃষকে জংগী আন্দোলন আৰম্ভ কৰে। এনে পৰিপ্ৰেক্ষিতত স্বাধীন ভাৰত চৰকাৰে জমিদাৰী বিলোপ বা মধ্যস্বত্ব বিলোপৰ বিষয়টো অধ্যয়ন কৰাৰ বাবে এখন প্ৰতিবেদন প্ৰস্তুত কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰে। প্ৰখ্যাত গান্ধীবাদী অৰ্থনীতিবিদ জে চি কুমাৰাপ্পাক লৈ গঠিত এখন আয়োগৰ দ্বাৰা ভূমিসংস্কাৰৰ বিষয়টো তন্নতন্নকৈ পৰ্যালোচনা কৰা হয় আৰু ১৯৪৯ চনত আয়োগে ইয়াৰ প্ৰতিবেদনত মধ্যস্বত্বভোগী (জমিদাৰী) প্ৰথা বিলোপৰ প্ৰতি অনুমোদন জনায়। ইয়াৰ পিচতেই কেন্দ্ৰীয় চৰকাৰে জমিদাৰী প্ৰথা বিলোপৰ সিদ্ধান্ত গ্ৰহণ কৰি ৰাজ্য চৰকাৰসমূহক ভূমি সংস্কাৰ আইন প্ৰণয়নৰ কথা কৈছিল। ইয়াৰ আগতে ১৯৪৮ চনৰ জানুৱাৰী মাহত অসম চৰকাৰৰ ফালৰ পৰা জমিদাৰী প্ৰথা উচ্ছেদ সম্পৰ্কে এলানি প্ৰশ্নাৱলী বাতৰিকাকতত প্ৰকাশ পাইছিল। জমিদাৰী প্ৰথা তুলি দিয়া সম্পৰ্কে জনসাধাৰণৰ মতামত জানিবৰ উদ্দেশ্যেৰে অসম চৰকাৰৰ তৰফৰ পৰা প্ৰশ্নসমূহ প্ৰচাৰ কৰা হৈছিল। মাটি বন্দৱস্তি নীতিৰ সংশোধন বিষয়ৰ

ল'বলৈ কোৱা হয়। বিশেষজ্ঞ দলে ডিব্ৰুগড় নগৰ ৰক্ষাৰ বিষয়ত চাৰি মাইল দীঘল শিলৰ দেৱাল বন্ধাই একমাত্ৰ প্ৰতিৰোধক ব্যৱস্থা বুলি অভিমত প্ৰকাশ কৰে। এই কামত প্ৰায় ১ কোটি টকা খৰচ হ'ব বুলি অনুমান কৰা হয়।

১৯ ছেপ্টেম্বৰ ঃ অসম বিধানসভাত বিনিয়োগ বিল আৰু আধিয়াৰ সংৰক্ষণ আৰু নিয়ন্ত্ৰণ বিল গৃহীত হয়। সভাই অসম বিনিয়োগ বিলৰ শিতানত অনুদানৰ বাবে ৮৬,৫৩,৮৫৬ টকা মঞ্জুৰ কৰে।

● অসম, পশ্চিম বংগ আৰু পূব বংগৰ মুখ্য সচিবসকলৰ মাজত হোৱা আলোচনাৰ সিদ্ধান্তৰ বিৰুদ্ধাচৰণ কৰি পাকিস্তান চৰকাৰে গোৱালপাৰা জিলাৰ সীমান্তত নতুনকৈ বহিঃকোঠ স্থাপন কৰে।

২০ ছেপ্টেম্বৰ ঃ অসমৰ ৰাজ্যপাল জয়ৰামদাস দৌলতৰামে ৰাজভৱনৰ দৰবাৰ হলত অসমৰ সংগীত নাটক একাডেমী উদ্বোধন কৰে।

২১ ছেপ্টেম্বৰ ঃ গুৱাহাটীত কিষাণ মজদুৰ প্ৰজা পাৰ্টীৰ অসম ৰাজ্যিক কাউঞ্চিলৰ অধিৱেশন অনুষ্ঠিত হয়। এই অধিৱেশনত কাউঞ্চিলে ঘাইকৈ কিষাণ মজদুৰ প্ৰজা পাৰ্টী আৰু ছচিয়েলিষ্ট পাৰ্টীৰ একত্ৰীকৰণ সম্পৰ্কে আলোচনা কৰে। কংগ্ৰেছৰ শক্তিশালী প্ৰতিদ্বন্দ্বী হিচাপে প্ৰতিষ্ঠিত হ'বৰ হ'লে নতুন দলটোৱে নিঃস্বাৰ্থভাৱে জনসাধাৰণৰ সেৱাত আত্মনিয়োগ কৰা উচিত বুলি কাউঞ্চিলে মতপোষণ কৰে। ছেপ্টেম্বৰ মাহৰ ২৬, ২৭ আৰু ২৮ তাৰিখে মুম্বাইত বহিব লগা ছচিয়েলিষ্ট আৰু কিষাণ মজদুৰ প্ৰজা পাৰ্টীৰ যুটীয়া সন্মিলনত উত্থাপন কৰিবৰ বাবে কাউঞ্চিলে পাৰ্টীৰ কেন্দ্ৰীয় অফিচলৈ কিছু পৰামৰ্শ আগবঢ়ায় আৰু দুয়োটা লগ লগাৰ পিচত যুটীয়া নাম 'প্ৰজা ছচিয়েলিষ্ট'ৰ সলনি এটা সম্পূৰ্ণ নতুন নামকৰণ কৰাৰ অনুকূলে কাউঞ্চিলে মত প্ৰকাশ কৰে।

২৩ ছেপ্টেম্বৰ ঃ ৰাজ্যপাল জয়ৰামদাস দৌলতৰামে শিৱসাগৰ জয়াতীৰ্থত শিৱসাগৰ কলেজ উদ্বোধন কৰে।

২৫ ছেপ্টেম্বৰ ঃ অসম আৰু পূব পাকিস্তানৰ ডিভিজনেল কমিছনাৰ দুজনৰ

লগত স্বাৰ্থ জড়িত থকা অনুষ্ঠানসমূহৰ মুখিয়াল মানুহ, বাতৰিকাকত আদিয়ে এই প্ৰশ্নাৱলী সম্পৰ্কে তেওঁলোকৰ মতামতসমূহ প্ৰেৰণ কৰিব পাৰিব বুলি উক্ত বিবৃতিত কোৱা হৈছিল। প্ৰশ্নাৱলীসমূহৰ কিয়দংশ আছিল এনেধৰণৰ—

(১) চিৰস্থায়ী বন্দৱস্ত উচ্ছেদ সম্পৰ্কে আপোনাৰ মতামত কি?

(২) চিৰস্থায়ী বন্দৱস্ত উচ্ছেদ কৰিব লগা হ'লে খেতিয়ক আৰু ৰাষ্ট্ৰৰ মধ্যৱৰ্তী লোকসকলৰ কি কি ক্ষমতা ৰাষ্ট্ৰই অধিকাৰ কৰিব লাগিব?

(৩) অস্থায়ী বন্দৱস্তি অঞ্চলটোত জমিদাৰী প্ৰথা উচ্ছেদ কৰা উচিত বুলি আপুনি ভাবেনে?

(৪) এনেধৰণৰ খাজনা গ্ৰহণ কৰা সকলো মানুহকে মধ্যৱৰ্তী বুলি ধৰি উচ্ছেদ কৰিব লাগে নে তেওঁলোকৰ মাজতো কোনো ব্যতিক্ৰম থাকিব লাগে? যদি ব্যতিক্ৰম থাকিব লাগে তেনেহ'লে তাৰ বিৱৰণ আৰু সপক্ষে যুক্তি দিব।

(৫) যদি আপুনি সকলো খাজনা গ্ৰহণকাৰীকেই উচ্ছেদ কৰিব খোজে, তেনেহ'লে বিধৱা, নাবালক, অকৰ্মঠ মানুহ, বিশেষকৈ খেতিয়ক শ্ৰেণীৰ ভিতৰত থকা এইবিলাক মানুহৰ কাৰণে কিবা বিশেষ বন্দৱস্ত কৰিব খোজে নেকি?

(৬) মধ্যৱৰ্তী মানুহসকলৰ মাটি-বাৰী চৰকাৰে দখল কৰিবলৈ লগা হ'লে (ক) কি নীতিৰ ওপৰত ভিত্তি কৰি আপুনি প্ৰত্যেকজন মধ্যৱৰ্তী মানুহৰ সা-সম্পত্তি নিৰ্ণয় কৰিব? (খ) এনে সম্পত্তিৰ বাবে কেনে নিৰিখত ক্ষতিপূৰণ দিব লাগিব? ফ্লাউড কমিছনে অনুমোদন কৰা মতে এটা সাধাৰণ নিৰিখতে ক্ষতিপূৰণ দিয়াটো আপুনি অনুমোদন কৰেনে? নাইবা মুঠ সম্পত্তিৰ আকাৰৰ 'ব্যস্ত অনুপাত' অনুসৰি 'খণ্ড প্ৰথা' মতে মুঠ সম্পত্তিৰ নিৰ্দিষ্ট গুণিতকৰ ওপৰত ক্ষতিপূৰণৰ হিচাপ উলিয়াব লাগিব নেকি? গুণিতক নাইবা ক্ৰমানুপাতিক গুণিতক কেনেভাৱে ধৰিব লাগিব? (গ) ক্ষতিপূৰণ দিয়াৰ নিয়ম কেনে হোৱা উচিত? একেবাৰতে সম্পূৰ্ণ ক্ষতিপূৰণ দিয়া উচিত নে

মাজত শ্বিলঙত হোৱা পাঁচদিনীয়া সন্মিলনৰ অন্তত অসম আৰু পূব পাকিস্তান চৰকাৰে দৈখোৱাৰচৰ, ছালাপাৰা আৰু নীলখেৰীয়া অঞ্চলত স্থাপন কৰা সকলো চকী আৰু সশস্ত্ৰ বাহিনীৰ শিবিৰ ১৯৫২ চনৰ ১০ অক্টোবৰৰ আগতে গুচাই অনা আৰু তাত থকা ঘৰ-বাৰীসমূহ ভাঙি পেলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

৫ অক্টোবৰ ঃ অসমত প্ৰজা ছচিয়েলিষ্ট পাৰ্টীৰ তদৰ্থ কমিটী নিয়োগ ঃ নৱগঠিত প্ৰজা ছচিয়েলিষ্ট পাৰ্টীৰ ৰাষ্ট্ৰীয় কাৰ্যপালিকাৰ নিৰ্দেশানুযায়ী ৰাষ্ট্ৰীয় কাৰ্যপালিকাৰ সদস্য হলধৰ ভূএগ্ৰা, হৰেশ্বৰ গোস্বামীয়ে পাৰ্টীৰ অসম শাখাৰ কাৰণে ১৯জন সভ্যক লৈ প্ৰাদেশিক তদৰ্থ কমিটী নিয়োগ কৰে আৰু কমিটীৰ সদস্য আৰু বিষয়ববীয়াসকলৰ নাম ঘোষণা কৰে। চেয়াৰমেন হলধৰ ভূএগ্ৰা, প্ৰাদেশিক সম্পাদক বিপিন পাল দাস, নিবাৰণ চন্দ্ৰ বৰা, মহেন্দ্ৰ হাজৰিকা, বংশী দত্ত, যোগেন্দ্ৰ নাথ শইকীয়া, শংকৰ চন্দ্ৰ বৰুৱা, ৰূপৰাম সুত, মহীচন্দ্ৰ বৰা, হৰেশ্বৰ গোস্বামী, হেমকান্ত বৰুৱা, ৰবীন্দ্ৰ নাথ নবীশ, কামাখ্যাৰাম বৰুৱা, উমাকান্ত শৰ্মা, তৈয়ব আলী, সুবোধ ৰয়, কৃষ্ণ সিং, ৰণেন্দ্ৰমোহন দাস আৰু এল আচাও সিং।

৭ অক্টোবৰ ঃ অসমত প্ৰথম পাক-ভাৰত পাৰপত্ৰ প্ৰদান ঃ অসম আৰু পূব বংগৰ মাজত চলাচলৰ অৰ্থে প্ৰথম দুখন পাৰপত্ৰ কামৰূপ জিলাৰ পাৰপত্ৰ বিষয়াই প্ৰদান কৰে। পূব বংগলৈ যাব খোজা এজন হিন্দু আৰু তেওঁৰ পৰিবাৰক এই পাৰপত্ৰ প্ৰদান কৰা হয়।

২০ অক্টোবৰ ঃ অসমৰ পাৰ্বত্য অঞ্চলৰ অৱস্থা সম্পৰ্কে তথ্যপাতি সংগ্ৰহ কৰি তাক কাৰ্যত পৰিণত কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ সাদিনীয়া অসম ভ্ৰমণ।

২১ অক্টোবৰ ঃ দৰং জিলাৰ চাৰিদুৱাৰত অনুষ্ঠিত জনজাতীয় লোক আৰু চাহ বাগিচাৰ বনুৱাৰ এখন ৰাজহুৱা সভাত প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে অংশগ্ৰহণ কৰে।

২৯ অক্টোবৰ ঃ সন্মিলিত খাছীয়া জয়ন্তীয়া পাহাৰ জিলাৰ অন্যতম ৰাজনৈতিক দল খাছিয়া জয়ন্তীয়া

কেইবাবছৰো ধৰি ক্ষতিপূৰণ দিয়া উচিত? একেলগে ক্ষতিপূৰণ দিবলগীয়া হ'লে প্ৰাদেশিক ঋণৰ দ্বাৰা যৌথ কাৰবাৰ কৰি ডাঙৰ পুঁজি গঠন কৰোতে মুদ্ৰা নীতিৰ ওপৰত কেনে ধৰণৰ প্ৰতিক্ৰিয়া হ'ব পাৰে সেই বিষয়ে আলোচনা কৰিব পাৰিব আৰু কেইবাবছৰো ধৰি ক্ষতিপূৰণ দিবলগীয়া হ'লে কেই বছৰত ক্ষতিপূৰণ দি শেষ কৰিব লাগে তাক উল্লেখ কৰিব পাৰিব।

(৭) মধ্যৱৰ্তী লোকসকলৰ সকলোখিনি মাটি-বাৰী চৰকাৰে হস্তগত কৰিবলগীয়া হ'লে জমিদাৰসকল, বিশেষকৈ সৰু-সুৰা জমিদাৰসকল, তেওঁলোকৰ পৰিয়াল আৰু তেওঁলোকৰ সাহায্যত পোহপাল যোৱা লোকসকল আৰু জনসংখ্যাৰ এটা বিৰাট অংশ হিচাপে থকা ডাঙৰ জমিদাৰসকলৰ কৰ্মচাৰীসকলক জমিদাৰী প্ৰথা উচ্ছেদৰ পৰৱৰ্তী আঁচনিত কেনেকৈ সামৰি ল'ব পৰা হয় তাৰ দিহা দিব।

(৮) (ক) জমিদাৰী প্ৰথা উচ্ছেদ আঁচনিৰ পৰা ধৰ্ম সম্পৰ্কীয় কাম, দাতব্য আৰু শিক্ষা দিয়া উদ্দেশ্যত নিয়োগ হোৱা দেৱোত্তৰ, ৱাক্‌ফ আৰু আন আন মাটি-বাৰী বাদ দিয়া আৰু আগৰ দৰে চলাই থাকিবলৈ দিয়া উচিত বুলি ভাবেনে? (খ) ফ্লাউড কমিছনে এইদৰে অনুমোদন কৰিছে— 'চৰকাৰে যদি দেৱোত্তৰ, ৱাকফ আদি মাটি হস্তগত কৰিব লগা হয় তেনেহ'লে মাটি হস্তগত কৰিবৰ সময়ত যিখিনি টকা চৰকাৰে দিব সেই পৰিমাণে টকা চৰকাৰে দি থাকিব লাগিব।'

দেৱোত্তৰ, ধৰ্মোত্তৰ বা আন ট্ৰাষ্ট সম্পত্তিৰ কাৰণে যদি কিবা বিশেষ আয়োজন কৰিব খোজে তেনেহ'লে বাস্তৱ পৰামৰ্শ দিব।

(৯) বহুতো ধন-সোণ খৰচ কৰি আৰু উত্তৰাধিকাৰ সূত্ৰে জমিদাৰী অধিকাৰ পোৱাসকলৰ মাজত কিবা পাৰ্থক্য কৰিব খোজে নেকি? গাইগুটীয়া অধিকাৰ আৰু বেংক আদি অনুষ্ঠানবোৰৰ অধিকাৰৰ মাজত কিবা পাৰ্থক্য ৰখা উচিত হ'ব বুলি ভাবেনে?

(১০) কোনো মধ্যৱৰ্তী লোকৰ মাটি-বাৰী বন্ধকত থাকিলে সেই

নেচনেল কনফাৰেন্সৰ তৰফৰ পৰা ভাৰত চৰকাৰৰ ওচৰত ভাৰতৰ সংবিধানৰ ষষ্ঠ অনুসূচীৰ সংশোধনৰ অৰ্থে ভাৰত চৰকাৰৰ ওচৰত এখন স্মাৰকপত্ৰ প্ৰদান কৰা হয়। এই স্মাৰকপত্ৰত কোৱা হয় যে খাছিয়া ৰাজ্যসমূহ সন্মিলিত খাছিয়া জয়ন্তীয়া জিলাৰ লগত চামিল হোৱাত আৰু সংবিধানৰ পাণ্ডুলিপি প্ৰায় শেষ হোৱাৰ সময়ত এই গোটেই জিলাখন ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত কৰাত তথা ভাৰতৰ গণ পৰিষদে অসমৰ বহিৰ্ভূত আৰু আংশিক বহিৰ্ভূত অঞ্চলৰ কাৰণে গঠন কৰা ছাব-কমিটীয়ে খাছিয়া পাহাৰৰ সৰু সৰু ৰাজ্যসমূহৰ আৰ্থিক সমস্যাসমূহ আলোচনা কৰিবলৈ সুবিধা নোপোৱা হেতুকে (ৰাজ্যখনলৈ প্ৰধানমন্ত্ৰী অহা সময়ছোৱাত) এনে ৰাজ্যবোৰৰ ৰাজহৰ থল কেইটামান বিবেচনা কৰা নহ'ল। সেইবাবেই অনুৰোধ জনোৱা হয় যে সংবিধানৰ ষষ্ঠ অনুসূচীৰ সংশোধন কৰি পূৰ্বৰ খাছিয়া ৰাজ্যসমূহে পোৱা কৰ-কাটল জিলা পৰিষদক দিয়াৰ ব্যৱস্থা কৰিব লাগে।

বন্ধক বা ধাৰ কি উপায়েৰে নাইকিয়া কৰিব লাগিব? চৰকাৰে দিয়া ক্ষতিপূৰণ মধ্যৱৰ্তী আৰু বন্ধক ৰাখোঁতাৰ মাজত বিলাই দিব খোজে নেকি? মধ্যৱৰ্তী লোকৰ মাটি-বাৰীৰ বাবে চৰকাৰে দিবলগীয়া ক্ষতিপূৰণ বন্ধকৰ সৈতে প্ৰায় সমান বা বেছি হ'লে কি ব্যৱস্থা কৰা হ'ব?

(১১) উৎপন্ন আৰু কৃষি বিষয়ত পাৰদৰ্শিতা বৃদ্ধিৰ কাৰণে আৰু সাধাৰণ ৰায়ত আৰু মাটিহীন বনুৱাৰ উন্নতিৰ কাৰণে কেনেধৰণৰ ব্যৱস্থা ল'বলৈ আপুনি দিহা দিয়ে?

(১২) (ক) একোজন মানুহৰ ভাগত বিজ্ঞানসন্মত ন্যূনতম মাটিৰ পৰিমাণ কিমান হোৱা উচিত? মাটিৰ গুণাগুণ আৰু আন আন কাৰণৰ বাবে এই পৰিমাণ ঠায়ে ঠায়ে বেলেগ হোৱা উচিত নেকি?

(খ) মাটি-বাৰী যাতে আৰু বেছি ভাগ ভাগ নোহোৱাকৈ ৰাখিব পৰা যায় আৰু বৰ্তমানে থকা আৰ্থিক মানৰ পৰা যথেষ্ট নহয় বুলি গণ্য হোৱা মাটি-বাৰী একত্ৰিত কৰিবলৈ আপুনি কি দিহা দিয়ে?

(গ) অৰ্থনীতিসন্মত নোহোৱা মাটি-বাৰীৰ ভাগ ভাগ বন্ধ কৰিবলৈ বাধা-নিষেধ নোহোৱা মাটি হস্তান্তৰ নিয়ন্ত্ৰণৰ আপুনি পক্ষপাতীনে? বাস্তৱ পৰামৰ্শ পঠাব।

(১৩) (ক) মধ্যৱৰ্তী লোকসকলৰ মাটি-বাৰীত থকা অধিকাৰ গ্ৰহণ কৰাৰ পিচত যদি মাটি হস্তান্তৰ কৰা আৰু ভাৰা দিয়া বন্ধ কৰা নহয় তেনেহ'লে জমিদাৰী প্ৰথাৰ পুনৰ অভ্যুদয় হ'ব। আকৌ ৩০ বা ৪০ বছৰৰ পিচত মধ্যৱৰ্তী লোকসকলৰ অধিকাৰ চৰকাৰে গ্ৰহণ কৰাৰ আৱশ্যক হ'ব। সেইটো বন্ধ কৰিবলৈ আপুনি কি পৰামৰ্শ দিয়ে? (খ) মাটি হস্তান্তৰ আৰু ভাৰাত দিয়া সম্পৰ্কে কি বাধা-নিষেধ আৰোপ কৰিব খোজে?

(১৪) আপুনি যদি ৰূপিত মাটিৰ হস্তান্তৰ অকল প্ৰকৃত খেতিয়কসকলৰ মাজতেই আবদ্ধ ৰাখিব খোজে তেন্তে আজিৰ খেতিয়ক এজনে ভৱিষ্যতে খেতি এৰি দিলে আপুনি কি ব্যৱস্থা কৰিব?

১৯৫৩

২ জানুৱাৰী ঃ ন্যূনতম মজুৰি আইনৰ অধীনত অসম চৰকাৰে চাহ উদ্যোগ সম্পৰ্কত দহজনীয়া উপদেষ্টা কমিটী এখন গঠন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। চাহ উদ্যোগৰ পৰিস্থিতি দৃষ্টিগোচৰত ৰাখি উদ্যোগ সম্বন্ধে পৰ্যালোচনা কৰি মজুৰিৰ হাৰ আৰু বাগিচাৰ বনুৱাৰ ক্ষেত্ৰত কামত লগাব পৰা আন আন সুযোগ-সুবিধাৰ কথা বিবেচনা কৰায়েই হৈছে এই উপদেষ্টা কমিটী গঠনৰ মূল উদ্দেশ্য। এই কমিটীত বনুৱাৰ ফালৰ পৰা ৫জন আৰু উদ্যোগৰ ফালৰ পৰা ৫জন লোক লোৱা হ'ব। বনুৱাৰ সদস্যকেইজন ভাৰতীয় জাতীয় ট্ৰেড ইউনিয়ন কংগ্ৰেছৰ মনোনীত লোক হ'ব। উদ্যোগৰ তৰফৰ পৰা উৎপাদকৰ বিভিন্ন সন্থাই সদস্য মনোনীত কৰিব। ভাৰতীয় চাহ সন্থাই ৩জন, অসম বেংগল চাহ খেতিয়ক সন্থাৰ এজন আৰু অসম চাহ খেতিয়ক সন্থাৰ এজন সদস্য থাকিব।

৩ জানুৱাৰী ঃ বিশ্ব বজাৰত চাহৰ দাম পৰাৰ ফলত দুৰ্যোগ অতিক্ৰম কৰিবৰ নিমিত্তে চাহ বাগিচাসমূহৰ কৰ্মীসকলে ক্ৰয় মূল্যতে তেওঁলোকৰ খাদ্যসম্ভাৰ কিনিবলৈ সন্মতি প্ৰদান কৰি অসম চাহ মজদুৰ সংঘ, অসম চাহ বনুৱা সন্থা আৰু আন পক্ষত অসম বেংগল ভাৰতীয় চাহ মালিক সন্থা আৰু অসম চাহ মালিক সন্থাৰ মাজত হোৱা এক চুক্তিত দুয়োপক্ষই স্বাক্ষৰিত কৰে। এই চুক্তি অনুসৰি এই মূল্যৰ পাৰ্থক্যৰ ক্ষতিপূৰণ চাহৰ দাম উঠিলে চৰকাৰৰ দ্বাৰা নিয়োজিত এখন ন্যায়িক ব'ৰ্ডৰ দ্বাৰা আদায়ৰ দিহা কৰা হ'ব। এই দ্বিপাক্ষিক চুক্তি শিৱসাগৰ জিলাৰ উপায়ুক্তৰ সভাপতিত্বত বহা এখন সন্মিলনত গ্ৰহণ কৰা হয় আৰু ১৯৫৩ চনৰ পহিলা জানুৱাৰীৰ পৰা বলবৎ কৰাৰ এক চৰকাৰী ঘোষণা কৰা হয়। অসম বেংগল ভাৰতীয় চাহ মালিক সন্থাৰ এখন বিজ্ঞপ্তিত কোৱা হয় যে ক্ৰয়মূল্য আৰু ৰেহাই মূল্যৰ পাৰ্থক্যৰ ফলত কৰ্মীসকলক দিব লগা ক্ষতিপূৰণৰ প্ৰশ্ন অসম চৰকাৰে সময়ত গঠন কৰি দিয়া ন্যায়িক ব'ৰ্ডে মীমাংসা কৰিব। এই মীমাংসাৰ নীতি এনে ধৰণৰ হ'ব যে চাহ বজাৰৰ উন্নতি

(১৫) এই যুক্তি দেখুওৱা হৈছে যে মাটি হস্তান্তৰ আৰু স্বত্ব হস্তান্তৰ কৰাৰ ওপৰত সাধাৰণ বাধা-নিষেধ আৰোপ কৰিলে খেতিয়কৰ ঋণৰ ক্ষতি হ'ব আৰু মাটিৰ উন্নতিৰ কাৰণে খেতিয়কৰ উৎসাহত ভেটা দিব আৰু আইনক ফাঁকি দিবলৈ উদগনি দিব। এইবিলাক অপকাৰৰ বিৰুদ্ধে আপুনি কি ব্যৱস্থা ল'বলৈ দিহা দিয়ে?

পঞ্চাশৰ দশকৰ ভিতৰত দেশৰ অন্যান্য ৰাজ্যৰ লগতে অসমতো জমিদাৰী অধিগ্ৰহণ আইন গ্ৰহণ কৰা হয়। Assam State Acquisition of Zamindaries Act 1951 নামৰ আইনখনৰ জৰিয়তে গোৱালপাৰা, গাৰো পাহাৰ আৰু কাছাৰৰ চিৰস্থায়ী বন্দৱস্তিৰ মাটি অধিগ্ৰহণৰ ব্যৱস্থা কৰা হৈছিল। এই আইনখনৰ অধীনত ১৯৫২ চনত Assam State Acquisition of Zamindaries Rules ৰচনা কৰা হয়। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত ১৯৬৪ চনত Assam Zamindari Abolition Fund Rules 1962 তৈয়াৰ কৰা হয়।

জমিদাৰী উচ্ছেদৰ ফলত জমিদাৰী এলেকাৰ ৰায়ত-প্ৰজা উপকৃত হৈছিল যদিও আইনখনৰ সুৰুঙা লৈ জমিদাৰ আৰু বৃহৎ মাটিৰ মালিকসকলে অজস্ৰ মাটি নিজৰ বা আত্মীয়-কুটুম্বৰ নামত ৰাখি থোৱাৰ সুযোগ লাভ কৰিলে। গতিকে বাস্তৱত এই আইনখনে কৃষকক বৰ বেছি সকাহ দিব নোৱাৰিলে। এনে অৱস্থাত কৃষকৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি ১৯৫৬ চনত ভূমিৰ সৰ্বোচ্চ আইন বা চিলিং আইন গ্ৰহণ কৰা হয়। এই আইন অনুসাৰে কোনো পৰিয়ালে ১৫০ বিঘাতকৈ অধিক মাটি ৰাখিব নোৱাৰিব। চিলিং আইনত উল্লেখ কৰা মাটিৰ সৰ্বোচ্চ সীমাতকৈ কোনো লোকৰ মাটি যদি সৰহ হয় তেন্তে সেই মাটি আধিয়াৰসকলৰ মাজত আবণ্টন কৰা হ'ব। কমিউনিষ্ট আন্দোলনৰ এক অভিন্ন অংগ কৃষক সভাই ১৯৪৮ চনত আৰম্ভ কৰা আধিয়াৰ আন্দোলন আছিল এইক্ষেত্ৰত প্ৰণিধানযোগ্য। ১৯৬২ চনৰ চীন-ভাৰত সংঘৰ্ষলৈ অসমত সবল ৰূপ গ্ৰহণ কৰা আধিয়াৰ আন্দোলনে চৰকাৰী পতিত মাটি কৃষকৰ মাজত বিতৰণ কৰা, পানী যোগান, বান নিয়ন্ত্ৰণ,

হ'লে কৰ্মীসকলে ন্যায়িক ব'ৰ্ডে ৰায় দিয়ামতে ক্ষতিপূৰণ লাভ কৰিব আৰু উন্নতি নহ'লে উক্ত ব'ৰ্ডে ৰায় দিয়া অনুসৰি তেওঁলোকে ক্ষতিপূৰণৰ স্বত্ব হেৰুৱাব।

৩ জানুৱাৰী ঃ অসম চৰকাৰে খাদ্য উৎপাদন বৃদ্ধি আৰু অসমক যথাসম্ভৱ স্বাৱলম্বী কৰাৰ উদ্দেশ্যে নগাঁও জিলাত বাৰ হাজাৰ একৰ বনভূমি আবাদীকৰণৰ বাবে ১৬ লাখ টকীয়া এখন আঁচনিৰ কাম আৰম্ভ কৰে। উল্লেখযোগ্য যে অসমত এইখনেই চৰকাৰে লোৱা ভূমি আবাদীকৰণৰ আটাইতকৈ ডাঙৰ আঁচনি। এই আঁচনিমতে নগাঁও জিলাৰ ভূমিহীন আৰু বানবিধ্বস্ত পৰিয়ালবিলাকৰ প্ৰতি পৰিয়ালকে ২০ বিঘাকৈ আবাদীকৰণ কৰা মাটি দিয়া হ'ব। এই আবাদীকৰণ আঁচনিৰ নাম দিয়া হয় কাকী আবাদীকৰণ আঁচনি।

১১ জানুৱাৰী ঃ গুৱাহাটী মিউনিচিপালিটীয়ে চহৰৰ সীমা বৰ্ধিত কৰিবৰ কাৰণে এখন আঁচনি যুগুত কৰে। উক্ত আঁচনিত গুৱাহাটী চহৰৰ সীমা পূবে ইঞ্জিনীয়াৰিং স্কুল আৰু তাৰ ওচৰত থকা গড়টোৰে ভৰলু নদীত থকা শ্বিলং ৰোডৰ দলংখনলৈ নিয়া আৰু দক্ষিণে ভৰলুৰ দক্ষিণ পাৰে লখৰা আলিলৈ থকা ৰে'লৱে কলনী আৰু গোটেই শান্তিপুৰখনেৰে পাহাৰৰ দাঁতিলৈ সীমা বৰ্ধিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। পশ্চিমে চহৰৰ সীমা হ'ব কামাখ্যা পাহাৰৰ নামনি।

১৮ জানুৱাৰী ঃ কাছাৰ জিলাৰ ১১০খন চাহ বাগিচাৰ ভিতৰত মুঠ ৬০খন চাহ বাগিচা বন্ধ হৈ পৰে।

২৯ জানুৱাৰী ঃ গুৱাহাটীৰ ৰে'লৱে কলনীত এক ভয়াৱহ অগ্নিকাণ্ড সংঘটিত হোৱাত কলনীৰ প্ৰায় ২০০টা ঘৰ ভস্মীভূত হয়।

৫ ফেব্ৰুৱাৰী ঃ অসমৰ চাহ বাগিচাসমূহত ১৯৫২ চনত প্ৰযোজ্য কৰা ন্যূনতম মজুৰি অধিনিয়মখন সংশোধন কৰিবলৈ অসম চৰকাৰৰ সিদ্ধান্ত গ্ৰহণ।

- সৰ্বদলে সুকীয়া অস্তিত্ব ভংগ কৰি প্ৰজা ছচিয়েলিষ্ট পাৰ্টীৰ লগত একত্ৰীকৰণৰ সিদ্ধান্ত গ্ৰহণ কৰে। সৰ্বদলৰ সভাপতি পি এম ছাৰোৱান আৰু তেওঁৰ দলৰ তিনিজন প্ৰতিনিধি

সাৰ যোগান, কম সুদত কৃষকক ঋণদান আদি দাবী তুলিছিল। বৃহৎ মাটিৰ মালিকসকলৰ ষড়যন্ত্ৰ, সামন্তীয় নীতি, চৰকাৰী মহলত বৃহৎ মাটিৰ মালিকবোৰৰ প্ৰতি থকা সমৰ্থন আদিৰ ফলত অসমত জমিদাৰী প্ৰথাৰ আক্ষৰিক বিলুপ্তি ঘটিল যদিও বাস্তৱত কৃষক-প্ৰজাৰ বৰ বিশেষ উন্নতি নঘটিল। চীনা যুদ্ধৰ পিচত সৰহভাগ কমিউনিষ্টক জে'লত কাৰাৰুদ্ধ কৰাত কৃষক সভাৰ কাম-কাজো স্তব্ধ হৈ পৰে। পৰৱৰ্তী সময়ত ১৯৭৬ চনত মাটিৰ চিলিং ১৫০ বিঘাৰ পৰা ৫০ বিঘালৈ হ্ৰাস কৰা হয়।

আৰু প্ৰজা ছচিয়েলিষ্ট পাৰ্টীৰ তদৰ্থ কমিটীৰ এখন বৈঠকত এই সিদ্ধান্ত গৃহীত হয়।

● নগাঁও জিলাত মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে কাকী আবাদীকৰণ আঁচনিৰ কাম উদ্বোধন কৰে।

৭ ফেব্ৰুৱাৰী ঃ নগা নেতা ফিজোক ব্ৰহ্মদেশৰ চৰকাৰে ১৯৫২ চনত ব্ৰহ্মদেশত অবৈধভাৱে প্ৰৱেশ কৰাৰ দোষত কৰায়ত্ত কৰে। ভাৰতৰ দাঁতিতে থকা হোমালিনৰ জে'লত আটক কৰি ৰখাৰ কথা চৰকাৰীভাৱে প্ৰকাশ কৰে।

৮ ফেব্ৰুৱাৰী ঃ কটন কলেজৰ প্ৰথম প্ৰিঞ্চিপাল এফ ডব্লিউ ছুডমাৰ্ছনৰ ইংলেণ্ডত মৃত্যু।

৯ ফেব্ৰুৱাৰী ঃ দেশৰ ১১৬খন চাহ বাগিচা বন্ধ কৰাৰ প্ৰতিবাদকল্পে চাহ বাগিচাৰ প্ৰায় ২৫ হাজাৰ বনুৱাই শিলচৰত শোভাযাত্ৰা কৰে।

২০ ফেব্ৰুৱাৰী ঃ ভূ-সমীক্ষকৰ এক প্ৰতিবেদনত অসমৰ স্বায়ত্তশাসিত খাছিয়া আৰু জয়ন্তীয়া পাহাৰ জিলাত পৃথিৱীৰ ভিতৰত ছিলিমেনাইটৰ এটা বৃহৎ খনি আছে বুলি প্ৰকাশ পায়। এই প্ৰতিবেদনৰ মতে মাত্ৰ ২০ ফুট তলতেই সেই স্থানসমূহত ২,৫১,০০০ টন ছিলিমেনাইট থকাৰ কথা উল্লেখ থাকে।

২৩ ফেব্ৰুৱাৰী ঃ কলিকতাত অসম, পশ্চিম বংগ আৰু ত্ৰিপুৰাৰ চাহ খেতিয়কসকলৰ মাজত অনুষ্ঠিত এক বৈঠকত চাহ খেতিৰ শতকৰা ১২.৫ ভাগ উৎপাদন হ্ৰাস কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

২৭ ফেব্ৰুৱাৰী ঃ নগা নেতা ফিজোক স্বদেশলৈ ঘূৰাই পঠাবলৈ ব্ৰহ্মদেশ চৰকাৰৰ সিদ্ধান্ত গ্ৰহণ।

৩ মাৰ্চ ঃ ১৯৫৩ চনৰ ১৪ এপ্ৰিলৰ পৰা অসম চৰকাৰে গোৱালপাৰা জিলাৰ পাঁচখন জমিদাৰীৰ দায়িত্ব গ্ৰহণ কৰাৰ চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰে। অসমত জমিদাৰী উচ্ছেদৰ এইটোৱেই প্ৰথম আৰম্ভণি। এই পাঁচখন জমিদাৰীৰ মুঠ ৰাজহৰ পৰিমাণ হৈছে ২৭ লাখ ৫ হাজাৰ টকা। জমিদাৰীকেইখন হৈছে পৰ্বতজোৱাৰ, গৌৰীপুৰ, কৰৈবাৰী, চাপৰ আৰু বিজনী। এই জমিদাৰীকেইখনৰ সুকীয়াকৈ ৰাজহৰ পৰিমাণ হৈছে— পৰ্বতজোৱাৰ ৩ লাখ, গৌৰীপুৰ ৬ লাখ, কৰৈবাৰী

কাৰ্বি আংলং

পঞ্চাশৰ দশকত অসমৰ ৰাজনৈতিক জীৱনত কাৰ্বি বা মিকিৰ লোকসকলৰ ৰাজনৈতিক অধিকাৰ প্ৰাপ্তিৰ আন্দোলনটোৱে গুৰুত্বপূৰ্ণ স্থান দখল কৰিবলৈ সক্ষম হৈছিল। অসমৰ এই প্ৰাচীন জনগোষ্ঠীটোৱে স্ব-শাসনৰ বাবে কৰা ৰাজনৈতিক তৎপৰতাই অসমৰ থলুৱা আন আন জনগোষ্ঠীবোৰক ৰাজনৈতিক স্বাধিকাৰৰ দিশত আগবাঢ়িবলৈ অনুপ্ৰেৰণা যোগাইছিল।

অসমৰ এই অন্যতম প্ৰাচীন জনগোষ্ঠী কাৰ্বিসকলৰ প্ৰব্ৰজন সম্পৰ্কে ভালেমান কিংবদন্তি জনগোষ্ঠীটোৰ মাজত প্ৰচলিত হৈ আহিছে। এই কিংবদন্তিৰ মতে কাৰ্বিসকলে প্ৰথমে হোৱাংহো,

৮০ হাজাৰ, চাপৰ ১ লাখ ২৫ হাজাৰ আৰু বিজনীৰ ১৬ লাখ টকা।

৫ মাৰ্চ ঃ সুলভ মূল্যত ৰেচনৰ পৰিৱৰ্তে মাত্ৰ এক অনা বৰ্ধিত মজুৰি দিবলৈ অসম চৰকাৰে লোৱা সিদ্ধান্তৰ প্ৰতিবাদকল্পে কাছাৰ চাহ শ্ৰমিক ইউনিয়নৰ আহ্বানক্ৰমে কাছাৰ জিলাৰ ২১০ খন চাহ বাগিচাৰ প্ৰায় ২ লাখ বনুৱাই হৰতাল কাৰ্যসূচী পালন কৰে।

৬ মাৰ্চ ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ একাডেমিক কাউন্সিলৰ সভাত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ। সেইসমূহ হৈছে—

(ক) অসমৰ হাইস্কুলসমূহত ইংৰাজী শিক্ষা পদ্ধতিৰ বিষয়ে এটি প্ৰশিক্ষণ কেন্দ্ৰ হাইস্কুলৰ শিক্ষকসকলৰ বাবে স্থাপন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ।

(খ) প্ৰচলিত বি এল ডিগ্ৰী, এল এল বি নামেৰে নামকৰণ কৰা।

(গ) ১৯৫৩ চনৰ শিক্ষাবৰ্ষৰ পৰা বিশ্ববিদ্যালয়ে ভেটেৰিনেৰী বিষয়ত বি এছ চি পৰীক্ষা ল'ব আৰু

(ঘ) বিশ্ববিদ্যালয়ৰ আই কম পৰীক্ষাত প্ৰথম স্থান অধিকাৰ কৰা ছাত্ৰজনক বিশ্ববিদ্যালয়ে দুবছৰলৈ মাহে ৩৫ টকাকৈ বৃত্তি দিয়াৰ সিদ্ধান্ত লয়।

১১ মাৰ্চ ঃ নতুন দিল্লীত পৰিসীমন আয়োগৰ বাবে নিৰ্বাচিত বিভিন্ন ৰাজ্যৰ সদস্যসকলৰ নাম ঘোষণা কৰা হয়। সংশ্লিষ্ট সদস্যসকলক লোকসভাৰ অধ্যক্ষ আৰু তেওঁলোকৰ ৰাজ্যিক বিধানসভাৰ সদস্যই মনোনীত কৰে। এই সদস্যসকলে লোকসভা আৰু ৰাজ্যিক বিধানসভাৰ বাবে নিৰ্বাচন ক্ষেত্ৰৰ পৰিসীমন আৰু উপযুক্ত প্ৰতিনিধিত্বৰ পুনৰ নিৰ্ধাৰণ সম্বন্ধে পৰিসীমন আয়োগৰ কামত সহায় কৰিব। অসম বিধানসভাৰ অধ্যক্ষ আৰু লোকসভাৰ অধ্যক্ষই মনোনীত কৰা সদস্যসকল হৈছে — (১) দেৱকান্ত বৰুৱা (এম পি, কংগ্ৰেছ) (২) ৰোহিণী কুমাৰ চৌধুৰী (এম পি, কংগ্ৰেছ) (৩) অধ্যাপক নিবাৰণ চন্দ্ৰ লস্কৰ (এম পি, কংগ্ৰেছ, অনুসূচিত) (৪) নীলমণি ফুকন (এম এল এ, কংগ্ৰেছ) (৫) বিজয় চন্দ্ৰ ভাগৱতী (এম এল এ, কংগ্ৰেছ) (৬) জয়ভদ্ৰ হাজেৰ (এম এল এ, কংগ্ৰেছ, অনুসূচিত জনজাতি) (৭) মহম্মদ উমৰুদ্দিন, (এম এল এ, স্বতন্ত্ৰ)।

ইয়াংচিকিয়াঙৰ পৰা চালৱিন অৰ্থাৎ কুকিচীনলৈ আহে। তাৰ পিচত ইৰাৱতী নৈ পাৰ হৈ ম্যানমাৰত বসতি স্থাপন কৰে। তাৰ পিচত কাৰ্বিসকলে বৰ্তমানৰ মণিপুৰত প্ৰৱেশ কৰে। প্ৰব্ৰজনৰ সময়ছোৱাত কাৰ্বিসকলৰ সংস্পৰ্শলৈ অহা জনগোষ্ঠীবোৰ আছিল কুকিচীনৰ মেইটেই মণিপুৰী, লুচাইৰ থাদ', মিৰিং, থাংকুল, নগাৰ আংগামী আৰু অষ্ট্ৰিকৰ খাছি-জয়ন্তীয়াই প্ৰধান।

মণিপুৰৰ পৰা পুনৰ প্ৰব্ৰজন আৰম্ভ কৰি জিৰিবামলৈ আৰু জিৰিবামৰ পৰা আহি সুৰমা বা বৰ্তমানৰ বৰাক উপত্যকাত কাৰ্বিসকল সিঁচৰতি হৈ পৰে। ইয়াৰ পিচত কাৰ্বিসকলৰ এটি অংশৰ অছলু পাহাৰলৈ প্ৰব্ৰজন ঘটে। জয়ন্তীয়াসকলে কাৰ্বিসকলৰ ওপৰত অত্যাচাৰ আৰম্ভ কৰাত কাৰ্বিসকলে পূবলৈ আহি ছ'চেং আৰু লাহে লাহে বৰাপানী, কপিলী অঞ্চলত সিঁচৰতি হৈ পৰে। ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰৰ কাৰ্বিসকল নদীখনৰ দক্ষিণপাৰৰ পৰা প্ৰব্ৰজিত বুলি ঠাৱৰ কৰা হৈছে। বোকাজান, ডিমাপুৰ আদি অঞ্চলত বাস কৰা কাৰ্বিসকল গোলাঘাট, শিৱসাগৰলৈকে সিঁচৰিত হৈ আছে। লোকশ্ৰুতি অনুসৰি ভাৰতৰ বাহিৰত পশ্চিম ম্যানমাৰ আৰু বাংলাদেশৰ উত্তৰ খণ্ডতো কাৰ্বি জনগোষ্ঠী আছে বুলি কোৱা হয়। একেদৰে অসমৰ বাহিৰত অৰুণাচল, মণিপুৰ, নাগালেণ্ড আৰু মেঘালয়ত কাৰ্বি লোকৰ অস্তিত্ব পোৱা যায়। অসমৰ ভিতৰত কাৰ্বি পাহাৰৰ বাদেও পূব কামৰূপ, নগাঁও, মৰিগাঁও, গোলাঘাট, যোৰহাট, শোণিতপুৰ, লখিমপুৰ আৰু বৰাক উপত্যকাত এই জনগোষ্ঠীৰ লোকৰ বসতি আছে।

অসমত আহোমসকলৰ ৰাজত্ব আৰম্ভ হোৱাৰ আগতে কছাৰী সাম্ৰাজ্য পূবে দিচাং নদীৰ সিপাৰে নাগা পাহাৰৰ নামচাঙলৈ আৰু পশ্চিমে কালাঙলৈ বিস্তাৰিত আছিল। তেৰ শতিকাত বৰ্তমানৰ শিৱসাগৰ, নগাঁও জিলা আৰু কাছাৰ জিলাৰ এক বৃহত্তম অংশলৈ কাছাৰ ৰাজ্য গঠিত হৈছিল। জয়ন্তীয়া পাহাৰৰ কিছু অংশও ইয়াত সন্নিৱিষ্ট হৈছিল।

ব্ৰিটিছে দখল কৰাৰ আগলৈকে কাৰ্বি আংলং কছাৰী ৰাজ্যৰ অন্তৰ্ভুক্ত আছিল। ১৮৫৪ চনত তুলাৰাম সেনাপতিয়ে নকুল ৰাম বৰ্মন আৰু ব্ৰজনাথ

২২ মাৰ্চ ঃ বিপ্লৱী কমিউনিষ্ট পাৰ্টীৰ নেতা বিষ্ণুপ্ৰসাদ ৰাভাক গোৱালপাৰা জিলাৰ অতিৰিক্ত জিলা মেজিষ্ট্ৰেট বি এন দাসে দুমাহ কাৰাদণ্ড বিহাৰ ঘোষণা কৰে। তৰুণসেন ডেকাৰ লিখিত 'ন কমৰেডসকললৈ' শীৰ্ষক নিষিদ্ধ কিতাপ ৰখাৰ অভিযোগত ফৌজদাৰী সংশোধনী আইন অনুযায়ী আৰু বিনা লাইচেঞ্চ বন্দুকৰ গুলী ৰখাৰ অভিযোগত অস্ত্ৰ আইনমতে ৰাভাৰ বিৰুদ্ধে দুটা অভিযোগ অনা হয়। আদালতে ৰাভাক দুয়োটা অভিযোগত দোষী সাব্যস্ত কৰি প্ৰতিটো অভিযোগৰ বাবে এমাহকৈ মুঠ দুমাহ কাৰাদণ্ড বিহে।

২৩ মাৰ্চ ঃ অসম বিধানসভাত ১ কোটি ২২ লাখ ৮০ হাজাৰ ৪৬১ টকাৰ পৰিপূৰক মঞ্জুৰিৰ দাবী গৃহীত হয়।

২৮ মাৰ্চ ঃ অসম বিধানসভাত ৮খন চৰকাৰী বিল গৃহীত হয়। সেইসমূহ হৈছে— অসম বিত্ত বিল ১৯৫৩, অসম বিনিয়োগ (২ নং) বিল ১৯৫৩, অসম লোকেল ব'ৰ্ডৰ নিৰ্বাচন (জৰুৰী ব্যৱস্থা) বিল ১৯৫৩, অসম আকস্মিক নিধি পুঁজি বিল, ১৯৫৩, অসম জনসংখ্যা ৰক্ষা বিল (সংশোধনী), অসম ভূমি অধিগ্ৰহণ (ডিব্ৰুগড়) বিল ১৯৫৩, দেৱানী দণ্ডবিধি (অসম সংশোধনী) বিল ১৯৫৩ আৰু অসম চিমেণ্ট নিয়ন্ত্ৰণ বিল ১৯৫৩।

২৯ মাৰ্চ ঃ ভাৰতৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰু আৰু ব্ৰহ্মদেশৰ প্ৰধানমন্ত্ৰী উ নুৱে যুটীয়াভাৱে ইম্ফল ভ্ৰমণ কৰে। উ নুৱে জনজাতীয় লোকসকল সম্বন্ধে তেওঁৰ মনোভাব আৰু ব্ৰহ্মত জনজাতীয় লোকসকলৰ কাৰণে তেওঁৰ চৰকাৰে কৰা কাৰ্যকলাপসমূহৰ বিষয়ে দিয়া এখন চিঠিৰ বাবে এই যুটীয়া ভ্ৰমণৰ আয়োজন কৰা হয়।

৩০ মাৰ্চ ঃ ১৯৫২ চনৰ ডিচেম্বৰ মাহত অনুষ্ঠিত প্ৰথম বাধ্যতামূলক এম ই পৰীক্ষাৰ (ল'ৱাৰ) ফলাফল ঘোষণা। শতকৰা ৬০.০৯জন ছাত্ৰ উত্তীৰ্ণ।

● প্ৰধানমন্ত্ৰী নেহৰু আৰু ব্ৰহ্মদেশৰ প্ৰধানমন্ত্ৰী উ নুৱে যুটীয়াভাৱে ক'হিমাৰ এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰে। এই সভাত প্ৰায় দুহেজাৰ নগা লোকৰ

বৰ্মনৰ ৰাজ্য দখল কৰি লোৱাৰ পিচত ইয়াক উত্তৰ কাছাৰ মহকুমাৰ অন্তৰ্ভুক্ত কৰা হয়।

কাৰ্বি আংলঙৰ প্ৰশাসনিক আৰু ৰাজনৈতিক ইতিহাসৰ ঘটনাৱলীক আমি চমুকৈ এনেদৰে উল্লেখ কৰিব পাৰো। ১৮৩৫ চনতে মিকিৰ হিল পাহাৰৰ কিছু অংশৰ ওপৰত ব্ৰিটিছে নিজৰ দখল প্ৰতিষ্ঠা কৰে যদিও সি সম্পূৰ্ণ হৈ উঠা নাছিল। ৰ'ড ৰবিনছনে তেওঁৰ 'একাউন্ট অব্ আছাম' শীৰ্ষক গ্ৰন্থখনত উল্লেখ কৰি গৈছে যে কাৰ্বিসকলৰ মাজত কোনোধৰণৰ সমূহীয়া বা সাংগঠনিক একতা নাছিল আৰু প্ৰত্যেকখন ক্ষুদ্ৰ ক্ষুদ্ৰ গাঁৱে নিজ নিজ শাসন পৰিচালনা কৰিছিল। ১৮৩৮ চনত মিকিৰ পাহাৰৰ ভালেমান অংশ ব্ৰিটিছৰ অধীনলৈ যায় আৰু পূৰ্বে উল্লিখিত ১৮৫৪ চনৰ ঘটনাৰ পিচত মিকিৰ পাহাৰখনক উত্তৰ কাছাৰৰ লগত সাঙুৰি পেলোৱা হয়।

১৮৭৩ চনৰ নৱেম্বৰত Bengal Eastern Frontier Regulation, 1873 (যাক ইনাৰ লাইন ৰেগুলেচন বুলিহে ভালদৰে জনা হৈছিল) মিকিৰ পাহাৰত সূচনা কৰা হয়। গাৰো, খাছি, জয়ন্তীয়া পাহাৰ, নাগা পাহাৰ, কাছাৰ, চিটাগং পাহাৰতো একে সময়তে এই ব্যৱস্থাৰ প্ৰৱৰ্তন কৰা হৈছিল। এই ব্যৱস্থাৰ জৰিয়তে কৰ্তৃপক্ষৰ অনুমতি বিনে ব্ৰিটিছশাসিত ভাৰতবৰ্ষত কোনো লোককে এনে এলেকাবোৰত প্ৰৱেশ কৰাত অনুমতি দিয়া হোৱা নাছিল। এই ব্যৱস্থাৰ লগতে ইনাৰ লাইনৰ বাহিৰৰ লোকক লাইনৰ ভিতৰত মাটি-সম্পত্তি বা ব্যৱসায় কৰাতো বাধা দিয়া হৈছিল। ১৮৮৪ চনৰ ১২ নৱেম্বৰত The Assam Frontier Tracts Regulation, 1880 (Regulation II of 1880) শীৰ্ষক ব্যৱস্থা মিকিৰ পাহাৰলৈ সম্প্ৰসাৰিত কৰা হয়। এই নিয়মৰ জৰিয়তে ফৌজদাৰী গোচৰ বিধি এই এলেকাত প্ৰযোজ্য নহ'ব বুলি ঘোষণা দিয়া হৈছিল। এনে ব্যৱস্থা লোৱাৰ অন্তৰালত আছিল প্ৰাদেশিক চৰকাৰে যাতে প্ৰশাসনিক আৰু ন্যায়িক ব্যৱস্থাবোৰ সমতলৰ লোকৰ ওপৰত আৰোপ কৰাৰ লেখীয়াকৈ পাহাৰৰ জনজাতিসকলৰ ওপৰত আৰোপ কৰিব নোৱাৰে। ১৮৮৪ চনৰ ২২

সমাগম হয়। দুয়োজন প্ৰধানমন্ত্ৰীয়ে বক্তৃতা প্ৰসংগত নগা লোকক তেওঁলোকৰ অতীজৰ ঐতিহ্য অটুট ৰাখি ভাৰতবৰ্ষ গঠনত অন্যান্য লোকৰ সৈতে সমানে দায়িত্ব বহন কৰিবলৈ আহ্বান জনায়। নেহৰুৱে নগাসকলক বিপথে পৰিচালনা কৰা বাহিৰা লোকসকলক কঠোৰ ভাষাৰে সতৰ্ক কৰি দিয়ে। এই ভ্ৰমণসূচীত দুয়োজন নেতাৰ মাজত ব্ৰহ্মদেশত আটক হৈ থকা নগা নেতা ফিজো সন্দৰ্ভতো আলোচনা হয়।

৩ এপ্ৰিল ঃ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে আইজল-লুংলে পথ মুকলি কৰে। এই বাটটো লুছাই পাহাৰৰ দক্ষিণাঞ্চলৰ ৪৭০খন গাঁৱৰ প্ৰায় ৫০,০০০ অধিবাসীয়ে নিজে বন্ধা। লুছাইসকলে শাৰীৰিক শ্ৰমৰ উপৰি এই পথ বান্ধিবৰ বাবে ৮০,০০০ টকা বৰঙণি দিয়ে। চৰকাৰে ইয়াত মুঠ ১০০,০০০ টকা খৰচ কৰে।

৪ এপ্ৰিল ঃ অসম বিধানসভাই সদস্যসকলৰ দৈনিক ভাত্তা দহ টকা আঠ অনাৰ ঠাইত কুৰি টকা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

৫ এপ্ৰিল ঃ ভাৰত-ব্ৰহ্মা সীমান্তত প্ৰধানমন্ত্ৰী নেহৰুৱে ব্ৰহ্মাৰ প্ৰধানমন্ত্ৰী উ নুৰ সৈতে সাত দিন ভ্ৰমণ কৰাৰ পিচত শিলচৰৰ এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি দিল্লীলৈ ৰাওনা হয়।

৬ এপ্ৰিল ঃ বুনিয়াদী শিক্ষা বিভাগ আৰু ৰাজ্যিক প্ৰাথমিক শিক্ষা ব'ৰ্ড চামিল কৰি এটা বিভাগ বা এখন ব'ৰ্ড গঠন কৰিব লাগে বুলি উত্থাপন কৰা এক বেচৰকাৰী প্ৰস্তাৱ অসম বিধান সভাই গ্ৰহণ কৰে। এই প্ৰস্তাৱ উত্থাপন কৰে প্ৰফুল্ল গোস্বামীয়ে।

৭ এপ্ৰিল ঃ অসম বিধানসভাই ১৯৫২ চনৰ সংবিধান (দ্বিতীয় সংশোধনী) বিল অনুমোদন কৰে। বিৰোধী দলৰ দলপতি হৰেশ্বৰ গোস্বামী আৰু কমিউনিষ্ট নেতা গৌৰীশংকৰ ভট্টাচাৰ্যই এই সংশোধনীৰ তীব্ৰ বিৰোধিতা কৰে। সদনে শ্বিলঙৰ লাইমুখৰাত নতুনকৈ প্ৰতিষ্ঠা কৰা ৰামকৃষ্ণ মিছন হাস্পতালৰ কাৰণে ২৫,০০০ টকা এককালীন মঞ্জুৰি দিবলৈ সিদ্ধান্ত লয়। ইয়াৰ উপৰি সদনে নিম্নোক্ত মঞ্জুৰিসমূহ ভোটদানেৰে অনুমোদন কৰে—

এপ্ৰিলত এই নিয়ম উত্তৰ কাছাৰ পাহাৰ আৰু নগা পাহাৰলৈ সম্প্ৰসাৰিত কৰা হয়। ১৮৮৪ৰ ৫ নৱেম্বৰত গাৰো, খাছি আৰু জয়ন্তীয়া পাহাৰতো এই ব্যৱস্থাৰ প্ৰৱৰ্তন হয়। পিচলৈ শদিয়া, বালিপৰা আৰু লখিমপুৰ সীমান্তৱৰ্তী এলেকাতো ইয়াৰ প্ৰৱৰ্তন হয়।

১৯১১ চনৰ ৯ অক্টোবৰত The Chin Regulation, 1896 (Regulation V of 1896) শীৰ্ষক ব্যৱস্থা মিকিৰ পাহাৰ আৰু উত্তৰ কাছাৰলৈ প্ৰসাৰণ কৰা হয়। এই ব্যৱস্থাৰ দ্বাৰা জিলা অধীক্ষক বা জিলা উপায়ুক্তক যিকোনো অনাকাংক্ষিত বহিৰাগত লোকক অঞ্চলটোৰ পৰা বহিষ্কাৰ কৰাৰ কৰ্তৃত্ব প্ৰদান কৰা হৈছিল। ১৯১৯ চনৰ ভাৰত চৰকাৰ আইন অনুসৰি মিকিৰ পাহাৰ অঞ্চল আৰু উত্তৰ কাছাৰ পাহাৰক পিচপৰা অঞ্চল বা backward tracts হিচাপে ঘোষণা কৰা হয়। গাৰো পাহাৰ, খাছি পাহাৰ আৰু জয়ন্তীয়া পাহাৰকো একে সময়তে পিচপৰা অঞ্চল হিচাপে ঘোষণা কৰা হৈছিল। ইয়াৰ পিচত ১৯৩৫ চনৰ ভাৰত চৰকাৰৰ আইন অনুযায়ী উত্তৰ কাছাৰ পাহাৰক বহিৰ্ভূত অঞ্চল (Excluded Areas) আৰু মিকিৰ পাহাৰ, গাৰো পাহাৰ, খাছি আৰু জয়ন্তীয়া পাহাৰক আংশিকভাৱে বহিৰ্ভূত অঞ্চল বুলি ঘোষণা কৰা হয়। বহিৰ্ভূত অঞ্চলৰ বিশেষত্ব আছিল এয়ে যে জনজাতীয় অধ্যুষিত এই এলেকাসমূহত প্ৰাদেশিক বা ফেডাৰেল কোনো চৰকাৰৰ কোনো আইনেই গৱৰ্নৰৰ অনুমোদন অবিহনে প্ৰয়োগ কৰিব পৰা নগৈছিল। ভাৰতৰ ফৌজদাৰী গোচৰ বিধিৰ (Criminal Procedure Code) ৰ কোনো অনুচ্ছেদেই এইবোৰ এলেকাত প্ৰয়োগ কৰিব পৰা নগৈছিল। অৱশ্যে কোনো ইউৰোপীয় মূলৰ লোকৰ বিৰুদ্ধে অপৰাধ সংঘটিত হ'লে এই বিধিৰ প্ৰয়োগ হৈছিল। আংশিকভাৱে বহিৰ্ভূত এলেকাবোৰত জনজাতীয় লোকৰ লগতে অন্যান্য শ্ৰেণীৰ লোকেও বসবাস কৰিছিল। ১৯৪৬ চনৰ কেবিনেট মিছনে জনজাতীয় এলেকাবোৰৰ প্ৰশাসন সম্পৰ্কত এখন উপদেষ্টা কমিটী গঠন কৰাৰ পৰামৰ্শ আগবঢ়ায় আৰু সেই অনুসৰি পিচলৈ এখন কমিটী গঠন কৰা হয়। ১৯৪৭

৫০ অসামৰিক কাম	১৩,৭১,৯৮০ টকা
৩৯ জনস্বাস্থ্য	৪০০০ টকা
৩৭ শিক্ষা	১০,০০০ টকা
শ্বেটাটিয়াং ফাৰ্মৰ বাবে সাহায্য মঞ্জুৰি	২২,৩৩২ টকা
আৰু ১০ বন	৬,০০০ টকা

৯ এপ্ৰিল ঃ অসম জনশৃংখলা (স্বায়ত্তশাসিত জিলা) বিল বিধানসভাত গৃহীত।

১০ এপ্ৰিল ঃ বিধানসভাত ১৪ খন চৰকাৰী বিল গৃহীত হয়। সেইসমূহ হৈছে—

- প্ৰেছ (আপত্তিমূলক বিষয়, স্বায়ত্তশাসিত জিলাসমূহৰ বাবে) বিল ১৯৫৩।
- অসম সমবায় সমিতি (সংশোধনী) বিল ১৯৫৩
- অসম স্থানচ্যুত লোক (পুনসংস্থাপন ঋণ সংশোধনী) বিল ১৯৫৩
- অসম বন (সংশোধনী) বিল ১৯৫৩
- অসম পুনৰ প্ৰৱৰ্তন আৰু সংশোধনী বিল ১৯৫৩
- অসম নগাঁও আৰু শিৱসাগৰ (আইন সংযোগ) বিল ১৯৫৩
- অসম ৰাজ্য জমিদাৰী অধিগ্ৰহণ বিল (স্বায়ত্তশাসিত গাৰো পাহাৰ জিলালৈ সম্প্ৰসাৰণ বিল)
- অসম ইষ্টেট পৰিচালনা (গাৰো পাহাৰ জিলালৈ সম্প্ৰসাৰণ) বিল ১৯৫৩
- গোৱালপাৰা ৰায়ত (স্বায়ত্তশাসিত গাৰো পাহাৰ জিলালৈ সম্প্ৰসাৰণ) বিল ১৯৫৩
- অসম মুছলিম বিবাহ আৰু বিবাহ বিচ্ছেদ ৰেজিষ্ট্ৰেচন (সংশোধনী) বিল ১৯৫৩
- অসম ধাত্ৰী, মিডৱাইফ আৰু স্বাস্থ্য পৰিদৰ্শক ৰেজিষ্ট্ৰেচন (সংশোধনী) বিল ১৯৫৩
- অসম বেটাৰমেণ্ট ফী আৰু মʼভিং টেক্স (ডিব্ৰুগড়) বিল ১৯৫৩
- অসম কথাছবি (নিয়ন্ত্ৰণ) বিল ১৯৫৩ আৰু
- অসম ফৌজদাৰী আইন (সংশোধনী) বিল ১৯৫৩।

১২ এপ্ৰিল ঃ অসমৰ থানাসমূহৰ যোগাযোগ ব্যৱস্থাৰ উন্নয়নাৰ্থে কেন্দ্ৰীয় চৰকাৰৰ ব্যৱস্থা গ্ৰহণ। অসমৰ গুৰুত্বপূৰ্ণ অৱস্থানৰ প্ৰতি লক্ষ্য ৰাখি

চনত হংকঙৰ লেখীয়াকৈ উত্তৰ-পূবৰ জনজাতীয় এলেকাবোৰ ব্ৰিটিছৰ প্ৰত্যক্ষ শাসনত ৰখাৰ এক পৰিকল্পনাও কৰা হৈছিল।

ভাৰতবৰ্ষৰ স্বাধীনতাৰ প্ৰাকক্ষণত যিজনা কাৰ্বি লোকে জনগোষ্ঠীটোৰ সুৰক্ষাৰ বাবে এক ৰাজনৈতিক সক্ৰিয়তা আৰম্ভ কৰিছিল তেওঁেই হ'ল ছেমছং ছিং ইংতি। ১৯৪৫ চনত ইংতিয়ে এখন স্বায়ত্তশাসিত জিলা গঠনৰ লক্ষ্যৰে এখন গণসভা আয়োজন কৰিব বিচাৰিছিল যদিও সেই সভা সফলকাম নহ'ল। ইংতি কিন্তু ইয়াতে হতাশ নহ'ল আৰু কাৰ্বি মানুহৰ মাজত স্বায়ত্তশাসিত জিলাৰ বিষয়ে প্ৰচাৰ চলাই থাকিল। ১৯৪৫ চনত লংকাৰ কাষৰ হাৱাইপুৰত তেওঁ পুনৰ এখন গণসভাৰ আয়োজন কৰে। এই সভাত খৰছিং তেৰাং, আৰ আৰ খাউণ্ড (নগাঁৱৰ জিলা উপায়ুক্ত), অধ্যাপক মহেশ দেৱগোস্বামী আৰু নগাঁৱৰ বিদ্যালয় উপ-পৰিদৰ্শক বন্ধুৰাম কছাৰীৰ নিচিনা ব্যক্তি উপস্থিত আছিল। এই সভাৰ পিচত কাৰ্বিসকলৰ জাতীয় জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠান কাৰ্বি দৰবাৰ বা মিকিৰ জাতীয় মহাসভাৰ জন্ম হয়। খৰছিং তেৰাং হাৱাইক সভাপতি আৰু ছেমছং ছিং ইংতিক সম্পাদক হিচাপে দায়িত্বভাৰ দিয়া হয়। পিচলৈ খৰছিং তেৰাং হাৱাইৰ ঠাইত ছৰছিং টেৰণ স্থলাভিষিক্ত হয়।

১৯৪৭ চনৰ ১৮ মে'ত কাৰ্বি দৰবাৰৰ ফালৰ পৰা North-East Frontier (Assam) Tribal and Excluded Areas sub-committeeৰ হাতত (যাক বৰদলৈ উপ-কমিটী বুলিও জনা গৈছিল) এখন স্মাৰকপত্ৰ প্ৰদান কৰা হয়। এই স্মাৰকপত্ৰত Mikir Hills Tractৰ আংশিকভাৱে বহিৰ্ভূত এলেকাৰ ৪,১৭৪ বৰ্গ কিলোমিটাৰ অঞ্চল সামৰি তথা নিকটৱৰ্তী নগাঁও, শিৱসাগৰ, উত্তৰ-কাছাৰ পাহাৰ, খাছি আৰু জয়ন্তীয়া পাহাৰৰ কাৰ্বি বসতিপ্ৰধান এলেকাবোৰক সামৰি এখন স্বায়ত্তশাসিত জিলা গঠনৰ দাবী তোলা হৈছিল। বৰদলৈ উপ-সমিতিয়ে মিকিৰ পাহাৰ ভ্ৰমণ কৰি এনেদৰে মতামত দিছিল যে তেওঁলোকে ভ্ৰমণ কৰা উত্তৰ-পূবৰ পাহাৰীয়া এলেকাসমূহৰ ভিতৰত মিকিৰ আৰু গাৰো পাহাৰেই হৈছে আটাইতকৈ পিচপৰা অঞ্চল। গাৰো পাহাৰত

ভাৰত চৰকাৰে গাঁও আৰু নগৰৰ প্ৰত্যেকখন থানাত টেলিফোন, টেলিগ্ৰাফ বা বেতাঁৰৰ দ্বাৰা ১৯৫৪ চনৰ ভিতৰত যোগাযোগ স্থাপন কৰাক লৈ আঁচনি গ্ৰহণ কৰাৰ কথা কেন্দ্ৰীয় চৰকাৰৰ যোগাযোগ দপ্তৰৰ উপমন্ত্ৰী ৰাজ বাহাদুৰে গুৱাহাটীত ঘোষণা কৰে।

১৮ এপ্ৰিল ঃ উত্তৰ গুৱাহাটীত মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে নবীন চন্দ্ৰ বৰদলৈ স্মৃতি ভৱন উদ্বোধন কৰে।

২৩ এপ্ৰিল ঃ গোৱালপাৰাৰ জমিদাৰী অধিগ্ৰহণ কৰিবলৈ অসম চৰকাৰে লোৱা সিদ্ধান্ত স্থগিত ৰাখিবলৈ ভাৰতৰ উচ্চতম ন্যায়ালয়ে নিৰ্দেশ দিয়ে আৰু জমিদাৰসকলেও নিজৰ জমিদাৰীৰ বন সম্পদ আহৰণ কিম্বা উপভোগ কৰাত বাধা আৰোপ কৰে।

২৪ এপ্ৰিল ঃ লুছাই পাহাৰত জনজাতীয় লোকসকলে নিৰ্বাচন কৰা গাঁৱলীয়া পৰিষদৰ জৰিয়তে গাঁও প্ৰশাসনত স্বায়ত্ত শাসন লাভ কৰিব বুলি 'লুছাই পাহাৰ জিলা গাঁৱলীয়া পৰিষদ' বিলখন চৰকাৰে প্ৰকাশ কৰে।

(ভাৰতীয় সংবিধানৰ ৬ষ্ঠ অনুসূচীত স্বায়ত্তশাসিত জিলাত জিলা পৰিষদ গঠনৰ ব্যৱস্থা কৰা হৈছে। গাঁও, নগৰৰ পুলিচ, জনস্বাস্থ্য আদি বিষয় ধৰি গাঁও বা নগৰৰ প্ৰশাসন আৰু নগৰ-চহৰৰ কমিটী বা পৰিষদ পাতিবৰ কাৰণে আইন আদিৰ ব্যৱস্থা কৰাৰ ক্ষমতা এই জিলা পৰিষদৰ ওপৰত ন্যস্ত কৰা হৈছে।)

২৮ এপ্ৰিল ঃ ডিমাপুৰত নাগা নেচনেল কাউঞ্চিলৰ ১৫জন সদস্যক গ্ৰেপ্তাৰ।

৩০ এপ্ৰিল ঃ তেজপুৰ-বালিপৰাৰ মাজৰ ১৭ মাইল দীঘল মিটাৰগজ ৰে'লৰে লাইন অসমৰ শিক্ষা আৰু বনুৱা মন্ত্ৰী অমিয় কুমাৰ দাসে আনুষ্ঠানিকভাৱে মুকলি কৰে। বিগত ৫৮টা বছৰ ধৰি ব্যক্তিগত কোম্পানী এটাই তেজপুৰ-বালিপৰাৰ মাজত নেৰ'গজ ৰে'লৰে চলাই আছিল। ১৯৫২ চনত ইয়াক ৰাষ্ট্ৰীয়কৰণ কৰা হয় আৰু তাৰ পিচৰ পৰাই ৫ লাখ টকা ব্যয়েৰে মিটাৰগজলৈ পৰিৱৰ্তন কৰা হয়।

১ মে' ঃ অসমৰ ৰাজ্যপাল জয়ৰামদাস দৌলতৰামে ১৯৫৩ চনৰ

খ্ৰীষ্টান ধৰ্মৰ সম্প্ৰসাৰণেৰে মিছনেৰীসকলে শিক্ষা ব্যৱস্থাৰ প্ৰসাৰ ঘটাইছে যদিও মিকিৰ পাহাৰ এইক্ষেত্ৰত একেবাৰে বঞ্চিত। এই অঞ্চলবোৰৰ সামাজিক, আৰ্থিক আৰু সাংস্কৃতিক সুৰক্ষাৰ নিৰাপত্তাৰ স্বাৰ্থত এক সাংবিধানিক সুৰক্ষা ব্যৱস্থা খুবেই জৰুৰী বুলি বৰদলৈ উপ-সমিতিয়ে অনুমোদন আগবঢ়ায়। এই উপ-সমিতিৰ অনুমোদনৰ ওপৰত সংবিধান সভাত ভালেমান তৰ্ক-বিতৰ্ক হয় আৰু ভাৰতবৰ্ষৰ সংবিধান প্ৰণয়নৰ সময়ত বৰদলৈ উপ-সমিতিৰ অনুমোদনসমূহৰ আধাৰতে ষষ্ঠ অনুসূচীৰ ৰচনা কৰা হয়।

সংবিধান গ্ৰহণ কৰাৰ পিচত ১৯৫১ চনত প্ৰস্তাৱিত মিকিৰ পাহাৰ জিলা গঠন প্ৰক্ৰিয়াই এক ত্বৰান্বিত গতি লাভ কৰে। জিলাখন গঠনৰ ক্ষেত্ৰত তদানীন্তন বন মন্ত্ৰী ৰূপনাথ ব্ৰহ্মাই (যি বৰদলৈ উপ-সমিতিৰ সদস্যও আছিল) যথেষ্ট ভূমিকা লৈছিল। তেওঁ নিজাববীয়াকৈ মিকিৰ পাহাৰৰ বিভিন্ন এলেকা ভ্ৰমণ কৰি কাৰ্বিৰ বাদেও অন্যান্য লোকৰ মাজতো জিলা গঠনৰ ক্ষেত্ৰত সহমত স্থাপন কৰিব বিচাৰিছিল। ১৯৫১ চনৰ ৭ মাৰ্চত হৰগাঠি গাঁৱত হোৱা এখন ৰাজহুৱা সভাত ভাষণ দি ব্ৰহ্মাই প্ৰস্তাৱিত জিলাখনে যে কাৰ্বি, বড়ো, ডিমাচা, লালুং, মেচ আদি সকলো গোষ্ঠীৰে ভূমি বন্দৱস্তি, আৰ্থিক বিকাশ, শিক্ষা-দীক্ষা আদি সকলোতে সুৰক্ষা দিব পাৰিব তাক বিস্তাৰিতভাৱে কৈছিল।

১৯৫১ চনৰ ১৭ নৱেম্বৰত সংযুক্ত মিকিৰ আৰু উত্তৰ কাছাৰ পাহাৰীয়া জিলা (United Mikir and North Cachar Hills) গঠন হয়। গোলাঘাট, নগাঁও, কাছাৰ জিলাৰ কিছু অংশ তথা মেঘালয়ৰ সংযুক্ত খাছি জিলাৰ কিছু অংশক লৈ এই জিলাখন গঠন কৰা হৈছিল। ১৯৫২ চনৰ ২৩ জুনত সংবিধানৰ ষষ্ঠ অনুসূচী অনুসৰি মিকিৰ পাহাৰ জিলা পৰিষদ গঠন কৰা হয়। ইয়াৰ পিচত ১৯৭০ চনত জিলাখন দুখন জিলাত বিভক্ত হৈ ক্ৰমে মিকিৰ পাহাৰ আৰু উত্তৰ কাছাৰ পাহাৰ জিলা নাম লয়। ১৯৭৬ চনৰ ১৪ অক্টোবৰত মিকিৰ পাহাৰৰ নতুন নামকৰণ হৈ কাৰ্বি আংলং জিলা নাম লয়।

অসম খাদ্য নিয়ন্ত্ৰণ আদেশ সমগ্ৰ ৰাজ্যতে তৎক্ষণাত বলৱৎ কৰি সেইমৰ্মে ঘোষণা কৰে। এই আদেশ ধান, চাউল, ঘেঁহু, তুঁহ আৰু গৰুৰ নানা খাদ্য আদিকে ধৰি চিৰা, আখৈ, মুড়ি, পিঠাগুড়ি আদি চাউলৰ পৰা হোৱা যি কোনোধৰণৰ দ্ৰব্যৰ ক্ষেত্ৰতে প্ৰযোজ্য হ'ব।

৬ মে' ঃ মণিপুৰৰ ৪জনীয়া উপদেষ্টা পৰিষদৰ শপত গ্ৰহণ। এই সদস্যসকলৰ ভিতৰত ৩জন কংগ্ৰেছী লোক আৰু এজন স্বতন্ত্ৰ নগা।

১০ মে' ঃ ভাৰতৰ অনাতাঁৰ মন্ত্ৰী ডাঃ বি ভি কেশকৰে গুৱাহাটীৰ পৰা ৭ মাইল পশ্চিমে জালুকবাৰীত গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ দহ কিলোৱাট ট্ৰেন্সমিটাৰটো উদ্বোধন কৰে।

২৪ মে' ঃ হত্যাৰ ভাবুকিৰে চৰকাৰী চাকৰিয়ালক নগা পাহাৰ ত্যাগ কৰিবলৈ নাগা নেচনেল কাউঞ্চিলৰ গুপ্ত শিবিৰৰ পৰা পত্ৰিকা প্ৰকাশ।
• অসম ৰাজ্য আয়ুৰ্বেদিক সন্মিলনৰ প্ৰথম বাৰ্ষিক অধিৱেশন অসম আয়ুৰ্বেদ কলেজত সদৌ ভাৰত আয়ুৰ্বেদ সন্মিলনৰ সভাপতি বৈদ্যৰত্ন পণ্ডিত শিৱ শৰ্মাৰ সভাপতিত্বত সম্পন্ন হয়। অসমৰ বিভিন্ন ঠাইৰ প্ৰায় ২০০ জন মানুহে এই অধিৱেশনত অংশগ্ৰহণ কৰে।

৩১ মে' ঃ নগা পাহাৰ জিলাক উত্তৰ-পূব সীমান্তৰ ভূ-ভাগৰ লগত চামিল কৰিবলৈ অসমৰ ৰাজ্যপাল জয়ৰামদাস দৌলতৰামে কেন্দ্ৰীয় চৰকাৰক পৰামৰ্শ দিয়ে।

১৭ জুন ঃ পাঁচ বছৰীয়া পৰিকল্পনাৰ অধীনত বৰাক নদীৰ ওপৰত এখন ওলমি থকা দলং সাজিবৰ কাৰণে চৰকাৰে ২৫ লাখ টকা মঞ্জুৰ কৰে।

২ জুলাই ঃ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাৰ নেতৃত্বত অসম প্ৰদেশ কংগ্ৰেছৰ এটা সঁজাতী দলে প্ৰধানমন্ত্ৰী নেহৰুৰ লগত উত্তৰ-পূব সীমান্তৰ ভূভাগত ভাৰত চৰকাৰে প্ৰৱৰ্তন কৰিব খোজা সাল-সলনি সম্পৰ্কে আলোচনা কৰাৰ সিদ্ধান্ত গ্ৰহণ। ইতিমধ্যে কেন্দ্ৰীয় উপমন্ত্ৰী সুৰেন্দ্ৰ নাথ বুঢ়াগোহাঁয়ে এই সাল-সলনিৰ বাতৰি স্বীকাৰ কৰে। তেওঁ উল্লেখ কৰে যে দুই-এজন বিত্তীয় উপদেষ্টাৰ সৈতে এজন আয়ুক্তক ব্যাপক ক্ষমতা প্ৰদান কৰি

উত্তৰ কাছাৰত স্বায়ত্ত শাসন

পঞ্চাশৰ দশকত ভাৰতবৰ্ষৰ সাংবিধানিক গাঁথনিৰ ভিতৰত উত্তৰ কাছাৰ স্বায়ত্তশাসিত জিলা গঠনকাৰ্য আছিল এক গুৰুত্বপূৰ্ণ ঘটনা। সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত প্ৰথম স্বায়ত্ত শাসনৰ অধিকাৰ লাভ কৰা উত্তৰ কাছাৰৰ আছে এক সুকীয়া সাংস্কৃতিক আৰু ৰাজনৈতিক ইতিহাস।

প্ৰসিদ্ধ ইতিহাসবিদ ছাৰ এডৱাৰ্ড গেইটৰ মতানুসৰি কছাৰীসকলক ব্ৰহ্মপুত্ৰ উপত্যকাৰ আটাইতকৈ পুৰণি বাসিন্দা বুলি কোৱা হয় আৰু উত্তৰ বংগ আৰু গোৱালপাৰাৰ মেচসকলৰ সৈতে এওঁলোকৰ নৃতাত্ত্বিক সাদৃশ্য বিৰাজমান। বহিৰাগত লোকসকলে পৰৱৰ্তী সময়ত এই কছাৰীসকলক

এই ভূভাগ প্ৰশাসন কৰিবলৈ নিয়োগ কৰাৰ প্ৰস্তাৱ ভাৰত চৰকাৰে লৈছে। বুঢ়াগোহাঁয়ে যোৰহাটৰ বাৰ লাইব্ৰেৰীত এই বিষয়ে আৰু কয় যে এইজন আয়ুক্তই উত্তৰ-পূব সীমান্তৰ ভূ-ভাগৰ প্ৰশাসক হ'ব আৰু ৰাজ্যপাল নামমাত্ৰ মুৰব্বী হৈ থাকিব।

৭ জুলাই ঃ যোৰহাটত অনুষ্ঠিত প্ৰজা ছচিয়েলিষ্ট পাৰ্টীৰ প্ৰাদেশিক তদৰ্থ কমিটীৰ বৈঠকে উত্তৰ-পূব সীমান্ত এজেঞ্চিত কেন্দ্ৰীয় চৰকাৰে নতুন প্ৰশাসনৰ বাবে ল'ব খোজা প্ৰস্তাৱিত ব্যৱস্থাৰ বিৰুদ্ধে দৃঢ় প্ৰতিবাদ জনায়।

● ভাৰত চৰকাৰে অসমৰ ৰাজ্যপালৰ তলত উত্তৰ-পূব সীমান্ত অঞ্চলৰ বাবে এজন আয়ুক্ত নিযুক্ত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। অসম চৰকাৰৰ লগত আলোচনা কৰি উক্ত আয়ুক্তজনেই সেই অঞ্চলৰ প্ৰশাসনীয় কাম চলাব।

৯ জুলাই ঃ তেজপুৰৰ এক সংবাদমেলত অসম কংগ্ৰেছৰ সম্পাদক বিজয়চন্দ্ৰ ভাগৱতীয়ে উত্তৰ-পূব সীমান্ত ভূ-ভাগৰ লগত অসমৰ স্বাভাৱিক সম্বন্ধ ছেদ কৰাটো অনুচিত বুলি মন্তব্য কৰি এই ভূ-ভাগৰ শাসনৰ কাৰণে উচ্চ ক্ষমতাসম্পন্ন আয়ুক্ত নিয়োগ কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে ব্যৱস্থা লোৱাটো কংগ্ৰেছে সমৰ্থন নকৰাৰ কথা ব্যক্ত কৰে।

১২ জুলাই ঃ কংগ্ৰেছ, প্ৰজা ছচিয়েলিষ্ট আৰু সংস্কৃতি সন্মিলনৰ যুটীয়া আহ্বানত উত্তৰ-পূব সীমান্ত অঞ্চলৰ প্ৰস্তাৱিত শাসন ব্যৱস্থাৰ বিৰোধিতা কৰি গুৱাহাটীত ৰাজহুৱা সভা ঃ এই সভাই উল্লিখিত অঞ্চলৰ চলিত শাসন ব্যৱস্থা দেশীয় অখণ্ডতাৰ স্বাৰ্থত ক্ষতিকাৰক বুলি মত প্ৰকাশ কৰে আৰু আয়ুক্ত নিয়োগৰ প্ৰস্তাৱে ঐক্যৰ পথত প্ৰবল বাধাৰ সৃষ্টি কৰিব বুলি তাৰ বিৰোধিতা কৰে। সভাৰ সভাপতিত্ব কৰে প্ৰদেশ কংগ্ৰেছৰ সভাপতি বিমলা প্ৰসাদ চলিহাই। এই সভাত লোৱা প্ৰস্তাৱসমূহ হৈছে— উত্তৰ-পূব সীমান্ত অঞ্চল আৰু অসমৰ অখণ্ডতা ৰক্ষাৰ স্বাৰ্থত আৰু উভয় অঞ্চলৰ জনসাধাৰণৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক ৰক্ষাৰ নিমিত্তে উক্ত অঞ্চলৰ প্ৰশাসন কাৰ্য, গণপৰিষদৰ উত্তৰ-পূব সীমান্ত জনজাতি আৰু শাসন বহিৰ্ভূত অঞ্চল

বেলেগ নাম প্ৰদান কৰা বুলি তেখেতে কৈছিল। ব্ৰহ্মপুত্ৰ উপত্যকাৰ কছাৰীসকলে নিজকে বড়ো বা বড়ো ফিছা (বড়োৰ সন্তান) বোলে। আনহাতে উত্তৰ কাছাৰৰ পাহাৰীয়া ঠাইৰ কছাৰীসকলে নিজকে ডিমাচা বোলে বুলি তেখেতে উল্লেখ কৰিছে যি 'ডিম ফিছা' শব্দটিৰ পৰা উদ্ভৱ হৈছে আৰু ইয়াৰ অৰ্থ হৈছে বৰ নৈৰ সন্তানসকল। আহোমসকলে এই লোকসকলক ডিমাচা বুলি কৈছিল। গেইটে বড়ো-কছাৰীসকলৰ প্ৰাচীন ইতিহাসৰ বিষয়ে বিশেষভাৱে আলোকপাত কৰা নাই যদিও স্থান আৰু নৈৰ নামবোৰৰ বিশ্লেষণৰ দ্বাৰা দেখুৱাইছে যে আহোমসকলৰ তুলনাত বড়োসকলে বহু আগৰে পৰা অঞ্চলটোত ৰাজনৈতিক আধিপত্য বিস্তাৰ কৰিছিল। গেইটৰ মতে ডিব্ৰু, ডিহিং, দিবং, ডিগাৰু, দিখৌ, দিচাং, দিগাং, দিমলা আদি নৈৰ নামবোৰে বড়োসকলৰ সম্প্ৰসাৰণৰ কথাকে প্ৰতিষ্ঠাপিত কৰে। বহুকেইজন নৃতাত্ত্বিক তথা বুৰঞ্জীবিদে মত দাঙি ধৰিছে যে কছাৰীৰ (অৰ্থাৎ বড়ো, কছাৰীসকলৰ) বাহিৰেও ৰাভা, মেচ, ধিমাল, কোচ, সলানিমিয়া, মহালীয়া, ফুলগুৰিয়া, শৰণীয়া, ডিমাচা, হোজাই, লালুং (তিৱা), গাৰো, হাজং আদি জনজাতি বৃহত্তৰ বড়ো জাতিৰ অন্তৰ্গত। এনে ধৰণৰ বিশ্লেষণবোৰৰ পৰা প্ৰমাণ হয় যে অসমৰ বিভিন্ন জনগোষ্ঠী কোনোবা এটা সময়ত সমগ্ৰ উত্তৰ-পূব ভাৰতৰ বিভিন্ন অঞ্চলত বিস্তাৰ কৰিছিল আৰু এটা বৃহত্তৰ জনগোষ্ঠীৰ পৰাই কেইবাটাও সুকীয়া গোষ্ঠীৰ সৃষ্টি হৈছিল।

ডিমাচা কছাৰীসকল এক বৃহত্তৰ জনগোষ্ঠীৰ পৰা উদ্ভৱ হোৱা এটা সুকীয়া জনজাতি হ'লেও বিভিন্ন কছাৰী জনজাতিৰ ভিতৰত একমাত্ৰ এই ডিমাচাসকলৰ দ্বাৰা স্থাপিত হোৱা ৰাজ্যখনকহে আমি এখন পূৰ্ণাংগ কছাৰী ৰাজ্য হিচাপে ইতিহাসৰ বুকুত বিচাৰি পাওঁ। ব্ৰিটিছ অধিকাৰৰ কালছোৱাত ডিমাচাৰ দ্বাৰা শাসিত ৰাজ্যখনক 'হেড়ম্ব ৰাজ্য' বুলি জনা গৈছিল যদিও ইয়াৰ অধিবাসীসকলে নিজকে 'ডিমাচা' বুলিহে পৰিচয় দিছিল। ডিমাপুৰলৈকে অহাৰ আগেয়ে ডিমাচাসকলে নিজকে বডোচা বুলি পৰিচয় দিছিল বুলি কিছু

ছাব-কমিটীৰ পূৰ্বতে দিয়া অনুমোদন অনুযায়ী ভাৰত চৰকাৰৰ প্ৰতিনিধি স্বৰূপে অসম চৰকাৰৰ দ্বাৰা নিৰ্বাহ হ'ব লাগে। উক্ত অঞ্চলৰ সেই সময়ৰ প্ৰশাসন ব্যৱস্থাই অখণ্ডতা প্ৰতিষ্ঠাৰ গতিত বাধাৰ সৃষ্টি কৰিছে বুলি সভাই অভিমত দিয়ে আৰু উদ্বেগ প্ৰকাশ কৰে যে যিমানেই সদিচ্ছা প্ৰণোদিত নহওক লাগে আয়ুক্ত নিয়োগৰ প্ৰস্তাৱিত ব্যৱস্থাই অখণ্ডতাৰ স্বাৰ্থত প্ৰবল অন্তৰায় সৃষ্টি কৰিব আৰু ভাগ ভাগ হৈ থকা মনোভাবক প্ৰৰোচিত কৰিব।

৩০ জুলাই ঃ অসম অংগচ্ছেদ প্ৰতিৰোধ কমিটীৰ আহ্বানত গুৱাহাটীত বহা সদৌ অসম অভিৱৰ্তনে উত্তৰ-পূব সীমান্ত এজেঞ্চিৰ প্ৰশাসন ৰাজ্যপালৰ নিয়ন্ত্ৰণৰ পৰা অসম চৰকাৰলৈ হস্তান্তৰ কৰিব লাগে বুলি দাবী জনায়। অসমৰ অংগচ্ছেদ প্ৰতিৰোধ আন্দোলনৰ উদ্দেশ্য সম্বন্ধে হোৱা বিশদ আলোচনাৰ পিচত অভিৱৰ্তনত গৃহীত এটা প্ৰস্তাৱত উত্তৰ-পূব সীমান্ত এজেঞ্চিৰ সেই সময়ৰ প্ৰশাসন সম্পৰ্কে খৰচী মাৰি অনুসন্ধান কৰি তিনি মাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিবলৈ চৰকাৰে ততালিকে এটা বেচৰকাৰী আয়োগ নিযুক্ত কৰিব লাগে বুলি দৃঢ়ভাৱে মত প্ৰকাশ কৰা হয়।

১০ আগষ্ট ঃ কাছাৰ সীমান্তত পাকিস্তানী ফৌজৰ ভাৰতীয় সৈন্যৰ ওপৰত আক্ৰমণ।

১৪ আগষ্ট ঃ সীমান্তৰ জনজাতি অঞ্চলত অসমীয়া উমৈহতীয়া ভাষা হ'ব বুলি মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে নতুন দিল্লীত প্ৰধানমন্ত্ৰী নেহৰুক সাক্ষাৎ কৰি অহাৰ পিচত ঘোষণা কৰে। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীগৰাকীয়ে বহুতো দোৱান থকা এই জনজাতি অঞ্চলসমূহত অসমীয়া ভাষা উমৈহতীয়া ভাষা স্বৰূপে ব্যৱহাৰ কৰিব পৰাকৈ অসমীয়া ভাষাৰ বিস্তাৰত উদগনি দিয়া হ'ব বুলি ব্যক্ত কৰে। কেন্দ্ৰীয় চৰকাৰৰ হৈ প্ৰধানমন্ত্ৰী নেহৰুৱে এই বিষয়ত স্পষ্টভাৱে সন্মতি জ্ঞাপন কৰিছে বুলিও তেওঁ জনায়।

৪ ছেপ্টেম্বৰ ঃ অসম বিধানসভাই 'অসম বিত্তীয় কৰ্পৰেচন' স্থাপন কৰিবৰ কাৰণে অনুমোদন কৰে। এই

পণ্ডিতে কয়। ডিমাপুৰলৈ অহাৰ পিচতহে তেওঁলোকে ডিমাচা নামেৰে অভিহিত হয়। ডিমাচা ভাষাত ধনশিৰি (ধনশ্ৰী) নদীৰ নাম ডিমা। ডিমাচা শব্দৰ সেই হিচাপত অৰ্থ হৈছে ডিমা নদীৰ পাৰত থকা লোক।

ইতিহাসবিদসকলৰ মতে ডিমাচাসকলে ডিমাপুৰত প্ৰায় ৪৫০ৰ পৰা ৪০০ বছৰ ৰাজত্ব কৰিছিল। এচামৰ মতে ১০৮৬ খ্ৰীষ্টাব্দত ডিমাচাসকলে ডিমাপুৰত ৰাজত্ব স্থাপন কৰিছিল আৰু ১৫৩৬ খ্ৰীষ্টাব্দত ডিমাচাসকলে ডিমাপুৰ এৰে। আনহাতে উপেন চন্দ্ৰ গুহৰ নিচিনা বিশিষ্ট ইতিহাসবিদৰ মতে ডিমাপুৰত কছাৰী ৰাজত্বৰ কালছোৱা ১১৫০ খ্ৰীষ্টাব্দৰ পৰা ১৫৩৬ খ্ৰীষ্টাব্দলৈ হ'ব পাৰে। আহোমৰ দ্বাৰা আক্ৰমণত ডিমাপুৰৰ পতন ঘটাত ডিমাচাসকলে মাইবঙত ৰাজধানী স্থাপন কৰিছিল। এই মাইবং ৰাজ্য প্ৰতিষ্ঠা সন্দৰ্ভত 'কছাৰী বুৰঞ্জী'ত আন এটি তথ্য পোৱা যায়। এই তথ্যমতে ডিমাপুৰ ধ্বংস হোৱাৰ কালত কছাৰী ৰজা দেৰছংফাৰ মৃত্যু হয়। ইয়াৰ ফলত কছাৰীসকল ৰজাবিহীন হৈ পৰিল আৰু তেতিয়া কছাৰীসকলে দেৰছংফাৰ পুতেক মদন কুমাৰক ৰজা পাতিবলৈ আহোম ৰজাৰ প্ৰতি অনুৰোধ জনায়। সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰি আহোম ৰজাই মদন কুমাৰক নিৰ্ভয় নাৰায়ণ নাম প্ৰদান কৰি 'থাপিত-সঞ্চিত' ৰজা হিচাপে মাইবঙত ৰজা পাতি দিয়ে। মাইবঙত ৰাজ্য স্থাপন কৰাৰ পিচত ডিমাচা ৰাজ্যখনে কোচ, আহোম, জয়ন্তীয়া, মণিপুৰ আৰু ত্ৰিপুৰা ৰাজ্যৰ লগে লগে উত্তৰ-পূব ভাৰতৰ এখন ক্ষমতাশালী মধ্যযুগীয়া ৰাজ্য হিচাপে আত্মপ্ৰকাশ কৰিবলৈ সক্ষম হয়।

১৬০২ খ্ৰীষ্টাব্দৰ পৰা কাছাৰৰ ভৈয়ামলৈ ডিমাচা ৰাজ্যৰ বিস্তাৰৰ আৰম্ভণি হ'বলৈ ধৰে। অৱশ্যে সমতলৰ খাছপুৰ ৰাজ্যৰ অস্তিত্বৰ বাবে ডিমাচা ৰাজ্যৰ অধিকাৰ উত্তৰ কাছাৰ বা বৰাইল পাহাৰৰ দাঁতিৰ এটি ক্ষুদ্ৰ খণ্ডতে সীমাবদ্ধ হৈ আছিল। ১৭৪৫ চনত খাছপুৰ ৰাজ্যৰ শেষ ৰজা ভীম সিংহৰ জীয়েক তথা একমাত্ৰ সন্তান কাঞ্চনীৰ সৈতে মাইবঙৰ ৰাজকুমাৰ লক্ষ্মীচন্দ্ৰৰ বিবাহ সম্পন্ন হোৱাত ডিমাচা ৰাজ্যৰ সৈতে খাছপুৰৰ সদ্ভাৱ গঢ়ি উঠে আৰু

কৰ্পৰেচনৰ স্বীকৃত মূলধন ২ কোটি আৰু আদায়কৃত মূলধন ১ কোটি টকা হ'ব। এই প্ৰস্তাৱ দাঙি ধৰে বিত্ত মন্ত্ৰী মতিৰাম বৰাই।

১৯৫১ চনৰ ৰাজ্য বিত্তীয় কৰ্পৰেচন আইন অনুসৰি বিত্তীয় কৰ্পৰেচন ২ কোটি স্বীকৃত মূলধন আৰু আদায়কৃত মূলধন এক কোটি টকাৰে গঠন কৰিব খোজা হ'ব। এই মূলধন এশটকীয়া অংশীদাৰত ভাৰত চৰকাৰৰ অনুমোদনক্ৰমে ৰাজ্য চৰকাৰে এনেদৰে বিতৰণ কৰিব — অসম চৰকাৰ ২৫ লাখ টকা, ৰিজাৰ্ভ বেংক ২০ লাখ, ছিডিউল্ড বেংক, ইঞ্চিওৰেঞ্চ কোম্পানী, ইনভেষ্টমেণ্ট ট্ৰাষ্ট ক'ৰ্পৰেচন বেংক অথবা অন্যান্য বিত্তীয় প্ৰতিষ্ঠান ৩০ লাখ আৰু অন্যান্য পাৰ্টী২৫ লাখ টকা।

৮ ছেপ্টেম্বৰ ঃ অসম বিধানসভাত ৮খন চৰকাৰী বিল গৃহীত। সেইসমূহ হৈছে —

- অসম নন এগ্ৰিকালচাৰেল আৰবান এৰিয়াজ বিল।
- অসম এম্বেংকমেণ্ট এণ্ড ড্ৰেইনেজ বিল।
- অসম ছেল্‌ছ অব মটৰ স্পিৰিট এণ্ড লুব্ৰিকাণ্টছ টেক্সেছন (সংশোধনী) বিল।
- অসম ৰিকুইজিচন এণ্ড কণ্ট্ৰ'ল অব ভেহিকল্‌ছ (সংশোধনী) বিল।
- অসম লেবাৰ প্ৰহিবিছন (সংশোধনী) বিল।
- অসম লোকেল অথৰিটিজ কম্পেনচেটৰী গ্ৰাণ্টছ বিল।
- শ্বিলং (ৰাইফল ৰেঞ্জ এণ্ড উমলিং) কেণ্টনমেণ্টছ এছিমিলেচন অব্ ষ্টেট অব লজ বিল আৰু
- অসম লোকেল ৰেটছ (সংশোধনী) বিল।

১১ ছেপ্টেম্বৰ ঃ অসম বিধানসভাত জমিদাৰী অধিগ্ৰহণ সংশোধনী বিল গৃহীত হয়।

১৮ ছেপ্টেম্বৰ ঃ মঙলদৈ জিলা চাহ মজদুৰ সংঘৰ উদ্যোগত মঙলদৈৰ ১২খন চাহ বাগিচাৰ ৭০ হাজাৰ বনুৱাই ধৰ্মঘট কাৰ্যসূচী পালন কৰে। শীত কালত অকামিলা হৈ থকা বনুৱাৰ ক্ষতিপূৰণ, পাত তোলাৰ ন্যূনতম মজুৰি আৰু অতিৰিক্ত পাতৰ বাবে অতিৰিক্ত মজুৰি, ন্যূনতম দৰমহা আৰু মৰগীয়া বানচ কটাটো উঠাই

ফলত সমতল কাছাৰৰ বাকী অংশতো হেড়ম্ব ৰাজ্যৰ আধিপত্য স্থাপিত হয়। ১৭৫০ চনত হেড়ম্ব ৰাজ্যৰ ৰাজধানী মাইবঙৰ পৰা খাছপুৰলৈ স্থানান্তৰিত হয়। ১৭৯৯ খ্রীষ্টাব্দত আগা মহম্মদ ৰেজা নামৰ মোগল এজনে কাছাৰত সোমাই নিজকে দ্বাদশ ইমাম বুলি চিনাকি দি মুছলমান প্রজাসকলৰ একাংশক ৰজাৰ বিৰুদ্ধে বিদ্রোহ কৰিবলৈ প্রৰোচিত কৰিছিল। শ্রীহট্ট, কমিল্লা, মৈমনসিং আদি প্রতিবেশী অঞ্চলবোৰৰ পৰা ইমামজনৰ ভালেসংখ্যক অনুগামীয়ে তেওঁক সহায় কৰিবলৈ কাছাৰত সোমাই গৈছিল। প্রজাসকলক সুৰক্ষা দিবৰ বাবে হেড়ম্ব ৰাজ্যৰ ৰজা কৃষ্ণচন্দ্রই পাহাৰত আশ্রয় ল'বলৈ বাধ্য হয়। সমতল কাছাৰৰ বহু লোকেও শ্রীহট্টত আশ্রয় লয়। পাহাৰত আত্মগোপন কৰি থাকোঁতে ৰজাই সাহায্যৰ বাবে ব্রিটিছৰ ওচৰত আবেদন কৰে। এই আবেদনৰ প্রতি সঁহাৰি জনাই ব্রিটিছ সৈন্যই কাছাৰত প্রৱেশ কৰে আৰু আগা মহম্মদক বন্দী কৰি কলিকতালৈ লৈ যায়। ১৮০৩ খ্রীষ্টাব্দত কল্যাণ সিং নামৰ ইষ্ট ইণ্ডিয়া কোম্পানীৰ এজন চুবেদাৰে এটা বৰকান্দাজৰ দল লগত লৈ কাছাৰ আক্রমণ কৰে। ইয়াৰ পিচত কৃষ্ণচন্দ্রই পুনৰ ব্রিটিছৰ সহায় বিচাৰে আৰু ব্রিটিছ সৈন্যই কল্যাণ সিঙক বহিষ্কাৰ কৰে।

১৮১৩ চনত নিঃসন্তান কৃষ্ণচন্দ্রৰ মৃত্যু ঘটাত তেওঁৰ ভাতৃ গোবিন্দচন্দ্র হেড়ম্ব ৰাজ্যৰ ৰজা হয়। এই শেষ ৰজাজনে বৃদ্ধ বয়সত সিংহাসনত বহিছিল আৰু তেওঁৰ সময়তে ৰাজ্যখনলৈ চূড়ান্ত সংকট নামিছিল। তেওঁৰ সময়তে ৰাজ্যখনৰ পৰিস্থিতি অধিক জটিল হৈ পৰে আৰু পাহাৰৰ ডিমাচাসকলে ৰাজ্যৰ প্রতি কৰ দিয়াটো একপ্রকাৰ বন্ধ কৰি দিয়ে। বহিধন নামৰ এজনৰ নেতৃত্বত উত্তৰ কাছাৰৰ ডিমাচাসকলে গোবিন্দচন্দ্রৰ বিৰুদ্ধে বিদ্রোহো কৰিছিল। গোবিন্দচন্দ্রই বহিধনক ধৰি আনি হত্যা কৰিলত তেওঁৰ পুতেক তুলাৰামে বিদ্রোহ অব্যাহত ৰাখে। অৱশেষত তুলাৰামৰ বিদ্রোহ বশ কৰিব নোৱাৰি ব্রিটিছ এজেণ্ট ডেভিদ স্কটৰ সহায় বিচাৰে। স্কটৰ মধ্যস্থতাত গোবিন্দচন্দ্রই তুলাৰামক 'সেনাপতি' পদ উত্তৰ কাছাৰৰ প্রকৃত শাসক হিচাপে স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল। ইয়াৰ

দিয়াৰ দাবীত এই কাৰ্যসূচী পালন কৰা হয়। উল্লেখযোগ্য যে সেই সময়ছোৱাত অসমৰ চাহ উদ্যোগৰ ইয়েই বৃহত্তম ধৰ্মঘট।

১৯ ছেপ্টেম্বৰ ঃ ভাৰত চৰকাৰে তিনি লাখতকৈও অধিক টকা খৰচ কৰি অসমত ৫০ একৰ মাটিৰ এখন মৰাপাট গৱেষণা ফাৰ্ম প্ৰতিষ্ঠা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখযোগ্য যে ভাৰত চৰকাৰে প্ৰতিষ্ঠা কৰিব খোজা তিনিখন এনেধৰণৰ ফাৰ্মৰ ভিতৰত এইখনো এখন।

২৩ ছেপ্টেম্বৰ ঃ তেজপুৰ নগৰৰ চ'ক বজাৰত হোৱা এক ভীষণ অগ্নিকাণ্ডত প্ৰায় ৬০ লাখ টকাৰ সা-সম্পত্তি ভস্মীভূত হয়।

২ অক্টোবৰ ঃ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে গুৱাহাটীৰ পৰা ২৩ মাইল পূবে তেতেলীয়াত কমিউনিটী প্ৰজেক্ট আঁচনি উদ্বোধন কৰে। বেলতলা, সোণাপুৰ, ডিমৰীয়া আৰু পাণবাৰী মৌজাৰ কিছু অংশ এই আঁচনিৰ অন্তৰ্ভুক্ত কৰা হয়।

৪ অক্টোবৰ ঃ ভাৰতৰ কাৰখানা, যোগান আৰু গৃহ নিৰ্মাণ দপ্তৰৰ উপমন্ত্ৰী সুৰেন্দ্ৰনাথ বুঢ়াগোহাঁইৰ মৃত্যু ঃ উপমন্ত্ৰী বুঢ়াগোহাঁইৰ কলিকতাৰ প্ৰেছিডেঞ্চী জেনেৰেল হাস্পতালত এপেণ্ডিছাইটিছৰ কাৰণে অস্ত্ৰোপচাৰ কৰাৰ পিচত মৃত্যু হয়।

১৯৪৩ চনত তেওঁ অসম বিধানসভাৰ সদস্য হিচাপে নিৰ্বাচিত হয়। ১৯৪৫-৪৬ চনত তেওঁ কংগ্ৰেছ পাৰ্টীৰ সমৰ্থন লৈ অসমৰ সৰ্বদলীয় মন্ত্ৰীসভাত যোগ দি স্থানীয় স্বায়ত্ত শাসন, আবকাৰী আৰু বনুৱা দপ্তৰৰ ভাৰ বহন কৰে। ১৯৫৩ চনৰ জানুৱাৰী মাহত অসমৰ পৰা সংসদলৈ নিৰ্বাচিত হয় আৰু সেই বছৰৰে আগষ্ট মাহত কাৰখানা, খনি আৰু বিদ্যুৎ শক্তিৰ উপমন্ত্ৰী হিচাপে নিয়োজিত হয়।

১০ অক্টোবৰ ঃ উত্তৰ-পূব জনজাতি অঞ্চলৰ উন্নতিকৰণৰ বাবে ভাৰত চৰকাৰৰ অনুমতি।

৩০ অক্টোবৰ ঃ মিচিমি পাহাৰৰ এটা অঞ্চলত কিছুদিনৰ পৰা ধাৰাবাহিকভাৱে হত্যাকাণ্ড আৰু খণ্ডযুদ্ধৰ পৰিস্থিতিৰ সৃষ্টি হয়। এই হত্যাকাণ্ডত প্ৰায় ৩০জন লোকৰ মৃত্যু হয়।

ফলত উত্তৰ আৰু দক্ষিণৰ হিচাপত হেড়ম্ব ৰাজ্যৰ পৰোক্ষ বিভাজন ঘটিল আৰু উত্তৰৰ লগতে মধ্য কাছাৰ বা ধৰ্মপুৰ অঞ্চলো তুলাৰামৰ ভাগত পৰিল।

সমতল কাছাৰতো হেড়ম্ব ৰজাৰ আধিপত্য বৰ সৰহদিন টিকি নাথাকিল। মণিপুৰৰ ৰাজকুমাৰ চৌৰজিত আৰু গম্ভীৰ সিংহই ইতিমধ্যে গোবিন্দচন্দ্ৰক বহিষ্কাৰৰ কথা ভাবিছিল। মানে মণিপুৰ আক্ৰমণ কৰাৰ পিচত মাৰজিত, চৌৰজিত আৰু গম্ভীৰ সিংহ কাছাৰত লগ হয়হি আৰু গোবিন্দচন্দ্ৰক শ্ৰীহট্টলৈ খেদি পঠায়। পৰৱৰ্তী সময়ত মণিপুৰৰ পৰা পলাই আহি কাছাৰত প্ৰৱেশ কৰা ৰাজকুমাৰ মাৰজিতক খেদি মানসকলে কাছাৰত প্ৰৱেশ কৰে। এই আক্ৰমণত বিতত হৈ মণিপুৰী ৰাজকুমাৰ মাৰজিত, চৌৰজিত আৰু গম্ভীৰ সিংহ শ্ৰীহট্টলৈ পলাই যাবলৈ বাধ্য হয়। ১৮২৪ চনত ব্ৰিটিছ আৰু মানৰ মাজত যুদ্ধ লগাত গোবিন্দচন্দ্ৰ আৰু ব্ৰিটিছৰ মাজত 'বদৰপুৰৰ সন্ধি' স্বাক্ষৰিত হয়। এই সন্ধি অনুসাৰে হেড়ম্ব ৰাজ্য ব্ৰিটিছৰ তলতীয়া ৰাজ্য বুলি স্বীকৃত হয় আৰু ৰজাই বছৰে প্ৰতি দহ হাজাৰ টকা ব্ৰিটিছক দিবলৈ অংগীকাৰ কৰে।

১৮২৬ চনৰ ব্ৰহ্মযুদ্ধৰ সমাপ্তিৰ পিচত গোবিন্দচন্দ্ৰই দ্বিতীয়বাৰৰ বাবে ৰজা হ'ল যদিও এই ৰাজত্ব সৰহদিন টিকি নাথাকিল। উত্তৰ কাছাৰৰ তুলাৰাম আৰু মণিপুৰত ব্ৰিটিছৰ মিত্ৰ ৰজা গম্ভীৰ সিংহই গোবিন্দচন্দ্ৰক বহিষ্কাৰ কৰি সমতল কাছাৰ দখল কৰা অভিপ্ৰায়ত লিপ্ত হৈ থাকিল। ১৮৩০ চনত গম্ভীৰ সিংহৰ দ্বাৰা নিযুক্ত আততায়ীৰ হাতত গোবিন্দচন্দ্ৰ নিহত হয়। ইয়াৰ পিচতে ব্ৰিটিছে ১৮৩২ খ্ৰীষ্টাব্দত সমতল কাছাৰ, ১৮৩৪ খ্ৰীষ্টাব্দত ধৰ্মপুৰ আৰু ১৮৫৪ খ্ৰীষ্টাব্দত উত্তৰ কাছাৰ অধিগ্ৰহণ কৰি লয়। ইয়াৰ ফলত ডিমাচা হেড়ম্ব ৰাজ্যৰ অস্তিত্ব সম্পূৰ্ণভাৱে লুপ্ত হৈ পৰিল।

গোবিন্দচন্দ্ৰৰ মৃত্যুৰ পিচত তেওঁৰ ৰাজ্য ব্ৰিটিছৰ অধীনলৈ গৈছিল যদিও বৰাইল পাহাৰৰ উত্তৰৰ দিশত শেষ ডিমাচা ৰজা তুলাৰামে মৃত্যুপৰ্যন্ত ৰাজত্ব কৰিছিল আৰু ব্ৰিটিছে তেওঁৰ সাম্ৰাজ্যক স্বীকৃতি দিছিল। কিন্তু ১৮৫৪ চনত তেওঁৰ মৃত্যুৰ পিচত তুলাৰামৰ পুতেকক ব্ৰিটিছে স্বীকৃতি নিদিলে আৰু

১০ নৱেম্বৰ ঃ যোৰহাটৰ তিতাবৰত ৬ দিনীয়া কাৰ্যসূচীৰে নিখিল ভাৰত বুনিয়াদী শিক্ষা সন্মিলনৰ ৯ম বাৰ্ষিক অধিৱেশনৰ আৰম্ভণি। এই অধিৱেশনৰ সভাপতি হ'ল ভাৰতৰ অনুন্নত শ্ৰেণী আয়োগৰ সভাপতি কাকাচাহেব কালেলকাৰ।

২৭ নৱেম্বৰ ঃ গুৱাহাটীত অসম প্ৰজা-ছচিয়েলিষ্ট পাৰ্টীৰ প্ৰথম প্ৰাদেশিক সন্মিলন অনুষ্ঠিত হয়। এই সন্মিলনত সভাপতিত্ব কৰে হলধৰ ভূঞাই। এই সন্মিলনে শিক্ষকৰ ট্ৰেড ইউনিয়ন আন্দোলন সমৰ্থন কৰি প্ৰচলিত শিক্ষা নীতি, অৰ্থনৈতিক বিকেন্দ্ৰীকৰণ আৰু ভূমি নীতি সংস্কাৰৰ দাবী জনায়।

১২ ডিচেম্বৰ ঃ অসমৰ ৫খন স্বায়ত্তশাসিত জিলাৰ ৭জন জনজাতীয় নেতাই বেলেগ বেলেগ বিবৃতিযোগে স্বাধীন নাগা ৰাজ্যৰ কাৰণে নগা নেচনেল কাউঞ্চিলে তোলা দাবী আত্মঘাতীমূলক বুলি ঘোষণা কৰে। তেওঁলোকে নগা নেচনেল কাউন্সিলে চলোৱা আন্দোলন সন্দৰ্ভত গভীৰ উদ্বেগ প্ৰকাশ কৰি এই আন্দোলনক লৈ গভীৰ অসন্তুষ্টি প্ৰকাশ কৰে।

২৫ ডিচেম্বৰ ঃ শ্বিলঙৰ পুলিচ বজাৰত সংঘটিত এক অগ্নিকাণ্ডত প্ৰায় ৩ লাখ টকাৰ সম্পত্তিৰ অনিষ্ট সাধন হয়।

এই ৰাজ্যখনক নগাঁৱৰ সৈতে সংলগ্ন কৰা হ'ল। ১৮৬৬ চনত যেতিয়া নগা পাহাৰ জিলা গঠনৰ সিদ্ধান্ত লোৱা হয় তেতিয়া উত্তৰ কাছাৰক নগাঁও, কাছাৰ আৰু নগা পাহাৰৰ মাজত ভাগ বিতৰণ কৰি দিয়া হয়। ইয়াৰ কিছুদিনৰ পিচত আছালুত সদৰ কৰি এক প্ৰশাসনীয় গোট গঠন কৰা হয়। ১৮৮০ চনত মহকুমাৰ সদৰ গুণজুঙত পতা হয় আৰু ১৮৯৫ চনত ইয়াক হাফলঙলৈ তুলি নিয়া হয়। ১৯২১ চনত উত্তৰ কাছাৰ মহকুমাক পিচপৰা অঞ্চল বুলি ঘোষণা কৰা হয়। ১৯৩৫ চনৰ ভাৰত চৰকাৰৰ আইন অনুযায়ী ইয়াক বহিৰ্ভূত অঞ্চল বুলি অধিসূচিত কৰা হয়। এনে বহিৰ্ভূত এলেকাত গৱৰ্ণৰে প্ৰত্যক্ষভাৱে প্ৰশাসনৰ গুৰু দায়িত্ব লৈছিল।

ভাৰতবৰ্ষৰ সংবিধান প্ৰণয়নৰ সময়ত উত্তৰ-পূবৰ জনজাতিসকলৰ বাবে বিশেষ সাংবিধানিক ব্যৱস্থা ৰচনা কৰিবলৈ সংবিধান সভাৰ ফালৰ পৰা প্ৰেৰণ কৰা বৰদলৈ উপ-সমিতিৰ আগত কাৰ্বি (তেতিয়া মিকিৰ নামে জনাজাত) আৰু উত্তৰ কাছাৰৰ অধিবাসীসকলে নিজ নিজ মত দাঙি ধৰিছিল। মিকিৰ পাহাৰৰ লোকসকলে দাবী কৰিছিল যে তেওঁলোকৰ বাবে এখন সুকীয়া জিলা গঠন কৰিব লাগে যাতে তেওঁলোক সকলোৱে একেই প্ৰশাসনিক গোটৰ অধীনস্থ হয়। সেয়েহে তেওঁলোকে বৰদলৈ উপ-সমিতিৰ সদস্যসকলৰ আগত কৈছিল যে নগাঁও, শিৱসাগৰ, উত্তৰ কাছাৰ পাহাৰ আৰু খাছি আৰু জয়ন্তীয়া পাহাৰৰ মিকিৰ অধিকৃত অংশবোৰক লৈ মিকিৰবোৰৰ বাবে এখন জিলা গঠন কৰিব লাগে। তেওঁলোকে এইবুলিও মতপ্ৰকাশ কৰিলে যে কেন্দ্ৰীয় বা প্ৰাদেশিক বিধানমণ্ডলীয়ে প্ৰণয়ন কৰা আইন মিকিৰৰ স্থানীয় পৰিষদৰ সন্মতিসাপেক্ষেহে প্ৰৱৰ্তন কৰাটো উচিত। অসমৰ প্ৰাদেশিক বিধানসভাত প্ৰতি পঞ্চাশ হাজাৰ লোকৰ বিপৰীতে এজনকৈ লোক মিকিৰ পাহাৰ জিলাৰ পৰা প্ৰতিনিধিত্ব কৰিব লাগে আৰু মিকিৰ পাহাৰৰ সকলো চাকৰি কেৱল মিকিৰসকলৰ বাবে সংৰক্ষণ কৰিব লাগে।

আনহাতে উত্তৰ কাছাৰ পাহাৰৰ লোকে বৰদলৈ উপ-সমিতিৰ আগত

১৯৫৪

১৫ জানুৱাৰী ঃ ব্ৰহ্মপুত্ৰ উপত্যকাৰ পলসুৱা ঠাইত পেট্ৰ'লিয়াম বিশেষজ্ঞসকলে আধুনিক সা-সৰঞ্জামেৰে তিনিধৰণৰ ভূ-প্ৰাকৃতিক সমীক্ষণ আৰম্ভ কৰে। তেলৰ সন্ধান পোৱাৰ আশাতেই এই কাৰ্য চলোৱা হৈছে।

১৮ জানুৱাৰী ঃ অসমৰ বৰ্তমানৰ ৰাজ্যপাল জয়ৰামদাস দৌলতৰামৰ ঠাইত মেজৰ জেনেৰেল ঠাকুৰ নান সিঙক অসমৰ ৰাজ্যপাল নিযুক্ত কৰা হয়।

- গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃৰ বিশেষ অধিৱেশনত সৰ্বসন্মতিক্ৰমে গৃহীত হোৱা প্ৰস্তাৱ অনুসাৰে কৃষ্ণকান্ত সন্দিকৈক পুনৰ তিনি বছৰৰ বাবে উপাচাৰ্য নিৰ্বাচিত কৰা হয়।

২৪ জানুৱাৰী ঃ প্ৰবীণ সাহিত্যিক, অসম সাহিত্য সভাৰ ভূতপূৰ্ব সভাপতি কালীৰাম মেধিৰ গুৱাহাটীৰ নিজ বাসভৱনত হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স ৭৮ বছৰ হৈছিল। ১৮৭৮ চনত কামৰূপ জিলাৰ ৰামদিয়া গাঁৱত জন্মগ্ৰহণ কৰা মেধিয়ে ১৯০৩ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা বিজ্ঞানত এম এ পাছ কৰে। অসমৰ তেওঁ চতুৰ্থজন এম এ। ১৯০৫ চনত তেওঁ ছাব-ডেপুটী কালেক্টৰ কামত ভৰ্তি হৈ ই এ চি আৰু ডেপুটী কমিছনাৰ পদলৈ উধায়। ১৯৩৫ চনত তেওঁ অৱসৰ গ্ৰহণ কৰে। চাকৰিৰ আৰম্ভণিৰে পৰা সাহিত্য চৰ্চাত মনোনিৱেশ কৰা মেধিয়ে সাহিত্যৰ গৱেষণামূলক বহুতো মূল্যৱান ইংৰাজী, সংস্কৃত, পালি আদি ভাষাৰ কিতাপ যুগুত কৰে আৰু আসাম বান্ধৱ, আলোচনী, কামৰূপ অনুসন্ধান সমিতিৰ পত্ৰিকা আদিত নানা বিষয়ৰ গৱেষণামূলক মূল্যৱান প্ৰবন্ধ লিখি প্ৰকাশ কৰে। গুৱাহাটীৰ ৰাজ্যিক সংগ্ৰহালয়ৰ তেৱেঁই কৰ্ণধাৰ আছিল। অসম সাহিত্য সভাৰ বৰপেটা অধিৱেশনত সভাপতিত্ব কৰা মেধিৰ প্ৰকাশিত গ্ৰন্থসমূহ হৈছে— প্ৰহ্লাদ চৰিত্ৰ, অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব আৰু অংকাৱলী।

৩০ জানুৱাৰী ঃ গুৱাহাটীৰ

নিজৰ মত দাঙি ধৰি কৈছিল যে স্থানীয় কাৰ্যকলাপ আৰু প্ৰথাগত আইন-কানুনৰ ক্ষেত্ৰত তেওঁলোকক স্বায়ত্ত শাসন প্ৰদান কৰিব লাগে। উত্তৰ কাছাৰ পাহাৰৰ জনজাতীয় পৰিষদৰ ফালৰ পৰা দাবী তোলা হৈছিল যে জোৰ-জবৰদস্তিমূলক শ্ৰম (Forced Labour) আৰু ভিক্ষাবৃত্তি নিৰ্মূল কৰিব লাগে আৰু তেওঁলোকে নিজা প্ৰথা আৰু আচাৰ-ব্যৱহাৰ পালন কৰি যোৱাত ৰাষ্ট্ৰই নিশ্চয়তা দিব লাগে। নিজা প্ৰশাসনত যাতে কোনোধৰণৰ বহিৰ্হস্তক্ষেপ নহয় আৰু স্থানীয় বিষয়-বাববোৰ কেৱল স্থানীয় লোকৰ দ্বাৰাহে পূৰণ হ'ব লাগে বুলিও তেওঁলোকে দাবী তুলিছিল। ভাৰতবৰ্ষৰ স্বাধীনতাৰ আগতে উত্তৰ কাছাৰক বহিৰ্ভূত এলেকা বুলি ঘোষণা কৰাৰ সমান্তৰালভাৱে মিকিৰ পাহাৰক আংশিকভাৱে বহিৰ্ভূত এলেকা বুলি নিশ্চয় কৰা হৈছিল। স্বাধীনতাৰ পিচত ভাৰতবৰ্ষৰ সংবিধানৰ ষষ্ঠ অনুসূচী অনুসাৰে ১৯৫১ চনৰ ১৭ নৱেম্বৰত সংযুক্ত মিকিৰ আৰু উত্তৰ কাছাৰ পাহাৰ জিলা (United Mikir and N C Hills District) গঠন কৰা হয়। এই জিলা গঠনৰ বাবে কাছাৰ জিলাৰ পৰা উত্তৰ কাছাৰ পাহাৰ মহকুমা, মিকিৰ পাহাৰ এলেকা, নগাঁও জিলাৰ দক্ষিণ পূব অঞ্চল, শিৱসাগৰ তথা গোলাঘাটৰ কিছু অঞ্চল সামৰি লোৱা হৈছিল। ভাৰতবৰ্ষৰ সংবিধানৰ ষষ্ঠ অনুসূচী অনুসৰি উত্তৰ কাছাৰ পাহাৰীয়া স্বায়ত্তশাসিত জিলা গঠন কৰা হয় আৰু ১৯৫২ চনৰ এপ্ৰিলত ইয়াক আনুষ্ঠানিকভাৱে ঘোষণা কৰা হয়। স্বায়ত্তশাসিত জিলা গঠন হ'লেও প্ৰশাসনিক স্বাৰ্থত ১৯৭০ চনলৈ উত্তৰ কাছাৰ পাহাৰ স্বায়ত্তশাসিত সংযুক্ত মিকিৰ আৰু উত্তৰ কাছাৰ পাহাৰ জিলাৰ এখন মহকুমা হিচাপে থাকি যায়। ১৯৭০ চনৰ ২ ফেব্ৰুৱাৰীত ইয়াক কাৰ্বি আংলঙৰ পৰা ফালৰি কাটি আনি সুকীয়া জিলা হিচাপে গঠন কৰা হয়।

কালাপাহাৰত বৰদলৈ স্মৃতি যক্ষ্মা হাস্পতালৰ ভেটি অসমৰ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে স্থাপন কৰে।

১৮ ফেব্ৰুৱাৰী ঃ অসমৰ জনসংখ্যা ৫০ বছৰত ৫২ লাখৰো অধিক বৃদ্ধি। ১৯৫১ চনৰ লোকপিয়লৰ প্ৰকাশিত প্ৰতিবেদন অনুসৰি অসমৰ মুঠ জনসংখ্যা হৈছে ৯,০৪৩,৭০২। ইয়াৰে ৪,৯৭২,৪৯৬ জনৰ মাতৃভাষা অসমীয়া। যোৱা ৫০ বছৰৰ ভিতৰত অসমত মুঠতে ৫,২২৯,৫১৯ জনসংখ্যা বাঢ়িছে। এই তথ্যৰ সবিশেষ এনেধৰণৰ—

মুঠ মাটিকালি ঃ ৮৫,০১২ বৰ্গ মাইল
নগৰীয়া জনসংখ্যা ঃ ৪১৪,৪১৮
পৰাপক্ষত ৫ হাজাৰ বাসিন্দা থকা আৰু নগৰীয়া বৈশিষ্ট্য থকা ঠাইবোৰক নগৰৰ ভিতৰত ধৰা হৈছে।

নগৰীয়া আৰু গাঁৱলীয়া অঞ্চলৰ বাসিন্দাৰ অনুপাত	ঃ	১ঃ২৯
অসমৰ মুঠ গাঁও	ঃ	২৫,৩২৭
নগৰ	ঃ	২৮খন

৭ মাৰ্চ ঃ নগা পাহাৰৰ জেলিয়াং আৰু কুকি জনজাতীয়সকল বাস কৰা কেইবাখনো গাঁৱত পোকে খেতি নষ্ট কৰাৰ ফলত ভীষণ দুৰ্ভিক্ষই দেখা দিছে বুলি অসম প্ৰজা ছচিয়েলিষ্ট পাৰ্টীৰ সম্পাদক বিপিনপাল দাসে সংবাদ মাধ্যমক জনায়।

১১ মাৰ্চ ঃ বিত্ত মন্ত্ৰী মতিৰাম বৰাই বিধানসভাত ৰাজ্যৰ বাজেট উত্থাপন কৰি ১৯৫৪-৫৫ চনৰ বাবে ২,২৮,৫১,০০০ টকাৰ ঘাটি দেখুৱায়। উল্লিখিত বছৰটোত মুঠ আয় ১৪,৪১,৬১,০০০ টকা আৰু মুঠ ব্যয় ১৬,৭০,১২,০০০ টকা ধৰা হৈছে।

২০ মাৰ্চ ঃ অসম বিধানসভাৰ আজিৰ অধিৱেশনত ৫ কোটি ৩২ লাখ ৭৮ হাজাৰ ১০৫ টকাৰ পৰিপূৰক মঞ্জুৰীৰ দাবী গৃহীত হয়। ৯ মাৰ্চৰ দিনা বিত্ত মন্ত্ৰী মতিৰাম বৰাই ১৯৫৩-৫৪ চনৰ বাবে ছয়ত্ৰিশটা ঘাই শিতানত এই মঞ্জুৰীৰ দাবী সদনত উত্থাপন কৰিছিল।

৩১ মাৰ্চ ঃ অসম চৰকাৰৰ ১৯৫০-৫১ চনৰ খৰচৰ বিষয়ে পৰীক্ষা কৰিবৰ বাবে ৰাজ্যিক বিধানসভাৰ দ্বাৰা নিযুক্ত পাব্লিক একাউণ্টছ কমিটীয়ে ৰাজ্য চৰকাৰৰ ব্যয় শিথিলতাৰ চোকা সমালোচনা কৰে। প্ৰতিবেদনত কোৱা হয় যে প্ৰতিবছৰে পাব্লিক একাউণ্টছ

মিজো পাহাৰ

১৯৮৭ চনৰ ২ ফেব্ৰুৱাৰীত এখন আনুষ্ঠানিকভাৱে পূৰ্ণ ৰাজ্যৰ স্বীকৃতি পোৱাৰ আগলৈকে মিজোৰাম এখন কেন্দ্ৰীয়শাসিত অঞ্চল আছিল। ১৯৭২ চনৰ ২১ জানুৱাৰীত তদানীন্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে মিজোৰামক এখন কেন্দ্ৰীয়শাসিত প্ৰদেশ হিচাপে উদ্বোধন কৰে তাৰ আগলৈ ই আছিল অসম প্ৰদেশৰ অন্তৰ্গত এখন জিলা।

ভাৰতবৰ্ষৰ উত্তৰ-পূব প্ৰান্তত অৱস্থিত মিজো পাহাৰ বা লুছাই পাহাৰৰ আবাসীসকল চীনৰ পৰা প্ৰব্ৰজিত বুলি কোৱা হয়। মিজোৰামৰ প্ৰচলিত ইতিহাস অনুসৰি পঞ্চদশ শতিকাত মিজোসকলে ব্ৰহ্মদেশত বসবাস কৰিছিল। মিজোসকলৰ বিভিন্ন

কমিটীয়ে বাৰে বাৰে অনুমোদন কৰা সত্ত্বেও সকলো দপ্তৰৰ খৰচৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত অৱলম্বন কৰা সোপাটিলা ব্যৱস্থা আৰু শিথিলতাপূৰ্ণ নীতিত কমিটীয়ে বৰ দুখ প্ৰকাশ কৰে। কমিটীয়ে আশা কৰে যে চৰকাৰে ৰাজহুৱা ধনৰ ব্যয়ৰ ক্ষেত্ৰত কটকটীয়া নীতি গ্ৰহণ কৰিব।

১ এপ্ৰিল ঃ অসম বিধানসভাত ৰাজহ উপমন্ত্ৰী হৰেশ্বৰ দাসে ঘোষণা কৰে যে ৰাজ্যৰ দুখীয়া শ্ৰেণীৰ কৃষকসকলৰ ন্যায্য স্বাৰ্থৰ প্ৰতি লক্ষ্য কৰিয়েই চৰকাৰে একচনীয়া মাটিৰ পট্টাবিলাক খৰখেদাকৈ ম্যাদী পট্টালৈ পৰিৱৰ্তন কৰিব নোখোজে।

৫ এপ্ৰিল ঃ অসম বিধানসভাৰ বাজেট অধিৱেশন আজিৰ পৰা অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখা হয়। আজিৰ অধিৱেশনত সাতখন চৰকাৰী বিল গৃহীত হয়। বিলসমূহ হৈছে—

- অসম বিধানসভাৰ সদস্যসকলৰ (ৰিম'ভেল অব ডিচকোৱালিফিকেচন) সংশোধনী বিল ১৯৫৪
- অসম মানী লেণ্ডাৰছ (দ্বিতীয় সংশোধনী) বিল ১৯৫৪
- যাত্ৰীবাহী মটৰত ধূমপান নিষেধ বিল ১৯৫৪
- প্ৰেছ এণ্ড ৰেজিষ্ট্ৰেচন অব বুক্‌ছ (এক্সটেনচন টু লুছাই হিলছ)
- আছাম ৰেভিনিউ ৰিক'ভাৰী (এক্সটেনচন টু লুছাই হিলছ) বিল ১৯০৪
- অসম গঁড় সংৰক্ষণ বিল ১৯৫৪ আৰু
- অসম সমবায় সমিতি (সংশোধনী) বিল ১৯৫৪।

৭ এপ্ৰিল ঃ বিহাৰৰ পৰা পাটকাই পৰ্বতলৈকে বিস্তৃত এখন পৃথক ৰাজ্য গঠনৰ বাবে চলা ষড়যন্ত্ৰক ব্যৰ্থ কৰিবৰ বাবে বয়োবৃদ্ধ সাহিত্যিক ৰঘুনাথ চৌধাৰীয়ে অসমবাসীক আহ্বান জনায়। ভাৰত চৰকাৰৰ দ্বাৰা নিযুক্ত ৰাজ্য পুনৰ গঠন আয়োগৰ ওচৰত অসমৰ দাবী উত্থাপন কৰিবলৈ গুৱাহাটীত নবীন বৰদলৈ হলত আহ্বান কৰা ৰাজহুৱা সভাত চৌধাৰীয়ে সভাপতিত্ব কৰে।

উপ-জাতিৰ ভিতৰত লুছাইসকল আছিল অতিকৈ শক্তিশালী আৰু সমৃদ্ধৱান। লুছাইসকলৰ মাজত এখন সমতাৰ সমাজৰ ধাৰণা প্ৰৱৰ্তিত আছিল আৰু সেয়েহে তেওঁলোকৰ মাজত মুখিয়ালৰ ব্যৱস্থা নাছিল। শক্তি প্ৰয়োগেৰে নিজৰ শ্ৰেষ্ঠতা প্ৰতিষ্ঠা কৰাৰ পৰম্পৰা সেই সময়ৰ এক স্বীকৃত নিয়ম আছিল আৰু সেই নিয়মৰ অনুকৰণত লুছাইসকলে ষোল শতিকাৰ আৰম্ভণিৰে পৰা বিজয় অভিযান আৰম্ভ কৰিবলৈ লয়। তেওঁলোকে ব্ৰহ্মৰ সীমান্তৱৰ্তী এলেকাত বসবাস কৰা পাৱাই আৰু চীন জনজাতিসকলৰ ওপৰত নিয়মিতভাৱে আক্ৰমণ চলাবলৈ লয়। ১৮শ শতিকাত লুছাইসকলে ব্ৰহ্মদেশৰ পৰা পূবপিনে ভাৰত অভিমুখে প্ৰব্ৰজন কৰিবলৈ আৰম্ভ কৰে। এই প্ৰব্ৰজনৰ অন্যতম কাৰণ আছিল ঝুম খেতিৰ বাবে মাটিৰ পৰিমাণ কমি অহাটো। প্ৰথমাৱস্থাত এই প্ৰব্ৰজন ব্ৰহ্মদেশৰ পৰা ভাৰত অভিমুখে আৰম্ভ হয় আৰু ই চীন পৰ্বতৰ পৰা মিজো পাহাৰলৈ সম্প্ৰসাৰিত হয়। ইয়াৰ পিচতে মিজো পাহাৰৰ দক্ষিণৰ পৰা উত্তৰভাগলৈ এই প্ৰব্ৰজন বিয়পি পৰে। এই প্ৰব্ৰজনৰ সমান্তৰালকৈ মিজো পাহাৰত আগৰে পৰা বসবাস কৰি অহা অধিবাসীসকলক উত্তৰৰ ফালে প্ৰথমে আৰু পিচলৈ এইসকলক মণিপুৰ, কাছাৰ আৰু ত্ৰিপুৰাৰ পশ্চিমভাগৰ পিনে খেদি দিয়া হৈছিল।

মিজোসকলে পাহাৰৰ উত্তৰভাগলৈ যাব লগা হৈছিল মূলতঃ পাৱাই, ফানাই আৰু লাখেৰ জনজাতিবোৰৰ হেঁচাৰ বাবে। লুছাইসকলে সেইসকল জনজাতিৰ হাতত ভূমি এৰি দি উত্তৰমুৱাকৈ গতি কৰিছিল। ১৭৮০ চনত এই প্ৰব্ৰজন আৰম্ভ হৈছিল। এই প্ৰব্ৰজনৰ লগে লগে পূৰ্বৰে পৰা সেইবোৰ এলেকাত বসবাস কৰি অহা ৰাংখাল, বিয়াটে, থাড়ো আৰু অন্যান্য পুৰণি কুকি সম্প্ৰদায়ৰ লোকসকলক খেদি পঠোৱা হৈছিল আৰু প্ৰায় ১৮১০ চনৰ ভিতৰত লুছাইসকলৰ মুখিয়াল লালুলা ছাইলোৰ নেতৃত্বত লুছাইসকলে সৰহভাগ ভূমিতে নিজৰ আধিপত্য বিস্তাৰ কৰিছিল। মিজো পাহাৰত নিজৰ পূৰ্ণ আধিপত্য প্ৰতিষ্ঠিত হোৱাৰ পিচৰে পৰা লুছাইসকলৰ ছাইলো মুখিয়ালসকলে

৮ এপ্ৰিল ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাৰ্যবাহী পৰিষদে বিশ্ববিদ্যালয়ৰ অধীনত থকা বিদ্যালয়সমূহৰ শিক্ষকৰ ন্যূনতম দৰমহা মাহে ২৫০ টকা আৰু অধ্যক্ষৰ ৬০০ টকা ধাৰ্য কৰি স্কেল বান্ধি দিবৰ বাবে আৱশ্যকীয় চৰকাৰী ব্যৱস্থা ল'বলৈ অসম চৰকাৰলৈ পৰামৰ্শ আগবঢ়াইছে।

১০ এপ্ৰিল ঃ পশ্চিম বংগ প্ৰদেশ কংগ্ৰেছ কমিটীৰ বছৰেকীয়া অধিৱেশনত বক্তৃতা দি অসমৰ কংগ্ৰেছ নেতা আৰু নিখিল ভাৰত কংগ্ৰেছ ৱৰ্কিং কমিটীৰ সদস্য দেৱকান্ত বৰুৱাই পূব ভাৰতৰ ৰাষ্ট্ৰভাষা বঙালী হ'লে কাৰো ক্ষতি নকৰিব বুলি মত দোহাৰে।

● গুৱাহাটীৰ কুমাৰ ভাস্কৰ নাট্য মন্দিৰত অনুষ্ঠিত সদৌ অসম প্ৰতিনিধি সভাই অসম ৰাজ্যৰ পৰিসৰ কি হোৱা উচিত — এই বিষয়ে কৰা আলোচনাত বক্তাসকলে পুৰণি অসমৰ সীমাৰ ভিত্তিত অসমখন পুনৰ্গঠন কৰা সমীচীন বুলি মত ব্যক্ত কৰে। সভাই ৰাজ্য পুনৰ্গঠনৰ প্ৰশ্নটো বৈজ্ঞানিক ভিত্তিত আলোচনা কৰে আৰু উক্ত আলোচনাৰ ভিত্তিত ৰাজ্য পুনৰ্গঠন আয়োগৰ ওচৰত সদৌ অসমবাসীৰ হৈ এখন স্মাৰকপত্ৰ দাখিল কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। স্মাৰকপত্ৰ প্ৰণয়ন কৰিবৰ বাবে হৰেন্দ্ৰনাথ বৰুৱা (আহ্বায়ক), বেণুধৰ শৰ্মা, হেম বৰুৱা আৰু কালীৰাম বৰ্মনক লৈ এখন স্মাৰকপত্ৰ ছাব-কমিটী গঠন কৰা হয়। অসমৰ অংগচ্ছেদৰ বিৰুদ্ধে প্ৰবল জনমত গঢ়িবলৈ বক্তাসকলে আহ্বান জনায়।

১৭ এপ্ৰিল ঃ সদৌ অসম ভগনীয়া সন্মিলনৰ গুৱাহাটীত বহা চতুৰ্থ বাৰ্ষিক অধিৱেশনত সভাপতিৰ আসন শুৱনি কৰে হেম বৰুৱাই। ভাষা আৰু সংস্কৃতিৰ লগত খাপ খুৱাই চলিব পাৰিলে যি দেশতে কাম নকৰক তাৰ অধিবাসীৰ লগত সম্প্ৰীতি গঢ়ি তোলাটো সহজ হৈ পৰে বুলি তেওঁ অভিমত ব্যক্ত কৰে। সাধাৰণ সম্পাদক বিজয় দাসে চৰকাৰী হিচাপত অসমত ভগনীয়াৰ সংখ্যা ৩ লাখ ৪০ হাজাৰ বুলি উল্লেখ কৰা কথাটো খণ্ডন কৰি এই পৰিসংখ্যা ৭ লাখমান হ'বগৈ বুলি উল্লেখ কৰে।

১৮ এপ্ৰিল ঃ ভাৰতৰ পৰিসীমা

নিজৰ জ্ঞাতি-কুটুম্বসকলৰ লগত যুদ্ধত লিপ্ত হ'ব লগাত পৰে। নিজ কুলৰ সকলোকে পৰাস্ত কৰাৰ পিচত ছাইলো উত্তৰ মিজো পাহাৰৰ সৰ্বোচ্চ শক্তিত পৰিণত হয়। অৱশ্যে ছাইলোসকলৰ মাজত হোৱা যুদ্ধ-বিগ্ৰহৰ অন্ত পৰা নাছিল। ১৮৫৬ চনত উত্তৰ আৰু দক্ষিণৰ জনগোষ্ঠীৰ মাজত যুদ্ধ আৰম্ভ হয়। ইয়াৰে উত্তৰৰ ভাগ আছিল লালুলাৰ বংশধৰ আৰু দক্ষিণৰ ভাগ আছিল চেৰা পৰিয়ালৰ। পাহাৰৰ ওপৰত অধিকাৰ প্ৰতিষ্ঠা কৰাৰ বাবে হোৱা এই যুঁজত উত্তৰৰ ভাগ বিজয়ী হয়। ইয়াৰ পিচতে মিজোসকলৰ মাজতে পূব আৰু পশ্চিমৰ গোষ্ঠীসকলৰ মাজত যুদ্ধ আৰম্ভ হয়। এগৰাকী ছোৱালীক নিজৰ কৰাৰ বাসনাত লিয়ানখামা আৰু কলখানাৰ মাজত যুদ্ধ আৰম্ভ হয় আৰু হেন সময়তে ব্ৰিটিছৰ আগমন ঘটাত যুদ্ধৰ কোনো ফলাফল নোলাল। মাটি বিবাদ আৰু লুণ্ঠনৰ বাবে লুছাইসকলৰ পৰস্পৰৰ মাজত লগা যুদ্ধ-বিগ্ৰহে এক নিয়মীয়া অশান্তিৰ সূত্ৰপাত ঘটাইছিল। পাহাৰত অনাটনে দেখা দিলে মিজোসকলে প্ৰায়ে কাছাৰ, মণিপুৰ, চিলেট ত্ৰিপুৰা, চিটাগং পাহাৰীয়া এলেকা আদিত লুণ্ঠন কৰিবলৈ নামি আহিছিল।

মিজো পাহাৰলৈ ব্ৰিটিছৰ আগমন

লুছাই পাহাৰ সম্পৰ্কে পোনপ্ৰথমবাৰৰ বাবে ব্ৰিটিছ চৰকাৰী প্ৰশাসন সজাগ হৈছিল ১৭৭৭ চনত। চিটাগঙৰ ব্ৰিটিছ শীৰ্ষ বিষয়াজনে বংগৰ গৱৰ্নৰ ৱাৰেন হেষ্টিংছৰ ওচৰত ৰামু খান নামৰ এগৰাকী লোকৰ বিৰুদ্ধে অভিযোগ দিছিল। এই অভিযোগ আছিল ব্ৰিটিছক কৰ নিদিয়াৰ বিৰুদ্ধে। ৰামু খানক সহায় কৰাৰ বাবে ব্ৰিটিছে কুকিসকলক বজাৰ এলেকাত প্ৰৱেশ নিষেধ কৰিছিল যদিও এই কাৰ্যত কুকিসকল পিচহোঁহকি নগ'ল। বৰঞ্চ ব্ৰিটিছ এলেকাবোৰত কুকি জনজাতি লোকসকলৰ অত্যাচাৰ অব্যাহতহে থাকিল।

ইয়াৰ পিচত আক্ৰমণ-প্ৰত্যাক্ৰমণ চলি থকাৰ মাজতে ১৮২৬ চনত

আয়োগৰ পৰীক্ষামূলক প্ৰস্তাৱমতে গোৱালপাৰা আৰু নগাঁও জিলাই বিধানসভাত এখনকৈ বেছি আসন লাভ কৰিব। অসমৰ সহযোগী সদস্যসকলৰ লগত আলোচনা কৰি আয়োগে এই সিদ্ধান্তত উপনীত হয়হি। প্ৰকৃত জনসংখ্যাৰ ভেটিত কাছাৰ জিলাত দুখন আসন কমোৱা হয়। ইয়াৰে এখন অনুসূচিত জাতিৰ কাৰণে আছুতীয়া আৰু আনখন সাধাৰণ। এই আছুতীয়া আসনখন যাব গোৱালপাৰাৰ ভাগলৈ আৰু সাধাৰণ আসনখন যাব নগাঁও জিলালৈ।

২৬ এপ্ৰিল ঃ লোকপ্ৰিয় গোপীনাথ বৰদলৈ স্মৃতি শিশু উদ্যানখন আজি অকণ-অকনিহঁতৰ উলহ-মালহ আৰু আনন্দ-উল্লাসৰ মাজেৰে আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। এই সম্পৰ্কে উদ্যানত পতা এখন সভাত সভাপতিত্ব কৰে অসমৰ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে।

৪ মে' ঃ বাণীকান্ত কাকতী সোঁৱৰণী বক্তৃতাৰ প্ৰথমটি বক্তৃতানুষ্ঠান ৰাজ্যপাল জয়ৰামদাস দৌলতৰামে গুৱাহাটীৰ ছুডমাৰ্চ্চন হলত উদ্বোধন কৰে। ডাঃ সুনীতিকুমাৰ চট্টোপাধ্যায়ে 'ভাৰতৰ ইতিহাস আৰু সভ্যতাত অসমৰ স্থান' শীৰ্ষক বক্তৃতাৰ প্ৰথমটি বক্তৃতা প্ৰদান কৰে।

১০ মে' ঃ গুৱাহাটী চহৰক মহানগৰীলৈ ৰূপান্তৰ কৰিবৰ বাবে ৰাজ্য চৰকাৰৰ হাতত দুই কোটিটকীয়া এখন আঁচনি গুৱাহাটী মিউনিচিপাল ব'ৰ্ডে জমা দিয়ে।

১৫ মে' ঃ অসম ৰাজ্য পুনৰ্গঠন সন্মিলনে কোচবিহাৰ আৰু জলপাইগুৰি জিলাক অসমৰ লগত চামিল কৰিবৰ বাবে ৰাজ্য পুনৰ্গঠন আয়োগক দিবলৈ যুগুত কৰা স্মাৰক পত্ৰত এই দাবী সন্নিবিষ্ট কৰে।

২৪ মে' ঃ পশ্চিম বংগ কংগ্ৰেছ কমিটীয়ে ৰাজ্য পুনৰ্গঠন আয়োগৰ ওচৰত দাখিল কৰা স্মাৰকপত্ৰত অসমৰ ৭ হাজাৰ বৰ্গমাইল ঠাই বংগৰ লগত চামিল কৰিবলৈ দাবী উত্থাপন কৰে।

২৬ মে' ঃ গোৱালপাৰা জিলাৰ ৰাইজৰ তৰফৰ পৰা ৰাজ্য পুনৰ্গঠন আয়োগৰ ওচৰত দিয়া এখন স্মাৰকপত্ৰত অসমৰ অখণ্ডতা ৰক্ষা

চিলেটৰ পৰা উত্তৰ মিজো পাহাৰত কাঠ কাটিবলৈ প্ৰৱেশ কৰা এদল কাঠকটীয়াক কুকিসকলে হত্যা কৰে। চিলেটৰ প্ৰতাপগড়ৰ জমিদাৰে জনজাতীয় লোকসকলক বছৰেকীয়াভাৱে প্ৰদান কৰা উপহাৰ প্ৰত্যাহাৰ কৰাৰ প্ৰত্যুত্তৰ হিচাপে এই কাৰ্য কৰা হৈছিল। পিচত চিলেটৰ দণ্ডাধীশজনে বিষয়টোৰ ক্ষেত্ৰত এক মীমাংসা কৰিবলৈ তিনিগৰাকী কটকী কুকি গাঁৱলৈ প্ৰেৰণ কৰে। ইয়াৰে দুজনক কুকিসকলে আটক কৰি ৰাখে আৰু আনজনক উপহাৰবোৰ লৈ আনিবলৈ পঠাই দিয়ে। কটকীকেইজনক মোকলাই আনিবৰ বাবে চিলেটৰ ব্ৰিটিছ প্ৰশাসনে যথেষ্ট পৰিমাণে মুক্তিপণ আদায় দিব লগাত পৰিছিল।

নিকটৱৰ্তী ত্ৰিপুৰা আৰু মণিপুৰৰ সৈতে সঘনাই সংঘৰ্ষত লিপ্ত হৈ থকা লুছাইসকলে ১৮৪৪ চনত মণিপুৰৰ চিলেট সীমান্তৱৰ্তী কোচাবাৰী গাঁৱত এক বৃহৎ আক্ৰমণ চলায়। উক্ত চনৰ ১৬ এপ্ৰিলত লালচুকটা নামৰ এজন লুছাই নেতাৰ অধীনত প্ৰায় দুশজন লোকে আক্ৰমণ চলায় আৰু ২০জন লোকক হত্যা কৰাৰ লগতে কেইবাজনো লোকক বন্দী কৰি লৈ যায়। লালৰিহনা নামৰ এজন লুছাই মুখিয়ালৰ মৃত্যু হোৱাৰ পিচত মৃতজনৰ আত্মাক সংগ দিবৰ বাবে কিছু মানুহৰ মূৰ প্ৰয়োজন হোৱাত এই আক্ৰমণ চলোৱা হৈছিল। এই আক্ৰমণ চলোৱা হৈছিল মৃত মুখিয়ালজনৰ পুতেকজনৰ নেতৃত্বত। এই জঘন্য আক্ৰমণৰ প্ৰতিশোধ ল'বলৈ প্ৰথমবাৰৰ বাবে ১৮৪৪ চনৰ ডিচেম্বৰ মাহত কেপ্টেইন ব্লেকউডে এক আক্ৰমণ চলায়। এই আক্ৰমণত লালচুকতাক বন্দী কৰা হয় আৰু পৰৱৰ্তী সময়ত বিচাৰৰ অন্তত নিৰ্বাসন দিয়া হয়।

মিজো পাহাৰত লুছাইসকলৰ অত্যাচাৰত স্থান ত্যাগ কৰিব লগা আন এক জনজাতি আছিল থাডোসকল। লুছাইসকলে থাডো গাঁওবিলাক জ্বলাই দিছিল আৰু ভীতিগ্ৰস্ত হৈ থাডোসকলে সীমান্তৱৰ্তী চিলেট আৰু মণিপুৰত সোমাইছিলহি। ইমানতে সন্তুষ্ট নহৈ লুছাইসকলে চিলেট আৰু

কৰিবলৈ আৰু তাৰ লগত কোচবিহাৰ চামিল কৰিবলৈ আহ্বান জনোৱা হয়। পশ্চিম বংগ প্ৰদেশ কংগ্ৰেছে স্মাৰকপত্ৰত অসমৰ অন্যান্য অংশৰ লগতে গোৱালপাৰা জিলাকো পশ্চিম বংগৰ লগত চামিল কৰিবলৈ দাবী জনোৱাত গোৱালপাৰা ছাত্ৰ সন্থাৰ এখন সভাই প্ৰতিবাদ জনায়।

২৭ মে' ঃ গুৱাহাটী চহৰক মহানগৰী কৰিবৰ বাবে এখন আঁচনি প্ৰস্তুত কৰি এঘাৰ দিনৰ ভিতৰত ৰাজ্য চৰকাৰক দাখিল কৰিবলৈ অসম চৰকাৰে নিৰ্দেশ দিয়ে। গুৱাহাটীক মহানগৰীলৈ ৰূপান্তৰিত কৰিবৰ অৰ্থে দুই কোটি টকাৰ আঁচনি এখন অহা জুলাই মাহৰ ভিতৰতে দাখিল কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰক দিয়া নিৰ্দেশ অনুসৰিয়েই ৰাজ্য চৰকাৰে মিউনিচিপালিটীক এই নিৰ্দেশ দিয়ে।

২৮ মে' ঃ অসমৰ কুশাগ্ৰ ভূমিও পশ্চিম বংগক এৰি দিয়া নহয় ঃ ভাৰতৰ ৰাষ্ট্ৰীয় ঐক্য আৰু নিৰাপত্তালৈ লক্ষ্য ৰাখি অসমৰ বৰ্তমান সীমাৰ কোনো সাল-সলনি নকৰিবলৈ অনুৰোধ জনাই অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে ৰাজ্য পুনৰ গঠন আয়োগৰ ওচৰত এক স্মাৰকপত্ৰ দাখিল কৰে। অসমৰ কুশাগ্ৰ ভূমিও পশ্চিম বংগৰ লগত চামিল হ'বলৈ দিয়া নহয় বুলি স্মাৰকপত্ৰখনত উল্লেখ কৰা হয়। স্মাৰকপত্ৰত সন্নিবিষ্ট মূল কথাবোৰ হৈছে—

- অসমৰ বৰ্তমান সীমাৰ কোনো সাল-সলনি কৰিব নালাগে।
- উত্তৰ-পূব সীমান্ত ভূভাগখন অতি সোনকালে অসমৰ লগত চামিল কৰিব লাগে।
- কোচবিহাৰখন অসমৰ লগত চামিল কৰা বিষয়ত কোচবিহাৰবাসীৰ মতামত ল'ব লাগে।
- মণিপুৰ আৰু ত্ৰিপুৰাবাসীৰো মতামত লৈহে এই দুই ৰাজ্য অসমৰ লগত চামিলৰ কথা ভাবিব লাগে।
- কাছাৰ, মণিপুৰ, ত্ৰিপুৰা আৰু লুছাই পাহাৰক লৈ সুকীয়া ৰাজ্য গঠনৰ কোনো প্ৰশ্ন উঠিব নোৱাৰে।

স্মাৰকপত্ৰখনত অসমৰ ঐতিহাসিক পটভূমি, ভাষা আৰু সংস্কৃতি, ভাৰতৰ

মণিপুৰৰ কিছু গাঁৱত আক্ৰমণ চলায়। এই আক্ৰমণৰ পিচত কাছাৰৰ ব্ৰিটিছ প্ৰশাসনে প্ৰথমবাৰৰ বাবে কাছাৰৰ দক্ষিণ ভাগত এটি শক্তিশালী জাতিৰ উপস্থিতিৰ কথা গম পায়। ইয়াৰ পিচতে ১৮৫০ চনত লেফটেনেণ্ট কৰ্নেল লিষ্টাৰৰ নেতৃত্বত মিজো পাহাৰত এক সামৰিক অভিযান চলোৱা হয়। ইয়াৰ পিচত ১৮৫০ চনৰ অক্টোবৰ মাহত পাঁচগৰাকী মুখিয়ালৰ ফালৰ পৰা কাছাৰৰ ব্ৰিটিছ প্ৰশাসনলৈ এক আমন্ত্ৰণ আহে আৰু পাৰিজসকলৰ বিৰুদ্ধে তেওঁলোক সংঘবদ্ধ হোৱাৰ প্ৰস্তাৱ ৰখা হয়। ইয়াৰে ছুকপালি নামৰ মুখিয়ালজনে কৰ্নেল লিষ্টাৰক লগ ধৰি উপহাৰো প্ৰদান কৰিছিল।

১৮৫৫ চনত কাছাৰত চাহ আৱিষ্কাৰ হয় আৰু কেইবাজনো ব্ৰিটিছ বণিকে কাছাৰত চাহ বাগিচা আৰম্ভ কৰে। পাহাৰীয়া জনজাতিৰ কিছুসংখ্যক লোকে এইবোৰ বাগিচাত কাম কৰিবৰ বাবে সমতললৈ নামি আহিছিল। ইয়াৰ পিচত ঘটা ঘটনাবোৰৰ সময়ানুক্ৰম এনেধৰণৰ—

(১) ১৮৫৯-৬০ চনত চিটাগং পাহাৰীয়া এলেকাত লুছাইসকলে আক্ৰমণ চলায়। এই আক্ৰমণৰ পিচত চিটাগং জিলাৰ আয়ুক্তৰ অনুমোদনমৰ্মে পাহাৰীয়া এলেকাবোৰ পৃথক কৰি অনা হয়। এগৰাকী Superintendent of Hill Tribes নিযুক্তি দি তেওঁক লুছাই মুখিয়ালসকলৰ সৈতে সম্পৰ্ক ৰক্ষা কৰি চলিবলৈ কোৱা হয়।

(২) ১৮৬০ চনত কুকিসকলে ত্ৰিপুৰাত আক্ৰমণ চলাই ১৫খন গাঁও জ্বলাই দিয়ে আৰু ১৮৫গৰাকী গাঁওবাসীক হত্যা কৰে। তদুপৰি ১০০জনক দাস হিচাপে নিজৰ লগত লৈ যায়। ১৮৬১ চনত ব্ৰিটিছসকলৰ পৰা অভিযান চলাই ৰোথাংপুইয়া নামৰ মুখিয়ালজনক বশীভূত কৰা হয়।

(৩) ব্ৰিটিছে কাছাৰত চাহ বাগিচা সম্প্ৰসাৰণ কৰা কাৰ্যত লুছাইসকল সন্ত্ৰস্ত হৈ পৰিছিল আৰু সেয়েহে তেওঁলোকে ব্ৰিটিছৰ বিৰুদ্ধে আক্ৰমণ চলাবলৈ আৰম্ভ কৰে। এই আক্ৰমণত ব্ৰিটিছৰ সৈতে মিত্ৰতা ৰাখি অহা ছুকপিলাল নামৰ মুখিয়ালজনেও ভাগ লৈছিল। ১৮৬২ চনত

ঐক্য আৰু নিৰাপত্তা, বিত্তীয়, আৰ্থিক আৰু প্ৰশাসনীয় সুবিধা জনমংগল আৰু বৰ্তমান পৰিস্থিতি এই আটাইবোৰ দিশ ফঁহিয়াই আলোচনা কৰা হয়।

২৯ মে' : গুৱাহাটীৰ ৭ মাইল পশ্চিমে গাড়ীগাঁৱৰ খনামুখ নৈত গড়কাপ্তানি মন্ত্ৰী সিদ্ধিনাথ শৰ্মাই অসমৰ সৰ্বপ্ৰথম শ্লুইচ গে'ট মুকলি কৰে। গে'টখন নিৰ্মাণৰ ফলত ১৬ হাজাৰৰো অধিক বিঘা খেতিৰ মাটি বছৰি ব্ৰহ্মপুত্ৰৰ বানপানীৰ উপদ্ৰৱৰ পৰা ৰক্ষা পৰিব।

৩০ মে' : পশ্চিম বংগ কংগ্ৰেছৰ অহৈতুকী ভাবুকিত অসমবাসীয়ে অসমৰ অংগচ্ছেদ কৰিবলৈ এৰি নিদিয়ে বুলি অসম জাতীয় মহাসভাৰ আহ্বানমৰ্মে অনুষ্ঠিত এখন জনসভাত সিদ্ধান্ত লোৱা হয়। সভাত সভাপতিত্ব কৰে অম্বিকাগিৰী ৰায়চৌধুৰীয়ে।

৭ জুন : দেৱকান্ত বৰুৱাই বৰ্ধমান কংগ্ৰেছত 'বঙালী ভাষাই পূব ভাৰতৰ ৰাষ্ট্ৰভাষা হোৱা উচিত' বুলি কোৱা বক্তৃতাটো অস্বীকাৰ কৰি ইয়াক কলিকতীয়া বাতৰিকাকতকেইখনমানৰ অপপ্ৰচাৰ আখ্যা দিয়ে।

২৬ জুন : অসমৰ স্বায়ত্তশাসিত ৪খন জিলাৰ দুই সপ্তাহজুৰি হোৱা সন্মিলনৰ শেষ বৈঠকত ভাৰতীয় সংবিধানৰ ৬নং অনুসূচীৰ সংশোধনী ঘটাই পাহাৰীয়া এলেকাৰ অধিবাসীসমূহে অধিক ক্ষমতা আৰু প্ৰকৃত স্বায়ত্ত শাসনাধিকাৰ পোৱাৰ দাবী কৰা হয়। সভাত অনুসূচিত জনজাতিৰ বাবে প্ৰস্তাৱিত স্বতন্ত্ৰ পাহাৰীয়া ৰাজ্য গঠনৰ বিষয়েও আলোচনা হয়। সমগ্ৰ অসম অনুসূচিত জনজাতি ইউনিয়ন গঠন সম্পৰ্কেও সন্মিলনত আলোচনা হয়।

২১ জুলাই : অসম বিধানসভাৰ স্থগিত বাজেট অধিৱেশনৰ প্ৰথম দিনাৰ বৈঠকত বিৰোধী দলে চৰকাৰৰ সোপাটিলা বিত্তীয় প্ৰশাসনৰ বাবে ৰাজ্য চৰকাৰক তীব্ৰ সমালোচনা কৰে। বিৰোধী দলৰ সদস্যসকলে ৰাজহুৱা ধনৰ ব্যয়ৰ ক্ষেত্ৰত বিশেষ তৎপৰতা ল'বলৈ চৰকাৰক বাৰে বাৰে সাৱধান কৰি দিয়ে।

মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে অধিৱেশনত ১৯৫২-৫৩ চনৰ অসম লোকসেৱা আয়োগৰ প্ৰতিবেদন উত্থাপন কৰে। বিত্ত মন্ত্ৰী মতিৰাম

লুছাইসকলে চিলেটৰ আদমপুৰ গাঁৱত আক্রমণ কৰি ব্যাপক ক্ষতিসাধন কৰে। এই আক্রমণৰ পিচত কাছাৰ জিলাৰ উপায়ুক্তজনে লুছাইসকলৰ লগত এক বুজাবুজিলৈ আহে আৰু তেওঁলোকক বছৰেকীয়া হিচাপত ছশ টকাকৈ দিবলৈ মান্তি হয়। এই বুজাবুজি ১৮৬৫ চনলৈ অব্যাহত থাকে। ১৮৬৬ চনত ব্রিটিছ চৰকাৰে মিজো পাহাৰত এক আক্রমণ চলোৱাত ছুকপিলাল বুজাবুজিলৈ আহিবলৈ বাধ্য হ'ল আৰু বন্দীসকলক এৰি দিলে।

(৪) ইয়াৰ পিচত ১৮৭০, ১৮৭১, ১৮৭২ত ক্রমাগতভাৱে ব্রিটিছে অভিযান চলায়। ১৮৮৯ চনৰ জানুৱাৰী মাহত লুছাইসকলৰ ফালৰ পৰা চেংৰি উপত্যকাত কেইবাটাও লুণ্ঠন কার্য চলোৱা হয়। ইয়াৰ প্রত্যুত্তৰত ১৮৮৯ চনৰ জানুৱাৰী মাহত ব্রিটিছৰ দ্বাৰা অভিযান আৰম্ভ কৰা হয়। এই অভিযানৰ লক্ষ্য আছিল মিজো পাহাৰত এটি পথ নির্মাণ কৰা অৰু হোৱাছাটা আৰু জাবুটাক উচিত শিকনি দিয়া। মিজো পাহাৰৰ ভিতৰ এলেকাত এটি দুর্গৰক্ষী সেনাদল প্রতিষ্ঠাও এই অভিযানৰ লক্ষ্যত সন্নিৱিষ্ট হৈছিল। সেই অনুসাৰে লুংলেত বাঁহ আৰু কাঠেৰে এটি দুর্গ নির্মাণ কৰা হয় য'ত ২০০ জন মানুহ, চাৰি গৰাকী বিষয়া, চিকিৎসালয়, গুদাম আৰু টেলিগ্রাম কার্যালয়ৰ ব্যৱস্থা ৰখা হৈছিল। ১৮৯০ চনৰ ১৫ এপ্রিলত এই চৌকিটো সীমান্তৰক্ষী আৰক্ষীৰ হাতত চমজাই দিয়া হয়। এই আৰক্ষীৰ মূল দায়িত্ব আছিল দুর্গৰক্ষী বাহিনীটো গঠন কৰা। ৩ এপ্রিলত এখন দৰবাৰ আয়োজন কৰা হয় আৰু পাঁচগৰাকী মুখিয়ালে এই দৰবাৰত উপস্থিত থাকি ব্রিটিছৰ প্রতি নিজৰ বশ্যতা স্বীকাৰ কৰে।

উজনি ব্রহ্মদেশ দখল কৰাৰ পিচত ব্রিটিছে মিজো পাহাৰৰ সৈতে লাগি থকা চীন পাহাৰ দখল কৰিবলৈ মন মেলে। ব্রহ্মদেশৰ সমভূমিত বসবাস কৰি অহা লোকসকলে দীর্ঘদিন ধৰি চীন পাহাৰৰ আবাসীসকলৰ আক্রমণ সহিব লগা হৈছিল আৰু বহু লোকক বন্দী কৰি লৈ যোৱা হৈছিল। ১৮৮৮-৮৯ চনত ব্রিগেডিয়াৰ জেনেৰেল ফাউন্সৰ অধীনত ব্রিটিছ বাহিনীয়ে

বৰাই ২৫টা ঘাই শিতানত ৭০ লাখ ৩০ হাজাৰ ৯৪৮ টকাৰ পৰিপূৰক মঞ্জুৰিৰ দাবী উত্থাপন কৰে।

১৯৫০-৫১ চনৰ পাব্লিক একাউণ্টছ কমিটীৰ প্ৰতিবেদনৰ ওপৰত যোৱা অধিবেশনত অসমাপ্ত হৈ ৰোৱা বিতৰ্ক আৰম্ভ কৰি কমিউনিষ্ট সদস্য গৌৰীশংকৰ ভট্টাচাৰ্যই কয় যে কমিটীয়ে প্ৰতিবছৰে বিত্তীয় প্ৰশাসনত তৎপৰতা ল'ব বুলি কোৱা সত্ত্বেও চৰকাৰে ৰাজহুৱা ধনৰ অপব্যয় ৰোধ কৰিব পৰা নাই। বিৰোধী দলৰ নেতা হৰেশ্বৰ গোস্বামীয়ে ৰাজহুৱা ধনৰ উচিত ব্যয়ৰ ব্যৱস্থা কৰিবৰ কাৰণে 'নিৰ্ধাৰক কমিটী' গঠনৰ নিতান্ত প্ৰয়োজন বুলি মন্তব্য কৰে।

২০ আগষ্ট ঃ অসম মন্ত্ৰীসভা, লোকসভাৰ কংগ্ৰেছ সদস্য আৰু অসম ৰাজ্যিক পৰিষদৰ যুটীয়া সভাত বানপানীয়ে কৰা ক্ষতিৰ এক দৃশ্য দাঙি ধৰি অসমৰ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে অলপতে হৈ যোৱা প্ৰলয়ংকৰী বানপানীৰ ফলত জনসাধাৰণৰ প্ৰায় ৭৫ লাখ টকাৰ সা-সম্পত্তি ধ্বংস হৈছে বুলি উল্লেখ কৰে।

২১ আগষ্ট ঃ অসমৰ সীমান্তৱৰ্তী ভূটানত প্ৰলয়ংকৰী ভূমিকম্পৰ ফলত নামনিত অৱস্থিত গাঁওবোৰত সংহাৰকাৰী বানৰ সৃষ্টি হয়। গোৱালপাৰা জিলাৰ কেইবাখনো গাঁও ক্ষতিগ্ৰস্ত হয়।

২৮ আগষ্ট ঃ ব্ৰহ্মপুত্ৰৰ পাৰত ৪০০ মাইল দীঘল বান্ধ বন্ধাৰ সিদ্ধান্ত ঃ কেন্দ্ৰীয় পৰিকল্পনা মন্ত্ৰী গুলজাৰিলাল নন্দই কয় যে ব্ৰহ্মপুত্ৰৰ খহনীয়া আৰু বানপানীৰ পৰা অসমক ৰক্ষা কৰিবলৈ ধুবুৰীৰ পৰা ডিব্ৰুগড়লৈ ৪০০ মাইল দীঘল বান্ধ এটা ব্ৰহ্মপুত্ৰৰ পাৰত দিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে থিৰাং কৰিছে। প্ৰস্তাৱিত বান্ধটো বান্ধিবলৈ ৪ কোটিৰ পৰা ৫ কোটিৰ ভিতৰত টকা লাগিব বুলি অনুমান কৰা হৈছে। উল্লেখ্য যে কিছুদিন আগতে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি বিমলা প্ৰসাদ চলিহাই অসমৰ প্ৰলয়ংকৰী বানপানীত হোৱা ক্ষতিৰ পৰিমাণ উল্লেখ কৰি নন্দৰ ওচৰত এখন স্মাৰকপত্ৰ দাখিল কৰিছিল। পত্ৰখনত অসমৰ ২০,৩৫৩ বৰ্গ মাইল অঞ্চলৰ ২০ লাখ লোকৰ ক্ষতি আৰু ৯ কোটি ৪৮

চীন পাহাৰত প্ৰৱেশ কৰে আৰু এটি দুৰ্গৰক্ষী বাহিনী তাত প্ৰতিষ্ঠা কৰে। চীন পাহাৰৰ ফোট হুৱাইট নামৰ এই কেন্দ্ৰটো মিজো পাহাৰৰ পৰা বৰ বেছি দূৰত নাছিল। দক্ষিণ মিজো পাহাৰ আৰু চীন পাহাৰত দুৰ্গ স্থাপন কৰাৰ পিচত ১৮৮৯-৯০ চনত ব্ৰিটিছে চীন-লুছাই অভিযান আৰম্ভ কৰে।

ব্ৰিটিছ প্ৰশাসন

১৮৮৯-৯০ চনত আৰম্ভ হোৱা অভিযানটো দুটা দিশৰ পৰা কৰা হৈছিল। ব্ৰহ্মদেশৰ পৰা কৰা সৈন্য অভিযানটো চীন পাহাৰলৈ আৰু ভাৰতবৰ্ষৰ পৰা চলোৱা অভিযানটো মিজো পাহাৰত কৰা হৈছিল। এই অভিযানৰ লক্ষ্য আছিল সমগ্ৰ এলেকাটো ব্ৰিটিছৰ নিয়ন্ত্ৰণলৈ অনা তথা ভাৰতৰ পৰা ব্ৰহ্মদেশলৈ এটি পথ নিৰ্মাণ কৰা। এই অভিযানৰ পিচত ব্ৰিটিছে মিজো পাহাৰত চাৰিটা সামৰিক দুৰ্গ প্ৰতিষ্ঠা কৰে। দক্ষিণ মিজো পাহাৰত লুংলেই আৰু ট্ৰিগিয়েৰত দুটা দুৰ্গ আৰু আন দুটা দুৰ্গ আছিল উত্তৰ মিজো পাহাৰৰ আইজল আৰু ছেংছিলত। দক্ষিণ মিজো পাহাৰক চিটাগং প্ৰশাসন আৰু উত্তৰ মিজো পাহাৰক অসম প্ৰশাসনলৈ অনা হৈছিল। ব্ৰিটিছে মিজো পাহাৰত নিজৰ প্ৰশাসনিক অস্তিত্ব স্থাপন কৰাৰ পিচতো কিন্তু পাহাৰখনৰ আভ্যন্তৰীণ যুঁজ-বাগৰ আৰু আক্ৰমণৰ ঘটনা হ্ৰাস নাপালে। অৱশেষত ১৮৯৫ চনৰ ৬ ছেপ্টেম্বৰত মিজো পাহাৰক আনুষ্ঠানিকভাৱে ব্ৰিটিছ প্ৰশাসনৰ অধীনলৈ অনা হ'ল। দুয়োখন জিলাক লগ কৰাই এখন জিলা গঠন কৰা হ'ল আৰু ১৮৯৮ চনৰ ১ এপ্ৰিলৰ পৰা জিলাখনক অসমৰ প্ৰশাসনৰ অধীনত অনা হ'ল। ১৯২১ চনত ব্ৰিটিছ প্ৰশাসনে মিজো পাহাৰ, চীন পাহাৰ, আৰাকন আৰু চিটাগং পাহাৰীয়া এলেকাৰ মাজত থকা লাখেৰ এলেকা নিজৰ দখললৈ আনে। ১৯২২ চনত এই এলেকাবোৰক মিজো পাহাৰ, চীন পাহাৰ আৰু আৰাকন এলেকা এই তিনিটা ভাগত ভাগ কৰা হয়। ১৯৩১ চনত জুংলিং এলেকাক আনুষ্ঠানিকভাৱে অসম প্ৰশাসনৰ

হাজাৰ ৬০৭ টকাৰ খাদ্যশস্যৰ বিনষ্টৰ কথা উল্লেখ কৰা হৈছিল। স্মাৰকপত্ৰখনত বানপানী আৰু খহনীয়া বন্ধ কৰিবৰ কাৰণে উচ্চ ক্ষমতাসম্পন্ন আয়োগ গঠনকে আদি কৰি বিভিন্ন পৰামৰ্শ আগবঢ়োৱা হয় আৰু আৱশ্যকতা বোধ কৰিলে পঞ্চম বাৰ্ষিক পৰিকল্পনালৈ বাট নাচাই প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাকে সম্প্ৰসাৰিত কৰি আঁচনি ল'বলৈ অনুৰোধ জনোৱা হয়।

১৯৫০ চনৰ ভূঁইকপে অসমৰ ভূ-পৃষ্ঠৰ বিৰাট পৰিৱৰ্তন সাধন তথা নদীৰ গতি সলনি কৰাৰ কথা উল্লেখ কৰি স্মাৰকপত্ৰত কোৱা হয় এই ভূঁইকপঁৰ ফলত ব্ৰহ্মপুত্ৰৰ বুকুত ঠায়ে ঠায়ে ৮-১০ ফুটপৰ্যন্ত পলস স্তূপীকৃত হ'ল আৰু নদীৰ বহন ক্ষমতাৰো হ্ৰাস হ'ল। ১৯৫০ চনৰ পৰা হোৱা বানপানীৰ ক্ষয়-ক্ষতিৰ এক হিচাপ দাঙি ধৰি পত্ৰখনত কোৱা হয় যে ১৯৫২ চনত মুঠতে ১০ হাজাৰ বৰ্গমাইলত ২৫ লাখ মানুহ ক্ষতিগ্ৰস্ত হয় আৰু ৩৪-৪০ লাখ মোন শস্য নষ্ট হয়। ১৯৫৩ চনত ১,৭৯,৬৮৩ একৰত ৪,১২,৯২৮জন মানুহ ক্ষতিগ্ৰস্ত হয়। নষ্ট হোৱা শস্যৰ মূল্যও প্ৰায় ২১,২৩,৮,৩৭৮ টকা।

বানপানী আৰু খহনীয়াৰ কাৰণে খৰতকীয়াভাৱে ল'বলগীয়া ব্যৱস্থা সন্দৰ্ভত স্মাৰকপত্ৰত এইকেইটা পৰামৰ্শ আগবঢ়োৱা হৈছে।

- ভাৰত চৰকাৰে অসমৰ কাৰণে অনতিপলমে এটি নদী উপত্যকা আয়োগ গঠন কৰিব লাগে। আয়োগে বৈজ্ঞানিক প্ৰণালীত অসমৰ নদ-নদীৰ প্ৰক্ৰিয়া অধ্যয়ন কৰি বানপানী নিয়ন্ত্ৰণৰ ব্যৱস্থা ল'ব লাগে।
- ব্ৰহ্মপুত্ৰ উপত্যকাৰ কাৰণে নদী উপত্যকা কৰ্তৃত্ব স্থাপন কৰি সোনকালে অল্পম্যাদী আঁচনি ল'বলৈ আৰু বানপানী নিয়ন্ত্ৰণ আদি দীৰ্ঘকালীন আঁচনি গ্ৰহণ কৰিবলৈ ভাৰ দিব লাগে।
- গংগা আৰু গোদাবৰী অৱবাহিকাৰ ওপৰত আৰোপ কৰা গুৰুত্ব পৰিকল্পনা আয়োগে ব্ৰহ্মপুত্ৰ অৱবাহিকাৰ ওপৰতো কৰিব লাগে।

অধীনলৈ অনা হয় আৰু এনেদৰে ব্ৰিটিছশাসিত মিজো এলেকাৰ গঠন সম্পূৰ্ণ হৈ পৰে।

১৯১৯ চনৰ ভাৰত চৰকাৰ আইন অনুসাৰে লুছাই পাহাৰক অসমৰ অন্যান্য পাহাৰীয়া এলেকাৰ সৈতে পিচপৰা অঞ্চল হিচাপে ঘোষণা কৰা হ'ল। অসমৰ বিধানমণ্ডলীয়ে এই এলেকাবোৰৰ বাবে বিধান প্ৰস্তুত কৰিব পাৰিছিল যদিও গৱৰ্নৰ জেনেৰেল আৰু গৱৰ্নৰৰ সন্মতি অবিহনে এনে বিধি প্ৰয়োগ কৰিব পৰা নগৈছিল। ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনে লুছাই পাহাৰক বহিৰ্ভূত এলেকা (Excluded Areas) বুলি ঘোষণা কৰে। এই বহিৰ্ভূত এলেকাসমূহৰ প্ৰশাসনিক আৰু বিধায়িনী কৰ্তৃত্ব গৱৰ্নৰৰ হাতত ন্যস্ত আছিল।

প্ৰথম বিশ্বযুদ্ধ আৰু দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত মিজোসকলে বহিৰ্বিশ্বৰ প্ৰত্যক্ষ সংস্পৰ্শলৈ আহে। প্ৰথম বিশ্বযুদ্ধৰ (১৯১৪-১৯) সময়ত লুছাই পাহাৰ মিলিটাৰী পুলিচ বেটেলিয়নৰ ফালৰ পৰা ব্ৰিটিছ বাহিনী তথা গোৰ্খা বাহিনীক বিষয়া আৰু সেনা যোগান ধৰা হৈছিল। দ্বিতীয় বিশ্বযুদ্ধৰ (১৯৩৯-৪৫) সময়ত জাপানী সৈন্যই লুছাই পাহাৰৰ সীমান্তৱৰ্তী চীন পাহাৰত ভৰি থোৱাত মিজোসকলে মোটামুটিভাৱে যুদ্ধৰ শংকাত ভুগিব লগাত পৰিছিল। জাপানী সৈন্যক প্ৰতিহত কৰিবলৈ মিজো পাহাৰত প্ৰতিৰক্ষামূলক বিভিন্ন প্ৰশিক্ষণ, অনুশীলন আদিৰো আয়োজন কৰা হৈছিল।

ভাৰতবৰ্ষৰ স্বাধীনতাৰ প্ৰাকমুহূৰ্তত মিজোসকলৰ মাজত এক নতুন ধৰণৰ ৰাজনৈতিক চিন্তা-চৰ্চাৰ উন্মেষ ঘটিছিল। ১৯৪৬ চনৰ ১৪ জানুৱাৰীত এ. আৰ. মেকডোনাল্ডে লুছাই পাহাৰৰ ৰাজনৈতিক ভৱিষ্যৎ নিৰ্ধাৰণ কৰিবলৈ মুখিয়াল আৰু সাধাৰণ মানুহক লৈ এখন অভিৱৰ্তন আয়োজন কৰে। লুছাই পাহাৰৰ বাবে এখন সংবিধানৰ কথা বিবেচনা কৰি এখন আঁচনি এই অভিৱৰ্তনে গ্ৰহণ কৰে। সেই অনুসাৰে বিধানমণ্ডলী, মন্ত্ৰীমণ্ডল, ন্যায়িক ব্যৱস্থা সহিত অন্যান্য ব্যৱস্থাৰে এখন পূৰ্ণ পৰ্যায়ৰ চৰকাৰৰ সংবিধান ৰচনা

- সাহায্য আৰু পুনৰ সংস্থাপনৰ কাৰণে মঞ্জুৰী আৰু ঋণ অধিক পৰিমাণে দিব লাগে।

২ ছেপ্টেম্বৰ ঃ বানপানী নিয়ন্ত্ৰণৰ কাৰণে ব্ৰহ্মপুত্ৰ উপত্যকাত নদী উপত্যকা আয়োগ গঠন কৰাৰ ঘোষণা কৰে প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে।

৪ ছেপ্টেম্বৰ ঃ অসমৰ বানপানী আৰু খহনীয়া পৰিস্থিতি অধ্যয়ন কৰিবলৈ অহা বিশেষজ্ঞ অভিযন্তাসকলে ১৯৫০ চনৰ ভূমিকম্পৰ পিচৰে পৰা সঘনে হৈ থকা ব্ৰহ্মপুত্ৰৰ বানপানী আৰু খহনীয়া প্ৰতিহত কৰাৰ কাৰ্যকৰী ব্যৱস্থা নল'লে নদীৰ দুয়ো পাৰে থকা বিৰাট সাৰুৱা অঞ্চল এটি উছন হ'ব বুলি মত ব্যক্ত কৰে। জলশক্তি আয়োগৰ সভাপতি কানোৱাৰ ছেইনৰ মতে ব্ৰহ্মপুত্ৰ নদীখনৰ গুৰিতে পাৰ্বত্য অঞ্চলত বান্ধ নিয়ন্ত্ৰণ কৰিব পৰা যায় যদিও তাত খৰচ বেছি হ'ব বাবে নিয়মিত ৰূপৰ আন ব্যৱস্থাহে হাতত লোৱা উচিত।

১৮ ছেপ্টেম্বৰ ঃ অসমৰ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিৰ সভাপতিত্বত বহা অসম বানপানী নিয়ন্ত্ৰণ ব'ৰ্ডৰ এক সভাই বানপানী আৰু খহনীয়াৰ পীড়িতসকলৰ পুনৰ সংস্থাপন আৰু সাহায্যৰ বিষয়ে ল'ব লগা আশু ব্যৱস্থাৰ কথা চিন্তা কৰে আৰু অসমৰ মুখ্যমন্ত্ৰীক চেয়াৰমেন হিচাপে লৈ অসম ৰাজ্যিক বানপানী নিয়ন্ত্ৰণ ব'ৰ্ড গঠন কৰে। উক্ত ব'ৰ্ডে উল্লিখিত বিষয়সমূহ পৰিচালনা কৰিব বুলি থিৰাং কৰা হয়—

- বানপানী সমস্যা নিৰূপণ আৰু ইয়াৰ লগত জড়িত সকলো নীতি গ্ৰহণ। বানপানী নিয়ন্ত্ৰণ আৰু প্ৰতিৰক্ষাৰ ব্যৱস্থা গ্ৰহণ।
- অনুমোদিত আঁচনি অনুসৰি তথ্যপাতি আহৰণৰ ব্যৱস্থা লোৱা।
- ব্যৱস্থা গঠনৰ বাবে যত্নপৰ হোৱা।
- প্ৰতিৰোধক ব্যৱস্থাসমূহক কিদৰে প্ৰাধান্য দিয়া হ'ব তাৰ বিচাৰ কৰা।
- বানপানী নিয়ন্ত্ৰণ কাৰ্য নিয়াৰিকৈ চলাৰ ব্যৱস্থা কৰা।

ব'ৰ্ডৰ সদস্যসকল হৈছে— বিত্ত মন্ত্ৰী, গড়কাপ্তানি মন্ত্ৰী, পৰিকল্পনা মন্ত্ৰী, পৰিকল্পনা আৰু উন্নয়ন সচিব, ৰাজহ

কৰা হয়। এই সংবিধানখনক মেকডোনাল্ডৰ ৰোৰেল খাৱল (McDonald's Rorel Khawl) বুলি জনা গৈছিল।

এই সংবিধান ৰচনা কৰাৰ পিচত মিজো পাহাৰৰ জনসাধাৰণে বিভিন্ন প্ৰকাৰে নিজৰ মতামত ব্যক্ত কৰিবলৈ আৰম্ভ কৰিলে। এচামে মত দিলে যে ব্ৰিটিছে মুখিয়ালসকলৰ জৰিয়তে লুছাই পাহাৰৰ বাবে এক বিচ্ছিন্ন স্বতন্ত্ৰতা গঢ়িব বিচাৰিছে। এনে এক প্ৰেক্ষাপটতে ১৯৪৬ চনৰ ৯ এপ্ৰিলত মিজো কমন পিপল্‌ছ ইউনিয়ন নামৰ প্ৰথম ৰাজনৈতিক দলটোৱে জন্ম লাভ কৰে। মুখিয়ালবিৰোধী আন্দোলনৰ নেতৃত্ব দিয়া এই ৰাজনৈতিক দলটোৰ পৰা দাবী তোলা হৈছিল যে জিলা পৰিষদবোৰত মুখিয়ালবোৰতকৈ সাধাৰণ লোকৰ বাবে বেছি আসনৰ ব্যৱস্থা থাকিব লাগে। পিচলৈ এই দলটিৰ নাম হয়গৈ মিজো ইউনিয়ন। ভাৰতবৰ্ষই পূৰ্ণ স্বাধীনতা লাভ কৰিলে মিজো পাহাৰ ভাৰতবৰ্ষত অন্তৰ্ভুক্ত হ'ব লাগে তথা ইয়াক অসম প্ৰদেশৰ ভিতৰত ৰাখিব লাগে বুলি দলটোৱে এক ঘোষণা দিছিল। প্ৰাদেশিক বিধানমণ্ডলীত নিজকে সন্নিৱিষ্ট কৰাৰ আকাংক্ষা প্ৰকাশ কৰি দলটোৰ ফালৰ কোৱা হৈছিল যে সমৱৰ্তী বিষয়বোৰৰ (Concurrent subjects) বাদে প্ৰাদেশিক চৰকাৰে প্ৰণয়ন কৰা কোনো বিধিকে এনেবোৰ এলেকাত প্ৰয়োগ কৰিব পৰা নাযাব আৰু পাহাৰীয়া লোকসকলৰ সকলোধৰণৰ আভ্যন্তৰীণ প্ৰশাসন স্থানীয় বিধানমণ্ডলী বা কাৰ্যবাহীৰ দ্বাৰা পৰিচালনা কৰাৰ অধিকাৰ থাকিব। মণিপুৰ, ত্ৰিপুৰা আৰু চিটাগং পাহাৰীয়া এলেকা তথা সমতলত বসবাস কৰা মিজোসকলকো সামৰি ল'বৰ বাবে এই দলটোৰ ফালৰ পৰা মিজো পাহাৰৰ ভৌগোলিক সম্প্ৰসাৰণ বিচৰা হৈছিল।

স্বৰাজোত্তৰ ভাৰতবৰ্ষ

সংবিধান সভাই গঠন কৰি দিয়া বৰদলৈ উপ-সমিতিৰ আগত মিজো ইউনিয়নৰ ফালৰ পৰা নিম্নোক্ত দাবীসমূহ উথাপন কৰা হৈছিল—

সচিব, এস্কেংকমেণ্ট আৰু ড্ৰেইনেজৰ ইঞ্জিনীয়াৰ আৰু ছুপাৰিটেণ্ডিং ইঞ্জিনীয়াৰ আৰু ৰাজ্যপালৰ উপদেষ্টা।

১৩ অক্টোবৰ ঃ অসম সাহিত্য সভাৰ মনোনয়ন কমিটীয়ে জনপ্ৰিয় কবি যতীন্দ্ৰনাথ দুৱৰাক যোৰহাটত বহিব লগা অসম সাহিত্য সভাৰ সভাপতি নিৰ্বাচিত কৰে।

১৬ অক্টোবৰ ঃ পৰ্বতীয়া জনজাতীয় নেতাসকলে তিনিদিনীয়া সন্মিলনত 'পূৰ্বাঞ্চল ৰাজ্য' নামৰ এখন পৃথক ৰাজ্য দাবী তোলে। পৃথক ৰাজ্যখনৰ বাবে ছখন স্বায়ত্তশাসিত জিলা আৰু তাৰ এঘাৰ লাখ বাসত্তৰ হাজাৰ লোকেৰে ২৭ হাজাৰ বৰ্গমাইল জোৰা ভূখণ্ডৰ দাবী তোলা হয়।

২৭ অক্টোবৰ ঃ নতুন দিল্লীৰ ৰাষ্ট্ৰীয় নাটক উৎসৱত অসমৰ 'শোণিত কুঁৱৰী' নাটক অভিনীত হয়।

১৮ ডিচেম্বৰ ঃ অসম ৰাজ্যিক উন্নয়ন কমিটীয়ে তৈয়াৰ কৰা খচৰাত দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাত সৰ্বমুঠ ব্যয়ৰ পৰিমাণ ৫৪.৯৫ কোটি টকা নিৰ্ধাৰণ কৰা হয়। শিক্ষাই এই পৰিকল্পনাত শীৰ্ষস্থান লাভ কৰে— ব্যয়ৰ পৰিমাণ নিৰ্ধাৰণ কৰা হৈছে ১৫ কোটি টকা। দ্বিতীয় শীৰ্ষস্থান লাভ কৰিছে আলি-পদূলি, চিকিৎসা আৰু জনস্বাস্থ্যই; ব্যয়ৰ পৰিমাণ ধৰা হৈছে ৬ কোটি টকা।

২৫ ডিচেম্বৰ ঃ অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি হিচাপে কৃষি মন্ত্ৰী মহেন্দ্ৰমোহন চৌধুৰী অপ্ৰতিদ্বন্দ্বীভাৱে নিৰ্বাচিত হয়। সভাপতি পদৰ বাবে বিজয়চন্দ্ৰ ভাগৱতী আৰু বিমলাপ্ৰসাদ চলিহাও প্ৰাৰ্থী আছিল যদিও শেষত দুয়োজনে প্ৰতিদ্বন্দ্বিতাৰ পৰা আঁতৰি আহে।

(১) নিকটৱৰ্তী জিলাবোৰৰ মিজো বসতিপ্ৰধান এলেকাবোৰকো লুছাই পাহাৰ জিলাত সন্নিৱিষ্ট কৰিব লাগে।

(২) লুছাইক মিজো বুলি ক'ব লাগিব।

(৩) আভ্যন্তৰীণ প্ৰশাসন মিজোসকলৰ হাতত এৰি দিব লাগে আৰু

(৪) মুকলিভাৱে বিত্তীয় সাহায্য প্ৰদান কৰিব লাগিব।

ভাৰতবৰ্ষৰ স্বাধীনতাৰ প্ৰসংগত লুছাই পাহাৰত দুই প্ৰকাৰৰ মতামতে দেখা দিলে। মিজো ইউনিয়নে ভাৰতবৰ্ষৰ সৈতে থকাৰ দৃঢ় মত পোষণ কৰাৰ বিপৰীতে এটি বিচ্ছিন্নতাবাদী দলে লুছাই পাহাৰ ব্ৰহ্মদেশৰ লগত লগ হ'ব লাগে বুলি মত দিলে। ১৯৪৭ চনৰ ৫ জুলাইত মিজো ইউনিয়নৰ বিৰুদ্ধাচৰণ কৰি ইউনাইটেড মিজো ফ্ৰীডম অৰ্গেনাইজেচন (UMFO) নামৰ দলৰ গঠন কৰা হয় আৰু দলটোৰ মূল পৃষ্ঠপোষক আছিল মুখিয়ালসকল। ১৯৪৭ চনৰ ১৪ আগষ্টত মিজো নেতৃবৃন্দ এল এল পিটাৰৰ অধীনত ঐক্যবদ্ধ হৈ এখন সভা পাতে আৰু এই সভাত লুছাইসকলে ভাৰতবৰ্ষ, পাকিস্তান আৰু ব্ৰহ্মদেশৰ ভিতৰত কাৰ লগত যোগদান কৰিব তাৰ সিদ্ধান্ত লোৱা হয়। লুছাই পাহাৰক ভাৰতবৰ্ষৰ ভিতৰত অন্তৰ্ভুক্ত কৰাৰ ক্ষেত্ৰত এই সভাৰ পৰা কেইটামান পূৰ্বচৰ্ত ৰখা হ'ল। এই চৰ্তসমূহ হৈছে—

(১) তেওঁলোকৰ প্ৰথাগত বিধি আৰু ভূমি দখলৰ ক্ষেত্ৰত চলি অহা নীতি-নিয়ম সুৰক্ষিত হৈ থাকিব লাগিব।

(২) লুছাই পাহাৰত যি বিধিগত নিয়ম চলি আছে তাক অব্যাহত ৰাখিব লাগে আৰু

(৩) দহ বছৰৰ পিচত তেওঁলোকক ভাৰতৰ পৰা ওলাই অহাৰ ক্ষেত্ৰত সিদ্ধান্ত ল'ব পৰাৰ ক্ষমতা প্ৰদান কৰিব লাগে।

১৯৪৭ চনৰ ১৫ আগষ্টত সমগ্ৰ মিজোৰামতে এক শংকা বিৰাজ কৰা দেখা গ'ল। বিচ্ছিন্নতাবাদীসকলে মিজো পাহাৰৰ দক্ষিণ অংশ নিজৰ নিয়ন্ত্ৰণত ৰাখি হুমকি দিলে যে যদিহে মিজো ইউনিয়নৰ সমৰ্থকসকলে

১৯৫৫

৮ জানুৱাৰী ঃ ছৈয়দ ছাদুল্লাৰ পৰলোক ঃ অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী আৰু ৰাজ্যখনৰ এগৰাকী অগ্ৰণী ৰাজনীতিক মহম্মদ ছাদুল্লাৰ গুৱাহাটীৰ ছাত্ৰীবাৰী মিছন হাস্পতালত মৃত্যু হয়। ১৮৮৫ চনৰ ২১ মে'ত গুৱাহাটীত জন্মলাভ কৰা ছাদুল্লাই ৰসায়ন বিজ্ঞান বিভাগত এম এছ চি পাছ কৰাৰ পিচত কিছুদিনৰ বাবে কটন কলেজত ডেমনেষ্ট্ৰেটৰ হিচাপে কাম কৰে। পিচত আইনৰ ডিগ্ৰী গ্ৰহণ কৰি ওকালতি আৰম্ভ কৰে।

১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনৰ অধীনত গঠিত প্ৰথমখন সন্মিলিত চৰকাৰৰ (১৭ নৱেম্বৰ ১৯৩৯ৰ পৰা ১৯৪১ চনৰ ২৫ ডিচেম্বৰ) তেওঁ মুৰব্বী আছিল। ১৯৪২ চনৰ ২৫ আগষ্টত গঠিত লীগ মন্ত্ৰীসভাৰ মুৰব্বীৰ দায়িত্বও তেওঁ বহন কৰিছিল। ১৯৪৫ চনৰ ১৩ মাৰ্চত তেওঁৰ নেতৃত্বত তৃতীয়খন মন্ত্ৰীসভা (সন্মিলিত) গঠন হৈছিল। তেওঁ ভাৰতীয় খচৰা সংবিধান প্ৰণেতা কমিটীৰ সদস্যও আছিল। বিৰোধী দলত থকা কালতো তেওঁ যথেষ্ট খ্যাতি অৰ্জন কৰিছিল।

১১ জানুৱাৰী ঃ উমত্ৰুৰ জলবিদ্যুৎ প্ৰকল্পৰ কাৰণে ভাৰত চৰকাৰক কানাডাৰ ১,৫০,০০,০০০ টকা দিয়াৰ সন্মতি।

১৫ জানুৱাৰী ঃ অসম কংগ্ৰেছ কাৰ্যনিৰ্বাহক কমিটীৰ বৈঠকত অসমৰ ভূমি-সংস্কাৰ সম্পৰ্কে আলোচনা হয় আৰু সভাই ৰাজ্য চৰকাৰক এটা পৰিয়ালৰ সৰ্বোচ্চ মাটিৰ পৰিমাণ ডেৰশ বিঘা ধাৰ্য কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। সভাই ভূমি সংস্কাৰ সম্বন্ধে পৰামৰ্শ দিবলৈ এখন দহজনীয়া কমিটীও গঠন কৰি দিয়ে।

২৭ জানুৱাৰী ঃ জ্ঞানদাভিৰাম বৰুৱাৰ মৃত্যু ঃ অসমীয়া সাহিত্যৰ অন্যতম গুৰি ধৰোঁতা প্ৰখ্যাত বুৰঞ্জীবিদ গুণাভিৰাম বৰুৱাৰ পুত্ৰ জ্ঞানদাভিৰাম বৰুৱাৰ আজি পুৱা গুৱাহাটীৰ নিজ বাসগৃহ 'অভিৰাম'ত আকস্মিক মৃত্যু হয়। 'ভেনিছৰ সাউদ', 'বিলাতৰ চিঠি', 'দদাইৰ পৰা' আদি পুথি লিখাৰ বাহিৰেও সমসাময়িক আলোচনীত

তেওঁলোকৰ অঞ্চলত প্ৰৱেশ কৰে তেন্তে এক ৰক্তাক্তময় পৰিৱেশৰ সৃষ্টি হ'ব। আনপিনে উত্তৰ পাৰত মিজো ইউনিয়নৰ সমৰ্থকসকলে উলহ-মালহেৰে স্বাধীনতা দিৱস উদ্‌যাপন কৰিলে। স্বাধীনতাৰ পিচতে অধীক্ষকক উপদেশ দিবৰ বাবে গঠন কৰি দিয়া উপদেষ্টা পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত হ'ল আৰু এই নিৰ্বাচনত মিজো ইউনিয়নে পৰিষদৰ দুখন আসনৰ বাদে আটাইকেইখন আসন লাভ কৰিলে। ইউ এম এফ অ'ৱে দুখন আসন লাভ কৰিলে। অধীক্ষক পিটাৰে মুখিয়ালসকলৰ পক্ষ লোৱা বুলি অভিযোগ তুলি মিজো ইউনিয়নৰ সদস্যসকলে অতি কম দিনৰ ভিতৰতে উপদেষ্টা পৰিষদত এক প্ৰতিবাদ আৰম্ভ কৰে। পৰিষদৰ কামত অসহযোগ কৰাৰ আন্দোলন ১৯৪৮ চনৰ ডিচেম্বৰ মাহত আৰম্ভ হয় আৰু ১৯৪৯ চনৰ ফেব্ৰুৱাৰী মাহলৈকে ই চলে।

ভাৰতবৰ্ষৰ সংবিধান সভাত বৰদলৈ উপ-সমিতিয়ে যি এক প্ৰতিবেদন উত্থাপন কৰিছিল সেই প্ৰতিবেদনত উত্তৰ-পূবৰ অন্যান্য পাহাৰীয়া অঞ্চলসমূহৰ লগতে লুছাই পাহাৰ সম্পৰ্কেও বিস্তৃত অনুভৱ আৰু অনুমোদন আছিল। উল্লেখ্য যে বৰদলৈ উপ-সমিতিৰ প্ৰতিবেদনৰ আধাৰতে পৰৱৰ্তী সময়ত ভাৰতবৰ্ষৰ সংবিধানত ষষ্ঠ অনুসূচী সন্নিৱিষ্ট কৰা হয়। এই অনুসূচী অনুসৰি ১৯৫০ চনৰ পিচত অসমত ছখন স্বায়ত্তশাসিত জিলা, জিলা পৰিষদসহ গঠন কৰাৰ সিদ্ধান্ত লোৱা হয় যাৰ ভিতৰত লুছাই পাহাৰো অন্তৰ্ভুক্ত হৈ আছিল। ১৯৫১ চনৰ ১২ নৱেম্বৰত জিলাখনত থকা উপদেষ্টা পৰিষদখন ভংগ কৰি দিয়া হয়। ষষ্ঠ অনুসূচী অনুসৰি ১৯৫২ চনৰ ৪ এপ্ৰিলত জিলা পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত হয় য'ত ২৪খন আসনৰ ভিতৰত ১৮খন নিৰ্বাচনযোগে আৰু ৬খন আসন মনোনয়নযোগে পূৰণ কৰাৰ ব্যৱস্থা ৰখা হৈছিল। মিজো ইউনিয়ন আৰু ইউ এম এফ অ' দলটিয়ে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰে আৰু ১৮খন আসনৰ ভিতৰত ১৭খনতে মিজো ইউনিয়ন জয়ী হয়। পৰিষদৰ প্ৰথম সভাপতি হিচাপে নিৰ্বাচিত হয় ড° ৰোছিয়ামা।

বিভিন্ন প্ৰবন্ধ সম্ভাৰেৰে অসমীয়া ভাষাক চহকী কৰা বৰুৱাই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ দ্বিতীয় কথাছবি 'ইন্দ্ৰমালতী'ত বেৰিষ্টাৰৰ ভূমিকাত অভিনয় কৰিছিল।

১৭ ফেব্ৰুৱাৰী ঃ নিউয়ৰ্কৰ মাউণ্ট ভেৰেনত টাম্বিমুট্টু নামৰ এজন পণ্ডিতে প্ৰকাশ কৰা 'ভাৰতীয় প্ৰেমৰ কবিতা' নামৰ কবিতা পুথিখনত অসমীয়া বিহুগীত আৰু বিহগী কবি ৰঘুনাথ চৌধাৰীৰ 'বহাগীৰ বিয়া'ই স্থান লাভ কৰে। প্ৰেমমূলক শ্ৰেষ্ঠ কবিতাসমূহৰ বিজ্ঞানসন্মত আলোচনা কৰা এই গ্ৰন্থখনত ১৮৫০ৰ পৰা কুৰি শতিকালৈ ভাৰতৰ প্ৰখ্যাত কবিসকলৰ প্ৰেম সম্বন্ধীয় কবিতাবোৰ সন্নিৱিষ্ট কৰা হৈছে। ভাৰতীয় শাস্ত্ৰ, ঋক্‌বেদ, অগ্নিপুৰাণ, মহাভাৰত, ৰামায়ণ, জয়দেৱ, বিদ্যাপতি আদি কবিসকলৰ বাদেও মুল্কৰাজ আনন্দ আৰু কৃষ্ণহাতী সিঙৰ কিতাপৰ পৰা ৫৮টা কবিতা সন্নিৱিষ্ট কৰা হৈছে। বহাগীৰ বিয়া কবিতাটি বিৰিঞ্চি কুমাৰ বৰুৱাৰ দ্বাৰা ইংৰাজীলৈ অনূদিত হৈছিল। একেদৰে লক্ষ্মীনাথ বেজবৰুৱাৰ 'প্ৰিয়তমাৰ সৌন্দৰ্য' কবিতাটিও বৰুৱাৰ দ্বাৰা অনূদিত হৈ এই গ্ৰন্থখনত স্থান লাভ কৰিবলৈ সক্ষম হয়।

১৯ ফেব্ৰুৱাৰী ঃ ভাৰতীয় গণনাট্য সংঘৰ অসম শাখাৰ তৃতীয় প্ৰাদেশিক সন্মিলন ১৯, ২০, ২১ আৰু ২২ তাৰিখে গুৱাহাটীৰ চাৰ্চ ফিল্ডত অনুষ্ঠিত হৈ যায়। সন্মিলন উদ্বোধন কৰে প্ৰখ্যাত চিত্ৰাভিনেতা বলৰাজ চাহানীয়ে। মণিপুৰী, নগা, খাছীয়া, জয়ন্তীয়া, বড়ো আদি অসমৰ জনজাতীয় লোকসকলৰ লগতে অসমৰ বিভিন্ন জিলাৰ সাংস্কৃতিক দলসমূহৰ গায়ক-নৃত্য শিল্পীসকলে এই সন্মিলনত সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰে। ভাৰতৰ অন্যতম বিখ্যাত গায়ক ওমৰ শেখ, দেৱব্ৰত বিশ্বাস, সুচিত্ৰা মিত্ৰা, নৃত্যবিদ শম্ভূ ভট্টাচাৰ্য আদি শিল্পীসকলেও সন্মিলনত অনুষ্ঠান পৰিবেশন কৰে। মঘাই ওজা, নৰহৰি বুঢ়াভকত আদিৰ নিচিনা প্ৰখ্যাত শিল্পীয়েও এই সন্মিলনত অংশগ্ৰহণ কৰে।

১২ মাৰ্চ ঃ অসমৰ বিত্ত মন্ত্ৰী মতিৰাম বৰাই অসম বিধানসভাত ১৯৫৫-৫৬

১৯৫২ চনৰ ২৫ মে'ত অসমৰ মুখ্যমন্ত্রী বিষ্ণুৰাম মেধিয়ে আনুষ্ঠানিকভাৱে স্বায়ত্তশাসিত জিলা পৰিষদখনৰ শুভ উন্মোচন কৰে।

জিলা পৰিষদৰ শাসনৰ দায়িত্বত মিজো ইউনিয়ন অধিষ্ঠিত হোৱাৰ পাচতে মুখিয়ালসকলৰ শক্তি-ক্ষমতা নোহোৱা কৰাটোৱেই দলটোৰ প্ৰধান লক্ষ্য হৈ পৰে। ইউনিয়নৰ পৰা দিয়া ক্ৰমাগত হেঁচাৰ বলতে অসম চৰকাৰে ১৯৫৪ চনত Lushai Hills (Acquisition of Chiefs Rights) Act নামৰ বিধেয়কখন প্ৰৱৰ্তন কৰে। ১৯৫৪ চনৰ ১৬ আগষ্টত ২৫৯ জন মুখিয়ালৰ অধিকাৰ আৰু ক্ষমতা জিলা পৰিষদৰ হাতলৈ যায়। একেদৰে ১৯৫৬ চনৰ ১৫ এপ্ৰিলত ৫০জন মুখিয়ালৰ শাসন ক্ষমতা আঞ্চলিক পৰিষদৰ হাতলৈ যায়।

১৯৫৩ চনত ইউ এম এফ অ'ৰ পৰা মণিপুৰ, ত্ৰিপুৰা, বৰ্তমানৰ থকা লুছাই স্বায়ত্তশাসিত জিলা আৰু নেফাৰ (বৰ্তমানৰ অৰুণাচল প্ৰদেশ) কিছু অংশ সামৰি এখন ৰাজ্য গঠনৰ প্ৰস্তাৱ লোৱা হয়।

ৰাজ্য পুনৰ গঠন আয়োগৰ অসম ভ্ৰমণ

১৯৫৪ চনত ৰাজ্য পুনৰ গঠন আয়োগৰ সদস্যসকল অসম ভ্ৰমণ কৰিবলৈ আহে। জিলা পৰিষদ আৰু মিজো ইউনিয়নৰ সদস্যসকলে আয়োগৰ আগত নিজৰ ক্ষোভ ব্যক্ত কৰি কয় যে পাহাৰীয়া লোকসকলৰ প্ৰতি অসম চৰকাৰে তথা ভৈয়ামৰ জনজাতীয় লোকসকলে প্ৰদৰ্শন কৰি অহা বৈষম্যৰ বাবেই অসমৰ পৰা পৃথক হৈ অহাৰ দাবীটো উত্থাপন হৈছে। মিজো জিলাখনৰ সৈতে নিকটৱৰ্তী মণিপুৰ আৰু ত্ৰিপুৰাৰ মিজো বসতিপ্ৰধান এলেকাসমূহো জোৰা দিয়াৰ এক দাবী উঠোৱা হৈছিল। ইউ এম এফ অ'ৰে আগৰ স্থিতি অব্যাহত ৰাখি সুকীয়া ৰাজ্যৰ দাবীটোকে ৰাজ্য পুনৰ গঠন আয়োগৰ সদস্যসকলৰ সন্মুখত ৰাখিছিল।

আয়োগে লক্ষ্য কৰিছিল যে বিচ্ছিন্নতাবাদী আন্দোলন আৰু আৰ্থিক

চনৰ বাজেট উত্থাপন কৰি আগন্তুক বছৰৰ পৰিকল্পিত আয়ৰ পৰিমাণ ৯,০৫,১২,০০০ টকা আৰু ৰাজহ ব্যয়ৰ পৰিমাণ ২১,৪৭,২৮,০০০ টকা দেখুৱায়। ৰাজহ শিতানত ২ কোটি ৪২ লাখ ৬ হাজাৰ টকা ঘাটিৰ এখন চিত্ৰও দাঙি ধৰে। এই ঘাটি পূৰণাৰ্থে বাজেটত কোনো নতুন কৰ-কাটল লগোৱা হোৱা নাই বুলিও তেওঁ উল্লেখ কৰে।

২০ মাৰ্চ ঃ ৰাজ্যৰ বিভিন্ন স্বাৱলম্বী লোকৰ নেতৃবৰ্গৰ গুৱাহাটী জিলা কংগ্ৰেছ অফিচত বহা গুৰুত্বপূৰ্ণ সভাত অসমৰ বৰ্তমান সীমা অটুট ৰখাৰ হকে দাবী জনোৱাৰ উপৰি ওচৰ-চুবুৰীয়া কোনো অঞ্চল অসমৰ লগত স্ব-ইচ্ছাই লগ লাগিব খুজিলে সাদৰে সামৰি লোৱা হ'ব বুলি অভিমত জনাই এক প্ৰস্তাৱ গ্ৰহণ কৰে।

২ এপ্ৰিল ঃ গুৱাহাটীৰ বিদ্যুৎ যোগান আসোঁৱাহমুক্ত কৰাৰ কাৰণে আৰু নাগৰিকসকলে ইয়াৰ ফলত কষ্ট ভুগিব লগা হোৱা হেতুকে এই অনুষ্ঠানটো চৰকাৰে হাতত লোৱা উচিত বুলি কেইজনমান ৰাজহুৱা প্ৰতিনিধিয়ে অভিমত দাঙি ধৰে। প্ৰতিনিধিসকল হৈছে— হৰেশ্বৰ গোস্বামী, ভুপেন্দ্ৰ সৰকাৰ, পি কে গুহ, এছ এন চৌধুৰী আদি।

৩ জুলাই ঃ ভাৰতৰ ৰে'লৱে সমষ্টিকৰণ ব্যৱস্থাৰ চোকা সমালোচনা কৰি পাণ্ডুত সদৰ কাৰ্যালয় পাতি আগৰ অসম ৰে'লৱেক পুনৰ সুকীয়া ৰে'লপথ হিচাপে প্ৰতিষ্ঠা কৰিব লাগে বুলি গুৱাহাটী জিলা কংগ্ৰেছে দাবী কৰে। গুৱাহাটীৰ পৰা ৪০ মাইল আঁতৰৰ ভালুককাটাত বহা জিলা কংগ্ৰেছৰ সাধাৰণ সভাই এই মৰ্মে এক প্ৰস্তাৱ গ্ৰহণ কৰে। সভাত সভাপতিত্ব কৰে পৰিবহণ মন্ত্ৰী সিদ্ধিনাথ শৰ্মাই।

৭ জুলাই ঃ পাণ্ডুত সদৰ কাৰ্যালয়সহ অসমত পৃথক ৰে'লৱে সমষ্টি গঠনৰ দাবী তুলি গুৱাহাটীত অনুষ্ঠিত এক ৰাজহুৱা সভাত প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

১৪ জুলাই ঃ দিল্লী-কলিকতা অভিমুখে ৰাওনা হোৱা মুখ্যমন্ত্ৰী বিযুওৰাম মেধিৰ ওচৰত অসম জাতীয় মহাসভাৰ পক্ষৰ পৰা এখন স্মাৰকপত্ৰত অসমৰ সৰ্বাংগীণ স্বাৰ্থ

অনগ্ৰসৰতাৰ বাবেই সুকীয়া ৰাজ্যৰ বিষয়টো ওলাইছে। ভাৰতীয় নাগৰিক হিচাপে নিজৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰাৰ লগে লগে তথা আৰ্থিক উন্নয়নে ৰাজ্যৰ দাবীটোৰ ন্যায্যতা ক্ৰমান্বয়ে নোহোৱা কৰি আনিব পাৰিছে। সেয়েহে মিকিৰ পাহাৰ, উত্তৰ কাছাৰ পাহাৰ আৰু মিজো পাহাৰৰ জিলা পৰিষদে ৰাজ্য বিচৰাৰ সলনি আগৰ ব্যৱস্থাৰ মাজতে থাকিব বিচাৰিছে। কেৱল গাৰো আৰু খাছি পাহাৰ তথা জয়ন্তীয়া পাহাৰত পৃথক ৰাজ্যৰ দাবীত আন্দোলন চলিব ধৰিছে। আয়োগৰ ফালৰ পৰা সৰ্বশেষত জিলা পৰিষদসমূহ চলাই নিয়াৰ অনুমোদন জনোৱা হয়।

আয়োগৰ এই অনুমোদনবোৰৰ প্ৰতি ভালেমান অসন্তোষে দেখা দিছিল (ইয়াৰ আগতে নগাসকলে এই আয়োগ বৰ্জন কৰা কথাটো এইক্ষেত্ৰত প্ৰণিধানযোগ্য)। ১৯৫৫ চনত আইজলত মিজো নেতাসকল মিলিত হয় আৰু অসমৰ পাহাৰীয়া জিলাবোৰক সামৰি এখন পাহাৰীয়া ৰাজ্য গঠনৰ দাবী তোলে। এই উদ্দেশ্য আগত ৰাখিয়েই Eastern India Tribal Union (EITU) নামৰ এটা ৰাজনৈতিক দলে জন্ম লাভ কৰে।

আৰ্থিক অনগ্ৰসৰতা আৰু পশ্চাদপদ বিষয়টো আগত লৈ ইউ এম এফ অ' দলে ক্ৰমান্বয়ে জনপ্ৰিয়তা লাভ কৰিবলৈ আৰম্ভ কৰিছিল আৰু মিজো ইউনিয়নৰ জনপ্ৰিয়তা ক্ৰমান্বয়ে টুটি অহাটো পৰিলক্ষিত হৈছিল। ১৯৫৭ চনৰ জিলা পৰিষদৰ নিৰ্বাচনত মিজো ইউনিয়নৰ আধিপত্য খৰ্ব হয় আৰু ১১খন আসন লাভ কৰে। ইয়াৰ বিপৰীতে ইউ এম এফ অ' দলৰ হাতত আসন ৰয়গৈ ৮খন। একেদৰে বিধানসভাৰ নিৰ্বাচনত ইউ এম এফ অ'ৱে দুখন আসন লাভ কৰাৰ বিপৰীতে মিজো ইউনিয়নে মাত্ৰ এখন আসনহে লাভ কৰিব পাৰিছিল। অৱশ্যে নিজৰ দুৰ্গ খহাৰ পিচত মিজো ইউনিয়নে অসমৰ কংগ্ৰেছ দলৰ সৈতে আগৰ নিচিনাকৈয়ে সম্পৰ্ক অব্যাহত ৰাখিলে। এই সম্পৰ্কৰ বাবেই মিজো ইউনিয়নৰ পৰা নিৰ্বাচিত হোৱা বিধায়ক এ থাংলুৰাক অসম মন্ত্ৰীসভাৰ সংসদীয় সচিব পদত নিযুক্তি দিয়া হৈছিল।

ৰক্ষাৰ হকে নিম্নোক্ত পৰামৰ্শকেইটা আগবঢ়োৱা হয়—

- গোৱালপাৰাৰ ঘটনা, অসম আৰু বংগৰ পাৰস্পৰিক স্বাৰ্থ নিহিত বিষয়সমূহ অসমত ৰাজ্যিক অধিকাৰ দিয়া নহয়, ভগনীয়া সংস্থাপন সম্পৰ্কীয় কোনো কথা যেন পশ্চিম বংগৰ মুখ্যমন্ত্ৰী বিধান ৰায়ৰ লগত আলোচনা কৰি সিদ্ধান্ত লোৱা নহয়।
- নতুন ভগনীয়া সংস্থাপনৰ দায়িত্ব গ্ৰহণ কৰিব পৰা নহ'ব বুলি যেন ৰায় আৰু অতুল্য ঘোষক জনাই দিয়া হয়।
- অসমবাসী পুৰণি বাঙালী আৰু ভগনীয়া বাঙালীসকলে অসমৰ জনসাধাৰণ আৰু অসম চৰকাৰৰ প্ৰতি কোনো প্ৰকাৰৰ সদ্ভাৱ আৰু আনুগত্য নাৰাখি শত্ৰুতাচাৰণেৰে ভাৰতৰ একত্ববোধ হানি কৰি থকাৰ কথা যেন স্পষ্টভাৱে তেওঁলোকক জনাই দিয়া হয় আৰু কলিকতীয়া কাকতবোৰেই যে সকলো অনিষ্ট আৰু অশান্তিৰ মূল সেইটো যেন তেওঁলোকক খোলাখুলিকৈ জনোৱা হয়।

২০ জুলাই ঃ অসমৰ হুগ্ৰীজান আৰু মৰাণ অঞ্চলত তেল উৎপাদনৰ বাবে এক-তৃতীয়াংশ চৰকাৰী মূলধনেৰে এটা নতুন তেল কোম্পানী গঠন কৰা হ'ব বুলি অসমৰ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধি আৰু কেন্দ্ৰীয় চৰকাৰৰ প্ৰাকৃতিক সম্পদৰাজিৰ মন্ত্ৰী কেশৱদেৱ মালব্যই নতুন দিল্লীত আয়োজিত এক সংবাদমেলত ঘোষণা আগবঢ়ায়।

২৭ জুলাই ঃ বৃহৎ বানপানীৰ কবলত পৰাৰ ফলত অসমৰ সৈতে বহিঃৰাজ্যৰ সম্পৰ্ক বিচ্ছিন্ন হৈ পৰে। টেলিফোন, ডাক আদি সেৱাবোৰো ব্যাহত হয়।

১০ আগষ্ট ঃ অসমত দ্বিতীয় পৰিকল্পনাৰ বাবে ২৯০.৭ কোটি টকাৰ আঁচনি ধাৰ্য কৰা হৈছে বুলি অসমৰ পৰিকল্পনা মন্ত্ৰী বৈদ্যনাথ মুখাৰ্জীয়ে এখন সংবাদ সন্মিলনত প্ৰকাশ কৰে।

১৮ আগষ্ট ঃ পৰ্তুগাল কৰ্তৃপক্ষই ১৫ আগষ্টত গোৱাত শান্তিপূৰ্ণ আৰু অহিংস ভাৰতীয় সত্যাগ্ৰহীসকলৰ ওপৰত কৰা গুলীচালনাৰ প্ৰতিবাদত গুৱাহাটীত সম্পূৰ্ণ হৰতাল পালন কৰা হয়।

১৯৫৭ চনত মিজো পাহাৰত আন এক তাৎপৰ্যপূৰ্ণ ঘটনা সংঘটিত হয়। ২ অক্টোবৰত ইউ এম এফ অ' আৰু মিজো ইউনিয়নৰ কিছু সদস্যই ই আই টি ইউত যোগ দিয়ে। ইয়াৰ পিচতে ১৯৫৮ চনত তিনিগৰাকী ই আই টি ইউ সদস্যক মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰা হয়। এই সদস্য তিনিজন আছিল কেপ্টেইন উইলিয়ামছন চাংমা, লাৰছিং খইৰেম আৰু লালমাইয়া। ইয়াৰ শেষৰজন মিজো নেতাই সংসদীয় সচিবৰ দায়িত্ব লাভ কৰিছিল।

আনহাতে ১৯৫৮ চনত সমগ্ৰ মিজোৰামতে বাঁহগছবোৰ ফুলিবলৈ আৰম্ভ কৰে। পোনতে বাঁহগছৰ ফুলবোৰ খাবৰ বাবে ব্যাপক এন্দুৰৰ আৱিৰ্ভাৱ হ'বলৈ ধৰে আৰু ক্ৰমান্বয়ে এন্দুৰৰ বৃদ্ধিয়ে ভয়ংকৰ ৰূপ ধাৰণ কৰে। বাঁহৰ ফুলবোৰ শেষ হৈ অহাৰ লগে লগে খেতিপথাৰৰ শস্যবোৰৰ ওপৰতো এন্দুৰৰ আক্ৰমণ বৃদ্ধি হয়। এই পৰিঘটনাৰ ফলত সমগ্ৰ মিজোৰামত খাদ্যবস্তুৰ ব্যাপক আকালে দেখা দিলে আৰু আৰম্ভ হ'ল এক অভূতপূৰ্ব দুৰ্ভিক্ষ। মিজোৰাম তথা সমগ্ৰ উত্তৰ-পূবৰ ইতিহাসত এই পৰিঘটনাক 'মৌতম' বুলি জনা যায়। যি নহওক অসম চৰকাৰে যথাযথভাৱে খাদ্যবস্তু যোগান ধৰিব নোৱৰা আৰু দুৰ্ভিক্ষ নিয়ন্ত্ৰণ কৰাত ব্যৰ্থ হোৱাৰ প্ৰতিবাদস্বৰূপে মিজো ইউনিয়নৰ বিধায়কসকলে অসম কংগ্ৰেছ বিধায়িনী দল পৰিত্যাগ কৰে। এই ঘটনাই মিজো ইউনিয়নৰ ভাবমূৰ্তি পুনৰুদ্ধাৰ কৰাত এক উল্লেখনীয় ভূমিকা ল'লে আৰু ১৯৬০ চনত হোৱা গ্ৰাম পৰিষদৰ নিৰ্বাচনত ২৮০খন আসন লাভ কৰে। ইয়াৰ বিপৰীতে ই আই ইউ টিয়ে লাভ কৰে ৮৩খন আসন। ১৯৬০ চনত লুংলেইৰ উপ-নিৰ্বাচনতো মিজো ইউনিয়নে বিজয় সাব্যস্ত কৰিব পাৰিছিল।

১৯৬০ চনত অসম চৰকাৰী ভাষা বিধেয়ক শীৰ্ষক বিধেয়কখনে অসমৰ পাহাৰীয়া জনজাতিসকলৰ মনত সৃষ্টি কৰিছিল সন্দেহ আৰু শংকাৰ। অসমীয়াক ৰাজ্যখনৰ ৰাজ্যভাষা কৰাৰ প্ৰতিবাদত ১৯৬০ চনৰ ৬ আৰু ৭ জুলাইত শ্বিলঙত এখন সভা অনুষ্ঠিত হয়। কংগ্ৰেছ সাংসদ জে হাগজেৰৰ

২৬ আগষ্ট ঃ বৈজ্ঞানিক বা চিকিৎসা বিষয়ত ব্যৱহাৰৰ বাহিৰে অন্য কাৰণত কানিৰ ব্যৱহাৰ অসমত ১৯৫৬ চনৰ মাৰ্চৰ পৰা সম্পূৰ্ণৰূপে বন্ধ কৰিবলৈ ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰে।

● চাৰিদিনীয়া অসম ভ্ৰমণৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে আজি গুৱাহাটীত পদাৰ্পণ কৰে। গুৱাহাটীৰ জজ ফিল্ডত অনুষ্ঠিত এখন বিৰাট ৰাজহুৱা সভাত দিয়া বক্তৃতাত প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে পাঁচ বছৰীয়া পৰিকল্পনা কৃতকাৰ্য কৰাত ৰাইজ আৰু চৰকাৰৰ সহযোগ কামনা কৰে।

২৮ আগষ্ট ঃ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে গুৱাহাটী বিশ্ববিদ্যালয়ৰ জালুকবাৰীত সজা বিজ্ঞানাগাৰ মুকলি কৰে।

২৯ আগষ্ট ঃ অসমবাসীক সাহসেৰে প্ৰাকৃতিক দুৰ্যোগৰ সৈতে মুখামুখি হ'বলৈ নেহৰুৰ আহ্বান।

৩১ আগষ্ট ঃ উত্তৰ-পূব সীমান্ত এজেঞ্চিৰ টুৱেনচাং অঞ্চলৰ দক্ষিণ-পশ্চিমে অঘুনাটে নামৰ ঠাইৰ ওচৰত প্ৰায় ৫০০ বিদ্ৰোহী নগাক অস্ত্ৰ-শস্ত্ৰৰে সু-সজ্জিত অৱস্থাত ঘেৰাও কৰা হৈছে বুলি প্ৰকাশ।

৮ ছেপ্টেম্বৰ ঃ নেফাত আছাম ৰাইফল্‌ছ আৰু নগাৰ মাজত হোৱা সংঘৰ্ষত দুয়োপক্ষৰ ৩৬জন লোকৰ মৃত্যু হোৱা আৰু ২২জন আহত হোৱা বুলি লোকসভাত জোনাব চৌধুৰী মহম্মদ ছফীৰ প্ৰশ্নৰ উত্তৰ এটাত প্ৰধানমন্ত্ৰীয়ে অৱগত কৰে।

● ভাৰত চৰকাৰৰ দ্বাৰা গঠিত ৰাজ্য পুনৰ্গঠন আয়োগৰ প্ৰতিবেদন অনুসৰি অসমত মণিপুৰ আৰু ত্ৰিপুৰা ৰাজ্য সংলগ্ন কৰাৰ সম্ভাৱনা।

১২ ছেপ্টেম্বৰ ঃ মুখ্যমন্ত্ৰীৰ দ্বাৰা অসম চাহ বনুৱা ভৱিষ্যনিধি আঁচনি উদ্বোধন ঃ অসমৰ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে আজি সচিবালয়ৰ আলোচনা কক্ষত হোৱা অনুষ্ঠানত 'অসম চাহ বনুৱা ভৱিষ্যনিধি আঁচনি'খন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উল্লেখ্য যে স্বতন্ত্ৰ উদ্যোগৰ ক্ষেত্ৰত লোৱা ভাৰতৰ এইখনেই সৰ্ববৃহৎ আঁচনি। আঁচনি মুকলি কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সমাজ কল্যাণ ইতিহাসত এই কথা স্মৰণীয় হৈ ৰ'ব আৰু অসমৰ

সভাপতিত্বত অনুষ্ঠিত এই সভাত এটা নতুন ৰাজনৈতিক দলৰ আত্মপ্ৰকাশ ঘটে। এই নতুন ৰাজনৈতিক দলটোৰ নাম আছিল All Party Hill Leaders Conference (APHLC)। অসমৰ পাহাৰীয়া সকলো ৰাজনৈতিক দল একলগ হৈ এই নতুন দল গঠন হৈছিল। ১৯৬০ চনৰ ২৩ নৱেম্বৰত হাফলঙত হোৱা এখন সভাত APHLCৰ ফালৰ পৰা সিদ্ধান্ত লোৱা হয় যে পাহাৰীয়া জিলাবোৰে অসমৰ পৰা পৃথক হৈ এখন পূৰ্বোত্তৰ সীমান্তৱৰ্তী ৰাজ্য গঠন কৰিব লাগে। ১৯৬১ চনত অসম ৰাজ্যভাষা বিধেয়কখন প্ৰবৰ্তন হোৱাৰ প্ৰতিবাদৰূপে পাহাৰীয়া নেতা চাংমা, খইৰেম, থানহিলৰা আৰু লালমাইয়াই অসম মন্ত্ৰীসভাৰ পৰা পদত্যাগ কৰে। ১৯৫৮ চনৰ 'মৌতমে' মিজো পাহাৰত কেইবাটাও স্বেচ্ছাসেৱী সংগঠনৰ জন্ম দিছিল। দুৰ্ভিক্ষত আক্ৰান্তসকলক সাহায্য দিয়াৰ উদ্দেশ্যে জন্ম লাভ কৰা এনে সংগঠনবোৰৰ ভিতৰত ১৯৬০ চনত আত্মপ্ৰকাশ কৰা মিজো নেচনেল ফেমাইন ফ্ৰন্ট (Mizo National Famine Front) আছিল উল্লেখনীয় এক সংস্থা। এই সংগঠনৰ যুৱ সদস্যসকলে ঘৰে ঘৰে গৈ সাহায্য বৰঙণি গোটাইছিল আৰু পাহাৰীয়া জিলাখনৰ চুকে-কোণে গৈ সেইবোৰ বিতৰণ কৰিছিল। সাহায্য অভিযানৰ জৰিয়তে ব্যাপক জনসমৰ্থন লাভ কৰা এই স্বেচ্ছাসেৱী সামাজিক সংগঠনটোৱে ১৯৬১ চনৰ ২২ অক্টোবৰত নিজৰ নামৰ পৰা ফেমাইন শব্দটো আঁতৰাই দিয়ে আৰু এনেদৰে আৰম্ভণি ঘটে মিজো নেচনেল ফ্ৰন্ট নামৰ ৰাজনৈতিক সংগঠনটোৰ। জিলা পৰিষদৰ এগৰাকী প্ৰাক্তন কৰ্মচাৰী তথা প্ৰাক্তন চৰকাৰী কৰ্মচাৰী লালডেংগাৰ নেতৃত্বত এম এন এফে এখন সাৰ্বভৌম স্বাধীন মিজোৰামৰ দাবী তোলে। আৰম্ভ হয় উত্তৰ-পূব ভাৰতৰ আন এক বিচ্ছিন্নতাবাদী সংগ্ৰামৰ পৰ্ব।

চাহ বনুৱাৰ সামাজিক নিৰাপত্তা ব্যৱস্থাৰ প্ৰথম ভেটি স্থাপন কৰিবলৈ পাই তেওঁ সঁচাকৈয়ে সুখী হৈছে। আঁচনিখনৰ বিষয়ে আলোচনা কৰি মুখ্যমন্ত্ৰীয়ে বনুৱাবিলাকৰ সঞ্চয়ৰ প্ৰয়োজনীয়তাৰ কথা দোহাৰে। এনে সঞ্চয়ে জাতীয় সম্পদ বৃদ্ধি কৰাৰ কথা উল্লেখ কৰি মেধিয়ে অকল বনুৱাসকলকেই নহয় সমাজৰ সকলো শ্ৰেণীৰ লোককেই সাধ্যানুসৰি ত্যাগ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত সভাপতিত্ব কৰি শ্ৰম মন্ত্ৰী অমিয় কুমাৰ দাসে কয় যে প্ৰত্যেক চাহ বাগিচাত বনুৱা আৰু মালিকৰ প্ৰতিনিধি থকা একোখন প্ৰাথমিক কমিটী থাকিব আৰু বাগিচাৰ ক্ষমতা অনুসৰি পুঁজিৰ প্ৰশাসনীয় ব্যৱস্থাত তেওঁলোকৰ অধিকাৰ থাকিব। এই সকলোবিলাক প্ৰশাসনীয় ব্যৱস্থাৰ ওপৰত আছে ন্যাসৰক্ষী ব'ৰ্ড আৰু এই ব'ৰ্ডৰ হাততে সকলো ক্ষমতা ন্যস্ত কৰা হৈছে।

- অসম চৰকাৰে বানপানী নিয়ন্ত্ৰণৰ বাবে অহা ছমাহত চাৰি কোটি খৰচ কৰিব বুলি ঘোষণা কৰে। নতুন আঁচনি মতে ডিব্ৰুগড়ৰ প্ৰতিৰক্ষাৰ কাৰণে নতুনকৈ দুটা শৈলস্পাৰ আৰু কেইবাটাও কাঠৰ স্পাৰ নিৰ্মাণ কৰা হ'ব। ইয়াৰ উপৰি ব্ৰহ্মপুত্ৰ নদীৰ পাৰত ১০০ মাইল আৰু আন আন উপনদীৰ পাৰত ২৪২ মাইল দীঘল বুৰুজ নিৰ্মাণ কৰাৰো আঁচনি লোৱা হয়।

১৪ ছেপ্টেম্বৰ ঃ পৰিকল্পনা আয়োগে অসমত দ্বিতীয় পাঁচ বছৰীয়া পৰিকল্পনাৰ ব্যয়ৰ পৰিমাণ ৫৯.৩৯ কোটি টকালৈ বৃদ্ধি কৰে। ৰাজ্যিক পৰিকল্পনা মন্ত্ৰী বৈদ্যনাথ মুখাৰ্জীয়ে এখন সংবাদমেলত এই কথা ঘোষণা কৰে।

২৫ ছেপ্টেম্বৰ ঃ ভাৰতৰ উত্তৰ-পূব সীমান্তৰ প্ৰান্তত অৱস্থিত সমস্যাবহুল অসমৰ ক্ৰমবৰ্ধমান সমস্যাৱলীৰ সমাধানত বৰঙণি যোগোৱাৰ লগতে পৰ্বত-ভৈয়ামৰ জনসাধাৰণৰ মাজত ঘনিষ্ঠ সম্পৰ্ক প্ৰতিষ্ঠা কৰিবৰ বাবে গুৱাহাটীত বিভিন্ন অঞ্চলৰ প্ৰতিনিধিসকলৰ উপস্থিতিত এক অভিৱৰ্তনত অসম জাতীয় পৰিষদ নামৰ এক অৰাজনৈতিক দল গঠন কৰা হয়। নগা পাহাৰকে ধৰি অসমৰ

নাগালেণ্ড

১৯৫০ৰ দশকটিত অসমত ভালেমান গুৰুত্বপূৰ্ণ ঘটনা সংঘটিত হ'ল, যিবোৰে অসমৰ সমাজ তথা ৰাজনৈতিক ইতিহাসত সুদূৰপ্ৰসাৰী প্ৰভাৱ ৰাখি থৈ গ'ল। এনে ঘটনাসমূহৰ ভিতৰত তাৎপৰ্যপূৰ্ণ সামাজিক-ৰাজনৈতিক সংঘটনটো ঘটিছিল নগাসকলৰ ক্ষেত্ৰত আৰু তাৰ ভিতৰত নগা সমস্যা অন্যতম। ১৯৫০ চনৰ ৫ আগষ্টত গোপীনাথ বৰদলৈৰ মৃত্যু ঘটাত অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত সমন্বয় আৰু আত্মীকৰণ প্ৰক্ৰিয়াৰে এক বৃহৎ প্ৰগতিশীল জাতি গঠন কৰা ৰাজনৈতিক ইচ্ছাটোৰে পৰিসমাপ্তি ঘটিল বুলি ক'ব পাৰি। বৰদলৈৰ মৃত্যুৰ পিচত ভৈয়াম আৰু

বিভিন্ন জিলাৰ প্ৰতিনিধিয়ে যোগদান কৰা এই অভিৱৰ্তনত সভাপতিত্ব কৰে ৰঘুনাথ চৌধাৰীয়ে। অভিৱৰ্তনে সৰ্বসন্মতিক্ৰমে ৰঘুনাথ চৌধাৰীক সভাপতি, বেণুধৰ শৰ্মা আৰু পৰাগধৰ চলিহাক উপ-সভাপতি, হৰেন্দ্ৰনাথ বৰুৱাক প্ৰধান সম্পাদক আৰু লীলা গগৈক পৰিষদৰ যুটীয়া সম্পাদক নিৰ্বাচিত কৰে।

২৫, ২৬ ছেপ্টেম্বৰ ঃ অনুগত নগা আৰু নগা বিদ্ৰোহীৰ মাজত হোৱা সংঘৰ্ষত ১৪ জন নগাৰ মৃত্যু হয়।

২৭ ছেপ্টেম্বৰ ঃ অসমৰ প্ৰথমখন অন্ধ বিদ্যালয়ৰ দুৱাৰ নগাঁৱত অসমৰ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে মুকলি কৰে। নগাঁৱৰ শ্ৰীমন্ত শংকৰ মিছন প্ৰাংগণত স্থাপিত এই বিদ্যালয়খনৰ নাম শংকৰদেৱৰ লগত সংশ্লিষ্ট কৰি দিয়াত মুখ্যমন্ত্ৰীয়ে সন্তোষ প্ৰকাশ কৰে।

২৯ ছেপ্টেম্বৰ ঃ শ্বিলঙৰ পৰা সাতমাইল দূৰৈত এলিফেণ্ট ফল্‌ছৰ ওচৰত এখন বিমানকোঠ নিৰ্মাণ কৰিবলৈ চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰে।

৯ অক্টোবৰ ঃ ৰাজ্য পুনৰ্গঠন আয়োগে অনুমোদন কৰা বিভিন্ন ৰাজ্যৰ সীমাৰ পুনৰ্নিৰ্ধাৰণৰ ফলত পূব ভাৰতৰ ৰাজ্য চাৰিখনৰ ভিতৰত অসমে আটাইতকৈ লাভৱান হয়। বৰ্তমানৰ ৰাজ্যক্ষেত্ৰ সম্পূৰ্ণ অটুট থকাৰ উপৰি অসমে গোটেই ত্ৰিপুৰা ৰাজ্যখন লাভ কৰে। ইয়াৰ ফলত নতুন অসম ৰাজ্যৰ মাটিকালি ৮৯,০৪০ বৰ্গমাইল আৰু জনসংখ্যা ৯৭ লাখ হ'ব।

৩১ অক্টোবৰ ঃ অসম সংযুক্ত বণিক সংঘৰ প্ৰথম অধিৱেশন তেজপুৰত জি আৰ ধনুকাৰ সভাপতিত্বত অনুষ্ঠিত হয়। অধিৱেশন উদ্বোধন কৰে কামাখ্যা প্ৰসাদ ত্ৰিপাঠীয়ে। সভাত অসম চৰকাৰৰ কৰ নিৰ্ধাৰণ ব্যৱস্থা বাণিজ্যৰ পৰিপন্থী বুলি মত পোষণ কৰা হয়। সভাই ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত ৰে'লৰেৰ সম্প্ৰসাৰণ আৰু জইণ্ট ষ্টীমাৰ আৰু নেভিগেচন কোম্পানী স্থানীয়ভাৱে পৰিচালনা কৰাৰ আৱশ্যকতাত জোৰ দিয়ে।

১১ নৱেম্বৰ ঃ সকলো শিক্ষা বিভাগৰ অফিচ যাতে একে ঠাইতে স্থাপন কৰিব পাৰি সেই উদ্দেশ্যে অসম মিউজিয়ামৰ ওচৰত চৰকাৰে

পাহাৰৰ মাজৰ দ্বন্দ্ব দিনক দিনে বৃদ্ধি পাবলৈ ধৰিলে আৰু শত্ৰুতাৰ বীজেও পোখা মেলিলে। একে সময়তে অসমলৈ পূব পাকিস্তানৰ পৰা হোৱা ব্যাপক বাংলাদেশী অনুপ্ৰৱেশে গভীৰ ৰূপ লোৱালৈ লক্ষ্য ৰাখি ভাৰতবৰ্ষৰ সংসদত অসমৰ পৰা বিদেশী বহিষ্কাৰৰ বাবে এখন আইন প্ৰণয়ন কৰা হৈছিল। এই আইনখনৰ নাম আছিল Illegal Immigrants Expulsion (from Assam) Act, 1950.

ইয়াৰ মাজতে আন এক গুৰুত্বপূৰ্ণ উত্থান ঘটিছিল নগা পাহাৰত। ১৯৪৯ চনৰ শেষৰ ফালে ফিজো নাগা নেচনেল কাউঞ্চিলৰ (এন এন চি) সভাপতি হিচাপে নিৰ্বাচিত হয়। সাৰ্বভৌম নাগালেণ্ডৰ প্ৰধান প্ৰবক্তা ফিজো এন এন চিৰ সভাপতি হোৱা ঘটনাতোৱে সমগ্ৰ নগা ৰাজনীতিতে এক আমূল পৰিৱৰ্তন সাধন কৰে। ইয়াৰ আগলৈকে এন এন চিয়ে কিছু পৰিমাণে নমনীয়তা প্ৰদৰ্শন কৰিছিল যদিও ফিজোৰ আগমনৰ পিচতে স্বাধীন নাগালেণ্ডৰ দাবীত সশস্ত্ৰ আন্দোলনে তীব্ৰ ৰূপ ধাৰণ কৰে আৰু এক দীঘলীয়া আন্দোলনৰ ফলত নগা ৰাজ্যৰ আত্মপ্ৰকাশ ঘটে।

আহোম ৰাজত্বৰ সময়ছোৱাত নগা সীমান্তৱৰ্তী এলেকাবোৰত আহোম সৈন্যই কঢ়া নজৰ দিছিল আৰু নগাসকলক আহোমৰ নিয়ন্ত্ৰণত ৰখাৰ প্ৰয়াস কৰা গৈছিল। কিন্তু আহোম ৰজাসকলে নগা অধিকৃত অঞ্চল দখল কৰা তথা আহোম ৰাজত্বৰ সৈতে সেইবোৰ সংযোজন কৰাৰ হাবিয়াস কাহানিও কৰা নাছিল। নগাসকলৰ বিৰুদ্ধে আহোম ৰজাই কেইবাবাৰো শাস্তিমূলক বিজয় অভিযান চলাইছিল আৰু এনে অভিযানৰ মূল উদ্দেশ্য আছিল নগাসকলে সমতলৰ আহোম ৰাজত্বৰ অন্তৰ্গত গাঁওবোৰত চলোৱা লুণ্ঠন প্ৰতিহত কৰা। নগাসকলৰ আভ্যন্তৰীণ বিষয়ত আহোম শাসকে হস্তক্ষেপ নকৰাৰ ফলত সীমান্তৱৰ্তী এলেকাত বসবাস কৰা নগা আৰু অসমীয়াৰ মাজত কোনোধৰণৰ বিৰোধ বা শত্ৰুতাই দেখা দিয়া নাছিল। বৰঞ্চ ক'ব পাৰি যে এনেধৰণৰ বুজাবুজিৰ ফলত আহোম আৰু নগাৰ

মাটি নিৰ্ধাৰণ কৰি দিছে। এই ঠাইত স্কুল বিভাগৰ ইন্সপেক্টৰ; ইন্সপেক্টৰ, সামাজিক শিক্ষা বিভাগ, বুনিয়াদী বিভাগ, স্কুল ব'ৰ্ড আদিৰ স্থায়ী অফিচ সজা হ'ব। শান্তিপুৰত প্ৰাগজ্যোতিষ কলেজ স্থাপনৰ বাবে ২০ বিঘা আৰু শৰণীয়াৰ ওচৰত গুৱাহাটী ষ্টেডিয়ামৰ কাৰণে ৫৮ বিঘা, ফটাশিলত কলেজ, হাস্পতাল স্থাপনৰ বাবেও মাটি আবণ্টন কৰা হয়।

১৬ নৱেম্বৰ ঃ আজি পুৱা ১০ বজাৰ পৰা অসম বিধানসভাৰ অধিৱেশন আৰম্ভ হয়। বিধানসভাৰ অধ্যক্ষ কুলধৰ চলিহাই অধিৱেশনত সভাপতিত্ব কৰে।

১৭ নৱেম্বৰ ঃ অসম বিধান সভাৰ অধিৱেশনত নেফা আৰু মণিপুৰক চামিল কৰাৰ দাবী ঃ বিধান সভাৰ অধিৱেশনত ৰাজ্য আয়োগৰ প্ৰতিবেদনত অংশগ্ৰহণ কৰা অধিকাংশ সদস্যয়েই আয়োগে পাৰ্বত্য ৰাজ্য আৰু পূৰ্বাঞ্চল গঠনৰ পৰামৰ্শ আগবঢ়োৱাটো অযুক্তিকৰ হৈছে বুলি বিবেচনা কৰে আৰু নেফা অঞ্চল আৰু মণিপুৰ অচিৰে অসমৰ লগত চামিল হোৱা উচিত বুলি দাবী জনায়। কাছাৰৰ কংগ্ৰেছী সভ্য মইনুল হক চৌধুৰীয়ে কয় যে গোৱালপাৰাক পশ্চিম বংগৰ লগত সাঙুৰি দিয়া আৰু কাছাৰৰ কিছুমান মানুহৰ পূৰ্বাঞ্চল গঠন কৰাৰ দাবী কেইজনমান মুষ্টিমেয় লোকৰহে দাবী। কাছাৰ আৰু ত্ৰিপুৰাৰ অধিকসংখ্যক লোকেই অসমৰ লগত লগ লাগি থকাটো বিচাৰে। সুকীয়া পাৰ্বত্য ৰাজ্যৰ দাবী তেওঁ অবান্তৰ আৰু ভিত্তিহীন বুলি কয়। জয়ন্তীয়া কংগ্ৰেছী সদস্য কাষ্টবীন ৰীম্বাই কয় যে জয়ন্তীয়া অঞ্চলৰ লোকে সুকীয়া পাৰ্বত্য ৰাজ্য নিবিচাৰে, তেওঁলোকে অসমৰ লগত মিলি থাকিব খোজে। গাৰো পাহাৰৰ কংগ্ৰেছী সদস্য আৰণ চাংমাই গাৰো পাহাৰত অধিকসংখ্যক লোকেই পৃথক পাৰ্বত্য ৰাজ্য দাবী নকৰে বুলি উল্লেখ কৰে। অসমৰ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে চাৰিদিনীয়া অধিৱেশনৰ সামৰণি মাৰি কয় যে সংখ্যালঘিষ্ঠসকলৰ দাবী ৰক্ষা কৰিব লাগিব আৰু এইক্ষেত্ৰত সকলোৰে সমৰ্থন প্ৰয়োজনীয়। সুকীয়া পাৰ্বত্য ৰাজ্যই পাহাৰী ভাই-ভনীৰ সমস্যা সমাধান নকৰে আৰু এনে ৰাজ্য স্থাপিত

মাজত ব্যৱসায়িক শ্ৰীবৃদ্ধিহে ঘটিছিল। চমুকৈ ক'বলৈ গ'লে আহোম ৰাজত্বৰ সময়ছোৱাত নগাসকলে আহোম শাসকৰ সমতাক স্বীকৃতি দিছিল আৰু কিছু জনজাতিয়ে কৰ-কাটলো প্ৰদান কৰিছিল। একেদৰে আহোমে নগাসকলৰ স্বাধীনতাপ্ৰিয় মনোভাবক শ্ৰদ্ধা জনাই তেওঁলোকৰ আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ কৰাৰ পৰা বিৰত আছিল।

ব্ৰিটিছে অসম অধিকাৰ কৰি লোৱাৰ পিচত ব্ৰিটিছ প্ৰশাসনে নগাসকলৰ ক্ষেত্ৰত আহোমৰ নীতিকে অনুসৰণ কৰা দেখা গৈছিল। ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ পিচত ব্ৰিটিছে মূলতঃ অসমৰ সমতল ভূমিতহে নজৰ দিছিল। পাহাৰীয়া অঞ্চলবোৰত হস্তক্ষেপ নকৰাৰ ক্ষেত্ৰত আন এক কাৰকহে আছিল। ব্ৰিটিছে যুক্তি দৰ্শাইছিল যে সমতলৰ লোকৰ শোষণ আৰু আগ্ৰাসনৰ পৰা পাহাৰৰ সহজ-সৰল লোকসকলক সুৰক্ষিত কৰি ৰাখিব লাগে আৰু সেইবাবে পাহাৰবোৰক 'সুৰক্ষিত' এলেকা হিচাপে গঢ়ি তোলা হৈছে। কিন্তু ব্ৰিটিছৰ এই কথাৰ অন্তৰালত আন এক ৰহস্যহে লুকাই থকা দেখা পায়। পাহাৰীয়া এলেকাবোৰ ব্ৰিটিছ প্ৰশাসনৰ অধীনলৈ আনিলে বৰ বেছি লাভ নহ'ব বুলি ধৰিহে ব্ৰিটিছে পাহাৰীয়া অঞ্চলবোৰ ইয়াৰ প্ৰশাসনিক আওতাৰ বাহিৰত ৰাখি থৈছিল।

১৮৩২ চনত অসমৰ সমতলভূমিৰ পৰা মণিপুৰলৈ যোৱাৰ পথত পোনপ্ৰথমবাৰৰ বাবে ব্ৰিটিছৰ সৈতে নগাসকলৰ সংশ্ৰৱ ঘটে। কেপ্টেইন জেনকিন্‌ছ আৰু তেওঁৰ বাহিনীটোৱে যেতিয়া মণিপুৰলৈ যোৱাৰ পথত আংগামী নগাৰ অঞ্চলত প্ৰৱেশ কৰে তেতিয়াই ব্ৰিটিছে প্ৰত্যক্ষভাৱে নগা এলেকাত হস্তক্ষেপ আৰম্ভ কৰা বুলি ক'ব পাৰি। ১৮৩৫ চনৰ পৰা ১৮৫১ চনৰ ভিতৰত ব্ৰিটিছে ১০বাৰ নগাৰ বিৰুদ্ধে অভিযান চলায় আৰু এই আটাইবোৰ অভিযান আছিল আংগামী নগাসকলে অসমৰ সমতলৰ লোকৰ ওপৰত চলোৱা লুণ্ঠনৰ প্ৰত্যাক্ৰমণ। ১৮৫০ চনৰ দশম অভিযানৰ পিচত ব্ৰিটিছে নগাৰ ওপৰত কোনোধৰণৰ হস্তক্ষেপ নচলায় বুলি এক সিদ্ধান্ত লৈ

হ'লে জাতীয় একতাত বাধা পৰিব। সংখ্যালঘিষ্ঠসকলক সংখ্যালঘু মনোভাব ত্যাগ কৰিবলৈ তেওঁ অনুৰোধ কৰে আৰু জাতীয় জীৱনত সকলোৰে সমান অধিকাৰ থকাটো উল্লেখ কৰে। হৰেশ্বৰ গোস্বামীয়ে অসমীয়া ৰাইজৰ দাবী সত্ত্বেও নেফা অঞ্চলত স্থিতাৱস্থা বাহাল ৰখাত দুখ প্ৰকাশ কৰে আৰু মণিপুৰ আৰু ত্ৰিপুৰাক অসমৰ সৈতে চামিল কৰা মতক সমৰ্থন জনায়।

২৪ নৱেম্বৰ ঃ পাণ্ডুৰ পৰা গোৱালপাৰা হৈ বঙাইগাঁৱলৈ এটা নতুন ৰে'লৰ লাইন নিৰ্মাণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক দাবী জনাবলৈ অসম চৰকাৰক আহ্বান জনাই অসম বিধানসভাত এটা বেচৰকাৰী প্ৰস্তাৱ সৰ্বসন্মতিক্ৰমে গৃহীত হয়।

২৫ নৱেম্বৰ ঃ অসম বিধানসভাই আজি মুঠ ৯খন বিল গ্ৰহণ কৰে। বিলসমূহ হ'ল— অসম কৰ্ট ফী সংশোধনী বিল, অসম ৰিপিলিং বিল, অসম এক্সছাইজ সংশোধনী বিল, অসম জমিদাৰী অধিগ্ৰহণ সংশোধনী বিল, অসম নগৰ অঞ্চলৰ ভাড়া নিয়ন্ত্ৰণ বিল, অসম গাঁও পঞ্চায়ত সংশোধনী বিল, অসম ভেহিকল ৰিকুইজিচন এণ্ড কণ্ট্ৰ'ল সংশোধনী বিল, মটৰ ভেহিকল টেক্সেচন সংশোধনী বিল আৰু ঔদ্যোগিক সাহায্য বিল।

৬ ডিচেম্বৰ ঃ ৰাজ্য পুনৰ গঠন আয়োগৰ প্ৰতিবেদন সম্পৰ্কে হোৱা দুদিনীয়া বিতৰ্কৰ উত্তৰ দি পশ্চিম বংগৰ মুখ্যমন্ত্ৰী বিধান ৰায়ে ৰাজ্যখনৰ বিধান পৰিষদত গোৱালপাৰাৰ বিষয়ে উল্লেখ কৰি কয় যে পশ্চিম বংগতকৈ অসমৰ কামৰূপৰ লগতহে গোৱালপাৰাৰ জনসাধাৰণৰ অধিক সাংস্কৃতিক সামঞ্জস্য আছে।

১৫ ডিচেম্বৰ ঃ অসমৰ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধি আৰু পৰিকল্পনা মন্ত্ৰী বৈদ্যনাথ মুখাৰ্জীয়ে কেন্দ্ৰীয় মন্ত্ৰী গুলজাৰিলাল নন্দৰ সৈতে অসমৰ দ্বিতীয় পাঁচ বছৰীয়া পৰিকল্পনা সম্বন্ধে আলোচনা কৰে। আলোচনাত অসমৰ মন্ত্ৰীদ্বয়ে ব্ৰহ্মপুত্ৰৰ ওপৰত দলং সজা আৰু গাৰো পাহাৰলৈ ৰে'লপথ নিৰ্মাণৰ আৱশ্যকতাৰ ওপৰত বিশেষ জোৰ দিয়ে।

১৬ ডিচেম্বৰ ঃ লোকসভাৰ সদস্য আৰু অসমৰ ভূতপূৰ্ব মন্ত্ৰী ৰোহিণী

নগা পাহাৰৰ পৰা সেনাবাহিনী প্ৰত্যাহাৰ কৰে। পাহাৰীয়া এলেকাবোৰত দখল ৰাখি ব্ৰিটিছে একো আৰ্থিক লাভ কৰিব নোৱাৰে বুলি লৰ্ড ডেলহাউছিয়ে এই ক্ষেত্ৰত মত ব্যক্ত কৰিছিল। ১৮৬২ চনপৰ্যন্ত ব্ৰিটিছে এই নীতি অনুসৰণ কৰিছিল।

যেতিয়া চেচিল বেডনে লেফটেনেণ্ট গৱৰ্ণৰ হিচাপে দায়িত্ব গ্ৰহণ কৰে তেতিয়া ব্ৰিটিছে নগাসকলক নিজৰ ৰাজনৈতিক নিয়ন্ত্ৰণৰ ভিতৰলৈ আনিবলৈ প্ৰয়াস কৰে। ১৮৭৪ চনত কেপ্টেইন জনষ্টোনে তিনিখন নগা গাঁৱক ৰাজহ দিয়াৰ বিনিময়ত সুৰক্ষা দিয়াৰ কথা মুখ্য আয়ুক্তক অৱগত কৰে আৰু আয়ুক্তই এই কথাত সন্মতিও জনায়। তৎসত্বেও ব্ৰিটিছ চৰকাৰে এই বিষয়ত পদক্ষেপ ল'বলৈ আগবাঢ়ি নগ'ল। ব্ৰিটিছে নগা পাহাৰ নিজৰ দখললৈ আনিব নে নানে সেই সম্পৰ্কত দোমোজা চলি থকাৰ পিচত ১৮৭৮ চনৰ ১৪ নৱেম্বৰত ব্ৰিটিছে ক'হিমা দখল কৰে। ইয়াৰ পিচতে নগা পাহাৰত ব্ৰিটিছ্ প্ৰশাসন পৰিচালিত হ'বলৈ আৰম্ভ কৰে। ১৮৬৬ চনত নগা পাহাৰ জিলা প্ৰতিষ্ঠা কৰাৰ সিদ্ধান্ত লোৱা হয় আৰু ১৮৮১ চনত নগা পাহাৰ জিলা গঠন হয়। ব্ৰিটিছ্ প্ৰশাসনৰ অন্তৰ্ভুক্ত এই জিলাখনে কেৱল নাগালেণ্ডৰ কেন্দ্ৰীয় অঞ্চলবোৰহে সামৰি লৈছিল। বৰ্তমানৰ ম্যানমাৰ আৰু তিব্বত সীমান্তৱৰ্তী নগা অঞ্চলবোৰ নতুনকৈ সৃষ্টি হোৱা জিলাখনৰ অন্তৰ্গত নাছিল। ব্ৰিটিছে ক'হিমা দখল কৰা আৰু নগা পাহাৰ জিলা প্ৰতিষ্ঠা হোৱাৰ পিচত ১৮৭৯-৮০ চনৰ ভিতৰত নগাসকলে ব্ৰিটিছৰ বিৰুদ্ধে প্ৰতিৰোধ সংগ্ৰাম আৰম্ভ কৰে। ১৩খন আংগামী গাঁৱৰ লোকৰ দ্বাৰা ব্ৰিটিছৰ ওপৰত চলোৱা আক্ৰমণৰ ফলত নগাসকলে ১১ দিনৰ বাবে অঞ্চলটো নিজৰ দখললৈ নিবলৈ সক্ষম হয়। এক সংঘবদ্ধ মঞ্চৰ অভাৱত আৰু নগাসকলৰ গাঁওভিত্তিক স্বতন্ত্ৰতাৰ বাবে ব্ৰিটিছক নগাভূমিৰ পৰা বহিষ্কাৰ কৰাত এই আক্ৰমণ ব্যৰ্থ হ'ল।

নগাৰ নিজাববীয়া গেৰিলা যুদ্ধশৈলীক পৰাভূত কৰাৰ পিচৰে পৰা নগাসকলে ব্ৰিটিছৰ বশ্যতা স্বীকাৰ কৰি ল'ব লগাত পৰিল। যদিও ব্ৰিটিছে

কুমাৰ চৌধুৰীৰ শ্বিলঙৰ ৰেলছ হাস্পতালত মৃত্যু ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৬৬ বছৰ।

১৯ ডিচেম্বৰ ঃ ৰাজ্য আয়োগৰ প্ৰতিবেদন সম্পৰ্কীয় লোকসভাৰ বিতৰ্কত অসম, ত্ৰিপুৰা আৰু নেফাৰ প্ৰশ্ন অৱতাৰণা কৰা হয়। অসমৰ কংগ্ৰেছী সদস্য দেৱেশ্বৰ শৰ্মাই গোৱালপাৰা বিচাৰি পশ্চিম বংগই কৰা দাবী অযৌক্তিক বুলি অভিহিত কৰি নেফা অঞ্চল অসমৰ লগত চামিল হ'ব লাগে বুলি কয়। নগাবিলাক স্বাধীনতাপ্ৰিয় লোক বুলি কৈ শৰ্মাই নগাসকলৰ বিষয়টো ভালদৰে চালি-জাৰি চাবলৈ কেন্দ্ৰক সতৰ্ক কৰি দিয়ে। ত্ৰিপুৰা আৰু মণিপুৰ অসমৰ লগত থাকিব লাগে বুলি শৰ্মাই কোৱা যুক্তি খণ্ডন কৰি ত্ৰিপুৰাৰ কমিউনিষ্ট নেতা দশৰথ দেৱে ত্ৰিপুৰাক কেন্দ্ৰীয়শাসিত অঞ্চল কৰি ৰাখিব লাগে বুলি কয়।

২০ ডিচেম্বৰ ঃ ভাৰতৰ অন্যতম শ্ৰেষ্ঠ তীৰ্থস্থান কামাখ্যা মন্দিৰলৈ মটৰ যাব পৰা এটা পথ নিৰ্মাণৰ খৰচ কেন্দ্ৰীয় চৰকাৰে বহন কৰিবলৈ সন্মতি প্ৰকাশ কৰে।

২৬-২৭ ডিচেম্বৰ ঃ অসম সাহিত্য সভাৰ চতুৰ্বিংশ অধিৱেশন ২৬-২৭ ডিচেম্বৰত গুৱাহাটীত কবি যতীন্দ্ৰনাথ দুৱৰাৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাপতিৰ অভিভাষণত সভাপতি দুৱৰাই অসমীয়া ভাষা আৰু সাহিত্যৰ আগত দেখা দিয়া সমস্যাসমূহৰ বিষয়ে বিৱৰি কয়। তেখেতৰ ভাষণত অসমীয়া ভাষাৰ আধুনিক কবিতা, গদ্য ৰচনা, স্কুল-কলেজৰ পাঠ্যপুথি বাছনি, পৰিভাষা সমস্যা, জনজাতিৰ মাজত অসমীয়া পুথিৰ প্ৰচলন আৰু তেওঁলোকৰ ভাষা সম্পৰ্কে জ্ঞান লাভ কৰাৰ আৱশ্যকতা আদিৰ উল্লেখ কৰে।

২৮ ডিচেম্বৰ ঃ লামডিং ৰে'ল ষ্টেচনত উন্মত্ত লোক আৰু পুলিচৰ মাজত হোৱা সংঘৰ্ষত পুলিচে গুলীচালনা কৰিবলগীয়া হোৱাত দুজন লোক নিহত হয় আৰু ৯জন পুলিচকে ধৰি মুঠ ১৯জন লোক আহত হয়।

৩০ ডিচেম্বৰ ঃ অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ নলবাৰীত বহা অধিৱেশনত প্ৰস্তাৱিত তেল শোধনাগাৰটো অসমতে স্থাপন কৰিব লাগে বুলি এটি প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

নগা পাহাৰত নিজৰ প্ৰশাসনিক নীতি-নিয়ম চালু কৰিছিল তথাপি এই ব্যৱস্থাই নগাসকলৰ স্বকীয় শাসন ব্যৱস্থা, ৰীতি-নীতি আদিত একো হস্তক্ষেপ কৰা নাছিল। নগাসকলৰ নিজাববীয়া পৰিষদৰ স্বতন্ত্ৰতাক ব্ৰিটিছে স্বীকৃতি জনাইছিল আৰু অধিনিয়ম তথা বিধি প্ৰণয়নৰ জৰিয়তে নগাসকলক বহিৰ্পৃথিৱী, বিশেষকৈ সমতলৰ লোকৰ পৰা পৃথক কৰি ৰাখিছিল। নগাসকলে এনেদৰে সমতল বা বহিঃভাৰতৰ পৰা পৃথক হৈ থকাৰ বাবে ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ সময়ত এই আন্দোলনৰ প্ৰভাৱ নগা পাহাৰত পৰা নাছিল আৰু বৃহৎ ভাৰতীয় জাতীয়তাবাদৰ আবেগেও অঞ্চলটোৰ জনসাধাৰণৰ হৃদয় স্পৰ্শ কৰা নাছিল। এনে এক পটভূমিৰ বাবেই যেতিয়া ব্ৰিটিছে ভাৰত ত্যাগ কৰি গুচি গ'ল আৰু ব্ৰিটিছ সংসদত গৃহীত হোৱা ভাৰতৰ স্বাধীনতা আইনৰ বলত স্বাধীন ভাৰতৰ চৰকাৰক নগা পাহাৰত শাসন চলোৱাৰ এক্তিয়াৰ প্ৰদান কৰা হ'ল, তেতিয়া নগাসকলে এই এক্তিয়াৰ তথা আইনখনৰ বৈধতাৰ ওপৰত প্ৰশ্ন তুলিবলৈ আৰম্ভ কৰিলে। তেওঁলোকে ক'লে যে ভাৰতবৰ্ষত সন্নিৱিষ্ট কৰাৰ ক্ষেত্ৰত নগাসকলৰ সন্মতি আছে নে নাই সেই বিষয়ে জিজ্ঞাসা নকৰাকৈ একপক্ষীয়ভাৱে নগা পাহাৰক ভাৰতবৰ্ষৰ ভিতৰত সামৰি লোৱাটো কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে। এনেদৰে ওপৰৰ পৰা জাপি দিয়া এক দেশ বা জাতীয়তাবাদক নগাসকলে আদৰি ল'ব নোৱাৰে আৰু এই সিদ্ধান্ত নগাৰ স্বতন্ত্ৰ সত্তাৰ বাবে অপমানজনক।

১৯১৮ চনতে নগা বিভিন্ন নগা জাতি-উপজাতিক সংঘবদ্ধ কৰাৰ বাবে নগা ক্লাবৰ গঠন কৰা হৈছিল। ব্ৰিটিছৰ প্ৰচেষ্টাত গঢ় লোৱা এই ক্লাবটো মূলতঃ বিষয়া-কৰ্মচাৰীৰ মিলনস্থলী আছিল যদিও নগাসকলৰ ৰাজনৈতিক মতামতক এক সংঘবদ্ধ ৰূপ দিয়াৰ ক্ষেত্ৰত এই ক্লাবে এক ঐতিহাসিক ভূমিকা পালন কৰিছিল। ১৯২৯ চনত ছাইমন কমিছনৰ ওচৰত নগা ক্লাবৰ তৰফৰ পৰা এখন স্মাৰকপত্ৰ দাখিল কৰা হয়। এই স্মাৰকপত্ৰৰ দ্বাৰা নগাসকলক প্ৰস্তাৱিত সাংবিধানিক পৰিৱৰ্তনৰ আওতাৰ বাহিৰত ৰাখিবলৈ

১৯৫৬

১ জানুৱাৰী ঃ ভাৰতীয় কমিউনিষ্ট পাৰ্টীৰ অসম প্ৰাদেশিক কমিটীৰ চতুৰ্থ সন্মিলনৰ মুকলি অধিৱেশন চাৰ্চ ফিল্ডত অনুষ্ঠিত হয়। অধিৱেশনত সভাপতিত্ব কৰে বীৰেশ মিশ্ৰই। আঞ্চলিক সমষ্টি গঠনৰ বিৰোধিতা কৰি লোৱা প্ৰস্তাৱত কোৱা হয় যে এনেধৰণৰ সমষ্টি গঠন কৰিবলৈ হ'লে প্ৰস্তাৱিত ব্যৱস্থাত অসমৰ বিশেষ ক্ষতি হ'ব। উন্নয়নৰ কাৰণে যদি এই সমষ্টি গঠন কৰিবলৈ লোৱা হৈছে তেন্তে এই প্ৰস্তাৱ গ্ৰহণযোগ্য হ'ব বুলি অধিৱেশনে প্ৰস্তাৱ লয়। প্ৰস্তাৱটো ব্যাখ্যা কৰি গৌৰীশংকৰ ভট্টাচাৰ্যই এটি দীঘলীয়া বক্তৃতা দিয়ে। অসমৰ শিল্প জাতীয়কৰণ আৰু ভূমি সংস্কাৰৰ বাবেও অধিৱেশনে দাবী উত্থাপন কৰে।

৩ জানুৱাৰী ঃ গুৱাহাটী চহৰৰ উপকণ্ঠত নতুনকৈ সজা লোকপ্ৰিয় গোপীনাথ বৰদলৈ স্মৃতিৰক্ষা হাস্পতাল আৰু ছেনিটৰিয়ামটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী ৰাজকুমাৰী অমৃত কৌৰে। উদ্বোধনী উৎসৱত সভাপতিত্ব কৰে অসমৰ ৰাজ্যপাল জয়ৰামদাস দৌলতৰামে।

১৬ জানুৱাৰী ঃ ৰাজ্য পুনৰ গঠন সম্পৰ্কে কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্ত ঘোষণা। ত্ৰিপুৰা ৰাজ্যক কেন্দ্ৰীয়শাসিত অঞ্চল হিচাপে ৰখাৰ সিদ্ধান্ত। ৰাজপ্ৰমুখৰ বিলোপসাধন।

আঞ্চলিক পৰিষদ গঠনৰ ব্যৱস্থা ঃ ৰাজ্য পুনৰ গঠন সন্দৰ্ভত ভাৰত চৰকাৰে পাঁচোটা আঞ্চলিক পৰিষদ গঠন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সিদ্ধান্তমতে আঞ্চলিক পৰিষদকেইটা তলত দিয়া অনুসৰি স্থাপন কৰা হ'ব— (১) কেন্দ্ৰীয় অঞ্চলত থাকিব — উত্তৰ প্ৰদেশ আৰু নতুনকৈ গঠিত মধ্য প্ৰদেশ, (২) পূব অঞ্চলত থাকিব— বিহাৰ, উৰিষ্যা, পশ্চিম বংগ, অসম, মণিপুৰ, ত্ৰিপুৰা আৰু নেফা, (৩) পশ্চিম অঞ্চলত থাকিব— মহাৰাষ্ট্ৰ, গুজৰাট আৰু বোম্বাই চহৰ, (৪) দক্ষিণ অঞ্চলত— অন্ধ্ৰ, মাদ্ৰাজ, মহীশূৰ, কেৰালা আৰু হায়দৰাবাদৰ বাকী অঞ্চল, (৫) উত্তৰ অঞ্চলত — পঞ্জাব, পেপসু, হিমাচল প্ৰদেশ, দিল্লী

ব্ৰিটিছৰ ওচৰত নিৱেদন জনোৱা হয়। একেদৰে স্মাৰকপত্ৰখনত নগাসকলে প্ৰত্যক্ষভাৱে যে ব্ৰিটিছৰ দ্বাৰা শাসিত হ'বলৈ ইচ্ছুক তাকো ব্যক্ত কৰা হয়। স্মাৰকপত্ৰখনত ক্লাবৰ ফালৰ পৰা এনেদৰে কোৱা হয়— 'আপোনালোকে (ব্ৰিটিছ) হৈছে একমাত্ৰ লোক, যিয়ে আমাক পৰাভূত কৰিছে আৰু আপোনালোক যেতিয়া গুচি যাব তেতিয়াৰে পৰা আমি আগতে যেনেদৰে আছিলো তেনেদৰে থাকিম।' ভাৰতীয় মানুহৰ দ্বাৰা নগাসকল যাতে কোনোপধ্যে শাসিত হ'ব নোৱাৰে তাৰ আৱেদন জনাই স্মাৰকপত্ৰখনত এনেদৰে উল্লেখ কৰা আছিল— 'যদিহে ব্ৰিটিছ চৰকাৰে আমাক দূৰলৈ আঁতৰাই পঠাব বিচাৰে, তেন্তে আমি প্ৰাৰ্থনা কৰিছো, আমি যাতে সেইসকল লোকৰ কৃপাধন্য হ'ব নালাগে যিসকলে কাহানিও আমাক বশীভূত কৰিব পৰা নাছিল আৰু যিসকলৰ অধীনত আমি কাহানিও নাছিলো।' বিভিন্ন নগা জনজাতিৰ ২০জনতকৈ অধিক প্ৰতিনিধিয়ে স্মাৰকপত্ৰত চহী কৰিছিল।

১৯১৯ চনৰ ভাৰত চৰকাৰ আইন অনুযায়ী নগা পাহাৰ জিলাখনক পিচপৰা অঞ্চলৰ (backward tracts) ভিতৰত অন্তৰ্ভুক্ত কৰা হয়। পিচলৈ ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইন অনুযায়ী মিজোৰাম আৰু উত্তৰ কাছাৰৰ লগতে জিলাখনক সম্পূৰ্ণভাৱে বহিৰ্ভূত অঞ্চল (Wholly Excluded Areas) বুলি ঘোষণা কৰা হয়। একেখন আইনৰ অধীনত আংশিকভাৱে বহিৰ্ভূত অঞ্চল (Partially Excluded Areas) আছিল গাৰো পাহাৰ আৰু খাছি-জয়ন্তীয়া পাহাৰ আৰু মিকিৰ পাহাৰ। আংশিকভাৱে বহিৰ্ভূত অঞ্চলবোৰৰ পৰা অসম ব্যৱস্থা পৰিষদলৈ (Assam Legislative Assembly) প্ৰতিনিধি পঠোৱাৰ ব্যৱস্থা ৰখা হৈছিল আৰু এই অঞ্চলবোৰ কোনো এজন মন্ত্ৰীৰ অধীনস্থ আছিল। অৱশ্যে এই এলেকাবোৰ গৱৰ্নৰ অথবা ৰাজ্যপালৰ পূৰ্ণ কৰ্তৃত্বাধীন আছিল। ব্যৱস্থা পৰিষদৰ এক্তিয়াৰ এই এলেকাবোৰত যৎ-সামান্যহে আছিল বুলি ক'ব পাৰি। আনহাতে সম্পূৰ্ণভাৱে বহিৰ্ভূত এলেকাৰ পৰা ব্যৱস্থা পৰিষদলৈ কোনো প্ৰতিনিধি পঠাব পৰাৰ ব্যৱস্থা নাছিল। এনে

আৰু ৰাজস্থান। পশ্চিম অঞ্চলৰ প্ৰদেশ কেইখনৰ কাৰণে এজন ৰাজ্যপাল, এটা উচ্চ ন্যায়ালয় আৰু এটা লোকসেৱা আয়োগ ৰখাৰ সিদ্ধান্ত লোৱা হয়।

২৩ জানুৱাৰী : ২৩ জানুৱাৰীৰ দিনা পুৱা প্ৰায় ষাঠিজন উগ্ৰপন্থী নগাই অস্ত্ৰ-শস্ত্ৰৰে সুসজ্জিত হৈ দলবদ্ধভাৱে নগা পাহাৰৰ নামনিত অৱস্থিত নিচুগাৰ্ড পুলিচ থানা অতৰ্কিতে আক্ৰমণ কৰে। ছিছামাৰ ওচৰত সৈন্য বাহিনীৰ লোক এজনকো নগাই গুলীয়াই হত্যা কৰে।

• নাহৰকটীয়াত ১০,০০০ ফুট তলত তেল ওলোৱাৰ কথা অসম তেল কোম্পানীৰ ডিগবৈত ঘোষণা।

২৬ জানুৱাৰী : সূৰ্য কুমাৰ ভূঞাক পদ্মশ্ৰী বঁটা প্ৰদানৰ আনুষ্ঠানিক ঘোষণা।

২ ফেব্ৰুৱাৰী : নগা পাহাৰৰ উদ্বেগজনক অৱস্থালৈ লক্ষ্য ৰাখি চৰকাৰৰ দ্বাৰা নগা জিলাক উপদ্ৰুত অঞ্চল বুলি ঘোষণা।

৯ ফেব্ৰুৱাৰী : কংগ্ৰেছৰ আগন্তুক অধিৱেশন অসমত পাতিব লাগে বুলি অসম কংগ্ৰেছৰ সভাপতি মহেন্দ্ৰ মোহন চৌধুৰীয়ে অমৃতসৰৰ শ্বহীদ নগৰত বহা কংগ্ৰেছ ৱৰ্কিং কমিটীৰ আগত নিমন্ত্ৰণপত্ৰ দাখিল কৰে।

১৫ ফেব্ৰুৱাৰী : নগা পাহাৰৰ পৰিস্থিতিৰ বিষয়ে পৰ্যালোচনা কৰি তাত আইন আৰু শৃংখলা ৰক্ষাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ কৰিবলৈ ক'হিমাত এক উচ্চ পৰ্যায়ৰ আলোচনা আৰম্ভ। নগা পাহাৰৰ অশান্তিজনক পৰিস্থিতিৰ বিষয়ে আলোচনা কৰিবৰ কাৰণে বহা এইখনেই প্ৰথম উচ্চ পৰ্যায়ৰ সন্মিলন। আলোচনাত অসম চৰকাৰৰ হৈ মুখ্য সচিব, জনজাতি ক্ষেত্ৰ দপ্তৰৰ সচিব, পুলিচ বিভাগৰ ইন্সপেক্টৰ জেনেৰেল, সৈন্যবাহিনীৰ হৈ সামৰিক অভিযান বিভাগৰ মুখ্য পদাধিকাৰী আৰু টুৱেনচাং বিভাগ আৰু নগা পাহাৰ জিলাত সামৰিক অভিযান পৰিচালনা কৰা কমাণ্ডিং অফিচাৰসকল, উত্তৰ-পূব সীমান্ত অঞ্চল প্ৰশাসনৰ হৈ ৰাজ্যপালৰ উপদেষ্টা আৰু সহকাৰী উপদেষ্টাই অংশগ্ৰহণ কৰে।

২৩ ফেব্ৰুৱাৰী : কেন্দ্ৰীয় ৰে'লৰে আৰু পৰিবহণ মন্ত্ৰী লালবাহাদুৰ

অঞ্চলবোৰৰ প্ৰশাসনিক মুৰব্বী আছিল ৰাজ্যপাল। ১৯৩৫ চনৰ ভাৰত চৰকাৰৰ আইন অনুযায়ী এনে অঞ্চলবোৰত প্ৰাদেশিক অথবা কেন্দ্ৰীয় ব্যৱস্থা পৰিষদৰ সাধাৰণ ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰিব পৰা নগৈছিল তথা গৱৰ্ণৰৰ ইচ্ছা অথবা নিৰ্দেশ অবিহনে কোনো আইন এনে এলেকাবোৰত প্ৰয়োগ কৰাটো সম্ভৱ নাছিল।

সমতলৰ পৰা বিচ্ছিন্ন হৈ থাকিলেও নগাসকল কিন্তু বহিৰ্বিশ্বৰ পৰা মুঠেও বিচ্ছিন্ন হৈ থকা নাছিল। খ্ৰীষ্টান মিছনেৰীসকলৰ তৎপৰতাত উত্তৰ-পূবৰ অন্যান্য পাহাৰীয়া এলেকাসমূহৰ নিচিনাকৈ নগা পাহাৰতো আধুনিক শিক্ষা আৰু ইংৰাজী ভাষাৰ প্ৰসাৰ আৰম্ভ হৈছিল। বহুধাবিভক্ত নগাসকলক ইংৰাজী ভাষা, খ্ৰীষ্টান ধৰ্ম আৰু আধুনিক শিক্ষাৰে ঐক্যবদ্ধ কৰা হৈছিল আৰু গিৰ্জাবোৰৰ পৃষ্ঠপোষকতাত চলিছিল নগা জাতীয়তাবাদ গঢ় দিয়াৰ পৰিকল্পিত প্ৰয়াস। এতিয়া আহোঁ নগা ক্লাবৰ প্ৰসংগলৈ। চৰকাৰী বিষয়া আৰু গাঁৱৰ মুখিয়ালসকলক লৈ গঠিত নগা ক্লাবৰ লেখীয়া ৰাজনৈতিক সক্ৰিয়তা সেই সময়ত আন পাহাৰীয়া এলেকাবোৰত নাছিল বুলিয়েই ক'ব পাৰি। ছাইমন কমিছনৰ আগত নগা ক্লাবৰ প্ৰতিনিধিসকলে জনোৱা দাবীয়ে বিশেষ সঁহাৰি লাভ নকৰিলেও ইয়াৰ প্ৰভাৱ আছিল সুদূৰপ্ৰসাৰী। ১৯৪৫ চনত ব্ৰিটিছ উপায়ুক্ত চাৰ্লছ পেছৱেৰ উদ্যোগত নগা পাহাৰ জিলা জনজাতীয় পৰিষদ গঠন কৰা হয়। এই পৰিষদত বিভিন্ন নগা উপজাতিৰ প্ৰতিনিধিত্ব কৰা ২৯গৰাকী সদস্য আছিল আৰু এই পৰিষদ গঠনৰ জৰিয়তে নগাসকলে প্ৰথমবাৰৰ বাবে এক ৰাজনৈতিক মঞ্চত ঐক্যবদ্ধ হৈছিল। বহুভাষিক নগাসকলক ঐক্যবদ্ধ কৰাৰ লগতে দ্বিতীয় বিশ্বযুদ্ধৰ পিচৰ সময়ছোৱাত আত্ম-সহায়ৰ (Self-help) দ্বাৰা যুদ্ধোত্তৰ ক্ষয়-ক্ষতিবোৰ লাঘৱ কৰাও পৰিষদখনৰ উদ্দেশ্যৰ ভিতৰত আছিল। প্ৰতিষ্ঠা হোৱাৰ এবছৰৰ ভিতৰতে ১৯৪৬ চনৰ ফেব্ৰুৱাৰী মাহত পুনৰ নকৈ পৰিষদখন সংগঠিত কৰা হয় আৰু ইয়াৰ নাম ৰখা হয় নগা নেচনেল কাউঞ্চিল (Naga National

শাস্ত্ৰীয়ে সংসদত ৰে'ল বাজেট উত্থাপন কৰে। বাজেট উত্থাপন কৰাৰ দিনাখনেই ৰে'লৱে ব'ৰ্ডৰ চেয়াৰমেন পাণ্ডেই নতুন দিল্লীৰ এখন সাংবাদিক মেলত ৰে'লৱে সংযোগ উন্নয়নৰ ক্ষেত্ৰত অসমত ল'ব খোজা নতুন আঁচনি দুখন অনতিপলমে কাৰ্যকৰী হোৱাৰ সম্ভাৱনা ক্ষীণ বুলি ব্যক্ত কৰে। এই আঁচনি দুখনৰ এখন হৈছে ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণ আৰু আনখন হৈছে গাৰো পাহাৰলৈ ৰে'লৱে যোগাযোগৰ প্ৰসাৰণ।

● অসমৰ বিভিন্ন জিলাৰ নগৰ অঞ্চলত বাস কৰা পূব পাকিস্তানৰ ভগনীয়াসকলৰ মাজত নিৰ্ধাৰিত সৰ্বোচ্চ পৰিমাণৰ ভিতৰত ব্যৱসায়িক ঋণ দিবলৈ কেন্দ্ৰীয় পুনঃসংস্থাপন মন্ত্ৰী দপ্তৰে অসম চৰকাৰক ফেব্ৰুৱাৰী মাহৰ ভিতৰত ৫২ লাখ টকা মঞ্জুৰ কৰে।

২৬ ফেব্ৰুৱাৰী ঃ অসম ৰাষ্ট্ৰীয় সন্মিলনৰ ষষ্ঠ অধিৱেশন বৰপেটাত অনুষ্ঠিত। দুদিনীয়া এই সন্মিলনৰ মূল অধিৱেশন উদ্বোধন কৰে ভাৰতৰ বনুৱা মন্ত্ৰী খাণ্ডুভাই দেশায়ে আৰু সভাপতিত্ব কৰে প্ৰদেশ কংগ্ৰেছৰ সভাপতি মহেন্দ্ৰ মোহন চৌধুৰীয়ে। সন্মিলনৰ লগতে প্ৰথমবাৰৰ কাৰণে অসমৰ মহিলাসকলৰ অভিৱৰ্তন এখনো সুকলমে অনুষ্ঠিত হয়। মহিলাৰ অভিৱৰ্তন উদ্বোধন কৰে কংগ্ৰেছ ৱৰ্কিং কমিটীৰ সদস্যা ইন্দিৰা গান্ধীয়ে আৰু সভাপতিত্ব কৰে পুষ্পলতা দাসে।

২৯ ফেব্ৰুৱাৰী ঃ ৰাজ্যসভাত অসমৰ বাবে খালী হোৱা দুখন আসনৰ বাবে কেন্দ্ৰীয় কংগ্ৰেছ নিৰ্বাচন কমিটীয়ে পূৰ্ণচন্দ্ৰ শৰ্মা আৰু পুস্পলতা দাসৰ প্ৰাৰ্থিত্বিক অনুমোদন জনায়। মণিপুৰ আৰু ত্ৰিপুৰাৰ কাৰণে খালী হোৱা আসনখন পূৰাবৰ বাবে কংগ্ৰেছে মৌলানা আব্দুল লতিফক আৰু কমিউনিষ্ট পাৰ্টীয়ে বীৰচন্দ্ৰ দেৱ বৰ্মাক প্ৰাৰ্থী মনোনীত কৰে।

৬ মাৰ্চ ঃ অসম বিধানসভাৰ বাজেট অধিৱেশন আৰম্ভ। ৬ এপ্ৰিললৈকে বহিব লগা এই বাজেট অধিৱেশনত ৮ খন চৰকাৰী বিল উত্থাপনৰ প্ৰস্তাৱ লোৱা হয়। বিলসমূহ হৈছে — অসম ভূমি উচ্চতম পৰিমাণ নিৰ্ধাৰণ বিল ১৯৫৫, অসম বিত্ত (বিক্ৰী কৰ) বিল

Council) বা চমুকৈ এন এন চি। কেইবাখনো জনজাতীয় পৰিষদ সামৰি গঠন কৰা এই ফেডাৰেচনৰ দায়িত্বত আছিল টি আলিবা ইমটি আও। এই পৰিষদৰ উদ্যোগত 'নাগা নেচন' নামৰ এখন ক্ষুদ্ৰ বাতৰিকাকত কেইবাবছৰো ধৰি প্ৰকাশ কৰা হৈছিল। ১৯৪৬ চনৰ জুন মাহত এন এন চিয়ে অসমৰ ভিতৰতে নগাসকলৰ বাবে স্বায়ত্তশাসনৰ দাবী তোলে আৰু একে সময়তে কেবিনেট মিছনৰ গ্ৰুপিং আঁচনি আৰু ক্ৰাউন কলনীৰ (Crown Colony) বিৰোধিতা কৰি সিদ্ধান্ত গ্ৰহণ কৰে। ১৯৪৬ চনৰ ৬ ডিচেম্বৰত এন এন চিৰ সাধাৰণ সম্পাদকজনে ক'হিমাত ঘোষণা কৰে যে এন এন চি নগাসকলক ঐক্যবদ্ধ কৰাৰ উদ্দেশ্যে গঠন কৰা হৈছে আৰু এই প্ৰচেষ্টা অব্যাহত থাকিব। ভাৰতৰ লগত থকা সম্পৰ্কৰ কথা স্বীকাৰ কৰিও এই বিবৃতিত কোৱা হয় যে ভৱিষ্যতলৈ ভাৰতবৰ্ষৰ শাসনভাৰ কংগ্ৰেছে চলাবনে মুছলিম লীগে চলাব তাক লৈ নগাসকল মুঠেও চিন্তিত নহয়, কিন্তু এক সুকীয়া আৰু স্বতন্ত্ৰ সত্তা ৰূপে নগাসকলে নিজৰ ৰুচি অনুযায়ী আগবাঢ়ি যাব। ভাৰতবৰ্ষৰ ভিতৰত থাকিও নগাসকলে স্ব-শাসনৰে পোষকতা কৰিব বুলি এন এন চিয়ে স্পষ্ট কৰি দিয়ে। ১৯৪৭ চনৰ ফেব্ৰুৱাৰী মাহত নাগালেণ্ডৰ বাবে এখন অন্তৰ্বৰ্তীকালীন চৰকাৰৰ দাবী তোলা হয়। পৰিষদৰ পৰা কোৱা হয় যে অন্তৰ্বৰ্তীকালীন চৰকাৰখনে দহ বছৰ অতিক্ৰম কৰাৰ পিচত নগাসকলে নিজৰ ৰাজনৈতিক ভৱিষ্যতৰ কথা নিজাববীয়াকৈ চিন্তা কৰিব। ইয়াৰ আগতে নগাসকলৰ স্বাধীনতাৰ বিষয়টো বাস্তৱসন্মত নহয় বুলি অভিমত দি নেহৰুৱে এন এন চিৰ নেতা টি ছাখ্ৰেলৈ লিখিছিল যে ভাৰতবৰ্ষ আৰু চীনৰ নিচিনা দুখন বৃহৎ ৰাষ্ট্ৰৰ মাজত নগা পাহাৰৰ নিচিনা ক্ষুদ্ৰ অঞ্চল এটিয়ে সুকীয়াভাৱে থাকি নিজৰ স্বতন্ত্ৰতা ৰক্ষা কৰিব নোৱাৰিব আৰু সেয়েহে কূটনৈতিক কাৰণতেই ভাৰতবৰ্ষত চামিল হোৱা উচিত। এন এন চিৰ ফালৰ পৰা তোলা দাবীটো কিন্তু তেওঁলোকে ঢিলাই দিয়া নাছিল। আংগামী জাপো ফিজোৱে এন এন চিৰ মজিয়াত শক্তিশালীভাৱে আত্মপ্ৰকাশ কৰাৰ পিচৰে পৰা নগাসকলৰ

১৯৫৬, অসম বিত্ত বিল ১৯৫৬, আছাম প্রিজনছ (এমেণ্ডমেণ্ট) বিল ১৯৫৬, (প্রভিজনেল), অসম মিউনিচিপাল বিল ১৯৫৬, অসম বিবাদ (আপীল ন্যায়াধিকৰণ) (স্বায়ত্তশাসিত জিলাসমূহলৈ) (সম্প্রসাৰণ) বিল ১৯৫৬ (প্ৰভিজনেল) আৰু আছাম ৰেণ্ট (ছামাৰী প্ৰচিডিঅ'ৰ) বিল ১৯৫৬ (প্ৰভিজনেল)।

৮ মাৰ্চ ঃ অসম বিধানসভাৰ বাজেট অধিৱেশন উদ্বোধন কৰি দিয়া ভাষণ প্ৰসংগত ৰাজ্যপাল জয়ৰামদাস দৌলতৰামে পূব পাকিস্তানৰ পূৰ্বে থকা ভাৰতৰ গোটেই অঞ্চলটোক ৰাষ্ট্ৰৰ নিৰাপত্তা আৰু ঐক্যৰ বাবে এটা প্ৰশাসনীয় গোট স্বৰূপে গঠন কৰাটো প্ৰয়োজনীয় বুলি অভিমত প্ৰকাশ কৰে। আনহাতে মণিপুৰ আৰু ত্ৰিপুৰাৰ জনসাধাৰণৰ ইচ্ছাৰ অনুকূলে সেই ৰাজ্য দুখন অসমৰ লগত চামিল কৰা উচিত বুলি ৰাজ্য চৰকাৰে যি মনোভাব ব্যক্ত কৰিছে ৰাজ্যপালে তেওঁৰ ভাষণত সেই কথা সদৰী কৰে।

১২ মাৰ্চ ঃ অসমৰ নতুন বছৰৰ বাজেটত ৩.৬৫ কোটি টকা ঘাটি ঃ বিত্ত মন্ত্ৰী মতিৰাম বৰাই ১২ মাৰ্চত অসম বিধানসভাত উত্থাপন কৰা অসমৰ ১৯৫৬-৫৭ চনৰ বজেটত ৩ কোটি ৬৫ লাখ ৯ হাজাৰ টকাৰ ঘাটি পৰিব বুলি ঘোষণা কৰে।

থোৰতে বাজেটখন
(হাজাৰৰ হিচাপত)

প্ৰকৃত	পৰিশোধিত	পৰিকল্পিত
১৯৫৪-৫৫	১৯৫৫-৫৬	১৯৫৬-৫৭
মুঠ ৰাজহ ১৬,২৩,১৯	২১,৪৩,৮৬	২১,৮৯,৮৫
মুঠ ব্যয় ১৯,২১,৬৩	২২,৪১,৮৯	২৫,৫৪,৯৪
ৰাজহ ঘাটি ২,৯৪,৪৪	৯,৮০৩	৩৬,৫০৯

বছৰটোৰ পৰিকল্পিত ৰাজহৰ শিতানত ২১,৮৯,৮৫,০০০ টকা আৰু পৰিকল্পিত ব্যয়ৰ শিতানত ২৫,৫৪,৯৪,০০০ টকা দেখুওৱা হৈছে। ইয়াৰ ফলত ৰাজহ ঘাটি হ'বগৈ ৩,৬৫,০৯,০০০ টকা। মূলধন শিতানত পৰিকল্পিত ঘাটিৰ পৰিমাণ ২৪,২১,০০০ টকা দেখুওৱা হৈছে।

স্বাধীনতাৰ বিষয়টো অধিক দৃঢ় ৰূপত উপস্থাপন হ'বলৈ আৰম্ভ কৰে। ১৯০৩ চনত খনমাত জন্মগ্ৰহণ কৰা ফিজোৱে তেওঁৰ জীৱনটো আৰম্ভ কৰিছিল এগৰাকী ব্যৱসায়ী হিচাপে। সুভাষ চন্দ্ৰ বসু নেতৃত্বাধীন আই এন এৰ (INA) এগৰাকী সক্ৰিয় সহযোগী যোদ্ধা আছিল ফিজো। ব্ৰিটিছে ৰেংগুন দখল কৰাৰ পিচত অন্যান্য সহযোদ্ধাৰ সৈতে তেওঁ ৰেংগুনৰ কাৰাগাৰতো দিন অতিবাহিত কৰিব লগাত পৰিছিল। ১৯৪৫ চনত তেওঁ নগা পাহাৰলৈ উভতি আহে আৰু এন এন চিত যোগ দিয়েহি। ১৯৪৯ চনত তেওঁ এন এন চিৰ সভাপতি নিৰ্বাচিত হয় আৰু ১৯৫৭ চনৰ পাচৰ পৰা মৃত্যুপৰ্যন্ত স্বনিৰ্বাসনত থাকে। ১৯৪৭ চনত লৰ্ড মাউণ্টবেটেনক ফিজোৰ নেতৃত্বত যোৱা এটি নগা প্ৰতিনিধি দলে সাক্ষাৎ কৰে। এই প্ৰতিনিধি দলৰ দ্বাৰা পৰামৰ্শ আগবঢ়োৱা হয় যে নতুনকৈ গঠন হ'ব লগা ভাৰত চৰকাৰে ১০ বছৰ নগা পাহাৰৰ অভিভাৱকত্ব গ্ৰহণ কৰিব আৰু এই দহ বছৰ কাল উকলি যোৱাৰ পিচত নগাসকলে নিজৰ ভৱিষ্যৎ নিজে নিৰ্ধাৰণ কৰিব। ইয়াৰ পিচতে দহ বছৰীয়া অন্তৰ্ৱৰ্তীকালীন চৰকাৰৰ আঁচনিখন ১৯৪৭ চনৰ মে' মাহত আদিবাসী জনজাতি শীৰ্ষক উপদেষ্টা কমিটীখনৰ আগত তেওঁলোকৰ ক'হিমা ভ্ৰমণ কৰাৰ সময়ত উত্থাপন কৰা হয়। অৱশ্যে এই কমিটীয়ে এই প্ৰসংগটো সংবিধান সভাত উত্থাপন কৰিবলৈ অস্বীকাৰ কৰে। এই কাৰ্যৰ প্ৰতিক্ৰিয়া হিচাপে এন এন চিৰ ফালৰ পৰা ঘোষণা দিয়া হয় যে যিহেতু নগাসকলৰ নিজাববীয়া সংবিধান আছে, সেয়েহে বেলেগৰ সংবিধান গ্ৰহণ কৰাৰ প্ৰসংগই আহিব নোৱাৰে।

এই ধৰণৰ কথা ভাৰতবৰ্ষৰ চৰকাৰ তথা অসম চৰকাৰৰ বাবে এক বৃহৎ প্ৰত্যাহ্বান আছিল বাবে শীঘ্ৰে অসমৰ ৰাজ্যপাল ছাৰ আকবৰ হাইদৰীয়ে ক'হিমালৈ গৈ নগা নেতাসকলৰ লগত এক আলোচনাত মিলিত হ'ল। জুন মাহৰ ২৭, ২৮ আৰু ২৯ তাৰিখে অনুষ্ঠিত এই আলোচনাৰ সিদ্ধান্তৰাজিক ন দফীয়া সিদ্ধান্ত বুলি জনা যায়। চুক্তি অনুযায়ী এন এন চিক ভূমি ৰাজহ আৰু গৃহ কৰ আৰু অন্যান্য কৰ সংগ্ৰহ, নিৰ্ধাৰণ আৰু খৰচ কৰাৰ কৰ্তৃত্ব

এই সকলো মিলাই বাজেটত সৰ্বমুঠ ঘাটি হ'ব ৩,৮৯,৩০,০০০ টকা।

বাজেটত কোনো নতুন কৰ-কাটলৰ ব্যৱস্থা কৰা হোৱা নাই। বিত্ত মন্ত্ৰী বৰাই বাজেট উত্থাপন কৰি সদনত ঘোষণা কৰে যে বাজেটৰ ঘাটি সম্প্ৰতি ঘাটিভাৱেই ৰাখিবলৈ থিৰ কৰা হৈছে।

১৬ মাৰ্চ ঃ ভাৰতত পোন্ধৰখন ৰাজ্য আৰু সাতোটা কেন্দ্ৰীয় অঞ্চলৰ প্ৰস্তাৱ ঃ কেন্দ্ৰীয় চৰকাৰে প্ৰস্তুত কৰা ৰাজ্য পুনৰ গঠন বিলৰ পাণ্ডুলিপি অনুযায়ী ভাৰতক ১৫খন ৰাজ্য আৰু সাতখন কেন্দ্ৰীয় শাসনাধীন অঞ্চলত বিভক্ত কৰা হয়। ১৬ মাৰ্চত কেন্দ্ৰীয় গৃহ মন্ত্ৰী গোবিন্দ বল্লভ পণ্টে ভাৰতীয় সংসদৰ উভয় সদনত এই বিল উত্থাপন কৰে। প্ৰস্তাৱিত ৰাজ্য ১৫ খন হৈছে— (১) অন্ধ্ৰ প্ৰদেশ, (২) অসম, (৩) বিহাৰ, (৪) গুজৰাট, (৫) কেৰালা, (৬) মধ্য প্ৰদেশ, (৭) মাদ্ৰাজ, (৮) মহাৰাষ্ট্ৰ, (৯) মহীশূৰ, (১০) উৰিষ্যা, (১১) পঞ্জাব, (১২) ৰাজস্থান, (১৩) উত্তৰ প্ৰদেশ, (১৪) পশ্চিমবংগ আৰু (১৫) জম্মু আৰু কাশ্মীৰ।

বিলখনৰ পাণ্ডুলিপিত পাঁচোটা অঞ্চল গঠনৰ প্ৰস্তাৱ লোৱা হৈছে। বিহাৰ, পশ্চিম বংগ, অসম আৰু মণিপুৰ-ত্ৰিপুৰাক লৈ পুব অঞ্চলৰ প্ৰস্তাৱ লোৱা হৈছিল। স্থায়ী সমষ্টি পৰিষদৰ দ্বাৰা পৰিচালিত হ'ব লগা এই অঞ্চলবোৰৰ বাবে বিলখনে স্থায়ী সচিবালয়ৰো ব্যৱস্থা উল্লেখ কৰিছে। আনহাতে ত্ৰিপুৰাক অসমৰ লগত চামিল কৰিবৰ বাবে কেন্দ্ৰীয় গৃহ দপ্তৰে বিশেষ তৎপৰতা লোৱা বুলিও জানিব পৰা গৈছে।

১৮ মাৰ্চ ঃ ১৮ মাৰ্চৰ পুৱতি নিশা নগা পাহাৰৰ ছিছামা নামৰ গাঁও এখনৰ পাহাৰৰ ওপৰত চৰকাৰী পক্ষ আৰু উগ্ৰপন্থী নগাৰ মাজত হোৱা এক সংঘৰ্ষত ৮জন বিদ্ৰোহী নগা নিহত হয় আৰু ভালেমান বিদ্ৰোহী আহত হয়। পাঁচশ বিদ্ৰোহীৰ গুপ্ত শিবিৰ চৰকাৰী বাহিনীয়ে অৱৰোধ কৰি এই সংঘৰ্ষ চলায়।

২১ মাৰ্চ ঃ ভাৰতীয় এয়াৰলাইন্‌ছ কৰ্প'ৰেচনৰ ডাকোতা এখন তেজপুৰত দুৰ্ঘটনাগ্ৰস্ত হৈ এজন নিহত আৰু ৬জন আহত হয়।

প্ৰদান কৰা হ'ল। এন এন চিয়ে এই চুক্তিৰ আন এক ব্যাখ্যা আগবঢ়ালে। এন এন চিৰ মতে চুক্তিখনৰ ৮ নং দফা অনুযায়ী দহ বছৰ কাল উকলি যোৱাৰ পিচত এই চুক্তি পুনৰ বাহাল ৰাখিবনে স্বাধীনতাৰ কথা উঠাব সেই সম্পৰ্কে নগাসকলে নিজাববীয়া সিদ্ধান্ত ল'ব পাৰিব। ইয়াৰ বিপৰীতে ভাৰত চৰকাৰে ইয়াৰ এক ওলোটা ব্যাখ্যা দাঙি ধৰিলে। অৰ্থাৎ চুক্তিৰ দহ বছৰীয়া ম্যাদ শেষ হোৱাৰ পিচত নগা পাহাৰ সম্পূৰ্ণভাৱে ভাৰতীয় শাসনতন্ত্ৰৰ অধীন হ'ব। চুক্তিখনৰ ব্যাখ্যাক লৈ এনে এক জটিল পৰিস্থিতি উদ্ভাৱন হোৱাত ১৯৪৭ চনৰ জুলাই মাহত ফিজোৱে এক প্ৰতিনিধি দলৰে সৈতে মহাত্মা গান্ধীক সাক্ষাৎ কৰে আৰু নগাসকলে ভাৰতবৰ্ষৰ পৰা আঁতৰি থকাৰ দৃঢ় সিদ্ধান্তৰ কথা অৱগত কৰে। গান্ধীয়ে প্ৰতিনিধি দলটোক আশ্বাস দিয়ে যে কোনো পৰিস্থিতিতে নগাসকলৰ বিৰুদ্ধে বল প্ৰয়োগ কৰা নহ'ব আৰু তেওঁলোকে নিজৰ ভৱিষ্যৎ নিজাববীয়াকৈ গঢ় দিব পাৰিব।

নগা সমস্যাটোৰ একো সমাধানসূত্ৰ বাহিৰ নোহোৱাত ১৯৪৭ চনৰ নৱেম্বৰ মাহত এন এন চিৰ ফালৰ পৰা নেহৰুক জনোৱা হ'ল যে যদিহে ভাৰত চৰকাৰে নগাসকলৰ স্বাধীনতাক আওকাণ কৰিব বিচাৰে তেন্তে ১৯৪৭ চনৰ ৬ ডিচেম্বৰৰ পৰা নগাসকল ভাৰতবৰ্ষৰ অংগাধীন হৈ নাথাকিব। এন এন চিৰ ফালৰ পৰা এক দৃঢ় মনোভাব পোষণ কৰাৰ সমান্তৰালভাৱে ভাৰত চৰকাৰেও নাগালেণ্ড প্ৰসংগত নিজৰ স্থিতি কঠোৰ কৰি তুলিলে। ১৯৪৯ চনত ফিজো এন এন চিৰ সভাপতি নিৰ্বাচিত হোৱাত নগাসকলৰ স্বাধীনতাৰ বিষয়টোৱে এক নতুন মাত্ৰা লাভ কৰিলে। ফিজোৰ নেতৃত্বত এন এন চি ক্ৰমে বিদ্ৰোহী ৰাজনৈতিক সংগঠনলৈ ৰূপান্তৰিত হ'ব ধৰিলে আৰু মুকলিকৈ স্বাধীন নাগালেণ্ডৰ দাবী তুলিলে। ১৯৪৭ চনৰ জুন মাহৰ চুক্তি অনুসৰি ভাৰত চৰকাৰে প্ৰতিশ্ৰুতি পালন নকৰাৰ অভিযোগ তুলি ১৯৫০ চনৰ ২৪ জানুৱাৰীত এন এন চিয়ে ভাৰত চৰকাৰ, ৰাষ্ট্ৰসংঘ আৰু নতুন দিল্লীস্থ সকলো দূতাবাসৰ ৰাষ্ট্ৰদূতসকলক অৱগত কৰায় যে নগাসকলে ভাৰতবৰ্ষৰ সংবিধান

৩১ মাৰ্চ ঃ নগা পাহাৰ জিলাত উগ্ৰপন্থী সন্ত্ৰাসবাদী নগাসকলৰ বিৰুদ্ধে চলোৱা চৰকাৰী অভিযান সম্পূৰ্ণভাৱে সামৰিক বাহিনীৰ কৰ্তৃত্বাধীন কৰাৰ পৰিকল্পনা। ৩১ মাৰ্চত শ্বিলঙত সামৰিক আৰু অসামৰিক কৰ্তৃপক্ষৰ মাজত হোৱা এক উচ্চ পৰ্যায়ৰ সন্মিলনত নগাসকলৰ হিংসাত্মক কাৰ্য প্ৰতিৰোধৰ কাৰণে কঠোৰ ব্যৱস্থা গ্ৰহণৰ সিদ্ধান্ত লোৱা হয়।

৩ এপ্ৰিল ঃ প্ৰস্তাৱিত তেল শোধনাগাৰ অসমত প্ৰতিষ্ঠাৰ দাবী ঃ ৬ মাৰ্চৰ পৰা ৩ এপ্ৰিললৈ অনুষ্ঠিত বাজেট অধিৱেশনৰ সামৰণিৰ দিনা উভয় দলৰ সদস্যসকলে সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা প্ৰস্তাৱ এটাত অসমৰ তেল পৰিশোধনৰ বাবে নতুনকৈ প্ৰতিষ্ঠা কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰি শোধনাগাৰটো অসমতে স্থাপন কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী জনাবৰ বাবে ৰাজ্য চৰকাৰক অনুৰোধ কৰা হয়। কংগ্ৰেছ দলৰ সদস্য বিজয় চন্দ্ৰ ভাগৱতী, প্ৰভাত চন্দ্ৰ গোস্বামী, লীলাকান্ত বৰা আৰু গৌৰীশংকৰ ৰায়ে যুটীয়াভাৱে উত্থাপন কৰা প্ৰস্তাৱটো সদনে সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰে। প্ৰস্তাৱটোত কোৱা হয় যে হুগ্ৰীজান, মৰাণ, নাহৰকটীয়া আৰু অসমৰ অন্যান্য অঞ্চলত বছৰি এক নিযুত টন তেল উৎপাদন কৰিব পৰাকৈ যথেষ্ট পৰিমাণে 'খাৰুৱা তেল' মজুত আছে যেতিয়া ঔদ্যোগিক ক্ষেত্ৰত অনগ্ৰসৰ অসমে ইয়াৰ সম্পদৰ পৰা যথোচিত কৰ্ম সংস্থাপন আৰু ঔদ্যোগিক বিকাশৰ সুবিধা পোৱা উচিত। অসমৰ তেলৰ কাৰণে প্ৰস্তাৱিত এই শোধনাগাৰটো অসমৰ বাহিৰত স্থাপন কৰিবলৈ যত্ন চলোৱা বুলি ওলোৱা বাতৰি অসমবাসীৰ কাৰণে অতি পৰিতাপ আৰু আক্ষেপৰ বিষয় বুলি প্ৰস্তাৱত উল্লেখ কৰা হয়। সেইবাবে সংশ্লিষ্ট সকলো বিষয়ৰ প্ৰতি লক্ষ্য কৰি বিধানসভাই ৰাজ্য চৰকাৰৰ ওচৰত দাবী জনায় যে এই শোধনাগাৰটো অসমৰ ভিতৰতে প্ৰতিষ্ঠা কৰিব লাগে তথা ইয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত হেঁচা প্ৰয়োগ কৰিব লাগে। বিজয় চন্দ্ৰ ভাগৱতীয়ে কয় যে অসম তেল কোম্পানীয়ে নাহৰকটীয়াৰ পৰা কলিকতালৈ ৭০০

মানি নলয়। ইয়াৰ জৰিয়তে এন এন চিৰ ফালৰ পৰা ষষ্ঠ অনুসূচীৰ প্ৰস্তাৱকো নাকচ কৰা হয়।

১৯৫১ চনৰ ১৬ মে'ৰ পৰা আগষ্ট মাহৰ ভিতৰত নগাসকলৰ স্বাধীনতাৰ প্ৰসংগত গণভোটৰ আয়োজন কৰা হয়। ৯৯.৯ শতাংশ নগা লোকে স্বাধীনতাৰ সপক্ষত ভোটদান কৰাৰ পিচত নগা জনগণে ১৯৫২ চনৰ সাধাৰণ নিৰ্বাচন বৰ্জন কৰে। ইয়াৰ লগতে সমগ্ৰ নগা পাহাৰত অসহযোগ আন্দোলনে তীব্ৰ ৰূপ ধাৰণ কৰে। স্কুল-কলেজ বৰ্জন, সকলো ধৰণৰ চৰকাৰী কাৰ্যসূচীত অংশগ্ৰহণ নকৰা, কৰ নিদিয়া আদিৰে নগাসকলে নিজৰ আন্দোলন চলায়। ১৯৫০ চনৰ পিচৰে পৰা এন এন চিৰ ভিতৰত ফিজোৰ আধিপত্য তীব্ৰ হৈ উঠাত নৰমপন্থীসকলক আঁতৰাই চৰম পন্থাক এন এন চিৰ মূল লক্ষ্য কৰি লোৱা হয়। এনে নহয় যে এন এন চিৰ ভিতৰত নৰম পন্থা বিশ্বাস কৰা লোক একেবাৰে নাছিল। ছাখ্ৰেই চৰম পন্থাৰ বিৰুদ্ধে গৈ এন এন চিক পুনঃ সংগঠিত কৰিব বিচাৰিছিল আৰু তাৰে পৰিণতিত ১৯৫৬ চনৰ ২০ জানুৱাৰীত তেওঁক অপহৰণ কৰি নি হত্যা কৰা হয়।

নগাসকলৰ মুখপাত্ৰ হৈ পৰা এন এন চিৰ স্বাধীনতাপিপাসু মনোভাবক কোনোপধ্যে দমন কৰিব নোৱৰা দেখি অৱশেষত ভাৰত চৰকাৰে ১৯৫৩ চনৰ মাজভাগৰ পৰা নগা আন্দোলনক সহিংস পন্থাৰে মষিমূৰ কৰাৰ পৰিকল্পনা লয়। ১৯৫৬ চনৰ মাৰ্চ মাহত স্বাধীনতাকামী নগাৰ দ্বাৰা Federal Government of Nagaland প্ৰতিষ্ঠা কৰা হয় আৰু এই চৰকাৰৰ সহায়ৰ বাবে 'নাগা হোম গাৰ্ড' নামৰ এক সশস্ত্ৰ বাহিনী গঠন কৰা হয়। নগাসকলৰ বিৰুদ্ধে পুলিচী আৰু সামৰিক আক্ৰমণ বাঢ়ি যোৱাৰ লগে লগে শ শ নগা যুৱকে নগা হোম গাৰ্ডত যোগ দিবলৈ ধৰে। পৰৱৰ্তী সময়ত এই বাহিনীটো 'নাগা আৰ্মী' হিচাপে জনাজাত হৈছিল। ইয়াৰ আগতেই এন এন চিয়ে ক্ৰমে নিজৰ আন্দোলন চলাই নিয়াৰ স্বাৰ্থত আত্মগোপন কৰিবলৈ আৰম্ভ কৰিছিল।

মাইলজুৰি পাইপলাইন বহুৱাই কলিকতালৈ অশোধিত তেল নিয়াৰ ব্যৱস্থা কৰাটো এক ভিত্তিহীন কথা আৰু এইক্ষেত্ৰত বজাৰৰ কথা কোৱাটোও এক অবান্তৰ কথা।

৯ এপ্ৰিল ঃ নিশা এদল সশস্ত্ৰ নগাই গোলাঘাট মহকুমাৰ অন্তৰ্গত ধনশিৰি পুলিচ থানা আক্ৰমণ কৰি দুজন পুলিচক হত্যা কৰে আৰু বাকীকেইজনক গুৰুতৰভাৱে আঘাত কৰে। প্ৰায় ১০০জনীয়া এই উগ্ৰপন্থীৰ দলটোৱে ধনশিৰি বজাৰ আক্ৰমণ কৰি প্ৰায় পঞ্চাশ হাজাৰ টকা মূল্যৰ অলংকাৰ-পাতি আৰু অন্যান্য মূল্যৱান বস্তু-বাহানি ডকাইতি কৰি নিয়ে।

১৪ এপ্ৰিল ঃ মেজৰ জেনেৰেল কছাৰৰ নেতৃত্বত নগা বিদ্ৰোহীসকলৰ বিপক্ষে পূৰ্ণ আক্ৰমণ আৰম্ভ। ১৪ এপ্ৰিলৰ দিনা সামৰিক বাহিনীৰ লোক আৰু বিদ্ৰোহীসকলৰ মাজত হোৱা সংঘৰ্ষত ৬জন বিদ্ৰোহী নগা নিহত হয়।

১৯ এপ্ৰিল ঃ অসম আৰু উত্তৰ-পূব সীমান্ত অঞ্চলৰ জি অ' চি মেজৰ জেনেৰেল কছাৰে আজি বিবৃতিযোগে নগা বিদ্ৰোহীসকললৈ অস্ত্ৰ-শস্ত্ৰ সমৰ্পণ কৰাৰ আহ্বান জনায়। তেওঁ বিবৃতিযোগে হত্যাকাণ্ড আৰু গুৰু অপৰাধত জড়িত নথকা নগাসকলে দুসপ্তাহৰ ভিতৰত তেওঁলোকৰ হাতত থকা লাইচেঞ্চবিহীন অস্ত্ৰ-শস্ত্ৰ দাঁতিৰ পুলিচ অথবা সামৰিক চকীত সমৰ্পণ কৰিলে তেওঁলোকক সম্পূৰ্ণ নিৰাপত্তা দিয়া হ'ব বুলি প্ৰতিশ্ৰুতি আগবঢ়ায়।

২৯ এপ্ৰিল ঃ যোৰহাট চন্দ্ৰকান্ত সন্দিকৈ ভৱনত যতীন্দ্ৰনাথ দুৱৰাৰ সভাপতিত্বত অনুষ্ঠিত অসম সাহিত্য সভাৰ বছৰটিৰ প্ৰথম কাৰ্যনিৰ্বাহক সভাত নেফাত অসমীয়া ভাষা দিৱস পালনৰ সিদ্ধান্ত লোৱা হয়। ৯ জুনত এই দিৱস শান্তিপূৰ্ণভাৱে পালন কৰাৰ বাবে কাৰ্যনিৰ্বাহকে সিদ্ধান্ত লয়।

১৩ মে' ঃ নলবাৰীত প্ৰথমবাৰৰ বাবে সহ-অভিনয় আৰম্ভ। ঈদোৎসৱ উপলক্ষে গৌৰী বৰ্মনৰ দ্বাৰা ৰচিত 'গোপী' নামৰ নাটক নলবাৰীত মঞ্চস্থ হয়। গুৱাহাটীৰ বীণা দাস আৰু পাটাছাৰকুছিৰ কণিকা আৰু লক্ষ্মীয়ে নাটখনিত মহিলা চৰিত্ৰবোৰত অভিনয় কৰে। নলবাৰীৰ খ্যাতনামা শিল্পী

এই সশস্ত্ৰ উত্থানৰ সমান্তৰালভাৱে ভাৰত চৰকাৰৰ তৎপৰতাত আৰু পৃষ্ঠপোষকতাত নাগালেণ্ডত ভাৰতীয় সংবিধানৰ প্ৰতি আনুগত্য প্ৰদৰ্শন কৰা কিছু ব্যক্তি আৰু সংগঠনৰো আত্মপ্ৰকাশ ঘটিছিল। ১৯৫৭ চনত ড° ইমকোঙলিবা আওৰ নেতৃত্বত প্ৰতিষ্ঠিত Naga People's Conventionৰ কথা এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি। ভাৰত চৰকাৰে এই মধ্যমপন্থী নগাসকলৰ সহযোগত অসমৰ নগা পাহাৰ জিলা আৰু নেফাৰ টুৱেনছাং সংমণ্ডলক লৈ 'Naga Hills Tuensang Area' গঠন কৰিলে আৰু ইয়াক প্ৰত্যক্ষভাৱে ভাৰত চৰকাৰৰ বৈদেশিক মন্ত্ৰালয়ৰ অধীন কৰিলে। নগা জাতীয়তাবাদৰ বাবে ই এক বৃহৎ সফলতা আছিল যদিও আত্মগোপন কৰি থকা নগা ফেডাৰেল চৰকাৰে এই কাৰ্যক এক বৃহৎ আপোচ বুলি অভিহিত কৰিলে। ফেডাৰেল চৰকাৰে লগতে ইয়াকো ক'লে যে ভাৰত চৰকাৰে নগাসকলৰ ঐক্যবদ্ধ সংগ্ৰামৰ মাজত বিভাজনৰ বিষবাষ্প বিয়পাব বিচাৰিছে আৰু সেয়েহে এনে কূটনৈতিক প্ৰয়াস চলোৱা হৈছে। এনে এক অভিযোগ-প্ৰতি-অভিযোগৰ মাজতে সুকীয়া নগা ৰাজ্যৰ বিষয়টো ভালেখিনি আগবাঢ়িল যদিও ১৯৬১ চনত আওক সশস্ত্ৰ নগা বিপ্লৱীয়ে হত্যা কৰাত বিষয়টো কিছুদিনলৈ স্থবিৰ হৈ পৰে। ১৯৫১ চনৰ গণভোটৰ কথা ইতিপূৰ্বে উনুকিওৱা হৈছে। এই গণভোটত এন এন চিয়ে গাঁৱৰ মুখিয়াল আৰু পৰিষদবোৰৰ পৰা পূৰ্ণ সমৰ্থন লাভ কৰিবলৈ সক্ষম হৈছিল। একেদৰে ১৯৫২ চনৰ সাধাৰণ নিৰ্বাচন বৰ্জনৰ ক্ষেত্ৰতো নগাসকলে মুকলিভাৱে এন এন চিৰ পক্ষ লৈছিল। সকলো নগা জনজাতিক সামৰি বৃহত্তম নগা জাতীয়তাবাদ গঢ়াৰ ক্ষেত্ৰত এন এন চিয়ে যি ভূমিকা লৈছিল সি আছিল উত্তৰ-পূব ভাৰতৰ সামাজিক তথা ৰাজনৈতিক ইতিহাসৰ বাবে এক অভূতপূৰ্ব ঘটনা। ১৯৫৬ চনৰ মাৰ্চ মাহত ঘোষিত নগা ফেডাৰেল গৱৰ্নমেণ্ট আৰু ইয়াৰ ৰাজনৈতিক সংগঠন এন এন চিৰ সাৰ্বভৌমত্বৰ বাবে চলা যুঁজখনত পৰৱৰ্তী সময়ত ভালেমান উত্থান-পতন সংঘটিত হ'ল।

ভাৰত চৰকাৰৰ ফালৰ পৰা নগা বিদ্ৰোহ শান্ত কৰাৰ বাবে ভালেমান

গোপীকান্ত গোস্বামী, নৰেন দত্ত, আতোৱাৰ আৰু ওকোৰে বিভিন্ন চৰিত্ৰত অভিনয় কৰে।

১৫ মে' ঃ অসমৰ নৱনিযুক্ত ৰাজ্যপাল জোনাব চৈয়দ ফজল আলীয়ে শ্বিলঙৰ ৰাজভৱনত অনুষ্ঠিত সভাত আনুগত্যৰ শপত গ্ৰহণ কৰে। অসমৰ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সৰযু প্ৰসাদে ৰাজ্যপালক আনুগত্যৰ শপত গ্ৰহণ কৰায়।

২৯ মে' ঃ পাকিস্তানৰ কিছু লোকে গোৱালপাৰা সীমান্তইদি ভাৰতীয় অঞ্চলত প্ৰৱেশ কৰি লুটপাত আৰু ডকাইতি কৰে। অস্ত্ৰ-শস্ত্ৰৰে সু-সজ্জিত হৈ অহা দুৰ্বৃত্তই ভাৰতীয় অঞ্চলৰ শান্তিপূৰ্ণ ঠাইসমূহত গুলীবৰ্ষণো কৰে।

২ জুন ঃ বোম্বাইৰ সিদ্ধাৰ্থ নগৰত বহা কংগ্ৰেছ কমিটীৰ অধিৱেশনত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি আৰু কংগ্ৰেছ ৱৰ্কিং কমিটীৰ সদস্য মহেন্দ্ৰ মোহন চৌধুৰীক ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছৰ এজন প্ৰধান সম্পাদক হিচাপে নিযুক্ত কৰা হয়।

৩ জুন ঃ ফিজোৰ ১৫জন পূৰ্ব প্ৰতিনিধিয়ে তেওঁলোকৰ সতীৰ্থক শান্তি আৰু সম্প্ৰীতি স্থাপন কৰিবলৈ আহ্বান জনায়।

৫ জুন ঃ ব্ৰিটেইনত নিযুক্ত ভাৰতীয় হাইকমিছনাৰ বিজয়লক্ষ্মী পণ্ডিতে লণ্ডনত 'আছাম ট্ৰিবিউন' আৰু 'অসম বাণী'ৰ অফিচ উদ্বোধন কৰে।

৮ জুন ঃ ডিমাপুৰ-ইম্ফল ৰাস্তাত নগা বিদ্ৰোহীয়ে এখন অসামৰিক ট্ৰাকত আক্ৰমণ সংঘটিত কৰি ফেৰিমা নামৰ ঠাইত দুখন কাঠৰ দলঙত অগ্নিসংযোগ কৰে।

৯ জুন ঃ অসম সাহিত্য সভাৰ নিৰ্দেশক্ৰমে নেফাত অসমীয়া ভাষা দিৱস পালন কৰা হয়। অসমৰ বিভিন্ন নগৰে-চহৰে, গাঁৱে-ভূঞে শোভাযাত্ৰা উলিওৱা হয় তথা সীমান্ত অঞ্চল কৰ্তৃপক্ষই নেফাত অসমীয়াৰ সলনি হিন্দী ভাষা প্ৰৱৰ্তনৰ বাবে গৃহ মন্ত্ৰী পণ্ডিত গোবিন্দ বল্লভ পন্টলৈ যি পৰামৰ্শ আগবঢ়াইছে তাৰ প্ৰতিবাদ কৰা হয়। উল্লেখ্য যে সীমান্ত কৰ্তৃপক্ষই সীমান্ত অঞ্চলৰ লোকসকলে অসমীয়া ভাষা নাজানে বাবে তাত অসমীয়া প্ৰৱৰ্তনৰ কোনো যুক্তিয়ে থাকিব নোৱাৰে বুলি কেন্দ্ৰীয় গৃহ

পদক্ষেপ হাতত লোৱা হৈছিল। উত্তৰ-পূব ভাৰত সম্পৰ্কত বিশদ জ্ঞান থকা ভেৰিয়াৰ এলুইনক সেইবাবে ভাৰত চৰকাৰে ট্ৰাইবেল এফায়াৰৰ উপদেষ্টা হিচাপে নিয়োগ কৰিছিল। তেওঁৰ উপদেশ মৰ্মেই টুৱেনচাঙক নেফাৰ পৰা পৃথক কৰি আনি নগা পাহাৰীয়া জিলাত চামিল কৰা হৈছিল। এই নতুন প্ৰশাসনিক গোটটোৰ নাম দিয়া হ'ল Naga Hills Tuensang Area (NHTA)। ১৯৫৭ চনৰ ২২ পৰা ২৬ আগষ্টলৈ ক'হিমাত প্ৰথম নগা পিপল্‌ছ কনভেনচন অনুষ্ঠিত হয়। এই সন্মিলনৰ দাবী আছিল যে NHTAক এটি সুকীয়া প্ৰশাসনীয় গোট হিচাপে স্বীকৃতি দিব লাগে আৰু ইয়াক গৃহ মন্ত্ৰালয়ৰ সলনি বৈদেশিক মন্ত্ৰালয়ৰ অধীনত ৰাখিব লাগে। শান্তি আৰু সুৰক্ষাৰ স্বাৰ্থত ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে নগাসকলৰ এই দাবী মানি ল'লে আৰু এনেদৰে ১৯৫৭ চনৰ ১ ডিচেম্বৰত এটি সুকীয়া প্ৰশাসনিক গোটে উত্তৰ-পূবত আত্মপ্ৰকাশ কৰিলে। তৃতীয় নগা জাতীয় অভিৱৰ্তনে ১৯৫৯ চনৰ অক্টোবৰ মাহত দাবী উত্থাপন কৰিলে যে ভাৰতবৰ্ষৰ সাংবিধানিক গণ্ডীৰ মাজত গঢ়ি উঠিব লগা ৰাজ্যখনৰ নাম নাগালেণ্ড হ'ব লাগে। ফিজো নেতৃত্বাধীন এন এন চিৰ সমান্তৰালভাৱে নগা জাতীয় অভিৱৰ্তনৰ দাবীসমূহে এক ৰাজনৈতিক সমাধানসূত্ৰৰ সম্ভাৱনা ৰাখিছিল বাবে ভাৰত চৰকাৰে অভিৱৰ্তনৰ দাবীবোৰক গুৰুত্ব সহকাৰে লৈছিল আৰু নগা সমস্যা সমাধানৰ ক্ষেত্ৰত দুটা পন্থা স্পষ্টভাৱে দৃশ্যমান হৈছিল। ইয়াৰে এটা পন্থাই ভাৰতৰ পৰা ওলাই যোৱাৰ আঁকোৰগোঁজ মনোভাব পোষণ কৰাৰ বিপৰীতে নগা জাতীয় অভিৱৰ্তনে ভাৰতবৰ্ষৰ সংবিধানৰ গণ্ডীৰ ভিতৰতে এক সমাধানসূত্ৰ বিচাৰিছিল।

অৱশেষত অভিৱৰ্তনে দাবী কৰাৰ লেখীয়াকৈ ভাৰত চৰকাৰে ভাৰতবৰ্ষৰ ভিতৰতে নগাসকলক স্বায়ত্ত শাসন প্ৰদান কৰাত সহমত প্ৰকাশ কৰিলে আৰু ১৯৬০ চনৰ ১ আগষ্টত ভাৰতবৰ্ষৰ সংসদত পণ্ডিত জৱাহৰলাল নেহৰুৱে নাগালেণ্ড ৰাজ্যৰ কথা ঘোষণা কৰিলে। যিহেতু এই সমাধানসূত্ৰত সশস্ত্ৰ নগা বিদ্ৰোহীসকল সন্তুষ্ট নোহোৱাটো এক স্বাভাৱিক কথা আছিল

মন্ত্ৰীক অৱগত কৰাইছিল।

১৪ জুন ঃ আছাম ৰাইফলছ্ বাহিনীৰ দ্বাৰা বিদ্ৰোহী নগা গাঁও দখল। বিদ্ৰোহীসকলে এজন সামৰিক বিষয়াক গুলীয়াই হত্যা কৰে। আনহাতে ১৩ জুনত হোৱা মুখামুখি সংঘৰ্ষত সামৰিক বাহিনীৰ হাতত দুজন বিদ্ৰোহী নিহত আৰু ১২জন আহত হয়।

১৯-২০ জুন ঃ নগা বিদ্ৰোহীসকলে খনমা আৰু জইছুমাত সামৰিক বাহিনীৰ লোকলৈ গুলীবৰ্ষণ কৰে। গুলীয়াগুলিত কুৰিজন বিদ্ৰোহী নিহত হয়।

২৯ জুন ঃ নগা পাহাৰৰ পৰিস্থিতিৰ বিষয়ে পৰ্যালোচনা কৰিবলৈ তথা এক উচ্চ পৰ্যায়ৰ আলোচনাত যোগদান কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ গৃহ মন্ত্ৰী পণ্ডিত গোবিন্দ বল্লভ পণ্টৰ গুৱাহাটী আগমন। বিদ্ৰোহীসকলৰ হিংসাত্মক কাৰ্যক কঠোৰ হাতেৰে দমন কৰিব বুলি পণ্টৰ ঘোষণা।

৪ জুলাই ঃ ক'হিমাৰ ওচৰৰ ৰখা অঞ্চলৰ লুঞ্চা নামৰ গাঁও এখনত আক্ৰমণ কৰি বিদ্ৰোহী নগাই তিনিজন গাঁওবুঢ়াক অপহৰণ কৰি লৈ যায়।

৫ জুলাই ঃ ভাৰতীয় সংসদৰ সদস্য বিমলাপ্ৰসাদ চলিহা অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি নিৰ্বাচিত।

১২ জুলাই ঃ নগা পাহাৰ জিলাৰ সীমান্তৱৰ্তী উত্তৰ-পূব সীমান্ত অঞ্চলৰ টুৱেনচাং সীমান্ত বিভাগৰ শ্বেমা অঞ্চলত ৰাষ্ট্ৰপৰায়ণ নগা আৰু বিদ্ৰোহী নগাৰ মাজত হোৱা সংঘৰ্ষত ১০জন বিদ্ৰোহী নিহত হয়।

১৫ জুলাই ঃ অসমৰ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে ১৪ আৰু ১৫ জুলাইত শিৱসাগৰ জিলা আৰু নগা পাহাৰৰ সীমান্তৰ নগা বিদ্ৰোহীবিলাকৰ দ্বাৰা উপদ্ৰুত অঞ্চল ভ্ৰমণ কৰি নিজে পৰিস্থিতিৰ ভু লয় আৰু বিদ্ৰোহীৰ আক্ৰমণৰ কাৰণে সন্ত্ৰস্ত নহ'বলৈ সেই অঞ্চলৰ জনসাধাৰণক নিৰ্ভয় প্ৰদান কৰে।

২০ জুলাই ঃ গুৱাহাটী-শ্বিলং ৰোডৰ বৰাপানী নদীৰ ওপৰৰ দলংখন ধ্বংস কৰিব খোজাৰ চক্ৰান্তৰ লগত জড়িত তিনিজন নগা যুৱকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে।

২৫ জুলাই ঃ নাজিৰাৰ সমীপৰ নগা পাহাৰৰ নামনিৰ ঠাইবোৰত নগা

সেয়েহে তেওঁলোকে নিজৰ সশস্ত্ৰ অভিযান অব্যাহত ৰাখিলে। ১৯৬০ চনৰ ২৫ আগষ্টত টুৱেনচাঙৰ পুৰ এলেকাত থকা অসম ৰাইফল্‌ছৰ শিবিৰত বিদ্ৰোহীসকলে তীব্ৰ অভিযান চলালে আৰু এখন ডাকোটা এয়াৰক্ৰাফ্‌টত গুলীবৰ্ষণ কৰি পুৰত অৱতৰণ কৰাবলৈ বাধ্য কৰালে।

এই ভয়ংকৰ আক্ৰমণৰ পিচতে ভাৰত চৰকাৰে নগা বিদ্ৰোহী সমস্যাটোৰ ক্ষেত্ৰত আক্ৰমণাত্মক হৈ উঠিল। একেদৰে ১৯৬৩ চনৰ ১ ডিচেম্বৰৰ পৰা নাগালেণ্ডক স্বতন্ত্ৰ ৰাজ্যৰ মৰ্যাদা দিয়াৰো সিদ্ধান্ত ঘোষণা কৰা হ'ল। সেই উদ্দেশ্য আগত ৰাখি অসমৰ ৰাজ্যপালে ১৯৬১ চনৰ ১৮ ফেব্ৰুৱাৰীত নাগালেণ্ডৰ অন্তৰ্বৰ্তীকালীন নিকায়খনৰ শুভ উদ্বোধন কৰে। ৫২জন সদস্যভুক্ত এই নিকায়খনৰ সভাপতি আছিল ড° ইমকোঙলিবা। পাঁচজন সদস্যযুক্ত এখন কাৰ্যবাহী পৰিষদো গঠন কৰা হ'ল। দুৰ্ভাগ্যজনকভাৱে অন্তৰ্বৰ্তীকালীন এই নিকায়ে নিজৰ কাম আৰম্ভ কৰাৰ আগতেই ১৯৬১ চনৰ ২২ আগষ্টত ড° ইমকোঙলিবাক সশস্ত্ৰ বিদ্ৰোহীয়ে হত্যা কৰে। তেখেতৰ হত্যাৰ পিচত টি এন আংগামী সভাপতি নিৰ্বাচিত হয় আৰু The State of Nagaland act, 1962 সংসদৰ দুয়ো সদনত গৃহীত হয়। এই আইন অনুসৰি তদানীন্তন ৰাষ্ট্ৰপতি ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণে ১৯৬৩ চনৰ ১ ডিচেম্বৰত নাগালেণ্ড ৰাজ্যৰ শুভ উদ্বোধনী কৰে। জন্ম হয় স্বাধীন ভাৰতৰ ১৬তম ৰাজ্যখনৰ।

বিদ্ৰোহীৰ উৎপাত। প্ৰায় এমাহ কাল ধৰি চলা উৎপাতৰ ফলত গেলেকী, নাগিনামৰা, বিহুবৰ আৰু লখিমীজান আদিত আতংকৰ সৃষ্টি।

১২ আগষ্ট ঃ প্ৰস্তাৱিত তেল শোধনাগাৰ অসমত প্ৰতিষ্ঠাৰ বাবে দৃঢ় দাবী। অসমত উদ্‌ঘাটন কৰা তেল পৰিশোধনৰ বাবে স্থাপন কৰিবলগীয়া প্ৰস্তাৱিত তেল শোধনাগাৰটো কলিকতাত প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা চলোৱা হৈছে বুলি ওলোৱা বাতৰিটোৱে অসমজুৰি বিক্ষোভৰ সৃষ্টি কৰে। ১২ আগষ্টত গুৱাহাটীত বহা অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ অধিৱেশনত তেল শোধনাগাৰৰ প্ৰশ্নটোৰ বিশদ আলোচনা হয়। শোধনাগাৰটো অসমতে প্ৰতিষ্ঠা কৰিব লাগে বুলি আগতে প্ৰদেশ কংগ্ৰেছে গ্ৰহণ কৰা প্ৰস্তাৱটো পুনৰ দৃঢ় সমৰ্থন জ্ঞাপন কৰি প্ৰদেশ কংগ্ৰেছ কমিটীয়ে অসমৰ দাবী কেন্দ্ৰীয় চৰকাৰৰ ওচৰত উত্থাপন কৰিবলৈ কংগ্ৰেছ কমিটীৰ তৰফৰ পৰা এটা ১২জনীয়া সঁজাতী দল আৰু মন্ত্ৰীসভাৰ তৰফৰ পৰা আন এটা সুকীয়া সঁজাতী দল পঠোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে তেল শোধনাগাৰটো প্ৰয়োজন সাপেক্ষে চৰকাৰীভাৱেই অসমত প্ৰতিষ্ঠা কৰিব লাগে বুলি দাবী তোলে।

প্ৰজা ছচিয়েলিষ্ট দলৰ নেতা আৰু অসম বিধানসভাৰ বিৰোধী দলপতি হৰেশ্বৰ গোস্বামীয়ে কলিকতাত প্ৰস্তাৱিত শোধনাগাৰ পাতিবলৈ কেন্দ্ৰীয় চৰকাৰে প্ৰায় সিদ্ধান্ত কৰিছে বুলি ওলোৱা বাতৰি সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰৰ চোকা সমালোচনা কৰে আৰু আৰ্থিকভাৱে অনগ্ৰসৰ অসমতে শোধনাগাৰটো প্ৰতিষ্ঠা হ'ব লাগে বুলি দাবী জনায়।

২৭ আগষ্ট ঃ অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ তৰফৰ পৰা কেন্দ্ৰীয় প্ৰাকৃতিক সম্পদ আৰু বৈজ্ঞানিক গৱেষণা মন্ত্ৰী দপ্তৰৰ ওচৰত দাখিল কৰা স্মাৰকপত্ৰ এখনত প্ৰস্তাৱিত তেল শোধনাগাৰটো অসমতে প্ৰতিষ্ঠা কৰিব লাগে বুলি দাবী উত্থাপন।

২৮ আগষ্ট ঃ অসমৰ তেল পৰিশোধনৰ বাবে প্ৰতিষ্ঠা কৰিবলগীয়া প্ৰস্তাৱিত শোধনাগাৰটো অসমতে

ভাৰত আৰু উত্তৰ-পূবৰ যাতায়াত ব্যৱস্থা

স্বাধীনতাৰ লগে লগেই ভাৰতৰ আন আন ৰাজ্যবোৰৰ বৰ একো ক্ষতি নহ'ল। কিন্তু উত্তৰ-পূৰ্বাঞ্চলৰ হ'ল ভয়ানক ক্ষতি। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ যাতায়াত ব্যৱস্থাত পৰিছিল সকলোতকৈ বেছি মোক্ষম আঘাত। ৰাতিৰ ভিতৰতে প্ৰায় বিচ্ছিন্ন হৈ পৰিছিল অসম তথা উত্তৰ-পূব।

সেয়েহে স্বাধীনতাৰ লগে লগে আৰম্ভ হৈছিল উত্তৰ-পূবৰ যাতায়াতৰ কাৰণে এক সংগ্ৰাম, যি সংগ্ৰাম আজিকোপতি চলি আছে।

প্ৰতিষ্ঠা কৰিব লাগে বুলি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী জনাই অসমজুৰি হৰতাল পালন।

● নগা পাহাৰৰ জিলাধিপতিয়ে নগা পাহাৰত দুমাহৰ কাৰণে ১৪৪ ধাৰা জাৰি কৰে।

৩০ আগষ্ট ঃ অসম বিধানসভাৰ শাৰদীয় অধিৱেশন আৰম্ভ। সমাগত সাধাৰণ নিৰ্বাচনৰ আগতে বিধানসভাৰ এইখনেই সৰ্বশেষ অধিৱেশন বুলি ধাৰণা।

৩১ আগষ্ট ঃ ২৮ আগষ্টৰ হৰতালৰ বিভিন্ন অভিযোগত গ্ৰেপ্তাৰ কৰা ১৫২জন লোকক আজি পুৱা ৯ বজাত খালাচ দিয়া হয়। ইয়াৰে ১৩৫জনক ব্যক্তিগত জামিনত আৰু ১৬জনক জামিন লৈ মুক্তি দিয়া হয়।

১ ছেপ্টেম্বৰ ঃ অসম বিধানসভাৰ শাৰদীয় অধিৱেশনত তেল শোধনাগাৰ দাবীৰ সন্দৰ্ভত তুমুল বিতৰ্ক ঃ বিধানসভাৰ শাৰদীয় অধিৱেশনত মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে হৰতাল সন্দৰ্ভত এটি বিশদ বৰ্ণনা দি অভিযোগ কৰে যে বিৰোধী দলসমূহে সমাগত নিৰ্বাচনলৈ চকু ৰাখি জনসাধাৰণক উত্তেজিত কৰি এই বিক্ষোভ আৰু হৰতালৰ সৃষ্টি কৰিছে। ৰাজ্য চৰকাৰে যথোচিত প্ৰচেষ্টা চলাই থকা অৱস্থাত আৰু কেন্দ্ৰীয় মন্ত্ৰী মালব্যাই দিয়া আশ্বাসৰ পিচত এনে বিক্ষোভৰ কোনো প্ৰয়োজন নাছিল। বিৰোধী দলৰ নেতা হৰেশ্বৰ গোস্বামীয়ে মুখ্যমন্ত্ৰীৰ অভিযোগ অস্বীকাৰ কৰি কয় যে ২৮ আগষ্টত হোৱা বিক্ষোভ আৰু হৰতাল আছিল স্বতঃস্ফূৰ্ত; ইয়াক কোনো হেঁচা দি সৃষ্টি কৰা হোৱা নাই। অসমৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰে দেখুৱাই অহা অৱহেলাৰ বাবে অসমবাসী অতিষ্ঠ হৈ পৰিছে আৰু তাৰেই চূড়ান্ত প্ৰকাশ ঘটিছে ২৮ আগষ্টৰ ৰাজ্যজুৰি সংঘটিত হৰতালত। গোস্বামীয়ে আৰু কয় যে কেন্দ্ৰীয় মন্ত্ৰী মালব্যাই এনে কোনো স্পষ্ট আশ্বাস দিয়া নাই, যাৰ ফলত অসমৰ জনসাধাৰণ তেল শোধনাগাৰ ক্ষেত্ৰত নিশ্চিত হৈ থাকিব পাৰে। বিধানসভাৰ এই বিতৰ্কত চৰকাৰী আৰু বিৰোধী দলৰ কেইবাজনো সদস্যই অংশগ্ৰহণ কৰে।

৪ ছেপ্টেম্বৰ ঃ অসম বিধানসভাৰ আজিৰ অধিৱেশনত নগা পাহাৰৰ

সঁচা অৰ্থত অসম যাতায়াতৰ ক্ষেত্ৰত কোনো কালেই আগবঢ়া নাছিল। বৰঞ্চ যোৱা শতিকাৰ মাজভাগলৈ অসমৰ বহিৰ্বিশ্বৰ লগত থকা যাতায়াত ব্যৱস্থা ৰে'লতকৈ নদীৰে চলা জাহাজৰ ওপৰতহে বেছি নিৰ্ভৰশীল আছিল।

তাৰ মূল কাৰণ আছিল ব্ৰহ্মপুত্ৰ নদী আৰু বৰাক নদীৰ সুন্দৰ জল পৰিবহণৰ সুবিধা।

ভাবিলে হয়তো আচৰিত লাগিব কিন্তু ১৮৩৯ চনত অসম কোম্পানী গঠন হোৱাৰ পিচৰে পৰা ব্ৰহ্মপুত্ৰৰে উজনিলৈ ষ্টীমাৰ সেৱা চলাবৰ চেষ্টা কৰা হৈছিল যদিও আৰম্ভণিতে ই সফল হোৱা নাছিল।

১৮৪৪ চনত সাধাৰণ নাৱেৰে গুৱাহাটীৰ পৰা শদিয়ালৈ উজাই গ'লে প্ৰায় ছসপ্তাহ লাগিছিল। ঠিক তেনেকৈ বংগদেশৰ গোৱালুণ্ডুৰ পৰা প্ৰায় তিনিমাহ লাগিছিল।

উজনি অসমৰ পৰা বিশেষকৈ নাজিৰাৰ পৰা এই নাওবোৰে ১৫০ বাকচতকৈ বেছি চাহপাত আনিব নোৱাৰিছিল। গতিকে ইংৰাজসকলৰ বাবে ক্ষিপ্ৰতৰ আৰু ডাঙৰ ষ্টীমাৰৰ প্ৰয়োজন বাঢ়ি গৈছিল।

সেই কাৰণেই ১৮৪৭ চনত কলিকতাৰ পৰা গুৱাহাটীলৈ ৯৬০ কিলোমিটাৰৰ দৈৰ্ঘ্য ভ্ৰমণ কৰিবৰ বাবে ব্ৰিটিছ চৰকাৰে ষ্টীমাৰ সেৱা আৰম্ভ কৰে।

এই ষ্টীমাৰ সেৱা অনিয়মীয়া আছিল যদিও প্ৰতিটো যাত্ৰাই লাভজনক আছিল আৰু তেতিয়াৰ দিনত প্ৰায় ৫,০০০ টকা লাভ কৰিছিল।

কিন্তু চাহৰ ৰপ্তানিৰ পৰিমাণ বাঢ়ি যোৱাৰ লগে ১৮৫৬ চনত এই সেৱা গুৱাহাটীৰ পৰা ডিব্ৰুগড়লৈ সম্প্ৰসাৰণ কৰা হয়।

১৮৬০ চনত Indian General Steam Navigation (IGSN) Company অসমলৈ আহে আৰু প্ৰতি ছসপ্তাহৰ মূৰে মূৰে

প্ৰসংগই প্ৰাধান্য লাভ কৰে। মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে নগা পাহাৰ জিলাৰ পৰিস্থিতিৰ এটি বিৱৰণ দাঙি ধৰে।

৭ ছেপ্টেম্বৰ ঃ অসম বিধানসভাৰ শাৰদীয় অধিৱেশনৰ সমাপ্তি।

১৩ ছেপ্টেম্বৰ ঃ কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীয়ে লোকসভাৰ এটি প্ৰশ্নোত্তৰত কয় যে পাণ্ডুক সদৰ কাৰ্যালয় কৰি অসমৰ কাৰণে সুকীয়া ৰে'ল মণ্ডল এটা প্ৰতিষ্ঠাৰ বিষয়ে চৰকাৰে একো ভবা নাই। তেজপুৰৰ পৰা উত্তৰ-লখিমপুৰলৈ ৰে'ললাইন নিয়াৰ বিষয়ে চৰকাৰে একো চিন্তা কৰা নাই বুলি তেওঁ জনায়। টকা-পইচাৰ ব্যৱস্থা কৰিব পাৰিলে দ্বিতীয় পৰিকল্পনাৰ শেষভাগত ব্ৰহ্মপুত্ৰত দলং নিৰ্মাণৰ প্ৰশ্নটো বিবেচনা কৰা হ'ব পাৰে বুলি তেওঁ লোকসভাৰ সদস্যসকলক অৱগত কৰে।

১৯ ছেপ্টেম্বৰ ঃ অনুগত নগাসকলৰ প্ৰতিনিধিস্বৰূপে জাচোকিৰ নেতৃত্বত ছজনীয়া এটা সঁজাতী দলে প্ৰধানমন্ত্ৰী নেহৰুক সাক্ষাৎ কৰি নগা সমস্যা সম্পৰ্কে সুদীৰ্ঘ আলোচনা কৰে। দলটোৰে গৃহ মন্ত্ৰী পন্টকো লগ ধৰে।

২৪ ছেপ্টেম্বৰ ঃ মঙলদৈ চহৰত চৰকাৰী বিজুলী সৰবৰাহ কেন্দ্ৰ মুকলি।

২৫ ছেপ্টেম্বৰ ঃ অসমৰ বিশিষ্ট নেতা আৰু খ্যাতনামা চিকিৎসাবিদ ডাঃ ভুৱনেশ্বৰ বৰুৱাৰ শৰণীয়া পাহাৰৰ নিজ বাসভৱনত মৃত্যু ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স হৈছিল ৬৩ বছৰ।

৬ অক্টোবৰ ঃ অসমত প্ৰথম উদ্যোগ পাম পতাৰ আয়োজন। অসমৰ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে শনিবাৰে পূব গুৱাহাটীৰ বামুণীমৈদামত অসমৰ সৰ্বপ্ৰথম উদ্যোগ পামৰ ভেটি স্থাপন কৰে। মেধিয়ে ৰাজ্যৰ উদ্যোগপতি আৰু উদ্যোগী ব্যৱসায়ীসকলক এই আঁচনিৰ সুযোগ-সুবিধা সম্পূৰ্ণভাৱে গ্ৰহণ কৰিবলৈ আহ্বান জনায়। প্ৰায় ১৮ লাখ টকা খৰচ কৰি স্থাপন কৰিবলৈ লোৱা এই উদ্যোগ পামে দেশৰ ঔদ্যোগিকীকৰণ আৰু নিবনুৱা সমস্যা সমাধান কৰাত সহায় কৰিব বুলি তেওঁ মতামত ব্যক্ত কৰে। এই ঔদ্যোগিক পামত ৪০-৫০টামান বিভিন্ন উদ্যোগ স্থাপন হ'ব বুলি তেওঁ

কলিকতা আৰু ডিব্ৰুগড়ৰ পৰা দুখনকৈ ষ্টীমাৰ সেৱা প্ৰবৰ্তন কৰে। সেয়াই অসমৰ প্ৰথম বেচৰকাৰী ষ্টীমাৰ সেৱা।

১৮৬১ চনৰ পৰা আই জি এছ এন কোম্পানীয়ে ষ্টীমাৰেৰে মধ্য প্ৰদেশ আৰু ঝাৰখণ্ডৰ পৰা চাহ বনুৱা লৈ অসমলৈ আহে আৰু সেই কাৰণে ষ্টীমাৰ সেৱা বৃদ্ধি পাবলৈ আৰম্ভ কৰে।

পৰৱৰ্তী বছৰকেইটাত আই জি এছ এন কোম্পানী সুৰমা উপত্যকালৈ সোমাই পৰে আৰু ১৮৬৯ চনলৈ কোম্পানীৰ ১৬খন ষ্টীমাৰ, ৩২খন ফ্লেট আৰু ৫খনকৈ বাৰ্জ হৈছিলগৈ।

১৮৭৩ চনত ইষ্টাৰ্ন বেংগল ৰে'লৱেৰ সেৱা যেতিয়া গোৱালুণ্ডুলৈ বঢ়োৱা হৈছিল তেতিয়া যাত্ৰীসকলে কলিকতাত ৰে'লত উঠি গোৱালুণ্ডুলৈ আহি জাহাজ ধৰিছিল।

১৮৭৫ চনলৈ সপ্তাহত এবাৰকৈ ষ্টীমাৰ সেৱা আৰম্ভ হৈছিল আৰু ব্ৰহ্মপুত্ৰৰ উপনৈবোৰত আন সৰু সৰু সেৱাবোৰো আৰম্ভ হৈছিল। সেই একে সময়তে কাছাৰলৈকো পযেকীয়া ষ্টীমাৰ সেৱা আৰম্ভ হৈছিল। ইয়াৰ বাহিৰেও ষ্টীমাৰসমূহত নতুন আৰু শক্তিশালী ইঞ্জিন বহুওৱা হৈছিল।

সেই একে সময়তেই আই জি এছ এন কোম্পানীৰ সমান্তৰালভাৱে আৰ এছ এন কোম্পানীয়ে ষ্টীমাৰ সেৱা আৰম্ভ কৰে। ইয়াৰ ফলত ষ্টীমাৰ সেৱা আৰু নিয়মীয়া হৈ পৰাৰ লগতে চাহ কোম্পানীবোৰে চাহপাত কঢ়িয়াবলৈ আৰু বেছি সুবিধা পাইছিল।

১৮৮২ চনত আৰ এছ এন কোম্পানীয়ে অসম চৰকাৰৰ লগত এক চুক্তি কৰি ধুবুৰীৰ পৰা ডিব্ৰুগড়লৈ দৈনিক জাহাজ সেৱা আৰম্ভ কৰে। সেই একেই বছৰত আই জি এছ এন কোম্পানীয়ে ৰে'ল আৰু জাহাজৰ সেৱা মিলাই যুগ্ম সেৱা আৰম্ভ কৰে।

উল্লেখযোগ্য যে ষ্টীমাৰ কোম্পানীবোৰৰ এই সেৱাৰ কাৰণেই

দোহাৰে।

১৮ অক্টোবৰ ঃ অসম ভ্ৰমণৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নেহৰুৰ গুৱাহাটী আগমন।

২০ অক্টোবৰ ঃ প্ৰধানমন্ত্ৰীয়ে সদলবলে কাজিৰঙা মৃগয়াবন ভ্ৰমণ কৰে। প্ৰধানমন্ত্ৰীয়ে কাজিৰঙাৰ পোহনীয়া হাতী 'শ্বেৰখা'ৰ ওপৰত উঠি জংঘলত দুঘণ্টা ধৰি ভ্ৰমণ কৰে।

১ নৱেম্বৰ ঃ ভাৰতৰ প্ৰশাসনীয় বুৰঞ্জীত ব্যাপক সাল-সলনি। ৩১ অক্টোবৰলৈকে ১০খন 'ক' শ্ৰেণীৰ, আঠখন 'খ' শ্ৰেণীৰ আৰু কেইখনমান 'গ' শ্ৰেণীৰ ৰাজ্যৰে সৈতে মুঠতে ২৮টা গোটত বিভক্ত দেশখন ১ নৱেম্বৰৰ পৰা কুৰিটা গোটত পুনৰ্গঠন কৰা হয়। পুনৰ্গঠিত গোটকেইটাৰ ভিতৰত চৈধ্যখন ৰাজ্য আৰু ছটা কেন্দ্ৰীয়শাসিত অঞ্চল গঠন কৰা হৈছে।

● অসমত তেল শোধনাগাৰ স্থাপন কৰাটো কাৰিকৰী দিশৰ পৰা সুস্থ আৰু অৰ্থনৈতিকভাৱে লাভজনক বুলি কেন্দ্ৰীয় চৰকাৰে নিযুক্ত কৰা বিশেষজ্ঞ কমিটীয়ে দিয়া অভিমতৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি অসমৰ সংসদ সদস্যসকলে প্ৰধানমন্ত্ৰী নেহৰুৰ ওচৰত এখন স্মাৰকপত্ৰ দাখিল কৰে।

৫ নৱেম্বৰ ঃ অসম চৰকাৰে ধান-চাউল ৰপ্তানি নিয়ন্ত্ৰণৰ আদেশ জাৰি কৰে। অসমত খাদ্যসামগ্ৰীৰ নাটনি হ'ব বুলি ৰাজ্য চৰকাৰে অতি আৱশ্যকীয় খাদ্যসম্ভাৰ বাহিৰলৈ ৰপ্তানি বন্ধ কৰে।

৮ ডিচেম্বৰ ঃ সশস্ত্ৰ নগা বিদ্ৰোহীৰ দল এটাই যোৰহাট মহকুমাৰ দক্ষিণাঞ্চলত অৱস্থিত চৰাইপানী বাগিচা, মণিপুৰ, টেংগাজান আৰু ফুলবাৰী গাঁৱত আক্ৰমণ কৰে আৰু কেইবাটাও ঘৰ জ্বলাই দিয়ে।

১৯ ডিচেম্বৰ ঃ অসম বিধানসভাৰ এইটো কাৰ্যকালৰ শেষ অধিৱেশন আৰম্ভ। তিনিদিনীয়া এই অধিৱেশন ২১ তাৰিখে সমাপ্ত হ'ব।

● অসম বিধানসভাৰ তিনিদিনীয়া অধিৱেশনৰ প্ৰথম দিনা অৰ্থাৎ ১৯ ডিচেম্বৰত বিত্ত মন্ত্ৰী মতিৰাম বৰাই ১৯৫৭-৫৮ চনৰ প্ৰথম তিনি মাহৰ কাৰণে এখন সাময়িক বাজেট উত্থাপন কৰি ৫,২৩,৬৯,০০০ টকাৰ ঘাটি প্ৰদৰ্শন কৰে আৰু সেই সময়ত ব্যয়ৰ বাবে

অসমে ৰে'লৰ মুখ দেখিছিল। আছাম ৰে'লৱে আৰু ট্ৰেডিং কোম্পানীৰ জাহাজবোৰে ৰে'ল নিৰ্মাণৰ প্ৰায় সকলো মাল-বস্তু কঢ়িয়াইছিল আৰু যাৰ কাৰণে ডিব্ৰুগড়ৰ পৰা মাকুম হৈ শদিয়ালৈ ৰে'ললাইন বহাব পৰা গৈছিল।

অকল আছাম ৰে'লৱে আৰু ট্ৰেডিং কোম্পানীৰে পাঁচোখনকৈ ষ্টীমাৰ আছিল আৰু ১৬খন ফ্লেটৰ আছিল।

সেই সময়ৰ পৰিবহণ ব্যৱস্থাৰ বুৰঞ্জী বৰ বিচিত্ৰ। প্ৰথমতে জল পৰিবহণ ব্যৱস্থা আৰম্ভ হয়। দ্বিতীয়তে জল পৰিবহণ ব্যৱস্থাই ৰে'ল পৰিবহণ ব্যৱস্থা মুকলি কৰিলে। তৃতীয়তে ৰে'লৰ ব্যৱস্থা আৰম্ভ হোৱা কাৰণে মাৰ্ঘেৰিটাত কয়লা উৎপাদন কৰিব পৰা হৈছিল। কয়লা উৎপাদন আৰম্ভ হোৱাৰ লগে লগে কলিকতাৰ পৰা ষ্টীমাৰবিলাকত বেছি ঠাই পোৱা হ'ল কাৰণ জাহাজবোৰে ডিব্ৰুগড়ত কয়লা বোজাই কৰিব পৰা হ'ল।

১৮৮২ চনলৈকে ষ্টীমাৰবিলাকত গোৱালুণ্ডু আৰু ডিব্ৰুগড়ৰ মাজৰ দূৰত্ব পাৰ কৰিবলৈ ১৮ দিন লাগিছিল। কিন্তু ১৮৮৩ চনত চৰকাৰী সাহায্যত আই জি এছ এন আৰু আৰ এছ এন কোম্পানীয়ে যুটীয়াভাৱে এসপ্তাহৰ ভিতৰতে একে দূৰত্ব ভ্ৰমিব পৰা সেৱা আৰম্ভ কৰিলে। এই সেৱা অকল যাত্ৰীৰ কাৰণে আছিল আৰু জাহাজবোৰো আগৰবোৰতকৈ সৰু আছিল।

সেই একেধৰণৰ সেৱা ১৮৮৭ চনত সুৰমা নদীৰেও আৰম্ভ কৰা হ'ল যাতে গোৱালুণ্ডু আৰু শিলচৰক সংযোগ কৰিব পৰা যায়।

১৯০১ চনত ৰে'লৱে লাইন লামডিঙৰ পৰা গুৱাহাটীলৈ সম্প্ৰসাৰণ হয় যদিও ৯৮ শতাংশ মাল-বস্তু নদী পথেৰেই গৈ আছিল।

১৯০৫ চনলৈকে ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰায় ৭০০ মাইলৰ জলপথ মুকলি হৈ পৰিছিল আৰু সেই সময়ত পকীপথতকৈ ইয়াৰ দৈৰ্ঘ্য বেছি আছিল।

দ্বিতীয় বিশ্বযুদ্ধই নদীপথেৰে মাল-বস্তু পৰিবহণ কৰা কামক এক

সৰ্বমুঠ ৭,০১,৯১,০০০ টকাৰ দাবী উত্থাপন কৰে।

২৭ ডিচেম্বৰ ঃ অসম সাহিত্য সভাৰ ৰূপালী জয়ন্তী অধিৱেশন ধুবুৰীত আৰম্ভ। বুৰঞ্জীবিদ বেণুধৰ শৰ্মাৰ সভাপতিত্বত আৰম্ভ হোৱা এই অধিৱেশন ২৮ তাৰিখে শেষ হ'ব। আজি স্বাস্থ্য মন্ত্ৰী ৰূপনাথ ব্ৰহ্মাৰ সভাপতিত্বত বুৰঞ্জী শাখাৰ অধিৱেশন আৰু সন্ধিয়া প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ সভাপতিত্বত সাংস্কৃতিক অধিৱেশন অনুষ্ঠিত হয়।

২৯ ডিচেম্বৰ ঃ যোৰহাটত তিনিদিনীয়া কাৰ্যসূচীৰে সদৌ অসম সংগীত সন্মিলন আৰম্ভ। বিনায়ক পট্টবৰ্ধন, এছ এন ৰতন ঝংকাৰ (লক্ষ্ণৌ), ওস্তাদ আলী আকবৰ খাঁ (সৰোদ) আদি শিল্পীসকলৰ অংশগ্ৰহণ।

নতুন মাত্ৰা প্ৰদান কৰে আৰু কেইবাটাও সেৱা সৈন্যবাহিনীৰ সুবিধাৰ্থে ৰদ-বদল কৰিবলগীয়া হয়।

স্বাধীনতাৰ পিচত কিন্তু মাল-বস্তু পৰিবহণৰ ক্ষেত্ৰত আৰ এছ এন আৰু আই জি এছ এন কোম্পানী দুয়োটাৰে অসুবিধা আহিবলৈ ধৰে। কিয়নো নতুন দেশ পাকিস্তানে বহু বাধা-নিষেধ আৰোপ কৰে।

সকলোতকৈ অসুবিধা হয় লুছাই পাহাৰ, ত্ৰিপুৰা আৰু বৰাক উপত্যকাত। স্বাধীনতাৰ আগতে কাছাৰলৈ তিনি প্ৰকাৰেৰে যাব পৰা গৈছিল। প্ৰথমটো চন্দ্ৰপুৰ, দ্বিতীয়টো ৰে'লেৰে চান্থাৰ হৈ, মৈমনসিং আৰু আখুৰালৈ আৰু তৃতীয়টো চিটাগং হৈ।

গোটেইকেইটা স্থলপথ বন্ধ হৈ যোৱা কাৰণে জল পৰিবহণ বাঢ়ি গৈছিল আৰু ১৯৫৪ চনলৈকে ইয়াৰ চাহিদা তুংগত উঠিছিলগৈ।

স্বাধীনতাৰ পিচত পাকিস্তানে জল পৰিবহণৰ ওপৰত নানা বাধা-নিষেধ আৰোপ কৰাৰ ফলত কলিকতা-গুৱাহাটীৰ মাল অহাৰ সময় বহু পৰিমাণে কমি যায়।

আকৌ ১৯৪৯ চনত অসমলৈ ৰে'ল লিংক স্থাপন হোৱাৰ লগে লগেই এই গুৰুত্ব ক্ৰমান্বয়ে কমি আহে যদিও ১৯৫৪-৫৫ চনলৈকে নিয়মীয়াভাৱে ফেৰী চলি আছিল।

আনহাতে লোকচান ভৰি থকা সত্বেও অসমৰ ভিতৰতে জে এছ কোম্পানীয়ে ধুবুৰী-জখলাবন্ধা, গুৱাহাটী-তেজপুৰ-নিমাতী আৰু শিলঘাট-পাণ্ডু-তেজপুৰ এই জলপথকেইটাত ফেৰী চলাই ৰাখিছিল।

বছৰি ৮ লাখ টকা লোকচান হোৱাৰ পিচতো কিন্তু তিনিওটা সেৱা যথেষ্ট জনপ্ৰিয় হৈছিলগৈ। অকল গুৱাহাটী-তেজপুৰ-নিমাতী ফেৰী সেৱাতেই বছৰি ১.৫ লাখ ক্ষতি হৈছিল।

তথাপি ১৯৬৭ চনলৈকে যাত্ৰীবাহী জাহাজ সেৱা চলি নাথাকিলেও জে এছ কোম্পানীৰ মাল পৰিবহণ কৰা শাখাবোৰ সামৰি

১৯৫৭

৯ জানুৱাৰী : সমাজ কল্যাণ বৰ্ড আৰু চৰকাৰৰ সহযোগত নিৰ্মিত গুৱাহাটীত 'পৰৱৰ্তী তত্ত্বাৱধান গৃহ'ৰ উদ্বোধন। কেন্দ্ৰীয় সমাজ কল্যাণ বৰ্ডৰ চেয়াৰমেন দুৰ্গাবাঈ দেশমুখে উদ্বোধন কৰা এইটোৱে ভাৰতৰ ভিতৰত এনেধৰণৰ প্ৰথম প্ৰতিষ্ঠান।

১০ জানুৱাৰী : ভাৰতীয় চাহ সংস্থাৰ সভ্যসকলৰ কলিকতাত বহা এখন বৈঠকত অসমৰ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে অসম চৰকাৰৰ বনুৱা আৰু আন ব্যৱস্থাৰ দ্বাৰা চাহ শিল্পৰ উন্নয়নত কোনো ব্যাঘাত নহ'ব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে।

১৩ জানুৱাৰী : গুৱাহাটীৰ নবীন বৰদলৈ হলত হোৱা অসমৰ সমাজ কল্যাণ কৰ্মীসকলৰ ছেমিনাৰত কেন্দ্ৰীয় সমাজ কল্যাণ ব'ৰ্ডৰ চেয়াৰমেন দুৰ্গাবাঈ দেশমুখে সমাজ কল্যাণৰ দ্বাৰা সমাজবাদী সমাজ গঢ়াৰ কথা দোহাৰে।

১৫ জানুৱাৰী : সামৰিক কৰ্তৃপক্ষৰ ওচৰত ১৬জন নগা বিদ্ৰোহী আৰু ১১৬জন বিদ্ৰোহী-সহকৰ্মীয়ে আত্মসমৰ্পণ কৰে। এই লোকসকল নগা পাহাৰৰ মোককচাং মহকুমাৰ ইনগা নামৰ গাঁৱৰ মানুহ।

- বিদ্ৰোহী নগাৰ দল এটাই উজনি অসমৰ নাওজান ৰে'ল ষ্টেচনত আক্ৰমণ কৰি লুটপাত কৰে।

১৬ জানুৱাৰী : অসম জাতীয় মহাসভাৰ সাধাৰণ সম্পাদক অম্বিকাগিৰী ৰায়চৌধুৰীয়ে আগন্তুক সাধাৰণ নিৰ্বাচনত জাতীয় মহাসভাৰ প্ৰাৰ্থী তুলিব বুলি ঘোষণা কৰে তথা ১২ দফীয়া এখন প্ৰচাৰপত্ৰ প্ৰকাশ কৰে। বিধানসভাত জাতীয় মহাসভাৰ কি কৰ্মসূচী হ'ব তাক উল্লেখ কৰি প্ৰচাৰ কৰা ১২ দফীয়া প্ৰচাৰপত্ৰখনৰ কেইটামান উল্লেখযোগ্য দফা হ'ল—

- অসমত যিখিনি একচনা মাটি আছে, সেইখিনি ভূঁইকঁপ-খহনীয়াত ভেটি মাটি উছন হোৱা আৰু ১৯৪২ চনৰ পৰা অৰ্থাৎ ১২ বছৰ আগৰে পৰা দখল কৰি থকা আন মাটিহীন স্থানীয় লোকক এই চনতে ম্যাদী পট্টা দিয়াবৰ ব্যৱস্থা কৰা।

কেন্দ্ৰীয় আভ্যন্তৰীণ জল পৰিবহণ নিগম গঠন কৰা হয়।

ৰে'লৰে সেৱাৰ উন্নতি হোৱাৰ লগে লগে নদীৰে মাল পৰিবাহী জাহাজৰ চাহিদা কমি আহে আৰু লাহে লাহে ই অনিয়মীয়া হৈ পৰে।

পথ পৰিবহণ

বুৰঞ্জীপ্ৰসিদ্ধ ধোদৰ আলি আৰু গোহাঁই কমল আলিৰ বাহিৰে অসমত আহোমৰ ৰাজত্বৰ শেষলৈ বাট-পথ নাছিলেই। ঠিক জল পৰিবহণৰ লেখীয়াকৈ চাহ খেতিৰ সম্প্ৰসাৰণৰ লগে লগেহে পথ পৰিবহণৰ গুৰুত্ব বাঢ়িব ধৰিছিল।

আছাম কোম্পানীয়ে ১৮৪৫ চনতেই ১,২৮০ কিলোমিটাৰ পথ আৰু ২৬৬খন কাঠৰ দলং নিৰ্মাণ কৰাৰ কৃতিত্ব লৈছিল।

১৮৫৯ চনতহে অসম চৰকাৰে বাট-পথ নিৰ্মাণ কৰা আৰম্ভ কৰিছিল যদিও গড়কাপ্তানী বিভাগৰ তেতিয়ালৈকে জন্ম হোৱা নাছিল।

সঁচা অৰ্থত ১৮৬৬ চনতহে অসম চৰকাৰে অসম ট্ৰাংক ৰোড নিৰ্মাণ কৰি উলিয়ায়। প্ৰথম অৱস্থাত অসম ট্ৰাংক ৰোডটো ২৪ ফুট বহলকৈ নিৰ্মাণ কৰা হৈছিল যাতে ভৱিষ্যতৰ ৰে'লৰে ট্ৰেক হিচাপে ইয়াৰ এক অংশ ব্যৱহাৰ কৰিব পৰা যায়।

অৱশ্যে ১৮৭০ চনমানৰ পৰা চৰকাৰী ধনৰ অভাৱত এই পদ্ধতিটো বন্ধ কৰা হয়। অসম গড়কাপ্তানী বিভাগ স্থাপন হয় ১৮৬৮ চনত কিন্তু ১৮৮০ চনত লোকেল ব'ৰ্ড গঠন হোৱাৰ পিচতহে দৰাচলতে অসমৰ পথসমূহৰ উন্নতি হ'বলৈ আৰম্ভ কৰে।

১৮৮৩-৮৪ চনত পথ নিৰ্মাণৰ কাৰণে অৱধ আৰু ৰোহিলাখণ্ডৰিৰ পৰাও কিছু বনুৱা অনা হয় যদিও পাহাৰীয়া গাৰো অঞ্চলত পথৰ অৱস্থা আছিল দুখলগা।

অৱশ্যে ১৮৭৭ চনত শ্বিলং-গুৱাহাটী পথটো মুকলি হৈছিল

■ বাগিচাৰ বনুৱাৰ প্ৰাথমিক শিক্ষাৰ বিষয়টো মালিকসকলৰ হাতৰ পৰা আনি পুনৰ আগৰ দৰে অসম চৰকাৰৰ দ্বাৰা অসমীয়া ভাষাৰে শিক্ষা দিয়াৰ ব্যৱস্থা কৰা।

■ নেফাত অসমীয়া আখৰেৰে ট্ৰাইবেলসকলক নিজ নিজ ভাষাত প্ৰাথমিক শিক্ষা দিওৱাৰ ব্যৱস্থা কৰা।

■ অসমৰ অখণ্ডতা ৰক্ষাৰ হকে অসমীয়া ভাষাক অসমৰ ৰাজ্যভাষা কৰি লোৱা বিষয়ত যদি অসমৰ অসমীয়া ট্ৰাইবেলসকলেই অন্তৰায় হৈ থিয় দিছে বুলি কোৱা হয়, তেন্তে শিক্ষা আৰু শাসনকাৰ্যৰ উপযোগী ট্ৰাইবেলসকলৰেই যিকোনো ভাষা এটাক অসমীয়া আখৰেৰে অসমৰ ৰাজ্যভাষা কৰি লৈ অসমৰ আৰু অসমীয়াৰ অখণ্ড অস্তিত্ব ৰক্ষা কৰিবলৈকে তেওঁলোকৰ হাততেই অসমৰ শাসনভাৰ গতাই দিয়াৰ সপক্ষে মত সৃষ্টি কৰাৰ ব্যৱস্থা। কাৰণ, অসমৰ ট্ৰাইবেলসকলো অসমীয়া। তেওঁলোকৰ হাতত অসমৰ শাসন ক্ষমতা দিলে অসমৰ অখণ্ড অস্তিত্ব হানি হ'বৰ শংকা নাথাকিব।

■ চন্দ্ৰকান্ত অভিধানত অসমৰ ট্ৰাইবেলসকলৰ ভাব প্ৰকাশক শব্দবোৰ সন্নিৱিষ্ট কৰিবলৈকে আৰু সকলোবিলাক ট্ৰাইবেল ভাষাকে শিক্ষা আৰু ৰিছাৰ্চ বিষয়ত ঠাই দিবলৈকে গুৱাহাটী বিশ্ববিদ্যালয়ক চৰকাৰৰ জৰিয়তে অনুৰোধ কৰা।

■ অসমৰ নগা ৰাজ্যক ভাৰতত ৰাখিও, বহিঃনীতিৰ বাদে তেওঁলোকক শিক্ষা, সমাজ আৰু আৰ্থিক বিষয়ত সম্পূৰ্ণ স্বাধীনতা দিয়াৰ ব্যৱস্থা।

২১ জানুৱাৰী ঃ নগা পাহাৰৰ শেহতীয়া পৰিস্থিতি সম্পৰ্কে আলোচনা কৰিবলৈ উচ্চপদস্থ সামৰিক আৰু অসামৰিক বিষয়াসকলৰ তিনিদিনীয়া সন্মিলন এখন গুৱাহাটীত অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিৰ আহ্বানমৰ্মে এই সন্মিলন অনুষ্ঠিত হয়।

২৫ জানুৱাৰী ঃ গণৰাজ্য দিৱস উপলক্ষে আয়োজন কৰা সাংস্কৃতিক শোভাযাত্ৰাত প্ৰদৰ্শন কৰা অসমৰ

আৰু তেতিয়াৰ দিনত টংগাৰে শ্বিলঙলৈ প্ৰায় দুদিন লাগিছিল। পাণ্ডুঘাটৰ পৰা এযোৰ ঘোঁৰাৰে টনা টংগাৰে দুপৰীয়া এটুকুৰা ঠাই পাইছিলহি য'ত সেইযোৰ ঘোঁৰা সলাই আন এযোৰ ঘোঁৰা লৈ আগবঢ়া হৈছিল। এই ঠাইটুকুৰাই কালক্ৰমত যোৰাবাট হিচাপে পৰিগণিত হৈছিল।

১৮৯২ চনলৈকে Indian Tea Association (ITA)ৰ প্ৰায় প্ৰতিখন বছৰেকীয়া সভাতেই অসমৰ পথক লৈ মূল অভিযোগ উত্থাপন হৈছিল। সুৰমা উপত্যকাত তেতিয়ালৈকে পথৰ অৱস্থা আৰু বেয়া আছিল আৰু সঁচা অৰ্থত এক কিলোমিটাৰো পথ নাছিল।

অৱশ্যে তৎসত্ত্বেও ঘোঁৰাগাড়ীৰে কিন্তু অসম-মণিপুৰৰ মাজত ছেগা-চোৰোকাকৈ যাতায়াত আৰম্ভ হৈ গৈছিল।

তেনেকৈয়ে নতুন শতিকাত ভৰি দিছিল অসমে। Indian Tea Associationৰ হেঁচাত ১৯১১-১২ চনত অসম প্ৰভিঞ্চ এক্টখনৰ কিছু সাল-সলনি কৰি যাতায়াতৰ কাৰণে গুৰুত্ব দিয়া হয় আৰু সেইবাৰেই ৪১ লাখ টকা বাট-পথ নিৰ্মাণৰ কাৰণে মোকলাই দিয়ে।

তেতিয়ালৈকে কিন্তু কোনো যাত্ৰীবাহী পৰিবহণ ব্যৱস্থা গঢ় লৈ উঠা নাছিল। কলিকতীয়া কোম্পানী এটাই ১৯১৬ চনত গুৱাহাটী-শ্বিলং পথত ৰাজহুৱা পৰিবহণ ব্যৱস্থা আৰম্ভ কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু বেয়া পথৰ কাৰণে সেয়া সম্ভৱ নহ'ল। শ্বিলঙলৈ প্ৰতিদিনে ৪০০ৰ পৰা ৬০০ ঘোঁৰাৰে টনা টংগাৰে গুৱাহাটীৰ পৰা শ্বিলঙলৈ বয়-বস্তু নিয়া হৈছিল।

শ্বিলঙলৈ মূলতে গৈছিল নিমখ, কাপোৰ, খোৱা বস্তু, তেল আৰু তাৰ পৰা নামি আহোঁতে আহিছিল আলু আৰু কমলা। সেইখিনি সময়ত প্ৰতিটো ট্ৰিপৰ ভাড়া আছিল ১২ টকা।

১৯২৭ চনৰ পৰা চৰকাৰে চাহ কোম্পানীবোৰৰ পৰা চাহ বাগান সংযোগকাৰী পথবোৰ সজোৱাৰ কাৰণে এক মাচুল লগোৱাৰ ব্যৱস্থা কৰে

১৯৫৭

কাজিৰঙা দৃশ্য প্ৰদৰ্শনীখন বিচাৰকমণ্ডলীৰ দ্বাৰা সৰ্বোৎকৃষ্ট দৃশ্য-প্ৰদৰ্শনী ৰূপে পৰিগণিত হৈছে। কেৰালা, উত্তৰ প্ৰদেশ আৰু ৰে'লৰে দপ্তৰে প্ৰদৰ্শন কৰা দৃশ্য প্ৰদৰ্শনীকেইখনে যথাক্ৰমে দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ স্থান অধিকাৰ কৰিছে।

২৯ জানুৱাৰী ঃ সমাগত সাধাৰণ নিৰ্বাচনৰ বাবে মনোনয়নপত্ৰ দাখিল কাৰ্য সমাপ্ত।

• অসমৰ গাঁও-ভূঁইত ৰক্ষীবাহিনী দিৱস পালন।

৪ ফেব্ৰুৱাৰী ঃ অসমৰ সাধাৰণ নিৰ্বাচনত কংগ্ৰেছে বিধানসভাৰ ৪খন আৰু লোকসভাৰ ২খন আসন বিনাপ্ৰতিদ্বন্দ্বিতাৰে লাভ কৰে। বিৰোধী দলৰ সদস্যই মনোনয়নপত্ৰ প্ৰত্যাহাৰ কৰাৰ বাবেই কংগ্ৰেছে এই আসনসমূহ লাভ কৰে।

১১ ফেব্ৰুৱাৰী ঃ অসম চাৰ্কোলৰ ছহেজাৰ ডাক-তাঁৰ কৰ্মচাৰীৰ ধৰ্মঘট আৰম্ভ। ধৰ্মঘটকাৰীসকলে অসমত জীৱিকা নিৰ্বাহৰ চৰা মানলৈ চাই 'অসম বিশেষ বোনাছ' ৰূপে সকলো শ্ৰেণীৰ কৰ্মচাৰীৰ কাৰণে ৩০ টকা দাবী কৰি এই ধৰ্মঘট কৰে।

১৪ ফেব্ৰুৱাৰী ঃ শিৱসাগৰ জিলাৰ দক্ষিণ সীমাৰ ডেৰশ মাইলজোৰা হাবিতলীয়া অঞ্চলটোৰ দায়িত্ব সৈন্যবাহিনীয়ে লোৱাৰ সিদ্ধান্ত। নগা পাহাৰ জিলাৰ নামনিৰ এই অঞ্চলসমূহত নগাৰ হিংসামূলক কাৰ্য উদ্বেগজনকভাৱে বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত সেনাক এই অঞ্চলটো গতাই দিয়া হয়।

২০ ফেব্ৰুৱাৰী ঃ গুৱাহাটীত অসম হাইকৰ্টৰ নতুন ভৱনৰ দুৱাৰ মুকলি কৰে কেন্দ্ৰীয় গৃহ মন্ত্ৰী পণ্ডিত গোবিন্দ বল্লভ পণ্টে। যোল লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই ভৱনটিৰ ভেটি ১৯৫৪ চনৰ ২১ ফেব্ৰুৱাৰীত ৰাষ্ট্ৰপতি ড° ৰাজেন্দ্ৰ প্ৰসাদে স্থাপন কৰিছিল।

২৫ ফেব্ৰুৱাৰী ঃ ভাৰতৰ দ্বিতীয় সাধাৰণ নিৰ্বাচনৰ অংশ হিচাপে অসম বিধানসভাৰ নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত মুঠ ৯৪টা নিৰ্বাচনী সমষ্টিৰ ভিতৰত ২৭টা সমষ্টিত ভোটগ্ৰহণ কাৰ্য আজি সমাপ্ত হয়। এই ২৭টা সমষ্টিত ৩৩জন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছিল আৰু

যদিও সাধাৰণ অসমৰ বাট-পথ একেবাৰে দুৰ্বল হৈয়ে থাকে।

স্বাধীনতাৰ পিচৰ পৰা অসমৰ ভিতৰৰ আৰু বাহিৰৰ পথ ব্যৱস্থাত এক আমূল পৰিৱৰ্তন আহে। বিশেষকৈ পূব পাকিস্তানৰ জন্ম হোৱা কাৰণে কাছাৰ আৰু গাৰো পাহাৰৰ মাজেৰে ভাৰতৰ আন ঠাইৰ লগত এক দীঘলীয়া পথৰ জৰিয়তে ব্ৰহ্মপুত্ৰ উপত্যকাৰ সংযোগ ঘটে।

অসমত তেতিয়া এনেয়েও বাট-পথ কম আছিল আৰু প্ৰতি ১০০ বৰ্গ কিলোমিটাৰত মাথোঁ ১৪.৭ কিলোমিটাৰহে পথ আছিল। সেই একে সময়তে ৰাষ্ট্ৰীয় গড় আছিল ২০.১ কিলোমিটাৰ আৰু কাষৰীয়া বংগত সেয়া আছিল ৭৪.৫ কিলোমিটাৰ।

ব্ৰহ্মপুত্ৰ উপত্যকাত কিছু পথ থাকিলেও পাহাৰীয়া জিলাকেইখনত সেয়া নাই বুলি ক'লেই হয়। সেয়েহে ১৯৫১ চনত অসম চৰকাৰে পথ নিৰ্মাণৰ ওপৰত জোৰ দিয়ে।

১৯৫৫-৫৬ চনৰ পৰা অসমৰ গ্ৰামাঞ্চলৰ পথসমূহে গুৰুত্ব পাব আৰম্ভ কৰে। ১৯৫৬ চনৰ পৰা ১৯৭০ চনৰ ভিতৰত অসমৰ বাট-পথৰ দৈৰ্ঘ্য প্ৰায় দুগুণ হয়। ১৯৫৬ চনত ৰাষ্ট্ৰীয় ঘাইপথকে ধৰি মুঠ পথৰ দৈৰ্ঘ্য আছিল ১১,৭৪৩ কিলোমিটাৰ আৰু ১৯৭০ চনত সেয়া হৈছিলগৈ ২১,৮১০ কিলোমিটাৰ। এই সংখ্যা দৰাচলতে ২৫,০০০ কিলোমিটাৰমান হ'ব যদিহে আমি লোকেল ব'ৰ্ডৰ পথবোৰো ইয়াৰ হিচাপৰ ভিতৰত সুমুৱাই লওঁ।

অসমৰ কাৰণে কিন্তু মূল সংযোগী পথ আছিল ৩১নং ৰাষ্ট্ৰীয় ঘাইপথ, যিয়ে গুৱাহাটীক শিলিগুৰিৰে বিহাৰৰ বৰহীৰ লগত সংযোগ কৰিছিল। ১৯৬৪ চনৰ এপ্ৰিল মাহলৈ নামনি অসমৰ চাৰিখন নদীত চাৰিখনকৈ কংক্ৰীট দলং তৈয়াৰ হোৱাত নদী ফেৰীৰে পাৰ হোৱাৰ অসুবিধাকণো দূৰ হ'ল। উল্লেখযোগ্য যে অসমত প্ৰথম ৰাজহুৱা পৰিবহণ আৰম্ভ হৈছিল ১৯৪৮ চনত। গুৱাহাটী আৰু নগাঁৱৰ মাজৰ ১২০

মুঠ ১,৭৪২টা ভোট গ্ৰহণ কেন্দ্ৰত প্ৰায় ১৪ লাখ ভোটাৰে অংশ গ্ৰহণ কৰে।

৩ মাৰ্চ ঃ অসম বিধানসভাৰ পাঁচ বছৰীয়া ম্যাদ সমাপ্ত হোৱাত বিধানসভা ভংগ কৰি দিয়া হয়।

৪ মাৰ্চ ঃ অসম মন্ত্ৰীসভাৰ পাঁচ বছৰীয়া কাৰ্যকাল সমাপ্ত হোৱা উপলক্ষে মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে সংবিধানৰ নিয়ম অনুসৰি ৰাজ্যপালৰ ওচৰত তেওঁৰ চৰকাৰৰ পদত্যাগ দাখিল কৰে।

৬ মাৰ্চ ঃ অসমৰ ৯৪টা নিৰ্বাচন সমষ্টিৰ ভিতৰত ৭৫টা সমষ্টিৰ বিধানসভা আৰু সংশ্লিষ্ট লোকসভাৰ আসনসমূহৰ কাৰণে ভোটগ্ৰহণ হৈ যায়।

১১ মাৰ্চ ঃ কংগ্ৰেছৰ ৭১খন আসনেৰে ক্ষমতা দখল। ১০৮জনীয়া বিধানসভাত, চি পি আই দলে পায় ৪খন, প্ৰজা ছচিয়েলিষ্ট দলে ৮খন আৰু নিৰ্দলীয়ই ২৫ খন।

কংগ্ৰেছে ৫২.৩৫% ভোট পায় আৰু প্ৰজা ছচিয়েলিষ্ট দলে পায় ১২.৭৪%। ১০৮টা সমষ্টিৰ ৬৩টা সাধাৰণ সমষ্টি, ৫টা অনুসূচিত জাতি আৰু ২৬টা অনুসূচিত জনজাতিৰ কাৰণে। ৪৪,৯৫,৩৬০ ভোটাৰৰ ২৫,২৩,৯৬৬ জনে ভোট দিয়ে আৰু ভোটদানৰ হাৰ ৪৫.৪৪%।

উল্লেখযোগ্য যে প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সংসদীয় সদস্য বিমলা প্ৰসাদ চলিহা আমগুৰি সমষ্টিত বিপ্লৱী কমিউনিষ্ট প্ৰাৰ্থী খগেন্দ্ৰ নাথ বৰবৰুৱাৰ হাতত পৰাজিত হয়।

১৯ মাৰ্চ ঃ অসমৰ খাৰুৱা তেলৰ বাবে প্ৰস্তাৱিত শোধনাগাৰটো অসমতে স্থাপন কৰা উচিত বুলি প্ৰাকৃতিক সম্পদ মন্ত্ৰী দপ্তৰে সিদ্ধান্ত লয়। উক্ত মন্ত্ৰী দপ্তৰে তেওঁলোকৰ সিদ্ধান্ত অনুমোদন আৰু কাৰ্যকৰী কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰক অৱগত কৰে।

৬ এপ্ৰিল ঃ যোৰহাটত অসম সাহিত্য সভাৰ সভাপতি বেণুধৰ শৰ্মাৰ সভাপতিত্বত বহা কাৰ্যনিৰ্বাহক সমিতিৰ এখন বৈঠকত ৯ জুনত সদৌ অসমজুৰি 'নেফাত অসমীয়া ভাষা দিৱস' পালন কৰাৰ সিদ্ধান্ত লোৱা হয়।

১১ এপ্ৰিল ঃ অগ্নিকাণ্ডত শ্বিলঙৰ

কিলোমিটাৰ পথছোৱাত এই পৰিবহণ ব্যৱস্থা আৰম্ভ কৰা হৈছিল।

ৰে'ল পৰিবহণ

জল পৰিবহণ ব্যৱস্থা আৰম্ভ হোৱাৰ প্ৰায় অৰ্ধশতিকাৰ পিচতহে অসমত ৰে'ল পৰিবহণ ব্যৱস্থা আৰম্ভ কৰা হৈছিল। যিখিনি ৰে'ল সেৱা আৰম্ভ হৈছিল তাৰ দ্বাৰা দৰাচলতে দিহিঙে-দিপাঙে থকা চাহ বাগানবোৰৰ পৰা চাহপাতবোৰ ব্ৰহ্মপুত্ৰৰ ঘাটলৈ অনা হৈছিল যাতে কলিকতালৈ এইবোৰ ফেৰীৰে লৈ যাব পাৰি।

তেনেকৈয়ে আৰম্ভ হৈছিল ডিব্ৰু-চৈখোৱা ৰে'লৱে (১৮৮২) আৰু যোৰহাট প্ৰভিঞ্চিয়েল ৰে'লৱে (১৮৮৩)। দুয়োটাই আৰম্ভ হৈছিল আছাম ৰে'লৱে আৰু ট্ৰেডিং কোম্পানীৰ উদ্যোগত।

১৮৯৫ চনত অসম-বেংগল ৰে'লৱে আৰম্ভ হোৱাৰ পিচতহে ভাৰতৰ আন ৰাজ্যৰ লগত অসমৰ সংযোগ স্থাপন হয়। তথাপি কিন্তু অসমত ৰে'লৱে দৰাচলতে চাহ আৰু কয়লা উদ্যোগক জল পৰিবহণৰ ফীডাৰ সেৱা হিচাপেই বহু কাললৈ পৰিগণিত হৈছিল।

১৮৯৭ চনত গুৱাহাটীৰ পৰা যমুনামুখলৈ ৰে'ল সেৱা আৰম্ভ কৰা হয় যদিও ভূমিকম্পৰ কাৰণে সেয়া সম্ভৱ নহ'ল। সেই একেই বছৰত কাছাৰৰ লগত চিটাগঙক সংযোগ কৰা হয়।

১৯০২ চনতহে ৰে'লৱে দৰাচলতে অসমলৈ অহা বুলি ক'ব পাৰি। পূব ভাৰতৰ দুটা মূল বন্দৰৰ সৈতে সেই বছৰত অসমৰ ৰে'ল সংযোগ স্থাপন হৈছিল।

প্ৰথমটোৰে কলিকতা ধুবুৰীৰ লগত সংযোগ স্থাপন কৰা হয় আৰু চিটাগঙৰ পৰা ডিব্ৰুগড়লৈ ১৯০৪ চনত ৰে'ল সংযোগ সম্পূৰ্ণ হয়। ১৯০৯ চনত ইষ্টাৰ্ন বেংগল ৰে'লৱে আমিনগাঁৱলৈ আগবাঢ়ি আহে।

১৯১৫ চনৰ পৰা ১৯৩০ চনলৈ তিনিটা শাখা লাইন খোলা হয়।

১৯৫৭

সৰ্ববৃহৎ বজাৰ অঞ্চল বৰবজাৰ সম্পূৰ্ণ ভস্মীভূত হয়। এই জুইত ৫০লাখ টকাৰ সা-সম্পত্তি বিনষ্ট হোৱা বুলি প্ৰকাশ।

১২ এপ্ৰিল ঃ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে পুনৰ অসম বিধান সভাৰ কংগ্ৰেছ দলৰ দলপতি হিচাপে নিৰ্বাচিত হৈ পুনৰ পাঁচ বছৰৰ কাৰণে মুখ্যমন্ত্ৰীৰ দায়িত্ব বহন কৰাৰ যোগ্যতা অৰ্জন কৰে। অসম কংগ্ৰেছৰ ভূতপূৰ্ব সভাপতি আৰু প্ৰাক্তন সংসদী সদস্য দেৱেশ্বৰ শৰ্মাই দলপতিৰ বাবে মেধিৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰি ৮টা ভোটৰ ব্যৱধানত পৰাস্ত হয়। ৭১জন কংগ্ৰেছী সদস্যৰ ভিতৰত ৭০জন উপস্থিত আছিল আৰু ইয়াৰে ৩৯জনে মেধিক আৰু ৩১জনে শৰ্মাৰ সপক্ষে ভোট দিয়ে। উল্লেখ্য যে অসম কংগ্ৰেছ সংসদী দলৰ কুৰি বছৰীয়া ইতিহাসত দলীয় নেতা নিৰ্বাচনৰ বাবে এইবাৰেই প্ৰথম প্ৰতিদ্বন্দ্বিতা হয়। ইয়াৰ আগতে নেতাজন সদায় বিনাপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছিল।

১৪ এপ্ৰিল ঃ নতুন দিল্লীত মৌলানা আজাদৰ বাসভৱনত কংগ্ৰেছ কেন্দ্ৰীয় সংসদীয় ব'ৰ্ডৰ এখন বৈঠক অনুষ্ঠিত হয় আৰু ইয়াত ৯জন লোকক ৰাজ্যসভাৰ কংগ্ৰেছ প্ৰাৰ্থী হিচাপে মনোনীত কৰা হয়। অসমৰ পৰা সুৰেশ চন্দ্ৰ দেৱক ৰাজ্যসভাৰ কংগ্ৰেছ প্ৰাৰ্থী হিচাপে মনোনীত কৰা হয়।

১৬ এপ্ৰিল ঃ ভাৰতৰ ৰাষ্ট্ৰপতি পদৰ বাবে গুৱাহাটীৰ নগেন্দ্ৰ নাৰায়ণ দাসৰ নাম প্ৰস্তাৱ কৰি দিয়া মনোনয়নপত্ৰ ৰিটাৰ্নিং অফিচাৰ এছ এন মুখাৰ্জীয়ে লাভ কৰে।

১৭ এপ্ৰিল ঃ অসমৰ নতুন মন্ত্ৰীসভা গঠন সম্পৰ্কে কেন্দ্ৰীয় কংগ্ৰেছ সংসদী ব'ৰ্ডৰ লগত আলোচনাৰ্থে মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধি নতুন দিল্লীত উপস্থিত। তেওঁ কংগ্ৰেছৰ সাধাৰণ সম্পাদকত্ৰয় মহেন্দ্ৰ মোহন চৌধুৰী, শ্ৰীমান নাৰায়ণ আৰু মাধৱন নায়াৰক লগ ধৰে আৰু নতুন মন্ত্ৰীসকলৰ নাম প্ৰস্তাৱ কৰি এখন তালিকা দাখিল কৰে।

১৯ এপ্ৰিল ঃ ভাৰতীয় ছচিয়েলিষ্ট পাৰ্টীৰ সাধাৰণ সম্পাদক পদৰ পৰা বিপিনপাল দাসৰ পদত্যাগ।

২২ এপ্ৰিল ঃ বিষ্ণুৰাম মেধিৰ নেতৃত্বত অসমৰ নতুন কংগ্ৰেছী

প্ৰথমটো ১৯১৭ চনত শিমলুগুৰিৰ পৰা নাগিনীমৰালৈ (১৬ কিলোমিটাৰ); দ্বিতীয়টো ১৯২০ চনত চাপৰমুখৰ পৰা শিলঘাটলৈ (৮০ কিলোমিটাৰ) আৰু তৃতীয়টো ১৯২৪ চনত কটাখাল-লালবজাৰ লাইন (৪০ কিলোমিটাৰ)।

দক্ষিণ পাৰে যদি আছাম বেংগল ৰে'লৱে আগবাঢ়িছিল, ঠিক তেনেকৈ উত্তৰ পাৰে আগবাঢ়িছিল ইষ্টাৰ্ন বেংগল ৰে'লৱে। ১৯৩২-৩৩ চনলৈ ইষ্টাৰ্ন বেংগল ৰে'লৱে টংলা হৈ বালিপৰা পাইছিল। অৱশ্যে তাৰ পিচৰ দশকটোত দ্বিতীয় বিশ্বযুদ্ধ আগবঢ়াৰ লগে লগে অসমতো ৰে'লৰ ক্ষিপ্ৰ উন্নয়ন হৈছিল।

চিটাগং-তিনিচুকীয়া লাইনৰ সকলোতকৈ কঠিন আছিল লামডিং-বদৰপুৰছোৱা পথ। প্ৰায় ১১ বছৰত অসম্ভৱকো সম্ভৱ কৰি এই ৰে'লপথ হাফলঙেৰে উত্তৰ কাছাৰ পাহাৰ পাইছিলগৈ। লামডিঙত ১১৭ ফুট উচ্চতাৰ পৰা ১৮৭০ ফুট উচ্চতালৈ উঠে এই ৰে'লপথ।

১৯৪২ চনৰ জানুৱাৰী মাহত ইষ্টাৰ্ন বেংগল ৰে'লৱে আৰু আছাম-বেংগল ৰে'লৱেক একলগ কৰি বেংগল-আছাম ৰে'লৱে নামকৰণ কৰা হয়। সেইখিনি সময়ত অসমত অসম-বেংগল ৰে'লৱেৰ ২০৩টা ইঞ্জিন, ৯০৮টা যাত্ৰীবাহী ৰে'লৰ দবা আৰু ৫,৭০০টা মালগাড়ীৰ দবা আছিল।

স্বাধীনতাৰ লগে লগে ৰে'লৰো আমূল পৰিৱৰ্তন আৰম্ভ হয়। বেংগল-আছাম ৰে'ল দুভাগত বিভক্ত হয়। স্বাধীনতাৰ দিনাই জন্ম হয় আছাম ৰে'লৱে আৰু তাৰ হেডকোৱাৰ্টাৰ হয়গৈ পাণ্ডুত।

বেংগল ৰে'লৱে হৈ পৰে বেংগলৰ। আছাম ৰে'লৱেৰ জন্ম হ'ল হয় কিন্তু জন্মৰ লগে লগেই দুটা মূল সাগৰীয় বন্দৰৰ লগত অসম ৰে'লৱেৰ সংযোগ বিচ্ছিন্ন হৈ পৰে। সেয়া হ'ল চিটাগং আৰু কলিকতা।

চিটাগং-হাফলং-তিনিচুকীয়া আৰু ধুবুৰী-ৰংপুৰ-কলিকতা

মন্ত্ৰীসভাই শ্বিলঙস্থ ৰাজভৱনত ৰাজ্যপাল ফজল আলীৰ ওচৰত শপত গ্ৰহণ কৰে। মন্ত্ৰীসভাত মুখ্যমন্ত্ৰীকে ধৰি মুঠ ৯জন মন্ত্ৰী আৰু ৭জন উপমন্ত্ৰী লোৱা হয়।

২৫ এপ্ৰিল ঃ প্ৰজা ছচিয়েলিষ্ট পাৰ্টীৰ চেয়াৰমেন গংগাচৰণ সিংহই গুৱাহাটীৰ এখন সভাত বক্তৃতা প্ৰদান কৰি ভাৰতৰ প্ৰশাসনীয় আৰু ঔদ্যোগিক ক্ষেত্ৰত ক্ষমতাৰ বিকেন্দ্ৰীকৰণ হ'ব লাগে বুলি মত পোষণ কৰে। তেওঁ কয় যে কেন্দ্ৰৰ হাতত থকা ক্ষমতা বিভিন্ন ৰাজ্য, জিলা, তহচিল আৰু পঞ্চায়তসমূহৰ মাজত বিতৰণ কৰি দিব লাগে। অসমত তেল শোধনাগাৰ স্থাপন কৰাৰ পক্ষতো তেওঁ যুক্তি দাঙি ধৰে।

৩১ এপ্ৰিল ঃ কেন্দ্ৰীয় গৃহ মন্ত্ৰী পন্থে কলিকতাত পূব আঞ্চলিক পৰিষদৰ প্ৰথম সন্মিলন উদ্বোধন কৰে। সন্মিলনত পশ্চিম বংগ, বিহাৰ, উৰিষ্যা, অসম, ত্ৰিপুৰা আৰু মণিপুৰৰ প্ৰতিনিধিয়ে যোগদান কৰে। অসমৰ হৈ প্ৰতিনিধিত্ব কৰে মুখ্যমন্ত্ৰী বিষুওৰাম মেধি, মতিৰাম বৰা আৰু কামাখ্যা প্ৰসাদ ত্ৰিপাঠীয়ে।

৩ মে' ঃ কংগ্ৰেছ সংসদীয় ব'ৰ্ডে অসম মন্ত্ৰীসভাত আৰু এজন মন্ত্ৰী আৰু এজন উপমন্ত্ৰী অন্তৰ্ভুক্ত কৰাত সন্মতি প্ৰদান কৰে।

৪ মে' ঃ কেন্দ্ৰীয় তথ্য আৰু অনাতাঁৰ মন্ত্ৰী ড° বালকৃষ্ণ কেশকাৰে অল ইণ্ডিয়া ৰেডিঅ'ৰ গুৱাহাটী কেন্দ্ৰৰ স্থায়ী ষ্টুডিঅ' ঘৰ আৰু ১০ কিলোৱাট হ্ৰস্ব-তৰংগ প্ৰেৰক যন্ত্ৰ উদ্বোধন কৰে।

১০ মে' ঃ ব্যৱহাৰ্য বস্তুৰ সংগ্ৰহ আৰু বিতৰণ সম্বন্ধে নতুন পদ্ধতি নিৰ্ধাৰণ। লো-তীখা জাতীয় বস্তু, চিমেণ্ট আৰু অন্যান্য ব্যৱহাৰ্য বস্তুৰ ক্ষেত্ৰত অসমৰ জনসাধাৰণে ভোগ কৰা অসুবিধা দূৰ কৰিবৰ মানসেৰে অসম চৰকাৰে বস্তুৰ সংগ্ৰহ আৰু বিতৰণৰ কিছুমান নতুন পদ্ধতি নিৰ্ধাৰণ কৰিছে। এতিয়াৰে পৰা লো, তীখা, চিমেণ্ট সংগ্ৰহ কৰাত মধ্যস্থ লোক নাথাকিব আৰু এইবিলাক বস্তু অনা-নিয়াৰ কামো চৰকাৰেই কৰিব। এই বিলাক বস্তুৰ 'ডেলিভাৰী'ও ৰাজ্যৰ বাহিৰত কৰিবলৈ দিয়া হ'ব।

১৬ মে' ঃ অসমৰ খাদ্য সংকট আৰু

ৰে'ললাইন সেৱা পূব পাকিস্তান জন্ম হোৱাৰ লগে লগে ব্যাহত হৈ পৰে।

এতিয়াৰ পাঠকৰ কাৰণে নিমিলা অংক হ'লেও তেতিয়া অসমৰ তেল আৰু চাহপাত অতি সহজেই লামডিং-হাফলং-বদৰপুৰ-চিটাগং হৈ বন্দৰ পাইছিলগৈ আৰু তাৰ পৰা সাগৰেৰে লণ্ডন।

ঠিক তেনেকৈ ৰংপুৰ হৈ ধুবুৰীৰ পৰাও কলিকতালৈ এনিশাৰ আৰামদায়ক যাত্ৰা যাত্ৰীসকলে উপভোগ কৰিব পাৰিছিল।

স্বাধীনতাৰ লগে লগে সলনি হ'ল ৰাজনৈতিক মানচিত্ৰ। সলনি হ'ব লগা হ'ল ৰে'লপথ। উত্তৰ বংগ হৈ শিলিগুৰিৰে পাৰ হৈ নামি আহিব লগা হ'ল কলিকতালৈ।

সাজিব লগা হ'ল নতুন ৰে'লপথ। তাৰ বাহিৰেও থাকিল ব্ৰডগজ আৰু মিটাৰগজৰ অসুবিধা। ভাৰতৰ বেছিভাগতে ব্ৰডগজ আৰু অসমত আছিল মিটাৰ গজ। ইয়াৰ বাহিৰেও আছিল গংগা পাৰ কৰাৰ আন এক অসুবিধা।

তদুপৰি অসম ৰে'লৱেত নাছিল কোনো কাৰখানা। ১ মাৰ্চ, ১৯৪৮ চনত পাকিস্তানক বিদেশী ৰাষ্ট্ৰৰ মৰ্যাদা দিয়াৰ লগে লগেই কাষ্টম্ছৰ কথাবোৰ আহি পৰিল।

সেই কাৰণেই ১৯৪৮-১৯৪৯ চনত খৰতকীয়াকৈ 'অসম ৰে'ল লিংক' সজাই পেলোৱা হ'ল যাতে উত্তৰ বংগ হৈ ভাৰতৰ লগত অসমৰ পোনপটীয়া যোগাযোগ থাকে।

এই 'অসম ৰে'ল লিংক' প্ৰকল্পটো চাৰিটা খণ্ডত ভাগ কৰিব পাৰি। প্ৰথমছোৱা কিষাণগঞ্জৰ পৰা শিলিগুৰিলৈ (১০৪ কিলোমিটাৰ)। দ্বিতীয়ছোৱা শিলিগুৰিৰ পৰা বাগ্ৰাকোটলৈ (৩২ কিলোমিটাৰ) — এইছোৱাত সৰু-বৰ প্ৰায় ১০০খন দলং নিৰ্মাণ কৰিব লগা হয়। তৃতীয়ছোৱা মদাৰীহাটৰ পৰা হাশিমাৰা (১২ কিলোমিটাৰ)। ইয়াতেই তিস্তা নদীৰ ওপৰত এখন বিশাল দলং নিৰ্মাণ কৰিবলগীয়া হয় আৰু চতুৰ্থছোৱা হ'ল আলিপুৰদুৱাৰৰ পৰা ফকিৰাগ্ৰামলৈ (৭২ কিলোমিটাৰ)।

ধান-চাউলৰ মূল্য বৃদ্ধিৰ সমস্যা সমাধানৰ সহায় কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ভঁৰালৰ পৰা দহ হাজাৰ টন চাউল পঠোৱাৰ ব্যৱস্থা গ্ৰহণ।

২৪ মে' ঃ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে নগাঁৱৰ বৰুৱাবামুণ গাঁৱত অসমৰ প্ৰথমটো সমবায় চেনিকলৰ কাৰখানা গৃহৰ আধাৰশিলা স্থাপন কৰে।

২৮ মে' ঃ কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী জগজীৱন ৰামে ৰাজ্যসভাত অসমৰ ৰে'লৱে ব্যৱস্থাৰ উন্নয়ন আৰু স্থায়ীকৰণত অধিক মনোনিৱেশ কৰাৰ উদ্দেশ্যে এক সুকীয়া ৰে'লৱে মণ্ডল গঠনৰ সিদ্ধান্ত অৱগত কৰায়।

● অসমৰ লোকসভাৰ সদস্য বিজয় চন্দ্ৰ ভাগৱতীৰ দ্বাৰা সংসদীয় সচিবৰ পদ প্ৰত্যাখ্যান। প্ৰধানমন্ত্ৰী নেহৰুৱে দিয়া এই পদবী গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰি তেওঁ প্ৰধানমন্ত্ৰীলৈ এখন চিঠি প্ৰেৰণ কৰে।

৩০ মে' ঃ উত্তৰ-পূবৰ জনজাতীয় নেতাসকলে শ্বিলঙত সমৱেত হৈ এখন সভা অনুষ্ঠিত কৰে। নগাসকলৰ বাদে আন সকলো জনজাতিয়ে ইয়াত যোগ দিয়ে। এই সভাতে ইষ্টাৰ্ণ ইণ্ডিয়া ট্ৰাইবেল ইউনিয়ন (EITU) নামৰ এটা নতুন দলৰ জন্ম হয়। এই দলটোৰ মূল লক্ষ্য আছিল অসম আৰু উত্তৰ-পূবৰ জনজাতীয় ক্ষেত্ৰবোৰ সামৰি এখন জনজাতীয় ৰাজ্যৰ জন্ম দিয়া।

২ জুন ঃ অসম চৰকাৰৰ দ্বাৰা গুৱাহাটীত গুৱাহাটী মেডিকেল কলেজ স্থাপনৰ প্ৰস্তাৱ তথা এই আঁচনিক দ্বিতীয় পাঁচ বছৰীয়া পৰিকল্পনাত অন্তৰ্ভুক্ত। অসম চৰকাৰে প্ৰস্তাৱিত মেডিকেল কলেজখনৰ বাবে কেন্দ্ৰৰ ওচৰত ২৫ লাখ টকাৰ মঞ্জুৰি দিবলৈ অনুৰোধ জনাইছিল।

● অসম, নেফা আৰু মণিপুৰত প্ৰবল ভূমিকম্প। ১৯৫০ চনৰ পিচত এইটোৱেই আটাইতকৈ ডাঙৰ ভূমিকম্পৰ জোকাৰণি।

৫ জুন ঃ বিত্ত মন্ত্ৰী দেৱেশ্বৰ শৰ্মা আৰু পৰিকল্পনা মন্ত্ৰী কামাখ্যা ত্ৰিপাঠীয়ে তেওঁলোকৰ চৰকাৰী কামত ব্যৱহাৰৰ বাবে দিয়া বিলাসিতাপূৰ্ণ ডাঙৰ মটৰ ওভতাই দিছে আৰু 'ষ্টুডিবেকাৰ প্ৰেছিডেণ্ট' গাড়ীতকৈ কম দামৰ সৰু মটৰ দিবলৈ পৰিবহণ বিভাগক অনুৰোধ জনায়।

প্ৰকল্পৰ মুঠ দৈৰ্ঘ্য আছিল ২৩০ কিলোমিটাৰ।

১৯৪৯ চনৰ ৯ ডিচেম্বৰত ইয়াক মালবাহী ট্ৰেইনৰ কাৰণে মুকলি কৰি দিয়া হয় আৰু ভাৰত গণৰাজ্য ঘোষণা কৰাৰ দিনা, অৰ্থাৎ ১৯৫০ চনৰ ২৬ জানুৱাৰীত ইয়াক যাত্ৰীবাহী পৰিবহণৰ কাৰণে মুকলি কৰি দিয়া হয়।

অৱশ্যে কলিকতালৈ যাবলৈ হ'লে পশ্চিম বংগৰ মানহাৰী ঘাটত মাল-বস্তুবোৰ ফেৰীৰে সিপাৰলৈ নিব লগা হোৱা কাৰণে যাঠিৰ দশকলৈ জল পৰিবহণ ব্যৱস্থা জনপ্ৰিয় হৈয়েই থাকিল।

যাঠিৰ দশকৰ মাজভাগলৈকে ৰে'লৱেৰ মাল পৰিবহণকাৰী ক্ষমতা থাকিলেও জল পৰিবহণ বহু পৰিমাণে জনপ্ৰিয়েই নহয় বৰঞ্চ লাভদায়কো আছিল।

ইফালে ১৯৫২ চনৰ পৰা আৰম্ভ হোৱা প্ৰশাসনীয় গ্ৰুপিঙৰ ফলতো অসমত ৰে'লৰ প্ৰসাৰ কমি গৈছিল। ১৯৫২ চনত আছাম ৰে'লৱে আৰু অৱধ-তিৰহুত ৰে'লৱেক একেলগ কৰাই উত্তৰ-পূৰ্বাঞ্চল ৰে'লৱে নামকৰণ কৰা হয়। ১৯৫৬ চনত পাকিস্তানৰ মাজেৰে মাল পৰিবহণৰ ব্যৱস্থা আৰম্ভ কৰা হয় যদিও সেয়া বৰ জনপ্ৰিয় নহ'ল।

১৯৫৮ চনত অসমৰ ৰে'লৱেক আকৌ নতুনকৈ সজোৱা হ'ল। উত্তৰ-পূৰ্বাঞ্চলৰ পৰা অসম, উত্তৰ বংগ আৰু পশ্চিম বিহাৰৰ কিছুসংখ্যক ৰে'ললাইনক লগ লগাই গঠন হ'ল উত্তৰ-পূব সীমান্ত ৰে'লৱে। মালিগাঁৱত ইয়াৰ মুখ্য কাৰ্যালয় স্থাপন কৰা হ'ল। এই ৰে'লৱেৰ অধীনৰ ২,৭৮৯ কিলোমিটাৰৰ প্ৰায় সকলোখিনিয়ে মিটাৰ গজ শাখাতেই আছিল। ইয়াৰ উদ্দেশ্য আছিল সীমান্তৱৰ্তী প্ৰদেশকেউখনত ৰে'ললাইন সম্প্ৰসাৰণ কৰা।

এই ৰে'লৱেৰ লগত কোনো চহৰীয়া পৰিবহণ ব্যৱস্থা যুক্ত নাছিল আৰু মুঠ ৰে'লৱেৰ ৬১ শতাংশ ৰে'ল অসমত আছিল আৰু বাকীখিনি আছিল বিহাৰ আৰু বেংগলত। এই ৰে'লৱেৰ তিনিটা ডিভিজন আছিল।

৮ জুন ঃ অসমৰ নতুন বিধানসভাৰ বাজেট অধিৱেশন আৰম্ভ। ৰাজ্যপাল ফজল আলীৰ ভাষণেৰে অধিৱেশন মুকলি। দেৱকান্ত বৰুৱা অসম বিধানসভাৰ অধ্যক্ষ নিৰ্বাচিত।

১২ জুন ঃ বিত্ত মন্ত্ৰী দেৱেশ্বৰ শৰ্মাই বিধানসভাত ১৯৫৭-৫৮ চনৰ বাজেট উত্থাপন কৰি ৪ কোটি ৬০.৯৩ লাখ টকাৰ ঘাটি প্ৰদৰ্শন কৰে।

২০ জুন ঃ অসমৰ খাৰুৱা তেলৰ বাবে প্ৰস্তাৱিত শোধনাগাৰটো বিহাৰৰ বাৰাউনীত স্থাপন কৰিবলৈ সাময়িকভাৱে সিদ্ধান্ত লোৱা হৈছে বুলি কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰক জনায়।

২২ জুন ঃ তেল শোধনাগাৰ অসমৰ বাহিৰত পতাৰ সিদ্ধান্তৰ বিৰুদ্ধে সমগ্ৰ অসমজুৰি প্ৰতিবাদ দিৱস পালন।

২৯ জুন ঃ অসম উদ্‌ঘাটিত তেল শোধনৰ বাবে প্ৰস্তাৱিত শোধনাগাৰটো বিহাৰৰ বাৰাউনীত স্থাপন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে লোৱা সিদ্ধান্তৰ বিৰুদ্ধে গোটেই অসমতে গণ আন্দোলন আৰম্ভ কৰিবলৈ গুৱাহাটীত বহা অসম তেল শোধনাগাৰ অভিৱৰ্তনে সিদ্ধান্ত গ্ৰহণ কৰে।

দুটা পৰ্যায়ত হ'বলগীয়া এই সাধাৰণ ধৰ্মঘটৰ বাবে অভিৱৰ্তনে নিম্নোক্ত প্ৰস্তাৱবোৰ লয়—

প্ৰথম পৰ্যায় ঃ (১) কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্তৰ বিৰুদ্ধে আৰু অসম চৰকাৰৰ নিষ্ক্ৰিয়তাৰ প্ৰতিবাদ জনাই অসম বিধানসভাৰ সকলো সভ্যকে ১ আৰু ২ জুলাইৰ অধিৱেশনত উপস্থিত থকাৰ পৰা বিৰত থাকিবলৈ, (২) ৯ জুলাইত হ'ব লগা উমৰু হাইড্ৰো-ইলেক্ট্ৰিক আঁচনিৰ উদ্বোধনী উৎসৱত যোগদান নকৰিবলৈ, (৩) এই উপলক্ষে কেন্দ্ৰীয় গৃহ মন্ত্ৰীৰ আগমনত ৮ জুলাইত শান্তিপূৰ্ণ বিক্ষোভ প্ৰদৰ্শনৰ বাবে (কেনেধৰণৰ বিক্ষোভ প্ৰদৰ্শন কৰা হ'ব তাক স্থানীয় কমিটীয়ে বিবেচনা কৰিব), (৪) অসমৰ পৰা নিৰ্বাচিত হোৱা সকলো সভ্যকে ১৫ জুলাইৰ লোকসভাৰ অধিৱেশনত উপস্থিত নাথাকিবলৈ আৰু সেইদিনাই সকলো ঠাইতে ৰাজহুৱা সভা পাতি অসমত তেল শোধনাগাৰ স্থাপনৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰি প্ৰস্তাৱৰ নকল ভাৰতৰ প্ৰধানমন্ত্ৰী আৰু তেল

সেয়া আলিপুৰদুৱাৰ, লামডিং আৰু ডিব্ৰুগড়।

১৯৫৭ চনত আছাম লিংকটো শক্তিশালী কৰিবলৈ কাম আগবঢ়োৱা হয় আৰু পিচৰ ৫ বছৰত ৪২খন দলং শক্তিশালী কৰা হয়। এই লিংক শক্তিশালী কৰাৰ পিচত দৈনিক পৰিবহণ ক্ষমতা ১১০ ৱাগনৰ পৰা ১৫০ ৱাগনলৈ বৃদ্ধি পায়। কিন্তু তেতিয়াও তাৰ তুলনাত জাহাজেৰে দৈনিক ২৫০ ৱাগন সামগ্ৰী ভটিয়াই বা উজাই গৈ আছিল।

দুৰ্ভাগ্যৰ কথা যে স্বাধীনতাৰ পিচৰে পৰা অসমত ৰে'ললাইনৰ সম্প্ৰসাৰণ ৰে'লৱেৰ নিজাববীয়া আঁচনিৰ সলনি আন কিছুমান কাৰকৰ বাবেহে সম্ভৱ হৈছে। ভাৰত-চীন যুদ্ধৰ কাৰণেহে শৰাইঘাটত ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণৰ কাম আৰম্ভ কৰা হয়। অক্টোবৰ, ১৯৬২ চনত ইয়াক মাল পৰিবহণৰ কাৰণে মুকলি কৰা হয় আৰু ১৯৬৩ চনৰ জানুৱাৰী মাহত ইয়াক যাত্ৰীবাহী পৰিবহণৰ কাৰণে মুকলি কৰি দিয়া হয়।

ঠিক তেনেকৈ বানপানী আৰু প্ৰতিৰক্ষাৰ কাৰণে বাৰাউনীৰ পৰা নিউ জলপাইগুৰি হৈ বঙাইগাঁও আৰু যোগীঘোপালৈ ব্ৰডগজ সেৱা সম্প্ৰসাৰণ কৰা হয়।

সেই কাৰণে অসমৰ পৰা ভাৰতৰ আন ঠাইলৈ যাবলৈ হ'লে বঙাইগাঁৱত মিটাৰ গজৰ পৰা ব্ৰডগজ ৰে'লগাড়ী সলনি কৰিব লগা হৈছিল। আকৌ ঠিক তেনেকৈ ফাৰাক্কা বেৰেজৰ কাম সম্পূৰ্ণ হোৱাৰ পিচত যোগীঘোপাৰ পৰা কলিকতালৈ ৰে'লগাড়ী সলনি নকৰাকৈয়ে যাব পৰাৰ ব্যৱস্থা হৈছিল।

পশ্চিমলৈ ৰে'লৰ কিছু সম্প্ৰসাৰণ হ'লেও পূবলৈ স্বাধীনতাৰ পিচত খুব ডাঙৰ সম্প্ৰসাৰণ হোৱা নাছিল। যিকেইটা হৈছিল, তাৰ ভিতৰত সৰ্বপ্ৰথম আছিল ১৯৬২ চনত হোৱা ৰঙাপৰা আৰু উত্তৰ লখিমপুৰৰ মাজৰ ৰে'ললাইন। এই লাইনৰ দীঘ আছিল ১৭৩ কিলোমিটাৰ। পৰৱৰ্তী সময়ত অসমত সম্প্ৰসাৰিত হোৱা

সঞ্চালক আৰু খনি দপ্তৰৰ মন্ত্ৰীলৈ পঠিয়াবলৈ আৰু (৫) ২৯ জুলাইত গোটেই অসমজুৰি ধৰ্মঘট আৰু হৰতাল পালন কৰিবলৈ অভিৱৰ্তনে গোহাৰি জনায়।

দ্বিতীয় পৰ্যায় ঃ সংগ্ৰামৰ দ্বিতীয় পৰ্যায়ৰ কাৰ্যসূচী আগবঢ়াই প্ৰস্তাৱটোত অনুৰোধ কৰা হৈছে যে (৬) অসম বিধানসভা আৰু লোকসভাৰ সকলো সদস্যকে কৰ্ম পৰিষদৰ নিৰ্দেশ পালে পদত্যাগ কৰিবলৈ, (৭) প্ৰতি মহকুমাতে ২৮ জুলাইৰ ভিতৰত ৫০০ কৈ সত্যাগ্ৰহীৰ নাম ভৰ্তি কৰিবলৈ (প্ৰতি সত্যাগ্ৰহীয়ে লিখিত প্ৰতিজ্ঞাপত্ৰত স্বাক্ষৰ কৰিব লাগিব), (৮) গোটেই ৰাজ্যজুৰি মহকুমা আৰু স্থানীয় কমিটী গঠন কৰিবলৈ, (৯) কৰ্ম পৰিষদৰ সকলো সভ্যকে গাঁৱে-ভূঞে ভ্ৰমণ কৰি সভা পাতি বিপ্লৱৰ কাৰ্যসূচী ৰাইজক বুজাই দিবলৈ, (১০) প্ৰতি মহকুমাতে কমেও এহেজাৰ টকা তুলি কেন্দ্ৰীয় পুঁজি তৈয়াৰ কৰিবলৈ, (১১) পুস্তিকা আৰু বুলেটিন প্ৰকাশ কৰি আন্দোলন জনপ্ৰিয় কৰিবলৈ, (১২) চৰকাৰী অফিচ, কাছাৰী আদিত পিকেটিং কৰিবলৈ সকলো ৰাইজক অনুৰোধ জনোৱা হয়।

১-২ জুলাই ঃ অসম তেল শোধনাগাৰ অভিৱৰ্তনৰ সিদ্ধান্ত অনুসৰি অসম বিধানসভাৰ বিৰোধী সদস্যসকলে বিধানসভাত উপস্থিত থকাৰ পৰা বিৰত থাকে।

৩ জুলাই ঃ অসম বিধানসভাত তেৰখন চৰকাৰী বিল গৃহীত। কাৰ্যপালিকাৰ পৰা ন্যায়পালিকাক পৃথক কৰাৰ বাবে চৰকাৰে ব্যৱস্থা লৈছে বুলি আইন মন্ত্ৰী ৰূপনাথ ব্ৰহ্মাই সদনক জনায়।

৫ জুলাই ঃ অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি বিমলা প্ৰসাদ চলিহাই নিজ দলৰ চৰকাৰে শোধনাগাৰ সন্দৰ্ভত লোৱা সিদ্ধান্তৰ বিৰুদ্ধে আন দলৰ সৈতে লগ লাগি আন্দোলন কৰাৰ পৰা বিৰত থাকিবলৈ কংগ্ৰেছক পৰামৰ্শ দিয়ে।

৬ জুলাই ঃ অসম বিধানসভাৰ বাজেট অধিৱেশনৰ সমাপ্তি। প্ৰজা ছচিয়েলিষ্ট দলৰ সদস্য হৰেশ্বৰ গোস্বামী পুনৰ বিৰোধী দলৰ নেতা হিচাপে নিৰ্বাচিত হয়।

৮ জুলাই ঃ নগা বিদ্ৰোহীসকলৰ নেতা

ৰে'ললাইনসমূহ হৈছে —

- ব্ৰহ্মপুত্ৰ ব্ৰিজ আৰু সংযোগী লাইন (১৬ কিলোমিটাৰ, ১৯৬২)
- উত্তৰ লখিমপুৰ-গোগামুখ (৪৪ কিলোমিটাৰ, ১৯৬৪)
- কলকলিঘাট-ধৰ্মনগৰ (১৯ কিলোমিটাৰ, ১৯৬৫)
- গোগামুখ-মুৰ্কংচেলেক (১১০ কিলোমিটাৰ, ১৯৬৫)
- যোগীঘোপা-শ্ৰীৰামপুৰ (১১০ কিলোমিটাৰ, ১৯৬৫)

এই সকলোৰে ভিতৰত সবাতোকৈ দৰকাৰী আছিল ৰঙাপৰা মুৰ্কংচেলেক ৰে'ল পথছোৱা আৰু এই পথছোৱাই ব্ৰহ্মপুত্ৰৰ সমগ্ৰ উত্তৰপাৰক বহিৰ্বিশ্বৰ লগত ৰে'লেৰে সংযোগ কৰাইছিল।

আৰু নাগা নেচনেল কাউঞ্চিলৰ সভাপতি ফিজোক আটক কৰিব পৰাজনক ১০ হাজাৰ টকা পুৰস্কাৰ দিয়া হ'ব বুলি অসম চৰকাৰে ঘোষণা কৰে।

৯ জুলাই ঃ অসমৰ ৰাজ্যপাল চৈয়দ ফজল আলীয়ে অসমৰ প্ৰথম পাঁচ বছৰীয়া পৰিকল্পনাৰ একমাত্ৰ বৃহৎ জলবিদ্যুৎ শক্তিকেন্দ্ৰ— উমত্ৰু জলবিদ্যুৎ শক্তিকেন্দ্ৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

১১ জুলাই ঃ শোধনাগাৰৰ বিষয়টো আলোচনা কৰিবলৈ গুৱাহাটীত অসম প্ৰদেশ কংগ্ৰেছ আৰু সংসদীয় দলৰ বৈঠক অনুষ্ঠিত।

১৫ জুলাই ঃ প্ৰধানমন্ত্ৰী নেহৰুৱে লোকসভাত তেল শোধনাগাৰ বাৰাউনীত স্থাপনৰ সিদ্ধান্ত অপৰিৱৰ্তনীয় বুলি ঘোষণা কৰে ঃ লোকসভাত তেল শোধনাগাৰ সম্পৰ্কে অসমৰ পি এছ পি সদস্য হেম বৰুৱাই অনা সভা স্থগিত প্ৰস্তাৱ এটাৰ আলোচনাত হস্তক্ষেপ কৰি প্ৰধানমন্ত্ৰী নেহৰুৱে কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্ত অপৰিৱৰ্তনীয় বুলি ঘোষণা কৰে। শোধনাগাৰটো বাৰাউনীত স্থাপন কৰাক লৈ সাংসদ বৰুৱাই সদনক জনায় যে কেন্দ্ৰৰ এই সিদ্ধান্তই অসমত তীব্ৰ অসন্তোষৰ সৃষ্টি কৰিছে। কেন্দ্ৰৰ এই সিদ্ধান্তক লৈ অসম বিধানসভাৰ সদস্য আৰু অসমৰ সংসদীয় সদস্যসকলে একেলগে পদত্যাগ কৰিব পাৰে বুলিও বৰুৱাই এক ইংগিত দিয়ে। বৰুৱাই ভাৰত চৰকাৰে ব্ৰিটিছ পৰিচালিত অসম তেল কোম্পানীৰ চক্ৰান্তত পৰি বাৰাউনীত শোধনাগাৰ স্থাপনৰ সিদ্ধান্ত লোৱা বুলি অভিযোগ তোলে আৰু কয় যে কোম্পানীয়ে অসমৰ জনসাধাৰণৰ সা-সুবিধা নিবিচাৰে কাৰণেই অসমত শোধনাগাৰ পতাৰ বিৰোধী বুলি মত ব্যক্ত কৰে। নেহৰুৱে শোধনাগাৰৰ স্থান নিৰ্ণয় প্ৰশ্নটো কাৰিকৰী, অৰ্থনৈতিক, বিত্তীয় আৰু প্ৰতিৰক্ষা ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰে বুলি কয় আৰু প্ৰশ্নটোত কেনেকৈ হৰতালৰ যোগেদি সিদ্ধান্ত ল'ব পাৰি তাৰ প্ৰশ্ন কৰে। শোধনাগাৰটো অসমত পাতিবলৈ ভাৰত চৰকাৰে অস্বীকাৰ কৰাৰ প্ৰতিবাদত অসমৰ দুয়োজন পি

নেফা

অৰুণাচল প্ৰদেশ নামৰ অসমৰ সীমামূৰীয়া ৰাজ্যখন ১৯৭২ চনপৰ্যন্ত North-East Frontier Agency (NEFA) বা চমুকৈ নেফা বুলি জনা গৈছিল। ১৯৭২ চনৰ ২০ জানুৱাৰীত নেফাক 'অৰুণাচল প্ৰদেশ' হিচাপে নামকৰণ কৰা হয় আৰু সেই একেটা বছৰতে ৰাজ্যখনক কেন্দ্ৰীয়শাসিত প্ৰদেশ হিচাপে ঘোষণা কৰা হয়। সূৰুয উঠাৰ দেশ অৰুণাচল প্ৰদেশৰ সীমাতে পৃথিৱীৰ অন্যতম বৃহৎ ৰাষ্ট্ৰ চীন অৱস্থিত বাবে সামৰিক আৰু প্ৰশাসনিক এই উভয় দিশৰ পৰা প্ৰদেশখনে ভাৰতবৰ্ষৰ ৰাজনীতি আৰু কূটনৈতিক দিশত বিশেষ তাৎপৰ্য লাভ কৰি আহিছে। ১৯৮৭ চনৰ ২০ ফেব্ৰুৱাৰীত

এছ পি সদস্য হেম বৰুৱা আৰু আমজাদ আলী আৰু উত্তৰ প্ৰদেশৰ স্বতন্ত্ৰ সদস্য ৰাজা মহেন্দ্ৰ প্ৰতাপে সদন ত্যাগ কৰে।

১৯ জুলাই ঃ তেল শোধনাগাৰৰ দাবীত ৰাজ্যজুৰি ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিবাদ দিৱস পালন।

● ৰে'ল উপ-মন্ত্ৰী ছাহনৱাজ খানে লোকসভাত কয় যে অসমৰ লগত দেশৰ বাকী অংশক সংযোগ কৰি এটি অতিৰিক্ত বিকল্প ৰে'লপথ নিৰ্মাণৰ বাবে অসম ৰে'ল লিংক স্থায়ীকৰণ কমিটীয়ে অনুমোদন কৰিছে।

২৪ জুলাই ঃ তেল শোধনাগাৰৰ স্থান সন্দৰ্ভত অসম মন্ত্ৰীসভা আৰু প্ৰদেশ কংগ্ৰেছৰ যুটীয়া দলে নতুন দিল্লীত উচ্চ পৰ্যায়ৰ আলোচনাত বহে।

২৬ জুলাই ঃ প্ৰস্তাৱিত তেল শোধনাগাৰটো গুৱাহাটীত স্থাপনৰ সম্ভাৱনীয়তা সম্পৰ্কে এখন নতুন আঁচনি কৰিবলৈ ভাৰত চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰে। শোধনাগাৰটো গুৱাহাটী নাইবা বাৰাউনীত পতাৰ বিষয়ে দুয়োখন ঠাইৰ আঁচনি অধ্যয়ন কৰাৰ পিচতহে চূড়ান্ত সিদ্ধান্ত লোৱা হ'ব।

২৭ জুলাই ঃ ডিমাপুৰ-ক'হিমা পথৰ জাবজা নামে ঠাইত বিদ্ৰোহী নগা আৰু পহৰাদাৰ পুলিচৰ মাজত হোৱা এটা সংঘৰ্ষত উভয় পক্ষৰ ক্ষতিসাধন।

● শোধনাগাৰ সম্পৰ্কত অসমৰ দাবী সহানুভূতিৰে বিবেচনা কৰা হ'ব বুলি প্ৰধানমন্ত্ৰী নেহৰুৰ ঘোষণা প্ৰকাশ।

২৯ জুলাই ঃ তেল শোধনাগাৰৰ দাবীত শদিয়াৰ পৰা ধুবুৰীলৈ শান্তিপূৰ্ণ হৰতাল পালন।

৩০ জুলাই ঃ তেল শোধনাগাৰ সম্পৰ্কত অসম চৰকাৰে বিশেষভাৱে নিযুক্ত কৰা দুজন বিশেষজ্ঞ এ এ ফ্ৰিট্‌ছ আৰু টি এম বাজাজ গুৱাহাটীত উপস্থিত।

১ আগষ্ট ঃ অসমৰ তেল শোধনাগাৰ সম্পৰ্কে উত্থাপন কৰা দাবী অতি সহানুভূতিৰে বিবেচনা কৰা হ'ব বুলি প্ৰধানমন্ত্ৰী নেহৰুৱে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি বিমলা প্ৰসাদ চলিহালৈ এখন চিঠি প্ৰেৰণ কৰে।

● অসম তেল শোধনাগাৰ কৰ্ম পৰিষদৰ হৰেশ্বৰ গোস্বামীৰ সভাপতিত্বত বহা সভাই তেল

প্ৰদেশখনক পূৰ্ণ ৰাজ্যৰ মৰ্যাদা প্ৰদান কৰা হয়।

এতিয়া আহিছো অৰুণাচল প্ৰদেশৰ ইতিহাস প্ৰসংগলৈ। প্ৰদেশখনৰ ইতিহাস সম্পৰ্কে লিখিত ৰূপত কোনো সমল পাবলৈ নাই। ব্ৰিটিছ অহাৰ আগৰ সময়লৈকে ৰাজ্যখন সম্পৰ্কে যিবোৰ তথ্য পোৱা যায় তাৰ মূল আধাৰ হৈছে মৌখিক বুৰঞ্জী, জনশ্ৰুতি, কিংবদন্তি ইত্যাদি। মৌখিক ইতিহাস অনুসৰি প্ৰাচীন কালত শদিয়াৰ চৌকাষে বিদৰ্ভ নামৰ এখন ৰাজ্য আছিল আৰু মহাভাৰতত উল্লেখ কৰা অনুসৰি বিদৰ্ভ প্ৰাগজ্যোতিষপুৰৰ বীৰ ভগদত্তৰ অধীনত আছিল। অৰুণাচলৰ আঁকাসকলৰ মাজত প্ৰচলিত কিংবদন্তি অনুসাৰে কামেং অঞ্চলৰ ভালুকপুঙত অৱস্থিত দুৰ্গৰ অৱশেষবোৰ মহাভাৰতত উল্লিখিত বাণ ৰজাৰ নাতিয়েক ভালুকৰ আছিল। এই ভালুকৰ পৰাই ভালুকপুং নামটো আহিছে বুলি কোৱা হয়। অসমৰ এখন উল্লেখনীয় ধৰ্মীয় গ্ৰন্থ 'যোগিনীতন্ত্ৰ'ত উল্লেখ কৰা মতে সৌমাৰৰ সীমাত মানস নামৰ হ্ৰদটোৰ অৱস্থান আছিল। একেদৰে একাদশ শতিকাৰ পাল ৰজাসকলৰ তামৰ পত্ৰৰ লিপিত উত্তৰ-পূবত আৰ্যসকলৰ উপনিৱেশ থকাৰ উল্লেখ পোৱা যায়। একেদৰে সোৱণশিৰি অঞ্চলৰ ইটা পাহাৰত পোৱা প্ৰত্নতাত্ত্বিক ভগ্নাৱশেষবোৰেও প্ৰমাণ দিয়ে যে কলিতা ৰাজ্যৰ সীমা ১৬শ আৰু ১৮শ শতিকাৰ মাজত এইবোৰ অঞ্চললৈ বিস্তৃত হৈছিল। ১৩শ শতিকাত আহোমসকলে এই অঞ্চলত নিজৰ আধিপত্য স্থাপন কৰে। আহোমে এই অঞ্চলৰ মাটিত নিজৰ কৰ্তৃত্ব স্থাপন কৰাৰ প্ৰমাণ পোৱা নাযায়। আধিপত্যত থকা অঞ্চলবোৰত নিয়ম-শৃংখলাজনিত বিষয়বোৰৰ বাদে আহোম ৰজাই মুখিয়ালসকলৰ অঞ্চলবোৰত হস্তক্ষেপ নকৰিছিল।

১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে অসম অধিকাৰ কৰি লোৱা ব্ৰিটিছে উত্তৰ-পূবত লোৱা প্ৰশাসনিক সিদ্ধান্তবোৰে কিছুমান গুৰুত্বপূৰ্ণ তাৎপৰ্য বহন কৰিছিল। উত্তৰ-পূবৰ পাহাৰীয়া এলেকাবোৰত ব্ৰিটিছৰ হস্তক্ষেপ মূলতঃ হৈছিল পাহাৰীয়া জনজাতিসকলৰ আক্ৰমণ আৰু লুণ্ঠনৰ পৰা ভৈয়ামৰ লোকসকলক সুৰক্ষা দিয়াৰ স্বাৰ্থত। ব্ৰিটিছৰ বাবে ভাৰতৰ উত্তৰ-পশ্চিম

শোধনাগাৰ প্ৰতিষ্ঠাৰ বাবে চলোৱা আন্দোলনক গণ সত্যাগ্ৰহ আন্দোলনৰ ৰূপ দিবলৈ স্থিৰ কৰে আৰু ১৪ আগষ্টৰ পৰা সত্যাগ্ৰহ আন্দোলন আৰম্ভ কৰিবলৈ সিদ্ধান্ত লয়।

৩ আগষ্ট ঃ গুৱাহাটীত তেল শোধনাগাৰ প্ৰতিষ্ঠাৰ সম্ভাৱনীয়তা সম্পৰ্কে অসম চৰকাৰক দিহা-পৰামৰ্শ দিবলৈ নিযুক্ত কৰা ফৰাচী তেল বিশেষজ্ঞ ফ্ৰিট্‌ছে এক সাক্ষাৎকাৰত ব্ৰহ্মপুত্ৰ নদীয়েদি তেল পৰিবহণ কৰিলে খৰচ আটাইতকৈ কম পৰিব বুলি মত ব্যক্ত কৰে। ফ্ৰিট্‌ছক ৰাজ্য চৰকাৰৰ উপদেষ্টা হিচাপে লোৱা হৈছে। তেল শোধনাগাৰৰ কাৰণে অসম চৰকাৰে আমিনগাঁৱত ৬,৫০০ একৰ মাটি অধিগ্ৰহণ কৰাৰ কথাও ভাবিছে বুলি অসম চৰকাৰে সাংবাদিকক অৱগত কৰায়।

৬, ৭ আগষ্ট ঃ কেন্দ্ৰীয় চৰকাৰৰ খাদ্যবস্তু তদন্ত কমিটীয়ে গুৱাহাটী চাৰ্কিট হাউছত অসমৰ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধি, যোগান মন্ত্ৰী দেৱেশ্বৰ শৰ্মা আৰু আন আন অনুষ্ঠানসমূহৰ প্ৰতিনিধিবৰ্গৰ সাক্ষ্য আৰু দেশৰ খাদ্য পৰিস্থিতি বিশেষকৈ অসমৰ খাদ্যবস্তুৰ অৱস্থা সম্পৰ্কে তথ্যপাতি গ্ৰহণ কৰে।

১৪ আগষ্ট ঃ তেল শোধনাগাৰৰ দাবীত ৰাজ্যজুৰি সত্যাগ্ৰহ পালন।

১৫ আগষ্ট ঃ সমগ্ৰ অসমতে ভাৰতৰ স্বাধীনতাৰ দশম বাৰ্ষিকী আৰু স্বাধীনতা যুদ্ধৰ শতবাৰ্ষিকী পালন। অসম তেল শোধনাগাৰ কৰ্ম পৰিষদৰ আহ্বানত সুকীয়াকৈ স্বাধীনতা দিৱস পালন।

১৯ আগষ্ট ঃ জিলা আৰু ছেছন জজ এছ কে দত্তই লোক প্ৰতিনিধিত্ব আইনৰ ৯৮ ধাৰা অনুসৰি কংগ্ৰেছ সদস্য মৌলানা আব্দুল জেলিলৰ অসম বিধানসভালৈ হোৱা নিৰ্বাচন অবৈধ বুলি ঘোষণা কৰে। জেলিল কৰিমগঞ্জৰ বদৰপুৰ সমষ্টিৰ পৰা নিৰ্বাচিত হৈছিল আৰু পি এছ পি সদস্য ৰথীন্দ্ৰনাথ সেনে নিৰ্বাচনৰ বৈধতাক প্ৰতিবাদ কৰি গোচৰ তৰিছিল।

২০ আগষ্ট ঃ সোৱণশিৰি সীমান্তত খাদ্যবস্তু যোগান ধৰা ভাৰতীয় বিমান এখন বিধ্বস্ত হৈ বিমানখনত থকা আঠজন বৈমানিকৰ মৃত্যু।

সীমান্তৰ তুলনাত উত্তৰ-পূব সীমান্তৰ গুৰুত্ব তেনেই কম আছিল। উত্তৰ-পশ্চিম সীমান্তৰ ফালে আফগানিস্তানৰ পিনে ৰাছিয়া অগ্ৰসৰ হোৱা কাৰ্যই ব্ৰিটিছক বাৰুকৈয়ে শংকিত কৰি ৰাখিছিল। মানসকলক আক্ৰমণ কৰি পৰাভূত কৰাৰ পিচত উত্তৰ-পূব সীমান্তত ব্ৰিটিছৰ কৌশলগত স্থিতিৰ পৰিবৰ্তন হ'বলৈ ধৰে। মান সেনাই পুনৰ এই অঞ্চলটোত আক্ৰমণ চলোৱাৰ আশংকাতে ব্ৰিটিছে নীতিৰ পৰিবৰ্তন ঘটাইছিল। একেদৰে সীমান্তৱৰ্তী চীনৰ উপস্থিতিয়েও ব্ৰিটিছ ভাৰতৰ শাসনকৰ্তাসকলক এই অঞ্চলটোৰ সামগ্ৰিক সুৰক্ষাৰ কথা ভাবিবলৈ বাধ্য কৰাইছিল। ১৯২৭-২৮ চনৰ প্ৰশাসনিক প্ৰতিবেদনত কেপ্টেইন নেভিলে এনেদৰে পৰ্যবেক্ষণ কৰিছিল যে চীনে তিববত আৰু লাছাৰ ওপৰত নজৰ ৰাখিছে আৰু চীনপন্থী দলটোৱে যদি তিববতৰ নিয়ন্ত্ৰণ নিজৰ হাতলৈ আনিব পাৰে তেন্তে ভাৰতত প্ৰৱেশৰ বাবে টাৱাঙৰ গোপন আৰু সুগম পথটো ব্যৱহাৰ কৰাৰ সম্ভাৱনা আছে।

ব্ৰিটিছ কৰ্তৃত্ব স্থাপন

১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীত স্বাক্ষৰিত ইয়াণ্ডাবু সন্ধিৰ পিচত মানে অসমৰ ওপৰত স্থাপন কৰা কৰ্তৃত্ব পৰিত্যাগ কৰে আৰু অসমৰ শাসনভাৰ ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতত অৰ্পিত হয়। উত্তৰ-পূব সীমান্তত গৱৰ্নৰ জেনেৰেলৰ এজেণ্ট হিচাপে নিযুক্ত ব্যক্তিজন আছিল ডেভিদ স্কট। স্কটৰ অধীনত উজনি অসমৰ দায়িত্ব লাভ কৰা ব্যক্তিজন আছিল কেপ্টেইন নিউফভাইল। এওঁ আছাম লাইট ইনফেণ্ট্ৰী (Assam Light Infantry) নামৰ বাহিনীটোৰ দায়িত্বত আছিল আৰু এই বাহিনীটোৱে উত্তৰ-পূব সীমান্তৱৰ্তী এলেকাসমূহৰ চকীৱ তদাৰকী কৰিছিল।

অসম ব্ৰিটিছৰ অধীনলৈ যোৱাৰ পিচত ১৮৪৪ আৰু ১৮৫৪ চনৰ ভিতৰত চাৰধৰ ভুটীয়া, আঁকা, ডফলা আৰু মিৰিসকলক ব্ৰিটিছে নিজৰ অধীনলৈ আনে আৰু বছৰেকীয়াভাৱে ব্ৰিটিছক পৰিশোধ কৰিবলগীয়া ধন

২১ আগষ্ট ঃ অসম চৰকাৰৰ নগা উপমন্ত্ৰী খেলহ'ছে ছেমাৰ শহুৰেক নগা বিদ্ৰোহীৰ হাতত নিহত।

২২ আগষ্ট ঃ চৰকাৰৰ লগত শান্তিপূৰ্ণ আলাপ-আলোচনাৰ যোগেদি নগাসকলৰ ৰাজনৈতিক মীমাংসা ঘটোৱাৰ উদ্দেশ্যে পৰামৰ্শ দাঙি ধৰিবলৈ ক'হিমাত নগাসকলৰ প্ৰতিনিধিমূলক সভা অনুষ্ঠিত।

- বান নিয়ন্ত্ৰণ ব্যৱস্থাৰ বাবে অসমলৈ ১১২ লাখ টকাৰ মঞ্জুৰি।

২২-২৬ আগষ্ট ঃ ভাৰতৰ ভিতৰতে কেন্দ্ৰীয়শাসিত সুকীয়া নগা অঞ্চলৰ প্ৰস্তাৱ। নগা পাহাৰ আৰু নেফাৰ টুৱেনচাং বিভাগৰ ঊনৈশটা খেলৰ প্ৰায় সোতৰশ প্ৰতিনিধিৰ ক'হিমাত বহা পাঁচদিনীয়া অভিৱৰ্তনে নগা পাহাৰ জিলা আৰু টুৱেনচাং সীমান্ত বিভাগক একেলগ কৰি ভাৰতীয় ইউনিয়নৰ ভিতৰত এটা সুকীয়া কেন্দ্ৰীয়শাসিত অঞ্চল গঠনৰ প্ৰস্তাৱ গ্ৰহণ কৰে। এই অঞ্চল দুটাৰ ভৱিষ্যৎ ৰাজনৈতিক সমাধান ভাৰতীয় ইউনিয়নৰ ভিতৰতে কামনা কৰি অভিৱৰ্তনে সুকীয়া সাৰ্বভৌম নগা ৰাজ্যৰ দাবীটো প্ৰত্যাখ্যান কৰে। সন্মিলনত সৰ্বসন্মতিক্ৰমে নগা সমস্যাৰ ৰাজনৈতিক সমাধান এটা কৰিবৰ বাবে নগা অধ্যুষিত অঞ্চলক লৈ প্ৰশাসনীয় ক্ষেত্ৰত শীঘ্ৰে এক পৰিৱৰ্তনৰ পোষকতা কৰা হয় আৰু তাৰ বাবে নগা পাহাৰ জিলা, টুৱেনচাং বিভাগ আৰু ১৯২১ চনৰ অভিৱৰ্তনত যি সংৰক্ষিত বনাঞ্চল শিৱসাগৰ জিলাৰ লগত সংযুক্ত কৰা হৈছিল সেই হস্তান্তৰিত বনাঞ্চল লগ লগাই এটা সুকীয়া প্ৰশাসনীয় গোট সৃষ্টি কৰি ভাৰত চৰকাৰৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী দপ্তৰৰ অধীনত ৰাখিব লাগে বুলি তথা ভাৰত চৰকাৰৰ বৈদেশিক পৰিক্ৰমা দপ্তৰৰ অধীনত ৰাখি ইয়াক ৰাষ্ট্ৰপতিৰ এজেন্ট ৰূপে অসমৰ ৰাজ্যপালে শাসন কৰিব লাগে বুলি প্ৰস্তাৱ লোৱা হয়।

৩১ আগষ্ট ঃ ডাঃ ইমকোঙলিবা আওৰ নেতৃত্বত শ্বিলঙত ৰাজ্যপাল ফজল আলীক লগ ধৰি নগা প্ৰতিনিধি দলে ৰাজ্যপালক জনায় যে ক'হিমাৰ নগা অভিৱৰ্তনত নগাসকলে স্বাধীনতাৰ দাবীৰ প্ৰতি কোনো বিপৰীত মনোভাৱ

নির্দিষ্ট কৰি দিয়ে। নামনিৰ লোকসকলক অত্যাচাৰ-উৎপীড়ন নকৰাপর্যন্ত পাহাৰীয়া লোকসকলৰ আভ্যন্তৰীণ বিষয়ত ব্ৰিটিছে হস্তক্ষেপ কৰা নাছিল। অৱশ্যে পাহাৰীয়া জনজাতিসকলৰ সবিশেষো সেই সময়লৈ ব্ৰিটিছ প্ৰশাসনে পূর্ণভাৱে আহৰণ কৰিব পৰা নাছিল। আঁকাসকলৰ এটা দলে ১৮৪১ চনত তাথি ৰজা নামৰ এজন নেতাৰ অধীনত ব্ৰিটিছশাসিত সমতলত কেইবাটাও লুণ্ঠন চলাইছিল। এনে আক্ৰমণ আৰু লুণ্ঠনৰ বিৰুদ্ধে ব্ৰিটিছ চৰকাৰে শাস্তিমূলক ব্যৱস্থা লোৱাৰ আগতে তাথি ৰজাই ব্ৰিটিছৰ আগত আত্মসমৰ্পণ কৰে আৰু ২০ টকা মূল্যৰ বেতন ল'বলৈ সন্মতি দিয়ে। এই ঘটনাৰ পিচতে অন্যান্য আঁকা নেতাসকলেও বেতন ল'বলৈ আগবাঢ়ি আহে। পোনতে এই বেতনৰ সৰ্বমুঠ পৰিমাণ আছিল ৩৬০ টকা। পিচলৈ ইয়াক বঢ়াই ৬৬৮ টকা কৰা হয়।

আঁকাসকলৰ লেখীয়াকৈ ছয়দুৱাৰ আৰু নদুৱাৰ এলেকাৰ ডফলাসকলেও ব্ৰিটিছ প্ৰশাসনক অতিষ্ঠ কৰি তুলিছিল। লুণ্ঠনৰ কু-কীৰ্তিৰে সমৃদ্ধ আহোম ৰাজত্বৰ সময়তো সমতলৰ প্ৰজাৰ ওপৰত এওঁলোকে নিয়মিতভাৱে অত্যাচাৰ-উৎপীড়ন চলাইছিল। ১৮৫২ চনপৰ্যন্ত ডফলাসকলে ব্ৰিটিছে আগবঢ়োৱা বেতন প্ৰত্যাখ্যান কৰিছিল আৰু বশ্যতা স্বীকাৰ কৰিবলৈ সন্মত হোৱা নাছিল। ১৮৫২ চনৰ পিচত তেওঁলোকে ব্ৰিটিছৰ সৈতে এক সন্মতিলৈ আহে আৰু ক্ৰমে কৃষিকৰ্মত মন দিবলৈ ধৰে। ডফলাসকলৰ এই শান্তি ব্যৱস্থা বৰ সৰহদিন নিটিকিল। ১৮৭২ চনত তেওঁলোকে পুনৰ ভৈয়ামৰ লোকৰ ওপৰত ডকাইতি আৰু লুণ্ঠন চলাবলৈ আৰম্ভ কৰে। ইয়াৰ পিচতে ডফলাসকলৰ এই অত্যাচাৰ প্ৰতিহত কৰাৰ বাবে দৰঙৰ জিলা উপায়ুক্তৰ অধীনত এক প্ৰশাসনিক গোট গঠন কৰি ইয়াক পশ্চিম খণ্ড (Western Section) নামকৰণ কৰা হয়।

আঁকা বা ডফলাসকলৰ বিপৰীতে অসমৰ উত্তৰ লখিমপুৰ মহকুমাৰ উত্তৰ সীমাত বসবাস কৰা আপাতানিসকল আছিল তেনেই শান্তিপ্ৰিয়। ১৮৯৫

চনত তেওঁলোকে যেতিয়া ব্ৰিটিছশাসিত এলেকাত লুণ্ঠন চলাই দুজন লোকক হত্যা কৰে তেতিয়াই তেওঁলোক ব্ৰিটিছৰ নজৰলৈ আহে। এই আক্ৰমণ সংঘটিত কৰাৰ পিচত ব্ৰিটিছ সৈন্যৰ দ্বাৰা এক অভিযান চলোৱা হয় আৰু এই বাহিনীটোৱে বিনাবাধাই তেওঁলোকৰ প্ৰধান গাঁও 'হওঁ'ত প্ৰৱেশ কৰে। আক্ৰমণৰ সময়ত নিজৰ লগত ধৰি লৈ যোৱা লোক তিনিজনক ব্ৰিটিছ বাহিনীটোৱে উদ্ধাৰ কৰিবলৈ সক্ষম হয় আৰু ইয়াৰ পিচতে আপাতানিসকলৰ দ্বাৰা সংঘটিত লুণ্ঠন-ডকাইতিৰ ঘটনাও ক্ৰমে নোহোৱা হৈ আহিবলৈ ধৰে। অৰুণাচল প্ৰদেশৰ অন্যান্য জনগোষ্ঠীসমূহৰ ভিতৰত মিচিমিসকলৰ সন্ত্ৰাস ৰোধ কৰিবৰ বাবে ব্ৰিটিছে খামতি জনগোষ্ঠীৰ লোকসকলৰ সহায় লাভ কৰিবলৈ সক্ষম হৈছিল। ১৮৬৬ চনত চৰকাৰৰ সাহায্যত খামতিসকলৰ মাজত এক সশস্ত্ৰ বিদ্ৰোহী দলৰ জন্ম দিয়া হয় আৰু বিদ্ৰোহীসকলৰ প্ৰতিজনকে মাহেকত এটকাকৈ দিয়াৰ ব্যৱস্থা কৰা হৈছিল। ইয়াৰ ফলত মিচিমিসকলৰ লুণ্ঠন তথা সন্ত্ৰাস ভালেখিনি নিয়ন্ত্ৰণ কৰিব পৰা হৈছিল। ইয়াৰ পিচতে ১৮৭৮ চনত মিচিমিসকলৰ বেবেজীয়াত থকা এটি ফৈদে সমতলৰ ওপৰত আক্ৰমণ চলায়। এই আক্ৰমণত দুগৰাকী অসমীয়া লোকক হত্যা কৰাৰ লগতে দুজন খামতি লোকে প্ৰাণ হেৰুৱায়। এই ঘটনাৰ পিচতে শান্তি-শৃংখলা ৰক্ষাৰ স্বাৰ্থত ব্ৰিটিছে নিজামঘাট আৰু বিছেমনগৰত দুটা সীমান্তৱৰ্তী চকী বহুৱায়।

আবৰ বা বৰ্তমান 'আদি' বুলি পৰিচিত জনগোষ্ঠীটোৰ সৈতে ঔপনিৱেশিক শাসনকৰ্তাসকলৰ পোনতে সু-সম্পৰ্ক প্ৰতিষ্ঠা হোৱা দেখা গৈছিল যদিও পৰৱৰ্তী সময়ত সেই সম্পৰ্কৰ অৱনতি ঘটিবলৈ ধৰে। ১৮৪৭ চনৰ পৰা সোণ ধোৱা কাৰ্য তথা মাছমৰীয়াসকলৰ পৰা ৰাজহ সংগ্ৰহ কৰাক লৈয়েই এই জনগোষ্ঠীটোৰ সৈতে ব্ৰিটিছৰ সংঘাত আৰম্ভ হৈছিল। ১৮৪৮ চনত দিহিঙৰ সোণ ধোৱা আবৰসকলৰ ওপৰত কেপ্টেইন ভেট্চে এক আক্ৰমণ চলায়। এই আক্ৰমণৰ উদ্দেশ্য আছিল আবৰসকলে অপহৰণ কৰি লৈ যোৱা কছাৰী সোণ-ধোৱা লোককেইজনমানক উদ্ধাৰ

মাৰ্কিন যুক্তৰাষ্ট্ৰৰ টেক্সাচৰ পাইপলাইন ইঞ্জিনীয়াৰিং কোম্পানীয়ে এই ছাৰ্ভেৰ কাম চলাইছে।

১১ ছেপ্টেম্বৰ ঃ অসমৰ দ্বিতীয় ইঞ্জিনীয়াৰিং কলেজ যোৰহাটত স্থাপন কৰা হ'ব বুলি শিক্ষা মন্ত্ৰী মতিৰাম বৰাই যোৰহাটত ঘোষণা কৰে।

১২ ছেপ্টেম্বৰ ঃ প্ৰধানমন্ত্ৰী নেহৰুৰ লগত নগা সমস্যা সম্পৰ্কে আলোচনা কৰিবলৈ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধি দিল্লীত উপস্থিত হয়।

১৬ ছেপ্টেম্বৰ ঃ ব্ৰহ্মপুত্ৰৰ ওপৰত ৰে'ল আৰু অন্যান্য যান-বাহন যাব পৰা দলং এখন নিৰ্মাণৰ সংক্ৰান্তত প্ৰাৰম্ভিক কাম আগন্তুক শীতকালত আৰম্ভ কৰা হ'ব বুলি কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী জগজীৱন ৰামে অসমৰ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিক অৱগত কৰায়। দলংখনৰ নিৰ্মাণত ১০ কোটি টকা পৰিব তথা ই সম্পূৰ্ণ হৈ উঠিবলৈ প্ৰায় দুবছৰ লাগিব বুলি আশা কৰা হৈছে।

১৭ ছেপ্টেম্বৰ ঃ অসমত পৰ্যটকৰ পৰিভ্ৰমণ সুচল কৰিবলৈ ২১ লাখ ১১ হাজাৰ টকাৰ আঁচনি প্ৰস্তুতি। এই আঁচনিৰ ১২ লাখ টকা কেন্দ্ৰীয় চৰকাৰে আৰু বাকী ৯ লাখ টকা ৰাজ্য চৰকাৰে বহন কৰিব। এই আঁচনিখনক তিনিটা ভাগত ভাগ কৰা হৈছে। প্ৰথম ভাগ অনুসৰি চেৰাপুঞ্জীত এটি পৰ্যটকৰ বাসগৃহ, গুৱাহাটীত এটি বিশ্ৰামগৃহ, কাজিৰঙাত এটি স্নান সৰোবৰ আৰু এটি বাসগৃহ, বৰপেটাত এটা বঙলা আৰু বিভিন্ন ঠাইত চিকাৰীৰ সুবিধাৰ্থে যাৱতীয় গৃহ আৰু চিকাৰৰ সামগ্ৰীবোৰ ধৰা হৈছে।

২৪ ছেপ্টেম্বৰ ঃ অসম ৰে'ল লিংক অধিক নিৰাপদজনক কৰি তুলিবলৈ প্ৰায় চাৰে তিনি কোটি টকা ব্যয় সাপেক্ষে কেইখনমান নতুন দলং উক্ত লিংকত নিৰ্মাণ কৰিবলৈ আঁচনি গ্ৰহণ কৰা হৈছে বুলি নৰ্থ ইষ্টাৰ্ন ৰে'লৱেৰে জেনেৰেল মেনেজাৰ বি আৰোৰাই পাটনাত ঘোষণা কৰে।

২৫ ছেপ্টেম্বৰ ঃ নগা সমস্যাৰ ৰাজনৈতিক মীমাংসাৰ বাবে ৯জনীয়া নগা প্ৰতিনিধি দলৰ লগত প্ৰধানমন্ত্ৰী নেহৰুৰ গুৰুত্বপূৰ্ণ আলোচনা আৰম্ভ। নতুন দিল্লীত অনুষ্ঠিত এই আলোচনাত নগা প্ৰতিনিধি দলটোৰ নেতৃত্ব কৰিছে

কৰা। আবৰসকলে কেপ্টেইনজনৰ ওপৰত অকস্মাৎ প্ৰত্যাক্ৰমণ চলাইছিল আৰু ইয়াৰ প্ৰতিশোধ স্বৰূপে কেপ্টেইনজনে আবৰসকলৰ গাঁওবোৰ জ্বলাই দিছিল। এই ঘটনাই জনগোষ্ঠীটোৰ মাজত ব্ৰিটিছ বৈৰিতা তীব্ৰ কৰি তুলিলে আৰু ১৮৫৮, ১৮৫৯ আৰু ১৮৬০ চনত তেওঁলোকে প্ৰতিশোধমূলক এলানি আক্ৰমণ সমতলত সংঘটিত কৰে। অৱশ্যে ব্ৰিটিছ বাহিনীৰ আগত জনগোষ্ঠীটোৱে বশ্যতা স্বীকাৰ কৰিবলৈ বৰ সৰহপৰ নালাগিল। এই বশ্যতা স্বীকাৰৰ জৰিয়তে আবৰসকলৰ বাসভূমিসমূহো ক্ৰমান্বয়ে ব্ৰিটিছৰ দখললৈ আহিল।

প্ৰশাসন

১৮৭৪ চনৰ আগলৈকে জনজাতীয় এলেকাসমূহ অ-নিয়ামক ব্যৱস্থা বা Non-Regulated Systemৰ প্ৰশাসনিক ব্যৱস্থাৰ দ্বাৰা পৰিচালিত আছিল আৰু এই এলেকাসমূহত আয়ুক্ত বা জিলা উপায়ুক্তই ব্ৰিটিছ চৰকাৰৰ সাধাৰণ নীতি-নিয়মৰ সহায় নোলোৱাকৈ প্ৰশাসন চলাইছিল। এই ব্যৱস্থাটো ১৮২২ চনতে Regulation X ৰ দ্বাৰা সূচনা কৰা হৈছিল। এই ব্যৱস্থাত আয়ুক্ত বা উপপতি সমাহৰ্তাই ন্যায়াধীশ, দণ্ডাধীশ আৰু সমাহৰ্তা এই তিনিওটা ভূমিকা গ্ৰহণ কৰিব পাৰিছিল আৰু নিজৰ ইচ্ছা অনুযায়ী প্ৰশাসন চলোৱাৰ অধিকাৰ পাইছিল।

জনজাতীয় এলেকাবোৰত বেলেগ বেলেগ প্ৰশাসকে ভিন ভিন প্ৰশাসনিক নীতি অৱলম্বন কৰাৰ ফলত Non-Regulated Tracts বুলি ঘোষিত এলেকাবোৰত প্ৰশাসনিক কোনো সাদৃশ্য পৰিলক্ষিত হোৱা নাছিল। এই বৈসাদৃশ্য আঁতৰ কৰিবলৈ ১৮৭৪ চনত Scheduled District Act 1874 (Act No XIV of 1874) শীৰ্ষক আইনখন প্ৰযোজ্য কৰা হয়। এই আইনখনে ভাৰতবৰ্ষৰ জনজাতীয় অঞ্চলসমূহক Scheduled District Act ৰ অধীনলৈ অনাৰ ক্ষমতা দিছিল। ১৮৭৭ চনত উত্তৰ-পূব সীমান্তৰ পাহাৰীয়া এলেকাকে

ডাঃ ইমকোঙলিবাই।

৮ অক্টোবৰ ঃ ইষ্টাৰ্ন ট্ৰাইবেল ইউনিয়ন দলৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে শ্বিলঙত অনুষ্ঠিত এখন ৰাজহুৱা সভাত পৃথক পাৰ্বত্য ৰাজ্যৰ দাবী কৰা খাছি লোকসকলে পৃথক পাৰ্বত্য ৰাজ্যৰ দাবী পূৰ্ণ নোহোৱালৈকে শান্তিপূৰ্ণ সংগ্ৰাম চলাই যাবলৈ সৰ্বসন্মত প্ৰস্তাৱ গ্ৰহণ কৰে। সভাৰ পিচত খাছি জনজাতীয় লোকসকলৰ এটা দলে শ্বিলঙত শোভাযাত্ৰা বাহিৰ কৰে।

১০ অক্টোবৰ ঃ নগা পাহাৰৰ পৰিস্থিতি, গুৱাহাটীৰ পানীযোগান ব্যৱস্থা আৰু অসম ট্ৰাংক ৰোডৰ অৱস্থাৰ বিষয়ে আলোচনা কৰিবলৈ অসম প্ৰদেশ কংগ্ৰেছ ৱৰ্কিং কমিটীৰ গুৱাহাটীত গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত।

১১ অক্টোবৰ ঃ নগা পাহাৰ আৰু টুৱেনচাং অসম চৰকাৰৰ পৰা বৈদেশিক পৰিক্ৰমা মন্ত্ৰী দপ্তৰলৈ হস্তান্তৰ কৰা আৰু বিষয়াসকলক সলনি কৰা সম্পৰ্কে ভাৰত চৰকাৰৰ চাৰিজন যুটীয়া সচিবে অসম চৰকাৰ আৰু নেফা প্ৰশাসনৰ বিষয়াসকলৰ লগত আলোচনা কৰে।

১৭ অক্টোবৰ ঃ অসম আৰু স্বায়ত্তশাসিত পাহাৰীয়া জিলাকেইখনৰ সন্মুখত যি সাংবিধানিক সমস্যাই দেখা দিছে তাক সমাধা কৰাৰ কাৰণে 'আপোচ সূত্ৰ' বুলি উল্লেখ কৰা এটা সূত্ৰ অসমৰ জনজাতীয় নেতা নিকলছ ৰয়ে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত অৰ্পণ কৰে।

৩১ অক্টোবৰ ঃ অসমৰ পৰ্বতীয়া জনজাতীয় লোকসকলক অধিক ৰাজনৈতিক স্বায়ত্ত শাসনৰ ক্ষমতা দিয়া সম্পৰ্কে আলোচনা কৰিবলৈ কেন্দ্ৰীয় গৃহ মন্ত্ৰীৰ অসম আগমন। নিশা মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিৰ সৈতে এই বিষয়ে আলোচনা কৰে। আনহাতে খাছি জয়ন্তীয়া পাহাৰৰ জনজাতীয় ৰাইজৰ সৰ্বদলীয় সন্মিলনে অসমৰ পাঁচখন স্বায়ত্ত শাসিত পাৰ্বত্য জিলাৰ জনজাতীয় ৰাইজৰ বাবে অধিক স্বায়ত্ত শাসনৰ দাবী কেন্দ্ৰই মানি ল'লে তেওঁলোকে সুকীয়া পাৰ্বত্য ৰাজ্যৰ দাবী প্ৰত্যাহাৰ কৰিব বুলি কয়। অৱশ্যে তেওঁলোকে এনে স্বায়ত্ত শাসনত সংখ্যাগৰিষ্ঠ সম্প্ৰদায়ৰ কোনো আধিপত্য থাকিব নোৱাৰিব বুলি মত দোহাৰে।

ধৰি অসমৰ আয়ুক্তৰ অধীনস্থ এলেকাবোৰ Scheduled District হিচাপে ঘোষণা কৰা হয়।

মেকমোহন লাইন

সীমান্তৱৰ্তী পাহাৰীয়া এলেকাবোৰ নিজৰ হাতলৈ অহাৰ পিচত ব্ৰিটিছ চৰকাৰে উত্তৰ-পূব সীমান্তত ব্ৰিটিছ ভাৰতবৰ্ষৰ এক সীমাৰেখা নিৰ্ধাৰণ কৰাটো উচিত বুলি বিবেচনা কৰিলে। ১৯০৯ চনত ছিকিমত কৰ্মৰত ৰাজনৈতিক বিষয়াজনে চৰকাৰক সতৰ্ক কৰি দিছিল যে অনিৰ্দিষ্ট আৰু জৰীপ নকৰাকৈ থকা মুক্ত সীমান্তই কেতিয়াবা চুবুৰীয়া চীনক ইনাৰ লাইনৰ আগলৈ নিজৰ দখল থকা বুলি ক'বলৈ উৎসাহিত কৰিব পাৰে। এই সতৰ্কবাণীয়ে ব্ৰিটিছক জৰীপ, অন্বেষণ আৰু মানচিত্ৰ অংকন কৰাত উদগনি যোগালে। ১৯১২ চনত এই কাৰ্যৰ সমাপ্তি হ'ল আৰু ১৯১৩ চনত চিমলাত হ'বলগীয়া এখন ত্ৰিপাক্ষিক সন্মিলনলৈ সীমা সমস্যা সমাধান কৰাৰ অৰ্থে তিব্বত আৰু চীনৰ প্ৰতিনিধিক আমন্ত্ৰণ জনোৱা হ'ল। ইয়াৰ পিচত ১৯১৪ চনৰ ১৭ এপ্ৰিলত হোৱা এখন সন্মিলনত তিব্বত আৰু উত্তৰ-পূব ভাৰতৰ সীমান্ত নিশ্চিত কৰা হ'ল। ভূটানৰ পৰা পূবে ৮৫০ মাইল নিলগৰ এডাল ৰেখাক এই সীমা বুলি মানি লোৱা হ'ল আৰু তদানীন্তন ভাৰত চৰকাৰৰ বৈদেশিক দপ্তৰৰ সচিব ছাৰ হেনৰী মেকমোহনৰ নামানুসৰি ইয়াৰ নাম ৰখা হ'ল মেকমোহন লাইন বা মেকমোহন ৰেখা। ১৯১৪ চনৰ ২৭ এপ্ৰিলত চীনৰ প্ৰতিনিধি ইভান চেনে মেকমোহন লাইন পুনৰ নকৈ নিৰূপণ কৰি ইয়াক তিব্বত আৰু উত্তৰ-পূব ভাৰতৰ সীমাৰেখা বুলি স্বীকৃতি দিয়ে। ১৯১৪ চনত ভাৰত চৰকাৰে এক অধিসূচনাযোগে উত্তৰ-পূবৰ সীমান্তৱৰ্তী এলেকাবোৰ নকৈ গঠন কৰে। The Assam Frontier Tracts Regulation, 1880 বিধিখন পাহাৰীয়া সীমান্তৱৰ্তী এলেকাবোৰ সামৰি লোৱাকৈ সম্প্ৰসাৰিত কৰা হয়। এই অধিসূচনা ঘোষিত হোৱাৰ পিচত আবৰ, মিৰি, মিচিমি, চিংফৌ, নগা, খামতি, ভুটীয়া, আঁকা আৰু ডফলা অধ্যুষিত

৩ নৱেম্বৰ ঃ অসমত সুকীয়া পাৰ্বত্য ৰাজ্যৰ দাবী বিবেচনা কৰা নহ'ব বুলি গৃহ মন্ত্ৰী পন্টৰ মতামত। পাঁচদিনীয়া অসম ভ্ৰমণৰ সময়ছোৱাত তেওঁ জনজাতীয় অঞ্চলৰ কাৰণে সাত দফীয়া আঁচনি ঘোষণা কৰে। তদুপৰি নগা পাহাৰ আৰু টুৱেনচাং সীমান্তক লৈ গঠন কৰা নতুন গোট ১ ডিচেম্বৰৰ পৰা কাৰ্যকৰী হ'ব বুলি তেওঁ কয়।

৫ নৱেম্বৰ ঃ সকলো তেল শোধনাগাৰ সত্যাগ্ৰহীকে জে'লৰ পৰা মুক্তি দিয়া হৈছে বুলি অসম বিধানসভাৰ শৰৎকালীন অধিৱেশনত মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে ঘোষণা আগবঢ়ায়।

৭ নৱেম্বৰ ঃ ৰাজ্য চৰকাৰৰ ভুলৰ বাবেই নগা পাহাৰ অসমৰ পৰা পৃথক হ'বলৈ বিচাৰিছে বুলি বিৰোধীৰ অভিযোগ। অসম চৰকাৰৰ ত্ৰুটি-বিচ্যুতিৰ বাবে নগা সমস্যাৰ উদ্ভাৱন হোৱাটো অস্বীকাৰ কৰি মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে স্বাধীনতাৰ দাবীয়েই নগা সমস্যা উদ্ভৱ হোৱাৰ মূল কাৰণ বুলি অভিহিত কৰে।

বিধানসভাত চৰকাৰৰ জনজাতীয় নীতিৰ তীব্ৰ সমালোচনা কৰি বিৰোধী দলৰ নেতা তথা পি এছ পিৰ হৰেশ্বৰ গোস্বামীয়ে নগা পাহাৰক অসমৰ পৰা ফাটি যাবলৈ দি অসম খণ্ডিত কৰা ব্যৱস্থাত সন্মতি জনোৱাৰ আগতে বিধানসভাৰ জৰুৰী অধিৱেশন কিয় আহ্বান কৰা নহ'ল তাক লৈ প্ৰশ্ন তোলে। গোস্বামীয়ে কয় যে নগা পাহাৰ আৰু নেফাৰ টুৱেনচাং বিভাগক লগ লগাই এটা সুকীয়া প্ৰশাসনীয় গোট গঠন কৰা সিদ্ধান্ত ভাৰত চৰকাৰৰ। এই সিদ্ধান্তৰ সমৰ্থক অসম বিধানসভাৰ সদন নহয়। ব্ৰিটিছসকলৰ দৰে অসমেও নগাসকলক বিচ্ছিন্ন কৰি ৰাখিব খোজাৰ কাৰণেই নগা পাহাৰৰ পৰিস্থিতি জটিল হৈ পৰিছে বুলি তেওঁ মত প্ৰকাশ কৰে। কমিউনিষ্ট নেতা গৌৰীশংকৰ ভট্টাচাৰ্যই এক আশাবাদী মনোভাবেৰে কয় যে যদি নগাসকলক অসমৰ মানুহে সমান দৃষ্টিৰে চায় তেন্তে তেওঁলোক পুনৰ অসমলৈ ঘূৰি আহিব পাৰে। নগা পাহাৰৰ নীতি ব্যৰ্থ হোৱাতো মুখ্যমন্ত্ৰী মেধিয়ে পদত্যাগ নকৰাত খগেন্দ্ৰনাথ বৰবৰাই আশ্চৰ্য

এলেকাবোৰক সমতলৰ দৰং আৰু লখিমপুৰ জিলাৰ পৰা পৃথক কৰি আনি North-East Frontier Tract গঠন কৰা হয়। এই অঞ্চলবোৰেই পৰৱৰ্তী কালত বৰ্তমানৰ অৰুণাচলৰ মূল ক্ষেত্ৰ হৈ পৰে।

এই North-East Frontier Tract বা এন ই এফ টিৰ প্ৰথমতে তিনিটা প্ৰশাসনীয় গোট আছিল আৰু সেইবোৰ হৈছে—

(১) কেন্দ্ৰীয় আৰু পূব খণ্ড (The Central and Eastern Section)

(২) লখিমপুৰ সীমান্তৱৰ্তী অঞ্চল (The Lakhimpur Frontier Tract) আৰু

(৩) পশ্চিম খণ্ড (The Western Section)

১৯১৪ চনপৰ্যন্ত যিবিলাক এলেকাক সীমান্তৱৰ্তী জনজাতীয় এলেকা বুলি চিহ্নিত কৰি North East Frontier Tract বুলি কোৱা হৈছিল সেইবোৰ অসমৰ গৱৰ্নৰ জেনেৰেল আৰু এগৰাকী আয়ুক্তৰ দ্বাৰা প্ৰশাসিত আছিল। প্ৰকৃতপক্ষে ১৯২১ চনপৰ্যন্ত অসমখন এজন মুখ্য আয়ুক্তৰ অধীনৰ প্ৰদেশ আছিল আৰু গৱৰ্নৰ জেনেৰেলৰ এজেণ্ট স্বৰূপ এগৰাকী মুখ্য আয়ুক্তৰ দ্বাৰা ইয়াৰ প্ৰশাসন চলিছিল। ১৯১৫ চনৰ ভাৰত চৰকাৰৰ আইন অনুযায়ী (১৯১৯ চনৰ সংশোধনীসহ) জনজাতীয় এলেকাবোৰক পিচপৰা অঞ্চল বুলি ঘোষণা কৰা হয়। ১৯১৯ চনৰ আইনখনৰ (১৯১৫ চনৰ ভাৰত চৰকাৰ আইনৰ সংশোধনী) ৫২-ক অনুচ্ছেদ অনুযায়ী অসমৰ জনজাতীয় এলেকাসহ নৰ্থ-ইষ্ট ফ্ৰণ্টিয়াৰ এলেকাক পিচপৰা অঞ্চল বুলি ঘোষণা কৰা হয়।

১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনখনে জনজাতীয় এলেকাবোৰক বহিৰ্ভূত (excluded) আৰু আংশিকভাৱে বহিৰ্ভূত (partially excluded Areas) বুলি চিহ্নিত কৰে। অসমৰ নৰ্থ-ইষ্ট ফ্ৰণ্টিয়াৰ (বালিপৰা, শদিয়া আৰু লখিমপুৰ) ট্ৰেক্ট, নগাপাহাৰ জিলা, লুছাই পাহাৰ জিলা আৰু কাছাৰ জিলাৰ উত্তৰ কাছাৰ পাহাৰ মহকুমাক 'বহিৰ্ভূত এলেকা' হিচাপে নিৰূপণ কৰা হ'ল। গাৰো পাহাৰ জিলা, মিকিৰ পাহাৰ জিলা (নগাঁও আৰু শিৱসাগৰ জিলাৰ কিছু অংশ সামৰি) খাছি আৰু জয়ন্তীয়া পাহাৰ, শ্বিলং মিউনিচিপালিটিৰ কেণ্টনমেণ্ট

প্ৰকাশ কৰে। ট্ৰাইবেল ইউনিয়নৰ সদস্য উইলিয়ামছন চাংমাই নগা অঞ্চলটো ফাটি যোৱাৰ বাবে অসম চৰকাৰকে সম্পূৰ্ণ জগৰীয়া কৰে। লাল মায়া (ইউ এম এফ অ') আৰু থাংলুৰাইও (মিজো ইউনিয়ন) চৰকাৰৰ নীতি সমালোচনা কৰে। আনহাতে এই অভিযোগৰ প্ৰত্যুত্তৰত মুখ্যমন্ত্ৰী মেধিয়ে বিধানসভাত এক বিবৃতিত অসম চৰকাৰৰ ভুলৰ বাবে নগা সমস্যাৰ উদ্ভাৱন হোৱাটো অস্বীকাৰ কৰে। নাগা নেচনেল কাউঞ্চিলৰ স্বাধীনতাৰ বাবে কৰা আঁকোৰগোঁজ দাবীৰ বাবেহে নগা পৰিস্থিতিৰ উদ্ভৱ হৈছে বুলি তেওঁ মত ব্যক্ত কৰে। তেওঁ কয় যে নগাসকলে ১৯২৯ চনতে ছাইমন কমিছনৰ আগত কোনো সংস্কাৰৰ বাবে মান্তি নহৈ স্বাধীনতাৰ পোষকতা কৰিছিল।

সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান হিচাপে গঠিত হোৱা নগা জাতীয় পৰিষদে ১৯৪৭ চনত ৰাজনীতিত আৰোহণ কৰি স্বাধীনতাৰ দাবী তোলে। এই জাতীয় পৰিষদৰ ভিতৰত প্ৰথমতে দুটি দল আছিল— এটা উগ্ৰ, আনটো নৰম। উগ্ৰ দলটোৰ নেতা ফিজোৱে অতি কম সময়ৰ ভিতৰত নগাসকলৰ শিক্ষিত আৰু বুধিয়ক লোকসকলৰ সমৰ্থন লাভ কৰি জাতীয় পৰিষদত নৰমপন্থীসকলক খেদি নিজে সভাপতি নিৰ্বাচিত হ'বলৈ সক্ষম হয়। এই ঐতিহাসিক বৃত্তান্ত দাঙি ধৰি মেধিয়ে বিবৃতিটোত কয় যে নগা জাতীয় পৰিষদে ভাৰতৰ ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু অসমৰ ৰাজ্যপালৰ ওচৰত ইখনৰ পিচত সিখন স্মাৰকপত্ৰ দখিল কৰি থাকে আৰু ১৯৫১ চনত তেখেতৰ আপত্তি সত্ত্বেও তেতিয়াৰ কেন্দ্ৰীয় গৃহ মন্ত্ৰীৰ অনুমোদন ক্ৰমে ফিজোৱে নগা স্বাধীনতাৰ বাবে নগা পাহাৰত গণভোট গ্ৰহণৰ মতামত ল'বলৈ সুবিধা তথা নগা পাহাৰৰ সমগ্ৰ গাঁও-ভূঁইত স্বাধীনতাৰ দাবী প্ৰচাৰ কৰিবলৈ সুবিধা লয়। ইয়াৰ পিচত ফিজোৱে ৰাষ্ট্ৰসংঘ আৰু আন বিদেশী ৰাষ্ট্ৰদূতৰ কাৰ্যালয়বোৰতো নগা স্বাধীনতাৰ দাবী উত্থাপন কৰিবলৈ প্ৰয়াস কৰে। ইয়াৰ পৰৱৰ্তী সময়ত নগা পাহাৰৰ পৰিস্থিতি ভয়ংকৰ হৈ উঠাত ১৯৫৫ চনৰ ৯ আগষ্টত

অঞ্চলক বাদ দি বাকী অঞ্চল আংশিকভাৱে বহির্ভূত এলেকা বুলি নির্ধাৰণ কৰা হৈছিল। ১৯৩৭ চনত এই এলেকা দুবিধৰ প্ৰশাসন চলাবৰ সুবিধার্থে আৰু অসমৰ গৱৰ্নৰৰ সহায় কৰিবলৈ এগৰাকী সচিব নিযুক্তি দিয়া হ'ল। ১৯৪৩ চনত নৰ্থ-ইষ্ট ফ্ৰন্টিয়াৰ ট্ৰেক্টৰ প্ৰশাসনত আন এক সালসলনি ঘটোৱা হ'ল। গৱৰ্নৰৰ সচিবৰ ওপৰত এগৰাকী উপদেষ্টা নিয়োগ কৰা হ'ল।

১৯৩৮ চনৰ পৰা ব্ৰিটিছ প্ৰশাসনে তিববতীয় কৰ্তৃপক্ষৰ দ্বাৰা মেকমোহন লাইনৰ দক্ষিণপাৰৰ শ্বিমং আৰু কাৰ্কোত চলোৱা অবৈধ কাৰ্যৰ প্ৰতিবাদ সাব্যস্ত কৰে। তিববতৰ বিষয়াসকলে এই অঞ্চলবোৰলৈ নামি আহি আবৰসকলৰ পৰা কৰ উঠাইছিল আৰু তেওঁলোকক বলপূৰ্বকভাৱে বিভিন্ন কামত নিয়োগ কৰিছিল। ১৯৪৩ চনৰ মাৰ্চ মাহত ব্ৰিটিছ চৰকাৰে এই বিষয়ত তিববত কৰ্তৃপক্ষৰ আগত এক আপত্তি প্ৰদৰ্শন কৰে। দ্বিতীয় বিশ্বযুদ্ধৰ পিচতে ব্ৰিটিছ প্ৰশাসনে নেফা এলেকাত দেখা দিয়া প্ৰশাসনীয় শিথিলতা আঁতৰ কৰাৰ সিদ্ধান্ত লয় আৰু সেইমৰ্মে প্ৰশাসনিক সালসলনি ঘটোৱাৰ লগতে চেলাত এটা চকী প্ৰতিষ্ঠা কৰে। ইয়াৰ পিচতে সেই একেটা বছৰতে লখিমপুৰ আৰু শদিয়া ফ্ৰন্টিয়াৰ ট্ৰেক্টৰ কিছু অংশ সামৰি টিৰাপ ফ্ৰন্টিয়াৰ ট্ৰেক্ট গঠন কৰা হয় আৰু এই অঞ্চলটোক এগৰাকী ৰাজনৈতিক বিষয়াৰ তত্ত্বাৱধানলৈ আনে। এই বিষয়াজনৰ সদৰ কাৰ্যালয় আছিল অসমৰ মাৰ্ঘেৰিটাত।

ভাৰতবৰ্ষৰ স্বাধীনতা আৰু নেফা

ভাৰতবৰ্ষৰ স্বাধীনতাৰ পিচত তথা ভাৰতবৰ্ষৰ সংবিধান ৰচনাৰ সময়ছোৱাত অসমৰ জনজাতীয় এলেকাসমূহৰ প্ৰশাসনিক দায়িত্ব ভাৰতবৰ্ষৰ স্বাধীনতা আইন (Indian Indepedence Act, 1947) অনুযায়ী অসম চৰকাৰৰ হাতত ন্যস্ত কৰা হৈছিল। আইনখন অনুযায়ী বহিৰ্ভূত এলেকাবোৰৰ প্ৰশাসন অসমৰ ৰাজ্যপালৰ হাতত অৰ্পণ কৰা হৈছিল আৰু ৰাজ্যপালে তদানীন্তন অসমৰ প্ৰধানমন্ত্ৰীগৰাকীৰ উপদেশ মতে এই এলেকাবোৰৰ প্ৰশাসন চলাইছিল। ১৯৫০ চনৰ ২৬ জানুৱাৰীত ভাৰতবৰ্ষৰ সংবিধান গ্ৰহণ কৰাৰ পিচত 'বহিৰ্ভূত'

ফিজোৰ পৰা শান্তি স্থাপনৰ বাবে আগ্রহী বুলি ব্যক্ত কৰা এখন চিঠি মেধিয়ে লাভ কৰে। সাক্ষাৎ প্রসংগৰ পিচত ১৯৫৫ চনৰ ১৩ আগষ্টত ফিজো, জেছুকী আৰু তিনিজন নগা নেতাই তেওঁলোকৰ স্বাধীনতা সংগ্রামৰ বাবে ধ্বংসাত্মক কার্য গ্রহণ নকৰে বুলি এখন চুক্তিপত্রত স্বাক্ষৰ কৰে। ইয়াৰ পিচতে ফিজোৰ বিৰুদ্ধে এটি বিকল্প নৰম শক্তি গঢ় লৈ উঠে যদিও ফিজোৱে নৰমপন্থী দলৰ নেতা ছাখ্রেক হত্যা কৰি পুনৰ সন্ত্রাসকার্য অব্যাহত ৰাখে। ১৯৫৬ চনৰ ১৪ জানুৱাৰীত বহু গাঁৱৰ গাঁওবুঢ়া আৰু প্রতিনিধিয়ে ৫ দফীয়া ঘোষণা কৰি ফিজোৰ নেতৃত্বৰ প্রতি অনাস্থা প্রকাশ কৰে আৰু সর্বসাধাৰণ ৰাইজক ধ্বংসাত্মক কার্যৰ পৰা দূৰত থাকিবলৈ আৱেদন জনায়। ২৬ আগষ্টৰ (১৯৫৭) দিনা ক'হিমা অভিৱর্তনত স্বাধীনতাৰ দাবী পৰিহাৰ কৰি ভাৰত চৰকাৰৰ তলত নগা পাহাৰ আৰু টুৱেনচাঙক লৈ এটি সুকীয়া গোট গঠনৰ দাবী উত্থাপন কৰে। গতিকে এনে এক ঐতিহাসিক প্রক্রিয়াত অসম চৰকাৰৰ দোষ-ত্রুটিৰ কথা আহিব নোৱাৰে বুলি মেধিয়ে মত ব্যক্ত কৰে।

১২ নৱেম্বৰ ঃ নদিনীয়া বৈঠকৰ পিচত অসম বিধানসভাৰ অধিৱেশন সমাপ্ত। সদনে এই অধিৱেশনত অসম মিউনিচিপাল (সংশোধনী) বিল, ১৯৫৭; অসম বিধানসভাৰ সদস্য (অযোগ্যতা দূৰীকৰণ) সংশোধনী বিল ১৯৫৭; অসম স্থানচ্যুত লোক (পুনৰ সংস্থাপন ঋণ) সংশোধনী বিল, ১৯৫৭; অসম বিধান (সদস্যৰ পাৰিতোষিক) সংশোধনী বিল, ১৯৫৭; অসম স্বায়ত্তশাসিত জিলা ন্যায় প্রশাসন (বিবিধ ব্যৱস্থা) বিল, ১৯৫৭; অসম ৰিপিলিং বিল ১৯৫৭ আৰু অসম বিনিয়োগ বিল (২নং) বিল, ১৯৫৭ গ্রহণ কৰে।

২৭ নৱেম্বৰ ঃ নগা পাহাৰ জিলা আৰু নেফাৰ টুৱেনচাং বিভাগক লগ লগাই কেন্দ্রীয় প্রশাসনাধীন সুকীয়া গোট এটি গঠনৰ চৰকাৰী বিলখন সংসদৰ দুয়ো সদনত সর্বসন্মতিক্রমে গৃহীত হয়।

১ ডিচেম্বৰ ঃ অসমৰ ৰাজ্যপাল ছৈয়দ ফজল আলীয়ে ৰাষ্ট্রপতিৰ তৰফৰ

এলেকাৰ প্ৰশাসন অসম চৰকাৰৰ পৰিধিৰ বাহিৰত ৰখা হয়। যদিও এনে এলেকাবোৰ অসমৰ অংশ হৈ আছিল তথাপি এইবোৰৰ প্ৰশাসন ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতিৰ প্ৰতিনিধি হিচাপে অসমৰ ৰাজ্যপালে চলাইছিল আৰু তেওঁ এই কাৰ্য কৰিছিল ভাৰত চৰকাৰৰ বৈদেশিক মন্ত্ৰালয়ৰ তত্ত্বাৱধানত। এই এলেকাবোৰৰ পৰা ৰাজ্যৰ বিধানসভালৈ প্ৰতিনিধি পঠোৱাৰ ব্যৱস্থা নাছিল আৰু কেন্দ্ৰীয়শাসিত এলেকা নহ'লেও এই অঞ্চলবোৰত সংবিধানৰ ২৪০নং অনুচ্ছেদ প্ৰযোজ্য হৈছিল।

১৯৪৭ চনপৰ্যন্ত এন ই এফ টিৰ (North-East Frontier Tract) প্ৰশাসনিক গোট আছিল মুঠতে চাৰিটা আৰু সেইবোৰ হৈছে শদিয়া, টিৰাপ, লখিমপুৰ আৰু বালিপৰা ফ্ৰন্টিয়াৰ ট্ৰেক্ট। ইয়াৰ আগতে ১৯৪৬ চনত প্ৰশাসনিক সুবিধাৰ্থে বালিপৰা ট্ৰেক্টক চেলা ছাব্ এজেঞ্চি আৰু সোৱণশিৰি এলেকা— এই দুটা ভাগত ভাগ কৰা হৈছিল। স্বাধীনতাৰ পিচত ১৯৪৮ চনত শদিয়াক দুটা গোটত ভাগ কৰি আবৰ পাহাৰ জিলা আৰু মিচিমি পাহাৰ জিলা গঠন কৰা হয়। ১৯৫১ চনত বৰদলৈ উপ-সমিতিৰ অনুমোদনমৰ্মে অসমৰ ৰাজ্যপালে এক অধিসূচনাযোগে ৰাষ্ট্ৰপতিৰ পূৰ্ব অনুমতি লৈ বালিপৰা ট্ৰেক্ট, টিৰাপ ট্ৰেক্ট, আবৰ পাহাৰ জিলা আৰু মিচিমি পাহাৰ জিলাৰ পৰা সমতলৰ অংশবোৰ আঁতৰাই আনে। ৰাজ্যপালে সংবিধানৰ ষষ্ঠ অনুসূচী অনুসৰি এই অধিসূচনা জাৰি কৰিছিল।

ইয়াৰ পিচতে ১৯৫৪ চনত আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰশাসনিক সংস্কাৰৰ ঘটনাটো সংঘটিত হয়। ১৯৫৪ চনৰ ২৬ জানুৱাৰীৰ দিনাখন North East Frontier Areas (Administration) Regulationখন বলৱৎ হয় আৰু ইয়ে অঞ্চলটিত এক পূৰ্ণ পৰ্যায়ৰ প্ৰশাসনৰ সূচনা কৰে। এই নিয়মৰ ২ (ক) অনুচ্ছেদ অনুযায়ী টিৰাপ ফ্ৰন্টিয়াৰ ট্ৰেক্ট, আবৰ পাহাৰ জিলা, মিচিমি পাহাৰ জিলা সহিত নৰ্থ-ইষ্ট ফ্ৰন্টিয়াৰ ট্ৰেক্টক এটা প্ৰশাসনিক গোটলৈ অনা হয় আৰু ইয়াৰ নতুন নাম দিয়া হয় নৰ্থ-ইষ্ট ফ্ৰন্টিয়াৰ এজেঞ্চি (NEFA)।

শৰা নতুন কেন্দ্ৰীয়শাসিত নগা পাহাৰ টুৱেনচাং এলেকাৰ শাসনভাৰ নিজৰ হাতলৈ আনে।

৬ ডিচেম্বৰ ঃ কেন্দ্ৰীয় তীখা আৰু প্ৰজ্বালক সামগ্ৰীৰ মন্ত্ৰী চৰ্দাৰ চৰণ সিঙে লোকসভাত অসমত উদ্‌ঘাটিত তেল পৰিশোধনৰ বাবে ৰাজহুৱা খণ্ডৰ দুটা শোধনাগাৰৰ প্ৰথমটো অসমত স্থাপন কৰা হ'ব বুলি ঘোষণা কৰে।

১৭ ডিচেম্বৰ ঃ অসমত বাইচাইকেল ফেক্টৰী এটা প্ৰতিষ্ঠা কৰিবৰ বাবে গুৱাহাটীৰ এভাৰেষ্ট ইণ্ডাষ্ট্ৰিয়েল কৰ্পৰেচনক কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী দপ্তৰে অনুমতি প্ৰদান কৰে।

২০ ডিচেম্বৰ ঃ অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি বিমলা প্ৰসাদ চলিহাক সৰ্বসন্মতিক্ৰমে অসম কংগ্ৰেছ সংসদীয় দলৰ নেতা নিৰ্বাচিত কৰা হয়। মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে দলপতি হিচাপে পদত্যাগ কৰাত অসম কংগ্ৰেছ সংসদীয় দলে চলিহাক দলপতি নিৰ্বাচিত কৰে।

২৭ ডিচেম্বৰ ঃ মহেন্দ্ৰ মোহন চৌধুৰীক অসম কংগ্ৰেছ কমিটীৰ সভাপতি হিচাপে নিৰ্বাচিত কৰা হয়।

২৮ ডিচেম্বৰ ঃ বিমলা প্ৰসাদ চলিহাৰ নেতৃত্বত নতুন সাতজনীয়া মন্ত্ৰীসভাই শ্বিলঙত ৰাজ্যপাল ফজল আলীৰ ওচৰত শপত লয়। শপত লোৱা মন্ত্ৰীকেইজন হ'ল— বিমলা প্ৰসাদ চলিহা (মুখ্যমন্ত্ৰী), দেৱেশ্বৰ শৰ্মা, কামাখ্যা প্ৰসাদ ত্ৰিপাঠী, ৰূপনাথ ব্ৰহ্ম, হৰেশ্বৰ দাস, মইনুল হক চৌধুৰী আৰু মহেন্দ্ৰ নাথ হাজৰিকা।

নেফা গঠনৰ পিচত টিৰাপ ট্ৰেক্ট, আবৰ পাহাৰ জিলা, নগা জনজাতীয় এলেকা আৰু মিচিমি পাহাৰ জিলাৰ নতুনকৈ নামকৰণ কৰা হয়। ১৯৫৭ চনলৈ নগা পাহাৰ জিলাকো নেফাৰ ভিতৰতে ৰখা হৈছিল যদিও পৰৱৰ্তী সময়ত Naga Hills -Tuensang Area গঠনৰ সময়ত ইয়াক নেফাৰ পৰা পৃথক কৰি অনা হয়। ১৯৫৭ চনৰ পিচতহে নেফাৰ অন্তৰ্গত অঞ্চলবোৰ ক্ৰমে স্পষ্ট হৈ পৰে।

১৯৪৯ চনত কমিউনিষ্টসকলে চীনৰ শাসন ক্ষমতা দখল কৰাৰ পিচত অৰুণাচল প্ৰদেশে ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় ৰাজনীতিত গুৰুত্ব পাবলৈ লয়। ১৯৫১ চনত চীনৰ দ্বাৰা তিব্বত দখল কৰি লোৱাৰ পিচত চীনৰ দৃষ্টি ক্ৰমে অৰুণাচলৰ ওপৰত পৰিবলৈ লয়। নেফাৰ লোকসকলৰ ভৱিষ্যৎ ৰাজনৈতিক-প্ৰশাসনিক কাৰ্যপদ্ধতি নিৰূপণ কৰিবলৈ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে কেন্দ্ৰীয় কেবিনেটৰ এজন উপ-মন্ত্ৰী দাইং ইৰিঙক (Daying Ering) নেফাৰ সাংবিধানিক গাঁথনিটোৰ বাবে গঠন কৰি দিয়া কমিটীখনৰ সভাপতি হিচাপে নিয়োগ কৰে। চীনৰ সক্ৰিয়তা আৰু নিৰাপত্তাৰ বিষয়টো লক্ষ্য ৰাখি ইৰিঙে নেফাৰ প্ৰত্যক্ষ দায়িত্ব গৃহ মন্ত্ৰালয়ে লোৱাটো উচিত বুলি অনুমোদন কৰে। এই অনুমোদনমৰ্মে নেফাৰ দায়িত্ব গৃহ মন্ত্ৰালয়ে গ্ৰহণ কৰে। অঞ্চলটোত প্ৰচলিত থলুৱা গণতান্ত্ৰিক পৰম্পৰাগত প্ৰতিষ্ঠানবোৰলৈ লক্ষ্য ৰাখি এক তিনি তৰপীয়া পঞ্চায়ত ব্যৱস্থা গঠন কৰা হয় আৰু এই ব্যৱস্থাৰাজিৰ শীৰ্ষত অৱস্থান কৰিছিল এজেঞ্চি কাউঞ্চিল বা এজেঞ্চি পৰিষদে। ১৯৬৯ চনৰ পৰা এই ব্যৱস্থা নেফাত প্ৰয়োগ হয় আৰু ইয়াৰ জৰিয়তে অঞ্চলটোত প্ৰাদেশিক বিধান মণ্ডলীৰ যি অভাৱ পৰিলক্ষিত হয় সি পূৰণ হ'বলৈ ধৰে। পিচলৈ North-Eastern Areas (Re-organisation) Act 1971 অনুসৰি নেফাক এখন কেন্দ্ৰীয়শাসিত প্ৰদেশলৈ ৰূপান্তৰ কৰা হয় আৰু নেফাৰ নতুন নামকৰণ কৰি ইয়াক অৰুণাচল প্ৰদেশ হিচাপে নামাংকিত কৰা হয়।

১৯৫৮

১ জানুৱাৰী ঃ নতুন মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহা আৰু মন্ত্ৰীসভাৰ ছজন মন্ত্ৰীৰ কাৰ্যভাৰ গ্ৰহণ। মন্ত্ৰীকেইজন হ'ল— দেৱেশ্বৰ শৰ্মা, কামাখ্যা প্ৰসাদ ত্ৰিপাঠী, ৰূপনাথ ব্ৰহ্মা, হৰেশ্বৰ দাস, মইনুল হক চৌধুৰী আৰু মহেন্দ্ৰনাথ হাজৰিকা।

● ৰবীন কাকতী আৰু প্ৰফুল্ল গোস্বামী অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক হিচাপে নিযুক্ত। সভাপতি মহেন্দ্ৰ মোহন চৌধুৰীৰ দ্বাৰা ৰামপ্ৰসাদ শইকীয়া আৰু নবীন চন্দ্ৰ গোস্বামী সম্পাদক নিযুক্ত। মহেন্দ্ৰ মোহন চৌধুৰী প্ৰদেশ কংগ্ৰেছৰ সভাপতি নিৰ্বাচিত।

২ জানুৱাৰী ঃ বিষ্ণুৰাম মেধি মাদ্ৰাজৰ ৰাজ্যপাল নিযুক্ত।

৪ জানুৱাৰী ঃ উইলিয়ামছন চাংমাৰ বিমলা প্ৰসাদ চলিহা মন্ত্ৰীসভাৰ মন্ত্ৰী হিচাপে শপত গ্ৰহণ।

১৪ জানুৱাৰী ঃ অসমৰ নাহৰকটীয়া, হুগ্ৰীজান আৰু মৰাণ অঞ্চলত তেল সম্পদৰাজিৰ উদ্‌ঘাটনৰ বাবে ভাৰত চৰকাৰ আৰু বাৰ্মা অইল কোম্পানীৰ মাজত এখন চুক্তি স্বাক্ষৰিত।

১৫ জানুৱাৰী ঃ ভাৰতীয় ৰে'লৱেৰ অষ্টম মণ্ডল হিচাপে উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য কাৰ্যালয় গুৱাহাটীৰ পাণ্ডুত ৰে'ল মন্ত্ৰী জগজীৱন ৰামে উদ্বোধন কৰে।

● ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছৰ ৬৩তম অধিৱেশন প্ৰাগজ্যোতিষপুৰত অনুষ্ঠিত।

১৬ জানুৱাৰী ঃ জালুকবাৰীত অসমৰ প্ৰথম ইঞ্জিনীয়াৰিং কলেজ আনুষ্ঠানিকভাৱে মুকলি কৰে প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে।

১৭ জানুৱাৰী ঃ কেন্দ্ৰীয় গৃহ মন্ত্ৰী পণ্ডিত গোবিন্দ বল্লভ পণ্টে কামাখ্যা মন্দিৰলৈ মটৰ যোৱা আলি উদ্বোধন কৰে।

২১ জানুৱাৰী ঃ বদৰপুৰ সমষ্টিৰ পৰা নিৰ্বাচিত কংগ্ৰেছ বিধায়ক মৌলানা আব্দুল জেলিলৰ নিৰ্বাচন পি এছ পি প্ৰাৰ্থী ৰথীন্দ্ৰ মোহন সেনে কৰা আৱেদন অনুসৰি নিৰ্বাচনী ট্ৰিবিউনেলে নাকচ কৰে আৰু ভৱিষ্যতে কোনো নিৰ্বাচনত অংশগ্ৰহণ কৰিব নোৱাৰে

শোধনাগাৰ আন্দোলন আৰু অসম

খাৰুৱা তেল আৰু অসমৰ সম্পৰ্ক ১৮২৫ চনৰ পৰা। প্ৰথম অৱস্থাত উইলচক্সেকে ধৰি প্ৰথমলানিৰ কেইবাজনো ব্ৰিটিছে খাৰুৱা তেলৰ উমান পাইছিল যদিও খাৰুৱা তেলৰ ব্যৱসায়িক সন্ধান পাবলৈ ১৮৮৮ চনলৈকে ৰ'ব লগা হ'ল।

সেই বছৰেই আছাম ৰে'লৱে এণ্ড ট্ৰেডিং কোম্পানীয়ে ডিগবৈত সফলতাৰে প্ৰথমটো কূপ খান্দি উলিয়ায়। কিন্তু ব্যৱসায়িকভাৱে তৈল উদ্যোগটো বহলাই নিবৰ কাৰণে তৈয়াৰ কৰা হ'ল আন এক কোম্পানী— যাৰ নাম হ'ল আছাম অইল কোম্পানী আৰু ইয়াৰ অধীনলৈ পৰৱৰ্তী পৰ্যায়ত

বুলি ৰায়দান দিয়ে। উক্ত আসনত সদ্যনিযুক্ত মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই প্ৰতিদ্বন্দ্বিতা কৰিব।

২৪ জানুৱাৰী ঃ অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে মাদ্ৰাজৰ ৰাজ্যপাল হিচাপে শপতগ্ৰহণ কৰে।

৩ মাৰ্চ ঃ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহা বদৰপুৰ সমষ্টিৰ উপ-নিৰ্বাচনত নিকটতম প্ৰতিদ্বন্দ্বী ৰথীন্দ্ৰ নাথ সেনক (পি এছ পি) ৬,২৮৪ ভোটৰ ব্যৱধানত পৰাজিত কৰি অসম বিধানসভালৈ নিৰ্বাচিত।

১২ মাৰ্চ ঃ গহপুৰত নিশা দৰাযাত্ৰীৰ গাড়ী এখন দুৰ্ঘটনাত পতিত হৈ ৯জন লোকৰ প্ৰাণহানি হয়।

২৫ মাৰ্চ ঃ প্ৰবল ধুমুহাৰ বাবে গুৱাহাটীৰ অশ্বক্লান্তৰ ওচৰত শোকাৰহ নাও দুৰ্ঘটনাত আঠজন লোকৰ মৃত্যু হয়।

১ এপ্ৰিল ঃ হাজো সমষ্টিৰ উপ-নিৰ্বাচনত ৬,৪৬০ ভোটত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি মহেন্দ্ৰমোহন চৌধুৰী বিধানসভালৈ নিৰ্বাচিত।

১১ এপ্ৰিল ঃ ৰাষ্ট্ৰীয় কথাছবি বঁটাত 'মাক আৰু মৰম'লৈ যোগ্যতা প্ৰমাণপত্ৰ।

২৩ এপ্ৰিল ঃ অসমত তেল শোধনাগাৰ স্থাপনৰ ক্ষেত্ৰত ৰোমানিয়া চৰকাৰে সহায় আগবঢ়োৱা প্ৰস্তাৱ ভাৰত চৰকাৰে গ্ৰহণ কৰে।

২৫ এপ্ৰিল ঃ অসমৰ ৰাজ্যপালে নগা পাহাৰ-টুৱেনচাং গোটৰ ক'হিমা আৰু মোককচাং জিলাক 'অশান্ত অঞ্চল' ঘোষণা কৰে।

১২ মে' ঃ পাকিস্তানী সৈন্যৰ দ্বাৰা ভাৰতীয় সীমান্ত এলেকাৰ কাছাৰ জিলাৰ মদনপুৰ চাহ বাগিচা আৰু মহিষাসন আৰু বাৰপুঞ্জী পুলিচ চকীত গুলীবৰ্ষণ।

২১ মে' ঃ অসম সীমান্তত পাকিস্তানৰ গুলীবৰ্ষণ।

২৪ মে' ঃ অসম আৰু পূব পাকিস্তান সীমান্তত অস্ত্ৰ-সম্বৰণ চুক্তি বলৱৎ।

২৮ মে' ঃ অসমৰ প্ৰথম ফ্লাইং ক্লাব অসম ফ্লাইং ক্লাব বৰঝাৰ বিমানকোঠত কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী পাটিলৰ দ্বাৰা উদ্বোধন।

৪ জুন ঃ কাছাৰ-চিলেট সীমান্তৱৰ্তী ভাৰতীয় ৰাজ্যক্ষেত্ৰৰ ভিতৰুৱা লাটুত পাকিস্তানী সৈন্যৰ গুলীবৰ্ষণ।

২১ জুন ঃ অসমত ৰাজহুৱা ক্ষেত্ৰৰ

ডিগবৈৰ শোধনাগাৰটো অনা হ'ল।

১৯২১ চনলৈকে আছাম অইল কোম্পানী বাৰ্মা অইল কোম্পানীৰ অধীনত আছিল। উজনি অসমৰ তেলখাদসমূহৰ পৰা এই নতুন কোম্পানীয়ে বাৰ্মা আৰু সুৰমা উপত্যকাতো খাৰুৱা তেল বিচাৰি ব্যৱসায় আৰম্ভ কৰে।

স্বাধীনতা আন্দোলনৰ সময়ৰ পৰাই অসমৰ জনগণ লাহে লাহে নিজৰ সম্পদৰ ওপৰত সচেতন হ'বলৈ আৰম্ভ কৰিছিল। স্বাধীনতাৰ ঠিক ৬ বছৰ পিচতেই অৰ্থাৎ ১৯৫৩ চনৰ ১৮ জুনত নাহৰকটীয়াত খাৰুৱা তেলৰ সন্ধান পোৱা যায়।

ডিগবৈ, মাকুম আৰু তাৰ পিচত নাহৰকটীয়াৰ তেলখাদসমূহৰ পৰা নিৰ্গত হ'বলৈ ধৰা খাৰুৱা তেল শোধনৰ বাবে অসমৰ একমাত্ৰ তেল শোধনাগাৰ ডিগবৈ শোধনাগাৰৰ ক্ষমতা পৰ্যাপ্ত নহ'ব বুলি বিবেচিত হ'ব ধৰিলে।

অসমত খাৰুৱা তেলৰ উপলব্ধতাৰ পিনে লক্ষ্য ৰাখি ১৯৫৫ চনত ভাৰত চৰকাৰে অসমত খাৰুৱা তেল আহৰণ কৰিবৰ কাৰণে অইল এণ্ড গেছ কমিছন (অ' এন জি চি) গঠন কৰে।

ঠিক একে সময়তে অসমতো আঞ্চলিকতাবাদে ভুমুকি মাৰে আৰু খনিজ সম্পদসমূহৰ আহৰণ লাহে লাহে আঞ্চলিকতাবাদৰ মূল কেন্দ্ৰবিন্দু হৈ পৰে। আৰম্ভ হয় দিল্লী আৰু অসমৰ মাজত এক জটিল আন্দোলন। অসমৰ খনিজ সম্পদৰ ওপৰত অধিকাৰ কাৰ— এই মৌলিক প্ৰশ্নতেই কেন্দ্ৰীভূত হৈ পৰে অসমৰ আঞ্চলিকতাবাদ।

নাহৰকটীয়াত খাৰুৱা তেলপথাৰ আৱিষ্কাৰ হোৱাৰ লগে লগেই আৱশ্যক হৈ পৰে অসমৰ খাৰুৱা তেল শোধন কৰিবৰ কাৰণে ডিগবৈৰ বাহিৰেও আন এক শোধনাগাৰ।

ভাৰতবৰ্ষৰ তেল মন্ত্ৰালয়ে ইতিমধ্যে সিদ্ধান্ত কৰি পেলাইছিল যে আৰু দুটা শোধনাগাৰ দেশখনত প্ৰতিষ্ঠা কৰা হ'ব আৰু দুয়োটাই ৰাজহুৱা খণ্ডত প্ৰতিষ্ঠা কৰা হ'ব। সেয়া ১৯৫৬ চনৰ কথা।

তেল শোধনাগাৰ স্থাপনৰ বাবে ৰোমানিয়াৰ লগত আলোচনাৰ বাবে ভাৰত চৰকাৰে চৰকাৰী প্ৰতিনিধি প্ৰেৰণ কৰে।

২৫ জুন ঃ নেফাত বিমান দুৰ্ঘটনাত ৪জন লোকৰ মৃত্যু। ইণ্ডিয়ান এয়াৰ লাইনছৰ মালবাহী বিমানখনে মোহনবাৰীৰ পৰা যাত্ৰা কৰিছিল।

২৬ জুন ঃ ভাৰত আৰু পাকিস্তানৰ সীমাৰ চিলেটত হোৱা সংঘৰ্ষৰ বাবে ঢাকাত অসমৰ আৰু পূব পাকিস্তানৰ মুখ্য সচিবৰ আলোচনা।

৪ জুলাই ঃ অসমীয়া কথাছবি নিৰ্মাণৰ বাবে প্ৰয়োজনীয় কেঁচা ফিল্মৰ সৰবৰাহৰ ক্ষেত্ৰত ভাৰত চৰকাৰে কলিকতাৰ আমদানি আৰু ৰপ্তানি বিভাগৰ যুটীয়া চীফ কণ্ট্ৰ'লাৰলৈ ৰেহাইৰ নিৰ্দেশ।

১ আগষ্ট ঃ চাহ বাগিচাৰ স্কুলবোৰত শিক্ষাৰ উন্নয়ন সাধন কৰাৰ কাৰণে অসম চৰকাৰে স্কুলবোৰ শিক্ষা বিভাগৰ অধীনলৈ অনাৰ সিদ্ধান্ত।

২ আগষ্ট ঃ গৃহ মন্ত্ৰী পণ্ডিত পণ্টৰ দ্বাৰা অসম অনুসূচিত জাতিৰ ৰাজ্যিক উপদেষ্টা বৰ্ড আৰু পৰ্বত-ভৈয়ামৰ অনুসূচিত জাতিৰ ৰাজ্যিক উপদেষ্টা পৰিষদ উদ্বোধন কৰা হয়।

৬ আগষ্ট ঃ চিলেট-কাছাৰ সীমান্তত পাকিস্তানী বাহিনীৰ গুলীচালনাত তিনিজন অসামৰিক লোকৰ মৃত্যু আৰু কেইবাজনো আহত হয়।

৭ আগষ্ট ঃ পাকিস্তানী সশস্ত্ৰ বাহিনীয়ে কাছাৰ-চিলেট সীমান্ত অতিক্ৰম কৰি তুকাৰগ্ৰাম নামৰ গাঁওখন অধিকাৰ কৰে।

১০ আগষ্ট ঃ তুকাৰগ্ৰামৰ পৰা পাকিস্তানী দখলকাৰী বাহিনীক বিতাড়ন।

১৯ আগষ্ট ঃ অসম সীমান্তৰ সুতাৰকান্দি নামৰ গাঁৱত পাকিস্তানী বাহিনীৰ গুলীচালনা।

২০ আগষ্ট ঃ ৰাজ্যসভাৰ অসম আসনলৈ কংগ্ৰেছ প্ৰাৰ্থী লীলা বৰুৱা বিনাপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে।

২৯ আগষ্ট ঃ বাণিজ্য কেন্দ্ৰ পলাশবাৰী নগৰ ব্ৰহ্মপুত্ৰৰ খহনীয়াত প্ৰায় নিশ্চিহ্ন।

১২ ছেপ্টেম্বৰ ঃ উত্তৰ গুৱাহাটীৰ আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ হেমচন্দ্ৰ গোস্বামীদেৱৰ ইচ্ছানুযায়ী সত্ৰখন

এই বিষয়ে গঠন কৰা কমিটীয়ে সিদ্ধান্ত দিলে যে শোধনাগাৰ দুটা বাৰাউনী আৰু ধুবুৰীত পতা হওক। আনহাতে আছাম অইল কোম্পানীয়ে বিচাৰিছিল শোধনাগাৰ দুটা বাৰাউনী আৰু কলিকতাত হওক।

শেষলৈ অসমৰ দাবীক উপেক্ষা কৰি ভাৰত চৰকাৰে বাৰাউনীক শোধনাগাৰৰ স্থান হিচাপে মনোনীত কৰিলে। চৰকাৰৰ এই সিদ্ধান্ত কিন্তু অসম চৰকাৰ তথা বিৰোধী ৰাজনৈতিক দলসমূহে সহজভাৱে নল'লে।

১৯৫৬ চনৰ ৩ এপ্ৰিলৰ দিনাখন অসম বিধানসভাই সৰ্বসন্মতিক্ৰমে সিদ্ধান্ত লয় যে বাৰাউনী নহৈ অসমতহে এই শোধনাগাৰ স্থাপন হ'ব লাগে। লগে লগে অসমত বিৰাট ক্ষোভৰ সৃষ্টি হয় আৰু আৰম্ভ হয় জনজাগৰণ।

তৈল ক্ষেত্ৰৰ ওচৰত তেল শোধনাগাৰ নিৰ্মাণ কৰাৰ বাবে প্ৰথমতে শিৱসাগৰ জিলাত আন্দোলন আৰম্ভ হয়। তাৰ পিচতেই অসমৰ ছাত্ৰ সমাজ, অসম ছাত্ৰ সন্মিলনীৰ নেতৃত্বত ৰাজপথলৈ ওলাই আহে। অসমৰ বিৰোধী দলসমূহেও আন্দোলনত যোগদান দিলে। অসমত গঠন হ'ল 'সদৌ অসম তেল শোধনাগাৰ কৰ্ম পৰিষদ।'

এই আন্দোলনৰ নেতৃত্বৰ গুৰি ধৰিছিল হৰেশ্বৰ গোস্বামী, গোবিন্দ কলিতা, ৰবীন্দ্ৰ নাথ নবিশ, বিশ্ব গোস্বামী, ফণী বৰা, গোলোক গগৈ, অজিত কুমাৰ শৰ্মা, হেম বৰুৱা, গৌৰীশংকৰ ভট্টাচাৰ্য, ফটিক চন্দ্ৰ বৰুৱা, দেৱেশ্বৰ ভট্টাচাৰ্য, লক্ষ্যধৰ চৌধুৰী আদিয়ে। এইসকলৰ বেছিভাগেই আছিল বাওঁ গণতান্ত্ৰিক মতাদৰ্শৰ লোক।

১৯৫৬ চনৰ ২৮ আগষ্টৰ দিনটোতে শোধনাগাৰ আন্দোলনৰ প্ৰথম কাৰ্যসূচী হিচাপে ৰাজ্যজুৰি প্ৰতিবাদ হৈছিল আৰু লাহে লাহে ই ব্যাপক ৰূপ ধাৰণ কৰিছিল।

অসমত তেল শোধনাগাৰ প্ৰতিষ্ঠাৰ দাবীত সদৌ অসম তেল শোধনাগাৰ কৰ্ম পৰিষদে সভা-সমিতি, হৰতাল, সত্যাগ্ৰহ, অসম বন্ধ, শোভাযাত্ৰা, পিকেটিং, বিক্ষোভ প্ৰদৰ্শন, শ্ৰেণী বৰ্জন আদি আন্দোলনৰ নানা কাৰ্যসূচীৰে

গণতান্ত্ৰিক পদ্ধতিৰে পৰিচালনাৰ সিদ্ধান্ত।

২৬ ছেপ্টেম্বৰ : পূব পাকিস্তান আৰু অসমৰ সীমা নিৰ্ধাৰণৰ ক্ষেত্ৰত বিবদমান অঞ্চলবোৰত চিহ্নস্তম্ভ নিৰ্মাণ কৰাৰ পাক-ভাৰত সন্মিলনত আলোচনা। সন্মিলনত অসমৰ ভূমি সমীক্ষণ আৰু ভূমি লেখা বিভাগৰ ডিৰেক্টৰ লক্ষেশ্বৰ শৰ্মা, ডেপুটী ডিৰেক্টৰ এ পি দত্ত আৰু অতিৰিক্ত সহকাৰী ডিৰেক্টৰ ডি মোহনে অসমৰ প্ৰতিনিধিত্ব কৰে। পূব পাকিস্তান দলত আছিল ৰাজহ ব'ৰ্ডৰ উপদেষ্টা মিঃ এ এ মাজিদ, বিভাগীয় ডিৰেক্টৰ মিঃ এইচ ৰহমান আৰু বিভাগীয় ডেপুটী ডিৰেক্টৰ মিঃ এম এ ফাৰুকী।

৩ অক্টোবৰ : কেন্দ্ৰীয় চৰকাৰে গুৱাহাটীত চাইকেল কাৰখানা স্থাপনৰ বাবে স্থানীয় ব্যৱসায়ী প্ৰতিষ্ঠান এটাক প্ৰয়োজনীয় সামগ্ৰী আমদানি কৰিবৰ বাবে অনুমতি প্ৰদান কৰে।

২০ অক্টোবৰ : অসমত তেল শোধনাগাৰ স্থাপনৰ বাবে ভাৰত আৰু ৰোমানিয়াৰ মাজত চুক্তি।

১২ নৱেম্বৰ : শ্বিলঙৰ পৰা ৯৬ মাইল পশ্চিমে খাছি পাহাৰ-চিলেট সীমান্তৰ বাগলীত সশস্ত্ৰ পাকিস্তানী বাহিনীৰ ভাৰতীয় পুলিচ শিবিৰত গুলীবৰ্ষণ।

২৩ নৱেম্বৰ : খাছি আৰু জয়ন্তীয়া পাহাৰ আৰু চিলেট জিলা সীমান্তৰ ভোলাবেটাত অসম আৰু পূব পাকিস্তান চৰকাৰৰ মাজত এখন অস্ত্ৰ সম্বৰণ চুক্তি সম্পাদন।

- মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাৰ দ্বাৰা অসমৰ প্ৰথম ইনড'ৰ ষ্টেডিয়াম গুৱাহাটীত আনুষ্ঠানিকভাৱে মুকলি।

২৪ নৱেম্বৰ : অসম-পূব পাকিস্তান সীমান্তৰ ভোলাবেটাত অস্ত্ৰ সম্বৰণ চুক্তি বলবৎ। চুক্তিখন খাছি-জয়ন্তীয়া পাহাৰ জিলা আৰু চিলেটৰ উপায়ুক্ত দুজনে স্বাক্ষৰ কৰে।

২৮ নৱেম্বৰ : নগা বিদ্ৰোহীৰ সন্ত্ৰাসমূলক কাৰ্য অসমৰ ভিতৰত হৈ থকা বাবে অসমৰ ৰাজ্যপালে অসম আৰু মণিপুৰক সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন (১৯৫৮) অনুসৰি অশান্ত অঞ্চল ৰূপে ঘোষণা কৰে।

গোটেই অসম উত্তাল কৰি পেলাইছিল। অসম চৰকাৰৰো এই দাবীৰ প্ৰতি সমৰ্থন আছিল যদিও তেতিয়াৰ অসমৰ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে অসমত তেল শোধনাগাৰ প্ৰতিষ্ঠাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ লগত বাৰে বাৰে যোগাযোগ কৰিও ব্যৰ্থ হ'বলগীয়া হৈছিল। গুৱাহাটীত শোধনাগাৰ স্থাপনৰ যুক্তি লৈ এটা সঁজাতী দলে অসমৰ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিক তেওঁৰ বাসভৱনত দেখা কৰিছিল। সেই সঁজাতী দলটোত আছিল হেম বৰুৱা, গৌৰীশংকৰ ভট্টাচাৰ্য, হৰেশ্বৰ গোস্বামী আদি লোকসকল।

মুখ্যমন্ত্ৰী মেধি শোধনাগাৰৰ যুক্তিত পতিয়ন গ'লেও তেওঁৰ চৰকাৰী স্থিতি হ'ল যে শোধনাগাৰ অসমত হ'ব নালাগে, কাৰণ অসমৰ যুৱক প্ৰশিক্ষণপ্ৰাপ্ত নহয় আৰু ইয়াৰ সমুদায় চাকৰি অনা-অসমীয়া লোকে পাব।

শোধনাগাৰ পাতিবলৈ হ'লে আগতে এচাম অসমীয়া ডেকাক কাৰিকৰী শিক্ষাৰে প্ৰশিক্ষণ দি অনাৰ প্ৰয়োজন আছে। কিন্তু মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিৰ এই যুক্তিত সঁজাতী দলটো কোনোপধ্যে পতিয়ন যাব নোৱাৰিলে। তেওঁলোকৰ সিদ্ধান্ত হ'ল যে গুৱাহাটীত তেল শোধনাগাৰ হ'বই লাগিব।

১৯৫৭ চনৰ ২৯ জুলাইত সদৌ অসম তেল শোধনাগাৰ কৰ্ম পৰিষদে জিলা কমিটীবোৰৰ সহযোগত অসমজুৰি হৰতাল পালন কৰিছিল। সেয়া আছিল স্বাধীনতাৰ পিচত অসমত হোৱা চৰকাৰবিৰোধী প্ৰথম ডাঙৰ আন্দোলন।

ভাৰত চৰকাৰৰ মূল যুক্তি আছিল যে প্ৰতিৰক্ষাৰ ফালৰ পৰা গুৱাহাটীত শোধনাগাৰ এক সুবিধাজনক স্থিতিত অৱস্থিত নহয় আৰু মূল বজাৰখনৰ পৰা শোধনাগাৰৰ অৱস্থান দূৰত হ'ব কাৰণে ই অৰ্থনৈতিকভাৱে এক জটিল পৰিস্থিতিৰ সৃষ্টি কৰিব পাৰে।

ইয়াৰ আগতে অৱশ্যে অসম চৰকাৰৰ হেঁচা আৰু আন্দোলনৰ হেঁচাত নেহৰু চৰকাৰে গোটেই শোধনাগাৰ আন্দোলনটোৰ এক আশু-সমাধান বিচাৰি এক বিশেষজ্ঞ কমিটী গঠন কৰি দিয়ে। এই বিশেষজ্ঞ কমিটীৰ নেতৃত্বত থাকে ৰে'ল মন্ত্ৰালয়ৰ পৰামৰ্শদাতা এছ বশিষ্ঠ। ইয়াৰ বাহিৰেও থাকে ফ্ৰান্স আৰু

১৯৫৯

৬ ফেব্ৰুৱাৰী ঃ পাকিস্তানী সৈন্যই গাৰো পাহাৰ জিলাৰ বাঘমৰাৰ ওচৰত ডাংগাৰকোণত মৈমনসিং জিলা (পাকিস্তান)ৰ ফালৰ পৰা ব্যাপকভাৱে মেচিনগানেৰে গুলীবৰ্ষণ কৰে।

২৯ মাৰ্চ ঃ কাছাৰ জিলাৰ হাইলাকান্দিৰ পৰা প্ৰায় কুৰি মাইল আঁতৰত মাণিকনগৰত কলিকতাৰ পৰা ইম্ফল অভিমুখী ভাৰতীয় এয়াৰ লাইনছ ক'ৰ্পৰেচনৰ এখন যাত্ৰীবাহী বিমানৰ দুৰ্ঘটনা। বিমানখনত যোৱা ২৪জন লোকৰে মৃত্যু হয়।

২৪ এপ্ৰিল ঃ তিব্বতৰ জীৱন্ত ঈশ্বৰ স্বৰূপ দালাই লামাই এমাহ অন্তৰ্ধান হোৱাৰ পিচত তেজপুৰত পোনপ্ৰথমবাৰৰ বাবে আত্মপ্ৰকাশ কৰি তিব্বতৰ ৰাজনৈতিক কাহিনী আৰু পলায়নৰ বিশদ কাহিনী সমগ্ৰ বিশ্বৰ বাবে প্ৰকাশ কৰে।

১ মে' ঃ শিলচৰৰ পৰা যাঠি মাইল দূৰৰ পাথৰিয়া ৰিজাৰ্ভ ফৰেষ্ট অঞ্চলৰ আদামটিল্লাৰ ভাৰতীয় সীমান্ত চকীৰ ওপৰত পাকিস্তানী সশস্ত্ৰ বাহিনীৰ ৰাইফল আৰু ব্ৰেনগানেৰে গুলীবৰ্ষণ।

৪ মে' ঃ উত্তৰ বংগৰ তিনিখন জিলাৰ সৈতে অসমৰ চাৰিখন জিলাক সংযুক্ত কৰি ৰখা উত্তৰ পাৰৰ ঘাই আলি উত্তৰ ট্ৰাংক ৰোডক ভাৰত চৰকাৰে ৰাষ্ট্ৰীয় পথ হিচাপে ঘোষণা কৰে।

২২ মে' ঃ অসমৰ চাহ বাগিচাৰ সহকাৰী মেনেজাৰ আৰু ব্ৰিটিছ নাগৰিক জনষ্টনক অসম চৰকাৰে ৰাষ্ট্ৰবিৰোধী কাৰ্যৰ বাবে অসমৰ পৰা বহিষ্কাৰ কৰে।

৫ জুন ঃ মিকিৰ পাহাৰ জিলাৰ লামচাখাঙত ভাৰতৰ সৰ্ববৃহৎ পেপাৰ পাল্প মিল স্থাপনৰ বাবে শ্বিলঙত অসম চৰকাৰ আৰু অসম পাল্প মিল্‌ছ প্ৰাইভেট লিমিটেডৰ মাজত এখন চুক্তি সম্পাদিত হয়।

১৯ জুন ঃ যোৰহাটৰ স্থানীয় পুলিচ থানা আক্ৰমণ কৰিবলৈ উদ্যত হোৱা জনতাক পুলিচে গুলীচালনা কৰাত দুজনৰ মৃত্যু আৰু কেইবাজনো আহত হয়।

১ জুলাই ঃ খাছিয়া জয়ন্তীয়া পাহাৰ আৰু কাছাৰ-চিলেট সীমান্ত অঞ্চলৰ বহুতো গাঁৱত পাকিস্তানী সৈন্যৰ

ৰোমানিয়াৰ একোজন বিশেষজ্ঞ।

এই কমিটীৰ মূল লক্ষ্য আছিল শোধনাগাৰটো তৈলক্ষেত্ৰতে নে তৈলক্ষেত্ৰৰ ওচৰত নে তেল ব্যৱহৃত হোৱা ক্ষেত্ৰৰ ওচৰত স্থাপন কৰিব লাগে তাক নিৰ্ণয় কৰা।

বিশেষজ্ঞ কমিটীক শোধনাগাৰ নিৰ্মাণৰ কাৰণে লগা নিৰ্মাণ সামগ্ৰীৰ পৰিবহণ খৰচ আৰু উৎপাদিত সামগ্ৰীৰ পৰিবহণ খৰচৰ ওপৰতো মনোনিৱেশ কৰিবলৈ কোৱা হৈছিল।

যদিও বিশেষজ্ঞ কমিটীক অসমৰ ৰাইজে আদৰণি জনাইছিল কিন্তু কমিটীখনৰ কেউজনেই চৰকাৰী বিষয়া হোৱা কাৰণে সাধাৰণ ৰাইজৰ যথেষ্ট সন্দেহ থাকি গৈছিল। বিশেষকৈ বিশেষজ্ঞ কমিটীখনক কাৰিকৰী দিশটোহে চালি-জাৰি চাবলৈ কোৱা হৈছিল। অসমৰ ৰাইজৰ দাবী আৰু আকাংক্ষা তেওঁলোকৰ পৰ্যালোচনাৰ বিষয় নাছিল।

১৯৫৬ চনৰ ১৮ অক্টোবৰত এই সন্দৰ্ভত কৰ্ম পৰিষদৰ এক সঁজাতী দলে প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুক সাক্ষাৎ কৰে আৰু কাৰিকৰী দিশৰ বাহিৰেও অসমৰ দাবীটোকো বিশেষজ্ঞ কমিটীৰ আওতাৰ মাজত আনিবলৈ হেঁচা প্ৰয়োগ কৰে।

কৰ্ম পৰিষদৰ সদস্যসকলে ধৰিব পাৰিছিল যে অকল কাৰিকৰী দিশৰ ফালৰ পৰা চালিজাৰি চাই আছাম অইল কোম্পানীয়ে ইতিমধ্যে অসমত শোধনাগাৰ স্থাপন কৰিব নালাগে বুলি কৈ থৈছে।

নেহৰু সেইবাৰৰ অসম ভ্ৰমণত য'লৈকে গৈছিল, তাতেই শোধনাগাৰৰ প্ৰশ্নৰে ৰাইজে ব্যতিব্যস্ত কৰি তুলিছিল। নেহৰুৱে কিন্তু ৰাইজৰ প্ৰশ্নৰ প্ৰতি কোনোধৰণৰ গুৰুত্ব নিদিলে।

পুনৰ আন্দোলনৰ প্ৰসংগলৈ আহিছো। ১৯৫৭ চনৰ ২৯ জুলাইত সদৌ অসম তেল শোধনাগাৰ কৰ্ম পৰিষদে জিলা কমিটীবোৰৰ সহযোগত অসমজুৰি হৰতাল পালনৰ কাৰ্যসূচী ঘোষণা কৰিছিল।

গুলীবৰ্ষণ।

৪ আগষ্ট ঃ পাকিস্তানী সৈন্যই বাকুৰটিলাৰ পৰা ডাউকীলৈ গুলীচালনা কৰে। কৰিমগঞ্জৰ মহিষাসনত মেচিনগানেৰে পাকিস্তানী সৈন্যবাহিনীৰ গুলীচালনা।

১৯ আগষ্ট ঃ শিৱসাগৰ জিলাৰ গোলাঘাট মহকুমাত বানপানীত ১০০খন গাঁও জলমগ্ন আৰু চাৰি হাজাৰ পৰিয়াল গৃহহীন হয়।

২০ আগষ্ট ঃ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাৰ দ্বাৰা খানাপাৰাত অসম পশু চিকিৎসা কলেজৰ ভেটি স্থাপন।

২২ আগষ্ট ঃ অসমৰ ৰাজ্যপাল ছৈয়দ ফজল আলীৰ পৰলোক।

২৮ আগষ্ট ঃ নেফাত চীনা সৈন্যৰ অনধিকাৰ প্ৰৱেশৰ কথা প্ৰধানমন্ত্ৰীৰ লোকসভাত ঘোষণা।

২৯ আগষ্ট ঃ ভাৰতীয় সৈন্য নেফাৰ সীমান্ত সুৰক্ষাৰ কাৰণে সাজু।

১ ছেপ্টেম্বৰ ঃ অসমত ১৯৫৩ চনৰ স্থানীয় স্বায়ত্ত শাসন আইন প্ৰত্যাহাৰ কৰি নতুন পঞ্চায়ত আইন বলৱৎ।

১৪ অক্টোবৰ ঃ জেনেৰেল এছ এম শ্ৰীনাগেশ অসমৰ ৰাজ্যপাল হিচাপে নিযুক্ত।

২৫ অক্টোবৰ ঃ কৰিমগঞ্জৰ তুকেৰগ্ৰাম পূব পাকিস্তানে এৰি দিয়াৰ সন্মতি।

১৭ নৱেম্বৰ ঃ যোল মাহৰ পিচত কৰিমগঞ্জৰ ওচৰৰ তুকেৰগ্ৰামৰ পৰা পাকিস্তানৰ দখল পৰিত্যাগ।

২৮ জুলাইৰ দিনা সন্ধিয়া কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ হলত অনুষ্ঠিত এখন সভাত মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে ভাষণ দিছিল। কিন্তু এইখন সভা নাপাতিবলৈ একাংশ জনতাই বাধা দিছিল। জনতাৰ বাধা নামানি সভাখন অনুষ্ঠিত কৰাত জনতাৰ মাজত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়। বিষ্ণুৰাম মেধিয়ে তেওঁৰ ভাষণত অসমত তেল শোধনাগাৰ হ'ব নালাগে বুলি আৰু ২৯ তাৰিখৰ হৰতাল পৰিহাৰ কৰিবলৈ যুক্তি দাঙি ধৰাৰ লগে লগে এটি অশোভনীয় ঘটনা ঘটি যায়। মেধিয়ে ততাতৈয়াকৈ সভাৰ স্থান ত্যাগ কৰিবলগীয়া হয়।

১৯৫৭ চনৰ ২৯ জুলাইৰ দিনা গুৱাহাটীতো তেল শোধনাগাৰৰ দাবীত হৰতাল পালন কৰা হয়। হৰতালৰ পিচত এখন জনসভা অনুষ্ঠিত হয় আৰু তাৰ পিচত চৰকাৰৰ মনোভাব জানিবৰ কাৰণে হেম বৰুৱা, হৰেশ্বৰ গোস্বামী, গৌৰীশংকৰ ভট্টাচাৰ্য আৰু ধীৰেশ্বৰ কলিতা আদিয়ে মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিক গুৱাহাটীৰ নিজা বাসভৱনত লগ ধৰিছিল। কিন্তু মেধিৰ কথা একেটাই আছিল যে তেল শোধনাগাৰ হ'লে বাহিৰৰ লোকেৰে অসমখন ভৰি পৰিব।

ৰাইজ পুনৰ আন্দোলনৰ পথেৰে আগবাঢ়িল। ১৯৫৭ চনৰ ১৫ আগষ্টৰ পৰা ৰাজ্যজুৰি সত্যাগ্ৰহৰ আয়োজন চলিল।

সদৌ অসম তেল শোধনাগাৰ কৰ্ম পৰিষদৰ হৈ প্ৰধানমন্ত্ৰী নেহৰুক আকৌ এখন স্মাৰকপত্ৰ দিয়া হ'ল। কোৱা হ'ল যে— (১) শোধনাগাৰটো অসমত স্থাপন হ'ব লাগিব, (২) প্ৰস্তাৱিত পাইপ লাইনটোৰে পৰিশোধিত তেলহে নিব লাগিব, (৩) তেল কূপৰ পৰা নিৰ্গত হোৱা গেছ পুৰি নিঃশেষ কৰিব নালাগে।

ইয়াৰ পিচত ভাৰত চৰকাৰে অলপ নমনীয় ৰূপ ধাৰণ কৰে। অসম চৰকাৰে কৰ্ম পৰিষদক সত্যাগ্ৰহ বন্ধ কৰিবলৈ অনুৰোধ কৰিছিল যদিও সেয়া হৈ নুঠিল। ৪ নৱেম্বৰলৈ অসমৰ বিভিন্ন ঠাইত প্ৰায় ১০০০ সত্যাগ্ৰহীয়ে গ্ৰেপ্তাৰ বৰণ কৰে।

১৯৫৭ চনৰ শেষৰ ফালৰ পৰা মুখ্যমন্ত্ৰী মেধিয়ে নিজৰ স্থিতি সলাবলৈ

১৯৬০

৯ জানুৱাৰী ঃ প্ৰধানমন্ত্ৰী নেহৰুৰ দ্বাৰা বৰাপানী বিদ্যুৎ পৰিকল্পনা উদ্বোধন।

১০ জানুৱাৰী ঃ প্ৰধানমন্ত্ৰী নেহৰুৱে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰিবলৈ লোৱা দলঙৰ আধাৰশিলা স্থাপন কৰে।

১২ ফেব্ৰুৱাৰী ঃ মিজো পাহাৰৰ এক লাখ ষাঠি হাজাৰ লোক আকালৰ সন্মুখীন। এন্দুৰৰ উৎপাতত দুৰ্ভিক্ষ।

২৫ ফেব্ৰুৱাৰী ঃ অসমৰ গুৱাহাটী আৰু শিলচৰত দুখন মেডিকেল কলেজ স্থাপন কৰিবলৈ বিশেষজ্ঞ কমিটীৰ পৰামৰ্শ।

১৫ এপ্ৰিল ঃ প্ৰধানমন্ত্ৰী নেহৰুৱে তেজপুৰত দ্বিতীয় বাসগৃহ নিৰ্মাণৰ আঁচনি 'অমৰ আঁচনি' উদ্বোধন কৰে।

২৯ এপ্ৰিল ঃ চিলেটত বহা সীমা নিৰ্ণয় সন্মিলনত অসম আৰু পূব পাকিস্তানৰ সীমা বিবাদ মীমাংসাত উপনীত। সন্মিলনত অসম চৰকাৰৰ হৈ যোগ দিয়ে ভূমি সমীক্ষণ আৰু ভূমিলেখা বিভাগৰ সঞ্চালক লক্ষেশ্বৰ শৰ্মা আৰু উপ-সঞ্চালক এ পি দত্তই। পূব পাকিস্তানৰ হৈ যোগ দিয়ে ৰাজহ বৰ্ডৰ উপদেষ্টা এছ এ মজিদ আৰু ছাৰ্ভেৰ ডেপুটী ডাইৰেক্টৰ এম এ ফাৰুকী।

২১ মে' ঃ শ্বিলঙত অসমীয়া ৰাজ্যভাষাৰ হকে কংগ্ৰেছে লোৱা সিদ্ধান্তৰ বিৰুদ্ধে বঙালীসকলে এক বিশাল শোভাযাত্ৰা উলিয়ায়।

২৫ মে' ঃ বান নিয়ন্ত্ৰণৰ মুখ্য ইঞ্জিনীয়াৰ বি পি চাংকাকতীৰ দ্বাৰা পাণ্ডু বন্দৰ নিৰ্মাণকাৰ্যৰ পাতনি।

২৬ মে' ঃ অসম পুলিচে ছাত্ৰনেতা দুলাল বৰুৱাক গুৱাহাটী বিশ্ববিদ্যালয়ৰ হোষ্টেলৰ দুৱাৰ ভাঙি গ্ৰেপ্তাৰ কৰে।

৩ জুন ঃ নগা বিদ্ৰোহীৰ উপদ্ৰৱৰ বিৰুদ্ধে অসমৰ ৰাজ্যপালে সংযুক্ত মিকিৰ আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলাক আৰু নখন ৰিজাৰ্ভ অঞ্চলক লৈ শিৱসাগৰ জিলাৰ এটা অংশক এবছৰৰ বাবে উপদ্ৰুত অঞ্চল ঘোষণা কৰে।

- খাছি পাহাৰৰ নংষ্টেন আৰু নংক্লাইৰ পৰা কামৰূপৰ হাহিম আৰু ৰাণীলৈ নতুন ৰাস্তা নিৰ্মাণ।
- কামেং সীমান্তৰ চাৰে চাৰি মাইলৰ ভিতৰত ভাৰতীয় এলেকাত ২৫

আৰম্ভ কৰিছিল আৰু অসমত শোধনাগাৰ হোৱাৰ পোষকতা কৰিছিল। আনকি এসময়ত শোধনাগাৰ নহ'লে মুখ্যমন্ত্ৰী পদো ইস্তফা দিবলৈ নেহৰুৰ পৰা তেওঁ অনুমতি বিচাৰিছিল।

তেল শোধনাগাৰৰ দাবীত ১৯৫৭ চনৰ ১৪ আগষ্টৰ পৰা হোৱা সত্যাগ্ৰহত অসমৰ বিভিন্ন ঠাইৰ মুঠ ১১৬জন সত্যাগ্ৰহীক গ্ৰেপ্তাৰ কৰা হয়। প্ৰায় ৯০০ লোকে অসমৰ বিভিন্ন জে'লত কাৰাবাস খাটিছিল।

ভাৰত চৰকাৰ লাহে লাহে সৈমান হ'ল। অৱশেষত বুজি পালে যে অসমত শোধনাগাৰ স্থাপন নহ'লে পৰিস্থিতি ভয়াৱহ হ'ব।

১৯৫৭ চনৰ ৬ ডিচেম্বৰত কেন্দ্ৰীয় তীখা আৰু প্ৰজ্বালক মন্ত্ৰী চৰ্দাৰ চৰণ সিঙে লোকসভাত ঘোষণা কৰে যে অসমৰ উদ্‌ঘাটিত তেল পৰিশোধনৰ বাবে ভাৰতত ৰাজহুৱা খণ্ডত দুটা শোধনাগাৰ প্ৰতিষ্ঠা কৰা হ'ব আৰু তাৰে প্ৰথমটো হ'ব অসমৰ যিকোনো ঠাইত।

সেই সূত্ৰেই আমেৰিকাৰ ফষ্টাৰ হুইলাৰ কৰ্পোৰেচনক দায়িত্ব দিয়া হ'ল যাতে তেওঁলোকে পৰিকল্পনা আয়োগক এই বিষয়ত পৰামৰ্শ দিব পাৰে। ইয়াৰ পিচতেই পৰিকল্পনা আয়োগে ৰাজহুৱা ক্ষেত্ৰত দুটাকৈ শোধনাগাৰ প্ৰতিষ্ঠা কৰাৰ সিদ্ধান্ত ঘোষণা কৰে। তাৰে এটা হৈছে নুনমাটিত আৰু আনটো বিহাৰৰ বাৰাউনীত।

এক জনপ্ৰিয় আন্দোলনৰ দ্বাৰা এক উন্নয়নৰ সিদ্ধান্তক সলনি কৰিব পৰাটো আছিল গুৱাহাটী শোধনাগাৰ আন্দোলনৰ সাফল্য। যাৰ কাৰণে বুৰঞ্জীত এই আন্দোলনকে অসমৰ একমাত্ৰ সফল আন্দোলন বুলি কোৱা হয়। এই আন্দোলনে দৰাচলতে কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত থকা উন্নয়নৰ সম্পৰ্ককো এক নতুন মাত্ৰা প্ৰদান কৰে।

ইতিমধ্যে ফৰাচী তেল বিশেষজ্ঞ ফ্ৰিটছে গুৱাহাটীত নদীৰে সামগ্ৰী কঢ়িয়াই আনি শোধনাগাৰ নিৰ্মাণ সম্ভৱ বুলি ঘোষণা কৰে। ইয়াৰ পিচত ১৯৫৮ চনৰ ২০ অক্টোবৰত ভাৰত আৰু ৰোমানিয়াৰ মাজত এক চুক্তি সম্পন্ন হয় আৰু নুনমাটি শোধনাগাৰটোৰ ক্ষমতা বছৰি চাৰে সাত লাখ টন হ'ব বুলি ঘোষণা

জনীয়া চীনা প্ৰহৰী দল এটাই সীমা লংঘন কৰি প্ৰৱেশ কৰে।

২৩ জুন ঃ অসমত 'অসম চাহ বাগিচা কৰ্মচাৰী কল্যাণ নিধি' (১৯৫৯) আইন বলৱৎ।

১ জুলাই ঃ এসপ্তাহত কামৰূপত ব্যাপক কলেৰাত ২৭জন লোকৰ মৃত্যু।

- পুলিচৰ গুলীচালনাক লৈ হোৱা উত্তপ্ত পৰিস্থিতিৰ কাৰণে ২৪ ঘণ্টাৰ বাবে গুৱাহাটীত সান্ধ্য আইন জাৰি।

৪ জুলাই ঃ কটন কলেজৰ ছাত্ৰাবাসৰ ভিতৰত পুলিচে অতৰ্কিতে আৰু অপ্ৰৰোচিতভাৱে গুলীবৰ্ষণ কৰি ৰঞ্জিৎ বৰপূজাৰী নামৰ এজন নিৰীহ ছাত্ৰক নিহত আৰু আন ছজনক আহত কৰে। ভাষা আন্দোলন তীব্ৰতৰ।

- পুলিচ আৰু ৰাইজৰ মাজত হোৱা সংঘৰ্ষৰ কাৰণে গুৱাহাটীত ২৪ ঘণ্টাৰ সান্ধ্য আইন বলৱৎ।

৯ জুলাই ঃ ৪ জুলাইৰ গুলীচালনাৰ ঘটনাৰ তদন্ত কৰিবলৈ ন্যায়াধীশ গোপাল মেহৰোত্ৰাৰ অধীনত এখন আয়োগ গঠন।

২২ জুলাই ঃ অসমত অসমীয়া ভাষা ৰাজ্যভাষা হ'ব লাগিব বুলি প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে অসমৰ জনসাধাৰণৰ দাবীৰ সপক্ষে ঘোষণা কৰে।

২৯ জুলাই ঃ নাহৰকটীয়াত নাহৰকটীয়া থাৰ্মেল পাৱাৰ ষ্টেচন নিৰ্মাণৰ বাবে ভাৰত চৰকাৰৰ অনুমোদন। এই নিৰ্মাণত প্ৰায় ৯ কোটি ২৭ লাখ টকা ব্যয় ধাৰ্য।

১২ আগষ্ট ঃ ৰাজ্যভাষা আন্দোলনৰ অশান্তিৰ তদন্তৰ নামত সামৰিক বাহিনীৰ দ্বাৰা তিনি হাজাৰৰো অধিক নিৰীহ খেতিয়ক আৰু ছাত্ৰক গ্ৰেপ্তাৰ।

২ ছেপ্টেম্বৰ ঃ অসমৰ ভাষা সমস্যা, আইন-শৃংখলা ৰক্ষা আৰু ভগনীয়াৰ পুনৰ সংস্থাপন সম্পৰ্কে কেন্দ্ৰীয় আৰু অসম চৰকাৰৰ মাজত হোৱা আলোচনাত চাৰিদফীয়া আঁচনি ঘোষণা।

১০ অক্টোবৰ ঃ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই ৰাজ্যিক বিধান সভাত অসমৰ চৰকাৰী ভাষা দ্বিভাষী ভাষা বিল উত্থাপন কৰে। বিল উত্থাপনৰ সময়ত সদনৰ মুঠ ১৫জন পাৰ্বত্য জিলাৰ সদস্যৰ ভিতৰত ৯জনে আৰু কাছাৰৰ এজন পি এছ পি সদস্যই

কৰা হয়। এই শোধনাগাৰ স্থাপনৰ বাবে সঁজুলি, কাৰিকৰী লোক আৰু প্ৰশিক্ষণ আঁচনিৰ ব্যয় বহনৰ ক্ষেত্ৰত ৰোমানিয়াই পাঁচ কোটি টকাৰ বৈদেশিক বিনিময় ঋণ দিয়ে। ভাৰতে এই ঋণৰ পোন্ধৰ শতাংশ ১৯৬১ চনত পৰিশোধ কৰে আৰু বাকীখিনি ছটা ছমহীয়া কিস্তিত আদায় দিয়ে। উল্লেখযোগ্য যে প্ৰথমতে শোধনাগাৰটো আমিনগাঁৱত স্থাপনৰ যো-জা চলিছিল যদিও শেষ মুহূৰ্তত নুনমাটিকে বিবেচনা কৰা হয়। ১৯৬০ চনৰ ১৪ ফেব্ৰুৱাৰীৰ পৰা হিন্দুস্থান নিৰ্মাণ সংস্থাই শোধনাগাৰৰ নিৰ্মাণ কাৰ্যত হাত দিয়ে। ১৯৬২ চনৰ পহিলা জানুৱাৰীত ভাৰতৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে আনুষ্ঠানিকভাৱে তেল শোধনাগাৰটো উদ্বোধন কৰি জাতিৰ নামত উছৰ্গা কৰে।

সদন ত্যাগ কৰে।

১১ অক্টোবৰ ঃ অসমক দ্বিভাষী ৰাজ্যত পৰিণত কৰাৰ কাৰণে গোটেই অসমতে অসন্তুষ্টিয়ে দেখা দিয়ে আৰু সকলো শ্ৰেণীৰ লোকে তীব্ৰ সমালোচনা কৰে।

১৪ অক্টোবৰ ঃ অসমীয়াক একমাত্ৰ ভাষা কৰিবলৈ প্ৰদেশ কংগ্ৰেছৰ সিদ্ধান্ত।

২৪ অক্টোবৰ ঃ অসম চৰকাৰী ভাষা বিল অসম বিধানসভাত গ্ৰহণ। বিলখনত অসমীয়া ভাষাক ৰাজ্যৰ সকলো বা যিকোনো চৰকাৰী কাৰ্যত ব্যৱহাৰ কৰাৰ বিধান দিয়া হয়। সন্নিৱিষ্ট কৰা হয় যে হিন্দী ভাষাই ইংৰাজীৰ স্থান নোলোৱাপৰ্যন্ত ইংৰাজী ভাষাও ৰাজ্যৰ সচিবালয় আৰু বিভাগীয় মুৰব্বীৰ কাৰ্যালয়ত চলি থাকিব।

১৭ নৱেম্বৰ ঃ শ্বিলঙত ভূতত্ত্ব জৰীপ কেন্দ্ৰৰ দুৱাৰ মুকলি কৰে অসমৰ জনজাতীয় আৰু পৰিবহণ বিভাগৰ মন্ত্ৰী মাহাম সিঙে।

২৫ নৱেম্বৰ ঃ কেন্দ্ৰৰ দ্বাৰা অসমৰ ৰাজ্যভাষা বিল সমৰ্থন।

১৮ ডিচেম্বৰ ঃ অসম চৰকাৰী খণ্ডৰ জাগীৰোডত প্ৰতিষ্ঠিত সৰ্বপ্ৰথম ৰেচম সূতাকল মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাৰ দ্বাৰা উদ্বোধন।

স্বাধীন ভাৰতবৰ্ষৰ অসম মন্ত্ৰীসভা আৰু প্ৰথম সাধাৰণ নিৰ্বাচন

১৯৫০ চনৰ ২৬ জানুৱাৰীত ভাৰতবৰ্ষৰ সংবিধান কাৰ্যকৰী হোৱাৰ দিনাখনেই আনুষ্ঠানিক স্বাৰ্থত গোপীনাথ বৰদলৈ মন্ত্ৰীসভাই পদত্যাগ কৰে আৰু একেদিনাখনেই এখন নতুন মন্ত্ৰীসভাই শপত লয়। এই নতুন মন্ত্ৰীসভাৰ সদস্যসকল আছিল ক্ৰমে গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, নিকল্‌ছ ৰয়, ৰামনাথ দাস, ৰূপনাথ ব্ৰহ্ম, আব্দুল

মতলিব মজুমদাৰ আৰু অমিয় কুমাৰ দাস। ইতিমধ্যে চিলেট জিলাখন পাকিস্তানৰ অন্তৰ্ভুক্ত হৈ পৰাৰ বাবে বসন্ত কুমাৰ দাস, বৈদ্যনাথ মুখাৰ্জী আৰু আব্দুল ৰশ্বিদক মন্ত্ৰীসভাৰ পৰা বাদ দিয়া হৈছিল। গোপীনাথ বৰদলৈ নেতৃত্বাধীন এই মন্ত্ৰীসভাত কেবিনেট মন্ত্ৰীৰ মৰ্যাদা পাবলৈ দেৱেশ্বৰ শৰ্মায়ো আশা কৰিছিল যদিও বৰদলৈয়ে তেওঁক অধ্যক্ষৰ পদটিহে আগবঢ়াইছিল আৰু ইয়াতে দেৱেশ্বৰ শৰ্মা ক্ষুণ্ণ হৈছিল।

১৯৪৬ চনলৈ অসমত যিটো কংগ্ৰেছ দল আছিল, তাত ভালেমান বিসম্বাদে দেখা দিছিল। ইয়াৰে প্ৰথমটো বিসম্বাদী দলৰ নেতৃত্বত আছিল দেৱেশ্বৰ শৰ্মা। শৰ্মাৰ বৰদলৈৰ প্ৰতি থকা বিদ্বেষ মূলতঃ বাংলা তথা মুছলমান বিদ্বেষৰ এক ফল বুলি বহুতে ক'ব বিচাৰে যদিও শৰ্মাৰ নিজা আপত্তিটো আছিল বৰদলৈৰ কাম-কাজৰ ধৰণৰ প্ৰতিহে। শৰ্মাৰ অভিযোগ আছিল এয়ে যে বৰদলৈৰ অবিবেচক আৰু অপৰিণামদৰ্শিতাৰ বাবে কংগ্ৰেছ দলটোৰ ভালেমান ক্ষতি হৈছে আৰু সেইবাবেহে তেওঁ বৰদলৈৰ কাম-কাজৰ ক্ষেত্ৰত সন্তুষ্ট নহয়। অৱশ্যে শৰ্মাৰ এই বক্তব্যক নাকচ কৰি গৱেষক এচামে ক'ব বিচাৰে যে দেৱেশ্বৰ শৰ্মাৰ এই আপত্তিৰ উদ্ভৱ হৈছিল মূলতঃ তেওঁ বিচৰা ধৰণে ক্ষমতা নোপোৱাৰ বাবেহে। এই আভ্যন্তৰীণ দ্বন্দ্ব আঁতৰ কৰাৰ স্বাৰ্থত বৰদলৈৰ পৰামৰ্শক্ৰমে শৰ্মাক মণিপুৰত ভাৰত চৰকাৰৰ ডমিনিয়ন এজেণ্ট হিচাপে নিয়োগ কৰা হয় যদিও তেওঁ সৰহদিন সেই পদত থাকিব নোৱাৰিলে। মণিপুৰীসকলে শৰ্মাৰ প্ৰতি তীব্ৰ বিযোদ্গাৰ প্ৰকট কৰিছিল আৰু ইয়াৰ ফলত বৰদলৈক নোসোধাকৈ অসমৰ ৰাজ্যপাল আকবৰ হাইদৰীয়ে এজেণ্টৰ পদটিৰ অৱলুপ্তি ঘটায়। এই কাৰ্যত গোপীনাথ বৰদলৈ অসন্তুষ্ট হৈ পৰে আৰু শৰ্মাৰ পদটো নোহোৱা কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ পদ ইস্তফা দিব বুলি অনানুষ্ঠানিকভাৱে বল্লভভাই পেটেলক সতৰ্ক কৰি দিয়ে। ইয়াৰ পিচতে দেৱেশ্বৰ শৰ্মা অসম প্ৰদেশ

কংগ্ৰেছ কমিটীৰ সভাপতি নিৰ্বাচিত হয়।

কংগ্ৰেছৰ ভিতৰত বৰদলৈৰ বিৰোধিতা কৰা লোকসকলৰ ভিতৰত আনজন আছিল বিষ্ণুৰাম মেধি। বৰদলৈৰ জাতীয়তাবাদী চিন্তাৰ বিপৰীতে মেধিৰ দৃষ্টিভংগী আছিল সম্পূৰ্ণ প্ৰাদেশিক বা আঞ্চলিক। বৰদলৈয়ে পৰিমিত ৰূপত পাকিস্তানৰ পৰা অসমলৈ শৰণাৰ্থী অহাটো সমৰ্থন কৰিছিল, অথচ এইক্ষেত্ৰত বিষ্ণুৰাম মেধিৰ স্থিতি আছিল একেবাৰে আঁকোৰগোঁজ ধৰণৰ। অকৰ্তৃত্বশীলভাৱে যিসকল লোকে অসমৰ মাটি দখল কৰি বহি লৈছে সেইসকলক তাৎক্ষণিকভাৱে উচ্ছেদ কৰাৰ পক্ষত মেধি সৰৱ আছিল। তদুপৰি আহোম মহাসভাৰ লেখীয়া গোষ্ঠীগত চেতনাক প্ৰশ্ৰয় দিয়া সংগঠনৰ সৈতে বুজা-পৰা নকৰিবলৈও মেধিয়ে বৰদলৈক সতৰ্ক কৰি দিছিল। অৱশ্যে এই সভাৰ সৈতে বৰদলৈয়ে মিত্ৰতা স্থাপন কৰাৰ ফলতে এই আহোম মহাসভা ক্ৰমাৎ দুৰ্বল হৈ পৰিছিল আৰু পৰোক্ষভাৱে বিভাজনৰ নীতিৰে কংগ্ৰেছ দলটোৱে সংগঠনটোক ভাঙি দি নিজৰ শক্তি বৃদ্ধি কৰিব পাৰিছিল।

স্বাধীনতাৰ পিচত গঠন হোৱা এই মন্ত্ৰীসভাত আন একাংশই সম্পূৰ্ণ ব্যক্তিগত কাৰণত বৰদলৈৰ বিৰোধিতা কৰিছিল আৰু তেনে লোকে মন্ত্ৰিত্বৰ পদ পোৱাৰ পিচত তেনে বিৰোধিতা পৰিত্যাগ কৰাটোও দৃষ্টিগোচৰ হৈছিল। অৰ্থাৎ এইসকল কংগ্ৰেছ নেতাই আদৰ্শগত কাৰণত বা সাংগঠনিক কাৰণত গোপীনাথ বৰদলৈৰ বিৰোধিতা কৰা নাছিল। তেওঁলোকৰ এই বিৰোধিতা আছিল সম্পূৰ্ণৰূপে ব্যক্তিগত আকাংক্ষাকেন্দ্ৰিক। অৱশ্যে সিদ্ধিনাথ শৰ্মা, বিজয় চন্দ্ৰ ভাগৱতী, বিমলা প্ৰসাদ চলিহা, অমিয় কুমাৰ দাস আৰু মহেন্দ্ৰ মোহন চৌধুৰীৰ লেখীয়া কংগ্ৰেছীসকলৰ পৰা বৰদলৈয়ে অকুণ্ঠ সমৰ্থন লাভ কৰিব পাৰিছিল। তৎসত্ত্বেও দলৰ মাজত দেখা দিয়া তীব্ৰ বিৰোধিতাৰ বাবেই বৰদলৈ কামৰূপ জিলা কংগ্ৰেছ কমিটীৰ নিৰ্বাচনত পৰাজিত হয় আৰু এই

পৰাজয় সহ্য কৰিব নোৱাৰি মুখ্যমন্ত্ৰীৰ পদবী এৰি দিবলৈ পদত্যাগপত্ৰ প্ৰদান কৰে। অৱশ্যে কংগ্ৰেছ দলৰ শীৰ্ষ নেতৃত্ব বা হাইকমাণ্ডে এই পদত্যাগ গ্ৰহণ নকৰিলে। এই ঘটনাৰ পিচতো বৰদলৈয়ে কেইবাবাৰো মুখ্যমন্ত্ৰীৰ পদবী এৰি দিব খুজিছিল, কিন্তু এইক্ষেত্ৰত বিষ্ণুৰাম মেধিয়ে তেওঁক পদত্যাগ উঠাই ল'বলৈ সৈমান কৰিবলৈ সক্ষম হৈছিল বাবেহে তেওঁৰ সেই উদ্দেশ্য সফলকাম নহ'ল। মেধিৰ বক্তব্য আছিল এয়ে যে বৰদলৈয়ে মুখ্যমন্ত্ৰীৰ পদবীটো এৰি দিলে সকলোৱে মেধিৰ মুখ্যমন্ত্ৰিত্বৰ লালসাৰ বাবেহে এনে হৈছে বুলি তেওঁলৈ আঙুলি টোঁৱাব আৰু এনে কুৎসা কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে।

সি যি নহওক ১৯৫০ চনৰ আগষ্ট মাহত গোপীনাথ বৰদলৈৰ আকস্মিক মৃত্যু ঘটাত বিষ্ণুৰাম মেধিক ভাৰপ্ৰাপ্ত মুখ্যমন্ত্ৰীৰ দায়িত্ব দিয়া হয়। ইয়াৰ পিচতে তেওঁ কংগ্ৰেছ বিধায়িনী দলৰ নেতা নিৰ্বাচিত হয় আৰু ৯ আগষ্টত নতুন চৰকাৰ গঠন কৰে। চৰকাৰ গঠন হোৱাৰ পিচত মেধিয়েও পূৰ্বৰ লেখীয়াকৈ আভ্যন্তৰীণ দলীয় বিৰোধিতাৰ মুখামুখি হ'ব লগাত পৰে আৰু এইবাৰ এই বিৰোধিতাৰ নেতৃত্ব পুনৰ দেৱেশ্বৰ শৰ্মাই লয়। ১৯৫২ চনৰ সাধাৰণ নিৰ্বাচনপৰ্যন্ত বিষ্ণুৰাম মেধিয়ে দেৱেশ্বৰ শৰ্মাৰ এই বিৰোধিতা সহ্য কৰি যাব লগাত পৰে।

১৯৫২ চনৰ সাধাৰণ নিৰ্বাচনত কংগ্ৰেছ দলে নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰিবলৈ সক্ষম হয়। ১০৮ জনীয়া বিধানসভাৰ ৭৬খন আসনতে কংগ্ৰেছ দলে বিজয় সাব্যস্ত কৰে। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল এই নিৰ্বাচনত মেধিবিৰোধী বেছিভাগ কংগ্ৰেছীয়ে লোকসভাৰ আসনত প্ৰতিদ্বন্দ্বিতা কৰা হেতুকে তেওঁ ক্ৰমে দলীয় বিসম্বাদৰ পৰা মুক্তি পোৱা যেন হ'ল। ১৯৫২ চনৰ ২৩ ফেব্ৰুৱাৰীত মেধি মন্ত্ৰীসভাই পদত্যাগ কৰে আৰু ২৫ ফেব্ৰুৱাৰীত নতুন মন্ত্ৰীসভাই শপত লয়। বিষ্ণুৰাম মেধি নেতৃত্বাধীন এই দ্বিতীয় মন্ত্ৰীসভা পূৰ্বৰ প্ৰথম মন্ত্ৰীসভাৰ

তুলনাত সংখ্যাগত আকাৰত বৃহৎ আছিল আৰু এই মন্ত্ৰীসভাত তেওঁ তিনিজন নতুন লোকক সন্নিৱিষ্ট কৰিছিল। কেবিনেট মন্ত্ৰীসকলৰ লগতে বিষ্ণুৰাম মেধিয়ে এটি উপ-মুখ্যমন্ত্ৰীৰ পদবী তথা সংসদীয় সচিব নামৰ তৃতীয় পৰ্যায়ৰ পদবীৰ এক স্তৰো সৃষ্টি কৰি লৈছিল। এই মন্ত্ৰীসভাত ১৭জন মন্ত্ৰীয়ে স্থান পাইছিল অৰ্থাৎ প্ৰতি চাৰিজন বিধায়িনী সদস্যৰ ভিতৰত এজনে হ'লেও পদবী বা আন বাব লাভ কৰিবলৈ সক্ষম হৈছিল।

এই দ্বিতীয় মেধি মন্ত্ৰীসভাৰ কালছোৱাতে অসমৰ ৰাজনৈতিক ইতিহাসৰ কিছুমান গুৰুত্বপূৰ্ণ পৰিঘটনা সংঘটিত হয়। প্ৰথমতে ১৯৫৫ চনত মহেন্দ্ৰ মোহন চৌধুৰী প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি নিৰ্বাচিত হোৱাৰ পিচত মিজো পাহাৰৰ ছাপ্ৰাৱাংগাই চৌধুৰীৰ কাৰ্যকলাপত অসন্তুষ্টি প্ৰকাশ কৰি পদত্যাগ কৰে। ছাপ্ৰাৱাংগাক কোনোধৰণৰ গুৰুত্বপূৰ্ণ দায়িত্ব তথা পদবী প্ৰদান কৰা হোৱা নাছিল বাবেও এই অসন্তুষ্টি দেখুওৱা হৈছিল। একেদৰে ৰেভাৰেণ্ড নিকল্‌ছ ৰয়ে এই সময়তে কংগ্ৰেছ দলৰ পৰা ক্ৰমান্বয়ে আঁতৰি আহে আৰু সৰ্বশেষত ইস্তফা প্ৰদান কৰে। জনজাতীয় লোকসকলক অসমৰ ভিতৰত ধৰি ৰখাত অহোপুৰুষাৰ্থ কৰা তথা ভাৰতবৰ্ষৰ সংবিধানৰ ষষ্ঠ অনুসূচীৰ এগৰাকী মূল প্ৰবক্তা ৰয়ক জনজাতীয়সকলৰ প্ৰশাসনৰ দায়িত্ব দিয়া হোৱা নাছিল আৰু এই দায়িত্ব মুখ্যমন্ত্ৰীজনে নিজৰ হাতত ৰাখি থৈছিল। নিকল্‌ছ ৰয়ে খাছিসকলক অধিক প্ৰাধান্য দিয়া বুলি এক অভিযোগ উঠিছিল আৰু সেয়েহে সেই দায়িত্ব মুখ্যমন্ত্ৰীজনে নিজৰ হাতত ৰাখি থোৱা বুলি ক'ব বিচৰা হৈছিল যদিও এই যুক্তি সৰহপৰ নিটিকিল। মেধি মন্ত্ৰীসভাত জনজাতীয় বিদ্বেষৰ এক উকমুকনি হোৱা বুলি জনজাতীয় নেতাসকলে অনুভৱ কৰিছিল আৰু তাৰে পৰিণতিত উল্লিখিত সংঘাত আৰু ক্ৰমাগত বিচ্ছিন্ন হোৱাৰ প্ৰৱণতাবোৰে ভুমুকি মাৰিবলৈ ধৰেহি।

পমুৱা মুছলমানসকলক উচ্ছেদ কৰা তথা লাইন ব্যৱস্থা প্ৰয়োগ কৰাৰ বাবে মেধিয়ে মুছলমানসকলৰ ৰোষত পৰিছিল। তদুপৰি মন্ত্ৰীসভাত মুছলমানৰ প্ৰতিনিধিত্ব যথাযথ নহয় বুলি তেওঁলোকে অনুভৱ কৰিছিল। একেদৰে জনজাতীয় নেতাসকলো মেধিৰ কৰ্মকাণ্ডত সন্তুষ্ট নাছিল। জিলা পৰিষদৰ কাম-কাজত হস্তক্ষেপ কৰা তথা পৰিষদৰ সদস্য হিচাপে অজনজাতীয় লোকক মনোনীত কৰাক লৈ জনজাতীয় লোকসকল ক্ষুণ্ণ হৈ পৰিছিল।

এনে এক প্ৰেক্ষাপটত দেৱকান্ত বৰুৱা, কামাখ্যা প্ৰসাদ ত্ৰিপাঠী আৰু মহেন্দ্ৰ মোহন চৌধুৰীয়ে মেধিক মুখ্যমন্ত্ৰীৰ পদবীৰ পৰা অপসাৰণ কৰাৰ বাবে পৰিকল্পনা কৰে। এই পৰিকল্পনাৰ মুখ্য সমৰ্থকৰ ৰূপত থিয় দিয়েহি বিমলা প্ৰসাদ চলিহা আৰু দেৱেশ্বৰ শৰ্মা। ১৯৫৬ চনত এইসকল লোকে ৰাজ্যৰ ৰাজনীতিলৈ প্ৰত্যাৱৰ্তন কৰে আৰু ১৯৫৭ চনত হ'ব লগা বিধানসভাৰ নিৰ্বাচনৰ বাবে টিকট বিচাৰে। বিধানসভাত কংগ্ৰেছক নেতৃত্ব দিয়াৰ বাবে বিমলা প্ৰসাদ চলিহাৰ নাম উচ্চাৰিত হৈছিল।

কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি ধেবৰে এটা কথাত পতিয়ন গৈছিল যে মেধিৰ কাৰ্যকালত কংগ্ৰেছৰ ভাবমূৰ্তি ভালেখিনি ম্লান পৰিছে আৰু সেয়েহে তেওঁক সম্ভাব্য মুখ্যমন্ত্ৰী হিচাপে পুনৰায় প্ৰক্ষেপ কৰিলে জাতীয় কংগ্ৰেছে অসমত বিপৰ্যয়ৰ মুখামুখি হ'ব লগাত পৰিব পাৰে। সেয়েহে ধেবৰে মেধিৰ বিৰোধীসকলৰ যুক্তিত পতিয়ন গৈ তেওঁক মুখ্যমন্ত্ৰিত্বৰ পৰা অৱসৰ ল'বলৈ উপদেশ আগবঢ়ালে। মেধিয়ে এইক্ষেত্ৰত ধেবৰৰ আগত এটি চৰ্ত ৰাখে আৰু কয় যে ১৯৫৭ চনৰ নিৰ্বাচন তেওঁৰ নেতৃত্বতে হ'ব আৰু চৰকাৰ গঠনৰ এমাহৰ পিচত তেওঁ অৱসৰ ল'ব।

এই চৰ্তই কংগ্ৰেছৰ ভিতৰভাগত তুমুল বিতৰ্কৰ সৃষ্টি কৰে। অৱশেষত নিৰ্বাচনত চলিহাপন্থী কেইবাজনো কংগ্ৰেছীৰ পৰাজয় ঘটাত

দলটোৰ ভিতৰত মেধিৰ আধিপত্য কায়েম হ'ল। আনকি বিধানসভাৰ এই নিৰ্বাচনত বিমলা প্ৰসাদ চলিহাই পৰাজয় বৰণ কৰিব লগাত পৰিল। ১৯৫৭ চনৰ ১০ ফেব্ৰুৱাৰীত কংগ্ৰেছ বিধায়িনী দলৰ নেতা নিৰ্বাচনত বিষ্ণুৰাম মেধিয়ে দেৱেশ্বৰ শৰ্মাক ৩৯-৩১টা ভোটৰ ব্যৱধানত পৰাজিত কৰি নেতৃত্ব লাভ কৰে। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল ১৯৫০ আৰু ১৯৫২ চনৰ দলীয় নেতা নিৰ্বাচনত মেধিয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছিল।

দলৰ ভিতৰত চলা আভ্যন্তৰীণ বিপদ, উজনি-নামনি অসমৰ নেতাৰ আধিপত্যৰ বাবে চলা কন্দল আদিয়ে এই সময়ছোৱাত কংগ্ৰেছ দলটোক সকলো দিশৰ পৰা গ্ৰাস কৰি আনিছিল। মেধিৰ বিৰোধীসকলে পোনতে দলীয় নেতৃত্বৰ বাবে মহেন্দ্ৰ মোহন চৌধুৰীক থিয় কৰাই নামনি অসমৰ কংগ্ৰেছীসকলৰ মাজত বিভাজন আনিব বিচাৰিছিল যদিও চৌধুৰীয়ে প্ৰতিদ্বন্দ্বিতাত নামিবলৈ সন্মতি প্ৰদান নকৰিলে। এনে এক পৰিস্থিতিতহে দেৱেশ্বৰ শৰ্মাক নিৰ্বাচনত নমোৱা হৈছিল।

সি যি নহওক, ১৯৫৭ চনৰ সাধাৰণ নিৰ্বাচনত কংগ্ৰেছ দলে জয়লাভ কৰাৰ পিচত দলীয় বিসম্বাদ প্ৰতিহত কৰাৰ স্বাৰ্থত বিষ্ণুৰাম মেধিৰ মন্ত্ৰীসভাত ভালেমান নতুন মুখ সন্নিৱিষ্ট হ'ল। অমিয় কুমাৰ দাস, ৰামনাথ দাস আৰু আব্দুল মতলিব মজুমদাৰক মন্ত্ৰীসভাৰ পৰা বাদ দিয়া হ'ল আৰু পাঁচজন নতুন লোকক মন্ত্ৰীসভাত স্থান দিয়া হ'ল। এইসকলৰ তিনিজন আছিল চলিহাপন্থী। ছগৰাকী উপ-মন্ত্ৰীকো নতুনকৈ স্থান দিয়া হৈছিল। নজনীয়া কেবিনেটৰ এগৰাকী মুছলিম, এগৰাকী জনজাতীয় আৰু বাকীসকল হিন্দু আছিল। এই সময়ত আন কিছুমান গুৰুত্বপূৰ্ণ ঘটনাও সংঘটিত হয়। ১৯৫৫ চনত মহেন্দ্ৰ মোহন চৌধুৰীয়ে মন্ত্ৰীসভাৰ পৰা পদত্যাগ কৰে। একেদৰে ১৯৫৬ চনত নিকল্ছ ৰয়ে কংগ্ৰেছ ত্যাগ কৰে। কংগ্ৰেছৰ ভিতৰত ঘটা আভ্যন্তৰীণ কন্দলৰ বাবে বিষ্ণুৰাম মেধিৰ মুখ্যমন্ত্ৰিত্বৰ কালছোৱা অজস্ৰ ৰাজনৈতিক উত্থান-

পতনৰ ঘটনাৰে পৰিপূৰ্ণ আছিল।

১৯৫২ চনৰ লোকসভাৰ নিৰ্বাচনত অসমৰ পৰা নিৰ্বাচিত সদস্যসকল

লোকসভা সমষ্টি	নিৰ্বাচিত সদস্যসকল	দল
স্বায়ত্তশাসিত জিলা (এছ টি)	শ্ৰীমতী বনেলী খংমেন	কংগ্ৰেছ
বৰপেটা	বেলিৰাম দাস	কংগ্ৰেছ
কাছাৰৰ লুছাই পাহাৰ	এছ চি দেৱ	কংগ্ৰেছ
কাছাৰ-লুছাই	নিবাৰণ চন্দ্ৰ লস্কৰ	কংগ্ৰেছ
দৰং	কামাখ্যা প্ৰসাদ ত্ৰিপাঠী	কংগ্ৰেছ
ডিব্ৰুগড়	যোগেন্দ্ৰ নাথ হাজৰিকা	কংগ্ৰেছ
গোৱালপাৰা-গাৰো পাহাৰ	আমজাদ আলী	ছচিয়েলিষ্ট
গুৱাহাটী	ৰোহিণী কুমাৰ চৌধুৰী	কংগ্ৰেছ
গোৱালপাৰা-গাৰো পাহ্বৰ (এছ টি)	সীতানাথ ব্ৰহ্মচৌধুৰী	কংগ্ৰেছ
গোলাঘাট-যোৰহাট	দেৱেশ্বৰ শৰ্মা	কংগ্ৰেছ
নগাঁও	দেৱকান্ত বৰুৱা	কংগ্ৰেছ
শিৱসাগৰ-উত্তৰ লখিমপুৰ	সুৰেন্দ্ৰনাথ বুঢ়াগোহাঁই	কংগ্ৰেছ

ৰাজ্যভাষা আন্দোলন

১৯৬০ চনত অসমত ৰাজ্যভাষা অসমীয়া হ'ব লাগে বুলি যি এক আন্দোলনৰ সূত্ৰপাত হৈছিল তাৰ এক ঐতিহাসিক পটভূমি থকাৰ লগতে এই ঘটনাৰ পৰিণতিত অসমত সংঘটিত হৈছিল কেইবাটাও ৰাজনৈতিক-সামাজিক পৰিঘটনাৰ। অসমীয়া ভাষাক ৰাজ্যভাষাৰ মৰ্যাদা দিব লাগে বুলি উঠা দাবীটোৰ যি এক ঐতিহাসিক ন্যায্যতা আছিল একেদৰে বহুসংখ্যক ক্ষুদ্ৰ-বৃহৎ জনগোষ্ঠীৰ মাজত এই দাবীটোৱে বিৰূপ প্ৰতিক্ৰিয়াৰো সৃষ্টি কৰিছিল। অসমৰ পৰা পৃথক হৈ ৰাজ্য গঠন কৰা প্ৰৱণতাকো এই ৰাজ্যভাষা আন্দোলনে ত্বৰান্বিত কৰিছিল বুলি বহুতে ক'ব খোজে।

১৯৫৬ চনৰ ৰাজ্য পুনৰ্গঠন প্ৰক্ৰিয়াই ভাৰতবৰ্ষত ভাষাভিত্তিক ৰাজ্য গঠন কৰাৰ যি আৰম্ভণি ঘটাইছিল সিয়ে কিন্তু ৰাজ্যসমূহৰ ভিতৰত চলি থকা আভ্যন্তৰীণ ভাষাভিত্তিক দ্বন্দ্বৰ সমাধান কৰিব পৰা নাছিল। আনকি আয়োগেও এই কথা স্বীকাৰ কৰি কৈছিল যে যদিও ভাষাৰ ভিত্তিতে ৰাজ্যসমূহৰ সীমা নিৰ্ধাৰণ কৰিবলৈ বিচৰা হৈছে সিয়ে কিন্তু ৰাজ্যসমূহৰ ক্ষুদ্ৰ ভাষিক গোষ্ঠীবোৰক সন্তুষ্ট কৰিব পৰা নাই। বৰঞ্চ এই প্ৰক্ৰিয়াৰ জৰিয়তে ৰাজ্য গঠন হোৱাৰ পিচত বিভিন্ন প্ৰান্তত ক্ষুদ্ৰ ভাষিক গোষ্ঠীবোৰৰ মাজত অসন্তোষে ক্ৰিয়া কৰিছিল আৰু স্বকীয় ভাষাভিত্তিক অথবা নৃগোষ্ঠীয় সত্তাৰ আধাৰত জাতীয়তাবাদ গঢ়াৰ এটি প্ৰৱণতাৰ সূচনা হোৱা দেখা গৈছিল।

ভাষাৰ ভিত্তিত প্ৰদেশবোৰ গঠন কৰাৰ ধাৰণাটোৱে ব্ৰিটিছৰ শাসনৰ সময়ছোৱাত বৰ বিশেষ গুৰুত্ব লাভ কৰিব পৰা নাছিল। ১৯১৭ চনত কলিকতাত অনুষ্ঠিত কংগ্ৰেছ অধিৱেশনতহে এই বিষয়টোৱে পোনপ্ৰথমবাৰৰ বাবে আনুষ্ঠানিকভাৱে চৰ্চিত হয়। কংগ্ৰেছে এই মত প্ৰকাশ কৰিলে যে ভাষাৰ ওপৰত সামান্যতমো গুৰুত্ব নিদিয়াকৈ ব্ৰিটিছে যিধৰণে ভাৰতবৰ্ষৰ প্ৰশাসন চলাইছে, সি স্বেচ্ছাচাৰীমূলক আৰু ইয়ে ঔপনিৱেশিক প্ৰশাসকসকলৰ বিভাজনৰ ৰাজনীতিহে উন্মোচিত কৰিছে। ভাৰতবৰ্ষৰ প্ৰেক্ষাপটত ভাষাই সংস্কৃতি, জাতি, বুৰঞ্জী, ব্যক্তিসত্তা আৰু সৰ্বশেষত এক উপ-জাতিক প্ৰতিনিধিত্ব কৰে বুলি এচাম কংগ্ৰেছী নেতাই মত পোষণ কৰা দেখা গৈছিল। গান্ধীজীৰ নেতৃত্বত কংগ্ৰেছে অনুভৱ কৰিবলৈ লৈছিল যে যদিহে কংগ্ৰেছক এক গণ সংগঠন হিচাপে গঢ়ি তুলিব লগা হয় তেন্তে ভাষাভিত্তিক জাতীয়তাবাদী চেতনাক এক যথাযথ ব্যৱস্থাৰ মাজেৰে সম্পৰ্কিত কৰি তুলিব লাগিব আৰু ৰাজনৈতিক ভাব-বিনিময় তথা মতাদৰ্শ গঢ়াৰ বাবে জাতীয় ভাষাক এক মাধ্যম কৰিব পাৰিব লাগিব। অৱশ্যে কংগ্ৰেছ দলে এই বিষয়ত কোনো এক নিৰ্দিষ্ট আঁচনি গ্ৰহণ কৰিব পৰা নাছিল। তথাপি বিভিন্ন প্ৰদেশবোৰক ভাষাৰ ভিত্তিত পুনৰ্গঠন কৰিবলৈ দলটোৱে সময়ে সময়ে

বিভিন্ন সিদ্ধান্ত গ্ৰহণ কৰিছিল। ভাষাকেন্দ্ৰিক এই নীতিৰ জৰিয়তে কংগ্ৰেছে প্ৰশাসনিক আৰু ৰাজনৈতিকভাৱে প্ৰদেশবোৰ গঠন কৰিবলৈ চাইছিল আৰু ইয়াৰ জৰিয়তে কংগ্ৰেছ দলটোৱে এটি মধ্যবিত্তীয় সংগঠনৰ পৰা গণ সংগঠনলৈ ৰূপান্তৰিত হোৱাৰ অৱকাশ গঢ়ি তুলিছিল।

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিচত কংগ্ৰেছ দলটোৱে ইয়াৰ পূৰ্বৰ স্থিতিৰ পৰা ভালেখিনি আঁতৰি আহে আৰু ভাৰতীয় জাতীয়তাবাদ গঢ়াৰ স্বাৰ্থত ভাষাৰ ভিত্তিত ৰাজ্যসমূহৰ পুনৰ্গঠন কৰা পৰিকল্পনাক একাষৰীয়া কৰাৰ প্ৰৱণতা প্ৰকট কৰে। আনকি এনেধৰণৰ পুনৰ্গঠনক কেন্দ্ৰীয় চৰকাৰখনে বিভিন্নধৰণে বাধাহে প্ৰদান কৰিবলৈ আৰম্ভ কৰিলে। ইয়াৰ পৰিণতিত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত পশ্চাদপদ আৰু সামান্য পৰিমাণে অথবা একেবাৰে বিকাশৰ সুযোগ লাভ কৰিব নোৱৰা ভাষিক সংখ্যালঘুসকলে তেওঁলোকৰ অধিকাৰসমূহক লৈ সচেতন হৈ পৰিল আৰু তেওঁলোকৰ সুকীয়া সত্তাৰ স্বাৰ্থত পুনৰ্গঠনৰ দাবীটো জোৰদাৰ কৰি তুলিলে। ফলত ৰাজ্য পুনৰ্গঠন আয়োগে দ্বিধা প্ৰকট কৰাৰ পিচতো কিন্তু ভাষাৰ ভিত্তিত ৰাজ্যসমূহৰ পুনৰ্গঠন কৰা সিদ্ধান্তক মানি ল'ব লগাত পৰিল। যদিও এই ভাষাভিত্তিক স্বতন্ত্ৰতাক আনুষ্ঠানিকভাৱে স্বীকাৰ কৰি লোৱা হোৱা নাছিল, তথাপি ভাৰতবৰ্ষক ইয়াৰ আধাৰতে বিভিন্ন ৰাজ্যত বিভাজিত কৰা হ'ল আৰু পোনতে ১৪খন প্ৰদেশৰ জন্ম দিয়া হয়। কিছু বছৰৰ ভিতৰতে এই সংখ্যা ২৫খনলৈ বৃদ্ধি পালে।

অসমৰ প্ৰেক্ষাপট

১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ পিচত অসমক বংগৰ সৈতে সন্নিৱিষ্ট কৰা হয় আৰু ১৮৭৫ চনপৰ্যন্ত ইয়াক বংগীয় প্ৰশাসনৰ অধীনত ৰখা হয়। ১৮৭৪ চনত ইয়াক মুখ্য আয়ুক্তৰ প্ৰদেশ (Chief Commissioner's Province) হিচাপে গঢ়ি তোলা হয় আৰু কাছাৰৰ চিলেট (য'ৰ অধিকাংশ লোকেই বাংলাভাষী আছিল) আৰু গোৱালপাৰাক অসমৰ প্ৰাদেশিক প্ৰশাসনৰ

অধীনলৈ অনা হয়। ১৯০৫ চনত এক নতুন ধৰণৰ পুনৰ্গঠন প্ৰক্ৰিয়াৰ সূচনা হয় আৰু ইয়াৰ ফলত পূব বংগৰ পৰা অসমলৈ প্ৰব্ৰজন কৰা লোকসকলৰ প্ৰতি অসমীয়া লোকৰ দৃষ্টিভংগীৰ পৰিৱৰ্তন হ'বলৈ ধৰে। ১৯০৫ চনৰ বংগ বিভাজনৰ জৰিয়তে ব্ৰিটিছে জনবহুল বংগ প্ৰদেশখনক পূব আৰু পশ্চিম — এই দুটা ভাগত বিভক্ত কৰিব বিচাৰিছিল আৰু ইয়াৰ পূব বংগক মুছলমান অধ্যুষিত আৰু পশ্চিমৰ ভাগটোক হিন্দুপ্ৰধান কৰাৰ এক ষড়যন্ত্ৰ ৰচনা কৰিছিল। তদুপৰি অসমৰ মুছলমান সংখ্যাগৰিষ্ঠক পূৰ্ব বংগৰ লগত চামিল কৰাৰ পৰিকল্পনাও এই বিভাজনত নিহিত হৈ আছিল। এই সিদ্ধান্তক বাংলাভাষী হিন্দু তথা অসমীয়া লোকে তীব্ৰ বিৰোধিতা কৰে। ভাগ কৰা নীতিৰ জৰিয়তে ভৱিষ্যতলৈ পাকিস্তানৰ সপোন বাস্তৱায়িত কৰিব বিচৰা ব্ৰিটিছে অসমৰ অস্তিত্বক সমূলি আওকাণ কৰিব বিচাৰিছিল।

ইয়াৰ আগতে অসমীয়া ভাষাক বাংলা ভাষাৰে এক উপভাষা বুলি গণ্য কৰি ব্ৰিটিছে অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰতি মাধমাৰ শোধোৱাৰ এক দৃষ্টান্ত ৰাখি থৈ গৈছিল। প্ৰশাসনিক স্বাৰ্থৰ দোহাই দি ১৮৩৬ চনত অসমৰ স্কুল-কাছাৰীত বাংলা ভাষাৰ প্ৰচলন আৰম্ভ কৰা হৈছিল আৰু সন্দেহাতীতভাৱে ক্ৰমাগতভাৱে ঠন ধৰি উঠা অসমীয়া ভাষিক জাতীয়তাবাদৰ ওপৰত ই আছিল এক প্ৰচণ্ড মাধমাৰ। অসমীয়া ভাষাৰ প্ৰতি অহা এই প্ৰত্যাহ্বানক আধুনিক শিক্ষা-দীক্ষাৰে শিক্ষিত এচাম অসমীয়াই জাতিটোৰ সামগ্ৰিক অস্তিত্বৰ প্ৰতিয়েই এক ডাঙৰ ভাবুকি বুলি গণ্য কৰিছিল। আনন্দৰাম ঢেকিয়াল ফুকনৰ নাম এই ক্ষেত্ৰত সৰ্বপ্ৰথমে ল'ব লাগিব। 'A Few Remark's on Assam' শীৰ্ষক লেখাত ফুকনে অসমীয়া ভাষাৰ সুকীয়া অস্তিত্বৰ বিষয়টো সজোৰে প্ৰতিষ্ঠা কৰিছিল আৰু ই আছিল বাংলাভাষিক প্ৰসাৰৰ বিৰুদ্ধে এক তথ্যভিত্তিক, দৃঢ় প্ৰতিৰোধ। তেওঁৰ অবিচল আৰু সুদৃঢ়তাৰ বাবেই ১৮৭১ চনত অসমত অসমীয়া ভাষাক পুনঃপ্ৰতিষ্ঠা কৰাটো সম্ভৱপৰ হৈছিল। অৱশ্যে অসমীয়া জাতিয়ে এইক্ষেত্ৰত চিৰকৃতজ্ঞ হৈ ৰ'ব খ্ৰীষ্টান মিছনেৰীসকলৰ অসমীয়া

ভাষাৰ হৃতমৰ্যাদা উদ্ধাৰ কৰা প্ৰচেষ্টাটোৰ সমভাগী হোৱাৰ বাবে। খ্ৰীষ্টান ব্যাপ্তিষ্ট মিছনেৰীসকলৰ একাণপতীয়া প্ৰচেষ্টাৰ ফলত ১৮৪৬ চনত প্ৰথম অসমীয়া কাকত 'অৰুণোদই' প্ৰকাশ কৰা হৈছিল আৰু ই আছিল অসমীয়া জাতীয় জীৱনৰ এক ঐতিহাসিক সংঘটন। অসমীয়া ভাষা-সংস্কৃতিৰ যে একক আৰু সুকীয়া মৰ্যাদা আছে তাক 'অৰুনোদই'-এ সাব্যস্ত কৰিছিল; তদুপৰি আৰু গাঁথনিগত অথবা বিন্যাসগতভাৱেও যে অসমীয়া ভাষাটো বাংলাতকৈ পৃথক তাক বিজ্ঞানসন্মতভাৱে উপস্থাপন কৰাৰ প্ৰয়াস কাকতখনে আৰম্ভ কৰিছিল।

১৮৩৬ চনৰ পৰা ১৮৭১ চনলৈ অসমীয়া ভাষাটো বাংলা ভাষাৰ একক আধিপত্যৰ ফলত ভালেখিনি সংকুচিত আৰু দুৰ্বল হৈ পৰিছিল। যদিও ১৮৭৩ চনত অসমীয়া ভাষাক এক সুকীয়া ভাষা বুলি স্বীকাৰ কৰি লোৱা হ'ল, তথাপি অসমীয়াৰ সৈতে বাংলা ভাষাও অসমত থাকি গ'ল। অসমীয়াৰ লগতে বাংলাভাষীসকলেও চৰকাৰী চাকৰি আদিত সমানে প্ৰতিযোগিতাত নামি পৰিল। যি সময়ত অসমীয়াই চৰকাৰী চাকৰিত যথাযথ নিযুক্তি, পমুৱাৰ হাতৰ পৰা হৃত মাটি উদ্ধাৰ কৰা, অসমৰ বাংলাভাষী জিলাসমূহ বংগত চামিল কৰাৰ হকে আন্দোলন কৰিছিল সেই একেই সময়তে বাংলাভাষীসকলে পমুৱাৰ বাবে ভূমি সংস্থাপন, অসমৰ গোৱালপাৰাৰ দৰে জিলাক বংগ প্ৰশাসনৰ অধীনলৈ আনিব লাগে ধৰণৰ দাবীবোৰ অব্যাহতভাৱে তুলি আহিছিল। এই বিৰোধিতা আৰু সংঘাতৰ মাজতো কিন্তু আশাৰ সঞ্চাৰ কৰিছিল শিক্ষিত অসমীয়াসকলে। কলিকতাত 'অসমীয়া ভাষা উন্নতিসাধিনী সভা' প্ৰতিষ্ঠা, ১৮৮৯ চনত 'জোনাকী'ৰ প্ৰকাশ আদিয়ে অসমীয়া ভাষা-সাহিত্যক বৌদ্ধিকভাৱে এক শক্তিশালী স্থিতি প্ৰদান কৰিব পাৰিছিল। অসমীয়াৰ সুকীয়া সত্তা প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত এনে বৌদ্ধিক অনুশীলনবোৰৰ আছিল অভিনৱ ভূমিকা। অসমীয়াক বাংলা ভাষাৰ এক প্ৰতিদ্বন্দ্বী ৰূপে থিয় কৰাত সেই সময়ৰ ভালেসংখ্যক অসমীয়া শিক্ষিত লোকে অহোপুৰুষাৰ্থ

কৰিছিল আৰু সাহিত্য-সংস্কৃতিৰ প্ৰতিটো ক্ষেত্ৰতে অসমীয়া ভাষাৰ যাতে উপাদান থাকিব পাৰে তাৰ বাবে সৰ্বান্তকৰণে প্ৰচেষ্টা আৰু সাধনা আৰম্ভ হৈছিল। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাৱলীক এই দৃষ্টিকোণৰ পৰাও বিবেচনা কৰিব পাৰি। সি যি নহওক, আধুনিক অসমীয়া ভাষিক জাতীয়তাবাদৰ বিকাশৰ এই লগ্নত অসমীয়া ভাষা-সংস্কৃতি বিভিন্ন অৱদানেৰে সমৃদ্ধ হৈ উঠিল আৰু এই প্ৰক্ৰিয়াই পৰৱৰ্তী সময়ত বিভিন্ন ৰূপ গ্ৰহণ কৰিবলৈ ধৰিলে।

স্বৰাজোত্তৰ অসম

স্বৰাজোত্তৰ কালৰ অসমত ভাষা-সংস্কৃতিৰ অভিনৱ বৈচিত্ৰ্যৰ যি ধাৰাবাহিকতা সি একে ৰূপতে অক্ষুণ্ণ আছিল। অসমৰ এই বৈচিত্ৰ্যক দুটা উপাদানে প্ৰভাৱিত কৰিছিল। প্ৰথমটো আছিল ৰাজ্যখনলৈ হোৱা নিৰন্তৰ প্ৰব্ৰজন আৰু আনটো হ'ল ৰাজ্যখনৰ ভিতৰতে থকা ভাষিক আৰু সাংস্কৃতিক বৈচিত্ৰ্য। পূৰ্ব বংগৰ (বৰ্তমানৰ বাংলাদেশ) পৰা অহা ব্যাপক পৰিমাণৰ মুছলমান সম্প্ৰদায়ৰ লোকসকলে মাটি লাভৰ আশাত আৰু অঞ্চলটোৰ ভাষিক-সাংস্কৃতিক সত্তাৰ সৈতে একাত্ম হৈ যোৱাৰ স্বাৰ্থত নিজৰ মাতৃভাষা পৰৱৰ্তী সময়ছোৱাত অসমীয়া বুলি ক'বলৈ আৰম্ভ কৰাৰ ফলত অসমত অসমীয়া ভাষা সংখ্যাগৰিষ্ঠৰ ভাষালৈ ৰূপান্তৰিত হ'বলৈ ধৰে। ১৯৫১ চনৰ লোকপিয়লত এই ঘটনাৰ স্পষ্ট প্ৰতিফলন দেখা গৈছিল। সংখ্যাগৰিষ্ঠ আৰু সংখ্যালঘিষ্ঠৰ এই শংকা আৰু সংঘাত চলি থকাৰ সময়ছোৱাত অসমীয়া মানুহৰ মনত শংকা উপজিছিল যে অসমলৈ অহা বাংলাভাষী হিন্দুসকলে এই প্ৰদেশখনক এখন বাংলাভাষী প্ৰদেশ কৰিব বিচাৰিছে। ১৯৪৯ চনত ১৮ জুলাইত The Assam Tribune কাকতৰ সম্পাদকীয়ত এই শংকা ব্যক্ত কৰা হৈছিল এনেধৰণে—'Since Independence, the attack is being carried on from two blanks. First, there are the Muslim immigrants whose love and attachment to Pakistan are as strong

as ever. There is no evidence of a change of heart and yet they are finding it much easier to migrate to this province under the shelter of the secular state policy of the Government of India. Then there are the Hindu immigrants who apparently want to create a Bengal in this province.'

অসম জাতীয় মহাসভাৰ ফালৰ পৰাও কোৱা হৈছিল যে অসমত যিসকল বাংলাভাষী শৰণাৰ্থীৰ প্ৰৱেশ ঘটিছে তাত এক দূৰদৃষ্টি লুকাই আছে আৰু সেয়া হৈছে বাংলাভাষীকেন্দ্ৰিক বৃহত্তৰ বংগ সাম্ৰাজ্য গঠন কৰা। অসমীয়াসকল নিজ ৰাজ্যখনতে গুৰুত্বহীন আৰু প্ৰভাৱহীন হৈ পৰাৰ ভয়টো এনেদৰে ক্ৰমে গভীৰৰ পৰা গভীৰতম পৰ্যায়লৈ বিস্তাৰিত হৈছিল। অসমীয়াৰ আধিপত্য থকা কংগ্ৰেছ দলটো কেৱল অসমৰ বিকাশৰ বাবেই সংকল্পবদ্ধ নাছিল, লগতে ই অসমীয়া ভাষা তথা ভাষীৰ বৃদ্ধিৰ বাবে ৰাষ্ট্ৰ ক্ষমতা প্ৰয়োগ কৰাৰ অহোপুৰুষাৰ্থ কৰিছিল। ১৯৪৭ চনৰ ২৬ ছেপ্টেম্বৰত অসম চৰকাৰৰ ফালৰ পৰা ঘোষণা কৰা হয় যে যিবোৰ স্কুলত অসমীয়া ভাষাৰ ছাত্ৰ-ছাত্ৰী একেবাৰে নায়েই সেইবোৰ স্কুলতো অসমীয়া ভাষাক বাধ্যতামূলকভাৱে দ্বিতীয় ভাষা কৰি ৰাখিব লাগিব। অসম জাতীয় মহাসভা আৰু অসমীয়া সংঘই 'অসমীয়া'ক ৰাজ্যভাষা কৰাৰ বাবে নিৰন্তৰ প্ৰচেষ্টা অব্যাহত ৰাখিছিল। অসম জাতীয় মহাসভাৰ ফালৰ পৰা অসমৰ তদানীন্তন মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ হাতত দিয়া স্মাৰকপত্ৰ এখনত নিম্নোক্ত দাবীবোৰ উত্থাপন কৰা হৈছিল—

(১) বাহিৰা লোকৰ প্ৰব্ৰজন ৰোধ কৰা।

(২) কেন্দ্ৰীয় চৰকাৰৰ সকলো বিভাগত অসমীয়াৰ স্বাৰ্থ পূৰ্ণভাৱে প্ৰতিনিধিত্ব হ'ব লাগে।

(৩) চৰকাৰৰ সকলো কাম-কাজতে অসমীয়া ভাষাক সম্পূৰ্ণভাৱে স্বীকৃতি দিব লাগে আৰু এই প্ৰচেষ্টা কেন্দ্ৰীয় চৰকাৰৰ বিভাগবোৰতো কৰিব লাগে।

(৪) অসমীয়াক সকলো শৈক্ষিক প্ৰতিষ্ঠানত শিক্ষাৰ মাধ্যম হিচাপে গঢ়ি তুলিব লাগে। অসম জাতীয় মহাসভাৰ লেখীয়াকৈ অসমীয়া সংঘৰ সভাপতি চন্দ্ৰকান্ত ফুকনে অসমীয়াক যথাযথভাৱে স্বীকৃতি দিয়াৰ দাবী তুলিছিল।

ইয়াৰ কাৰণে কিন্তু পাহাৰীয়া জনজাতিসকলৰ মাজত বিৰূপ ভাব বাঢ়ি আহিছিল। যি অসমে বংগক সদায় সন্দেহৰ চকুৰে চাই পদে পদে অসমক অন্যায় কৰাৰ ষড়যন্ত্ৰৰ গোন্ধ পাইছিল, সেই অসমে নিজেই যে পাহাৰীয়া জনজাতিসকলৰ ওপৰত একপ্ৰকাৰ 'বংগ' হৈ পৰিছিল সেয়া উপলব্ধি একেবাৰে কৰা নাছিল।

সেয়েহে ৰাজ্য পুনৰ্গঠন আয়োগৰ সময়ত অসমৰ ক্ষেত্ৰত কেইবাটাও ঘটনা সংঘটিত হৈছিল। ৰাজ্য পুনৰ্গঠনক কেন্দ্ৰ কৰি কেইবাটাও আকাংক্ষা সেই সময়ছোৱাত প্ৰকাশ পায়। প্ৰথমতে, অসমৰ পাহাৰীয়া জিলাবোৰে আয়োগৰ আগত অসমৰ পাহাৰীয়া জিলাবোৰক সামৰি এখন পাহাৰীয়া ৰাজ্য গঠন কৰাৰ পোষকতা কৰে। কাছাৰৰ ৰাজ্য পুনৰ্গঠন কমিটীৰ ফালৰ পৰা কাছাৰ, ত্ৰিপুৰা, মিজো পাহাৰ, নগা পাহাৰ আৰু নেফাক সন্নিৱিষ্ট কৰি 'পূৰ্বাঞ্চল' নামৰ এখন সুকীয়া ৰাজ্য গঠন কৰাৰ দাবী তোলা হৈছিল। একেদৰে পশ্চিম বংগৰ ফালৰ পৰা গোৱালপাৰা জিলাক ৰাজ্যখনৰ ভিতৰত অন্তৰ্ভুক্ত কৰি তোলাৰ দাবী তোলা হৈছিল। ইয়াৰ বিপৰীতে অসম সাহিত্য সভাৰ ফালৰ পৰা ৰাজ্য পুনৰ্গঠন আয়োগৰ ওচৰত নিম্নোক্ত দাবীসমূহ তোলা হৈছিল—

(১) ৰাজ্যখনৰ কোনো এটি অংশকে পুনৰ্গঠনৰ নামত কাঢ়ি নিবলৈ দিয়া নহ'ব।

(২) নেফাক অসমৰ লগত সংলগ্ন কৰিব লাগে।

(৩) কোচবিহাৰ, জলপাইগুৰি আৰু দাৰ্জিলিং — এই তিনিওখন ঠাই সেই অঞ্চলবোৰৰ মানুহৰ ইচ্ছা অনুসাৰে অসমৰ সৈতে চামিল কৰিব লাগে।

(৪) মণিপুৰ আৰু ত্ৰিপুৰাক অসমৰ সৈতে চামিল কৰিব লাগে আৰু এইক্ষেত্ৰত ঠাই দুখনৰ বাসিন্দাসকলৰ ইচ্ছাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে।

(৫) পূৰ্বাঞ্চল বা পাহাৰীয়া জিলা গঠনৰ নিচিনা সিদ্ধান্তক আদৰণি জনাব নালাগে।

অসম সাহিত্য সভাৰ এই স্থিতিয়ে পিচলৈ অসমৰ জনজাতিবিৰোধী চৰিত্ৰ এটা আনি দিছিল আৰু তাৰ কাৰণে ৰাজ্যখনৰ সাংঘাতিক ক্ষতি হৈছিল।

আন্দোলনৰ সূত্ৰপাত

অসমীয়া ভাষাক ৰাজ্যভাষাৰ মৰ্যাদা দিয়াৰ প্ৰসংগটো অসম জাতীয় মহাসভা আৰু অসম সাহিত্য সভাই সঘনে উত্থাপন কৰাৰ কথা ইতিমধ্যে উল্লেখ কৰা হৈছে। ১৯৫৯ চনৰ এপ্ৰিল মাহত অসম সাহিত্য সভাৰ ফালৰ পৰা কোৱা হ'ল যে অসমীয়াক ৰাজ্যভাষা কৰাৰ নামত অসম চৰকাৰে ভালেখিনি সময় অপব্যয় কৰিলে আৰু অসমীয়া মানুহে সৰহদিন অপেক্ষা কৰি থাকিব নোৱাৰে। ১৯৬০ চনৰ ভিতৰত অসমত অসমীয়াক ৰাজ্যভাষা কৰাৰ বাবে সাহিত্য সভাই সময় বান্ধি দিলে। ১৯৬০ চনক সময়ৰেখা হিচাপে ঘোষণা কৰাতে ক্ষান্ত নাথাকি ১৯৫৯ চনৰ ৯ ছেপ্টেম্বৰত ৰাজ্যভাষা দিৱস উদ্‌যাপন কৰাৰ সিদ্ধান্ত লোৱা হয়। উক্ত দিনা সভা-সমিতি, শোভাযাত্ৰা, প্ৰস্তাৱ গ্ৰহণ আদি কাৰ্যসূচীৰে ব্ৰহ্মপুত্ৰ উপত্যকাত ৰাজ্যভাষা দিৱস পালন কৰা হ'ল।

বিধানসভাৰ ১৯৬০ চনৰ বাজেট অধিৱেশনত বিভিন্ন দলৰ কেইবাজনো সদস্যই বিষয়টো উত্থাপন কৰিলে। All Party Hill Leaders Conference (APHLC) আৰু জনজাতীয় সংগঠনবোৰৰ বাদে প্ৰায় সকলো ৰাজনৈতিক দলৰ ফালৰ পৰা অসমীয়াক ৰাজ্যভাষা কৰাত সহমত প্ৰদৰ্শন কৰা হ'ল। পাহাৰীয়া সংগঠন তথা জনজাতীয় সংগঠনবোৰৰ মূল আপত্তিসমূহ

আছিল এনেধৰণৰ —

(১) অসমৰ পাহাৰীয়া জিলাকেইখনৰ অধিবাসীসকলৰ অৱস্থা এনেকুৱা যে এই মুহূৰ্তত যদি অসমীয়াক ৰাজ্যভাষা কৰা হয় তেন্তে অসমীয়া ভাষাই আধিপত্য লাভ কৰিব আৰু ইয়াৰ জৰিয়তে পাহাৰৰ সকলো লোকৰ অসমীয়াৰ সৈতে আত্মীকৰণ ঘটিব। ইয়াৰ ফলত তেওঁলোকৰ নিজস্ব সত্তাবোৰ নোহোৱা হৈ যাব আৰু এনে একক প্ৰচেষ্টা তেওঁলোকৰ সুকীয়া সাংস্কৃতিক পৰম্পৰাৰ বাবে শুভ নহয়।

(২) অসমীয়াক ৰাজ্যভাষা কৰিলে পাহাৰীয়া লোকসকলে চৰকাৰী চাকৰি-বাকৰি আদিৰ ক্ষেত্ৰত সুযোগ-সুবিধা লাভ কৰিব নোৱাৰিব আৰু এইবোৰ বিষয়ত অসমীয়া ভাষীসকলে নিজৰ আধিপত্য বিস্তাৰ কৰি ৰাখিব।

(৩) জনসংখ্যাৰ ভিত্তিৰ ফালৰ পৰাও যদি চোৱা হয় তেন্তে অসমীয়াক ৰাজ্যভাষা কৰাৰ কোনো যুক্তি থাকিব নোৱাৰে। অসমৰ পঞ্চাশ শতাংশতকৈও কম লোকে অসমীয়া ভাষা ব্যৱহাৰ কৰে।

(৪) অসম যিহেতু বিভিন্ন ভাষা-ভাষী, জাতি-জনগোষ্ঠীৰে পৰিপূৰ্ণ এটি অঞ্চল সেয়েহে অসমত হিন্দীকহে ৰাজ্যভাষা কৰিব লাগে। হিন্দীক ৰাজ্যভাষা হিচাপে গ্ৰহণ নকৰাপৰ্যন্ত ইংৰাজী ভাষাক বৰ্তমানৰ ৰূপত চলাই ৰাখিব লাগে।

ৰাজ্যভাষাৰ বাবে বিশেষকৈ ব্ৰহ্মপুত্ৰ উপত্যকাত যেতিয়া আন্দোলন তুংগত উঠিল তেতিয়া অসমৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাৰ ফালৰ পৰা এক মধ্যম পন্থাৰ প্ৰস্তাৱ আহিল। তেওঁ ক'লে যে অসমৰ সাধাৰণ মানুহে বুজি পোৱাকৈ আৰু ভাষাৰ অন্তৰায়বোৰ আঁতৰ কৰিবলৈ নিঃসন্দেহে এক ৰাজ্যভাষাৰ প্ৰয়োজন আছে। অসমীয়াক ৰাজ্যভাষা হিচাপে ঘোষণা কৰাৰ বাবে হৈ থকা আন্দোলনটোৰ প্ৰতি সমৰ্থন জনাই তেওঁ মন্তব্য কৰিলে যে তেওঁ এনে আন্দোলনত নিহিত হৈ থকা আকাংক্ষাৰ প্ৰতি সমৰ্থন জনায় যদিও এই মুহূৰ্তত চৰকাৰখনে অনা-অসমীয়াসকলে অসমীয়া ভাষাক

স্বতঃস্ফূৰ্তভাৱে গ্ৰহণ কৰাৰ বাবে দাবী তোলালৈ বাট চাই ৰ'ব। সংখ্যালঘু বা সংখ্যাগৰিষ্ঠৰ পিনৰ ফালৰ পৰা বিষয়টো বিবেচনা নকৰি ইয়াক কেনেদৰে গ্ৰহণ কৰা হয় তাৰ প্ৰতিহে লক্ষ্য ৰখাটো উচিত।

বিমলা প্ৰসাদ চলিহাৰ এই মন্তব্যত সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাত আৱেগৰ যেন একুৰা জুই দপ্‌দপ্‌কৈ জ্বলি উঠিল। মুখ্যমন্ত্ৰীৰ ওচৰত বিভিন্ন সংগঠনে স্মাৰকপত্ৰ প্ৰদান কৰি বিষয়টো সংখ্যালঘুসকলৰ অধিকাৰ বা সুবিধাৰ পিনৰ পৰা বিবেচনা নকৰিবলৈ মুখ্যমন্ত্ৰীক সতৰ্ক কৰি দিয়া হ'ল। ভাৰতবৰ্ষৰ কমিউনিষ্ট দলে অসমীয়াক ৰাজ্যভাষা কৰিব লাগে বুলি মত দোহাৰিলে আৰু এই বিষয়ত কাছাৰ বা পাহাৰৰ জিলাবোৰত যাতে কোনোধৰণৰ আৰোপ কাৰ্য সংঘটিত নহয় সেই বিষয়ত সাৱধান হ'বলৈ আহ্বান জনালে।

১৯৬০ চনৰ ২৪ এপ্ৰিলত কংগ্ৰেছ দলে ইয়াৰ পূৰ্বৰ সিদ্ধান্ত প্ৰত্যাহাৰ কৰি নিম্নোক্ত সিদ্ধান্তবোৰ গ্ৰহণ কৰিলে।

(১) চৰকাৰে ঘোষণা কৰা ধৰণে অসমীয়াক ৰাজ্যভাষা কৰিব লাগে।

(২) কাছাৰ, খাছি আৰু জয়ন্তীয়া পাহাৰ, গাৰো পাহাৰ আৰু উত্তৰ কাছাৰ পাহাৰৰ বাদে অসমৰ বাকী অঞ্চলবোৰত অসমীয়াক চৰকাৰী ভাষা হিচাপে গঢ়ি তুলিব লাগে আৰু এই এলেকাবোৰৰ বাসিন্দাসকলে যেতিয়াই প্ৰস্তুত হয় তেতিয়াহে এনে এলেকাবোৰত অসমীয়া ভাষা প্ৰৱৰ্তন কৰিব লাগে।

(৩) সংখ্যালঘুসকলৰ ভাষাৰ সুৰক্ষা আৰু বিকাশৰ অধিকাৰক যথাযথ মৰ্যাদা দিব লাগে।

(৪) অসমীয়াক চৰকাৰী ভাষা কৰাৰ ক্ষেত্ৰত অনা-অসমীয়া লোকৰ চৰকাৰী চাকৰি-বাকৰিৰ ক্ষেত্ৰত থকা সুযোগ-সুবিধাক স্বীকৃতি দিব লাগে।

(৫) অসমীয়া ভাষা শিকাৰ সমগ্ৰ সুযোগ চৰকাৰে সৃষ্টি কৰিব

আৰু ভাষাৰ ক্ষেত্ৰত থকা প্ৰতিবন্ধকতাবোৰ চৰকাৰে আঁতৰ কৰাৰ ব্যৱস্থা কৰিব।

প্ৰদেশ কংগ্ৰেছ কমিটীৰ এই সিদ্ধান্তক দুয়োটা উপত্যকাৰ লোকে আদৰণি নজনালে। কাছাৰ কংগ্ৰেছৰ প্ৰতিনিধি তথা সাধাৰণ লোকে অসমীয়াকে ৰাজ্যভাষা কৰাৰ প্ৰস্তাৱটোক সন্মতি নিদিলে। একেদৰে পাহাৰীয়া লোকসকলেও এই সিদ্ধান্তক স্বাগতম নজনালে। ব্ৰহ্মপুত্ৰ উপত্যকাৰ লোকসকলে মাথোঁ ছখন জিলাত অসমীয়া ভাষাক ৰাজ্যভাষা কৰাক লৈ তীব্ৰ অসন্তুষ্টি জাহিৰ কৰিলে। মুঠতে কোনো পক্ষ সন্তুষ্ট নহ'ল। সেই কাৰণেই ১৯৬০ চনৰ ৰাজ্যভাষা আন্দোলনক কেন্দ্ৰ কৰি শ্বিলং, বৰাক আদি ঠাইত অসমীয়া ভাষাবিৰোধী আন্দোলন তীব্ৰতৰ হৈ উঠিল। ইয়াৰ বিপৰীতে সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাত আন্দোলনে এক গণ আন্দোলনৰ ৰূপ পালে। মৰিয়নী, যোৰহাট, গুৱাহাটী আদি ঠাইত ভাষিক সংঘৰ্ষৰ সূত্ৰপাত ঘটিল। অৱশেষত মুখ্যমন্ত্ৰী চলিহাই কংগ্ৰেছৰ সিদ্ধান্তৰ অনুকৰণতে বিধানসভাত এখন বিধেয়ক উত্থাপন কৰাৰ প্ৰস্তাৱ আনিলে যদিও এই ঘোষণাত কোনো সন্তুষ্ট নহ'ল। পশ্চিম বংগৰ চপলাকান্ত ভট্টাচাৰ্য আদিৰ দৰে লোকে অসমক বাংলাভাষা সহিত এখন দ্বি-ভাষিক ৰাজ্য হিচাপে গঢ়ি তোলাৰ দাবী আনিলে। অসমত অসমীয়াক কেৱল ৰাজ্যভাষা কৰাক লৈ বাংলাভাষীসকলে তীব্ৰ অসন্তোষ প্ৰকাশ কৰিলে।

২১ মে', ১৯৬০ চনৰ দিনা শ্বিলঙত অসমীয়া ৰাজ্যভাষাৰ হকে কংগ্ৰেছে লোৱা সিদ্ধান্তৰ বিৰুদ্ধে বঙালীসকলে এক বিশাল শোভাযাত্ৰা উলিয়ায় আৰু সেই শোভাযাত্ৰাই পিচৰ মাহকেইটাত অসমক অস্থিৰ কৰি ৰাখে।

অসমীয়া ৰাজ্যভাষাবিৰোধী এই শোভাযাত্ৰাই ব্ৰহ্মপুত্ৰ উপত্যকাৰ অসমীয়া ভাষীসকলক জাঙুৰ খুৱাই তোলে। মাথোঁ পাঁচদিনৰ পিচত অসম পুলিচে সৰু কিবা গোচৰৰ আধাৰত ২৬ মে'ত ছাত্ৰ নেতা দুলাল বৰুৱাক

গুৱাহাটী বিশ্ববিদ্যালয়ৰ হোষ্টেল ভাঙি গ্ৰেপ্তাৰ কৰে।

যিহেতু গুৱাহাটীৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষক দুয়োজনেই অসম মূলৰ বঙালী লোক আছিল, এই গ্ৰেপ্তাৰক এক ভাষিক ৰূপেৰে প্ৰক্ষেপ কৰা হয় আৰু সেই ঘটনাই আৰু জুইহে জ্বলাই দিয়ে।

অসমীয়াভাষীসকলে শ্বিলঙৰ সেই প্ৰতিবাদী শোভাযাত্ৰাত অসমীয়া ভাষাৰ বিৰুদ্ধে ব্যৱহাৰ কৰা কিছু অশালীন মন্তব্যত বিশেষকৈ আঘাত পায় আৰু তাৰ প্ৰতিবাদত ব্ৰহ্মপুত্ৰ উপত্যকাৰ সৰ্বত্ৰ প্ৰতিবাদী সভা পতা হয়। বাঢ়ি যায় বঙালী আৰু অসমীয়াৰ মাজৰ দ্বন্দ্ব। অকল জুন মাহতে বঙালীসকলৰ বিৰুদ্ধে শিৱসাগৰত ৩০ খন, গোৱালপাৰাত ১২ খন, দৰঙত ৪খন, নগাঁৱত ১১খন আৰু লখিমপুৰত ৩০ খন প্ৰতিবাদী সভা হৈছিল।

সেই একে সময়তে অসমীয়াক ৰাজ্যভাষা বিৰোধ কৰি কাছাৰ জিলাত ২০খন প্ৰতিবাদী সভা হৈছিল। প্ৰথম অৱস্থাত এই সভাবোৰ শান্তিপূৰ্ণ আছিল। ১২ জুনৰ পৰা শিৱসাগৰৰ পৰা কিছু হিংসাত্মক প্ৰতিবাদৰ বাতৰি আহিবলৈ ল'লে।

২২ জুনৰ দিনা শিৱসাগৰ আৰু যোৰহাটত কেইবাটাও বঙালী ব্যৱসায়িক প্ৰতিষ্ঠানৰ ওপৰত আক্ৰমণ চলোৱা হ'ল। ৩০ জুনলৈ এনে ঘটনা কামৰূপলৈ বিয়পিলে।

আনহাতে মৰিয়নী আৰু লামডিঙত ১৮ৰ পৰা ২১ জুনলৈ বঙালী উদণ্ড যুৱকে এদল অসমীয়া প্ৰতিবাদী যুৱকক ৰে'লৰ ভিতৰতে আক্ৰমণ কৰিলে। একে সময়তে লামডিঙত সদ্যমুক্তিপ্ৰাপ্ত 'পূবেৰুণ' কথাছবিখন বঙালীসকলে দুদিন প্ৰদৰ্শন বন্ধ কৰি ৰাখিলে। তাৰ ফলত লামডিং আৰু মৰিয়নীৰ পৰা অসমীয়াসকলে আহি নগাঁও আৰু যোৰহাটত আশ্ৰয় লয়।

ঘটনা বিষম দেখি মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহা আৰু বিৰোধী দলৰ নেতা হৰেশ্বৰ গোস্বামীয়ে ২৩ জুনত বেলেগে বেলেগে ৰাইজক শান্তি অটুট ৰাখিবলৈ গোহাৰি জনায়। পুলিচলৈ ভিতৰুৱা বাৰ্তা আহিল যে যিকোনো

মুহূৰ্ততে ভাষিক সংঘৰ্ষ বিয়পিব পাৰে আৰু সেয়াই হৈছিল।

৩০ জুনৰ পৰা গুৱাহাটীত বঙালীবিদ্বেষী হিংসাত্মক কাৰ্য বাঢ়ি যোৱাৰ কাৰণে উপায়ুক্তই সান্ধ্য আইন জাৰি কৰে যদিও কংগ্ৰেছী নেতাসকলে মুখ্যমন্ত্ৰী চলিহাৰ ওপৰত দিয়া হেঁচাৰ কাৰণে ইয়াক উঠাই লোৱা হয়। অৱশ্যে ১৪৪ ধাৰা চলি থাকে যদিও হিংসাত্মক ঘটনা ৰোধ কৰিব নোৱাৰিলে। ১ জুলাইৰ দিনা ১৫টা হিংসাত্মক ঘটনা হয় গুৱাহাটীতে। ২ জুলাইত সেয়া বাঢ়ি গৈ হয় ২৩টা আৰু ৩ জুলাইৰ দিনা ২০টা ঘটনা সংঘটিত হয়। কিছু কিছু সময়ত বঙালী লোকসকলৰ ঘৰো লুটপাত হয়। দুই-এঠাইত ঘৰ জ্বলাই দিয়া হয়।

৪ জুলাইৰ দিনা কোনো দুষ্কৃতিকাৰীয়ে কটন কলেজৰ হোষ্টেলৰ কাষৰ বঙালী লোকৰ ঘৰবোৰ আক্ৰমণৰ লক্ষ্য কৰি লয়। তেতিয়া পুলিচ আহি উপস্থিত হোৱাত দুষ্কৃতিকাৰীসকল কলেজ হোষ্টেলৰ পিনে পলাবলৈ ধৰে। তেতিয়া পুলিচে গুলীচালনা কৰাত এজন অসমীয়া ছাত্ৰ ৰঞ্জিত বৰপূজাৰীৰ মৃত্যু ঘটে আৰু আন ছগৰাকীয়ে আঘাত পায়। এই ঘটনাত সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকা জ্বলি উঠে। ইয়াৰ পাচতে গোৰেশ্বৰ, বকুলগুৰি, টেঙাঝাৰ, ছিল্কাঝাৰ, মহৰিপাৰা আদি এলেকাত তীব্ৰ হিংসাত্মক ঘটনা সংঘটিত হয় আৰু এইবোৰ ঘটনাত পুলিচে অতিশয় নিৰ্যাতন চলোৱাৰ অভিযোগ উঠে। ইয়াৰ পিচতে গুৱাহাটী আৰু গোৰেশ্বৰত চলা পুলিচী নিৰ্যাতনৰ তদন্ত কৰিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এগৰাকী অৱসৰপ্ৰাপ্ত ন্যায়াধীশৰ দ্বাৰা তদন্ত আয়োগ গঠনৰ দাবী তোলা হয়। চৰকাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ চি পি সিন্‌হাক ৪ জুলাইত সংঘটিত গুলীচালনা ঘটনাৰ তদন্ত কৰিবলৈ নিয়োগ কৰে। ইয়াৰ পিচত ১৯৬০ চনৰ ৯ নৱেম্বৰত ন্যায়াধীশ গোপাল মেহৰোট্ৰাৰ অধীনত আন এখন আয়োগ গঠন কৰা হয়।

এই ঘটনাৰাজিত ৩৯জন লোকৰ মৃত্যু হৈছিল, ৪৮৭জন আহত হৈছিল আৰু সৰ্বমুঠ ১০,৮৯১ টা বঙালী লোকৰ বাসগৃহ ব্ৰহ্মপুত্ৰ উপত্যকাত

হয় জ্বলাই দিয়া হৈছিল নহ'লে লুটপাত কৰি বিনষ্ট কৰা হৈছিল।

অৱশ্যে এই ঘটনাৰাজি কোনো পূৰ্বপৰিকল্পিত নাছিল। বৰঞ্চ এয়া আছিল স্বতঃস্ফূৰ্ত।

উল্লেখযোগ্য যে এই ঘটনাৰাজিক বেয়াৰ পথলৈ নিয়াত কলিকতীয়া বঙালী আৰু অসমৰ বাতৰিকাকতসমূহে নিৰপেক্ষ ভূমিকা নলৈ উচটাইছিল। এই উচটনিত আছিল এফালে *আছাম ট্ৰিবিউন* আৰু *নতুন অসমীয়া* আৰু আনহাতে আছিল *অমৃত বাজাৰ পত্ৰিকা, আনন্দ বাজাৰ পত্ৰিকা, হিন্দুস্তান ষ্টেণ্ডাৰ্ড* আৰু *যুগান্তৰ।*

এই ঘটনাৰ কাৰণে শিলচৰ, আলিপুৰদুৱাৰ আৰু কোচবিহাৰত বঙালী উৎপীড়িত লোকসকলৰ কাৰণে শৰণাৰ্থী শিবিৰ পৰ্যন্ত খোলা হৈছিল।

ৰাজ্যভাষা আন্দোলনৰ কালত হোৱা এই সংঘৰ্ষৰ ফলত চৰকাৰী বিল উত্থাপনৰ প্ৰসংগটোও তল পৰিবলৈ ধৰে। মাজতে এখন ৰাজ্যভাষা বিধেয়কৰ চিন্তা-চৰ্চা চলে যদিও এইখন বিধেয়কত অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাক সমভাৱে গুৰুত্ব দিয়াত ই পুনৰ অসন্তোষৰ সৃষ্টি কৰে। অৱশেষত অসম চৰকাৰৰ ফালৰ পৰা ৰাজ্যভাষা বিধেয়কখন উত্থাপন কৰা হয় আৰু ইয়াত অসমীয়াক অসমৰ ৰাজ্যভাষা কৰাৰ লগতে চৰকাৰী কাম-কাজত ইংৰাজী আৰু হিন্দী ভাষাকো ব্যৱহাৰ কৰিব পৰা যাব বুলি কোৱা হয়। এই বিধেয়কখনক লৈ স্বাভাৱিকতে কাছাৰবাসী সন্তুষ্ট হ'ব পৰা নাছিল আৰু ইয়াকে লৈ সমগ্ৰ কাছাৰত তীব্ৰ আন্দোলনৰ সূত্ৰপাত হ'ল। ১৯৬১ চনৰ ১৯ মে'ত কাছাৰ সংগ্ৰাম পৰিষদে ধৰ্মঘটৰ আহ্বান জনালে। সেই দিনাখনেই পুলিচৰ গুলীত ৮জন লোক নিহত হয় আৰু ২১জন আহত হয়। পিচলৈ মৃত্যু হোৱা লোকৰ সংখ্যা ১১ জনলৈ বৃদ্ধি পায়। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে সামৰিক বাহিনী মোতায়েন কৰা হয়। এই ঘটনাৰ প্ৰতিবাদত ছগৰাকী কংগ্ৰেছ বিধায়কে পদত্যাগ কৰে। ইয়াৰ পিচতে কাছাৰৰ ফালৰ পৰা বাংলা ভাষাক ৰাজ্যভাষা কৰাৰ দাবী তোলা হয়।

১৯৬১ চনৰ ২৪ ছেপ্টেম্বৰত অসম কেবিনেটে ৰাজ্যভাষা বিলখন সংশোধনী কৰাৰ বাবে খচৰা বিধেয়কখন গৃহীত কৰে আৰু ইয়াত কেন্দ্ৰীয় গৃহ মন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীয়ে আগবঢ়োৱা উপদেশবোৰ সন্নিৱিষ্ট কৰা হয়। ১৯৬১ চনৰ ৭ অক্টোবৰত এই বিলখন বিধানসভাই গ্ৰহণ কৰে। অৱশ্যে এই বিধেয়কখনক লৈও কাছাৰ অথবা পাহাৰীয়া ৰাজ্যসমূহ সন্তুষ্ট হ'ব পৰা নাছিল। পৰৱৰ্তী সময়ত, বিশেষকৈ পাহাৰীয়া জিলাবোৰে অসমৰ পৰা বিচ্ছিন্ন হোৱাৰ যি প্ৰৱণতা দেখুৱাইছিল তাৰ কাৰণ হিচাপে বহুতে এই বিধেয়কখনলৈ আঙুলিয়াই দিয়ে। অসমীয়াক ৰাজ্যভাষা কৰা কাৰণে সকলোতকৈ বেয়া পাইছিল খাছীয়া আৰু গাৰোসকলে। তাৰ ফলস্বৰূপে পিচৰ দশকটোত অসমে মেঘালয়ৰ লগতে নাগালেণ্ড আৰু মিজোৰামক হেৰুৱাব লগা হোৱাৰ লগতে অসমীয়া জাতি এই জনজাতি লোকসকলৰ কাৰণে ঘৃণাৰ পাত্ৰ হৈ পৰিছিল আৰু কম-বেছি পৰিমাণে সেয়া আজিও চলি আছে।

জাতীয় মহাসভা আৰু অম্বিকাগিৰী

অসমত জাতীয়তাবাদৰ প্ৰথম বীজ সিঁচিছিল অসমকেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীয়ে। স্বাধীনতাৰ কাঁচিয়লি ৰ'দত মূল সুঁতিৰ কংগ্ৰেছ আৰু কংগ্ৰেছৰ নেতাসকলে যেতিয়া স্বাধীনতা লাভৰ আনন্দত মতলীয়া হৈ আছিল তেতিয়া অম্বিকাগিৰীয়ে প্ৰায় অকলেই জাতীয়তাবাদৰ বীজ চাৰিওফালে বিয়পাই ফুৰিছিল।

অম্বিকাগিৰী এজন হাড়ে-হিমজুৱে অসমীয়া। অসমীয়া আৰু অসমীয়া জাতিৰ উত্তৰণেই আছিল জীৱনৰ শেষ পৰ্যায়লৈ তেওঁৰ একমাত্ৰ লক্ষ্য। বহুতৰে কাৰণে তেওঁ আছিল বিচিত্ৰ, কাৰোবাৰ কাৰণে 'মধু উন্মাদনা'। কিন্তু

আজি তেওঁৰ কথাবোৰেই আখৰে আখৰে ফলিয়াইছে।

বিগত ১০০ বছৰৰ কালছোৱাত মাথোঁ দুজন লোককহে কবি, দেশপ্ৰেমী, সাহিত্যিক বা স্বাধীনতা যুঁজাৰু বুলি চাৰিওটা চামে স্বীকৃতি দিছে। তেওঁলোক দুজন হ'ল অম্বিকাগিৰী ৰায়চৌধুৰী আৰু আনজন জ্যোতিপ্ৰসাদ আগৰৱালা। এই দুজনক একাধাৰে বিদ্ৰোহী, মুক্তিযুঁজাৰু, সাহিত্যিক, গীতিকাৰ, সাংবাদিক আৰু সংগঠক বুলিব পাৰি।

স্বাধীনতা যুঁজত অম্বিকাগিৰী ৰায়চৌধুৰীৰ ভূমিকাৰ মূল্যাংকন কৰিলে তেওঁৰ দেশপ্ৰেম কোনোপধ্যে অস্বীকাৰ কৰিব নোৱাৰি। ১৯০৫ চনত আৰম্ভ হোৱা বংগ ভংগ আন্দোলনৰ সময়ৰ পৰা গান্ধীজীৰ নেতৃত্বত পৰিচালিত স্বাধীনতাৰ ৰণলৈ, ১৯২১ চনৰ পৰা ১৯৩০ চনলৈ ৰায়চৌধুৰী আছিল অসমৰ আগশাৰীৰ বিপ্লৱী মুক্তিযোদ্ধা।

মন কৰিবলগীয়া যে লৰ্ড কাৰ্জনৰ বংগ ভংগ আঁচনিৰ প্ৰতিক্ৰিয়া হিচাপে ১৯০৫ চনত বংগদেশত এচাম উগ্ৰ দেশপ্ৰেমী ডেকাই সন্ত্ৰাসবাদৰ নীতি গ্ৰহণ কৰি ভাৰতৰ স্বাধীনতা যুঁজত জঁপিয়াই পৰিছিল। অসমত তাৰ প্ৰভাৱ নপৰাকৈ থকা নাছিল কিন্তু বেছিসংখ্যক যুৱক এইক্ষেত্ৰত আগুৱাই অহা নাছিল।

যিকেইজন আহিছিল তাৰে অন্যতম আছিল অম্বিকাগিৰী ৰায়চৌধুৰী। এইসকলক সেই সময়ত এনাৰ্কিষ্ট দল হিচাপেই আনে ভাবিছিল। যাৰ ফলত ৰায়চৌধুৰীয়ে ৰজাঘৰৰ কোপত পৰি নিজা চহৰ বৰপেটাত প্ৰায় ৭ বছৰ কাল অন্তৰীণ বন্দী হিচাপে দিন কটাব লগাত পৰিছিল। সেই সময়ছোৱাত (১৯০৮-১৫) তেওঁ কেইবাখনো নাট-নাটিকা লিখিছিল আৰু সাহিত্য চৰ্চা কৰাত মনোযোগ দিছিল, কিন্তু তেওঁৰ সাহিত্য-কবিতা, নাট আদি সকলোতে স্বদেশপ্ৰেমৰহে প্ৰতিধ্বনি প্ৰতিফলিত হৈছিল।

উগ্ৰ জাতীয়তাবাদীৰ চৰিত্ৰ লৈ পেলোৱা অম্বিকাগিৰী কিন্তু মহাত্মা গান্ধীৰ কংগ্ৰেছৰ নেতৃত্ব লোৱাৰে পৰা অহিংস নীতিৰ সমৰ্থক হৈ পৰে। এই

পৰিৱৰ্তন আছিল আকস্মিক আৰু প্ৰথমলানি সত্যাগ্ৰহীৰ তেওঁ আছিল অন্যতম।

১৯৩০ চনলৈ ৰায়চৌধুৰীয়ে প্ৰায় ২৫ বছৰ কাল প্ৰথমতে সন্ত্ৰাসবাদী, তাৰ পিচত গান্ধীবাদী হিচাপে স্বাধীনতা আন্দোলনত একাগ্ৰচিত্তে লাগি আঁতৰি গৈছিল কংগ্ৰেছৰ মূল ধাৰাটোৰ পৰা। তথাপি তেওঁ গান্ধীজীৰ আদৰ্শক বিশ্বাস কৰিছিল।

সেইখিনি সময়তে তেওঁৰ মনলৈ উগ্ৰ জাতীয়তাবাদী চিন্তাবোৰ আহিবলৈ ধৰে। মন কৰিবলগীয়া কথা যে ব্ৰিটিছ আমোলৰ প্ৰাৰম্ভিক সময়ছোৱাত অসমীয়া ভাষা আৰু সাহিত্যৰ এক সংকট হৈছিল আৰু ব্ৰিটিছৰ ভাষা-নীতিৰ ফলস্বৰূপে অসমত অসমীয়াৰ ভাষা শিক্ষানুষ্ঠান আৰু কাছাৰী ঘৰৰ ব্যৱহৃত ভাষা হিচাপে এলাগী হৈ পৰিছিল।

সেইদৰে অসমৰ প্ৰশাসন, ভাৰত চৰকাৰ, দপ্তৰসমূহ আৰু ব্ৰিটিছ চালিত চাহ বাগিচা, তেল কোম্পানী, জাহাজ কোম্পানী আদিত অনা-অসমীয়াৰ প্ৰভুত্ব গজগজীয়া হৈছিল। অৰ্থাৎ শিক্ষিত অসমীয়া ডেকাই শ্বিলঙৰ চৰকাৰী সচিবালয়, ডাক-তাঁৰ, ৰে'ল, জাহাজ আদিৰ চাকৰিত বিমুখ হৈছিল।

এনে পৰিস্থিতিত অম্বিকাগিৰী ৰায়চৌধুৰীয়ে গঢ়ি তুলিছিল 'অসম জাতীয় মহাসভা।' ইয়াৰ লক্ষ্য আৰু উদ্দেশ্য আছিল অসমীয়াৰ ন্যায্য দাবীসমূহ যেনে— অসমীয়া ডেকাৰ নিযুক্তি, অসমীয়া ভাষাৰ উত্তৰণ আৰু পমুৱা মুছলমানৰ অসমলৈ প্ৰব্ৰজনৰ বিৰোধিতা।

'অসম অসমীয়াৰ বাবে' বা 'চিলেট বিচ্ছেদ' আদি যিবোৰ আন্দোলন তেওঁ কৰিছিল এই আন্দোলনবোৰেৰে তেওঁ কিন্তু কংগ্ৰেছৰ মহান ঐতিহ্যৰ বিৰোধিতা কৰা নাছিল। কিন্তু সেয়া কংগ্ৰেছীসকলে ভাল চকুৰে নাচাইছিল। ৰায়চৌধুৰীৰ অৱশ্যে এইবোৰৰ প্ৰতি কোনো ভ্ৰূক্ষেপ নাছিল।

পমুৱাক আমদানি কৰি অসমৰ সমাজ ব্যৱস্থা ধ্বংস কৰা হ'ব বুলি তেওঁ ভাবিছিল আৰু কালক্ৰমত সেয়াই সত্য হিচাপে প্ৰমাণিত হৈছিল। ঠিক তেনেদৰে ভাৰতৰ আন প্ৰদেশৰ পৰা আহি অসমত বসবাস কৰিবলৈ

লোৱাটোও তেওঁ সমূলঞ্চে দেখিব পৰা নাছিল।

সেই সময়ৰ প্ৰদেশ কংগ্ৰেছৰ নেতাসকলে অম্বিকাগিৰী ৰায়চৌধুৰীৰ এই মতবাদক সম্পূৰ্ণ প্ৰাদেশিক বুলি ভাবিছিল। তেওঁলোকে ভাবিছিল যে স্বাধীনতাৰ সময়ছোৱাত প্ৰাদেশিক চিন্তাধাৰাতকৈ ভাৰতীয়বোধৰহে দৰকাৰ আছে। সেই কাৰণেই ৰায়চৌধুৰীৰ জাতীয়তাবোধক কংগ্ৰেছীসকলে গা কৰি উঠিবলৈ দিয়া নাছিল।

জাতীয়তাবোধ জগাবৰ কাৰণে ১৯১৯ চনৰে পৰা তেওঁ প্ৰকাশ কৰিছিল 'চেতনা'। প্ৰায় ৭ বছৰ কাল 'চেতনা' চলোৱাৰ পিচত নানা অসুবিধাৰ কাৰণে বন্ধ কৰি আৰম্ভ কৰিছিল সাপ্তাহিক 'ডেকা অসম'।

প্ৰত্যেকখন আলোচনীতে অনৰ্গল লিখি গৈছিল জাতীয়তাবোধৰ কথা, পমুৱা মুছলমানৰ আমদানিৰ কথা, বহিৰাগতৰ কথা। যাৰ কাৰণে কলিকতীয়া বাতৰিকাকতবোৰে অম্বিকাগিৰীকে অসমৰ বঙালী খেদা আন্দোলনৰ মূল হোতা বুলি ধৰি লৈছিল।

অসমীয়া জাতিৰ অস্তিত্ব বিপদাপন্ন হোৱা বুলি অনুভৱ কৰি অসমত জাতীয় চৈতন্য জাগ্ৰত কৰিবৰ কাৰণে ১৯২৪ চনতে তেওঁ 'অসম সংৰক্ষিণী সভা' স্থাপন কৰি অসমীয়াক আত্মৰক্ষাৰ বাবে সক্ষম হ'বলৈ সকীয়াই দিছিল।

সেই অসম সংৰক্ষিণী সভাই পিচলৈ অসম জাতীয় মহাসভাৰ নাম লৈছিল। তেওঁ বাৰে বাৰে কৈছিল— 'এতিয়াও সাৰ পাই সচেতন হৈ নুঠিলে বাকী চাৰি অনাও নিৰ্মূল হ'ব, — অসমীয়া (কামৰূপী) জাতিৰ শৌৰ্য-বীৰ্য আকৌ সেই আগৰ দৰেই নদন-বদন বিতোপন হৈ উঠিব।'

'ডেকা অসম'ত তেওঁ লিখিছিল— 'অসমীয়া জাতীয় চেতনাৰ প্ৰখৰতা হেৰোৱা বাবেই তাৰ জাতীয় সম্পত্তি, মাটি-বাৰী, খেতিপথাৰ, বেহা-বেপাৰ, ঠিকা, মহল, চাকৰি-বাকৰি, এনেকি তাৰ ভাষা-সংস্কৃতিও আজি আনৰ অশোভনীয় আক্ৰমণৰ গ্ৰাসত আধামৰা।'

বিগত শতিকাৰ আশীৰ দশকৰ পৰা অসমত দেখা দিয়া

জাতীয়তাবাদৰো আদিগুৰু আছিল অম্বিকাগিৰী। ১৯৩৮ চনতে 'ডেকা অসম'ৰ সম্পাদকীয়ত অসমীয়া জাতিৰ সংৰক্ষণ সন্দৰ্ভত লিখিছিল, 'অসমীয়াক লাগে— নিজ দেশত তাৰ আত্মনিয়ন্ত্ৰণৰ নিৰ্ব্বিবাদ অধিকাৰ। অসমীয়াক লাগে— তাৰ নিজ দেশত এক জাতীয়তা, অসমীয়াক লাগে— নিজ দেশৰ আৰ্থিক, সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক সমস্যাৰ সমাধান, যিবিলাকৰ সমাধান যি আন কোনো প্ৰদেশত আশা কৰা অসম্ভৱ। অসমীয়াকো লাগে নিজস্ব আদৰ্শৰ পথৰে নিজ দেশত তাৰ আত্মবিকাশত মুকলি অধিকাৰৰ পূৰ্ণ স্বাধীনতা, যিটো সি বিভিন্ন আদৰ্শযুক্ত লোকৰ সংখ্যাধিক্যত লাভ কৰিব তাৰ আশা নাই।'

সেই কাৰণেই ৰায়চৌধুৰীয়ে 'অসম জাতীয় মহাসভা' স্থাপন কৰে। এই মহাসভাই ১৯৪৫ চনত 'মুছলিম লীগ'ৰ অসমক পাকিস্তানৰ অন্তৰ্ভুক্ত কৰা সক্ৰিয় চেষ্টাক প্ৰতিৰোধ জনাবলৈ দুই লাখ লোকেৰে জাতীয় মহাসভাৰ তলত 'আত্মৰক্ষী বাহিনী' গঠন কৰিবলৈ চেষ্টা কৰিছিল।

এই উপলক্ষে প্ৰকাশ হোৱা পুস্তিকাখনত তেওঁ কৈছিল, 'অসমক ৰক্ষা কৰিবলৈকে প্ৰৱৰ্তন কৰা লাইন প্ৰথাটো বলেৰে উচ্ছেদ কৰি চৰণীয়া ৰিজাৰ্ভ, গৱৰ্নমেণ্ট ৰিজাৰ্ভ আৰু পট্টাৰ মাটিতো বে-আইনী পমুৱাৰ মেট সুমুৱাই দি গাঁৱে-ভূঞে এই মাটিকেই দখল কৰিব ধৰিছে। এই মাটি অসমীয়াৰ পৰা গ'লে অসমীয়া জাতি সবংশে নিৰ্মূল হ'ব।'

তেওঁৰ কথাবোৰ সেই সময়ৰ অসম আৰু অসমীয়াৰ মূৰৰ ওপৰেৰে গৈছিল। বেছিভাগ ৰাজনৈতিক নেতা আৰু সাধাৰণ চহা ৰাইজে ধৰিব পৰা নাছিল কি হ'বলৈ গৈ আছে।

তেতিয়াই অম্বিকাগিৰীয়ে ১৯৩৭ চনৰ শেষলৈকে আহি স্থায়ী হোৱা পুৰণি পমুৱা ভাইসকলক এই আক্ৰমণৰ অভিসন্ধিৰ পৰা আত্মৰক্ষা কৰিবলৈ সৰ্বতোভাৱে সাজু হ'বলৈ আহ্বান জনায়।

যদিও গ্ৰুপিঙৰ বিৰোধিতা কৰাৰ কাৰণে বুৰঞ্জীয়ে সদায় গোপীনাথ

বৰদলৈকে সুঁৱৰিছে তথা তেওঁক প্ৰতিৰোধ আন্দোলনৰ মূল হোতা হোৱা বুলি অসমীয়াই স্বীকৃতি দিছে। কিন্তু গোপীনাথ বৰদলৈক গ্ৰুপিঙৰ বিৰোধিতা কৰিবলৈ পোনপ্ৰথমবাৰৰ বাবে সোঁৱৰাই দিছিল এই অম্বিকাগিৰীয়ে।

এই কথা স্বয়ং অম্বিকাগিৰীয়ে নিজে লিখি থৈ গৈছে। অসম জাতীয় মহাসভাৰ সেই সবৰ প্ৰতিবাদৰ কাৰণেই দৰাচলতে গোপীনাথ বৰদলৈয়ে এক স্থিতি ল'বলৈ সুযোগ পাইছিল।

যি বাংলাদেশী সমস্যাই আজি অসমক জ্বলাই আহিছে আৰু যোৱা তিনিটা দশকত ইয়াৰ একো সমাধান সূত্ৰ ওলোৱা নাই, সেই বিদেশী সমস্যাৰ কথাও কিন্তু অম্বিকাগিৰীয়ে তেতিয়াই উদঙাই দিছিল।

কিন্তু তেতিয়াৰ বৰ বৰ কংগ্ৰেছীসকলে 'বৰপেটীয়া ফুলজাৰি' বুলি অম্বিকাগিৰীয়ে কৰা এই সংশয়ক দৰাচলতে ইতিকিংহে কৰিছিল।

অম্বিকাগিৰীৰ এই ৰাজনৈতিক দূৰদৰ্শিতাক অসমবাসীয়ে তেওঁৰ জীৱন কালত স্বীকাৰ কৰি নল'লে। অম্বিকাগিৰী সম্পৰ্কে অসমৰ বৌদ্ধিক আৰু ৰাজনৈতিক মহলে বহুতো ভুল ধাৰণা পোষণ কৰি আহিছে আৰু ইয়াৰ ফলত অসম তথা অসমৰ বাহিৰতো অম্বিকাগিৰীৰ ভাবমূৰ্তি বহু পৰিমাণে বিকৃত ৰূপত নানা স্বাৰ্থজড়িত ব্যক্তি আৰু গোষ্ঠীবিশেষে প্ৰচাৰ কৰি আহিছে।

আগতেও কোৱা হৈছে যে গ্ৰুপিঙৰ প্ৰথম সংঘবদ্ধ বিৰোধিতা কৰিছিল অসম জাতীয় মহাসভাই। বাংলাভাষীসকলৰ আগত অসমীয়া সংখ্যালঘু হৈ পৰাৰ আশংকাটোৱে ইমান সোনকালে আৰু দলৈকে শিপাইছিল যে অসমীয়াৰ জাতীয়তাবাদৰ জুই দপ্‌দপাই জ্বলি উঠিছিল।

গোপীনাথ বৰদলৈ নেতৃত্বাধীন কংগ্ৰেছ নালাগে, কমিউনিষ্ট পাৰ্টী আৰু অসম ছাত্ৰ সন্মিলনীয়েও জাতীয় মহাসভাৰ লগত সুৰ মিলাইছিল। কংগ্ৰেছে কিন্তু জাতীয় মহাসভাৰ পৰা এই বিৰোধিতাৰ নেতৃত্ব লৈ ল'লে।

বহুতে ক'ব খোজে যে জাতীয় মহাসভা কংগ্ৰেছৰ বাবে এক প্ৰেছাৰ গ্ৰুপ হৈ পৰিছিল আৰু কংগ্ৰেছে প্ৰয়োজন সাপেক্ষে অম্বিকাগিৰী

আৰু অসম জাতীয় মহাসভাক মুছলিম লীগৰ বিৰুদ্ধে ব্যবহাৰ কৰিছিল।

জাতীয় মহাসভাৰ এটা অংশই অসমৰ সাৰ্বভৌমত্ব সম্পৰ্কত দাবী কৰিছিল আৰু অম্বিকাগিৰীয়ে নিজে নগা স্বাধীনতা সংগ্ৰামলৈ সমৰ্থন আগবঢ়াইছিল।

অসম সংৰক্ষিণী সভা আৰু পৰৱৰ্তী অৱস্থাত অসম জাতীয় মহাসভাৰ যোগেৰে পূৰ্ব বংগৰ পৰা অবাধ প্ৰব্ৰজন, অসমৰ অনাবাদী মাটি দখল, অসমীয়া গাঁৱৰ ওপৰত পমুৱাৰ অত্যাচাৰ, বঙলা ভাষাৰ ক্ৰমবৰ্ধমান প্ৰভাৱ, অসমীয়াৰ আসন্ন বিপদৰ প্ৰতি উদাসীনতা, তেওঁলোকৰ মাজত স্বদেশপ্ৰীতি আৰু ঐক্যভাব সৃষ্টি, নিয়মানুৱৰ্তিতা আৰু সংযমৰ প্ৰৱৰ্তন, লীগ মন্ত্ৰীসভাৰ ষড়যন্ত্ৰৰ বিৰুদ্ধে শক্তি আহৰণ কৰা, ডমিচাইল প্ৰশ্ন, শ্ৰীহট্ট বিচ্ছেদ, আত্মৰক্ষা বাহিনী গঠন, চেঞ্চাছ সমস্যা আৰু সৰ্বশেষত অসমৰ খিলঞ্জীয়া লোকৰ সকলো স্বাৰ্থ সংৰক্ষণ — এই সকলোৰে বিষয়ে জনমত গঢ় দিবলৈ চেষ্টা কৰা হৈছিল আৰু শাখা-প্ৰশাখা স্থাপন কৰি সাধ্যানুসাৰে কাৰ্যকৰী কৰাৰো ব্যৱস্থা কৰিছিল।

ৰায়চৌধুৰী আৰু অসম জাতীয় মহাসভাই ষাঠি-সত্তৰ বছৰ আগতেই অসমীয়াৰ অস্তিত্ব বিপন্ন হোৱাৰ আশংকা কৰি অসমীয়াক সাৱধান হ'বলৈ চিঞৰি কৈছিল, কিন্তু দুৰ্ভাগ্যবশতঃ সেই সময়ৰ নেতৃবৰ্গই বিশেষকৈ ৰাইজৰ আস্থাভাজন কংগ্ৰেছ নেতাসকলে ৰায়চৌধুৰীৰ বিপদ সংকেতত বৰ গুৰুত্ব নিদিলে।

আনকি স্বাধীনতাৰ পিচতো পূব পাকিস্তান আৰু তাৰ পিচত বাংলাদেশৰ পৰা লুকাই-চুৰকৈ অসমত সোমোৱা বিদেশীবোৰক চিনাক্ত কৰা আৰু বহিষ্কাৰ কৰাত লেহেমীয়া নীতি গ্ৰহণ কৰিলে। ৰায়চৌধুৰীৰ প্ৰচেষ্টাক কলিকতীয়া কাগজে 'বঙাল খেদা আন্দোলন' আৰু ৰায়চৌধুৰীক 'বঙাল খেদা নেতা' হিচাপে আখ্যা দিছিল।

কিন্তু আজি একবিংশ শতিকাত অসমে বিদেশী সমস্যাক সন্মুখত

লৈ ভাবিছে যে অসম জাতীয় মহাসভাই ষাঠি-সত্তৰ বছৰ আগতে উনুকিয়াই যোৱা সমস্যাবোৰেই আজি বাস্তৱ। সেয়াই সত্য।

আৰু সত্য এয়ে যে গোপীনাথ বৰদলৈ নিজেও কংগ্ৰেছৰ ভিতৰত থাকি আছিল এক জাতীয়তাবাদী নেতা আৰু সেই কাৰণেই বহু সময়ত অম্বিকাগিৰী ৰায়চৌধুৰী আৰু জাতীয় মহাসভাৰ পৰা বিষয়বোৰ কংগ্ৰেছে আগবঢ়াই লৈ গৈছিল। গ্ৰুপিং আন্দোলন তাৰেই এক শ্ৰেষ্ঠ উদাহৰণ।

১৯৫৭ চনৰ বিধানসভা নিৰ্বাচনত অসম জাতীয় মহাসভাৰ পৰা প্ৰাৰ্থী থিয় কৰাব বুলি ঘোষণা কৰি এখন ১২ দফীয়া প্ৰচাৰপত্ৰ প্ৰকাশ কৰা হৈছিল। অম্বিকাগিৰী ৰায়চৌধুৰীৰ দ্বাৰা প্ৰকাশিত এই প্ৰচাৰপত্ৰখনে কিছুমান গুৰুত্বপূৰ্ণ কথা উত্থাপন কৰিছিল বাবে প্ৰচাৰপত্ৰখন ইয়াত হুবহু উল্লেখ কৰিছো।

অসম জাতীয় মহাসভাৰ নিৰ্বাচনী প্ৰচাৰপত্ৰ

'প্ৰতিৰোধ কৰক— অসমৰ সংখ্যাগৰিষ্ঠক সংখ্যালঘিষ্ঠ কৰা আন্তৰ্জাতিকতা আৰু মানৱীয়তাবিৰোধী নীতি' শীৰ্ষক এখন নিৰ্বাচন প্ৰচাৰপত্ৰত বিধানসভাত জাতীয় মহাসভাৰ কি কৰ্মসূচী হ'ব, তাক উল্লেখ কৰি তলত দিয়া ১২ দফীয়া প্ৰচাৰপত্ৰ প্ৰকাশ কৰিছে।

(১) প্ৰথমতে, অসমত যিখিনি একচনা মাটি আছে, সেইখিনি ভূঁইকঁপ-গৰাখহনীয়াত ভেটি-মাটি উছন হোৱা আৰু ১৯৪২ চনৰ পৰা অৰ্থাৎ ১২ বছৰ আগৰে পৰা দখল কৰি থকা আন মাটিহীন স্থানীয় লোকক এই চনতে ম্যাদী পট্টা দিয়াৰ ব্যৱস্থা কৰা।

(২) বাগিচাৰ বনুৱাৰ প্ৰাথমিক শিক্ষাৰ ভাৰটো অসম চৰকাৰে বাগিচাৰ মালিকসকলৰ হাতত গতাই দি অসমীয়াভাষীক সংখ্যালঘিষ্ঠ কৰা অভিসন্ধিৰ সহায়ক হৈছে। ডাঙৰ চাহ বাগিচা বেছিভাগৰে মালিক অসমীয়াবিদ্বেষী ধনতন্ত্ৰী লোক। বাগিচাৰ বনুৱাসকলে অসমীয়া পঢ়ি অসমীয়া

সমাজত মিলি অসমীয়াভাষী হৈ পৰিছিল; আৰু চেঞ্চাছতো অসমীয়াভাষী বুলি লেখাইছিল। কিন্তু অসম চৰকাৰৰ এই ব্যৱস্থাত অসমীয়া ভাষাবিৰোধী ধনতন্ত্ৰী মালিকবিলাকে অসম শোষণৰ পথ সুচল কৰিবলৈকে, সংবিধানৰ মৌলিক স্বত্বৰ কথা উলিয়াই, এই বনুৱাসকলক আন ভাষাৰে প্ৰাথমিক শিক্ষা দিব। তাত অসমীয়াৰ সংখ্যা হ্ৰাস পাব। অসমীয়া পৰিচালিত আই এন টি ইউ চিয়েও অসম চৰকাৰৰ এই অসমীয়াবিধ্বংসী নীতিত আত্মসমৰ্পণ কৰা সম্পৰ্কত একো ৰাও কাঢ়া নাই; আৰু হৈ যোৱা ধুবুৰীৰ সাহিত্য সভাৰ অধিৱেশনতো এই গুৰুতৰ বিষয়টো লৈ সভাপতিৰ অভিভাষণতেই হওক, নাইবা প্ৰস্তাৱাদিতেই হওক, একো আলোচনা হোৱা নাই। বাগিচাৰ বনুৱাৰ এই প্ৰাথমিক শিক্ষাৰ বিষয়টো মালিকসকলৰ হাতৰ পৰা আনি পুনৰ আগৰ দৰে অসম চৰকাৰৰ দ্বাৰা অসমীয়া ভাষাৰে শিক্ষা দিয়াৰ ব্যৱস্থা কৰা।

(৩) নেফাত অসমীয়া আখৰেৰে ট্ৰাইবেলসকলক নিজ নিজ ভাষাত প্ৰাথমিক শিক্ষা দিওৱাৰ ব্যৱস্থা কৰা।

(৪) অসমৰ অখণ্ডতা ৰক্ষাৰ হকে অসমীয়া ভাষাক অসমৰ ৰাজ্যভাষা কৰি লোৱা বিষয়ত যদি অসমৰ অসমীয়া ট্ৰাইবেলসকলেই অন্তৰায় হৈ থিয় দিছে বুলি কোৱা হয়, তেন্তে শিক্ষা আৰু শাসনকাৰ্যৰ উপযোগী ট্ৰাইবেলসকলৰেই যিকোনো ভাষা এটাক অসমীয়া আখৰেৰে অসমৰ ৰাজ্যভাষা কৰি লৈ অসমৰ আৰু অসমীয়াৰ অখণ্ড অস্তিত্ব ৰক্ষা কৰিবলৈকে তেওঁলোকৰ হাততেই অসমৰ শাসনভাৰ গতাই দিয়াৰ সপক্ষে মত সৃষ্টি কৰাৰ ব্যৱস্থা। কাৰণ, অসমৰ ট্ৰাইবেলসকলো অসমীয়া। তেওঁলোকৰ হাতত অসমৰ শাসন ক্ষমতা দিলে অসমৰ অখণ্ড অস্তিত্ব হানি হ'বৰ শংকা নাথাকিব।

(৫) চন্দ্ৰকান্ত অভিধানত অসমৰ ট্ৰাইবেলসকলৰ ভাব-প্ৰকাশক শব্দবোৰ সন্নিৱিষ্ট কৰিবলৈকে আৰু সকলোবিলাক ট্ৰাইবেল ভাষাকে শিক্ষা আৰু ৰিছাৰ্চ বিষয়ত ঠাই দিবলৈকে গুৱাহাটী বিশ্ববিদ্যালয়ক চৰকাৰৰ জৰিয়তে অনুৰোধ কৰা।

(৬) অসমৰ নগা ৰাজ্যক ভাৰতত ৰাখিও বহিৰ্নীতিৰ বাদে তেওঁলোকক শিক্ষা, সমাজ আৰু আৰ্থিক বিষয়ত সম্পূৰ্ণ স্বাধীনতা দিয়াবৰ ব্যৱস্থা।

(৭) অন্যান্য ৰাজ্যবিলাকৰ দৰে এম এ আৰু এম এছ চিলৈকে অসমীয়া ভাষাৰে শিক্ষা ল'ব পৰাকৈ প্ৰয়োজনীয় পুথিবিলাক সংকলন কৰিবলৈ গুৱাহাটী বিশ্ববিদ্যালয়ক অসম চৰকাৰে অতি কমেও ১০ লাখ টকা দিওৱাৰ ব্যৱস্থা।

(৮) অসমত স্থাপিত আন ভাষাৰ শিক্ষানুষ্ঠানবিলাকত অসমীয়া ভাষা শিকাটো বাধ্যতামূলক কৰাৰ ব্যৱস্থা।

(৯) খাদ্য বস্তুবোৰৰ সৈতে বাহিৰৰ পৰা অহা প্ৰয়োজনীয় বস্তুবোৰ আনবিলাক ৰাজ্যৰ দৰে অসমতো জনসাধাৰণে সস্তাত পাবলৈ ৰে'ল-ষ্টীমাৰ-এৰোপ্লেনকে আদি কৰি পৰিবহণৰ সমস্যা সুচল কৰাৰ ব্যৱস্থা।

(১০) ৰিফাইনেৰীকে আদি কৰি অসমত অৱশ্যে স্থাপিত হ'ব লগা চৰকাৰী বা বেচৰকাৰী সকলো উদ্যোগতে স্থানীয় লোক শতকৰা অতি কমেও ৭৫জন নিয়োগৰ ব্যৱস্থা।

(১১) অসমত কেন্দ্ৰীয় চৰকাৰৰ শাসিত নেফা, ৰে'ল, পোষ্ট-টেলিগ্ৰাফ, চেণ্ট্ৰেল ইনটেলিজেঞ্চ, চেণ্ট্ৰেল ছেল্‌ছটেক্স, ইন্সিওৰেঞ্চ কৰ্পোৰেচন, চেণ্ট্ৰেল পি ডব্লিউ ডি ইত্যাদি সকলোতে অতি কমেও শতকৰা ৭৫জন অসমৰ স্থানীয় লোক নিযুক্তিৰ ব্যৱস্থা।

(১২) বৰ্তমান থকা আৰু ভৱিষ্যতে হ'বলগীয়া সকলো প্ৰকাৰৰ উদ্যোগত প্ৰয়োজনীয় স্থানীয় টেকনিচিয়ান ডেকা প্ৰস্তুতৰ বাবে অসমত পূৰ্ণাংগ টেক্‌নিকেল ইনষ্টিটিউট ঠায়ে ঠায়ে পতা আৰু যেতিয়ালৈকে এই টেক্‌নিকেল ইনষ্টিটিউটবিলাক পূৰ্ণাংগ হিচাপে স্থাপিত হৈ নুঠে, তেতিয়ালৈকে সকলো টেক্‌নিকেল শিক্ষা ল'বলৈ বছৰে অতি কমেও ১০০জনকৈ যোগ্য শিক্ষিত অসমীয়া ডেকাক উপযুক্ত বৃত্তি দি শিক্ষা গ্ৰহণ কৰি আহি উদ্যোগবোৰৰ ভাৰ ল'বলৈ বাহিৰলৈ পঠোৱাৰ ব্যৱস্থা।

ৰাজ্য পুনৰ্গঠন আয়োগ

ভাৰতবৰ্ষৰ স্বাধীনতাৰ পিচতে যিটো বিষয়ে দেশজুৰি আলোড়ন আৰু বিতৰ্কৰ সূত্ৰপাত কৰিছিল সেয়া আছিল ৰাজ্যসমূহক ভাষাৰ ভিত্তিত পুনৰ গঠন কৰা। এই বিষয়টোৰ সৈতে ৰাষ্ট্ৰীয় সংঘবদ্ধতা আৰু সমন্বয়ৰ বিষয়টোও নিবিড়ভাৱে জড়িত হৈ আছিল। ১৯৪৭ চনৰ আগৰ ভাৰতবৰ্ষত ব্ৰিটিছ চৰকাৰে প্ৰদেশসমূহৰ সীমা নিৰ্ধাৰণ কৰাৰ ক্ষেত্ৰত কোনো বিশেষ নীতি অৱলম্বন কৰা নাছিল আৰু হুৰমূৰকৈ কৰা সীমা নিৰ্ধাৰণে বহুতো প্ৰদেশৰ ভাষিক অস্তিত্বৰ প্ৰতিও শংকাৰ সৃষ্টি কৰা দেখা গৈছিল। প্ৰদেশসমূহৰ সীমা নিৰ্ধাৰণ কৰাৰ ক্ষেত্ৰত ব্ৰিটিছে প্ৰশাসনিক অনুকূলতা আৰু

ব্যৱসায়িক স্বাৰ্থকহে অগ্ৰাধিকাৰ দিছিল।

বেছিভাগ প্ৰদেশেই বহুভাষিক তথা বৈচিত্ৰ্যপূৰ্ণ সংস্কৃতিৰে পৰিপূৰ্ণ আছিল বাবে ভাষাৰ ভিত্তিত প্ৰদেশ গঠন কৰা কথাটোক ব্ৰিটিছে ৰাজনৈতিক আৰু প্ৰশাসনিক স্বাৰ্থতো আওকাণ কৰিছিল। তদুপৰি ক্ষুদ্ৰ ক্ষুদ্ৰ ৰজাৰ দ্বাৰা শাসিত অঞ্চলবোৰেও এনে এক গঠনৰ ক্ষেত্ৰত প্ৰতিবন্ধক ৰূপে থিয় দিছিলহি। পশ্চিমীয়া আধুনিক শিক্ষাৰ প্ৰসাৰ আৰু আধুনিক জ্ঞান-বিজ্ঞানৰ সংস্পৰ্শ ভাৰতীয় জনগণে লাভ কৰাৰ সমান্তৰালভাৱে দেশখনৰ বিভিন্ন প্ৰান্তত ভাষিক জাতীয়তাবাদৰ বুনিয়াদ শক্তিশালী হৈ উঠিব ধৰিলে। বংগীয় নৱজাগৰণৰ ফলত বংগ দেশত বাংলাভাষিক জাতীয়তাবাদ সাহিত্য, সংস্কৃতি আদি সকলো দিশতে বিকশিত হৈ উঠাৰ লগে লগে তাৰ প্ৰভাৱ প্ৰান্তীয় অন্যান্য অঞ্চলবোৰতো পৰিবলৈ ধৰিলে। মাৰাঠী, মালায়ালী, তামিল, কন্নড়, অসমীয়া আদি আধুনিক ভাৰতীয় ভাষাসমূহো এইক্ষেত্ৰত পিচপৰি নাথাকিল। ভাষিক জাতীয়তাবাদৰ বিকাশে এটা কথা প্ৰতীয়মান কৰিলে যে আধুনিক শিক্ষা আৰু জ্ঞান-বিজ্ঞানৰ প্ৰসাৰ ইংৰাজীৰ সলনি মাতৃভাষাৰ জৰিয়তেহে হোৱা উচিত। ভাষাৰ লগত সংস্কৃতিৰ থকা অভিন্ন সম্পৰ্কৰ বাবেও এই ধাৰণাই আধুনিক ভাৰতবৰ্ষৰ খনিকৰসকলৰ মনত স্থান পাইছিল। তদুপৰি ভাৰতবৰ্ষ এখন কেন্দ্ৰীভূত শাসন ব্যৱস্থাৰ ৰাষ্ট্ৰ হোৱাৰ সলনি সম্পূৰ্ণভাৱে ফেডাৰেল বা সংঘীয় আৰ্হিৰ ৰাষ্ট্ৰ হ'ব বুলি যি প্ৰতিশ্ৰুতি ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনে বহন কৰিছিল তাক সাকাৰ কৰাৰ স্বাৰ্থতো ভাষাভিত্তিক ৰাজ্য গঠনৰ প্ৰয়োজনীয়তাই দেখা দিছিলহি।

এই প্ৰতিশ্ৰুতি সাৰোগত কৰিয়েই দেশখনৰ প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৱে ১৯৫৩ চনত ৰাজ্য পুনৰ্গঠন আয়োগ (State Reorganization Commission) গঠন কৰে। এই আয়োগৰ সদস্যসকল আছিল ন্যায়াধীশ ফজল আলী, কে এম পানিক্কৰ আৰু

হৃদয়নাথ কুঞ্জৰু। আয়োগৰ সদস্যসকলে ৰাজ্যসমূহৰ পুনৰ্গঠনৰ উদ্দেশ্য বস্তুনিষ্ঠভাৱে আৰু নিৰপেক্ষভাৱে বিশ্লেষণ কৰাৰ প্ৰয়াস কৰিছিল আৰু আয়োগৰ দুবছৰীয়া কাৰ্যকালত ভালেমান সভা-সমিতি, আন্দোলন, অনশন আদিৰ মুখামুখি হ'ব লগাত পৰিছিল। উল্লেখ্য যে ভাষাৰ ভিত্তিত ৰাজ্য পুনৰ্গঠনৰ বিষয়টোক প্ৰস্তাৱ আকাৰে ১৯২০ চনত নাগপুৰত বহা কংগ্ৰেছৰ অধিৱেশনতে গ্ৰহণ কৰা হৈছিল আৰু পৰৱৰ্তী সময়ত ১৯২৭, ১৯৩৭, ১৯৩৮ আৰু ১৯৪৫-৪৬ চনৰ অধিৱেশনতো এই প্ৰস্তাৱৰ প্ৰতি অনুমোদন জনোৱা হৈছিল।

ৰাজ্য পুনৰ্গঠন আয়োগে এক যুক্তিনিষ্ঠ আৰু নিৰপেক্ষভাৱে এই প্ৰক্ৰিয়াটো পৰ্যালোচনা কৰিছিল আৰু আয়োগৰ ফালৰ পৰা চালি-জাৰি চোৱা বিষয়বোৰ আছিল নিম্নোক্ত ধৰণৰ —

(১) ভাষিক আধিপত্যৰ বিষয়টোক ৰাজ্য পুনৰ্গঠনৰ ক্ষেত্ৰত মূল কাৰক হিচাপে বিবেচনা কৰা হ'ব যদিও এইক্ষেত্ৰত এই কাৰকটোৱে সৰ্বশেষ আৰু একমাত্ৰ কাৰক হ'ব নোৱাৰিব।

(২) বিভিন্ন ভাষিক গোষ্ঠীবোৰৰ শৈক্ষিক, সাংস্কৃতিক আৰু যোগাযোগৰ প্ৰয়োজনবোৰ যাতে মিতাব পৰা যায় তাক নিশ্চয় কৰা।

(৩) যদিহে কোনো ৰাজ্যৰ ক্ষেত্ৰত আৰ্থিক, ৰাজনৈতিক আৰু প্ৰশাসনিক বিবেচনাবোৰে এখন সংঘবদ্ধ ৰাজ্য হিচাপে থকাৰ অনুকূলে ক্ৰিয়া কৰে তেন্তে তেনে ৰাজ্যবোৰৰ বিভাজন কৰা নহ'ব আৰু সকলো লোকে যাতে সম-অধিকাৰ তথা সম-সুবিধা লাভ কৰে তাৰ বাবে যথাযথ সুৰক্ষা ব্যৱস্থা গঢ়ি তোলা হ'ব।

(৪) সকলো নাগৰিকক সম-সুযোগ আৰু সম-অধিকাৰ প্ৰদানৰ জৰিয়তে 'গৃহ-ভূমি'ৰ ধাৰণাটোক নস্যাৎ কৰা হ'ব।

(৫) এটি ভাষাৰ বাবে এখন ৰাজ্য গঠনৰ ধাৰণাটি নাকচ কৰা হ'ব আৰু একভাষিক ৰাজ্যৰ ধাৰণাটিক বিচ্ছেদৰ প্ৰৱণতা প্ৰতিহত কৰাৰ

স্বাৰ্থতে প্ৰশ্ৰয় দিয়া নহ'ব। ভাৰতীয় জাতীয়তাবাদৰ ধাৰণাক অধিক গভীৰতম পৰ্যায়লৈ শিপাবলৈ দিয়া হ'ব আৰু বিভিন্ন আঞ্চলিক সংস্কৃতিৰ মাজত পাৰস্পৰিক সম্পৰ্ক গঢ়াৰ মাজেৰে সংহতিৰ ভাবটো অধিক মূৰ্তমান কৰাৰ প্ৰয়াস কৰা হ'ব। ৰাষ্ট্ৰীয় আঁচনি আৰু পৰিকল্পনাৰ ক্ষেত্ৰত কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত সু-সম্পৰ্ক গঢ়ি তোলা হ'ব।

এই আয়োগে ১৯৫৫ চনৰ ৩০ ছেপ্টেম্বৰত প্ৰতিবেদন দাখিল কৰে আৰু এই প্ৰতিবেদনযোগে ১৬খন ৰাজ্য আৰু ৩খন কেন্দ্ৰীয়শাসিত অঞ্চল গঢ় দিয়াৰ অনুমোদন জনোৱা হয়। ভাৰত চৰকাৰে এই প্ৰতিবেদন বিস্তাৰিতভাৱে পৰ্যালোচনা কৰি ১৫খন ৰাজ্য আৰু ৭খন কেন্দ্ৰীয়শাসিত অঞ্চল গঢ়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। অৱশেষত ১৯৫৬ চনৰ ১ নৱেম্বৰত ভাৰতবৰ্ষৰ সংসদত The States Reorganisation Act, 1956 গৃহীত হয় আৰু এই আইনযোগে দেশত ১৪খন ৰাজ্য আৰু ৬খন কেন্দ্ৰীয়শাসিত ৰাজ্য গঠন কৰাটো নিশ্চিত কৰা হয়।

অসমৰ ক্ষেত্ৰত ৰাজ্য পুনৰ্গঠন আয়োগে প্ৰদেশখনৰ বিভিন্ন প্ৰান্ত পৰিভ্ৰমণ কৰিছিল আৰু এই ভ্ৰমণৰ সময়ছোৱাত বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ সৈতে মত বিনিময় কৰিছিল। আয়োগে লক্ষ্য কৰিছিল যে বহুজাতিক আৰু বহুভাষিক এই প্ৰদেশখনত ব্যাপকভাৱে হোৱা প্ৰব্ৰজনৰ বাবে অসমীয়াভাষীসকলে বিশেষ ধৰণৰ সুবিধা দাবী কৰিব নোৱাৰে আৰু অসমীয়া ভাষাটোকো প্ৰদেশখনৰ প্ৰাথমিক ভাষা বুলি ক'ব নোৱাৰে। ১৯৩১ চনপৰ্যন্ত প্ৰস্তুত কৰি উলিওৱা ভাষিক পৰিসংখ্যাৰ আধাৰত প্ৰদেশখনক কোনোপধ্যে একভাষিক ৰাজ্য বুলি ক'ব পৰা নাযায় বুলি আয়োগে মত প্ৰকাশ কৰিলে। একেদৰে আয়োগে লক্ষ্য কৰিলে যে প্ৰদেশখনৰ কোনো এটি ভাষাকে প্ৰদেশখনৰ মুঠ জনসংখ্যাৰ ৭০ শতাংশতকৈ অধিক লোকে ব্যৱহাৰ নকৰে। আয়োগৰ ফালৰ পৰা কোৱা হ'ল যে প্ৰদেশখনৰ ভাষিক বৈচিত্ৰ্যই ইয়াক এখন

বহুভাষিক ৰাজ্য হিচাপেহে সাব্যস্ত কৰে। ১৯৩১ চনৰ পৰা ১৯৫১ চনলৈ অসমীয়াভাষী লোকৰ সংখ্যা ব্যাপকভাৱে বৃদ্ধি পোৱা সত্ত্বেও ১৯৫১ চনৰ লোকপিয়লত অসমত অসমীয়াভাষী লোকৰ সংখ্যা মাথোঁ ৫৫ শতাংশ হৈছিলগৈ। তৎসত্ত্বেও অসমত আত্মীকৰণ প্ৰক্ৰিয়াই বিভিন্ন বিপদ নেওচি এক ত্বৰান্বিত ৰূপ লৈছে বাবে ৰাজ্যখনক খণ্ডিত কৰাটো উচিত নহয় বুলি আয়োগে মত দাঙি ধৰিলে।

ইয়াৰ আগতে ১৯৫৪ চনত অসমৰ পুনৰ্গঠনৰ প্ৰসংগত ভালেমান দাবী উত্থাপন হৈছিল। অসম প্ৰদেশ কংগ্ৰেছ কমিটী, চি পি আই, ত্ৰিপুৰা ৰাজ্য কংগ্ৰেছ কমিটী আৰু অসম চৰকাৰে পূৰ্বৰ অৱস্থাটোৱেই বাহাল থকাটো কামনা কৰিছিল। অৱশ্যে যদিহে সম্ভৱপৰ হয় অসম চৰকাৰে কোচবিহাৰ, মণিপুৰ আৰু ত্ৰিপুৰাক অসমৰ সৈতে চামিল কৰাক সমৰ্থন কৰিছিল আৰু সেই সময়লৈ অসমৰ এক অংশ হৈ ৰোৱা নেফাৰ সৈতে অসমৰ সম্পৰ্ক ৰক্ষা হোৱাটো বিচাৰিছিল। তাৰ বিপৰীতে অসমৰ পাহাৰীয়া জিলাকেইখনে এখন সুকীয়া পাহাৰীয়া ৰাজ্যৰ দাবী তুলিছিল। এই দাবীৰ সৈতে সংগতি ৰাখি সংবিধানৰ ষষ্ঠ অনুসূচীৰ ‘এ’ ভাগত উল্লিখিত পাহাৰীয়া জিলাবোৰক সামৰি এখন ৰাজ্য গঠন কৰাৰ দাবীটো উঠোৱা হৈছিল, য’ত সন্নিৱিষ্ট হৈছিল নগা পাহাৰ জিলা। নাগা নেচনেল কাউঞ্চিলে এই প্ৰস্তাৱৰ বিৰোধিতা কৰি অসমৰ পৰা পৃথক হৈ স্বতন্ত্ৰ হোৱাৰ কথা কৈছিল আৰু একে সময়তে পাহাৰীয়া ৰাজ্যখনৰ ধাৰণা নাকচ কৰিছিল। আয়োগৰ আগত গোৱালপাৰা, গাৰো পাহাৰ, কোচবিহাৰ, দাৰ্জিলিং আৰু জলপাইগুৰিক লৈ কমতাপুৰ ৰাজ্য গঠনৰ দাবী উঠোৱা হৈছিল। একেদৰে কাছাৰক কেন্দ্ৰ কৰি পূৰ্বাঞ্চল ৰাজ্য গঠনৰ প্ৰস্তাৱো অনা হৈছিল।

স্বৰাজোত্তৰ কালত অসমীয়া ভাষাক ৰাজ্যভাষাৰ মৰ্যাদা দিয়াৰ সৰ্ববৃহৎ দাবীটো উঠোৱা হৈছিল অসম সাহিত্য সভাৰ মঞ্চৰ পৰা।

১৯১৭ চনত প্ৰতিষ্ঠা লাভ কৰা অসম সাহিত্য সভাই ১৯৫০ চনৰ ১১ মাৰ্চত অসমীয়া ভাষাক ৰাজ্যখনৰ ৰাজ্যভাষা কৰাৰ দাবী তোলে আৰু ইয়াৰ বাবে ব্যাপক প্ৰচাৰ কাৰ্য হাতত লয়। ৰাজ্য পুনৰ্গঠিন আয়োগৰ আগতো অসমীয়া ভাষাই ৰাজ্যখনৰ প্ৰধান ভাষা বুলি অসম সাহিত্য সভাই বক্তব্য দাঙি ধৰিছিল।

অসম সাহিত্য সভাৰ এই তৎপৰতাৰ সমান্তৰালভাৱে অসমৰ পশ্চিম সীমান্তত অৱস্থিত গোৱালপাৰা জিলাখনক বংগৰ সৈতে চামিল কৰাৰ এক ষড়যন্ত্ৰ ৰচনা কৰা হৈছিল। ধুবুৰী আদালতত ওকালতি কৰা ৰমণী বসুৰ নেতৃত্বত এচাম বাংলাভাষী বুদ্ধিজীৱীয়ে তেতিয়াৰ গোৱালপাৰা জিলাখনক পশ্চিম বংগৰ সৈতে সাঙুৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলাইছিল। গোৱালপাৰাৰ ভাষা বাংলা ভাষাৰ এক উপভাষা বুলি আয়োগক পতিয়ন নিওৱাৰ প্ৰয়াস কৰা হৈছিল আৰু এই প্ৰচেষ্টাক সৰ্বান্তকৰণেৰে প্ৰতিৰোধ কৰিছিল শৰৎ চন্দ্ৰ সিংহই। অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহই দিন-ৰাতি একাকাৰ কৰি অঞ্চলটোৰ জনসাধাৰণৰ মাজত সভা-সমিতি আদি অনুষ্ঠিত কৰি তীব্ৰ জনজাগৰণৰ সৃষ্টি কৰিছিল। এক গণ আন্দোলনৰ ৰূপ লোৱা এই প্ৰচেষ্টাৰ বাবেই গোৱালপাৰা জিলাখন অসমৰ ভিতৰতে থাকি গ'ল।

কোচবিহাৰৰ খিলঞ্জীয়া কোচ-ৰাজবংশীসকলেও পশ্চিম বংগৰ সলনি অসমৰ সৈতে চামিল হোৱাটো বিচাৰিছিল যদিও অসম চৰকাৰৰ ফালৰ পৰা এইক্ষেত্ৰত বিশেষ তৎপৰতা প্ৰদৰ্শন কৰা দেখা নগ'ল। অৱশেষত কলিকতাকেন্দ্ৰিক ৰাজনীতিবিদসকলৰ অহোপুৰুষাৰ্থ প্ৰচেষ্টাৰ বলত অনিচ্ছাসত্ত্বেও কোচ বিহাৰক পশ্চিম বংগৰ সৈতে চামিল কৰা হ'ল।

অৱশেষত ৰাজ্য পুনৰ্গঠিন আয়োগে অসমক খণ্ডিত কৰি কেইবাখনো ৰাজ্য গঠন কৰাৰ দাবীসমূহৰ এটা দাবীকো ন্যায্য বুলি গ্ৰহণ

নকৰিলে। ত্ৰিপুৰাৰ ক্ষেত্ৰত আয়োগে ৰাজ্যখন নিজাববীয়াকৈ স্বতন্ত্ৰ ৰাজ্য হ'ব পাৰিব বুলি অনুমোদন নজনালে। পশ্চিম বংগ চৰকাৰেও ত্ৰিপুৰাৰ অংশবিশেষক নিজৰ লগত চামিল কৰিব নিবিচাৰিলে। অসমৰ সৈতে ত্ৰিপুৰাক চামিল কৰাৰ ক্ষেত্ৰত কোৱা হ'ল যে পাকিস্তান আৰু ভাৰতবৰ্ষৰ মাজত থকা সমগ্ৰ এলেকাক অসম চৰকাৰৰ প্ৰশাসনৰ অধীনলৈ আনিব লাগে। ইয়াৰ ফলত কাছাৰ আৰু ত্ৰিপুৰা উভয়ৰে উন্নয়ন সম্ভৱপৰ হ'ব। নেফাক অসমৰ সৈতে চামিল কৰাটো উচিত নহয় বুলি অভিমত দাঙি ধৰি আয়োগে ক'লে যে যিহেতু অঞ্চলটোৰ প্ৰতি বিশেষ তত্ত্বাৱধান লোৱাৰ প্ৰয়োজন আছে, সেয়েহে এই চামিলকৰণ উচিত নহ'ব। নেফাক পূৰ্বৰ অৱস্থাত ৰখাৰ বাবেই আয়োগে অনুমোদন জনালে। একেদৰে মণিপুৰী ভাষা-সংস্কৃতিৰ স্বতন্ত্ৰতাৰ প্ৰতি লক্ষ্য ৰাখি অঞ্চলটোক অসমৰ সৈতে চামিল কৰাটো উচিত নহয় বুলি আয়োগে অনুমোদন জনালে।

১৯৫৫ চনৰ ৰাজ্য পুনৰ্গঠন আয়োগে অসম প্ৰদেশখনৰ কোনো হ্ৰাস-বৃদ্ধি নকৰিলে যদিও বিশেষতঃ পাহাৰীয়া জাতি-জনগোষ্ঠীবোৰে নিজৰ আন্দোলনবোৰ চলাই থাকিল। অসমীয়া ভাষাক ৰাজ্যভাষা কৰাৰ দাবীটোৰ ফলতে এনে জাতিবোৰে সুকীয়া ক্ষেত্ৰভূমিৰ কথা বিবেচনা কৰা বুলি বহুতো লোকে ক'ব বিচাৰে। পৰৱৰ্তী সময়ত এই আয়োগৰ অনুমোদনবোৰক কেন্দ্ৰ কৰিয়েই বহুতো ৰাজনৈতিক উত্থান-পতনৰ ঘটনা সংঘটিত হৈ থাকিল।


অংকুর